ৰসৰাজ বেজবৰুৱা

DIRECTORATE OF LIBRARY
ASSAM

শ্ৰীশশী শৰ্মা
নলবাৰী কলেজ, নলবাৰী

দত্তবৰুৱা এণ্ড কোম্পানী
নলবাৰী : গুৱাহাটী
(অসম)

'**RASARAJ BEZBARUA**', a critical appreciation on the life and literature of late Lakshmi Nath Bezbarua a pioneer of the Modern Assamese Literature, written by prof. Sashi Sharmah of Nalbari College Nalbari, Assam, and Published by Shri B. N. Dutta Baruah of the Dutta Baruah & Co. Nalbari, Assam.

প্ৰকাশক ঃ
শ্ৰীভবেন্দ্ৰনাৰায়ণ দত্তবৰুৱা
দত্তবৰুৱা এণ্ড কোম্পানী
নলবাৰী ঃ গুৱাহাটী
অসম

প্ৰথম প্ৰকাশ ঃ
লক্ষ্মীপূৰ্ণিমা, ১৮৮৯ শক
(১৭ অক্টোবৰ, ১৯৬৭)

বেচ—৪·০০ (চাৰি) টকা মাত্ৰ

মুদ্ৰণ ঃ
উমা প্ৰেছ
নলবাৰী ঃ অসম

অৰ্পণ

আধুনিক অসমৰ জাতীয়তা আৰু ভাষা সাহিত্যৰ সৰ্ব্বপ্ৰধান
প্ৰতিষ্ঠাতা যি গৰাকী মহান ব্যক্তিৰ কৰ্ম্মবহুল জীৱন আৰু
ৰচনাৰাজিক ভিত্তি কৰি এই গ্ৰন্থ ৰচিত হ'ল, সেই
গৰাকী বহুমুখী প্ৰতিভাশালী অসমৰ জাতীয়
সাহিত্যিক সাহিত্যৰথী লক্ষ্মীনাথ বেজ-
বৰুৱাৰ জন্ম-শতবাৰ্ষিকীৰ পুণ্যস্মৃতিত
'ৰসৰাজ বেজবৰুৱা'
অৰ্পণ কৰা হ'ল।

—লেখক

প্ৰকাশকৰ এষাৰ

অসম দেশৰ সাহিত্যজগতৰ চন্দ্ৰ লক্ষ্মীনাথ বেজবৰুৱা ৰসৰাজ হ'ল। চন্দ্ৰৰ জ্যোতি আৰু ৰূপে মানৱজগতক উদ্ভাসিত কৰে, তেনেকৈ লক্ষ্মীনাথ বেজবৰুৱাইও অসমীয়া সাহিত্যত ৰূপ দিলে জ্যোতি ছটিয়ালে। মানৱতাৰ পূজাৰী লক্ষ্মীনাথ বেজবৰুৱা সম্বন্ধে সেইহে অসমীয়া মাত্ৰে কিবা এটা গভীৰ ভাব, শ্ৰদ্ধাৰ ভাৰত মূৰ দোঁ খাই যায়। পৰম আত্মীয় বন্ধুবৰ অধ্যাপক শশী শৰ্মাই কথাই কথাই এদিন কৈছিল "মই লক্ষ্মীনাথ সম্বন্ধে এখনি গ্ৰন্থ লিখি আছোঁ প্ৰকাশ কৰিবা জানো ?" তত্‌পৰে কৈছিলো লক্ষ্মীনাথ সম্বন্ধে লিখা ভাল কিতাপ এখনি প্ৰকাশ কৰিব পাৰিলে সুখ পাম। আমাৰ পিতৃদেৱ স্বৰ্গীয় সাহিত্যৰত্ন হৰিনাৰায়ণ দত্ত বৰুৱাৰ কথা উল্লেখ কৰিবলৈ এই ক্ষেত্ৰতে মনত পৰিল। লক্ষ্মীনাথ বেজবৰুৱাৰ সতে কিবা এটা ভাব হৈছিল হেনো। বহুদিন আগৰ কথা। সেই সময়ত পিতৃদেৱ যোৰহাটত অসম সাহিত্য সভাৰ (প্ৰথম) সহকাৰী সম্পাদক। তেতিয়া—'চিত্ৰদৰ্শন' গ্ৰন্থখানি প্ৰতিযোগিতাৰ কাৰণে পুঠিওৱা হৈছিল অসম সাহিত্য সভালৈ। স্বৰ্গীয় ডিম্বেশ্বৰ নেওগ ডাঙৰীয়াই কথাই কথাই বেজবৰুৱাৰ মতামতো সেই সম্পৰ্কত আমাৰ আগত কৈছিল, উপস্থিত আছিল ভূতপূৰ্ব অসম সাহিত্য সভাৰ পত্ৰিকা সম্পাদক শ্ৰীযোগেশ দাস। লগে লগে মোৰ সঙ্কল্প হ'ল "লক্ষ্মীনাথ বেজবৰুৱাৰ সম্বন্ধে গ্ৰন্থ এখনি প্ৰকাশ কৰিম"। আজি অসমীয়া ভাষাৰ ওপৰত আনৰ কটূক্তি আৰু অসমীয়া ৰাইজৰ ওপৰতো অত্যাচাৰ। এনে সময়ত অসমীয়া সাহিত্যজগতৰ চন্দ্ৰমা লক্ষ্মীনাথৰ কথা, মোৰ মনত পৰে তেওঁ কোৱা এনে কথা।

> "উঠ অসমীয়া সুগুৰি আৰু
> কানীয়া বুলিব লোকে।
> কানীয়া সোৱোপা বুলিব লাগিলে
> মই মৰি যাম শোকে ॥"

অসমীয়াৰ প্ৰতি এনে দৰদ যাৰ সেইলোক অসমীয়াৰ চিৰ পূজ্য চিৰ নমস্য। তেওঁ কোৱা এনে উক্তিত আজি যদি অসমীয়া উদ্বুদ্ধ হয় আনে সোৱোপা বুলিব বুলি ভয় হয় 'উঠি পৰি লাগি যায়,' অসমীয়া ভাষা অসমীয়া জাতি জীয়াই থাকিব পাৰিব, নহলে লক্ষ্মীনাথৰ দুখতেই অসমৰ মৃত্যু হব।

অসমীয়া জাতিক মানৱতাৰ ভাবত জাগ্ৰত কৰা লক্ষ্মীনাথে আৰু কৈছিল—

> "চকুৰ ফেচ্‌কুৰি ধুই অসমীয়া,
> উন্নতিৰ বাটত লৰ

নহলে পিছত পৰি পচি যাবি,
বিদেশীৰ খাবি চৰ"।

অসমীয়া লোকৰ উন্নতিয়ে লক্ষ্মীনাথৰ প্ৰাণৰ আশা, গোটেই জাতিৰ মঙ্গলেই তেওঁৰ কামনা। সেইহে প্ৰাণৰ বতবাত দুখ আক্ষেপ, অসমীয়া জাতি যেন সোবোপা হৈ কানীয়া নহয়, পচি সৰি নাযায়, বিদেশীৰ চৰ লাঠি খাই জীয়াই থাকিব লগা যেন নহয়। এনেহেন মহান ব্যক্তি অসমীয়া জাতি মাত্ৰৰে জনক বুলিব লাগে। গণতন্ত্ৰত বিশ্বাসী লক্ষ্মীনাথ ৰাজনীতিৰ পৰা যদিও বিৰত আছিল, তথাপি অসমীয়া জাতিক সকিয়াই দিছিল, সাৱধান কৰিছিল, 'কাৰণ,

"তোটৰ বেলিকা বিদেশীজন অসমীয়া হয়।
আনকালত সকলোতে অসমীয়াক হিংসে,
কথায় কথায় অসমীয়াক "ভূত" বুলি দংশে।

বিদেশী বহিৰাগতৰ প্ৰতি থকা তেওঁৰ মনোভাব স্পষ্ট আৰু অসমীয়াসকলৰ প্ৰতি থকা প্ৰীতিৰ স্বৰূপ উজ্জ্বল হৈ পৰে। স্বজাতি প্ৰীতিৰ এনে নিদৰ্শন অসমীয়া সাহিত্যিকৰ মাজত বিৰল।

লক্ষ্মীনাথ বেজবৰুৱাৰ কাল্পনিক সাধুৰ মাজত নীতিশিক্ষাৰ প্ৰভাৱ মন কৰিব লগীয়া।

"বিশ্বাসঘাতকৰ জানা এনে ফল হয়।
সন্মে লাভ, পিছে কিন্তু নিশ্চয় প্ৰলয়।

এনে উক্তিত অসমীয়া বুলি ৰবাই কৰা মুখাফুটা অসমীয়াসকলৰ প্ৰতি পুতৌ জন্মে। এনেদৰে অসম অসমীয়া ভাষা আৰু অসমীয়া জাতিক প্ৰাণৰ সতে ভাল পোৱা জনৰ সম্বন্ধে লিখা শ্ৰীশশী শৰ্মাৰ 'ৰসৰাজ বেজবৰুৱা' গ্ৰন্থৰ প্ৰকাশনৰ দায়িত্ব লব পাৰি আনন্দিত। অসমীয়া পাঠকে "ৰসৰাজ বেজবৰুৱা" পঢ়ি যদি ভাবে "অসমীয়া ভাষাত এখনি উৎকৃষ্ট গ্ৰন্থ পঢ়িলো" আমাৰ উদ্দেশ্য সাৰ্থক হব। ডেৰকুৰি বছৰৰো অধিক কাল অসমীয়া জাতি আৰু অসমীয়া সাহিত্যৰ সেৱক প্ৰকাশন প্ৰতিষ্ঠান 'দত্তবৰুৱা এণ্ড কোম্পানীৰ' হৈ অসমীয়া ৰাইজলৈ শ্ৰদ্ধা জ্ঞাপন কৰি মেলানি মাগিলোঁ।

নলবাৰী
১৭।১০।৬৭

শ্ৰীভবেন্দ্ৰনাৰায়ণ দত্ত বৰুৱা

পাতনি

এতিয়ালৈকে বেজবৰুৱাৰ সাহিত্য-প্ৰতিভাৰ সকলোদিশৰ আলোচনামূলক গ্ৰন্থ এখনো ওলোৱা নাই। অৱশ্যে 'ৰসৰাজ বেজবৰুৱা'ৰ ছপাকাম আৰম্ভ হোৱাৰ পিছত শ্ৰীহেম বৰুৱা দেৱে ইংৰাজীত লেখা 'লক্ষ্মীনাথ বেজবৰুৱা' গ্ৰন্থখন সাহিত্য অকাডেমীৰ দ্বাৰা প্ৰকাশিত হৈ ওলাইছে, ই অসমৰ বাহিৰত বেজবৰুৱা-প্ৰতিভা বিস্তাৰত সহায় কৰিব নিশ্চয়। এই গ্ৰন্থৰে কেৱল বেজবৰুৱা সাহিত্যৰ ভিন্ ভিন্ দিশৰ লগত সহৃদয় সামাজিকক পৰিচয় কৰি দিবহে বিচাৰিছোঁ, যাতে অদূৰ ভৱিষ্যতত বৈজ্ঞানিক পদ্ধতিত বেজবৰুৱা-সাহিত্যৰ বিষয় গবেষণা-মূলক গ্ৰন্থ আৰু বহুতো ওলায়, তাৰ আশাত। এই প্ৰচেষ্টাৰ লক্ষ্য কেৱল সাহিত্যৰথী গৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা আৰু ন পাঠক-পাঠিকাসকলক বেজবৰুৱা সাহিত্যৰ বিভিন্ন দিশৰ প্ৰতি আকৰ্ষিত কৰা। অনিচ্ছাকৃত দোষ-ত্ৰুটী আৰু আসোঁৱাহৰ উপৰিও ছপা ভুলো যে বহুতো হৈ গ'ল তাৰ প্ৰতিও আমি সচেতন। গুণীসকলে দোষ-ত্ৰুটী আঙুলিয়াই দিলে ধন্য মানিম আৰু সমালোচকৰ গালি ফুল-চন্দন বুলি বিবেচনা কৰিম। পৰিবৰ্তিত আৰু পৰিবৰ্দ্ধিত ৰূপত দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰিবলৈ আমি সাজু থাকিম।

বাইজৰ অলপ মৰমেই জানো অসমীয়া লেখক-লেখিকাৰ পাথেয় নহয়?

ইতি—

লক্ষ্মীপূৰ্ণিমা, ১৮৮৯ শক
(১৭ অক্টোবৰ, ১৯৬৭ চন)

শ্ৰীশশী শৰ্মা,
লক্ষ্মীকুটীৰ, নলবাৰী।

কৃতজ্ঞতা জ্ঞাপন

সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কেইবাখনো কিতাপ বৰ্তমানেও দুষ্প্ৰাপ্য। তেওঁৰ দ্বাৰা সম্পাদিত 'বাঁহী' আৰু দুষ্প্ৰাপ্য। কিন্তু বেজবৰুৱাৰ প্ৰায় আঠাইকেইখন গ্ৰন্থ আৰু সৰহ সংখ্যক 'বাঁহী' পোৱা সম্ভৱপৰ হৈছিল কেইগৰাকীমান বিশিষ্ট সাহিত্যামোদীৰ যত্নত। সেইসকলৰ ভিতৰত সহকৰ্মী অধ্যাপক মহানন্দ চক্ৰৱৰ্তী এম-এচ্ চি, অধ্যাপক নিজাম আলি এম-এ, অগ্ৰজপ্ৰতিম অধ্যাপক হৰিনাথ শৰ্মা দলৈ এম্-এ, আৰু শ্ৰীমুনীন্দ্ৰনাৰায়ণ দত্ত বৰুৱা এম-এৰ নাম শ্ৰদ্ধাৰে সোঁৱৰিবই লাগিব। অধ্যাপক হৰেন্দ্ৰনাথ শৰ্মাইও বেজবৰুৱাৰ কিতাপ বিচাৰি হাবাথুৰি খাইছে। সোদৰপ্ৰতিম শ্ৰীভূপেন্দ্ৰনাৰায়ণ দত্ত বৰুৱাই প্ৰকাশৰ দায়িত্ব নোলোৱাহেঁতেন, আৰু অধ্যাপক শ্ৰীপ্ৰসন্নকুমাৰ শৰ্মা এম-এচ-চি, অধ্যাপক জ্যোতিষচন্দ্ৰ চৌধুৰী এম-এ, ডক্টৰ সত্যেন্দ্ৰনাৰায়ণ গোস্বামী এম-এ, ডি, ফিল, আৰু অধ্যাপক হৰিদত্ত শৰ্মা এম-এ, এই গ্ৰন্থখন ৰচনা কৰিবলৈ কৈ নথকাহেঁতেন যে 'ৰসৰাজ বেজবৰুৱা' ৰাইজৰ মাজলৈ ওলাব নোৱাৰিলেহেঁতেন ই নিশ্চিত। ডাঃ নৃপেন্দ্ৰমল্ল বৰুৱাইও এনে এখন গ্ৰন্থ ৰচনা কৰিবলৈ মোক উৎসাহিত কৰিছিল। মাজে মাজে দুই এটা কথাৰ সন্দেহ বিচাৰি সুসাহিত্যিক অধ্যক্ষ ত্ৰৈলোক্যনাথ গোস্বামী এম-এ, বি-এল দেৱকো আমনি নকৰা নহয়। ডঃ সত্যেন্দ্ৰনাথ শৰ্মা এম-এ, ডি-ফিল দেৱে বেজবৰুৱাৰ দুষ্প্ৰাপ্য গ্ৰন্থসমূহৰ সাহায্য প্ৰাপ্যস্থানৰ সন্ধান দিছিল। এই সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নলবাৰীৰ অজন্তা বুকষ্টলৰ স্বত্বাধিকাৰী শ্ৰীনগেন শৰ্মাই স্বেচ্ছাই এই গ্ৰন্থখন প্ৰকাশৰ দায়িত্ব লবলৈ আগবাঢ়ি আহিছিল। তেওঁৰ সোহাৰ্দ্যতাৰ শলাগ লৈছোঁ। অভাৱ-অনাটনত নিপীড়িত সত্ত্বেও সহধৰ্মিনী শ্ৰীমতী বীণাই ঘৰুৱা জঞ্জালৰ মাজলৈ বৰকৈ নটনা কাৰণেহে যে 'ৰসৰাজ বেজবৰুৱা' সম্পূৰ্ণ কৰি উলিওৱা সম্ভৱপৰ হৈছে, তাক স্বীকাৰ নকৰা নিশ্চই ভুল হব। উমা প্ৰেছৰ পৰিচালক শ্ৰীযোগেশচন্দ্ৰ গোস্বামী আৰু সহকৰ্মী শ্ৰীহিতেন্দ্ৰ ৰায়চৌধুৰীয়ে গ্ৰন্থৰ ছপা কাৰ্য্যত যথেষ্ট তৎপৰতা অৱলম্বন কৰা হেতুকে দুয়োৰো শলাগ লৈছোঁ।

শ. শ.

সূচী-পত্ৰ

বিষয়—			পৃষ্ঠা—
১ বেজবৰুৱাৰ জন্মৰ সময়ৰ অসম	...	...	১
২। বৈচিত্ৰ্যময় জীৱনৰ চমু আলোচনা	...	..	১০
৩। বেজবৰুৱাৰ প্ৰতিভা	...	...	২৩
(ক) ধেমেলীয়া নাট	...	...	২৯
(খ) ঔপন্যাসিক বেজবৰুৱা	...	...	৩৫
(গ) বেজবৰুৱাৰ গল্পসাহিত্য	...	..	৪৫
(ঘ) প্ৰবন্ধকাৰ লক্ষ্মীনাথ বেজবৰুৱা	...	...	৫৫
(ঙ) কাৰ্টুনিষ্ট বেজবৰুৱা	...	...	৬১
(চ) কবি বেজবৰুৱা	..	...	৭৬
(ছ) বেজবৰুৱাৰ শিশু সাহিত্য	...	...	৯২
(জ) চৰিতকাৰ বেজবৰুৱা	...	...	১০৪
(ঝ) উপদেশমূলক ৰচনা	...	...	১১৬
(ঞ) বুৰঞ্জীমূলক নাট কেইখন	...	...	১২০
(ট) সমালোচক বেজবৰুৱা	...	...	১৪৪
(ঠ) হাস্যৰসিক বেজবৰুৱা	...	...	১৫৮
(ড) বেজবৰুৱাৰ ৰচনা শৈলী	...	...	১৭৩
(ঢ) অসমীয়া সাহিত্য আৰু বেজবৰুৱা	...	...	১৮৫
৪। সাংবাদিক লক্ষ্মীনাথ বেজবৰুৱা	...	...	১৯৪
৫। বেজবৰুৱা মানুহজন	...	...	২১০
৬। গ্ৰন্থপঞ্জী	..	...	২১৯

ৰসৰাজ বেজবৰুৱা

বেজবৰুৱাৰ জন্মৰ সময়ৰ অসম

ভাষা-সাহিত্য-সংস্কৃতিৰ পুনৰ উন্মেষ আৰু জাতীয়তাবোধ বা স্বদেশ-প্ৰেমৰ নৱ-জাগৃতিৰ সহায়ত আধুনিক অসম গঢ়াত সবাতোকৈ অগ্ৰণী প্ৰবীণ সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱন-বৃত্ত আৰু মহৎ কৃতিসমূহৰ সম্যক বুজ লোৱাৰ আগতে তেওঁৰ জন্মৰ সময়ৰ অসমৰ ৰাজনৈতিক, সামাজিক বা সাংস্কৃতিক পৰিস্থিতিৰ কথা জনাৰ হেঁপাহ যথাৰ্থতে আমাৰ মনত ওপজে।

সুদীৰ্ঘ ৬০০ ছশ বছৰ কাল প্ৰবল প্ৰতাপেৰে ৰাজত্ব কৰা আহোম স্বৰ্গদেৱসকলৰ অসমৰ লক্ষ্মীনাথ সিংহৰ (১৭৬৮—৭১) দিনৰ পৰা কেনেকৈ অৱনতিয়ে দেখা দিলে তাক আমি আহোম বুৰঞ্জীত পাওঁ। লক্ষ্মীনাথ সিংহ আছিল দুৰ্বল আৰু ৰাজপাট আৰোহণ কৰিছিল বাৰ্দ্ধক্যত। স্বৰ্গদেৱৰ দুৰ্বলতাৰ সুবিধা লৈ কীৰ্তিচন্দ্ৰ বৰবৰুৱা হৈ উঠে অসীম শক্তিশালী ৰূপে প্ৰতীয়মান। কীৰ্তিচন্দ্ৰই ক্ষমতাৰ অপব্যৱহাৰ কৰিলে। আগ-পাচ নুগুণি ৰাজভক্ত প্ৰজাৰ ওপৰত অত্যাচাৰ কৰিলে। কীৰ্তিচন্দ্ৰ বৰবৰুৱাৰ হাতৰ পুতলা স্বৰূপ ৰজাই দেশত শান্তি আৰু শৃংখলা ৰক্ষা কৰিব নোৱাৰিলে। ফলত মোৱামৰীয়া মহন্তৰ নেতৃত্বত সাধাৰণ পাইক মৰাণইতে ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিলে। অসন্তুষ্ট ৰাজবিষয়া আৰু খেদাখোৰা ৰাজকোঁৱৰসকলেও বিদ্ৰোহী মৰাণৰ লগত যোগ দিলে। বিদ্ৰোহৰ ফলস্বৰূপে অসংখ্য ৰাজকীয় সৈন্য সেনানী ধ্বংস হ'ল, কাৰ্তিচন্দ্ৰ বৰবৰুৱাক শূলত দিলে আৰু লক্ষ্মীনাথ সিংহক জয়সাগৰৰ জয়দ'লত বন্দী কৰি থৈ ৰাজপাটত বহুৱালে নাহৰখোঁৱাৰ পুতেক ৰমাকান্তক। অৱশ্যে ঘনশ্যাম বুঢ়া গোহাঁইৰ ছলনাত ৰমাকান্ত আৰু

বাগৰ মৰাণ প্ৰমুখ্যে প্ৰধান প্ৰধান মৰাণইঁতক বধ কৰি লক্ষ্মীনাথ সিংহক পুনৰ সিংহাসনত অধিষ্ঠিত কৰিবলৈ সবহ কাল নালাগিল। কিন্তু আহোমৰ সিংহাসনলৈ থকা অচলা ভক্তি আৰু বিশ্বাস প্ৰজা সাধাৰণৰ মনৰপৰা লোপ পালে। অলপমান শক্তিশালী হলেই প্ৰজাই ৰজা হবলৈ ষড়যন্ত্ৰ আৰম্ভ কৰিব ধৰিলে। দেশৰ ধৰণী সম্পূৰ্ণৰূপে বদলিল।

বিদ্ৰোহ আৰু ষড়যন্ত্ৰৰ মাজেদি ১৭৭৯ চনৰ পুহত লক্ষ্মীনাথ সিংহ পৰলোক প্ৰাপ্ত হোৱাত ৰাজসিংহাসনত বহুওৱা হ'ল দুৰ্বল, অস্থিৰ আৰু উটমুৱা গৌৰীনাথ সিংহক। লক্ষ্মীনাথ সিংহৰ দিনত শাম কাটিবলৈ ধৰা প্ৰজা-বিদ্ৰোহে এওঁৰ ৰাজত্বকালত আগতকৈও অধিক শক্তিশালী ৰূপত দেখা দিলে। ৰাজকীয় সকলো ধৰণৰ বাধা ব্যৰ্থ কৰি মোৱামৰীয়া-মটক বিদ্ৰোহীইঁত আহি ৰাজধানী ৰংপুৰত প্ৰৱেশ কৰিলে, ৰজা পলাল, পাত্ৰ-মন্ত্ৰী যিখিনি আছিল মৰি-হজি ঢুকাল, কিছুমান পলাল আৰু আন কিছুমানে স্বাৰ্থসিদ্ধিৰ চেষ্টাত বিদ্ৰোহীবিলাকৰ লগত যোগ দিব ধৰিলে। ঠায়ে ঠায়ে বাইজে একোজন নিজৰ বংশৰ যুৱকক ৰজা বুলি ঘোষণা কৰি স্বাধীনভাবে একো-একোটা অংশ ৰাজত্ব কৰিবলৈও আৰম্ভ কৰিলে। সমগ্ৰ দেশজুৰি কেৱল বিদ্ৰোহ, কটাকটি, যোদ্ধা-যোদ্ধী। সোণৰ অসম মৰুভূমিত পৰিণত হ'ল। চাওঁতে চাওঁতে ১৭৮৭ চনত সমগ্ৰ দেশজুৰি অভূতপূৰ্ব দুৰ্ভিক্ষই দেখা দিলে। পানীৰ কচু আৰু শাক-পাত আদিও পাবলৈ নোহোৱা হোৱাত উচ্চ হিন্দুসকলেও হেনো গৰু-ম'হৰ মঙহ খাই জীৱন ধাৰণ কৰিবলগ ত পৰিছিল, আনকি কুকুৰ-মেকুৰীৰ মঙহো হেনো বাদপৰা নাছিল। এনে অৱস্থাত অসংখ্য লোকে মৃত্যুবৰণ কৰিবলগা হোৱাটো স্বাভাৱিক আছিল। গৌৰীনাথ সিংহ পলাই গৈ পোনতে নগাওঁ আৰু তাতো তিষ্ঠিব নোৱাৰি গুৱাহাটী পালেগৈ। গুৱাহাটীত বিষয়াসকলৰ সৈতে আলোচনা কৰি ইংৰাজৰ সাহায্য বিচাৰি কটকী পঠোৱা হ'ল। তেতিয়াৰ কলিকতাত থকা ইংৰাজ ইষ্ট-ইণ্ডিয়া কোম্পানীৰ গভৰ্ণৰ জেনেৰেল মিঃ উদ (Mr. wood) নামৰ কেপ্টেইন একজনৰ অধীনত এহেজাৰ সৈন্য দি অসম-ৰজাক সহায় কৰিবলৈ পঠালে। এওঁলোকৰ সৈতে লগলাগি ৰজা গৌৰীনাথ সিংহ ৰংপুৰলৈ উজাই গৈ মোৱামৰীয়া-মটক বিদ্ৰোহীইঁতক দমন কৰি আকৌ হেৰোৱা সিংহাসন লাভ কৰিলে। সেই-ৰূপৰ উপঢৌকনেৰে সৈতে ইংৰাজ-সৈন্যক বিদায় দি বিদ্ৰোহী-ইঁতক নিষ্ঠুৰ ভাবে দমন কৰি ৰাজ্য পুনৰ প্ৰতিষ্ঠা কৰিবলৈ আৰম্ভ কৰোতেই টান নৰীয়াত পৰি গৌৰীনাথ সিংহ পৰলোক প্ৰাপ্ত হ'ল। (১)

(১) আহোম বুৰঞ্জী : গোলাপচন্দ্ৰ বৰুৱা।

গৌৰীনাথ সিংহৰ দিনত হোৱা বিদ্ৰোহে কুবৈগঞা বুঢ়াগোহাঞিঃ পূৰ্ণানন্দক অসীম শক্তিশালী ৰূপে প্ৰতীয়মান কৰি তুলিলে। গৌৰীনাথ সিংহৰ পিছত তেৱেঁই ৰাজ্যৰ সৰ্বময় কৰ্তা হৈ পৰিল। তেওঁ কমলেশ্বৰ সিংহক ৰজা পাতি লৈ ৰাজ্য শাসন কৰিব ধৰিলে। কমলেশ্বৰ সিংহৰ দিনত উল্লেখযোগ্য বিপ্লৱ বা বিদ্ৰোহ আদি মূৰপাতি উঠা নাছিল যদিও দেশত যথাৰ্থতে শান্তি প্ৰতিষ্ঠিত হোৱা নাছিল। এবং-ধৰাকৈ সৰু-সুৰা বিদ্ৰোহ দেখা দি আছিলেই। কাকিয়াল, মিৰি, মিচিমি, আবৰ, খামটি, নগা প্ৰভৃতি জনজাতীয় লোকসকলেও সুবিধ পালেই বিদ্ৰোহ বা আক্ৰমণ কৰিবলৈ এৰা নাছিল। এওঁৰ ৰাজত্ব-কালত অসংখ্য সৰু সৰু বিদ্ৰোহ আৰু আক্ৰমণৰ সন্মুখীন হবলগীয়া হৈছিল যদিও, ৰজাই ৰাজপাট এৰি পলাব লগাত পৰা নাছিল। ১৮০৬ চনত সমগ্ৰ দেশজুৰি মহামাৰীৰূপে দেখা দিয়া বসন্ত ৰোগত পৰি ৰজা কমলেশ্বৰ সিংহ পৰলোক প্ৰাপ্ত হয়।

কমলেশ্বৰ সিংহৰ পিছত ৰাজপাটত অধিষ্ঠিত হ'ল চেণ্ডেলীয়া ল'ৰা চন্দ্ৰকান্ত সিংহ। চন্দ্ৰকান্ত সিংহৰ খেলৰ লগৰী আছিল ভূতৰ পুতেক সৎৰাম। ৰজা চন্দ্ৰক দুই এওঁক চাৰিঙীয়া ফুকন পদত অধিষ্ঠিত কৰিলে। এই সময়ত আহোম ৰাজ্যত সৰ্বময় অধীশ্বৰ স্বৰূপ আছিল পূৰ্ণানন্দ বুঢ়াগোহাঞি। সৎৰামে ৰজাক বুঢ়াগোহাঁঞিৰ বিৰুদ্ধে বিক্ষুব্ধ কৰি তুলিলে। সেয়ে নহয়, বুঢ়াগোহাঁঞিক বধ কৰি ৰজাই নিজে সকলো ক্ষমতা হস্তগত কৰিবলৈ মানস কৰি বুঢ়াগোহাঁঞিৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰা হ'ল। ষড়যন্ত্ৰৰ বাতৰি প্ৰকাশ পোৱাত বুঢ়াগোহাঁঞে সৎৰাম প্ৰমুখ্যে ষড়যন্ত্ৰক বীসকলক ধৰাই আনি নিৰ্মম ভাৱে শাস্তি বিহিব ধৰিলে। সুমলী ৰাজমাওৰ অনুৰোধ ক্ৰমে সৎৰামক বধ কৰা নহ'ল—কিন্তু নগাপাহাৰলৈ খেদি দিলে। এই ষড়যন্ত্ৰক বীসকলৰ বিচাৰ কৰোঁতে প্ৰকাশ পালে যে তেতিয়াৰ গুৱাহাটীৰ বৰফুকন বদনচন্দ্ৰও এইসকলৰ লগত জড়িত আছিল। বুঢ়াগোহাঁঞে বদনক ধৰি আনিবলৈ মানুহ পঠালে। কিন্তু মানুহ গৈ পোৱাৰ আগতে বাতৰি পাই বদন কলিকতালৈ পলাল। কলিকতাৰ গভৰ্ণৰ জেনেৰেলৰ ওচৰত সহায় বিচাৰি বিমুখ হৈ বদনচন্দ্ৰ আগবাঢ়ে মানৰ দেশ ব্ৰহ্মলৈ। মানৰজা বডোৱ'পাই বদনক সহায় কৰিবলৈ প্ৰতিজ্ঞা কৰিলে। ১৮১৪ চনত মান-সৈন্যেৰে আহি পাটকাই পাৰ হৈ বদন সসৈন্যে অসমত প্ৰৱেশ কৰিলে। দেশত আকৌ হাঁহাকাৰ লাগি উঠিল। মানৰ বিৰুদ্ধে যুঁজিবলৈ পঠোৱা হ'ল যদিও পদে পদে পৰাজয় বৰণ কৰিব লগা হ'ল। দেশৰ সৰ্বময় শক্তি স্বৰূপ পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ মৃত্যু ঘটিল এনে সংকটৰ সময়ত। বদন মান-সৈন্যেৰে সৈতে

আগবাঢ়িল ৰাজধানী যোৰহাট নগৰলৈ। পূৰ্ণানন্দ বুঢ়াগোহাঁঞিৰ ৰবপুত্ৰ ৰুচিনাথ বুঢ়াগোহাঁঞি সপৰিয়ালে গুৱাহাটীলৈ পলাল। ৰজা চন্দ্ৰকান্ত সিংহই বদনক আকোৱালি লৈ মানৰ লগত বন্ধুত্ব পাতি নানা ধৰণৰ উপঢৌকন আৰু বগাকোঁৱৰৰ জীয়েকক মানৰজালৈ কুঁৱৰী ৰূপে আগবঢ়ালে। বদনচন্দ্ৰ মন্ত্ৰীফুকন হ'ল, আৰু বদনৰ নিৰ্দেশত ৰাজ্য আগৰ দৰেই চলিব ধৰিলে। কিন্তু ধুমলী ৰাজমাৱে ধনী বৰবৰুৱাৰ লগত ষড়যন্ত্ৰ কৰি বদনক ৰূপসিং বঙ্গালবৰাৰা বধ কৰালে।

এই বাতৰি শুনি ৰুচিনাথ বুঢ়াগোহাঁঞি নামনিৰ সৈন্য-সেনাপতি আৰু বিষয়াসকলেৰে সৈতে উজাই আহি চন্দ্ৰকান্ত সিংহক ৰজা ভাঙি পুৰন্দৰ সিংহক ৰজা পাতিলে। চন্দ্ৰকান্ত সিংহৰ কাণকাটি ঘুণীয়া কৰিলে। ৰুচিনাথ হ'ল এতিয়া ৰাজ্যৰ সৰ্বময় কৰ্তা। এই বাতৰি গৈ মানৰ দেশ পোৱাত মানৰজাই আকৌ আলুমিঙিৰ সেনাপতিত্বত এদল সৈন্য চন্দ্ৰকান্তক ৰজা পাতিবলৈ পঠিয়াই দিলে। এওঁলোক আহি আকৌ চন্দ্ৰকান্তক ৰজা পাতিলে আৰু মনে খোৱা ভাৰ-ভেটি লৈ নিজৰ ৰাজ্যলৈ ওভতিল। কিন্তু ৰজা চন্দ্ৰকান্ত সিংহই বুজি পালে যে অসমৰ প্ৰতি মানইতৰ লোভ বাঢ়িছে; সেয়ে তেওঁ মান অহা বাটত এটা গড় মাৰিবলৈ পাতাল গোহাঁইক পাচিলে। মানসৈন্যই এই বাতৰি পাই আকৌ যাত্ৰা কৰিলে মিঙিমাহাবন্দুলাৰ সেনাপতিত্বত। ৰজা চন্দ্ৰকান্ত গুৱাহাটীলৈ পলাই গৈ সৈন্য-সামন্ত গোটাই মানৰ লগত যুঁজ দিবলৈ সাজু হ'ল। মানসেনাপতিয়ে বগাকোঁৱৰৰ পুতেক যোগেশ্বৰক নামমাত্ৰ ৰজা পাতি নিজেই ৰাজ্যশাসন কৰিবলৈ ধৰিলে, আৰু শাসনৰ নামত অত্যাচাৰ কৰি সমগ অসম উপান্ত কৰিলে। চন্দ্ৰকান্ত সিংহই গুৱাহাটী আৰু মহগড়ত মানৰ লগত যুঁজ দি হাৰিলে।

মান গৈ ইংৰাজৰ ৰাজ্য গে ৱালপাৰাত সোমাই লুটপাত আৰম্ভ কৰিলে। তেতিয়া মানক খেদি অসমত শান্তি প্ৰতিষ্ঠা কৰাৰ ঘোষণাৰে ইংৰাজ আহি অসমত প্ৰৱেশ কৰিলে। মিঃ স্কট আৰু কৰ্ণেল ৰিচাৰ্ডৰ নেতৃত্বত ইংৰাজ-সৈন্যই মানক খেদি নি গৌৰীসাগৰ আৰু ৰংপুৰত তমময়া ৰণ দিলে। মান-সৈন্য যুদ্ধত হাৰি অসম এৰি পলাল (১৮২৫)। এতিয়া অসমৰ সৰ্বময় কৰ্ত্তা হৈ পৰিল ইংৰাজ। তাৰ পিছত ১৮৩২ চনত গভৰ্ণৰ জেনেৰেলৰ নিৰ্দেশ অনুসৰি পুৰন্দৰ সিংহকেই ৰজা পাতি ইংৰাজে অসম দেশ শাসন কৰিবলৈ ধৰিলে।

লক্ষ্মীনাথ সিংহৰ দিনৰপৰা হোৱা এনে ৰাজনৈতিক সংকট আৰু অস্থিৰতাই অসমৰ শান্তি-সুষমা লোপ কৰিলে। সাহিত্য-সংস্কৃতিৰ চৰ্চা বা দেশাত্মবোধৰ

ঠাই অধিকাৰ কৰিলে ব্যক্তিগত ধন আৰু জীৱন ৰক্ষা কৰা'ৰ চিন্তাই। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আৰু নৃশংস অত্যাচাৰে সোণৰ অসম সম্পূৰ্ণকৈ উচ্ছন্ন কৰি পেলালে, সৰহভাগ মানুহকেই কাটি-মাৰি উপান্ত কৰিলে। এক বুজন সংখ্যক লোক প্ৰাণৰ মমতাত দেশ এৰি ভোটৰ পাহাৰ, হিমালয়ৰ নামনি, জয়ন্তীয়া পাহাৰ, ত্ৰিপুৰা, মৈমনসিং আদিলৈ পলাল। মানৰ অত্যাচাৰৰ সময়ত হাবি-বননিয়ে লুকাই থাকি যিখিনি মানুহ অসমত ৰৈ গ'ল, তেওঁলোক ইংৰাজে মানক খেদি শান্তিৰে বসবাস কৰিবলৈ সুচল কৰি দিয়া হেতুকে ইংৰাজৰ ওচৰত হ'ল অসীম কৃতজ্ঞ। আত্মসচেতনতা, জাতীয়তাবোধ, সাংস্কৃতিক প্ৰীতি অসমীয়া মানুহৰ চিত্তৰ পৰা যেন সেইসময়ত সম্পূৰ্ণৰূপে তিৰোহিত হৈ পৰিল। কেৱল যেন ব্যক্তিগত ধন-জন আৰু জীৱনলৈ সকলো অসমীয়া ব্যস্ত হৈ পৰিল। এক শ্ৰেণীৰ টেঙৰ লোকে ইংৰাজ-প্ৰভুসকলক তুষ্ট কৰি ৰব খিতাপ, ৰব বিষয় লভিবলৈও সচেষ্ট হৈ পৰিল। কিন্তু বঙ্গদেশ অসমতকৈ চাৰিকুৰি বছৰ আগতেই ইংৰাজৰ অধীনলৈ যোৱা হেতুকে বঙালীসকল সেই সময়ত ইংৰাজী শিক্ষাত সুশিক্ষিত হৈ উঠিছিল। ইংৰাজৰ শাসন চলাবলৈ আৱশ্যক আছিল ইংৰাজী জনা আমোলা, কাকতি, মহৰীৰ।

অসম আৰু অসমীয়াৰ এনে দুৰৱস্থাৰ কালত অসমৰ ইংৰাজ চৰকাৰৰ শাসন-যন্ত্ৰত সহায় কৰিবলৈ আমদানী কৰা হ'ল বঙ্গদেশৰপৰা হাজাৰে-বিজাৰে বঙালী কাকতি আৰু ভিন ভিন পৰ্য্যায়ৰ আমোলা। ইয়াৰ সুযোগ লৈ বঙালী আমোলাসকলে ইংৰাজ প্ৰভুসকলক বুজাই দিলে যে অসমীয়া বঙালী ভাষাৰ এটা গ্ৰাম্য সংস্কৰণ মাত্ৰ। গতিকে অসমত বঙালী ভাষা প্ৰচলন কৰাই উচিত হব। বঙালী আমোলাইতৰ বুজনিত তেতিয়াৰ অসম চৰকাৰে তাকেই কৰিলে। ১৮৩৫ চনৰপৰা অসমৰ অফিচ, আদালত আৰু পঢ়াশালিৰ ভাষা হ'ল বঙালী। ইয়াৰ প্ৰতিবাদ কৰিবলৈও পোনতে অসমীয়াৰ মাজৰ পৰা মানুহ নোলাল।

অসমত বঙালী ভাষা প্ৰচলনৰ বিৰুদ্ধে কিন্তু প্ৰতিবাদ কৰা হ'ল। এই প্ৰতিবাদ কৰা হ'ল তেতিয়াৰ অসমলৈ খৃষ্টান ধৰ্ম্ম প্ৰচাৰ কৰিবলৈ অহা আমেৰিকান ব্যাপ্টিষ্ট মিচনেৰীসকলৰ নেতৃত্বত আৰু তেওঁলোকৰ দ্বাৰা প্ৰকাশিত 'অৰুণোদয়' আলোচনীৰ মাধ্যমত। তেতিয়াৰ ইংৰাজ শাসকবৰ্গৰ নিৰ্দ্দেশত এই মিছনেৰীসকল অসমলৈ আহিছিল খৃষ্টান ধৰ্ম প্ৰচাৰ কৰিবলৈ। বেভাৰেণ্ড নেথন ব্ৰাউন, অলিবৰ টি, কট্টৰ, ডক্তৰ মাইল্‌ছ্‌ ব্ৰন্সন প্ৰমুখ্যে মিছনেৰীসকল ১৮৩৫ চনৰ পৰা অলপ অগা-পিছাকৈ আহি অৱস্থান কৰিছিল সদিয়াৰ ওচৰৰ

খামতি-চিংফৌ আদি কৰি পাৰ্বত্য অঞ্চলৰ জনজাতীয় লোকৰ মাজত। এওঁলোকে অন্যান্য বস্তুৰ সৈতে লগত আনিছিল এটা ছপাশাল। এই ছপাশালত বঙ্গালী ভাষাত পুথি ছপাই জনজাতীয়লোকৰ মাজত পঢ়াশালি পাতি শিক্ষা বিস্তাৰৰ কাৰণে এওঁলোকে যত্ন কৰি বিফল হ'ল। মানুহে বঙালী নুবুজে, বুজে অসমীয়াহে। তেতিয়া এওঁলোকে অসমীয়া মাধ্যমত পুথি ৰচনা কৰি অসমীয়াত শিক্ষা বিস্তাৰৰ লগে লগে ধৰ্মপ্ৰচাৰৰ কামতো ব্ৰতী হ'ল।

কেইবছৰমানৰ ভিতৰতে মিছনেৰীসকলৰ সংখ্যাও বাঢ়িল আৰু সমগ্ৰ অসম জুৰি ধৰ্মপ্ৰচাৰৰ কুঠী স্বৰূপ গীৰ্জাবিলাকো গঢ়ি তুলিলে। শিৱসাগৰত 'মিছন প্ৰেছ' নামেৰে এটা নুজন ধৰণৰ প্ৰেছো প্ৰতিষ্ঠা কৰিলে। এই মিছন প্ৰেছৰ পৰা ১৮৪৬ চনত অসমীয়া ভাষাৰ প্ৰথম আলোচনী 'অৰুণোদয়' মিছনেৰীসকলৰ সম্পাদনা আৰু পৰিচালনাত প্ৰকাশ হয়। এই আলোচনীখনে অসমীয়া ভাষাৰ স্বকীয়া অস্তিত্ব আৰু প্ৰাচীনত্বৰ প্ৰমাণ কৰিলে। ৰবিনচনৰ অসমীয়া ব্যাকৰণ, ব্ৰাউনৰ অভিধান আৰু অন্যান্যসকলৰ দ্বাৰা ৰচিত ভিন ভিন গ্ৰন্থইও অসমীয়া ভাষাৰ স্বকীয়া অস্তিত্ব দাবি ধৰিলে। লগে লগে অসমীয়াৰ মাজত এটা দেশাত্মবোধৰ আলোড়নো গঢ়ি তুলিলে। এওঁলোকৰেই সৃষ্টি আনন্দৰাম ঢেকীয়ালফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱা প্ৰমুখ্যে আধুনিক অসমৰ ভাষা-সাহিত্যৰ প্ৰাতঃস্মৰণীয় গুৰু-সাহিত্যিকসকল। এইসকলৰ উমৈহতীয়া চেষ্টাৰ ফলত ১৮৭২ চনত তেতিয়াৰ অসমৰ ইংৰাজ চৰকাৰে অসমীয়াকেই অসমৰ ভাষা বুলি স্বীকৃতি দিলে আৰু ই আকৌ অফিচ-আদালত, বিদ্যালয় আদিত প্ৰবৰ্তিব ধৰিলে। আৰু যথাৰ্থতে 'অৰুণোদয়ে' যেন অসমত ভাষা-সাহিত্য আৰু জাতীয়তাবোধৰ অৰুণৰ উদয়হে কৰালে! মান-মৰাণৰ অত্যাচাৰত পেপুৱা লাগি মুক্তৰ পৰা অৰু শক্তিশালী ইংৰাজৰ প্ৰভাৱত আত্মবিস্মৃত হোৱা অসমক আত্মবিশ্বাসৰ ভাৱেৰে সংপথত উদ্বুদ্ধ কৰিলে যথাৰ্থতে এই 'অৰুণোদয়ে'।

আনন্দৰাম ঢেকীয়ালফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ উপৰিও ৰমাকান্ত চৌধুৰী, ভোলানাথ দাস, কমলাকান্ত ভট্টাচাৰ্য্য, লম্বোদৰ বৰা, পদ্মাৱতী দেৱী ফুকননী আদিও যথাৰ্থতে 'অৰুণোদয়'ৰ প্ৰভাৱ-পুষ্ট অসমীয়া লেখক-লেখিকা। এওঁলোকে নাটক, উপন্যাস, কাব্য, কবিতা, প্ৰবন্ধ আদিকৰি সকলোদিশতেই সাহিত্য ৰচনা কৰিবলৈ ললে। হেমচন্দ্ৰ বৰুৱাই নাটক 'কানীয়াৰ কীৰ্ত্তন' বা উপন্যাসধৰ্মী পুথি 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' ৰচনা কৰি আত্মবিস্মৃত আৰু বাহিৰ গুৱনি ভিতৰ ফোপোলা তেতিয়াৰ অসমীয়া

সমাজক ব্যঙ্গ-বিদ্রূপৰ সহায়ত জাতীয়তাবোধত উদ্বুদ্ধ কৰিবলৈ দৃঢ়তা প্ৰকাশ কৰিলেও শেষলৈ তেওঁ পাঠ্য-পুথি 'আদি পাঠ', 'পাঠমালা', 'স্বাস্থ্যৰক্ষাৰ নিয়ম', 'অসমীয়া ব্যাকৰণ', 'অসমীয়া ল'ৰাৰ ব্যাকৰণ', 'পঢ়াশলীয়া অভিধান', 'সংক্ষিপ্ত হেমকোষ', 'হেমকোষ' প্ৰভৃতি বিভিন্ন ধৰণৰ গ্ৰন্থ প্ৰণয়ন কৰি আৰু বিশেষকৈ তেওঁৰ দ্বাৰা সম্পাদিত 'আসাম-নিউজ' শীৰ্ষক সাপ্তাহিক কাকতখনে বৈজ্ঞানিক ভেটিত অসমীয়া আখৰ-জোঁটনিৰ মান নিৰ্ণয় কৰি অসমীয়া ভাষাক আন্তঃ-ভাৰতীয় ৰূপো প্ৰদান কৰিলে। 'আসাম-নিউজ'ৰ পিছত গুণাভিৰাম বৰুৱাই কলিকতাৰ পৰা সম্পাদনা কৰে, 'আসাম-বন্ধু' (১৮৮৫—৮৬)। ইয়াৰ লগে লগে বলিনাৰায়ণ বৰাই সম্পাদনা কৰিছিল 'মৌ'। দুয়োখন আলোচনীয়ে বহুমূলীয়া অৱদান দিবলৈ সমৰ্থ হৈছিল যদিও ক্ষন্তেকীয়া হোৱা হেতুকে বিশেষ অৱদান দিবলৈ সুযোগ নাপালে। কিন্তু এইকেইখন আলোচনীয়ে ১৮৮৯ চনত কলিকতা-প্ৰবাসী অসমীয়া ছাত্ৰসকলক 'জোনাকী' যুগৰ পাতনি মেলি অসমীয়া সাহিত্যত নৱজাগৰণৰ সৃষ্টি কৰিবলৈ নিশ্চয়কৈ প্ৰেৰণা যোগালে। ঊনবিংশ শতিকাৰ শেষ দশকত 'জোনাকী'ৰ মাধ্যমত গঢ়ি উঠা অসমীয়া সাহিত্যিক আলোড়নে বিংশশতিকাৰ প্ৰাৰম্ভৰে পৰা অসমত শিক্ষা-সংস্কৃতিৰ স্তৰে স্তৰে ৰূপান্তৰ সাধি আজি অসমীয়া সাহিত্যক বিশ্বমুখী কৰি তুলিবলৈও সমৰ্থ হৈছে। অসমীয়া সাহিত্যক এই বিশ্বমুখী ৰূপদান কৰাৰ মূলতে নিহিত আছে 'জোনাকী' যুগৰ লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে দেশপ্ৰাণ সুসাহিত্যিকসকলৰ নিঃস্বাৰ্থ ত্যাগ, কৰ্ম-প্ৰেৰণা, স্বদেশ হিতৈষণা, মাতৃভাষা আৰু জাতীয় সাহিত্য সেৱাৰ প্ৰবল প্ৰেৰণা।

লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মৰ সময়ত (১৮৬৮ খৃঃ) অসমীয়া ভাষাৰ অস্তিত্বই স্বীকাৰ কৰা নাছিল; তেওঁলোকে বিদ্যা আৰম্ভ কৰিছিল মদনমোহন তৰ্কা-লংকাৰৰ বঙালী 'শিশুশিক্ষা'ৰে আৰু তেওঁলোকে স্কুলীয়া শিক্ষা সমাপ্ত কৰিব-লগীয়া হৈছিল বঙালী শিক্ষকৰ অধীনত বঙালী ভাষাত ৰচিত পুথি পঢ়ি। তেতিয়াৰ অসমত বঙালী ভাষাৰ অবাধ প্ৰচলন, বিদ্যালয় আৰু আদালতত বঙালী ভাষা। আত্মবিস্মৃত অসমীয়া বাইজে বঙালী ভাষাত কথা কৈ বা দুশাৰী-এশাৰী লেখি গৌৰৱবোধ কৰিছিল। অসমীয়া কলে বা অসমীয়া লেখিলেহে তেতিয়াৰ অসমত অপমানিত হবলগাত পৰিছিল। আনকি অসমৰ পুৰণি-কলীয়া কীৰ্তিস্তম্ভ স্বৰূপ সত্ৰ-সমূহতো বঙালী ভাষা আৰু সংস্কৃতিৰ পূৰ্ণপয়োভৰ দেখা গৈছিল। লেখিলে আঙুলিৰ মূৰতে বোৱা এমুঠি দেশ-প্ৰাণ লোকত বাহিৰে আন প্ৰায় সকলোৱেই এনে ধৰণৰ এটা আত্মমৰ্য্যাদাহীন বিদেশী পদ-

লেহনকাৰী মনোবৃত্তিৰে কুখ্যাত এনেহেৰা জীৱন যাপন কৰিবলৈ হৈছিল যেন বদ্ধপৰিকৰ।

সেই সময়ৰ অসমত যে কেৱল আধুনিক ধৰণৰ উচ্চ-শিক্ষাৰ অনুষ্ঠান কলেজেই প্ৰতিষ্ঠিত হোৱা নাছিল তেনেই নহয়, হাইস্কুলৰ সংখ্যাও আছিল আঙুলিৰ মূৰতে যোৱা। বিদেশী-শাসনৰ প্ৰভাৱত তেতিয়াৰ অসমীয়া মানুহৰ প্ৰাচীন শিক্ষা পদ্ধতিৰ প্ৰতিও ওপজিছিল বিৰূপ মনোভাৱ। আনহাতে আধুনিক ধৰণৰ শিক্ষালাভৰ কাৰণেও নাছিল যথেষ্ট সা-সুবিধা। সেয়ে শিক্ষাৰ ক্ষেত্ৰতো দেখা দিছিল বিৰাট শূন্যতা। নগৰে-চহৰে প্ৰতিষ্ঠিত হোৱা হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰসকলৰ দুই-এক অত্যুৎসাহী ছাত্ৰহে কলেজীয়া শিক্ষাৰ কাৰণে কলিকতালৈ যাবলৈ সমৰ্থ হৈছিল।

কিন্তু সেই সময়ত অসমৰ পশ্চিম প্ৰান্তৰ বঙ্গদেশ পাশ্চাত্য ধৰণৰ শিক্ষাত আশাতীত ভাবে আগবাঢ়ি গৈছিল। কলেজীয়া শিক্ষাৰ উপৰিও ১৮৫৭ চনতে প্ৰতিষ্ঠিত হৈছিল কলিকতা বিশ্ববিদ্যালয়। সেই সময়ত কলিকতা আছিল বৃটিছ-ভাৰতৰ ৰাজধানীও। আৰু সেয়ে কলিকতা ভাৰতবৰ্ষৰ শিক্ষা-সংস্কৃতি আৰু ৰাজনীতিৰে নাভিকেন্দ্ৰৰূপে প্ৰতীয়মান হৈ পৰিছিল। সাহিত্যত বংকিমচন্দ্ৰ, মাইকেল মধুসূদন, গিৰীশচন্দ্ৰ, দ্বিজেন্দ্ৰলাল আৰু পিছৰ ফালে ৰবীন্দ্ৰনাথ, ৰাজনীতিত সুৰেন্দ্ৰনাথ বেনাৰ্জী, বিপিনচন্দ্ৰ পাল, চিত্তৰঞ্জন দাস ; ধৰ্মত ৰাম-কৃষ্ণ পৰমহংস, স্বামী বিবেকানন্দ, আৰু পিছলৈ ঋষি অৰবিন্দ প্ৰভৃতিয়ে সমগ্ৰ ভাৰততেই বিৰাট আলোড়নৰ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। বিজ্ঞান জগততো চাৰ জগদীশচন্দ্ৰ বোস, ডঃ প্ৰফুল্লচন্দ্ৰ ৰায় আদিয়ে নতুন আৱিষ্কাৰ আৰু অনু-শীলনৰ দ্বাৰা অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিছিল। চাৰ আশুতোষ মুখাৰ্জীৰ সদৃশ ভাৰতবিখ্যাত পণ্ডিতৰ অভ্যুত্থানো সেই সময়ৰ বঙ্গদেশতেই সম্ভৱপৰ হৈছিল। উনবিংশ শতিকাৰ শেষভাগৰ বঙ্গত কেউদিশে কেৱল জয়জয় ময়ময়।

বঙ্গদেশ আৰু বিশেষকৈ উনবিংশ শতিকাৰ শেষভাগৰ কলিকতাৰ এনে গৌৰৱোজ্জল মানচিত্ৰই কলিকতা প্ৰবাসী উচ্চ বিদ্যাৰ্থী অসমীয়া ছাত্ৰসকলৰ মনত প্ৰবল আলোড়নৰ সৃষ্টি কৰিছিল। স্বদেশ স্বজাতিৰ গৰিমাহীন কংকাল-সাৰ ছবিয়ে তেওঁলোকৰ চিত্তত প্ৰবল আঘাত হানিছিল আৰু প্ৰায় আটাইকেইজন প্ৰবাসী ছাত্ৰই সংঘবদ্ধভাবে জন্মভূমি অসমৰ মুখ উজ্জ্বল কৰিবলৈ দৃঢ়পৰিকৰ হৈছিল। ইয়াৰ পৰিণতি স্বৰূপে সংগঠিত হ'ল কলিকতীয়া অসমীয়া ভাষা উন্নতি সাধিনী সভা (অ, ভা, উ, সা, সভা) আৰু মাহেকীয়া অসমীয়া আলোচনী 'জোনাকী'। 'জোনাকী'ৰ লক্ষ্য হ'ল অসমত জোনাকৰ (জ্ঞানৰ) ঢল বোওৱা।

অৰুণোদয়ে পাশ্চাত্য দেশৰ পোহৰ পৰিবলৈ কাটি থোৱা সুৰুঙাই দি 'আসাম নিউজ' 'আসাম বন্ধু' আৰু 'মৌ'ৰে দুই-এটি পোহৰৰ বেঙণি আনি অসমত পেলাইছিল যদিও যথাৰ্থতে 'জোনাকী' হে এই সুৰুঙাৰে পোহৰৰ ঢৌ প্ৰবল গতিত বোৱাই দি অসম প্লাবিত কৰি তুলিবলৈ সমৰ্থ হয়। 'জোনাকী'ৰ ১ম সম্পাদক চন্দ্ৰকুমাৰ আগৰৱালা, ২য় সম্পাদক আৰু সৰ্বপ্ৰধান লেখক লক্ষ্মীনাথ বেজবৰুৱা। যথাৰ্থতে সুসাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা 'জোনাকী'ৰেই সৃষ্টি,—'জোনাকী'ৰ বুকুত সৰ্বপ্ৰথমে 'লিতিকাই'ৰে সাহিত্যিক জীৱনৰ পাতনি মেলি হাস্যৰসিক, ঔপন্যাসিক, নাট্যকাৰ, গল্পকাৰ আৰু সমালোচক হিচাপেও লক্ষ্মীনাথ বেজবৰুৱা 'জোনাকী'ৰ পাততেই সুপ্ৰতিষ্ঠিতও হয়।

বৈচিত্ৰ্যময় জীৱনৰ চমু আলোচনা

'অসমৰ ৰাজনীতি আৰু ভাষা-সংস্কৃতিৰ এনে সংকটপূৰ্ণ ক্ষণত ১৮৬৮ চনৰ লক্ষ্মীপূৰ্ণিমাৰ দিনা নিশা ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ ২য়া পত্নী থানেশ্বৰী দেৱীৰ গৰ্ভত মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুত কোনো এখন নাৱৰ কুঠৰিত জন্মলাভ কৰে অসমবৰেণ্য লক্ষ্মীনাথ বেজবৰুৱাই। দেউতাক দীননাথ বেজবৰুৱা আছিল তেতিয়াৰ ইংৰাজ চৰকাৰৰ অধীনত কাম কৰা এগৰাকী মুন্সেফ। তেওঁ নগাঁওৰ পৰা বদলি হৈ বৰপেটাত কামত ভৰ্তি হ'বলৈ বুলি নাৱেৰে সপৰিয়ালে যাত্ৰা কৰিছিল। এই যাত্ৰাতেই "আঁহতগুৰি নামেৰে এডোখৰ ঠাইৰ বালিত গধূলি নাও বন্ধা হ'ল। মাতৃদেৱীয়ে বালিত আঁৰ-কাপোৰৰ ভিতৰত ভাত ৰান্ধিবলৈ সোমাইছিল, এনেতে তেওঁৰ গৰ্ভ-বেদনা কৰাত, তেওঁ ভাত ৰান্ধিবলৈ এৰি, নাৱৰ কুঠৰিলৈ আহিল আৰু অজিৰ এই জীৱন সোঁৱৰণ-লেখক তেতিয়াৰ কোনো এক শুভ মুহূৰ্ত্তত ভূমিষ্ঠ নহৈ নৌকস্থ হ'ল। শুনিছিলোঁ, সেইদিনা হেনো পূৰ্ণিমা আৰু লক্ষ্মীপূজা আছিল, সেই দেখিয়েই এই লেখকৰ নাম পিছত লক্ষ্মীনাথ ৰখা হৈছিল।" (২

কৰ লাগিলে লক্ষ্মীনাথে সোণ-ৰূপৰ চামুচ মুখত লৈয়ে জন্ম গ্ৰহণ কৰিছিল। দেউতাক দীননাথ বেজবৰুৱা আহোম ৰাজত্বৰ শেষ সময়ৰ স্বৰ্গদেৱ পুৰন্দৰ সিংহৰ ৰাজ-বেজবৰুৱা খিতাপত অধিষ্ঠিত হৈছিল। ধনে-মানে, ঐশ্বৰ্য্য-বিভূতিয়ে দীননাথ বেজবৰুৱাৰ পৰিয়াল আছিল অসম বিখ্যাত। আৰু মাক থানেশ্বৰী দেৱী আছিল অসম বিখ্যাত সুসাহিত্যিক আৰু প্ৰবীণ বৈষ্ণৱ পণ্ডিত অনন্ত কন্দলিৰ বংশৰ। পিতৃ আৰু মাতৃ উভয় বংশই অসম প্ৰসিদ্ধ হোৱা হেতুকে

---

(২) মোৰ জীৱন-সোঁৱৰণ : লক্ষ্মীনাথ বেজবৰুৱা—২।৩ পৃষ্ঠা।

আৰু বিশেষকৈ দীননাথ বেজবৰুৱাৰ সদৃশ উদাৰ অভ্ৰভেদী ব্যক্তিত্বশালী পণ্ডিত গৰাকীক পিতৃ হিচাবে লাভ কৰা হেতুকে যে চৈতন্ত লাভৰে পৰা সুপুৰুষ হবলৈ শিশু লক্ষ্মীনাথে প্ৰবল প্ৰেৰণা পাইছিল সি সহজে অনুমেয়।

বৈচিত্ৰ্যতা লক্ষ্মীনাথৰ জীৱনৰ প্ৰধান বৈশিষ্ট্য। যশস্বী পৰিয়ালত জন্ম লাভ কৰিলেও তেওঁৰ জীৱনত প্ৰথম চকু মেল খালে বিশাল ব্ৰহ্মপুত্ৰৰ বুকুৰ এখন নাৱৰ কুঠিত; শৈশৱৰ পানী-কেচুৱা কালছোৱা যাপন কৰিলে অসমৰ দ্বাৰকা-মথুৰাপুৰী সদৃশ পবিত্ৰ বৈষ্ণৱ পীঠস্থান বৰপেটাৰ সন্ত-মহন্তসকলৰ গীত-পদেৰে চৌদিশ মুখৰিত হৈ থকা পৰিবেশৰ মাজত; থুনুক-থানাক মাত ওলোৱাৰ পিছত লৰি-ধাপলি ফুৰিলে প্ৰাচীন কীৰ্ত্তিৰ যাদুঘৰ আৰু প্ৰকৃতিৰ লীলাভূমি স্বৰূপ বাণৰ নগৰী শোণিতপুৰত (বৰ্ত্তমানৰ তেজপুৰ)। এই লক্ষ্মীনাথে বিদ্যা আৰম্ভ কৰিলে হৰিদেৱ, মাধৱদেৱ আৰু দামোদৰ দেৱৰ জন্মৰ পবিত্ৰ স্মৃতিৰে সুৰভিত উত্তৰ লক্ষীমপুৰ নগৰীত, বিদ্যালয়ত ভৰ্তি হ'লগৈ নীলাচল, অশ্বক্ৰান্ত, উমানন্দ আদি পুণ্য পীঠস্থানেৰে শোভিত গিৰিমালাবেষ্টিত ভাৰত-বিখ্যাত নৰক ভগদত্তৰ কীৰ্তিৰে সুমণ্ডিত মহাবাহু ব্ৰহ্মপুত্ৰৰ পাৰৰ প্ৰাগ্-জ্যোতিষপুৰ নগৰীত (বৰ্ত্তমানৰ গুৱাহাটী)। এইজন লক্ষ্মীনাথে মাধ্যমিক শিক্ষা সাং কৰে ৬০০ ছ শ বছৰ প্ৰবল প্ৰতাপেৰে অসমত ৰাজত্ব কৰা মোগল-বিজেতা আহোমৰ ৰাজধানী ৰংপুৰ নগৰৰ ৰং-ৰসৰ মাজত। আৰু শেষত বিশ্ব বিদ্যালয়ৰ শিক্ষা গ্ৰহণ কৰি নিজক মানুহ হিচাবে প্ৰতিষ্ঠা কৰিলে গৈ সেই সময়ৰ বৃটিছ-ভাৰতৰ ৰাজধানী কলিকতা মহানগৰীৰ বুকুত।

এইজন লক্ষ্মীনাথ বেজবৰুৱাই বি, এ, মহলাত উত্তীৰ্ণ হোৱাৰ পিছত তেতিয়াৰ অসম চৰকাৰে দুবাৰো আগবঢ়োৱা ই, এ, চি,ৰ বিষয়বাব প্ৰত্যাখ্যান কৰি প্ৰিয়-পৰিজন আৰু বন্ধু-বান্ধৱৰ মনত অশান্তিৰ সৃষ্টি কৰিও স্বাধীন ভাবে জীৱন যাপন কৰিবলৈ মন মেলি কলিকতা বিশ্ববিদ্যালয়ত গৈ পঢ়ে এম-এ আৰু আইন; এই দুয়োটাতে অকৃতকাৰ্য্য হৈ এসময়ৰ অসম-বঙ্গবিখ্যাত ভোলানাথ বৰুৱাৰ লগত প্ৰবৃত্ত হ'ল কাঠৰ ব্যৱসায়ী ৰূপে আৰু জীৱনৰ শেষলৈকেই অতিবাহিত কৰিলে নিষ্ঠাৰে এই কাঠৰ ব্যৱসায় পৰিচালনা কৰি। অথচ এইজন কাঠৰ ব্যৱসায়ী লক্ষ্মীনাথ বেজবৰুৱাকে আমি অভিহিত কৰোঁ আধুনিক অসমৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক ৰূপেও। এওঁৰ নেতৃত্বতেই এদল অসমীয়া লোকে ষোড়শোপচাৰে সাহিত্য সেৱা কৰি ভাষা-জননীৰ বয়ান উজ্জলাই তুলিলে। বঙালী ভাষাৰ কৱালগ্ৰাসৰ পৰা উদ্ধাৰ কৰি ভাষা-জননীক বিশ্ব-সাহিত্য-জগতৰ স্বকীয়া স্থানত অধিষ্ঠিত কৰিবলৈও আমৰণ সংগ্ৰাম চলালে এইজন লক্ষ্মীনাথ

বেজবৰুৱায়ে। এসময়ৰ বঙালী ভাষা সাম্রাজ্য প্রতিষ্ঠাৰ প্রধান অন্তৰায়ো যেন এই লক্ষ্মীনাথেই। এনে অন্তৰায়লৈ লক্ষ্য কৰিয়ে লক্ষ্মীনাথৰ পিঠিত চপৰিয়াই চপৰিয়াই ৰবীন্দ্রনাথে হেনো কৈছিল,—"তোমাৰ কাৰণেই যত গোলমাল, তুমি নোহোৱা হৈঁতেন অসম আৰু বঙ্গত একেটা ভাষাকে চলাব পাৰিলোঁ হেঁতেন; যুদ্ধ আৰু প্রতিবাদ কৰি তুমিয়েই প্রতিবন্ধক জন্মাইছা।" অথচ এইজন লক্ষ্মীনাথে নিজক মানুহ হিচাবে আৰু সৰ্বতোপৰি সাহিত্যিক হিচাবে প্রতিষ্ঠা কৰিলে কলিকতা মহানগৰীৰ বুকুতেই আৰু বিয়া কৰাই জীৱন-সঙ্গিনীও গ্রহণ কৰিলে বঙালী শ্রেষ্ঠ জোৰাসাকোঁৰ ঠাকুৰ পৰিয়ালৰ দুহিতা প্রজ্ঞাসুন্দৰী দেৱীকহে। জীৱনৰ শেষছোৱাত এইজন লক্ষ্মীনাথেই গৈ উৰিষ্যাৰ সম্বলপুৰত ব্যৱসায়ৰ কুঠী প্রতিষ্ঠা কৰি নিগাজীকৈ থাকিবলৈ লগে কোল, মুণ্ডা আদি জনজাতীয় লোকেৰে পৰিপূৰ্ণ আওহতীয়া ঠাইত। কিন্তু তাতো তেওঁৰ বাক্‌ৰুদ্ধ নহ'ল, কাপো স্তব্ধ নহ'ল। কাঠৰ ব্যৱসায়ত প্রবলভাৱে কুঠাৰ চলাৰ লগে লগে কাপো সমানেই চলিল, মুখেৰেও স্বদেশ স্বজাতিৰ জয়গান গাই জাতিক উদ্বুদ্ধ কৰিবলৈ কাহানিও অৱহেলা নকৰিলে।

এইজন লক্ষ্মীনাথে গল্প, কবিতা, প্রবন্ধ আৰু কেৰিকেচাৰধৰ্মী ৰচনাৰে লক্ষ্মীনাথ আৰু কৃপাবৰ বৰুৱা ৰূপত বঙালী ভাষা, সাহিত্য আৰু ব্যক্তিক নগৰ নাগতি কৰে, অথচ তেওঁৰ বন্ধু-বান্ধৱো বঙালীসকলৰ মাজতেই আছিল বেচি; অসমীয়াতকৈও বঙালীয়েই তেওঁলৈ অধিক শ্ৰদ্ধা-মৰমে প্রদর্শন কৰিছিল আৰু তেওঁ নিজে ৰবীন্দ্রনাথৰ 'বাল্মীকি-প্রতিভা' প্রমুখ্যে নাটৰ অভিনয়ত কলিকতীয়া বিখ্যাত ৰঙ্গমঞ্চত প্রধান ভাৱৰীয়াৰ ভাও দি দৰ্শকমণ্ডলীৰ পৰা ভূৰি ভূৰি প্ৰশংসাও লাভ কৰিবলৈ হৈছিল সমৰ্থ। এনে পৰস্পৰ বিৰোধী শক্তি বা ভাৱৰ সঙ্গমক্ষেত্র আছিল যেন ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা।

মানুহক তেওঁ বেয়া নাপাইছিল; কোনো ভাষা-সংস্কৃতিলৈও নাছিল তেওঁৰ ঘৃণা বা বিদ্বেষ, কিন্তু স্বদেশ, স্বজাতি বা স্বভাষাৰ যদি কোনোবা অনিষ্ট-কাৰীৰূপে তেওঁৰ মনত প্রতীয়মান হৈছিল, তেনেহলে তাক তেওঁ কোনো-পধ্যেও ক্ষমা নিদিছিল,—তেহেলৈ অনিষ্টকাৰী তেওঁৰ পিতৃ, মাতৃ বা পত্নীৰ ফালৰ কুটুমেই হওক। গোড়ামি আৰু ৰক্ষণশীলতাৰ পৰাও লক্ষ্মীনাথ আছিল সততে মুক্ত; নহলেনো পবিত্র বৈষ্ণৱ বংশত জন্মলাভ কৰা লক্ষ্মীনাথে খাৱন, শোৱন, পিন্ধন, উৰণ আদি সকলো ক্ষেত্রতে আনন্দৰাম বৰুৱাৰ দৰে চাহাবো চাহাব আওচাহাব হৈ 'শ্রীকৃষ্ণকথা', 'ভগৱৎকথা', 'তত্ত্বকথা'ৰ দৰে গভীৰতম ভক্তি আৰু দার্শনিক চিন্তাৰ আলোচনাৰ মাজেদি খিলঞ্জীয়াকৈ খিয়াতি ৰাখি যাব পাৰে নে?

যথাৰ্থতে তেওঁ আছিল সত্য আৰু সুন্দৰৰ সেৱক; আৰু সেয়ে সত্য আৰু সুন্দৰৰ সাধনাৰ মাজেদি নিজক গঢ়ি তুলিছিল শিৱময় কৰি। তেওঁৰ বৈচিত্ৰ্যময় জীৱন কেৱল নিচলা অসমৰ কাৰণেই শিৱময় নহয়,—উন্নতিকামী, স্বাধীনতা-প্ৰয়াসী ব্যক্তি আৰু জাতি মাত্ৰৰেই তেওঁ প্ৰেৰণাৰ উৎস। এনেহেন বৈচিত্ৰ্যময়ী ভাৱ আৰু কাৰ্য্যৰ সমাবেশপূৰ্ণ ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনবৃত্ত বিস্তৃত ভাবে পৰ্য্যালোচনা কৰি চোৱাৰ হেঁপাহ স্বাভাৱিকতেই আমাৰ মনত ওপজে।

লক্ষ্মীনাথৰ নিজৰ ভাষাৰেই "নৌকাস্থ" হোৱাৰ পিছত তেওঁ নিচেই শিশুকাল অতিবাহিত কৰে বৰপেটা আৰু তেজপুৰত। জীৱনৰ নিচেই সপোন সপোন কালছোৱা এই দুঠাইত অতিবাহিত হোৱাৰ পিছত বাস্তৱ জীৱনৰ কাৰণে প্ৰস্তুতি আৰম্ভ হয় উত্তৰ লক্ষীমপুৰত থাকিবলৈ লোৱাৰে পৰা। লক্ষীমপুৰতে বিধিবৎ তেওঁক বিদ্যা আৰম্ভ কৰোৱা হয় আৰু ক, খ আদি বৰ্ণমালা লেখিব-পঢ়িব পৰা হোৱাৰ লগে লগে হাতত তুলি দিয়া হয় মদনমোহন তৰ্কালংকাৰৰ বঙালী শিশুশিক্ষা প্ৰথম ভাগ। জীৱন-সোঁৱৰণত লক্ষ্মীনাথে নিজে স্বীকাৰ কৰা মতে তেওঁ হেনো তীক্ষ্ণ বুদ্ধিৰ ল'ৰা নাছিল। "মই মজলীয়া বিধৰ ল'ৰা বুলিয়েই চলি গৈছিলো (৩)। কিন্তু লক্ষ্মীনাথক তীক্ষ্ণবুদ্ধি সম্পন্ন নাছিল বুলিও কোৱা টান। নিৰ্দ্ধাৰিত পাঠ্যপুথি অধ্যয়নত বাহিৰে আন সকলো ক্ষেত্ৰতে আমি লক্ষ্মীনাথৰ সুতীক্ষ্ণ বুদ্ধিমত্তাৰেই পৰিচয় পাওঁ। লক্ষীমপুৰীয়া বাল্যাৱস্থাতেই তেওঁ অপ্ৰয়াসে মাটিৰ সুতুলি কৰিবলৈ আৰু অহোপুৰুষাৰ্থ কৰি মাত উলিয়াবলৈও সমৰ্থ হৈছিল। সেই কালতেই 'নৃসিংহ-যাত্ৰা'ৰ ভাৱনা দেখি ভাৱনাৰ বচনবোৰ মনত ৰাখি—

"ৰহৰে ৰহ ৰহ
ভ্ৰাতৃবৈৰী হৰি।
হাতে শূল ধৰি
পঠাইবে যম নগৰী॥"

বুলি ককায়েক শ্ৰীনাথৰ লগত বচন মাতি যুদ্ধ কৰি বুদ্ধিমত্তা বা স্মৃতি-শক্তিৰেই পৰিচয় দিছিল। সম্ভৱতঃ ঘৰত অসমীয়া আৰু বিদ্যালয়ত বঙলাৰে শিকিব লগা হোৱা হেতুকেহে পঢ়া-শুনাত লক্ষ্মীনাথে পাৰদৰ্শিতা দেখুৱাব পৰা নাছিল। তদুপৰি লক্ষ্মীনাথ আছিল সকবেপৰা মুকলিমূৰীয়া আৰু শিল্পী-

(৩) 'মোৰ জীৱন-সোঁৱৰণ' : ১ম ভাগ, দ্বিতীয় আধ্যা, ১২ পৃষ্ঠা।

মনৰ অধিকাৰী। কিন্তু তেতিয়াৰ বিদ্যালয়সমূহ আছিল শিশুমনৰ বিকাশৰ চৰম পৰিপন্থী। তেওঁ নিজেই লেখিছে—"স্কুলত সোমায়েই যেই দেখোঁ, 'কৰধৃত ঘূৰ্ণিত শোভিত বেত্ৰং' মাষ্টৰ মহাপ্ৰভুসকলৰ বজ্ৰ-গম্ভীৰ নিনাদ ছাত্ৰ-সকলৰ সম্মিলিত সংযত কণ্ঠ-নিসৃত মৃদু মন্দ গুক গুক ধ্বনিৰ কটাহ ভেদ কৰি স্কুল-ঘৰৰ মূধচ পাইছেগৈ, মোৰ ধাতুটিও মূৰৰ মূধাত উঠিবলৈ লৰ ধৰে (৪)।" তেওঁ এই একে প্ৰসঙ্গতে আৰু কৈছে—"স্কুলত শিক্ষা দিবৰ কঠোৰ নিৰ্মম নীৰস এটা মাথোন ব্যৱস্থাৰ সলনি যদি তাৰ ওলোটা অৱস্থাৰ প্ৰচলন হ'ল-হেঁতেন, তেন্তে কেনে হাঁহিমুখীয়া কাৰ্য্যক্ষম আৰু নিজৰ সাধ্যৰ সীমাত প্ৰস্ফুল্লিত প্ৰজা চামে চামে বাটি আমাৰ জন্মভূমিক উজ্জল আৰু মহিমান্বিত কৰিলেহেঁতেন।" সেয়ে আমি ভাবিবলৈ বাধ্য হওঁ যে তেতিয়াৰ প্ৰচলিত শিক্ষা-ব্যৱস্থাহে লক্ষ্মীনাথহঁতৰ নিৰ্বুদ্ধিতাৰ কাৰণ স্বৰূপে প্ৰতীয়মান হৈ উঠিছিল,—শিশুৰ বিকাশৰ কাৰণে যেন তেতিয়া কোনো প্ৰকাৰৰ অনুকূল ব্যৱস্থাই নাছিল। অথচ এইজন শিশু লক্ষ্মীনাথে সিদ্ধেশ্বৰ সোণাৰিৰ অলংকাৰ গঢ়া ব্যৱস্থা পৰ্য্যবেক্ষণ কৰি আৰু দুৰ্গেশ্বৰ খনিকৰৰ প্ৰতিমা গঢ়া দেখি এজন স্বভাৱ-শিল্পীৰ দৰে ভাৱৰ ৰাজ্যত উটি ফুৰিছিল আৰু আচলতে কলিকতীয়া জীৱনৰ প্ৰাৰম্ভৰ লগে লগে লক্ষ্মীনাথৰ এই স্বভাৱশিল্পী মনৰ স্বাভাৱিক বিকাশে ঘটিবলৈ আৰম্ভ কৰে। সেয়ে লক্ষ্মীনাথক বুদ্ধিহীন ৰ মজলীয়া বুদ্ধিৰ ল'ৰ আছিল বুলি কোৱা টান, লক্ষ্মীনাথ তীক্ষ্মবুদ্ধিসম্পন্নই আছিল, কিন্তু জীৱনৰ আগছোৱাৰ পৰিবেশে তেওঁৰ বুদ্ধিৰ বিকাশত অনুকূলতাৰ সলনি প্ৰতিকূলতাহে সৃষ্টি কৰিছিল। মনস্তাত্বিকৰ বিচাৰ অনুসৰি সকলো শিশুৱেই সমান সমান বুদ্ধিসম্পন্ন, অনুকূল পৰিবেশত শিশুৰ বুদ্ধিৰ পৰিস্ফুৰণ ঘটে আৰু প্ৰতিকূল প্ৰবিবেশত ঘটে সংকোচন। আজি বিংশশতিকাৰ ৭ম দশকৰ এই উৎকৰ্ষতাৰ দিনতে আমাৰ দেশত পাঠ্য-পুথিৰ শিক্ষকেই প্ৰধান শিক্ষক বুলি বিবেচনা কৰা শিক্ষক, অভিভাৱক আৰু সামাজিকৰ সংখ্যা নিচেই তাকৰীয়া নহয়। সম্ভৱতঃ তেতিয়াৰ দিনত এনে মনোবৃত্তিসম্পন্ন লোকৰ সংখ্যাহে আছিল সৰহ। সেই কাৰণেই হয়তো কেৱল স্কুলতেই নহয়, স্কুলীয়া পাঠ নোৱাৰা কাৰণে গুৱাহটীয়া জীৱনত ঘৰতো লক্ষ্মীনাথে ককায়েকহঁতৰ মাৰ-কিল খাবলগাত পৰিছিল।

এনে প্ৰতিকূলতাৰ মাজেদি লক্ষীমপুৰীয়া আৰু গুৱাহটীয়া ছাত্ৰ-কাল অতিবাহিত কৰি লক্ষ্মীনাথ ভৰ্ত্তি হ'লগৈ তেওঁলোকৰ ঘাই ঘৰ ৰংপুৰ নগৰৰ (বৰ্ত্তমানৰ শিৱসাগৰ) 'আদৰ্শ বঙ্গ বিদ্যালয়'ৰ তৃতীয় শ্ৰেণীত। শিৱসাগৰতো

(৪) মোৰ জীৱন-সোঁৱৰণ : ১ম ভাগ, তৃতীয় আধ্যা, ২২।২৩ পৃষ্ঠা।

লক্ষ্মীনাথহঁতে প্ৰতিকূলতাৰ মাজেদিয়ে স্কুলীয়া শিক্ষা গ্ৰহণ কৰিবলগীয়া হৈছিল। স্কুল বঙালী, শিক্ষক বঙালী, শিক্ষাৰ মাধ্যম বঙালী আৰু পৰিবেশ গুৱাহাটীৰ বিদ্যালয়ৰ সদৃশ প্ৰতিকূল। হাইস্কুলৰ ওপৰ শ্ৰেণীত পঢ়োতে হেনো কেৱল নতুনকৈ অহা হেডমাষ্টৰ চন্দ্ৰমোহন গোস্বামীৰ আদৰ্শ আৰু প্ৰতিভাৰ দ্বাৰাহে লক্ষ্মীনাথ আকৰ্ষিত হৈছিল। তেওঁৰ বাহিৰে অন্যান্য শিক্ষকে লক্ষ্মীনাথৰ ছাত্ৰ-জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰাৰ পৰিবৰ্তে ভয় আৰু আতংকহে সৃষ্টি কৰিছিল; শ্ৰদ্ধা-ভক্তি আকৰ্ষণ, অনুকূল উৎসাহজনক পৰিবেশ সৃষ্টি কৰাৰ পৰিবৰ্তে ছাত্ৰ লক্ষ্মীনাথহঁতৰ মানত প্ৰায় সকলোবিলাক শিক্ষকেই প্ৰতীয়মান হৈছিল ভীতিৰ কাৰণ স্বৰূপেহে।

তদুপৰি প্ৰকৃত বৈষ্ণৱ হবলৈ বা স্বৰূপ মানুহ হবলৈ অনুপ্ৰেৰণা পালেও আচলতে, ঘৰুৱা পৰিবেশেও লক্ষ্মীনাথক স্কুলীয়া শিক্ষাৰ মাজত গভীৰভাৱে মনোনিবেশ কৰিবলৈ সুবিধা দিয়া নাছিল। লক্ষ্মীনাথে নিজে জীৱন-সোঁৱৰণত উল্লেখ কৰামতে (৫) ৰাতিপুৱ টোপনিৰ পৰা "উঠিয়ে নিত্যকৰ্ম কৰি শুচি সংযত হৈ" দেউতাকৰ নিত্য-পূজাৰ কাৰণে ফুল তুলিবলৈ প্ৰবৃত্ত হোৱাৰে পৰা মাজনিশা ভাত খাই উঠি দেউতাকৰ আগত মহাভাৰত আদি পুথীয়াকৈ পঢ়ালৈকে সকলো প্ৰসঙ্গতে ধৰ্মীয় কাৰ্য্যাদি সমাপন কৰিয়েই কাল-যাপন কৰিব লগাত পৰিছিল। ধৰ্মীয় বা ভকতীয়া পৰিবেশৰ মাজত ডাঙৰ-দীঘল হবলগা হেতুকে আৰু শিশুৰেকৈ ধৰ্মীয় কাৰ্য্যত সৰুৰে পৰা ঘনিষ্ঠভাৱে সংশ্লিষ্ট থাকিবলগা হোৱা হেতুকে গতানুগতিক স্কুলীয়া পাঠ্যৰ প্ৰতি মনোযোগ দিব নোৱাৰাতো স্বাভাৱিক কথা আছিল। আৰু ইয়াৰ কাৰণেই লক্ষ্মীনাথে প্ৰথমবাৰ প্ৰবেশিকা পৰীক্ষাত অকৃতকাৰ্য্য হবলগাতো পৰিছিল। পিছৰবাৰ ধৰ্মীয় কাৰ্য্য আৰু ঘৰুৱা কামবপৰা আঁতৰি থাকি গাওঁৰ নামঘৰৰ ভিতৰত বহি বা পেট পেলাই পঢ়া কাৰণেহে কৃতকাৰ্য্য হবলৈ সমৰ্থ হ'ল।

লক্ষ্মীনাথৰ জীৱনত কিন্তু দৃঢ়তাৰ অভাৱ কেতিয়াও দেখা নাযায়। নিচেই শৈশৱৰে পৰা জীৱনৰ শেষ মুহূৰ্ত্তলৈকে তেওঁ লক্ষ্য স্থিৰ ৰাখি দৃঢ়তাৰে সকলো সমাপন কৰিবলৈ সাহস দেখুৱাব পাৰিছিল। লক্ষীমপুৰত থাকোতে খনিকৰ দুৰ্গেশ্বৰ শৰ্ম্মাই গঢ়ি দিয়া সুতুলিটো ককাক ৰবিনাথে ভাঙি পেলোৱাৰ পিছত লক্ষ্মীনাথে আন এটা সুতুলি নিজে গঢ়ি ললে। ৰবিনাথে বাৰে বাৰে ভঙাৰ পিছতো লক্ষ্মীনাথে সুতুলি গঢ়িয়েই আছিল। অৱশেষত শেষলৈ নিজেই সুতুলি

(৫) 'মোৰ জীৱন—সোঁৱৰণ' :
১ম ভাগ, ষষ্ঠ আধ্যা, ৬৭—৭০ পৃষ্ঠা।

পঢ়িবলৈ এৰি দিলে (৬)। শিৱসাগৰলৈ শিশু লক্ষ্মীনাথ দেউতাকহঁতৰ লগত স্থায়ীভাবে থাকিবলৈ আহিয়েই দেখিলে যে ঘৰত আগৰেপৰা থকা ভতিজাক দুজনে লক্ষ্মীনাথতকৈ বেচি বঙালী পদ্য মুখস্থ মাতিব পাৰে। লক্ষ্মীনাথে প্ৰতিযোগিতা কৰি নিচেই কম দিনৰ ভিতৰতে ভতিজাক দুজনক পিছ পেলালে। সেয়ে নহয়, অন্যান্য ক্ষেত্ৰতো লক্ষ্মীনাথে অন্যান্যবিলাকৰ ওপৰত আধিপত্য বিস্তাৰ কৰিব ধৰিলে; লক্ষ্মীনাথ হৈ পৰিল সবাইঁতৰ ওজা, তথা সকলো বিষয়তে অধিনায়ক।

জীৱনৰ শেষৰ কালেও আমি এইজন উদ্যমশীল স্থিৰমনা লক্ষ্মীনাথকেই পাওঁ। প্ৰবেশিকা পৰীক্ষাত লক্ষ্মীনাথ উত্তীৰ্ণ হোৱাৰ পিচত উচ্চ শিক্ষাৰ্থে কলিকতালৈ পঢ়িবলৈ পঠাবলৈ দেউতাক দীননাথ বেজবৰুৱাৰ সমূলি ইচ্ছা নাছিল। কাৰণ তেওঁৰ দুজন পুতেক গোবিন্দ বেজবৰুৱা আৰু গোলাপচন্দ্ৰ বেজবৰুৱা কলিকতালৈ পঢ়িবলৈ গৈ সম্পূৰ্ণৰূপে বিপথগামী হৈছিল বুলিহে তেওঁ বিবেচনা কৰিছিল। এইবাৰো লক্ষ্মীনাথৰ দৃঢ়তাৰ কাৰণেহে উচ্চ শিক্ষাৰ্থে কলিকতালৈ যোৱা সম্ভৱপৰ হৈ উঠিল। এই ক্ষেত্ৰত ককায়েক গোবিন্দ বেজবৰুৱা আৰু বিনন্দ বেজবৰুৱাইও সহায় কৰিলে। কলিকতালৈ গৈ এফ্, এ, আৰু বি, এ, পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত অসম চৰকাৰে লক্ষ্মীনাথক ই, এ, চি,ৰ চাকৰি দুবাৰো যাচিছিল। কিন্তু স্বাধীনচেতা লক্ষ্মীনাথে এই বাৰ অকাতৰে প্ৰত্যাখ্যান কৰিলে; যিয়ে লক্ষ্মীনাথক পিতৃ-মাতৃ, ভাই-বন্ধু আদিৰ মাজত কৰি তুলিছিল অপ্ৰিয়। কিন্তু তালৈ লক্ষ্মীনাথে ভ্ৰূক্ষেপ কৰা নাছিল, তেওঁ নিজৰ লক্ষ্যত অচল-অটল হৈ ৰ'ল। আৰু লক্ষ্যত উপনীত হোৱাৰ কাৰণে কলিকতালৈ গৈ একেলগে ইংৰাজী বিষয়ত এম্-এ আৰু 'ল' পঢ়িবলৈ ধৰিলে। 'ল' পৰীক্ষাত উত্তীৰ্ণ হৈ কলিকতা হাইকোৰ্টত স্বাধীন ভাবে ওকালতি ব্যৱসায় আৰম্ভ কৰাই আছিল সেই সময়ত লক্ষ্মীনাথৰ লক্ষ্য। কিন্তু দুখৰ বিষয় যে তেওঁ এই দুয়োটা পৰীক্ষাতেই অকৃতকাৰ্য্য হ'ল। 'ল' পৰীক্ষাত তেওঁ উত্তীৰ্ণ হৈছিল; কিন্তু সেই বছৰ হঠাতে উত্তীৰ্ণ হবলৈ আৱশ্যকীয় মুঠ নম্বৰ (এগ্ৰিগেট) বঢ়াই দিয়া হেতুকেহে লক্ষ্মীনাথ আৰু তেওঁৰ ভালেমান লগৰীয়া অকৃতকাৰ্য্য হ'ল। অথচ এনেদৰে নম্বৰ বঢ়াই দিয়া হৈছে বুলিও বিশ্ববিদ্যালয়ে আগধৰি কোনো জাননী দিয়া নাছিল। সেই কাৰণে কলিকতা বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে লক্ষ্মীনাথে মোকৰ্দ্দমাও তৰে; কিন্তু তাতো বিফল হ'ল। মোকৰ্দ্দমাত বিফল হৈ লক্ষ্মীনাথে জানিলে যে তেওঁৰ বাবা আৰু বিশ্ববিদ্যালয়ৰ

---

(৬) মোৰ জীৱন-সোঁৱৰণ : ১ম ভাগ, দ্বিতীয় অধ্যায়, ১১:১২ পৃষ্ঠা।

উপাধি লাভ সম্ভৱপৰ নহ'ব। সিমানতে ছাত্ৰ-জীৱনৰ সামৰণি পেলাই কাঠৰ ব্যৱসায় কৰি জীৱিকা অৰ্জনৰ পথ সুগম কৰিবলৈ স্থিৰ কৰিলে।

এই খিনিতে উল্লেখ কৰা উচিত হ'ব যে, লক্ষ্মীনাথে এম্-এ আৰু 'ল' পঢ়ি থাকোঁতেই কলিকতাৰ জোড়াসাঁকোৰ বিখ্যাত ঠাকুৰ পৰিয়ালৰ কন্যা শ্ৰীমতী প্ৰজ্ঞাসুন্দৰী দেৱীক বিয়া কৰায়। বিয়াৰ সময়তো তেওঁ বহুতো বাধা-বিঘিনিৰ সন্মুখীন হ'বলগীয়াত পৰিছিল। ঠাকুৰ পৰিয়াল বঙালী আৰু আদিব্ৰাহ্ম-সমাজ ভুক্ত। গতিকে অসমীয়া ব্ৰাহ্মণ পৰিয়ালৰ ল'ৰা লক্ষ্মীনাথে প্ৰজ্ঞাসুন্দৰীক বিয়া কৰায় কেনেকৈ? তাতে আকৌ ঠাকুৰ পৰিয়াল আছিল ভাৰত বিখ্যাত চহকী আৰু সম্ভ্ৰান্ত পৰিয়াল। লক্ষ্মীনাথৰ পাৰিয়াল বৰ্গৰ বাহিৰেও বহুতো বন্ধু-বান্ধৱে ভাবিছিল যে প্ৰজ্ঞাসুন্দৰীক বিয়া কৰালে লক্ষ্মীনাথ ঘৰ-জোঁৱাই হৈ থাকিব লাগিব। এই বিয়াৰ বিৰুদ্ধে প্ৰবল আন্দোলন চলিল, ঘৰৰ পৰাও বাৰে বাৰে বাধা দিয়া হ'ল, কিন্তু এইবাৰো লক্ষ্মীনাথে একোকে নামানিলে। ১৮৯১ চনৰ মাচ মাহৰ ১১ তাৰিখে প্ৰিয়বন্ধু চন্দ্ৰকুমাৰ আৰু হেম গোস্বামী আদিৰ সহায় আৰু সহযোগিতাত তেওঁ প্ৰজ্ঞাসুন্দৰীক বিয়া কৰালে।

লক্ষ্মীনাথৰ এই বিয়াৰ কাৰণে মাক-দেউতাক আৰু প্ৰিয়পৰিজনে বিষম বেদনা অনুভৱ কৰিছিল; তেওঁৰ বন্ধু মহলতো নানা ধৰণৰ অপপ্ৰচাৰো হৈছিল, যাৰ কাৰণে লক্ষ্মীনাথে জীৱন সোঁৱৰণত বহুতো কৈফিয়ৎ দি গৈছে। কিন্তু আনে ভবাৰ দৰে তেওঁ ঠাকুৰ পৰিয়ালৰ ঘৰ-জোঁৱাইও নহ'ল আৰু বঙালীৰ লগত মিলি আত্ম-বিসৰ্জ্জনো নিদিলে। লক্ষ্মীনাথ—লক্ষ্মীনাথ হৈয়েই থাকিল; বৰং বঙালীৰ বিৰুদ্ধে লেখি সকলো ক্ষেত্ৰতে অসমীয়াৰ স্বকীয় অস্তিত্ব প্ৰমাণ কৰাত হে বিশেষ ভাবে আত্মনিয়োগ কৰিলে। আনকি শহুৰেকৰ ঘৰতেই তেওঁ অসমীয়া ভাষাৰ হকে অন্যান্য প্ৰিয়-পৰিজনৰ বিৰুদ্ধে তীব্ৰ বাক্-যুদ্ধত অৱতীৰ্ণ হ'বলগীয়াও হৈছিল। ঠাকুৰ পৰিয়ালৰ বাহিৰেও তেওঁলোকৰ অণ্ডহী-বণ্ডহীসকলেও ভাবিছিল যে লক্ষ্মীনাথে প্ৰজ্ঞাসুন্দৰীক বিয়া কৰোৱাৰ পিছত সম্পূৰ্ণৰূপে বঙালীয়েই হ'ব। লক্ষ্মীনাথৰ ভাষাত "তেওঁলোকে ভাবিছিল...... মই অসমীয়া ভাষাৰ হকে চেষ্টা-চৰিত্ৰ পৰিত্যাগ কৰি বঙ্গ ভাষাৰ উন্নতি কামনাত লাগি যাওঁ। তাৰ গুৰিত এনে এটা ভাবো আছিল যে তেওঁলোকৰ পৰিবাৰ-ভুক্ত জোঁৱাই মই যেন সম্পূৰ্ণৰূপে বঙালী হৈ যাওঁ। কিন্তু লাহে লাহে তেওঁলোকে দেখিবলৈ পালে যে, ইংৰাজীত কৰৰ নিচিনা "They have Caught a Tartar in me," মই অজীণ পাতকী হৈ দেখা দিলোঁ।...... দিনে দিনে ভাষাৰ তৰ্কৰ পথাৰখন বহল হৈ যাবলৈ ধৰিলে আৰু ডেকা

দলৰ অধিপতি 'ৰবিকাকাই'ও গতি বিষম দেখি মৌন অৱলম্বন কৰিলে।..... তেতিয়াবেপৰা আজি এই বুঢ়া বয়সলৈকে ডাঙৰ ঠাকুৰে তেওঁৰ পোহ নোলোৱা আৰু সেও নোলোৱা জোঁৱায়েকৰে সৈতে সেই বিষয়ে তৰ্ক কৰা এৰি দিলে আৰু মোৰ আগত কোনো মন্তব্যও প্ৰকাশ কৰা নাই। ঘাথোন এবাৰ শিলঙত এষাৰ কথা তেওঁ মোক কৈছিল, অলপ বেজাৰ মিহলি কৈ—".তামবাইতো আসামকে বাৰ কৰে নিয়ে বাংলা ভাষাৰ পৰিসৰ কমিয়ে দিলে। বই লিখে ছাপা কৰতে গ্ৰন্থকাৰদেৰ আৰ উৎসাহ থাকে কোথায় (৬)?" অৱশ্যে ৰবীন্দ্ৰনাথৰ তৰ্কযুদ্ধ কেৱল মৌখিক যুদ্ধতেই আৱদ্ধ নাছিল, ই 'ভাৰতী' আৰু 'পুণ্য' আলোচনীৰ পাততো ৰূপ পাইছিল গৈ। অৱশেষত শেষলৈ লক্ষ্মীনাথৰেই জয় হৈছিল, ৰবীন্দ্ৰনাথে নিৰস্ত হৈ নীৰৱতা অৱলম্বন কৰিবলৈ বাধ্য হৈছিল।

এইজন লক্ষ্মীনাথে ছাত্ৰ-জীৱনৰ কৰুণ পৰিণতি ঘটাই শেষত জীৱিকাৰ কাৰণে অসম-বঙ্গ বিখ্যাত ভোলানাথ বৰুৱাৰ কাঠৰ কাৰবাৰত অংশীদাৰ হিচাপে যোগদান কৰে। আগতে মাণিকচন্দ্ৰ বৰুৱাহঁতৰ লগত লগলাগি ভোলা বৰুৱাই অসমতে কাঠৰ ব্যৱসায় কৰিছিল। কিন্তু এই ব্যৱসায় বন্ধ হ'লত ভোলানাথ বৰুৱা কলিকতালৈ আহি 'বি, ব্ৰাদাৰ্চ' নাম দি কাঠ আৰু কপাহৰ ব্যৱসায় কৰি আছিল। লক্ষ্মীনাথে ভোলানাথ বৰুৱাৰ লগত ব্যৱসায়ত যোগদান কৰাৰ সময়ত ভোলানাথে "বেঙ্গল নাগপুৰ ষ্টেশ্যন গুইলকেৰ আৰু মনোহৰপুৰত সৰু-সুৰাকৈ ৰেলৰ স্লিপাৰৰ ব্যৱসায় কৰিবলৈ মনস্থ কৰি তেওঁ গৱৰ্ণমেণ্ট ফৰেষ্ট ডিপাৰ্টমেণ্টৰ পৰা তাকৰীয়াকৈ গছ 'ৰয়েলটীত' বন্দৱস্ত কৰি লৈ সেই কাৰ্য্যত হাত দিছিল (৭)।" ভোলানাথ বৰুৱাৰ ব্যৱসায়ৰ এনে দুৰৱস্থাৰ সময়ত লক্ষ্মীনাথ গৈ প্ৰৱেশ কৰিলে। আৰু লক্ষ্মীনাথ ভোলানাথৰ সমবেত একান্ত চেষ্টাৰ বলত নিচেই কম দিনৰ ভিতৰতে এওঁলোকৰ ব্যৱসায় সেই সময়ৰ কলিকতাত অন্যতম শ্ৰেষ্ঠ কাঠৰ ব্যৱসায় ৰূপে পৰিগণিত হ'ল। লক্ষ্মীনাথ কাঠৰ ব্যৱসায়ত প্ৰৱেশ কৰাৰ সময়ত কলিকতাৰ বিখ্যাত কোম্পানীবোৰ আছিল—'গিৰীশচন্দ্ৰ বোসৰ ব্যৱসায়' 'ইংৰাজ, ফাৰ্ম জাৰ্দিন স্কীনৰ কোম্পানী', মাৰোৱাৰী 'ভগৱান দাস বগুলা', চিমনলাল গেন্ধেৰীৱাল, মতিলাল ৰাধাকিষণ. আৰু বঙালী কালীকৃষ্ণ প্ৰামাণিকৰ ফাৰ্ম। পোনতে লক্ষ্মীনাথহঁতে এই ব্যৱসায়বোৰৰ সহায় আৰু সহানুভূতি বিচাৰিব লগাও হৈছিল। কিন্তু দুই তিনি বছৰৰ ভিতৰত উক্ত শ্ৰেষ্ঠ ব্যৱসায় প্ৰতিষ্ঠানসমূহে 'বৰুৱা কোম্পানী'ৰ

(৬) 'মোৰ জীৱন-সোঁৱৰণ' : দ্বিতীয়ভাগ ২য় আধ্যা, ১১৪।১১৫ পৃষ্ঠা।
(৭) 'মোৰ জীৱন-সোঁৱৰণ' : দ্বিতীয়ভাগ, অষ্টম আধ্যা, ১৪৭ পৃষ্ঠা।

সহায়-সাহায্য বিচাৰিব লগাতহে পৰিছিল আৰু সেই প্ৰতিষ্ঠানবোৰত কাম কৰা সুদক্ষ কৰ্ম্মচাৰীসকল আহিও লক্ষ্মীনাথহঁতৰ 'বকৰা কোম্পানী'ত হে চাকৰি লৈছিলহি। বি. এন্. আৰ লাইনত 'বকৰা কোম্পানী'ৰ ব্যৱসায়ৰ বিস্তৃতি আৰু বিপুলতা দেখি মানুহে তবধ মানিব লগাত পৰিছিল। সপ্তাহত মজদুৰ-কৰ্ম্মচাৰীৰ কাৰণে প্ৰায় পঁচিশ হাজাৰলৈ টকা খৰচ কৰিব লগাত পৰিছিল। এনে কাৰ্য্য সম্ভৱপৰ হৈছিল একমাত্ৰ লক্ষ্মীনাথ আৰু ভোলানাথৰ আশাসুধীয়া যত্ন আৰু অধ্যৱসায়িতাৰ বলত। তেওঁলোকে কামৰ লগত টাকুৰি ঘূৰা দি ঘূৰি ফুৰিছিল। সাধাৰণ দৈনন্দিন ঘৰুৱা জীৱনৰ কাৰণে বজাৰ কৰাবেপৰা ব্যৱসায় সংক্ৰান্ত আলহী-অতিথিক শুশ্ৰূষা কৰালৈকে সকলো কাম নিজেই কৰিছিল। ব্যৱসায় বৃদ্ধিৰ কাৰণে সময়ে সময়ে ভোজ পাতি বিশিষ্ট ব্যৱসায়ী ব্যক্তিসকলক আমন্ত্ৰণ কৰি আনি নিজৰ পত্নী প্ৰজ্ঞাসুন্দৰীৰ দ্বাৰা ৰন্ধাই খুৱাই আপ্যায়িত কৰি হলেও ব্যৱসায় বৃদ্ধিৰ কাৰণে চেষ্টা কৰিলে লক্ষ্মীনাথে। পোনতে কেইবা বছৰো তেওঁলোকৰ কোনো ধৰণৰ নিজা যান-বাহনো নাছিল। কেৱল ট্ৰামে-বাছে আৰু বিশেষকৈ খোজ কাঢ়ি ভোলা-লক্ষ্মী দুয়োজনে ব্যৱসায়ৰ কুঠাত টৌ টৌ কৰি ঘূৰি ফুৰিছিল টাকুৰি ঘৰাদি।

বিংশ শতিকাৰ প্ৰাৰম্ভৰ প্ৰথম ৩।৪ বছৰ 'বকৰা কোম্পানী'ৰ চৰম উন্নতিৰ কাল। কিন্তু এনে উন্নত অৱস্থা সৰহ কাল নৰৰ্ত্তিল, ব্যক্তিগত ঘৰুৱা জীৱন বিষয়ক সন্দেহৰ ভাব ওপজাত লক্ষ্মীনাথ বকৰা কোম্পানীৰ পৰা আঁতৰি আহিল (৮)। আৰু তেওঁ মুকীয়াকৈ কাৰবাৰ কৰিবলৈ ললে। কিন্তু ইয়াত উন্নতি কৰিব নোৱাৰাত আৰু আয়তকৈ ব্যয় বেচি হোৱাত ব্যৱসায় এৰি 'বাৰ্ড কোম্পানী'ৰ অধীনত বন্ধু-বান্ধৱৰ অনুৰোধত এটা ডাঙৰ কাম ললে। স্বাধীনচেতা লক্ষ্মীনাথ কিন্তু এই কাম লৈ সন্তুষ্ট নহ'ল। এই কাম ইস্তফা দি শেষত তেওঁ সম্বলপুৰত গৈ আকৌ কাঠৰ ব্যৱসায় আৰম্ভ কৰিলে। মৃত্যুৰ কিছুদিন আগত ৰোগাক্ৰান্ত নোহোৱালৈকে লক্ষ্মীনাথে সম্বলপুৰতে ব্যৱসায় কৰি থাকে। ৰোগাক্ৰান্ত হোৱাত তাৰপৰা গুচি আহি থাকিবলৈ ললে সক জীয়েক (ৰত্না) আৰু জোঁৱায়েক (ৰোহিণী বৰুৱা)ৰ লগত ডিব্ৰুগড়ত। ১৯৩৮ চনৰ মাৰ্চ মাহৰ ২৬ তাৰিখে বেজবৰুৱাই তেওঁৰ দেশৰ সকলো শ্ৰেণীৰ লোকক কন্দুৱাই পৰলোকলৈ গমন কৰে বুঢ়া লুইতৰ পাৰৰ এই ডিব্ৰুগড় নগৰীতেই।

(৮) অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বুৰঞ্জীবিদ্ শ্ৰীযুত বেণুধৰ শৰ্ম্মাৰ পৰা জনা কথাৰ সহায়ত।

এইজন লক্ষ্মীনাথে অসমৰ বুকুত জন্মলাভ কৰি শেষত অসমৰ বুকুতেই শেষ নিশ্বাস এৰিলেও বথাৰ্থতে তেওঁ মানুহৰূপে বহল মানৱ সমাজত নিজক প্ৰতিষ্ঠা কৰিলে অসমৰ বাহিৰত থাকি, বিশেষকৈ কলিকতা মহানগৰীৰ বুকুত। তেওঁ কেৱল জীৱন ধাৰণৰ কাৰণেহে যেন কাঠৰ ব্যৱসায়ত প্ৰবৃত্ত হৈছিল; কিন্তু তেওঁ মুখ্যতঃ আছিল সাহসী স্বদেশপ্ৰেমী সাহিত্যিক। ১৮৮৯ চনৰ জানুৱাৰী মাহত 'জোনাকী'ৰ ১ম সংখ্যাতেই তেওঁ 'লিতিকাই' বে সাহিত্যিক জীৱনৰ পাতনি মেলি ১৯৩৮ চনৰ ২৬ মাচৰ দিনা শেষ নিশ্বাস এৰালৈকে এই দুকুৰি ন বছৰ কাল লক্ষ্মীনাথ বেজবৰুৱাই নিৰবচ্ছিন্ন ভাবে সাহিত্য সেৱাই কৰি গ'ল। ধেমেলীয়া নাট 'লিতিকাই'ৰে সাহিত্য জীৱনৰ পাতনি মেলি অসমীয়া সাহিত্যৰ গল্প, উপন্যাস, গহুৰ নাটক, কবিতা, সাধুকথা, চৰিত পুথি, আলোচনা আৰু শেষত গভীৰ ধৰ্ম আৰু দাৰ্শনিক তত্ত্বৰ আলোচনাৰে তেওঁ তাৰ সুমধুৰ পৰিসমাপ্তি ঘটায়।

এসময়ত বঙালীৰ আক্ৰোশমূলক কবলত পৰি বিলোপ হবলৈ উপক্ৰম হোৱা যি অসমীয়া ভাষাক কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰৰ অ, ভা, উ, সা, সভা আৰু 'জোনাকী' আলোচনীয়ে পুনৰ প্ৰাণ প্ৰতিষ্ঠা কৰি সাহিত্যৰ সকলো দিশতে ভিন ভিন গ্ৰন্থ ৰচনা কৰি সাহিত্যৰ জগতে অসমীয়া ভাষাকো সবল আৰু স্পন্দনপূৰ্ণ কৰি তুলিলে সেই অ, ভা, উ, সা, আৰু 'জোনাকী'ৰ প্ৰধান সম্পাদকো আছিল এসময়ত লক্ষ্মীনাথ বেজবৰুৱাই। অসমীয়া ভাষা-সাহিত্যৰ ওপৰত হোৱা বঙালীসকলৰ আক্ৰোশমূলক অন্যায় আক্ৰমণ সৰ্ব্বপ্ৰথম ব্যৰ্থ কৰিবলৈ সমৰ্থ হৈছিল হেমকোষৰ হেমচন্দ্ৰ বৰুৱাই। আৰু দ্বিতীয় আক্ৰমণ ব্যৰ্থ কৰে যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱাই। বুৰঞ্জীবিদ্ কণকলাল বৰুৱাৰ ভাষাত—"অসমীয়া ভাষা যে বঙলা ভাষাৰ অপভ্ৰংশ নহয়, এই কথা বুজাবলৈ তেওঁ (হেমচন্দ্ৰ বৰুৱাই) ইংৰাজী, বঙলা সাময়িক পত্ৰিকাবিলাকত এই বিষয়ে বহুত প্ৰবন্ধ লেখিছিল।......অসমীয়া ভাষা লৈ যুদ্ধ তেওঁৰ দিনত ভালকৈ এবাৰ হৈ গৈছিল। বহুমূৰীয় দৈত্যৰ নিচিনা কিছু কথা মৰিও নমৰে। হেমচন্দ্ৰ বৰুৱাই এবাৰ মাৰি থোৱা দৈত্য আকৌ সজীৱ হৈ মূৰ মেলি উঠাত দ্বিতীয়বাৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই তীক্ষ্ণবাণেৰে তাক বধ কৰে (১)।"

'জোনাকী' বুলিলেই চন্দ্ৰকুমাৰ আগৰৱালাৰ নামটো আচৰিতে আমাৰ মনলৈ আহিলেও 'জোনাকী'ৰ জৰিয়তে অসমত সাহিত্যিক নবজাগৰণ সৃষ্টি কৰাত লক্ষ্মীনাথৰ অবদানো বিশেষভাবে উল্লেখযোগ্য। লক্ষ্মীনাথে জীৱন-

(১) হেমচন্দ্ৰ বৰুৱাৰ জীৱন চৰিত' : (সৰ্বেশ্বৰ শৰ্মা কটকী ৰচিত), পৃষ্ঠা ৭৯।৮০

সৌৰৱণত নিজেই উল্লেখ কৰামতে চন্দ্ৰকুমাৰ আৰু লক্ষ্মীনাথ আছিল অভেদাত্মা ; শেষত হেমচন্দ্ৰ গোস্বামীও তেওঁলোকৰ লগত লগ লগাত "আমি নিৰহ-নিপানীকৈ 'তিনিটি' হলোঁহঁক,—অৰ্থাৎ একেই তিনি, তিনিয়েই এক (১০)।" যথাৰ্থতে 'জোনাকী'ৰ জৰিয়তে অসমীয়া সাহিত্যত নৱন্যাসৰ চল বোওৱা সাহিত্যিক এই ত্ৰিমূৰ্ত্তি—চন্দ্ৰ-লক্ষ্মী-হেমেই। বেজবৰুৱাৰ জীৱনৰ সৰ্বশ্ৰেষ্ঠ কীৰ্ত্তি হ'ল 'বাঁহী' আৰু ইয়াৰ সম্পাদন। 'বাঁহী'য়ে কেৱল লক্ষ্মীনাথক এজন প্ৰসিদ্ধ সাংবাদিক হিচাবেই যে প্ৰতিষ্ঠিত কৰিলে তেনে নহয়, বেজবৰুৱা সমালোচক সাহিত্যিকজনো যথাৰ্থতে 'বাঁহী'ৰেই সৃষ্টি। ১৯০৯ চনৰ আঘোণৰপৰা একেৰাহে সুদীৰ্ঘ বাৰ বছৰ কাল তেওঁ 'বাঁহী' সম্পাদনা আৰু পৰিচালনাও কৰে। শেষত চন্দ্ৰকুমাৰ আগৰৱালাৰ পৰিচালনাত গুৱাহাটীৰ পৰা ওলোৱা 'বাঁহী'ৰ কৰ্ণধাৰো যথাৰ্থতে লক্ষ্মীনাথেই আছিল। কবলৈ গলে শেষ নিশ্বাস এৰাৰ আগ মুহূৰ্ত্তলৈকে লক্ষ্মীনাথে 'বাঁহী'ৰ জৰিয়তে ভাষা-জননীৰ সেৱা কৰি গ'ল। আজিৰ অসমীয়া সাহিত্য যথাৰ্থতে 'জোনাকী', 'বাঁহী' প্ৰভৃতি আলোচনী কেইখনৰ সম্পাদক-সকলৰ একনিষ্ঠ সেৱা আৰু যত্নৰ ফল। মান-মৰাণৰ অত্যাচাৰ আৰু ইংৰাজৰ শাসনত পেপুৱা লাগি থকা অসমীয়া জাতিক মানৱীয় শক্তিৰ মহান গৰিমা আৰু গৌৰৱমণ্ডিত অতীতৰ স্মৃতিৰ দ্বাৰা উদ্বুদ্ধ কৰি জাগ্ৰত কৰি তুলিবলৈ যে 'জোনাকী' আৰু 'বাঁহী'ৰ পাতত লক্ষ্মীনাথে কত শত গল্প-কবিতা-প্ৰবন্ধ লেখিলে ! অসমীয়া জাতি আৰু অসমীয়া ভাষা-সাহিত্যৰ উন্নতি সাধন লক্ষ্মীনাথৰ জীৱনৰ যেন সাধনাৰ ধন। কলেজীয় ছাত্ৰাবস্থাৰ 'জোনাকী' প্ৰকাশৰ দিনাৰে পৰা ১৯৩৮ চনৰ ২৬ মাৰ্চৰ দিনা শেষ নিশ্বাস এৰাৰ সময়লৈকে একধ্যান, একমনে তেওঁ অসম আৰু অসমীয়াৰ উন্নতিৰ কাৰণেই জীৱন পাত কৰি গ'ল।

আচৰিত যেন লাগিলেও এই কাৰণৰ বাবে সাহসী লক্ষ্মীনাথেই আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাতা। সঁচা কথা, লক্ষ্মীনাথে পৃথিৱী বিখ্যাত সু-সাহিত্যিকসকলৰ সদৃশ কালজয়ী মহৎ সাহিত্যিক অৱদান দি থৈ ন'গল আৰু লক্ষ্মীনাথ আবদ্ধ আছিল বিশেষকৈ অসম আৰু অসমীয়াৰ মাজতেই। অসম আৰু অসমীয়াৰ স্বাৰ্থ ৰক্ষা কৰা, অসমীয়া ভাষা-সাহিত্যক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰাই আছিল লক্ষ্মীনাথৰ জীৱনৰ পণ। সেই কাৰণেই তেওঁ কালজয়ী বিশ্ব সাহিত্য ৰচনা কৰিবলৈও যেন সুযোগ-সুবিধাই নাপালে।

লক্ষ্মীনাথে সুৰভি অৰুণা আৰু ৰত্ন এই তিনিজনী ছোৱালীক জন্ম দিছিল। সুৰভিৰ অকাল মৃত্যুৰ স্মৰণত বেজবৰুৱাৰ গল্প সংকলন 'সুৰভি'। অৰুণা

(১০) 'মোৰ জীৱন-সোঁৱৰণ' : দ্বিতীয়ভাগ, দ্বিতীয় আধ্যা, ১০৫ পৃষ্ঠা।

আৰু ৰত্না এতিয়াও জীয়াই আছে। জাতীয় জীৱনৰ উন্নতিকল্পে সৰ্বস্ব ত্যাগ কৰা লক্ষ্মীনাথে কাঠৰ ব্যৱসায়ত মুঠিয়ে মুঠিয়ে ধন ঘটা সত্ত্বেও শেষত আশ্ৰয় লবলগীয়া হৈছিলহি কনিষ্ঠা কন্যা ৰত্নাৰ ওচৰতহে আৰু তাতেই তেওঁ শেষ নিশ্বাস এৰিলে।

বছৰৰ লেখেৰে ৭০ সত্তৰ বছৰীয়া জীৱনটো বৰ দীঘলীয়া নহ'লেও কৰ্ম-বহুল হোৱা হেতুকে আজি আমাৰ মানত বেজবৰুৱাৰ সত্তৰ বছৰীয়া জীৱন অতিশয় মূল্যবান বুলি পৰিগণিত হৈছে। তেওঁ আধুনিক অসমৰ প্ৰেৰণাৰ উৎস; তেওঁক অনুকৰণ কৰি জীৱন গঢ়িবলৈ বদ্ধপৰিকৰ হলে যথাৰ্থতে অসমৰ উন্নতিৰ ডবা-শংখ আজিও বাজি উঠিব,—অসমৰ উন্নতিয়ে বিশ্ব-বসুধাক তবধ লগাব।

বেজবৰুৱাৰ প্ৰতিভা

যদিও লক্ষ্মীনাথে বিশ্ববৰেণ্য কালজয়ী সাহিত্য সৃষ্টি কৰি থৈ যোৱা নাই আৰু লক্ষ্মীনাথৰ সাহিত্যৰ সমাদৰ অসমৰ বাহিৰত কম, তথাপি লক্ষ্মীনাথ অসমীয়াৰ মাজত অতুলনীয় প্ৰতিভাশালী ব্যক্তি। লক্ষ্মীনাথ একমুখী নাছিল, তেওঁ আছিল বহুমুখী আৰু বিক্ষিপ্ত। লক্ষ্মীনাথৰ বৈশিষ্ট্যও এই বহুমুখিতাতেই। বিশ্ব-সাহিত্যৰ সুৰঞ্জীত কাঠৰ ব্যৱসায় কৰি ধন ঘটি জীৱিকা নিৰ্বাহ কৰা লোকে সাহিত্য চৰ্চা কৰি সুখ্যাতি লভা নিদৰ্শন বিৰল। লক্ষ্মী-নাথ আছিল প্ৰধানতঃ কাঠৰ ব্যৱসায়ী, ঠিকাদাৰ; ৰাতিপুৱাৰ পৰা মাজ-নিশা লৈকে সময়লৈকে তেওঁ ব্যস্ত থাকিবলগীয়া হৈছিল ব্যৱসায় সংক্ৰান্ত কামত। অথচ সাহিত্য-সেৱাৰ কাৰণে আৱশ্যক সম্পূৰ্ণকৈ নিজঞ্জাল নিৰিবিলি পৰিৱেশৰ। জীৱিক নিৰ্বাহৰ কাৰণে গ্ৰহণ কৰা ব্যৱসায়টো নিশ্চয়কৈ লক্ষ্মীনাথৰ সাহিত্য সাধনাৰ ক্ষেত্ৰত প্ৰতিকূল ৰূপে প্ৰতীয়মান হৈছিল, অথচ এনে প্ৰতিকূল পৰিৱেশৰ মাজতেই লক্ষ্মীনাথে যতবোৰ গল্প, কবিতা, নাটক, উপন্যাস, প্ৰবন্ধ, সমালোচনা আদি ৰচনা কৰিলে তাক ভাবিলে আচৰিত হ'ব লাগে।

লক্ষ্মীনাথ বেজবৰুৱা কেৱল প্ৰথম অসমীয়া চুটিগল্প লেখকেই নহয়, তেওঁ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া হাস্যৰসিক আৰু অসমীয়া বৈষ্ণৱ ধৰ্ম আৰু দৰ্শনৰো সৰ্বপ্ৰথম বৈজ্ঞানিক পদ্ধতিত কৰা সমালোচক। তেওঁ সৰ্বপ্ৰথম অসমীয়া কাৰ্টুনিষ্ট, এগৰাকী প্ৰবীণ সাংবাদিক, খনিকৰ, উচ্চমানবিশিষ্ট প্ৰতিভাশালী চিত্ৰকৰ আৰু ভাষাবিদো। অসমীয়াৰ উপৰিও ইংৰাজী, বঙালী, হিন্দী বা উড়ীয়া ভাষাৰ ওপৰত যে তেওঁৰ সুন্দৰ আধিপত্য আছিল তাৰ নিদৰ্শন তেওঁৰ ৰচনাৱলী, সেয়ে নহয়,—তেওঁ ভাষাৰ উৎপত্তি আৰু বিকাশৰ বিষয়েও গভীৰ ভাবে মনোনিবেশ কৰিছিল। হেমকোষৰ হেমচন্দ্ৰ বৰুৱাৰ পিছতে অসমীয়া ভাষাৰ স্বকীয়া বৈশিষ্ট্য প্ৰতিপন্ন কৰি সুদীৰ্ঘ বাৰটা প্ৰবন্ধ ৰচনা কৰি তেওঁ

ভাষা তাত্ত্বিকৰ পৰিচয়ো দি থৈ যাব পাৰিছে (১১)। 'জোনাকী', 'আসাম-বন্তি' আৰু 'এডভোকেট অব আসাম' কাগজত এই প্ৰবন্ধসমূহ সেই সময়তে প্ৰকাশিতও হৈছিল।

তদুপৰি তেতিয়াৰ অসমৰ জাতীয়-জীৱনত যেতিয়াই যিটো সমস্যাৰ উদ্ভৱ হৈছিল, তেতিয়াই সেই সমস্যাৰ ওপৰত গভীৰ ভাৱে আলোচনাত প্ৰবৃত্ত হোৱা লেখকো আছিল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। ভাৰতবৰ্ষ বিদেশী ইংৰাজ চৰকাৰৰ কবলৰ পৰা মুক্ত হোৱাৰ পূৰা একুৰি বছৰ পিছত আৰু বিশেষকৈ ভাৰতীয় সংবিধানে অসমীয়াকো অন্যতম প্ৰধান আঞ্চলিক ভাষাৰূপে স্বীকৃতি দিয়াৰ পিছতো দুই-চাৰি অসমীয়া বিদ্বেষী বঙালী লেখক-সমালোচকে অসমীয়াক বঙালীৰ অপভ্ৰংশ বুলি অভিহিত কৰিবলৈ এতিয়াও পৰিহাৰ কৰা নাই। অথচ বিংশ শতিকাৰ সপ্তম দশকত আজি অসমীয়া ভাষাত সাহিত্যৰ ভিন ভিন দিশত হাজাৰে হাজাৰে গ্ৰন্থ প্ৰণয়ন হৈছে, আৰু দেশে-বিদেশে অসমীয়া সাহিত্য আৰু সাহিত্যিকে সমাদৰো লাভ কৰিছে। লক্ষ্মী-নাথহঁতৰ কলেজীয়া ছাত্ৰাৱস্থাত প্ৰাক্ ইংৰাজ ৰাজত্বতে ৰচিত সাহিত্যৰাজীত বাহিৰে আধুনিক যুগত ৰচিত অসমীয়া গ্ৰন্থৰ লেখ আঙুলিৰ মূৰৰ আধামানতে শেষ হৈছিল। সেই কেইখন গ্ৰন্থও আছিল 'শিশু-শিক্ষা', 'আদি-পাঠ' বা 'ল'ৰা-শিক্ষা'ৰ লেখৰ। 'ৰামনৱমী', 'কানীয়াৰ কীৰ্ত্তন', 'বাহিৰে ৰং-চং ভিতৰে কোৱাভাতুৰী', 'সুধমান উপাখ্যান' প্ৰভৃতি প্ৰায় আধা ডজনমানহে সৃষ্টিধৰ্মী অসমীয়া সাহিত্য-গ্ৰন্থ তেতিয়া ৰচনা হৈছিল। কেউদিশে অসমৰ বুকুত বঙালী ভাষা আৰু সাহিত্যৰ বিৰাট প্ৰতিপত্তি। অসমীয়া মানুহেই অসমীয়া ভাষা-সাহিত্যক স্বীকৃতি দিবলৈ তেতিয়া কষ্ট অনুভৱ কৰিছিল।

ভাষা জননীৰ এনে দুৰূহ আৰু শোকাবহ অৱস্থাত সাহিত্যিক ৰূপে অৱতীৰ্ণ হ'ল লক্ষ্মীনাথ বেজবৰুৱাই। বেজবৰুৱাহঁতৰ সাহিত্য চৰ্চাৰ প্ৰাণ-কেন্দ্ৰ আছিল চন্দ্ৰকুমাৰ আগৰৱালাৰ দ্বাৰা সম্পাদিত মাহেকীয়া অসমীয়া আলোচনী 'জোনাকী'। 'অৰুণোদয়' যুগত পুনঃ প্ৰতিষ্ঠিত হোৱা অসমীয়া ভাষা-সাহিত্যক ষোড়শোপচাৰে সেৱা-শুশ্ৰূষা কৰি সকলো দিশতে শক্তিশালী কৰি তোলাই আছিল এই জোনাকী যুগৰ অসমীয়াসকলৰ সৰ্বপ্ৰধান লক্ষ্য। 'জোনাকী'ৰ গুৰিতে আছিল সেই সময়ৰ কলিকতীয়া অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ

(১১) অৰ্ঘ্যাবলী : (বেণুধৰ শৰ্মা ৰচিত), নৱন্যাস যুগৰ সাৰথিসকল, ২৬।২৭ পৃষ্ঠা।

(অ. ভা. উ. সা. সভা) প্ৰেৰণা। অ ভা. উ. স. সভাৰ লক্ষ্য আছিল —(১) পুৰণি পুথি সংগ্ৰহ আৰু প্ৰকাশ, (২) অসমৰ সকলো শিক্ষা-নুষ্ঠানত অসমীয়া প্ৰচলন, (৩) অশুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাসৰ ঠাইত শুদ্ধ ব্যাকৰণ আৰু বৰ্ণবিন্যাসৰ প্ৰচলন, (৪) সংস্কৃত বা অন্যান্য ভাষাৰ পৰা গ্ৰন্থ অনুবাদ কৰণ, (৫) অসমৰ সামাজিক আৰু ধাৰ্মিক ৰীতি নীতি বৃত্তান্ত সংগ্ৰহ আৰু বুৰঞ্জী প্ৰণয়ন, (৬) সাহিত্যৰ আৰু পাঠ্যপুথিৰ অভাৱ দুৰীকৰণ প্ৰভৃতি। লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য ৰচনা কৰিবলৈ প্ৰবৃত্ত হোৱাৰ সময়ত অ. ভা. উ. সা. সভাৰ এই সাধাৰণ লক্ষ্যসমূহ তেওঁৰ মনঃচক্ষুৰ আগত জিলিকি আছিল, তেৰোঁ মূলতঃ অভাৱ পূৰণৰ কাৰণেহে সাহিত্য ৰচনাত প্ৰবৃত্ত হ'ল। গতিকে সময়ৰ চাহিদা পূৰণৰ কাৰণে ৰচিত সাহিত্য কালজয়ী সাহিত্যৰূপে প্ৰতিপন্ন নোহোৱা কেনেই স্বাভাৱিক কথা। অসমীয়া ভাষাত অসমীয়া পুথিৰ সংখ্যা বঢ়োৱাই হ'ল তেওঁলোকৰ লক্ষ্য, সেয়ে সকলো দিশতে সাহিত্য ৰচনা কৰিবলৈ ললে লক্ষ্মীনাথেও। প্ৰতিভাৰ প্ৰেৰণাত ৰচনা নকৰি সময়ৰ চাহিদা পূৰাবলৈ ৰচনা কৰা সাহিত্য প্ৰচাৰধৰ্মী বা ব্যৱসায়ী সাহিত্যৰ শাৰীলৈ উঠা অতি স্বাভাৱিক। কিন্তু চাহিদা পূৰাবলৈ ৰচনা কৰা সত্ত্বেও লক্ষ্মীনাথৰ কিছুমান ৰচনা কালজয়ী ৰূপেও প্ৰতিপন্ন হ'ল। ভদৰী, বাপিৰাম, ৰামেশ্বৰ, গজপুৰীয়া, ডালিমা প্ৰভৃতি চৰিত্ৰ নিঃসন্দেহে কালজয়ী, সময়ৰ ম'মৰে এনে চৰিত্ৰক স্পৰ্শ কৰা সহজ নহয়। জীৱনৰ শেষ ছোৱাত ৰচনা কৰা 'কৃষ্ণকথা', 'তত্ত্বকথা', 'ভগৱৎকথা' শ্ৰেণীভুক্ত বৈষ্ণৱধৰ্ম আৰু দৰ্শন বিষয়ক আলোচনা-সমূহ অসমীয়া জাতীয় জীৱনৰ কাৰণে অমূল্য সম্পদ; হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ ভঁৰাল 'কৃপাবৰ বৰুৱা' অসমীয়া জাতীয় জীৱনৰ প্ৰাণৰ বান্ধ সেয়ে নহয়,—কৃপাবৰ বৰুৱা ৰূপ লৈ ৰচনা কৰা হাস্যৰসাত্মক প্ৰায় সকলোখিনি ৰচনাই গুণ, মহত্ব আৰু সৌন্দৰ্য্যত বিশ্ববৰেণ্য যি কোনো শ্ৰেষ্ঠ হাস্যৰসিকৰ ৰচনাৰ সদৃশ মান সম্পন্ন।

কিতাপৰ লেখত আজিলৈ আমি লক্ষ্মীনাথৰ যিখিনি ৰচনা পাইছোঁ,—জোনাকী, বাঁহী, উষা, বন্তি, আলোচনী প্ৰভৃতি অসমীয়া, 'ভাৰতী', 'পুণ্য' প্ৰভৃতি বঙ্গালী আলোচনী কাকত আৰু অন্যান্য ভালেমান ইংৰাজী আলোচনী আৰু বাৰ্তাৰ কাকতৰ বুকুত তাতোকৈ বহু বেছি সংখ্যক ৰচনা আজিও অনাদৃত অৱস্থাত পৰি আছে। যিজন ব্যক্তিৰ কাপৰপৰা অতবোৰ ৰচনা ওলোৱা সম্ভৱপৰ হব পাৰে, সেইজন ব্যক্তিক কোনোমতেও প্ৰতিভাহীন সাহিত্যিক বুলিব নোৱাৰি। তেওঁ অসীম প্ৰতিভাশালীয়েই আছিল; কৃতিৰ বিশালতা আৰু

মহত্বতাই তেওঁৰ গভীৰ সাহিত্যিক প্ৰতিভাৰেই নিদৰ্শন দাঙি ধৰে।

প্ৰাচীন আলংকাৰিক সকলৰ মতে ৰসাত্মক ৰচনাই কাব্য (=সাহিত্য)। বেজবৰুৱাৰ ৰচনা মাত্ৰেই ৰসাত্মক,—তেওঁৰ প্ৰায় আটাইবোৰ ৰচনাই প্ৰধানকৈ হাস্যৰসাত্মক। অৱশ্যে আমি স্বীকাৰ কৰিব লাগিব যে তেওঁৰ সৰহভাগ ৰচনাতেই তৰল হাঁহিৰ সৃষ্টি হয়, তাৰ কাৰণে আলংকাৰিকসকলৰ ভাষাৰেই বেজবৰুৱাৰ তেনে ৰচনাক উচ্চপৰ্য্যায়ৰ ৰচনা ৰূপে আখ্যায়িত কৰা টান হৈ পৰে (১২)। অৱশ্যে 'স্মিত' আৰু 'হসিত' হাঁহিযুক্ত ৰচনাও বেজবৰুৱাৰ নোহোৱা নহয় আৰু বেজবৰুৱাৰ ৰচনাত ৰমণীয়তাও স্পষ্ট ভাবে উপলব্ধি কৰা যায়।

৬ষ্ঠ শতিকাৰ বিখ্যাত আলংকাৰিক পণ্ডিত আচাৰ্য্য ভামহৰ কাব্যালংকাৰৰ দিনৰ পৰা "শব্দাৰ্থৌ সহিতৌ কাব্যম্" ৰীতিৰ সমাদৰো সাহিত্য-জগতত প্ৰচলিত হৈ আহি আছে (১৩)। এনে ভাৱমূলক আলোচনাৰ পৰা স্পষ্টকৈ বুজা যায় যে শব্দ আৰু অৰ্থৰ অপূৰ্ব মিলন নহলে সাৰ্থক কাব্য সৃষ্টি সম্ভৱপৰ হৈ নুঠে। বেজবৰুৱাৰ ৰচনাত এনে ৰীতিৰ সুপ্ৰয়োগ বিশেষ ভাবে মন কৰিবলগীয়া। যথাৰ্থযুক্ত শব্দ আৰু প্ৰতিশব্দ বেজবৰুৱাৰ সদৃশ কৌশলেৰে আধুনিক যুগত আন কোনোৱা অসমীয়া সাহিত্যিকে কৃতকাৰ্য্যতাৰে প্ৰয়োগ কৰিব পাৰিছে বুলি ভাবিব নোৱাৰি। গুৰুলা যথাৰ্থযুক্ত শব্দ প্ৰয়োগত বেজবৰুৱাৰ দক্ষতা আছিল যথাৰ্থতে অপূৰ্ব্ব। তেওঁৰ ৰচনাৰ নিদৰ্শনে, ইয়াক স্পষ্ট কৰি তুলিব। 'কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলাত' সন্নিবিষ্ট 'অসমীয়া জাতি ডাঙৰ জাতি' শীৰ্ষক ব্যঙ্গাত্মক ৰচনাখনৰ এঠাইৰ অসমীয়া জাতিটোক এনেদৰে বিদ্ৰূপ কৰিছে—

"কোনো এটা জাতিক ডাঙৰ কৰিব লাগিলে কিছুমান সজুলিৰ আৱশ্যক। জাতীয় 'ডাঙৰতালৈ' সেই সজুলিবিলাক নহলে নহয়। কোনো বাটৰুৱে চাছ, হাতুৰি, বৰুলা, বটালি প্ৰভৃতি নহলে কোনো ঘৰপেৰা সাজিব নোৱাৰে। জাতীয় ঘৰপেৰা সাজিবলৈকো তেজৰ চাচ, বলৰ বটালি, সহিষ্ণুতাৰ বেন্দা, একতাৰ গজাল, স্থিৰতাৰ কৰত, গাম্ভীৰ্য্যৰ হাতুৰি, বাহ্যাড়ম্বৰৰ পাক-ভোঁহৰ, ধৰ্মনিষ্ঠাৰ খিলি, সদাচাৰৰ গৰ্ভ-গজাল লাগে।"

এনে ৰচনা ব্যঙ্গ-বিদ্ৰূপাত্মক হব পাৰে, কিন্তু তথাপি যথাৰ্থযুক্ত ভাব-

(১২) সাহিত্য দৰ্পণ : ৩।২১৭—২১৮।

(১৩) কাব্যালংকাৰ : ১ম অধ্যায়।

প্ৰকাশৰ কাৰণে তেওঁ উপযুক্ত শব্দ প্ৰয়োগ কৰিবলৈ অসমৰ্থ হোৱা নাই। লক্ষ্মীনাথৰ 'মোৰ জীৱন-সোঁৱৰণ' আত্ম-জীৱনী হ'ব। কিন্তু বৈচিত্ৰ্যপূৰ্ণ ৰচনা-ভঙ্গীয়ে ইয়াক ব্যঞ্জনাময় সাহিত্যলৈ উন্নীত কৰিছে। তেওঁ লক্ষীমপুৰৰ জীৱনৰ স্মৃতি-ৰচনা প্ৰসঙ্গত দুৰ্গেশ্বৰ খানকৰৰ বিষয় এনেদৰে কৈছে :—

"প্ৰতিমা সাজিবলৈ আৰম্ভ কৰা দিনাৰে পৰা তেওঁৰ ওচৰত আমাৰ সমাগম। কি উৎসাহেৰে মই প্ৰতিমাৰ নিমিত্তে বোকা-খচ, জুমুৰ বন্ধা আদি কৰি তত শৰ্মাৰ সহায়ক হৈছিলোঁ আৰু লগে লগে নিজৰ কল্পনাৰ সহায়েৰে মোৰ মনোবৃত্তিকো খচি-বান্ধি মনতে কি অপৰূপ মায়াপুৰী সাজিছিলো, ভাবিলে শৰীৰ ৰোমাঞ্চ হয়। মই ভাবিছিলোঁ দুৰ্গেশ্বৰ খনিকৰে যেনেকৈ এই প্ৰতিমাৰ প্ৰত্যেক অংশ নিজৰ সুনিপুণ হাতেৰে গঢ়ি তুলিব লাগিছে, আমাকো আমাৰ ৰবখনিকৰ ঈশ্বৰে সেইদৰে পৰিশ্ৰম কৰি গঢ়ি এই পৃথিৱীত উমলিবলৈ পঠিয়াই দিছে। ... শৰ্মাদেৱে প্ৰতিমা গঢ়া তালাৰ প্ৰত্যেক কাৰ্যাৰ অংশতে মোৰ কৌতহলৰ চকু পৰিছিল। ধল, হেঙুল, হাইতালৰ বৰণৰ পিহা-সনা কাৰ্যাই প্ৰতিমাৰ গা, হাত, ভৰি, মুখ উজ্জ্বল কৰি তোলাৰ লগে লগে মোৰো মন উজ্জ্বল কৰি তুলিছিল। মনত আছে, এদিন দুৰ্গেশ্বৰ শৰ্মাদেৱক সুধিছিলোঁ—"দুৰ্গেশ্বৰ ককাইদেউ, এই হেঙুল, হাইতালবোৰ ক'ত পোৱা যায় ?" তেতিয়া বেলি পৰিছে, পশ্চিম আকাশ বিচিত্ৰ ৰঙেৰে বিচিত্ৰ হৈ উঠিছে। তেওঁ ততালিকে সেই ফালে আঙুলিয়াই দেখুৱাই কলে, এইবোৰ মই সৌ তাৰ পৰা আনোঁ।" মই সুধিলোঁ, "আমিও আনিব নোৱাৰো নে ?" তেওঁ উত্তৰ দিলে, "তইঁতে নোৱাৰ। গোঁসানী পূজাৰ সময়ত মই আকাশী দেৱতাক খুজি আনোঁ,— মোকহে দিয়ে......' এনে বৰ্ণনা যথাৰ্থতে তাৎপৰ্য্যপূৰ্ণ আৰু ভাবব্যঞ্জক। এনে ভাবব্যঞ্জক ৰচনা লিখিবলৈ সমৰ্থ হোৱা ব্যক্তি গৰাকীয়ে যে সাধনা-শক্তিৰ দ্বাৰা নিজক সু-সাহিত্যিক ৰূপে গঢ়ি তুলিবলৈ সমৰ্থ হৈছিল, ই সুনিশ্চিত।

কিন্তু তেওঁ আছিল বিক্ষিপ্ত। তেওঁ ভিন্ন ভিন্ন বিষয়ত আৰু সাহিত্যৰ সকলোবিলাক দিশতেই সাহিত্য ৰচিছিল। তেওঁ কাৰ্টুন আকিছিল, মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ সদৃশ বিপুল কলেৱৰৰ ভাবমূলক আলোচনাযুক্ত জীৱনীগ্ৰন্থ ৰচাৰ উপৰিও দীননাথ বেজবৰুৱাৰ আৰু তেওঁৰ আত্মজীৱনীও ৰচিছিল। অসমীয়া ভাষা বিষয়ক অসংখ্য তাৎপৰ্য্যপূৰ্ণ আলোচনাও তেওঁৰ কাপৰ পৰাই নিগৰি ওলাইছিল আৰু পেৰোদি প্ৰভৃতি কেৰিকেচাৰধৰ্মী অসংখ্য ৰচনাও তেওঁৱেই ৰচিছিল। এইজন বৈষ্ণৱ ধৰ্মৰ সুধীসমালোচক লক্ষ্মীনাথ গল্প-কবিতা-

নাট-উপন্যাস আদিৰ সৃষ্টিধৰ্মী মহৎ লেখকৰূপে প্ৰতিপন্ন হোৱাৰ উপৰিও তেওঁ শিশু-সাহিত্যিক আৰু 'জোনাকী' আৰু 'বাঁহী'ৰ কৃতী সম্পাদকো আছিল। এনে বিক্ষিপ্ততাৰ কাৰণেহে স্বৰূপতে লক্ষ্মীনাথে আমালৈ কালজয়ী আৰু সাৰ্ব-জনীন সাহিত্য লেখত বহুতো এৰি থৈ যাব নোৱাৰিলে। কিন্তু সেইসময়ৰ অসমীয়া ভাষাৰ দৈন্য আঁতৰালে। কেৱল অসমৰ স্কুল-কলেজতেই যে অসমীয়া প্ৰতিষ্ঠিত হ'ল তেনে নহয়, কলিকতা বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ মহলাতো অসমীয়া সাহিত্য পঠনৰ সুবিধা গঢ়ি উঠিল। অ. ভা. উ. সা. সভা আৰু 'জোনাকী'ৰ কৰ্ণধাৰসকলৰ কল্পনা বাস্তৱত ৰূপায়িত হ'ল। লক্ষ্মীনাথহঁতৰ জীৱনো লগে লগে কৃতকৃত্য হৈ উঠিল।

লক্ষ্মীনাথৰ দ্বাৰা ৰচিত (ক) ধেমেলীয়া নাট, (খ) উপন্যাস, (গ) গল্প, (ঘ) কবিতা, (ঙ) হাস্যৰসাত্মক ৰচনা, (চ) কাটুনচিত্ৰ, (ছ) শিশু-সাহিত্য (জ) গধুৰ নাটক, (ঝ) চৰিত পুথি, (ঞ) সমালোচনা সাহিত্য আৰু (ট) তেওঁৰ ৰচনা শৈলী আদি ফঁহিয়াই আলোচনা কৰিলে তেওঁৰ বিপুল সাহিত্যিক প্ৰতিভা উপলব্ধি কৰিবলৈ সহজ হয়।

লক্ষ্মীনাথৰ ধেমেলীয়া নাট

লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্যিক জীৱনৰ পাতনি মেলে ধেমেলীয়া নাট 'লিতিকাই'ৰে প্ৰথম বছৰ প্ৰথম সংখ্যা 'জোনাকী'ৰ পাতত। তাৰ পিছত তেওঁ 'নোমল', 'পাঁচনি', আৰু 'চিকৰ্ পতি নিকৰ্ পতি' ৰচনা কৰে। পুৰণি 'বাঁহী'ৰ বুকুৰ পৰা উদ্ধাৰ কৰি বৰ্ত্তমান পাথৰ আকাৰত প্ৰকাশিত 'গদাধৰ ৰজা' আধুনিক একাংকিকাৰ সদৃশ হলেও যথাৰ্থতে এইখনকো ধেমেলীয়া নাট বুলি অভিহিত কৰা উচিত হব। গতিকে লক্ষ্মীনাথৰ দ্বাৰা ৰচিত ধেমেলীয়া নাট মুঠতে পাঁচখন।

ভাৰতীয় নাট্য-সাহিত্যৰ বুৰঞ্জী অতি প্ৰাচীন আৰু নাট্যকাৰ ভৱভূতিত বাহিৰে অন্যান্য প্ৰায় সকলোৱিলাকেই বিদূষক চৰিত্ৰৰ সহায়ত ধেমেলীয়া পৰিবেশ সৃষ্টি কৰি হাস্যৰসৰ অৱতাৰণা কৰিছে। হাস্যৰস সংস্কৃত নাটকৰ এটি অভিন্ন উপাদানৰ দৰে। তদুপৰি 'প্ৰহসন' সংস্কৃত দশৰূপকৰ ভিতৰত এবিধ ৰূপক। লক্ষ্মীনাথৰ ধেমেলীয়া নাটৰ লগত সংস্কৃত প্ৰহসনৰ সাদৃশ্য মন কৰিবলগীয়া।

লক্ষ্মীনাথৰ ধেমেলীয়া-নাট পাশ্চাত্য প্ৰভাৱপুষ্টও। গ্ৰীক্‌নাট্যকাৰ এৰিষ্টোফেনিচে (খৃঃ পূঃ ৪৪৮—খৃঃ পূঃ ৩৮০) সম্ভৱতঃ সৰ্বপ্ৰথম বেজবৰুৱাৰ লেখীয়া ধেমেলীয়া নাট ৰচনা কাৰ্য্যত প্ৰবৃত্ত হয়। এওঁৰ পিছত লেটিন লেখক প্লোটাচে (খৃঃ পূঃ ২৫৬—খৃঃ পূঃ ১৮৪) ও বেজবৰুৱাৰ প্ৰকৃতিৰ ধেমেলীয়া নাট ৰচনা কৰে (১৪)। এওঁলোক দুয়োজনেই যথাক্ৰমে অধঃপতিত গ্ৰীচ আৰু ৰোমৰ কাহিনীৰ ওপৰত অৱলম্বন কৰি ব্যঙ্গ-বিদ্ৰূপ আৰু বক্ৰোক্তিপূৰ্ণ ভালেমান নাটক ৰচনা কৰিছিল, যাক ইংৰাজীত বোলা হয় ফাৰ্চ। সাধাৰণতে ফাৰ্চ বা প্ৰহসনত কোনো সুসংগঠ কাহিনী নাথাকে আৰু চৰিত্ৰ অংকনৰ প্ৰতিও সমূলি গুৰুত্ব

---

(১৪) World Drama : A. Nicoll, ৯০—১০৬ পৃঃ আৰু ১১৮—১২৪ পৃষ্ঠা।

দিয়া নহয়। হাঁহি-কৌতুক, ব্যঙ্গ-বিদ্রূপ এনে ধেমেলীয়া নাটৰ প্ৰাণ'। ইউৰোপৰ নবজাগৰণৰ দিনলৈকেয়ে প্ৰায় এনে প্ৰকৃতিৰ প্ৰহসনৰ প্ৰচলন আৰু ৰচনাও নিৰৱচ্ছিন্ন ভাবে হৈ আছিল। কিন্তু নবজাগৰণৰ সময়ত আৰু তাৰ পিছত সৃষ্টি প্ৰহসনবোৰ ৰূপান্তৰিত হ'ল সাধাৰণ 'কমেডি' বা মিলনান্ত নাটক ৰূপেহে। এই ক্ষেত্ৰত পাশ্চাত্য জগতৰ সৰ্বশ্ৰেষ্ঠ নাট্যকাৰ শেক্সপিয়েৰৰ 'টু জেণ্ট্ল্মেন অব ভেৰোণা' বা 'কমেডি অব্ এৰৰ্চ' লৈয়ে আঙুলিয়াব পাৰি। শেক্সপিয়েৰৰ এনে ধৰণৰ নাটবোৰৰ মুখ্য উপাদান হাস্যৰস যদিও, এই শ্ৰেণীৰ নাট এৰিষ্টোফেনিচ বা প্লোটাচৰ প্ৰহসনৰ সদৃশ অৰ্থহীন নহয়; এই নাটবোৰ 'কমেডি'ৰ সদৃশ তাৎপৰ্য্যপূৰ্ণ, সুন্দৰ আৰু গুৰুত্বপূৰ্ণও। এই শ্ৰেণীৰ নাটকক ইংৰাজীত 'ফাৰ্চিয়ান কমেডি' বুলি অভিহিত কৰিব পাৰি। নবজাগৰণৰ সময়ৰ পৰা পাশ্চাত্য জগতত সৃষ্টি হোৱা প্ৰায় আটাইবোৰ ধেমেলীয়া নাটকেই এই 'ফাৰ্চিয়ান কমেডি' শ্ৰেণীভুক্ত হব।

সংস্কৃত সাহিত্যৰ প্ৰহসন সমূহো যথাৰ্থতে পাশ্চাত্যৰ 'ফাৰ্চিয়ান কমেডি'ৰ সদৃশ ৰূপ আৰু গুণযুক্ত। অৰ্থহীন কেৱল হাঁহি-কৌতুকপূৰ্ণ নাটক বা ৰূপক সংস্কৃত সাহিত্যত নাই।

লক্ষ্মীনাথ বেজবৰুৱাৰ ধেমেলীয়া নাটকেইখন যথাৰ্থতে পাশ্চাত্য-সাহিত্য পঠনৰ ফল বুলিয়েই কব পাৰি। তেওঁৰ পূৰ্ববৰ্ত্তী অসমীয়া নাট্যকাৰ হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ-কীৰ্ত্তন'ৰ লগতো এই ধেমেলীয়া নাটকেইখনৰ বিশেষ কোনো সম্পৰ্ক নাই। সম্পৰ্ক বা সাদৃশ্য আছে এৰিষ্টোফেনিচ, প্লোটাচ আদি কৰি গ্ৰীক আৰু লেটিন নাট্যকাৰসকলৰ ধেমেলীয়া নাটকৰ লগতহে। বুৰবুৰণিত সন্নিবিষ্ট 'নবেল প্ৰাইজ' শীৰ্ষক ৰচনাখনত বেজবৰুৱাই নিজে উল্লেখ কৰিছে—"এই পৃথিবীত মাত্ৰ তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰণি-কলীয়া গ্ৰীচ দেশৰ, নাম এৰিষ্টফেনিচ, দ্বিতীয়জন আছিল স্পেইনত, নাম চাৰভেণ্টিচ আৰু তৃতীয়জন বুলদেশত, নাম ছুইফ্ট্।" ইয়ে আমাক বেজবৰুৱা এওঁলোকৰ সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল বুলি ভাবিবলৈ বাধ্য কৰায়। অৱশ্যে তেওঁৰ ধেমেলীয়া নাট্যাৱলী বা অন্যান্য হাস্যৰসাত্মক ৰচনাৱলীও অনুকৰণপ্ৰসূত আছিল যদিও বেজবৰুৱা হাস্যৰসিকজনৰ ব্যক্তিগত প্ৰতিভাৰ পোহৰেৰে সকলো ক্ষেত্ৰতে সমুজ্জ্বল কৰিও ৰাখিছে। বেজবৰুৱাৰ ধেমেলীয়া নাট্যাৱলী অনুধাৱন কৰিলে আমি আন এটা সত্যও উপলব্ধি কৰোঁ। সেয়ে হ'ল 'জোনাকী' যুগৰ ৰচনাতকৈ পিছৰ 'বাঁহী'ৰ পাতত প্ৰকাশিত 'গদাধৰ ৰজা' অধিক সুসংগত আৰু অধিক নাট্যগুণবিশিষ্ট। তেওঁৰ অন্যান্য ৰচনাৰ

দৰে ধেমেলীয়া নাটকতো ক্ৰমবিকাশ যে ঘটিছিল তাৰ স্পষ্ট নিদৰ্শন ইয়ে আমাক দিয়ে।

বেজবৰুৱাৰ প্ৰহসন বা ধেমেলীয়া নাট 'লিতিকাই', 'নোমল', 'পাঁচনি' আৰু 'চিকৰ্‌পতি নিকৰ্‌পতি'ৰ কাহিনীভাগ সাধুকথাৰ সদৃশ অবাস্তৱ, পঢ়িলে বুঢ়ী আইৰ মুখত শুনা সাধুকথা যেনেই লাগে। কিন্তু নাটকেইখনত যে বাস্তৱৰ চিত্ৰ বা চৰিত্ৰ ৰূপায়িত হোৱা নাই, সিও নহয়। 'লিতিকাই'ৰ সাতোজন ভাই-ককাই আৰু দেউৰাম বাপুৰ কাৰ্য্য আৰু কথা অবাস্তৱ; কিন্তু দেউৰাম বাপুৰ মাক 'সুভদ্ৰা'ৰ সৰলতা, পত্নী 'চণ্ডী'ৰ ৰূঢ়তা আৰু সাজতোলানীৰ চালাকি সম্পূৰ্ণ-ৰূপে বাস্তৱ। তেনেকৈ 'নোমল' নাটকত আঠীয়াবাৰীসত্ৰৰ দৃশ্যকেইটা পাঁচনি নাটখনত পাঁচনিৰ অতিথিসেৱা পৰায়ণতা আৰু 'চিকৰ্‌পতি নিকৰ্‌পতি' নাটৰ অফিচ আদালতৰ দৃশ্যকেইটা বাস্তৱতাপূৰ্ণ।

ডঃ বাণীকান্ত কাকতিৰ ভাষাত "জাগ্ৰত স্বদেশানুৰাগ, অপূৰ্ব্ব ৰচন পদ্ধতি আৰু প্ৰকৃত হাস্যৰস এই তিনিটা উপাদান লৈ বেজবৰুৱাৰ প্ৰতিভাই আধুনিক সাহিত্যৰ সকলো বিভাগতেই বিকাশ লাভ কৰিছে (১৫)।" যথাৰ্থতে ধেমেলীয়া নাটৰ ক্ষেত্ৰতো ডঃ কাকতিৰ এই উক্তি সমৰ্থনযোগ্য। কাৰণ তেওঁৰ অন্যান্য ৰচনাৰদৰে ধেমেলীয়া নাটকেইখনৰো লক্ষ্য আছিল—অসমীয়া সমাজৰ ভণ্ডামি, কুসংস্কাৰ, দৰ্প, অভিমান, অন্ধ অনুকৰণপ্ৰিয়তা, সোৰোপালি, পৰনিন্দা, কুৎসা-ৰটনা, আদি কৰি দুৰ্বল দিশবোৰ উদঙাই ধৰি তাৰদ্বাৰা সংস্কাৰ সাধন কৰা। আৰু আংশিক ভাবে হলেও সাহিত্যিক বেজবৰুৱা এই কাৰ্য্যত কৃতকাৰ্য্য হৈছে। ৰূপসজ্জাত এই আটাইকেইখনেই প্ৰাচীন গ্ৰীক বা লেটিন 'ফাৰ্চ'ৰ সদৃশ বিক্ষিপ্ত, ভাৱত সংস্কাৰমুখী আৰু প্ৰকাশত হাঁহি-কৌতুক, ব্যঙ্গ-বিদ্ৰূপৰ অতুল প্ৰভাৱ।

'লিতিকাই'ত সুভদ্ৰা, চণ্ডী আৰু সাজতোলানী চৰিত্ৰ বাস্তৱমুখী হলেও আৰু চণ্ডীৰ ৰূঢ়তাৰ মাজেদি বেজবৰুৱাৰ ব্যঙ্গাত্মক কৃপাৱৰী ৰূপটো প্ৰকট হৈ উঠিলেও নাটকৰ কাহিনীভাগ অবাস্তৱ আৰু অবিশ্বাস্য, সংযোজনাত কোনো সংযমৰ চিন নাই। কেৱল হাঁহি আৰু ঠায়ে ঠায়ে ব্যঙ্গৰ সহায়ত নাট্য-কাহিনীক পৰিণতিলৈ টানি নিয়া হৈছে। সেই কাৰণে পাঠক বা দৰ্শকৰ মনত ই প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে, প্ৰতীতিও নজন্মে; শুৱলা শব্দ আৰু যোজনা আদিৰ সহায়ত কেৱল হুহুৱাৰ পৰাটোতেই নাট্যকাৰৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰিছে।

---

(১৫) সবিতা-সভা প্ৰকাশিত 'বেজবৰুৱাৰ সাহিত্য-প্ৰতিভা' গ্ৰন্থৰ ডঃ কাকতি ৰচিত 'বেজবৰুৱা' প্ৰবন্ধৰ ৬ পৃষ্ঠা।

'নোমলও' সংস্কাৰকামী বেজবৰুৱা অধিক স্পষ্ট। আঠিয়াবাৰী সত্ৰৰ অধিকাৰ গোসাঁই, বাকমেধি, শিষ্য কৃষ্ণকমল, সাধুৰাম আদি চৰিত্ৰৰ কথা, কাৰ্য্য আৰু চিন্তাৰ মাজেদি এসময়ত অসমৰ সত্ৰীয়া জীৱন কেনে কুসংস্কাৰাচ্ছন্ন হৈ পৰিছিল তাৰ সাৰ্থক চিত্ৰ ৰূপায়িত হৈছে,—প্ৰকাশভঙ্গীও ব্যঙ্গাত্মক। নাহৰফুটুকা বুঢ়াৰ ওপৰত হোৱা সদাগৰ, চকলাগোসাঁই আৰু গোধা-গৰখীয়াৰ অত্যাচাৰৰ মাজেদি নিৰ্বিকিন বা দুৰ্বলীৰ ওপৰত ঘটি থকা সবলৰ অত্যাচাৰৰ ইঙ্গিত ব্যঞ্জিত হোৱা বুলি অনুমান কৰিব পাৰি। কিন্তু নাহৰফুটুকা বুঢ়া আৰু নিচলীক কেন্দ্ৰ কৰি গাঢ় উঠিব লগা কাহিনী পূৰ্ণ বিকশিতও ন'হল আৰু যথাৰ্থতে অবিশ্বাস্য হৈও ৰ'ল। নাহৰফুটুকা বুঢ়াৰ ওপৰত হোৱা অত্যাচাৰে হাঁহিৰ পৰিবৰ্তে পৰিবেশ করুণ কাৰণও নোতোলা নহয়।

'পাঁচনি'ৰ কাহিনীভাগো খেকোঠোৰা আৰু মেকুৰী-পোৱালীক আলহী খেদাৰ অবলম্বন হিচাবে গ্ৰহণ কৰাত অবাস্তব আৰু অবিশ্বাস্য হৈ পৰিছে। অৱশ্যে ধৰ্মাই পাঁচনিৰ অতিথিসেৱাপৰায়ণতা আদৰণীয় আৰু আদৰ্শস্থানীয়। কিন্তু ধৰ্মাই পাঁচনিৰ উদাৰতা আৰু মহত্বপূৰ্ণ অন্তৰৰ মহানুভৱতা পাঁচনিয়নীৰ সংকীৰ্ণতাই খৰ্ব কৰিলে। পাঁচনিয়নীৰ সংকীৰ্ণতা পৰিস্ফুট কৰি তুলিবলৈ আশ্ৰয় লোৱা হৈছে ব্যঙ্গৰ, খোৱাৰ সময়ত মেকুৰী-পোৱালীটোকেই সাক্ষাৎ দামোদৰ ৰূপী আলহীৰূপত উলিয়াই দি পাঁচনিয়নীৰ চৰিত্ৰ আৰু স্পষ্ট কৰি তোলা হৈছে আৰু মনৰ সংকীৰ্ণতাও সুস্পষ্ট হৈ উঠিছে। কাহিনীভাগ অবাস্তৱ আৰু অবিশ্বাস্য হৈ থাকিলেও ব্যঙ্গৰ সহায়ত সংস্কাৰৰ ভাৱ স্পষ্ট কৰি তুলিব পৰা হৈছে।

'চিকৰপতি-নিকৰপতি'ৰ কাহিনী ভাগো ৰূপকথাৰপৰা গৃহীত যেন লাগে। ইয়াতো কাহিনীভাগৰ কোনো সাৱলীলতা নাই, কেইবাটাও ছিন্ন-বিচ্ছিন্ন কাহিনী কেৱল একেডাল সূতাৰে সোলোক-ধোলোককৈ গাঁঠি থৈছে। কিন্তু ব্যঙ্গ-বিদ্ৰূপ ইয়াতো মূৰ্ত্ত হৈ উঠিছে। সঁচাক মিছা আৰু মিছাক সঁচা কৰিব পৰাটো ভাল উকীলৰ লক্ষণ বুলি আজিও আমাৰ ৰাইজৰ বিশ্বাস। লেখক বেজবৰুৱাই এই নাটখনত উকীল কেইজনৰ মাজেদি এই বিশ্বাসকে ৰূপায়িত কৰি দেখুৱাইছে। তেনেকৈ বেটেউ কণ্ডতনা, কালমণি কেওঁটনী, খুদ্মন, ৰঙাই আদিৰ সমাবেশেৰে ভিন ভিন দৃষ্টিসম্পন্ন চৰিত্ৰ চিত্ৰিত কৰা হৈছে। দুষ্ট বা অসৎ প্ৰবৃত্তিৰ লোকৰ সহায়ত যে আজিৰ দিনতহে এক শ্ৰেণীৰ ব্যক্তিয়ে অসাধ্য সাধন কৰে তেনে নহয়,—আগেও কৰিছিল আৰু বেজবৰুৱাৰ দিনতো কৰিছিল। চিকণপুৰৰ ৰজাই বৰচোৰ চিকৰপতিৰ সহায়ত জীয়েকৰ কাৰণে

ডিঙানগৰৰ ৰাজকোঁৱৰক ধৰাই আনি বিয়া দিয়া কাৰ্য্যই ভাৱেই ইঙ্গিত দিয়ে। সেয়ে নহয়, বৰ্ত্তমানৰ দৰে আগৰ দিনতো স্বাৰ্থসিদ্ধিৰ কাৰণেই হওক বা জেদত জিকিবৰ কাৰণেই হওক, বৰ বৰ লোকসকলেও ৰাইজদ্ৰোহী দুষ্ট, ডকাইত আদিক দণ্ডৰপৰা উদ্ধাৰ কৰিবলৈ সচেষ্ট হয় আৰু হৈছিল। ইয়াত চিকণপুৰৰ ৰজাই চিকৰ্‌পতিৰ অংশ গ্ৰহণ কৰা কাৰ্য্যই এনে বিশ্বাসৰ উত্তম নিদৰ্শন। গঙ্গাৰাম উকীল আৰু সুকুলি গোহাঁই দুয়ো দুটা ভিন্ন শ্ৰেণীৰ বৰলোক। গঙ্গাৰাম উকীল বয়সীয়াল, কিন্তু বিদ্যা-বুদ্ধি কম; তথাপি নিজকে বৰলোক বুলি ভাবি আনৰ বিদ্যা-বুদ্ধি বা জ্ঞান গৰিমাকো স্বীকৃতি দিবলৈ টান পায়। যথাৰ্থতে তেওঁ পৰশ্ৰীকাতৰ লোকৰ প্ৰতিনিধি। সুকুলি গোহাঁই আঢ্যৱন্ত; তেওঁৰ যথেষ্ট ধন-সম্পত্তি আছে আৰু আছে সাতামপুৰুষীয়া গোহাঁই উপাধিটো। ধন আৰু বংশমৰ্য্যাদাকেই যথা সৰ্বস্ব বুলি বিবেচনা কৰা লোকৰ প্ৰতিনিধি এই সুকুলি গোহাঁই। তেওঁ তোষামোদপ্ৰিয়ও। 'চিকৰ্‌পতি-নিকৰ্‌পতি'ত এটা নিৰৱচ্ছিন্ন কাহিনী নাই যদিও ইয়াত বাস্তৱৰ ভালেমান সাৰ্থক ছবি আৰু চৰিত্ৰ ৰূপায়িত হৈছে।

'গদাধৰ ৰজা' উল্লেখিত আৰু ওপৰত আলোচিত নাট কেইখনতকৈ সুকীয়া। ই বুৰঞ্জীৰ পটভূমিত ৰচিত এখন হাস্যৰসাত্মক একাংকিকা—বেজবৰুৱাই ইয়াক 'চৰাঘৰীয় নাট' (A Drawing room play) নামেৰে অভিহিত কৰি থৈ গৈছে। ১৯১৮ চনৰ ৯ম বছৰৰ ৩য়—৪ৰ্থ সংখ্যা (আহাৰ—শাওণ) বাঁহীত ই প্ৰথম প্ৰকাশিত হৈছিল। এই এখানিমান একাংকিকা খনিত সাধাৰণ মানুহ গেন্ধেলা দাসক ভুলতে ৰজা গদাধৰ বুলি ধৰি লৈ ৰাই-ভনা কমলা আৰু বিমলাই যি পৰিবেশৰ সৃষ্টি কৰিলে, সি যথাৰ্থতে পাঠক বা দৰ্শক মাত্ৰৰে হাঁহিত পেটুনাৰী ছিঙিব। এই হাঁহি নিৰ্মল পৱিত্ৰ হাঁহি। ইয়াত ব্যঙ্গ-বিদ্ৰূপৰ স্থান নাই, আছে বিমলাৰ কথা আৰু কাৰ্য্যৰ মাজেদি সমাজ-সচেতনতাৰ ভাব। সংস্কৃত সাহিত্যৰ প্ৰহসনৰ লগতো এইখনক বিজাব পাৰি, ইউৰোপীয় নৱজাগৰণৰ সময়ৰপৰা ৰচিত 'ক্লাচিক্যাল কমেডি'ৰ লগতো ই তুলনীয়। ইয়াত লক্ষ্মীনাথৰ কুপ ৰৰী ৰূপেও ভুমুকি মাৰা নাই। ই সংযত আৰু সুপৰিকল্পিত।

'গদাধৰ ৰজা'তো এসময়ৰ অসমৰ দুৰৱস্থাৰ কথাই চিত্ৰিত হৈছে, বিশেষকৈ ল'ৰাৰজাৰ দিনৰ অসমৰ ৰাজনৈতিক দুৰৱস্থাৰ ইঙ্গিত আছে। ডঃ কাকতিৰ উক্তিৰ সত্যতাও ইয়াৰ মাজেদি উপলব্ধি কৰা যায়। তথাপি 'গদাধৰ ৰজা' আপোন সুৰীয়া,—অন্যান্য চাৰিও খনৰ সুৰৰ লগত এইখনৰ মিল নাই। ইয়াত হাঁহি আছে, কিন্তু ব্যঙ্গ-বিদ্ৰূপ নাই,—এইখন সুসংগঠ আৰু সুসংবত।

আন আটাইকেইখন ধেমেলীয়া নাটৰ মাজেদি বেজবৰুৱাই তেওঁৰ সময়ৰ দুৰ্নীতিগ্ৰস্ত পঙ্গু অসমীয়া সমাজ-জীৱনৰ ওপৰত বক্ৰভাবে দৃষ্টিপাত কৰিছে, লগে লগে তেনেবোৰৰ সংস্কাৰো কামনা কৰিছে। এই ধেমেলীয়া নাট বা প্ৰহসন কেইখনত সন্নিবিষ্ট কৰা ব্যঙ্গাত্মক ভাব আৰু দৃশ্যবোৰৰ সমাদৰো সদায় অটুট থাকিব। বহুবালি কৰি হুহুৱাব বিচৰা দৃশ্যবোৰৰ আদৰো হয়তো নকমিব, এইবোৰে অন্ততঃ পাঠক আৰু দৰ্শকৰ মুখত হাঁহি বিৰিঙাব।

সুভদ্ৰা, চণ্ডী, আঠীয়াবাৰীৰ সত্ৰাধিকাৰ গোসাই প্ৰভু, ৰাজমেধি, কৃষ্ণকমল, সাধুৰাম, গঙ্গাৰাম উকীল, সুতুলি গোহাঁই, চিকণপুৰৰ ৰজা আৰু ৰাজকোঁৱৰৰ লেখীয়া প্ৰবৃত্তিযুক্ত চৰিত্ৰ আজিৰ সমাজত সম্ভৱতঃ আগতকৈও বেছিহে ওলাব। চৰিত্ৰ চিত্ৰণৰ ফালৰ পৰাও প্ৰহসন কেইখনৰ চিৰন্তনীয় মূল্য বা মৰ্য্যাদা আশা কৰিব-পাৰি।

সাধাৰণতে ব্যঙ্গ আৰু কৌতুকপূৰ্ণ ৰচনাৰ প্ৰভাব আৰু সমাদৰ চিৰকাল সমানেই থাকে, এনে ৰচনা হয় কালজয়ী আৰু সাৰ্ব্বজনীন। বেজবৰুৱাৰ ৰচনাত কৌতুকৰ সৃষ্টি হোৱা নাই বুলিবই পাৰি, ব্যঙ্গ কিন্তু প্ৰকট। হাঁহি উঠাকৈ শব্দ বা যোজনা প্ৰয়োগ কৰি বা বহুৰ লি কৰি হাস্যৰসৰ অৱতাৰণা কৰা ৰচনাৰ স্থায়ী মৰ্য্যাদা আৰু সাৰ্বজনীনতা নাথাকিব পাৰে, কিন্তু প্ৰহসনবুলিলেই সাধাৰণতে সি কেৱল হাঁহি উঠা বা হুহুৱাবপৰা ধৰণৰ নাটককেই বুজায় (১৬)। সঙ্গতি বিহীনবিক্ষিপ্ত আৰু হাস্যোদ্দীপক হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপপূৰ্ণ নাট্য সাহিত্যই প্ৰহসন। এনেবোৰ ভাৱমূলক আলোচনাৰ পটভূমিত বেজবৰুৱাৰ প্ৰহসন কেইখনক নিম্নস্তৰৰ প্ৰহসন বোলাৰ কোনো যুক্তি নাই। সংস্কৃত সাহিত্যৰ 'কন্দৰ্পকেলি', 'ধূৰ্ত্তচৰিত', 'লটক মেলক' আদি কৰি প্ৰহসনসমূহ যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰহসন কেইখনৰ সদৃশ। গ্ৰীকনাট্যকাৰ এৰিষ্টোফেনিচ্, লেটিন নাট্যকাৰ প্লোটাচ্ আদিৰ প্ৰহসনৰ লগতো লক্ষ্মীনাথৰ প্ৰহসনৰ সাদৃশ্য পৰিলক্ষিত হয়। 'গদাধৰ ৰজা' এখানিমান হলেও মহাকবি শেক্সপিয়েৰ প্ৰভৃতিৰ প্ৰহসনৰ লগত ইয়াৰ সাদৃশ্য আছে।

সেই কাৰণে দুই এখন প্ৰহসন মঞ্চস্থ কৰাত আসোৱাহপূৰ্ণ বুলি কবলৈ যুক্তি থাকিলেও বিশ্বসাহিত্যৰ প্ৰহসনৰ জগতত লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰহসনবো এটা স্বকীয়া মূল্য চিৰকাল সমানে থাকিব। প্ৰহসন লক্ষ্মীনাথৰ আদি জীৱনৰ ৰচনা হলেও তেওঁ সম্পূৰ্ণ কৃতকাৰ্য্য হৈছে। লক্ষ্মীনাথৰ প্ৰহসন অসমীয়া সাহিত্যৰ গৌৰৱৰ কাৰণ। আজিও লক্ষ্মীনাথকেই অনুকৰণ কৰি বিভিন্ন জনে অসমীয়া সাহিত্যত প্ৰহসন ৰচনা কৰিয়েই আছে।

(১৬) সাহিত্য দৰ্পণ ; ৬।২৭৬—২৮০ ; **Farce :—Chambrs Encyclopaedia.**

ঔপন্যাসিক বেজবৰুৱা

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত উপন্যাস মাথোন এখন—'পদুম কুঁৱৰী'। ১৮৯১ চনত ৩য় বছৰৰ জোনাকীত সৰ্বপ্ৰথম ই ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। পিছত ১৯০৫ চনত পুথিৰ ৰূপত প্ৰকাশ পায়।

ই এখন বুৰঞ্জীৰ পটভূমিত ৰচিত উপন্যাস। অসম বুৰঞ্জী প্ৰসিদ্ধ 'দন্দুৱা' বা 'ডুন্দিয়া' দ্ৰোহ ইয়াৰ পটভূমি। দন্দুৱা দ্ৰোহৰ নেতা হৰদত্তৰ জীয়াৰী পদুম কুঁৱৰী আৰু তেওঁৰ প্ৰেমাস্পদ সূৰ্য্যকুমাৰৰ মাজত উদ্ভৱ হোৱা প্ৰেম-প্ৰণয়ক কেন্দ্ৰ কৰি উপন্যাসৰ কাহিনীয়ে পৰিণতি লাভ কৰা বুলিব পাৰি। যথাৰ্থতে হৰদত্ত-বীৰদত্তৰ নেতৃত্বত আহোম ৰাজশক্তিৰ বিৰুদ্ধে সংঘটিত হোৱা কামৰূপী প্ৰজাৰ বিদ্ৰোহ বা বিপ্লৱ (যাক দন্দুৱাদ্ৰোহ বোলা হয়) এই উপন্যাসৰ প্ৰধান উপজীৱ্য নহয়, ই পটভূমিহে। কিন্তু উপন্যাসৰ কাহিনী বিন্যাসত প্ৰেমাখ্যানতকৈ বুৰঞ্জী সম্মত দ্ৰোহেহে প্ৰাধান্য লাভ কৰিছে। পদুম কুঁৱৰী—সূৰ্য্যকুমাৰ আৰু ফুলক কেন্দ্ৰ কৰি গঢ়ি তোলা প্ৰেমাখ্যানটো বুৰঞ্জীমূলক নহয়,—কাল্পনিকহে। উপন্যাসত এই প্ৰেমাখ্যানটোৱে প্ৰাধান্যও লাভ কৰা নাই। সেই কাৰণে পদুম কুঁৱৰীক বুৰঞ্জীমূলক উপন্যাস বুলিব নোৱাৰি, ই বুৰঞ্জীৰ পটভূমিত ৰচিত এখনি কাল্পনিক উপন্যাসহে।

'পদুম কুঁৱৰী'ৰ কাহিনীভাগ খুব দুৰ্বল—আচৰিত আৰু আকস্মিক ঘটনা প্ৰবাহে উপন্যাসখন ৰোমাঞ্চধৰ্মী কৰি তুলিছে। সময়ে সময়ে চৰিত্ৰবিলাকৰ কাৰ্য্য আৰু কথা অবিশ্বাস্য ৰূপেও প্ৰতীয়মান হয়। প্ৰেম মানৱ জীৱনৰ এটি পবিত্ৰ সম্পদ, ই সুবিশাল আৰু সুমহান। ইন্দ্ৰিয়গ্ৰাহ্য দৈহিক বা জৈৱীক আকৰ্ষণ প্ৰেম নহয়। ফুলৰ চিন্তা আৰু কাৰ্য্যৰ মাজেদি ঔপন্যাসিক বেজবৰুৱাই শুদ্ধ আৰু পবিত্ৰ প্ৰেমৰ নিদৰ্শন তুলি ধৰিবলৈ সমৰ্থ হৈছে হয়, কিন্তু পদুম কুঁৱৰী আৰু সূৰ্য্যকুমাৰৰ প্ৰণয়ক জৈৱীক ক্ষুধাৰ ৰূপান্তৰ বুলি অভিহিত নকৰিলেও, এই প্ৰেম আদৰ্শস্থানীয় নহয়। দৈহিক মিলনকেই প্ৰেমৰ চৰম

পৰিণতি বুলি ভাবিব নোৱাৰি। ডাণ্টে-বিয়েট্ৰিছৰ দৈহিক মিলন হোৱা নাছিল, হয়তো তেওঁলোকৰ অন্তৰত তেনে ভাবে দেখা দিয়াও নাছিল। কিন্তু বিয়েট্ৰিছৰ প্ৰতি ডাণ্টেৰ প্ৰেম চিৰ অক্ষুণ্ণ আৰু চিৰ অটুট হৈয়ে ৰ'ল। ডাণ্টেৰ চিত্তত বিয়েট্ৰিছৰ প্ৰতি উদ্ভৱ হোৱা প্ৰেমেই জগৎ বিখ্যাত প্ৰেম-কাব্য 'ডিভাইন কমেডি'ৰ উৎস। বেজবৰুৱাৰ উপন্যাসৰ নায়ক-নায়িকা সূৰ্য্য আৰু পদুম ইয়াত বাস্তৱজ্ঞান বিবৰ্জিত কল্পনা ৰাজ্যত উটি-বুৰি ফুৰা অতিশয় আলসুৱা কল্পনাপ্ৰৱণ আৰু কল্পনা-বিলাসী এহাল ডেকা-গাভৰু মাত্ৰ, এই ডেকা-গাভৰু হালৰ মানত দৈহিক মিলনেই প্ৰেমৰ চৰম-পৰিণতি ৰূপে প্ৰতীয়মান; এনে ধৰণৰ উৎকট প্ৰেমেই তেওঁলোকৰ জীৱনৰ যথাসৰ্বস্বও। ঔপন্যাসিক বেজবৰুৱাই সম্ভৱতঃ শেক্সপিয়েৰৰ 'ৰোমিঅ' জুলিয়েট' নাটৰ ৰোমাঞ্চকৰ প্ৰেমৰ কাহিনী মানস চকুৰ আগত জিলিকাই ৰাখি এই প্ৰেমাখ্যান ৰূপায়িত কৰি তুলিছিল। আৰু সেই কাৰণে পদুম আৰু সূৰ্য্যৰ প্ৰেমো কেৱল ৰোমাঞ্চকৰ হৈয়ে থাকিল। এওঁলোকৰ প্ৰেমৰ পৰিণতিও শোকাবহ। কিন্তু পাঠক-পাঠিকাৰ সহানুভূতি আকৰ্ষণ কৰিব পাৰে বুলি বিশ্বাস কৰা টান।

ঔপন্যাসিক বেজবৰুৱাই নায়ক সূৰ্য্যকুমাৰক বীৰপুৰুষ বুলি একাধিকবাৰ কৈছে। কিন্তু সূৰ্য্যকুমাৰে কোনো ক্ষেত্ৰতেই বীৰত্বৰ পৰিচয় দিয়া নাই। কেৱল মৃত্যুৰ আগে আগে কুমেদান বড়ালক তৰোৱালেৰে হানি বধ কৰাত অলপ সাহসিকতাৰ পৰিচয় দিয়া যেন অনুভৱ হয়। কিন্তু ই যেন কেৱল মৃত্যুৰ সময়ৰ ধনঞ্জয় বৰুৱৰ চোপহে। সূৰ্য্যকুমাৰৰ সকলো কাম-কাজ অবাস্তৱ ৰূপে প্ৰতীয়মান হৈছে। তেওঁ এজন সাহী বীৰ যুৱক। তেওঁৰ পিতৃস্বৰূপ হৰদত্তই অত্যাচাৰী আহোম-বৰফুকনৰ শাসন ওফৰাই পেলাই স্বাধীন ভাবে কামৰূপ শাসন কৰিবলৈ আৰু বিশেষকৈ কামৰূপীয়া প্ৰজাক আহোমৰ অত্যাচাৰৰ পৰা পৰিত্ৰাণ কৰিবলৈ ব্যাপক আয়োজন চলাইছে। অথচ সূৰ্য্যকুমাৰে তাৰ ভুকে নাপায়। ই তেনেই অবাস্তৱ আৰু অবিশ্বাস্য কথা। সূৰ্য্যকুমাৰ বীৰ নহৈ এজন সাধাৰণ অকৰ বা ডজলা হলেও নিশ্চয়কৈ বিদ্ৰোহৰ এনে আয়োজনৰ ভূ পালেহেঁতেন। ঔপন্যাসিকৰ বৰ্ণনাৰ এইজন বীৰপুৰুষ সূৰ্য্যকুমাৰক হৰদত্তই ঘৰৰ পৰা উলিয়াই দিলত তেওঁ গৈ আশ্ৰয় প্ৰাৰ্থনা কৰিলে হৰদত্তৰ প্ৰাণৰ বৈৰী গুৱাহাটীৰ বৰফুকন কলীয়া ভোমোৰাৰ ওচৰত। আৰু বৰফুকনেও হৰদত্তক নাশ কৰিবলৈ "সূৰ্য্যাস্ত্ৰ" লাভ কৰা বুলি বিবেচনা কৰি সূৰ্য্যক আশ্ৰয় দিলে। সেয়ে নহয়, তেওঁৰ একমাত্ৰ সন্তান গাভৰু জীয়েক ফুলৰ লগত চিনাকি কৰি দি কলে—"আইদেউ, তই বং-ধেমালী কৰিবলৈ

এইটি তোৰ লগৰীয়া ল'ৰা আনি দিলোঁ। তই ইয়াক মৰম কৰিবি, আৰু ভাল বস্তু খাবলৈ-লবলৈ দিবি।" এইখিনি কথা আৰু কাৰ্য্য সম্পূৰ্ণ ৰূপে অবাস্তৱ আৰু অবিশ্বাস্য। সূৰ্য্যই বৰফুকনৰ ওচৰত আশ্ৰয় বিচৰা, বৰফুকনে আশ্ৰয় দিয়া আৰু বিশেষকৈ অজ্ঞাত কুলশীল যুৱক এজনক গাভৰু জীয়েকৰ খেলৰ লগৰী কৰি দিয়া কথা আৰু কাৰ্য্য কোনেও বিশ্বাস নকৰে, তেনেই স্বাভাৱিক। এনে অবাস্তৱ আৰু অবিশ্বাস্য কথা আৰু কাৰ্য্যই উপন্যাসখনৰ সৌন্দৰ্য্য, আকৰ্ষণ আৰু মহত্ব খৰ্ব কৰিছে।

মাক-মাউৰা ল'ৰা সূৰ্য্যক আশৈশৱাৎ তুলি-তালি ডাঙৰ দীঘল কৰিলে হৰদত্ত আৰু তেওঁৰ পত্নীয়ে। কিন্তু ৰাজনৈতিক স্বাৰ্থৰ ব্যাঘাত ঘটিব বুলি সন্দেহ কৰি সূৰ্য্যক হৰদত্তই ঘৰৰ পৰা উলিয়াই দিয়ে। এই কাৰণেই যদি তেওঁ গৈ বৰফুকনৰ আশ্ৰয় বিচাৰিব লগাত পৰিল, তেনেহলে তেওঁৰ বীৰত্ব বা ব্যক্তিত্ব কিয়,—মনুষ্যত্বই দেখোন ৰক্ষা নপৰিল! অনহাতে বৰফুকনেও হৰদত্তক নিধন কৰাত 'সূৰ্য্যাস্ত্ৰক' প্ৰয়োগ কৰা দেখা নগ'ল। তেওঁ পূৰ্ব্বৰ দৰে চোৰাংচোৱাৰ সহায়তেই হৰদত্ত নিধন কাৰ্য্যত অগ্ৰসৰ হৈ থাকিল। ঔপন্যাসিকে বৰফুকনৰ দ্বাৰা সূৰ্য্যকুমাৰক আশ্ৰয় দিয়াই বৰফুকনৰো ৰাজনৈতিক বিচক্ষণতাৰ অভাৱ হে প্ৰমাণ কৰিলে মাত্ৰ

পদুম আৰু সূৰ্য্যকুমাৰ উপন্যাসখনত সম্পূৰ্ণ নিষ্প্ৰয় ভাবে ৰূপ স্থিত হৈছে। তেওঁলোকৰ প্ৰেম-প্ৰীতিও কেৱল ভাৱৰ সামগ্ৰী ৰূপেহে পৰিস্ফুট হৈছে। হৰদত্তৰ ঘৰৰপৰা ওলাই যোৱা নিশা পদুম আৰু সূৰ্য্যৰ কথোপকথন নিশ্চয় তাৎপৰ্য্যপূৰ্ণ। সূৰ্য্যই "পদুম, মই যদিও তোমাক এৰি যাবই লাগিব, তথাপি মোৰ এই শৰীৰ থাকে মানে মোৰ হৃদয় খাটোলাত তুমিয়েই দেৱী।" আৰু পদুমে—"প্ৰাণনাথ, পদুমে সূৰ্য্যৰ বাহিৰে কাকো নেজানে। সূৰ্য্যই পদুমক এৰিলে পদুমে কি লৈ জীয়াই থাকিব?"—উক্তিৰ মৰ্য্যাদা শেষলৈ ৰক্ষা কৰিলে সঁচা, কিন্তু ৰঘু, হৰদত্ত আৰু বীৰদত্তৰ আকস্মিক আৰু শোকাবহ মৃত্যুৰ পিছত যেতিয়া এই প্ৰণয়-প্ৰণয়ী যুগলে দুয়োকে-দুয়ো একান্ত ভাবে পোৱাৰ সুবিধা পাইছিল, তেতিয়া তেনেদৰে পৰিণতি ঘটোৱাৰ আৱশ্যকতা সন্দিহান হৈ পৰা স্বাভাৱিক। এই পৰিণতিত যে ঔপন্যাসিক বেজবৰুৱাৰ প্ৰতিভাৰ প্ৰভাৱতকৈও শেক্সপিয়েৰৰ 'ৰোমিঅ' জুলিয়েটৰ' প্ৰভাৱহে বেচি, তাকো পাঠক-পাঠিকাই উপলব্ধি কৰিবলৈ টান নাপায়।

সূৰ্য্য আৰু ফুলৰ সম্পৰ্ক আদিৰ পৰা অন্তলৈ অবাস্তৱ আৰু অবিশ্বাস্য। গাভৰু ছোৱালী ফুল ৰূপহ যুৱক সূৰ্য্যকুমাৰৰ প্ৰতি আকৃষ্ট হোৱা আৰু তাৰ

মন যোগাবলৈ আপ্ৰাণ চেষ্টা কৰা কাৰ্য্য কিন্তু বিশ্বাস্য। ফুলৰ নিস্বাৰ্থ বা অহৈতুকী প্ৰেমো বিশ্বাসযোগ্য। কিন্তু ফুলৰ লগত সূৰ্য্যক যি ভাবে লগ লগাই দিয়া হ'ল, হৰদত্ত-বীৰদত্ত অন্বেষণ অভিযানত বৰফুকনৰ লগত সূৰ্য্য আৰু বিশেষকৈ ফুলৰো সহগমন, আৰু শেষত সূৰ্য্য আৰু পদুমৰ মৃতদেহ হাতীৰে গুৱাহাটীলৈ আনয়ন আৰু মাটিৰ তলত প্ৰেমিক-প্ৰেমিকাহালৰ মৃতদেহৰ সহায়ত শ-সাধন কৰাৰ ছলেৰে ফুলে মৃত্যুবৰণ কৰা আ'দি কাৰ্য্য তেনেই অস্বাভাৱিক আৰু অবিশ্বাস্য। ঔপন্যাসিক বেজবৰুৱাই ফুলৰ অহৈতুকী পবিত্ৰ প্ৰেমৰ নিদৰ্শন আন উপায়েৰেও পৰিস্ফুট কৰি তুলিব পাৰিলেহেঁতেন। উপন্যাসৰ নায়ক-নায়িকা আৰু প্ৰতিনায়িকাৰ যৌৱনোন্মাদনাৰ দৰে ঔপন্যাসিকৰো চিত্তত যৌৱনোন্মাদনা থকা হেতুকেহে সম্ভৱতঃ এনে ধৰণৰ ৰোমাঞ্চকৰ অতি বাস্তৱ কথা ইয়াত ৰূপায়িত হ'ল।

অবাস্তৱ আৰু অবিশ্বাস্য ঘটনা আৰু পৰিবেশ ৰূপায়ন কৰা হেতুকে উপন্যাসখনে পাঠক-চিত্ত কৌতূহলী আৰু ৰসোদ্দীপ্ত কৰিব নোৱাৰিলেও কিন্তু ফুলৰ প্ৰেমৰ মহত্ব আৰু গভীৰতাৰ পক্ষ বিৰণ সাধিব পাৰিছে। ফুলে দৈহিক মিলন বা জৈৱীক সুখকেই যথাসৰ্ব্বস্ব বুলি মানি লোৱা নাই। বৰং সূৰ্য্য আন কেনোৰো প্ৰতি আকৰ্ষিত বুলি উপলব্ধি কৰাৰ পিছতো প্ৰেমাস্পদ সূৰ্য্যৰ মঙ্গল আৰু শান্তি হে কামনা কৰিছে। ফুলৰ মানত প্ৰেমাস্পদ সূৰ্য্যৰ সুখ শান্তিয়েই তেওঁৰ নিজৰো সুখ শান্তি —সূৰ্য্যৰ সুখৰ কাৰণে প্ৰাণ ত্যাগ দিবলৈও ফুল তৎপৰা। প্ৰেমাস্পদ সূৰ্য্যক সকলো সময়তে শঙ্কিত ৰখিবলৈ চেষ্টা কৰা যেন ফুলৰ জীৱনৰ সাধনা। অ কৰ সেয়ে সূৰ্য্যকুমাৰৰ জীৱন-সঙ্কট নিবাপিত হৈ যোৱাৰ পিছত ফুলে আৰু জীয়াই থকাৰ সাৰ্থকতা উপলব্ধি নকৰিলে। কিন্তু ঔপন্যাসিকে যি ভাবে ফুলৰ জীৱন নাটৰ যৱনিকা ঘটালে, সি ফুলৰ মহত্ব আৰু সংযমত চেকা সানিলে, পদ্ধতিটোও হ'ল সম্পূৰ্ণকৈ অবিশ্বাস্য আৰু অবাস্তৱ।

মুঠতে, পদুম, সূৰ্য্য আৰু ফুলক কেন্দ্ৰ কৰি গঢ়ি তোলা পবিত্ৰ প্ৰেমৰ এই ত্ৰিপক্ষীয় আখ্যানটো ৰূপায়িত কৰাত ঔপন্যাসিকে সংযত সাহিত্যিকৰ পৰিচয় সমূলি দিব নোৱাৰিলে।

ঐতিহাসিক দন্দুৱা-দ্ৰোহ আৰু এই দ্ৰোহৰ নেতা হৰদত্ত-বীৰদত্তক চিত্ৰিত কৰাতো ঔপন্যাসিক নিপুণতাৰ চিনাকি দিব নোৱাৰিলে। কাল্পনিক প্ৰেমাখ্যান আৰু চৰিত্ৰ কেইটি চিত্ৰণত প্ৰকাশ পোৱা অপৈণত হাতৰ চাপ, ঐতিহাসিক কাহিনী আৰু চৰিত্ৰ চিত্ৰণতো পূৰ্ণৰূপে বিদ্যমান। "নামে কামে বীৰ" ভায়েক বীৰদত্তৰ সৈতে লগলাগি "স্বদেশীয় সকলক আহোমৰ বিপক্ষে উত্তেজিত কৰি

'কাৰ্য্যং বা সাধয়েৎ শৰীৰং বা পাতয়েৎ' মহামন্ত্ৰেৰে জাতি-ভাইকসকলক আহোমৰ বিৰুদ্ধে উত্তেজিত কৰি তোলা "সৎস্বভাৱৰ আৰু স্বদেশহিতৈষী লোক" হৰদত্তই চৰৰ মুখে "কলীয়াভোমোৰা বৰফুকনে তেওঁক আৰু তেওঁৰ লগৰীয়া বিদ্ৰোহী-সকলক ধৰিবলৈ স্বয়ং সৈন্য লৈ আহিব লাগিছে" বুলি শুনাত হৰদত্ত ব্যতিব্যস্ত হৈ পৰি "তৎক্ষণাৎ তেওঁৰ ঘৈণীয়েক, জীয়েক, পুতেক আৰু মন্ত্ৰীসকলক লৈ ভোটানৰ ফালে" পলোৱা কথাও অৱান্তৰ আৰু অবিশ্বাস্য। অথচ সেই সময়ত পদুম কুঁৱৰীক লাভ কৰাৰ আশাত সৈন্য-সামন্তৰে সৈতে সুসজ্জিত হৈ আছি কোচৰাজকুমাৰো হৰদত্তইঁতৰ লগতেই অৱস্থান কৰিছিলহি। আৰু হৰদত্তইঁত পলোৱাৰ ক্ষন্তেক আগতে বীৰদত্ত আৰু ৰঘুই অলপো পলম নকৰি বৰফুকনক আক্ৰমণ কৰিবলৈ আদেশ দিয়াৰ কাৰণে হৰদত্তক টানি ধৰিছিল আৰু হৰদত্তইও "বীৰ (বীৰদত্ত), এতিয়াই তুমি সেনাপতিক যুদ্ধৰ সকলো আয়োজন কৰিবলৈ কৈ দিয়া; কাইলৈ ৰাতি দুপৰত বৰফুকনক ঘৰবেৰা দি ধৰি বন্দী কৰি আনিব লাগিব।"—বুলি আদেশো দিছিল। এনে পৰিস্থিতিত বৰফুকন আহিব ধৰিছে বুলি শুনাৰ লগে লগে সকলো জল্পনা-কল্পনা পৰিহাৰ কৰি আত্মৰক্ষাৰ কাৰণে ভোটৰ পাহাৰৰ ফালে হৰদত্তইঁত পলোৱা কাৰ্য্য কেৱল অৱান্তৰ বা অবিশ্বাস্যই নহয়, ই হৰদত্তইঁতকো কেৱল বাক্‌বীৰ ৰূপেহে পাঠক পাঠিকাৰ মানত প্ৰতীয়মান কৰি তোলে। অৱশেষে ভোটৰ পাহাৰৰ গহ্বৰত লুকাই থকা অৱস্থাত বীৰদত্ত প্ৰমুখ্যে পাত্ৰ-মন্ত্ৰীসকলেও পঞ্জাৱ কেশৰী ৰণজিৎসিংহৰ আশ্ৰয় লৈ আহোম-বৰফুকনৰ বিৰুদ্ধে অভিযান সফল কৰি তোলাৰ প্ৰস্তাৱ দিয়াত হৰদত্তই—"......স্বৰ্গাদপি গৰীয়সী জন্মভূমি যে তেওঁ বিশ্বাসঘাতক হৈ এজন বিদেশী ৰজাৰ ওচৰত সমৰ্পণ কৰিব এনে কথা তেওঁ মনতো ঠাই দিব নোৱাৰে।......হৰদত্তই মাতৃভূমি দুৰাত্মা আহোমইঁতৰ হাতৰ পৰা উদ্ধাৰ কৰিব নোৱাৰি আত্মহত্যা কৰিব, তথাপি তেওঁক এনে কাৰ্য্য কৰিবলৈ তোমালোকে নকবা।"—কথাই হৰদত্তৰ গভীৰ স্বদেশ-প্ৰীতিৰ সাক্ষ্য নিদিয়া নহয়। কিন্তু এইজন হৰদত্তই শেষলৈ পলাই থকা অৱস্থাত মাতৃভূমি উদ্ধাৰৰ কাৰণে সফল প্ৰচেষ্টা বা উপায় চিন্তাৰ নিদৰ্শন হলে দেখা নগ'ল। এইবোৰেও হৰদত্তৰ বীৰত্বৰ সাক্ষ্য নিদিয়ে।

ভোটৰ পাহাৰৰ কোনো এক নিভৃত গহ্বৰত হৰদত্ত-বীৰদত্ত পুত্ৰ-পৰিবাৰ আৰু পাত্ৰ-মন্ত্ৰীৰে পৰিবেষ্টিত হৈ লুকাই থকা সময়ত বৰফুকনে চোৰাংচোৱাৰ হতুৱাই হৰদত্তইঁতৰ সূংসূত্ৰ বিচৰালে। হৰিণ চিকাৰৰ সময়ত ৰঘুক পোৱাত চোৰাংচোৱাইঁত কৃতকাৰ্য্যও হ'ল। আৰু কূটনৈতিকৰ চালাকিৰে ৰঘুৰ সহায়ত

হৰদত্ত-বীৰদত্তহঁতক বিচাৰি উলিয়াই নিধনো কৰিলে। এইখিনিৰ কথা আৰু কাৰ্য্য স্বাভাৱিক, এই প্ৰসঙ্গত ঔপন্যাসিক বেজবৰুৱা কৃতকাৰ্য্য হৈছে। কিন্তু গাভৰু জীয়েক ফুলক এই গুপ্ত অভিযানত বৰফুকনে লগত লৈ যোৱাত আৰু শেষত ফুলৰ অনুৰোধত পদুম আৰু সূৰ্য্যকুমাৰৰ মৃতদেহ হাতীৰ পিঠিত গুৱাহাটীলৈ নিয়াই মৈদাম দিওৱা কাৰ্য্য সম্পূৰ্ণৰূপে অস্বাভাৱিক আৰু বিশ্বাসৰ অযোগ্য। কলীয়াভোমোৰা বৰফুকনকো সকলো সময়তে বিচক্ষণ ৰাজনীতিজ্ঞ ৰূপে তুলি ধৰিব পৰা হোৱা নাই। কেৱল ৰঘুৰ সহায়ত হৰদত্তহঁতক নিধন কৰিবলৈ সমৰ্থ হোৱাতেই গুৱাহাটীৰ শাসনকৰ্ত্তা বৰফুকন কলীয়াভোমোৰাৰ কূটনৈতিকতাৰ পৰিচয় পোৱা গৈছে। সূৰ্য্যক আশ্ৰয় দিয়া, সূৰ্য্যক ফুলৰ লগৰী কৰি দিয়া, সূৰ্য্য আৰু ফুলক লগত লৈ হৰদত্ত নিধন যাত্ৰাত আগবঢ়া, ফুলৰ অনুৰোধত পদুম আৰু সূৰ্য্যৰ মৃতদেহ গুৱাহাটীলৈ অনাই মৈদাম দিওৱা আদি কাৰ্য্যৰ মাজেদি বৰফুকনৰ ৰাজনীতি-কুশলতাহীনৰ পৰিচয়হে পোৱা যায়।

ভোটৰ পাহাৰত পলাই থকা অৱস্থাত হৰদত্তহঁতৰ লগত বন্ধুত্ব স্থাপন হোৱা ভূটীয়া পৰিয়ালখনক চিত্ৰিত কৰাতো ঔপন্যাসিকে বিচক্ষণতাৰ পৰিচয় দিব পৰা নাই। সম্ভৱতঃ ভূটীয়া সমাজ বা ব্যক্তি জীৱনৰ বিষয় ঔপন্যাসিকৰ কোনো বাস্তৱ অভিজ্ঞতা নাছিল আৰু সেয়ে ভূটীয়া জীৱনৰ স্পষ্ট ছবিও ইয়াত পোৱা নাযায়। কেৱল কল্পনাৰ সহায়ত ভূটীয়া চৰ্দাৰ আৰু তেওঁৰ পুতেক-জীয়েক কোমা-কুৰ্মী ভাই-ভনীহালৰ অন্তৰৰ পৱিত্ৰতা আৰু সৰলতাৰ চিত্ৰ উপন্যাসখনত মৰ্মস্পৰ্শীকৈ উজ্জলাই তোলা হৈছে।

কুমেদানৰ সৃষ্টি ইয়াত অপ্ৰাসঙ্গিক। কি কাৰণে আৰু কি ভাবে শিখ সেনাপতি কুমেদান আহি আহোমৰ বৰফুকনৰ লগ লাগিল, তাৰ কোনো বৰ্ণনা বা ইঙ্গিত নিদিয়াকৈ হঠাৎ ৰঘু আৰু হৰদত্ত-বীৰদত্তৰ পতনৰ পিছত কুমেদান ৰঙাল পদুম কুঁৱৰীৰ ওপৰত জপিয়াই পৰা দৃশ্য অপ্ৰাসঙ্গিক। অসম বুৰঞ্জীৰ লগত ঘনিষ্ঠ সম্পৰ্ক নথকা আৰু বিশেষকৈ ৰজনীকান্ত বৰদলৈৰ উপন্যাস 'দন্দুৱাদ্ৰোহ' নপঢ়া পাঠক-পাঠিকাৰ মানত কুমেদান ৰহস্য হিচাবে দেখা দিয়াই স্বাভাৱিক। কুমেদান উপকৰা চৰিত্ৰ যদিও ঔপন্যাসিকে আগধৰি এই চৰিত্ৰটোৰ আৱিৰ্ভাবৰ আভাস দিয়া উচিত আছিল। কুমেদানৰ আৱিৰ্ভাব আৰু পতন দুয়োটাই উপন্যাসখনত আকস্মিক, অৱশ্যে অবিশ্বাস্য নহয়।

মুঠতে চৰিত্ৰ চিত্ৰণ আৰু কাহিনী সংযোজনা বা পৰিবেশ বৰ্ণনাৰ কালৰ পৰা 'পদুম কুঁৱৰী'ৰ ঔপন্যাসিক বেজবৰুৱা অকৃতকাৰ্য্য হৈছে। কোনো কোনো ক্ষেত্ৰত অনৌচিত্য দোষৰ দ্বাৰাও পৰিবেশ বৰ্ণনা বা চৰিত্ৰ-চিত্ৰণ দোষদুষ্ট

হৈছে বুলিব পাৰি। উদাহৰণ স্বৰূপে বীৰদত্তৰ দেহ আৰু মনৰ বৰ্ণনা, কেৰপাই আৰু নালীয়া চোৰাংচোৱাৰ সংবাদ দান প্ৰসঙ্গ, পদুম আৰু সূৰ্য্য-কুমাৰৰ প্ৰেম-প্ৰসঙ্গলৈ হৰদত্ত-বীৰদত্তৰ আলোচনা, বিহ খাই পদুমৰ দেহ বিসৰ্জ্জন আদি প্ৰসঙ্গলৈ আঙুলিয়াব পাৰি। উল্লেখিত প্ৰসঙ্গ কেইটাত অসঙ্গত ভাবে কৃপাবৰী বেজবৰুৱাই বিকাশ লাভ কৰাত ভাষা আৰু ভাবো অনৌচিত্য-পূৰ্ণ হৈ পৰিছে। "বীৰদত্ত নামে-গামে বীৰদত্ত! তেওঁৰ কথাত বীৰত্ব, কাজত বীৰত্ব, বুদ্ধি-সদ্ধিত বীৰত্ব।"—বুলি অভিহিত কৰা বীৰপুৰুষজনৰ বৰ্ণনা ঔপন্যাসিকে যি ভাবে তুলি ধৰিছে, ই কেৱল বীৰদত্তক হাঁহিৰ সামগ্ৰী কৰিহে তুলিলে, "তেওঁৰ মুখটো বঙ্গালাওৰ নিচিনা, যদিও তেওঁ পাহকাটি দীঘল চুলি ৰাখিবলৈ যত্ন কৰিছিল, তথাপি তেওঁৰ তালুখনত ধান মেলি শুকাব পৰা। গোফ মেকুৰীৰ গোফৰ নিচিনা, বৰণ চৰাচৰুৰ তলিতকৈ অলপহে পোহৰ, চকুহুটা সৰু......" প্ৰভৃতি দৈহিক ৰূপৰ বৰ্ণন বা "কৰুণ, শান্তি আৰু হাস্যৰস প্ৰভৃতি ৰসবিলাকৰ কোনোটোক ফঁচী, কোনোটোক বৰশী, কোনোটোক শূলত দি তেওঁ সিহঁতৰ সঁচ মাৰিছিল। উপজিবৰেপৰা তেওঁ উদাৰ চিত্তৰে পাঁচবাৰ হাঁহিছে নে নাই সন্দেহৰ স্থল।"—প্ৰভৃতি মানসিক অৱস্থাৰ বৰ্ণনায়ো পাঠক-পাঠিকাক হুহুৱাবহে আৰু বীৰদত্তৰ প্ৰতিও এটা বিৰূপ মনোভাৱ ওপজাই দিব। ফলত সাহিত্যৰ ঈপ্সিত ফল লাভ নহয়—বীৰৰ ঠাইত বীৰদত্ত হয় কেৱল বহুৱাহে।

কেৰপাই আৰু নালীয়াৰ ওপৰত হৰদত্তহঁতৰ বিদ্ৰোহৰ সংসূত্ৰ লোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছে যেতিয়া সিহঁত গুৰুত্বপূৰ্ণ আৰু ব্যক্তিত্বসম্পন্ন লোক হোৱা উচিত। অথচ সিহঁত দুয়োকো বহুৱা আৰু মহামূৰ্খৰ ৰূপত হে উপন্যাস-খনত ৰূপায়িত কৰা হৈছে। বিশেষকৈ কেৰপাই চোৰাংচোৱাৰ কথা-বতৰাই স্পষ্টভাবে প্ৰমাণ কৰে যে ইহঁত আছিল বহুৱা আৰু মহামূৰ্খ। এনে লোকক চোৰাংচোৱা ৰূপে চিহ্নিত কৰাত পৰিবেশ অবাস্তব আৰু অবিশ্বাস্যও হৈ উঠিছে।

ঔপন্যাসিকে হৰদত্তক "সৎস্বভাৱৰ আৰু স্বদেশহিতৈষী লোক" বা প্ৰিয়-পৰিজনৰ প্ৰতি মৰমীয়াল বুলি কৈছে যদিও জীয়েক পদুম আৰু প্ৰতিপালিত সূৰ্য্যৰ প্ৰতি যিভাবে আচৰণ কৰা দেখুৱাইছে, সি বিগৰ্হিত আৰু আচলতে অনৌচিত্য দোষদুষ্ট। "শুনিছনে বীৰ! আমাৰ বংশধৰী জীয়াৰীৰ কীৰ্তিকলাপ! আমি চাই দিয়া দৰা তাইক নেলাগে হেনো। ......তাকে আকৌ এই মাক ডুমুনীয়ে মোক কবলৈ আহিছে......" প্ৰভৃতি উক্তি হৰদত্তৰ সদৃশ বীৰপুৰুষ গৰাকীৰ মুখত অশোভনীয়। পিতৃ হিচাবে অন্ততঃ সন্তানৰ অন্তৰৰ খোল

বুজিবলৈ চেষ্টা কৰিব লাগিছিল। বীৰপুৰুষ এগৰাকীয়ে অন্ততঃ সংযম আৰু মাৰ্জিত আচৰণ দেখুৱা কাম্য আছিল। এই প্ৰসঙ্গত হৰদত্তকৈও বীৰদত্তৰ উক্তি-প্ৰত্যুক্তি আৰু অশোভনীয়।

বন্ধু, হৰদত্ত আৰু বীৰদত্তৰ পতনৰ সেই কৰুণ মুহূৰ্ত্তৰ সময়ত পদুমৰ ওপৰত কুমেদান বগ্লাল যেতিয়া অত্যাচাৰ কৰিবলৈ উদ্যত হৈছে, ঠিক সেই সময়তে আবিৰ্ভাব হ'ল সূৰ্য্যকুমাৰৰ। পদুমে তেনে সময়ত সূৰ্য্যক পাই অলপ আশ্বস্ত হৈছিল বুলি নিশ্চয় অনুমান কৰিব পাৰি আৰু সেয়ে পদুমে সূৰ্য্যৰ ডিঙিত সাবটি ধৰিছিল। কিন্তু অলপ পিছতে "সূৰ্য্যৰ ডিঙিৰপৰা হাত এৰি খপকৰে আচলৰ গাঁঠিৰপৰা বিহডোখৰ উলিয়াই টপ্‌কৰে খাই 'সূৰ্য্য, মই যাওঁ!' বুলি কৈ শুলে।" এনে ধৰণৰ কথন-ভঙ্গীয়ে গভীৰ শোকৰ ভাৱ পাতল কৰি তোলে, কাহিনীৰ উৎকৰ্ণ্ঠা বিলোপ কৰে।

এনে অনৌচিত্য দোষদুষ্ট প্ৰকাশভঙ্গী পদুম কুঁৱৰীত আৰু বহুতো আছে। এনে প্ৰকাশভঙ্গীয়েও উপন্যাসখনৰ স্বাভাৱিকত্ব আৰু সৌন্দৰ্য্যও লোপ কৰিছে। কিন্তু সেই বুলি সকলো প্ৰসঙ্গতেই এনে দোষদুষ্ট প্ৰকাশ-ভঙ্গীৰ প্ৰয়োগ হোৱা বুলিবও নোৱাৰি। কোনো কোনো ঠাইত সুৰল্পা আৰু যথাৰ্থযুক্ত বাক্-ভঙ্গী প্ৰয়োগ কৰিবলৈও ঔপন্যাসিক বেজবৰুৱা সমৰ্থবান হৈছে। পদুম কুঁৱৰীৰ দেহত নৱযৌৱন আবিৰ্ভাৱৰ বৰ্ণনা সুন্দৰ কাব্যিকতাপূৰ্ণ—"মলয়বতাহ বোৱা, গোলাপ, কেতেকী, সেউতা, মালতীৰ ন-গোন্ধেৰে আমোদিত, কুলিৰ পঞ্চম সুৰীয়া মাত আৰু ভোমোৰাৰ গুণ্ গুণ্ ধ্বনিৰে প্ৰতিধ্বনিত, আমগছৰ কোমল কুঁহি-পাতেৰে পৰিপূৰ্ণ; কুঞ্জলতিকাদিৰে ঢকা ৰম্য যৌৱন-উপবনত লাহে লাহে ৰাজহংস গতিৰে তেওঁ প্ৰথম প্ৰৱেশ কৰাতহে তেওঁৰ ভাৱৰ এনে পৰিবৰ্ত্তন। এই পৰিবৰ্ত্তনে তেওঁৰ আগৰ গাখীৰ বৰণীয়া গালত সেন্দুৰ ঢালিলে, নিৰ্ম্মল চকুত প্ৰেমৰ জেউতি দিলে, শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাকত লাৱণ্য, স্বাস্থ্য আৰু সৌন্দৰ্য্য ঢালিলে "—প্ৰভৃতি যথাৰ্থতে লয়লাসপূৰ্ণ নৱযৌৱনৰ এটি পূৰ্ণছবি।

'পদুম কুঁৱৰী' ১৮শ শতিকাৰ শেষ ভাগৰ উত্তৰ কামৰূপৰ পটভূমিৰ ওপৰত ৰচিত। ঔপন্যাসিকে কল্পনাৰ সহায়ত সেই সময়ৰ উত্তৰ কামৰূপ অঞ্চল তথা অসমৰ সামাজিক ৰীতি-নীতি, পিন্ধন-উৰণ, খাৱন-শোৱনৰ এটা স্পষ্ট ছবিও ইয়াত চিত্ৰিত কৰিবলৈ প্ৰযত্নবান হৈছে। উপন্যাসৰ নায়িকা পদুম কুঁৱৰীৰ শোৱনি কোঠাৰ ছবি এনেদৰে চিত্ৰিত কৰিছে—"তেওঁৰ মুৰ শিতানৰ ওচৰতে এটা সৰিয়হৰ তেলৰ চাকি টিমিক-টিমিককৈ জ্বলিব লাগিছে। ......চাকিটোৰ পৰা অলপমান আঁতৰত, সেইকালেই বেৰত আঁৰি থোৱা এটা কাঠৰ হেঙুলীয়া

সক কৰণীত এখন হেজাৰী ঘোষা পুথি। ভবিশখানৰ কাষে দুটা বেতৰ কাপোৰ থোৱা জঁপা আৰু এটা সক হাতনি-পেৰা এখন বাঁহৰ চাঙৰ ওপৰত আছে। ...... সৰু (কৰণী) টোৰ ভিতৰত থকা বস্তুৰ এই তালিকা—এখন সৰু আৰচী, এটা কাঠৰ হেঙ্গুলীয়া সেন্দুৰৰ টেমা, এৰখলা সেন্দুৰ গোলা শামুক এডাল কেঁটেলা পহুৰ কাঁইট, এডাল ৰূপৰ শলা, এটা ৰূপৰ চন্দনৰ খুৰিবাটি। ডাঙৰটো কৰণীত গোটাচেৰেক ব-চুঙ্গা, মাকো, কিছুমান মহুৰা আৰু দুলেচামান পাট-সূতা। বেৰত কাঠৰ হাকোটা দুটা আছে; তাৰে এটাত মুৰত ঘঁহা গোন্ধ-তেলৰ চুঙ্গা এটা আৰু এটাত মেৰচৰা খনচেৰেক অঁৰ। ......এইবিলাক বস্তু আৰু তাক থোৱা গঢ় দেখিলে যে সেই ঘৰটিৰ গৰাকিয়নী অতি পবিত্ৰ, কোমল, সজ, স্বভাৱৰ ছোৱালী এনেভাবে মনত নেখেলাই নেথাকে।"

এনে বৰ্ণনাই কেৱল সামাজিক বা সাংস্কৃতিক জীৱনবেই যে প্ৰতিকুভী পাঠক-পাঠিকাৰ মনত দাঙি ধৰে তেনে নহয়, উপন্যাসৰ নায়িকাৰ স্বভাৱ-চৰিত্ৰ বা ৰুচি-অভিৰুচিৰ আভাসো দাঙি ধৰে। চাকিখোৰ টিমিক-টামাক কৈ জ্বলি থকাৰ কাৰণ এনে নহয় যে তাত তেল নাই, তাৰ কাৰণ হ'ল যে পদুম কুঁৱৰীৰ মন দুখ-বেজাৰে আচ্ছন্ন কৰি ৰখা কাৰণে শলিতাডাল বঢ়াই দিয়া নাই। এনে বৰ্ণনাক কেৱল বৰ্ণনা কৰি নাৰাখি তাৰ মাজেদি নায়িকাৰ স্বভাৱ-চৰিত্ৰ আৰু মানসিক অৱস্থা পৰিস্ফুট কৰি তুলিব পৰা হৈছে কাৰণেহে ই বৈশিষ্ট্যপূৰ্ণ হৈ উঠিছে,—উপন্যাসৰো মাধুৰ্য্য বাঢ়িছে।

কিন্তু এনে সৌষ্ঠৱ আৰু তাৎপৰ্য্যপূৰ্ণ বৰ্ণনা উপন্যাসখনত আৰু নাই বুলিবই পাৰি। সৰহ ক্ষেত্ৰতে আখ্যানভাগ কেৱল দীঘলীয়া বৰ্ণনাৰ সহায়ত আগবঢ়াই নিয়া হৈছে,—স্বাভাৱিক গতিত কাহিনী ভাগে বিকাশ লাভ কৰি যেন পৰিণতি লভা নাই, কোনোৱাই (ঔপন্যাসিকে) যেন হাতত ধৰি টানিহে নিছে। উপন্যাসখনত সেই সময়ৰ অসমৰ সৰ্বসাধাৰণ ৰাইজৰ অৱস্থা বা পৰিস্থিতিৰ ছবিও চিত্ৰিত হোৱা নাই, প্ৰাণৰ স্পৰ্শও নাই। সেয়ে এই ক্ষেত্ৰতো ঔপন্যাসিক বেজবৰুৱা আংশিক ভাবেহে কৃতকাৰ্য্য হোৱা বুলিব পাৰি।

লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুম কুঁৱৰী' যথেষ্ট ত্ৰুটী-বিচ্যুতিপূৰ্ণ বা অবাস্তৱ আৰু অবিশ্বাস্যপূৰ্ণ হলেও বুৰঞ্জীৰ পটভূমিত পদুম-সূৰ্য্য আৰু ফুলৰ প্ৰেমাখ্যানটো উপস্থাপিত কৰিব পৰাটোত ঔপন্যাসিক বেজবৰুৱাৰ কৃতিত্ব আছে। অৱশ্যে 'পদুম কুঁৱৰী'ক উপন্যাস নুবুলি 'ৰোমাঞ্চ' বোলাহে যুগুত; কাৰণ ৰোমাঞ্চৰ দৰে চাঞ্চল্যকৰ অবাস্তৱ আৰু অবিশ্বাস্য কাল্পনিক কাহিনী আৰু পৰিবেশ বৰ্ণনা ইয়াৰ মুখ্য উপজীব্য।

বেজবৰুৱাৰ 'পদুম কুঁৱৰী'ৰ আন এটি বৈশিষ্ট্যও আছে। তেওঁৰ সৰহভাগ ৰচনাই সংস্কাৰধৰ্মী আৰু সেই কাৰণে প্ৰচাৰ ধৰ্মী। কিন্তু পদুম কুঁৱৰী'ত সংস্কাৰ বা প্ৰচাৰৰ নাম-গোন্ধেই নাই। ইয়াত প্ৰকৃত সাহিত্যিক উপাদানেই আছে। সেই কাৰণেই সম্ভৱতঃ অতবোৰ দোষ-ত্ৰুটীপূৰ্ণ হোৱা সত্বেও 'পদুম কুঁৱৰী'ৰ সমাদৰ লোপ পোৱা নাই। ৰজনীকান্ত বৰদলৈৰ দৰে ঔপন্যাসিক জনকো 'পদুম কুঁৱৰী'য়ে এসময়ত প্ৰভাৱান্বিত কৰিছিল বুলি বিবেচনা কৰাৰ যুক্তি স্পষ্ট। বৰদলৈৰ 'মিৰি-জীয়ৰী'ৰ ডালিমী বেজবৰুৱাৰ ফুলৰ ৰূপান্তৰ বুলিব পাৰি আৰু বৰদলৈৰ 'দন্দুৱা-দ্ৰোহ' বেজবৰুৱাৰ 'পদুম কুঁৱৰী'ৰ ৰূপান্তৰ বুলি ভাবিব পাৰি। অৱশ্যে বৰদলৈয়ে বেজবৰুৱাতকৈ অধিক সংযম আৰু দক্ষতাৰে উল্লেখিত উপন্যাস আৰু চৰিত্ৰ-চিত্ৰণত মনোনিবেশ কৰিছিল। দৈৱচন্দ্ৰ তালুকদাৰৰ নাটক 'হৰদত্ত'ৰ প্ৰেৰণাও বেজবৰুৱাৰ 'পদুম কুঁৱৰী' বুলি ভৱাৰ যুক্তি আছে।

মুঠতে 'পদুম কুঁৱৰী' নিষ্ফল হোৱা নাই। 'সুধৰ্মাৰ উপাখ্যান', 'ভানুমতী, আৰু 'লাহৰী'ৰ পিচতেই ৰচিত হিচাবে অসমীয়া উপন্যাস সাহিত্যৰ পৰম্পৰা গঢ়াতো ই নিশ্চয় গুৰুত্বপূৰ্ণ ভূমিকা লৈছে অৱশ্যে অন্যান্য ৰচনাবোৰৰ তুলনাত বেজবৰুৱাৰ ঔপন্যাসিকৰ প্ৰতিভা নাছিল যেনেই লাগে।

বেজবৰুৱাৰ গল্প-সাহিত্য

লক্ষ্মীনাথ বেজবৰুৱা অসমীয়া চুটিগল্পৰো জনক। তেৱেঁই সৰ্বপ্ৰথম "জোনাকী"ৰ কাৰণে গল্প লেখিছিল। এওঁৰ গল্পৰ সংকলন তিনিটা— (১) সুৰভি, (২) সাধুকথাৰ কুকি আৰু (৩) জোনবিৰি। তিনিওটা সংকলনত সৰ্বমুঠ তিনিকুৰিৰ অলপ কম গল্প সন্নিবিষ্ট হৈছে। আটাইখিনি গল্প উনবিংশ শতিকাৰ শেষৰ ২।১ বছৰ আৰু বিংশ শতিকাৰ ১ম দশকৰ ভিতৰত ৰচিত। 'জোন-বিৰি' খন তেওঁৰ শেষ গল্প-সংকলন, এইখন ১৯১১ চনত সৰ্বপ্ৰথম প্ৰকাশ হৈছিল। বাকী দুখন ইয়াৰ ২।১ বছৰ আগতেই প্ৰকাশিত হৈছিল। ইয়াৰ পিছত সম্ভৱতঃ তেওঁ আৰু গল্প-ৰচনা কৰা নাছিল,—গধুৰ তত্বপূৰ্ণ কথা আৰু বিশেষকৈ কৃপাবৰী-ৰচনাত গভীৰভাৱে মনোনিবেশ কৰিছিল।

গল্প কোৱা ৰীতি আমাৰ সাহিত্যত নতুন নহয়, কিন্তু আধুনিক ধৰণৰ গল্প নতুন। এনে গল্প পাশ্চাত্য-সাহিত্য পঠনৰ প্ৰভাৱৰ ফলত আমাৰ সাহিত্যত ৰচিত হ'ল। বেজবৰুৱাৰ হাতত জন্মলাভ কৰাৰ আজি সত্তৰ বছৰ পিছত অসমীয়া গল্পৰ ওপৰত পাশ্চাত্যৰ প্ৰভাৱ আগতকৈও বেচি। কাৰণ আজিৰ সাহিত্য আন্তৰ্জাতিক প্ৰভাৱপুষ্ট সাহিত্য। বেজবৰুৱাইঁতে সাহিত্য ৰচনা কৰিবলৈ লোৱা সময়ত পাশ্চাত্য জগতত নতুন নতুন বৈজ্ঞানিক আবিস্কাৰে মানৱ-মনত বিৰাট আলোড়নৰ সৃষ্টি কৰিছিল, বিংশ শতিকাৰ প্ৰাৰম্ভৰ লগে লগে বৈজ্ঞানিক আলোড়নৰ প্ৰভাৱ আৰু বাঢ়িল। মানুহৰ চিন্তাৰ ধাৰাও লাহে লাহে পৰিবৰ্ত্তন হব ধৰিলে, সমাজ আৰু জীৱনৰ প্ৰতিও মানুহৰ দৃষ্টিভঙ্গীৰ পৰিবৰ্ত্তন হ'ল। মানুহ লাহে লাহে সমাজ সচেতন হ'ল, পুৰণি ৰীতি-নীতি আৰু সংস্কাৰৰ প্ৰভাৱ আঁতৰি যাব ধৰিলে। মানুহে সংস্কাৰমুক্ত হৈ বাস্তৱৰ তেটিত জীৱনৰ সকলো কথা তন্ন-তন্নকৈ বিশ্লেষণ কৰি চাব ধৰিলে। মানৱ

জীৱনক সামগ্ৰিক দৃষ্টিৰে নাচাই তাৰ ক্ষুদ্ৰ আৰু সূক্ষ্মদিশ বা অনুভূতিকো ভিন্নভাৱে বিশ্লেষণ কৰি চাবলৈ ধৰিলে। যথাৰ্থতে এনে ধৰণৰ সূক্ষ্ম আৰু বিভক্তিত সামাজিক আৰু ব্যক্তিগত দৃষ্টিভঙ্গীয়েই আধুনিক চুটিগল্প সৃষ্টিৰ মূল কাৰণ।

অসমীয়া সাহিত্যৰ 'জোনাকীযুগ' সম্পূৰ্ণৰূপে ইংৰাজী সাহিত্যৰ প্ৰভাৱত গঢ়ি উঠা বুবুলিলেও এই যুগৰ সাহিত্য আৰু সাহিত্যিকসকলৰ ওপৰত ইংৰাজী সাহিত্যৰ প্ৰভাৱেই আছিল সবাতোকৈ প্ৰচুৰ। কিন্তু জোনাকী যুগীয়া অসমীয়া সাহিত্যিকসকলৰ মৌলিকতাও আছিল। লক্ষ্মীনাথ বেজবৰুৱাই পাশ্চাত্যৰ প্ৰভাৱত আধুনিক চুটি-গল্প ৰচনা কৰাত প্ৰবৃত্ত হৈছিল যদিও বেজবৰুৱাৰ প্ৰথম পৰ্য্যায়ৰ গল্প সৰহ সংখ্যকেই আছিল প্ৰাচীন সাধুকথাৰ পেট ফালি ওলোৱা। আৰু সম্ভৱতঃ সেই কাৰণেই তেওঁ এটা গল্প সংকলনৰ নামো ৰাখিলে 'সাধুকথাৰ কুকি'। সেয়ে নহয়, ইয়াৰ প্ৰথমটো গল্প 'আমাৰৈ নেপাহৰিব' ও সাধুকথা ধৰ্মী। অৱশ্যে 'ঘৰ-পতা ককা' 'মুলাখোৱা-বুঢ়া' আদ দ-কৰি দুই এটা গল্পত বাহিৰে আনবোৰ গল্প কিন্তু আধুনিক ধৰণৰ চুটিগল্প, যদিও এইবোৰৰো দুই-এটাৰ প্ৰকাশভঙ্গীত সাধুকথাৰ চাপ বৈ নোযোৱা নহয়। ওপৰত উল্লেখ কৰা 'ঘৰ-পতা ককা' আৰু 'মুলা-খোৱা বুঢ়া' দুয়োটাকেই বেজবৰুৱাই 'উপকথা' বুলি লেখি থৈ গৈছে—যদিও 'ভদৰী', 'ধোঁৱা-খোৱা' আদিৰ দৰে উচ্চ মানবিশিষ্ট চৰিত্ৰ—প্ৰধান গল্প সন্নিবিষ্ট 'সাধুকথাৰ কুকি' সংকলনতেই এই গল্পকেইটাকো ঠাই দিছে।

প্ৰকাশভঙ্গী বেজবৰুৱা-সাহিত্যৰ প্ৰাণ। ই তেওঁৰ কটূক্তি, ব্যঙ্গ আৰু বিদ্ৰূপপূৰ্ণ কথাকো সজীৱ আৰু ৰসাল কৰি তুলিছে। তেওঁৰ কৃপাবৰী ৰচনাৰ দৰে গল্পৰ মাজতো হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ প্ৰাধান্যই বেচি। তেওঁৰ সৰহ ভাগ গল্পৰ বিষয়বস্তু সামাজিক নীচতা, হীনতা, ভেম, ভণ্ডামি, অহঙ্কাৰ, ডাম্ভোল ইত্যাদি। এইবিলাকৰ বিৰুদ্ধে তেওঁ থিয় দিছে ব্যঙ্গ-বিদ্ৰূপৰ তীক্ষ্ণ-বাণ লৈ সমাজ-সংস্কাৰৰ কামনাৰে। প্ৰেম-প্ৰীতি আৰু মানৱতাবোধৰ ওপৰতো বেজবৰুৱাই গল্প ৰচনা কৰিছে। সংস্কাৰমুক্ত এইশ্ৰেণীৰ যি দুই-চাৰিটা গল্প আছে, সেই কেইটাইহে যথাৰ্থতে সাৰ্বজনীনতাও দাবী কৰিব পাৰে। অৱশ্যে বৈচিত্ৰ্যময় প্ৰকাশভঙ্গীৰ চাকতাই বেজবৰুৱাৰ অন্যান্য গল্পবোৰো সুপাঠ্য কৰি তুলিছে।

অন্তঃসাৰশূন্যতাই আছিল বেজবৰুৱাৰ সময়ৰ অসমীয়া মানুহৰ অন্যতম প্ৰধান বৈশিষ্ট্য। ব্যক্তিত্ব আৰু আত্মমৰ্য্যাদাহীন তথাকথিত ৰৰলোক আৰু বিষেশকৈ আমোলা শ্ৰেণীয়ে বিদেশী শাসকবৰ্গৰ বাহ্যিকতা অনুকৰণ কৰিয়েই

হৈছিল কৃতকৃত্য। এই শ্ৰেণীৰ লোক বিদেশী ইংৰাজ প্ৰভুসকলৰ ওচৰত আছিল ভৃত্যস্বৰূপ আৰু গাঁৱলীয়া হোজা মানুহৰ ওপৰত মহাপ্ৰভু। বেজবৰুৱাৰ সংস্কাৰকামী মনে কিন্তু এইবোৰ নীৰৱে সহিব নোৱাৰিলে। তেওঁ এনে ধৰণৰ ব্যক্তিত্বহীন কুসংস্কাৰাচ্ছন্ন সামাজিক আৰু ব্যক্তিগত দৃষ্টিভঙ্গীৰ বিৰুদ্ধে সাহসেৰে থিয় দিলে। তাৰ ফলত সৃষ্টি হ'ল 'ধৰ্মধ্বজ ফয়চলা নবীচ,' 'ভেমপুৰীয়া মৌজাদাৰ,' 'ঘণ্টাকৰ্ণ শৰ্মা,' 'জগৰা মণ্ডলৰ প্ৰেমাভিনয়,' 'মলক গুইন গুইন', 'ভোকেন্দ্ৰ বৰুৱা' প্ৰভৃতি ব্যঙ্গাত্মক গল্পৰ। এইবোৰ গল্পৰ কাহিনী দ্বন্দ্বাত্মক পৰিবেশ বা চাৰিত্ৰিক বৈশিষ্ট্যৰ মাজেদি পৰিণতি লভা নাই, ব্যঙ্গ আৰু বিদ্ৰূপেহে আদিৰ পৰা অন্তলৈ প্ৰাধান্য লাভ কৰিছে। ব্যঙ্গোক্তি বা বক্ৰাঘাতই এই গল্পবোৰৰ প্ৰাণ। কাহিনীৰ চাৰুতা বা মহত্বৰ ওপৰত বেজবৰুৱাই সমূলি গুৰুত্ব আৰোপ কৰা নাই যেন লাগে; ব্যক্তিচৰিত্ৰৰ বৈচিত্ৰ্যতাও তেওঁ এইবোৰ গল্পৰ মাজেদি তুলি ধৰিব বিচৰা নাই। কেৱল অধঃপতিত অন্তঃসাৰশূন্য আৰু ভণ্ড ব্যক্তি বা সামাজিক দৃষ্টিভঙ্গীৰ ওপৰত বক্ৰাঘাত কৰা হৈছে হাঁহি-কৌতুকৰ সহায়ত।

দুষ্কৃতি আৰু দুষ্কাৰ্য্যৰ মাজেদি আত্মতৃপ্তি প্ৰকাশ কৰা লোকো সমাজত আছে। কুৎসিত আৰু কদাকাৰ কাৰ্য্যত লিপ্ত থাকিও এই শ্ৰেণীৰ লোকে গৌৰব বোধ কৰিবলৈ লজ্জাবোধ নকৰে। 'ভোকেন্দ্ৰবৰুৱা', 'মলক গুইন গুইন,' 'মিলাৰামৰ আত্মজীৱনী' আদি কৰি গল্পকেইটাত এনেভাৱৰ জীৱন্ত কৰি তোলা হৈছে; ব্যঙ্গ আৰু বিদ্ৰূপৰ সহায়ত তীব্ৰভাবে বক্ৰাঘাতো কৰা হৈছে। প্ৰকাশভঙ্গীৰ চাৰুতা আৰু বৈচিত্ৰ্যতাই গল্পকেইটাৰ ব্যঙ্গোক্তি সৰস কৰি তুলিছে।

বেজবৰুৱাই ৰাজকীয় শক্তি বা ৰজা-মহাৰজাসকলৰ অত্যাচাৰ উৎপীড়ন আদিকো ক্ষমা কৰিব পৰা নাই। তাৰ বিৰুদ্ধেও 'মৈদাম', 'মালতী' আদি গল্পৰ মাজেদি বিদ্ৰোহৰ ব্যঞ্জনা স্পষ্ট হৈ উঠিছে। দুয়োটা গল্পতেই অতি প্ৰাকৃত ঘটনাৰ প্ৰয়োগ কৰিছে যদিও কলা-কৌশলৰ সহায়ত তাক প্ৰকৃতৰূপে প্ৰতীয়মান কৰি তুলিবলৈ সমৰ্থ হোৱা নাই। কিন্তু অত্যাচাৰ আৰু উৎপীড়নৰ ব্যঞ্জনা গল্প দুটাত স্পষ্ট। এসময়ত ৰজাক ঈশ্বৰৰ প্ৰতিনিধিৰূপে মানি লোৱা হৈছিল। এনেহেন ৰজা বা ৰাজশক্তিৰ ইচ্ছাৰ বিৰোধিতা কৰাৰ সাহসেই বা আছিল কিমানৰ! স্বেচ্ছাচাৰী ৰাজন্যবৰ্গই জীয়াই জীয়াই মানুহ পুতি থবলৈও কুণ্ঠাবোধ কৰা নাছিল, তেনেকৈ পিতৃ-মাতৃৰ বুকুৰপৰা গাভৰু জীয়েকক কাঢ়ি আনি কামতাব চৰিতাৰ্থ কৰিবলৈও দ্বিধাবোধ নকৰিছিল। সংস্কাৰকামী আৰু জাতীয়তাবাদী বেজবৰুৱাই এনে অন্যায়ৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে

এৰিলে ; কিন্তু গল্পৰ মাজেদি পৰিবেশৰ কাৰুণ্যতাই পাঠক-পাঠিকাৰ চিত্ত সিক্ত কৰি তোলা সম্ভৱপৰ হৈ উঠিল।

সামাজিক নিৰ্য্যাতন আজিও নিঃশেষ হৈ যোৱা নাই। আজি সমাজে মানুহক মানুহৰ দৃষ্টিৰে চাবলৈ অভ্যস্ত হোৱা নাই। আজিও জাত-কুলৰ ভেদ এক শ্ৰেণীৰ মানুহে বিচাৰে। এনে ব্যৱস্থা কিছুবছৰ আগলৈকে অতি ভয়ংকৰ ৰূপত ভয়াবহ ৰূপেহে আছিল। অতি সাধাৰণ ক্ৰটী-বিচ্যুতিৰ কাৰণে দুই-এক জীৱনে আমৰণ যন্ত্ৰণা ভুগিব লগাত পৰিছিল। আনকি অজ্ঞানতা-বশতঃ ঘটা এনে ক্ৰটী-বিচ্যুতিৰ পৰিণামো হৈছিল অতি ভয়াবহ। 'নিস্তাৰিণী দেৱী বা ফাটেমা বিবী', 'কাশীবাসী' প্ৰভৃতি গল্প সামাজিক নিৰ্য্যাতনৰ জ্বলন্ত নিদৰ্শন। সাতবছৰীয়া ছোৱালী নিস্তাৰিণী মুছলমানৰ ঘৰত পায়স খোৱা হেতুকে তাই হ'ল হিন্দু ব্ৰাহ্মণ পিতৃ-মাতৃৰ দ্বাৰা পৰিত্যক্তা আৰু শেষত মুছলমানৰ ওচৰত আশ্ৰয় লৈ ফাতেমাবিবী' নামেৰে জীৱন যাপন কৰিবলগাত পৰিল। 'কাশীবাসী' ত আন এজনী নাৰীৰ নিৰ্য্যাতন প্ৰতিফলিত হৈছে। মানৰ অত্যাচাৰৰ সময়ত তেওঁ আছিল গাভৰু। মানৰ হাতত বন্দী হবলগাত পৰিছিল আৰু অন্যান্য বন্দীসকলৰ লগত তেওঁকো মানইঁতে বান্ধি ধৰি নিছিল। কিন্তু ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে মুক্তি লাভ কৰা এই তিৰোতাবিলাকক তেওঁলোকৰ প্ৰিয় পৰিজনে আৰু গ্ৰহণ নকৰিলে। এনে হেন এজনী তিৰোতাই সমগ্ৰজীৱন কটাবলগাত পৰিল কাশীত বাবা বিশ্বনাথক স্মৰণ আৰু সেৱা কৰি। গল্প দুয়োটা কৰুণাত্মক। ব্যঙ্গ-বিদ্ৰূপৰ স্থান নাই, বৈপ্লৱিক দৃষ্টিও নাই বুলিবই পাৰি, সামাজিক অন্যায়ৰ বিৰোধিতা কৰিছে সঁচা, কিন্তু বজ্ৰনিৰ্ঘোষ ধ্বনিৰে এনে অন্যায়ৰ বিৰোধিতাৰে বিদ্ৰোহ ঘোষণা কৰা হোৱা নাই।

'লম্বোদৰ ডেকা' আৰু 'জাতিৰামৰ জাত' এই গল্প দুটাও সমভাবাপন্ন। ইয়াতো অন্যজাতৰ মানুহৰ হাতে খোৱা বা অন্য জাতৰ মানুহৰ সংস্পৰ্শলৈ অহাৰ ফলত কিদৰে সমাজৰপৰা চ্যুত হৈ থাকিবলগাত পৰিছিল, তাকেই কোৱা হৈছে। কিন্তু এনেধৰণৰ সামাজিক সংকীৰ্ণতাৰ বিৰুদ্ধে স্পষ্টভাৱে বিদ্ৰোহ ঘোষণা কৰা হোৱা নাই। অৱশ্যে এনেবোৰ গল্পৰ সৃষ্টিয়ে লেখক বেজবৰুৱাৰ উদাৰতা বোধৰ কথাকে সূচায়। তেওঁ ভাবিছিল "আমাৰ দেশখন জাতেই খালে। জাত জাতকৈ ইটোৱে সিটোক ঘিণাই, হিন্দু-মুছলমান বুলি এটা ধৰমৰ মানুহে আনটোক ছেই ছেই কৰি মিছাতে আমাৰ দেশখন 'জহান্নামে' গ'ল।" নিস্তাৰিণী দেৱীয়ে কোৱাৰ দৰে—"আল্লাৰ ওচৰত সকলো জাতৰ সকলো ধৰমৰ মানুহ সমান।"—ভাৱেৰে উদ্বুদ্ধ হোৱাটোকেই সম্ভৱতঃ বেজ-

বৰুৱাই সমৰ্থন কৰিছিল। তেওঁ নিজে আত্মীয়-স্বজন আৰু বন্ধু-বান্ধৱৰ বাধা-নিষেধকো নগণি বঙালী ব্ৰাহ্ম পৰিয়ালৰ প্ৰজ্ঞাসুন্দৰী দেৱীক পত্নী হিচাবে গ্ৰহণ কৰাতেই ইয়াৰ স্পষ্ট নিদৰ্শন পোৱা যায়। সেই বুলি তেওঁ 'ভোমকেৰোলাৰ সদৃশ ভণ্ডকো প্ৰশ্ৰয় দিব খোজা নাই। তেওঁ মানুহ, মানুহৰ দৰে উদাৰ আৰু সাহসী হোৱাকেহে বাঞ্ছা কৰে,—ভণ্ডামি, ভীৰুতাৰ তেওঁ তীব্ৰভাবে নিন্দা কৰিছে। 'ভোমকেৰোলা'ত অস্পৃশ্যতাৰ প্ৰশ্নই ঠাই পোৱা নাই, ইয়াত আছে ভণ্ডামি আৰু অবৈধ প্ৰণয়ৰ নিদৰ্শন।

বেজবৰুৱাৰ বিশ্বাস যে শুদ্ধ আৰু পবিত্ৰ প্ৰণয়ত জাত-কুলৰ বাধা নিষেধ থাকিব নোৱাৰে ; তেনে ক্ষেত্ৰত উচ্চ-নীচৰ ভেদাভেদো আঁতৰি যোৱাহে বাঞ্ছনীয়। 'মাধৈমালতী'ত তেওঁ যথাৰ্থতে সনাতন আৰু মাধৈ মালতীৰ প্ৰণয় বা মিলন সমৰ্থন কৰিছে, কাৰণ সিহঁতৰ মাজত পবিত্ৰ প্ৰণয়ৰ সৃষ্টি হৈছিল। বংশ-গৌৰৱ বা জাত-কুলৰ ব্যৱধান সিহঁতৰ মিলনত প্ৰতিবন্ধক হোৱা অনুচিত। কিন্তু 'মিষ্টৰ ফিপ্সন'ত প্ৰকাশিত ইংৰাজ ফিপ্সন চাহাবৰ প্ৰণয়ক তেওঁ যৌনক্ষুধা চৰিতাৰ্থতকৈ উচ্চস্থান দিব খোজা নাই। হোজা অসমীয়া মানুহক ফুচুলাই, ধনৰ টোপোলাৰে প্ৰলোভিত কৰি আৰু বহু ক্ষেত্ৰত বিষয় বকৃচিচ্ দিও অসমীয়া গাভৰুহঁতক ৰক্ষিতা হিচাবে পাবলৈ ইংৰাজ চাহাবহঁতে এসময়ত যে কিহকেই কৰা নাছিল ! অথচ এনে চাহাববোৰেই শেষত যৌনক্ষুধা পৰিতৃপ্ত হলে বা কাম এৰি দেশলৈ প্ৰত্যাবৰ্ত্তন কৰোঁতে এই দুৰ্ভগা নাৰীহঁতক অনাথা কৰি এৰি থৈ গৈছিল। এনেকৈয়ে সৃষ্টি হৈছিল সামাজিক কেলেঙ্কাৰ,—বেশ্যা বা ৰক্ষিতাৰ। সমাজ জীৱন তিল তিলকৈ ধ্বংসৰ বাটলৈ নামি গৈছিল। অসমীয়া পোহাৰীৰ গৰ্ভত ইংৰাজ চাহাব ফিপ্সনে জন্ম দিয়া মিষ্টৰ ফিপ্সনৰ কাহিনী সঁচাকৈ অতি কৰুণ। মিষ্টৰ ফিপ্সনৰ সদৃশ অজ্ঞাত কুলশীল কত শত ফিপ্সন আৰু আমাৰ দেশত আছে আৰু এই ফিপ্সনহঁতে ক'ত নিৰ্য্যাতন ভোগ কৰিব ধৰিছে !

'বাপিৰাম'তো এনে অবৈধ প্ৰণয় আৰু সামাজিক অধঃপতনৰ কথাই ৰূপায়িত হৈছে। চাহবাগিছাৰ মেনেজাৰ স্কট চাহাবৰ প্ৰৰোচনাত উটি গৈ শুদ্ধ ব্ৰাহ্মণ পৰিয়ালৰ ভূধৰ খাটনিয়াৰ বাগিছাৰ মহৰীয়ে ককায়েকৰ মৃত্যুৰ পিছত বিধবা ভতিজা জীয়েক তিলকাক স্কট চাহাবৰ কামনাৰ যুপকাঠত তুলি দিবলৈ সকলো প্ৰস্তুতিয়ে চলালে ; কিন্তু এই ব্যাপক প্ৰস্তুতিত ব্যাঘাত ঘটালে ঘৰৰ বৃদ্ধ লগুৱা বাপিৰামেহে। সম্ভৱতঃ বাপিৰামে স্কট চাহাবক টঙনিয়াই আধামৰা নকৰাহেঁতেন তিলকাক তাৰ কাম-বহ্নিৰপৰা ৰক্ষা কৰা টানেই

হ'লহেঁতেন। 'বাপিৰাম' বেজবৰুৱাৰ এটা বৈপ্লবিক চৰিত্ৰ। ই অসীম সাহসী। সি লগুৱা; কিন্তু "যেনে তেনে লগুৱা নহয়, সি যি কয় তাকেই কৰিব আৰু ঠিক এই কামত ব্যাঘাত জন্মাব।" যি ঘৰ মানুহৰ ঘৰত বাপিৰামহঁতৰ তিনি পুৰুষ লগুৱা খাটি গ'ল সেই পৰিয়ালৰ বাপিৰামে 'তিলকা'ৰ অমৰ্য্যাদা তাৰ মৃত্যুৰ আগতে হৰ দিব নোৱাৰে। বাপিৰাম বেজবৰুৱাৰ সাৰ্থক সৃষ্টি। এনে মানৱতাবোধ আৰু মানৱ প্ৰেমৰ ভাবেৰে উদ্বুদ্ধ হোৱা চৰিত্ৰ বেজবৰুৱাৰ ৰচনাত খুব ক'ম।

নাৰী নিৰ্য্যাতন ভাৰতীয় সমাজৰ এটা পুৰণীকলীয়া প্ৰথা। শাস্ত্ৰকাৰ মনুই নাৰীক সন্মান কৰিবলৈ বিদৰে নিৰ্দ্দেশ দিছে, কঠোৰ ভাবে শাসন কৰিবলৈও তেনেকৈয়ে ইঙ্গিত দিছে। অসমীয়া ডাকপুৰুষেও মনুৰ অনুকৰণতেই নাৰীক সকলো সময়তে পুৰুষৰ দ্বাৰা সুৰক্ষিত কৰি ৰখাৰ কথা কৈ গৈছে। অৱতাৰী পুৰুষ স্বয়ং শ্ৰীৰামচন্দ্ৰইও অৰ্দ্ধাঙ্গিনী সীতাৰ প্ৰতি সৎ আচৰণ দেখুৱাব নোৱাৰিলে। যুগে যুগে নাৰী সমাজৰদ্বাৰা নিৰ্য্যাতিতা হৈ আহি আছে, আজিও নাৰী-নিৰ্য্যাতনৰ অৱসান ঘটা নাই। বেজবৰুৱাৰ 'কাশীবাসী' আৰু 'মালতী'ৰ উপৰিও 'সেউতী', 'এৰাবাৰী' প্ৰভৃতি গল্পও যথাৰ্থতে নাৰী-নিৰ্য্যাতনৰ ওপৰতেই ৰচিত। 'সেউতী'ৰ দৰে কত শত নাৰীয়ে এনেকৈ হলাহল পান কৰি প্ৰাণাহুতি দিব ধৰিছে নাইবা 'সৰু বো'ৰ দৰে কত শত বিধবাই আজিও সামাজিক নিৰ্য্যাতনৰ বলিশালত অকালতে প্ৰাণ বিসৰ্জন দিছে। গল্প দুয়োটা কৰুণ; কিন্তু চৰিত্ৰকেইটা অতিশয় দুৰ্ব্বল, সামাজিক অন্যায়ৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাৰ সাহস 'সেউতী' নাইবা 'সৰু বো'ৰ নাই আৰু সেই কাৰণেই গল্প দুটাই সমাজত প্ৰতিপত্তি লভিব পৰা নাই। সামাজিক অন্যায়ৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিবলৈ হলে সাহসী আৰু শক্তিশালী চৰিত্ৰৰ আৱশ্যক, দুৰ্বল বা সোপাসেৰেলুৱা চৰিত্ৰই অন্যায়ৰ বিৰুদ্ধে থিয় দিবলৈ সাহসেই বা কৰে কেনেকৈ? এই গল্পকেইটাত ব্যঙ্গ বিদ্ৰূপৰ তীব্ৰতাও আপেক্ষিক ভাবে কম। নিৰ্য্যাতনক কিন্তু নিৰ্য্যাতন হিচাবে তুলি ধৰা হৈছে।

'আমালৈ নেপাহৰিব' আৰু 'শিৱপ্ৰসাদ' এই দুটাও নাৰী-নিৰ্য্যাতন বিষয়ক গল্পই। সমাজে নাৰী-জীৱনৰ ওপৰত অমৰ্য্যাদা বা অসন্মান কৰিয়ে এৰা নাছিল, নাৰীক পণ্যদ্ৰব্যৰ দৰে বেচা-কিনাও কৰিছিল। মাধৱ কন্দলিৰ সীতাই ৰামৰ ওচৰত কৰা প্ৰতিবাদ "নটৰ নটিনী যেন আনক বিলাহা।" এই ক্ষেত্ৰত অতিশয় তাৎপৰ্য্যপূৰ্ণ। আমাৰ সমাজতেই পুৰুষে নাৰীক পণ্য-দ্ৰব্যৰ দৰে বেচা-কিনাও কৰিছিল। 'আমালৈ নেপাহৰিব' আৰু 'শিৱ-

প্ৰসাদ'ত এনে ধৰণৰ নাৰী-নিৰ্য্যাতনৰ চিত্ৰই ৰূপায়িত হৈছে। কিন্তু গল্প দুটা বিপ্লৱৰ ভাৱত তুলি ধৰা হোৱা নাই, বিকাশৰ ভাৱত হে ফুটাই তোলা হৈছে। আৰু সেই কাৰণে এনে গল্পৰ প্ৰভাৱো সমাজ জীৱনৰ ওপৰত স্বাভাৱিকতে ক্ষীণ। কিন্তু এইটো স্পষ্ট যে বেজবৰুৱা নাৰীৰ প্ৰতি সহানুভূতিশীল আছিল। ৰজনীকান্ত বৰদলৈও নাৰীৰ প্ৰতি সহানুভূতিশীল। কোনো কোনো ক্ষেত্ৰত ৰজনী বৰদলৈয়ে পুৰুষ চৰিত্ৰক অৱহেলা কৰিও নাৰীৰ মহিমা গান গায়।

লক্ষ্মীনাথ বেজবৰুৱা কিন্তু সমদৰ্শী; তেওঁ বৰদলৈৰ দৰে অন্ধ ভাৱে নাৰীৰ প্ৰতি পক্ষপাতী নহয়। তেওঁ নাৰী-জীৱনৰ ওপৰত সংঘটিত হৈ থকা নিৰ্য্যাতন বা অন্যায়ৰ বিৰুদ্ধে থিয় দিয়াৰ দৰে বা নাৰীৰ প্ৰতি প্ৰদৰ্শন কৰা সামাজিক অন্যায় গল্পত ৰূপায়িত কৰাৰ দৰে নাৰীৰ নীচতা বা ভণ্ডামিকো গল্পৰ মাজেদি তুলি নধৰাকৈ থকা নাই। উদাহৰণ স্বৰূপে 'জোনবিৰি'ত সন্নিবিষ্ট 'আমাৰ সংসাৰৰ' ভৱানীকেই আঙুলিয়াব পাৰি। ভৱানী নীচ আৰু সংকীৰ্ণমনা। ব্যঙ্গৰ সহায়ত গল্পটো সৰস কৰি তোলা হৈছে। 'সেউতী'ৰ শোকাবহ পৰিণতিৰ কাৰণেও ভগৱীয়া তাইৰ শাহুয়েক আৰু জাশাহুৱেক হে। 'যেনে চোৰ তেনে টাঙোন'ত ৰূদাইৰ ঘৈণীয়েকো সাধাৰণ তিৰোতা নহয়। গিৰীয়েকে তাইক মৰিয়াই কাৰণে দৈ কলঙীয়ানী মাছ-পোহাৰীৰ আশ্ৰয় লৈ হলেও তাই গিৰীয়েক ৰূদাইক ৰাইজৰ হতুৱাই ঘুণ্ডলা-পচলা কৰাইছে এবাৰ। অৱশ্যে এই গল্পটোৰ পটভূমি অবাস্তৱ আৰু অবিশ্বাস্য কৰি তোলা হৈছে। "চোৰ'ত লোকেশ্বৰ বৰুৱাৰ তৰুণী দ্বিতীয়া পত্নীয়ে গিৰীয়েকক বিষ পান কৰাই উপপ্ৰণয়ীৰ লগত যৌনক্ষুধা চৰিতাৰ্থ কৰাবো অভিসন্ধি কৰে। তেনেদৰে 'ফিৰিঙতিৰ পৰা খাণ্ডৱ দাহ'তো ভিম্বধৰৰ পত্নীক মুখৰা আৰু হৃদয়-হীনা ৰূপে ৰূপায়িত কৰা হৈছে।

অশুদ্ধ, অশিষ্টাচাৰ, ভেম, ডাম্ফোপ, ভণ্ডামি আদিক তীব্ৰভাৱে ব্যঙ্গ-বাণৰ সহায়ত ক্ষত-বিক্ষত কৰি তোলাৰ দৰে শুদ্ধ, সত্য, পবিত্ৰ আৰু সৰলতাক বেজবৰুৱাই সমাদৰ জনাইছে। 'ৰতনমুণ্ডা', 'কন্যা', 'জলকুঁৱৰী', 'নকণ্ড', 'জয়ন্তী' আৰু 'ভদৰী'ত বেজবৰুৱাই পবিত্ৰ প্ৰেমৰ উজ্জল চানেকি দাঙি ধৰিছে। 'ভদৰী' আৰু 'জয়ন্তী' চিৰ আদৰণীয় ভাৰতীয় মহিয়সী নাৰী, সীতা-সাবিত্ৰীৰ সদৃশ পবিত্ৰ আৰু স্নিগ্ধ। সাধাৰণ গাঁৱলীয়া তিৰোতা হলেও ভদৰীৰ স্বামীভক্তি বা দাম্পত্য প্ৰেমৰ নিদৰ্শনে যি কোনো সহৃদয় পাঠক-পাঠিকাক উদ্বুদ্ধ কৰি তোলা স্বাভাৱিক। জয়ন্তীয়ে পিশাচ মানইতৰ আসন্ন পাশৱিক

অত্যাচাৰৰ পৰা গিৰীয়েকক ৰক্ষা কৰি আনন্দৰ আতিশয্যত পাগলী হৈ গলেও জয়ন্তীৰ সাহস আৰু দাম্পত্য প্ৰেমৰ নিদৰ্শন চিৰ আদৰণীয়। 'ৰতনমুণ্ডা'ত ৰতন আৰু জুমুৰীৰ পবিত্ৰ প্ৰেমৰ যি উজ্জ্বল নিদৰ্শন. তুলি ধৰা হৈছে, সিও ডেকা-গাভৰুক উদ্বুদ্ধ কৰা স্বাভাৱিক। আন কেইটা গল্পটো শুদ্ধ প্ৰেমৰেই বিকাশ অনুভৱ কৰা যায়; এনেবোৰ গল্পত ব্যঙ্গ-বিদ্ৰূপৰো আশ্ৰয় লোৱা হোৱা নাই। সহজ-সৰল বাক্‌ভঙ্গীৰ সহায়ত পৰিবেশ আৰু চৰিত্ৰসমূহ অঙ্কন কৰি হৃদয়গ্ৰাহী কৰি তোলা হৈছে। সময়ে সময়ে যথোপযুক্ত সংলাপনৰ সহায়ত পৰিবেশ বা পৰিস্থিতিৰ তীব্ৰতা ঘনীভূত কৰি তোলাও হৈছে। এনে ভঙ্গীয়ে গল্পকেইটাৰ মাধুৰ্য্য বঢ়াইছে।

বেজবৰুৱাইঁতৰ সময়ৰ অসমত ইংৰাজ চৰকাৰে অসমত অবাধে কানিৰ ব্যৱসায় চলাইছিল। কানিৰ লগত ভাং আৰু কটিকা লাওপানীৰো অবাধ প্ৰচলন আছিল। ইয়ে সমগ্ৰ অসমকেই গ্ৰাস কৰি ধ্বংসৰ বুকুলৈ টানি নিছিল। এইখন অসম আৰু এনেখন অসমৰ কানীয়া, ভঙুৱা আৰু মদাহী অসমীয়া স্ত্ৰী-পুৰুষৰ চৰিত্ৰও বেজবৰুৱাই 'আজি', 'আমাৰ এক কানীয়াৰ অধিবেশন', 'কেকোকুকা', 'দদায়েক পদো ভত্তিজাক ভদো' আদি কৰি গল্পৰ মাজেদি ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত পৰিস্ফুট কৰি তুলিছে। 'ধোঁৱা খোৱা'ও এই লেখীয়া গল্পই। ডাংৰীয়া গঙ্গাৰামৰ ভেমেই যথাৰ্থতে শেষত পুতেক ৰামেশ্বৰৰ ধ্বংসৰ মূল কাৰণ হৈ পৰিল। ৰামেশ্বৰে ধোঁৱা খোৱাকেই জীৱনৰ লক্ষ্য বুলি গণ্য কৰিলে। ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত এই গল্পকেইটাৰ মাজেদি এই কানীয়া-ভঙুৱা এসময়ৰ অসমীয়া সমাজখনক আমি পূৰ্ণৰূপে উপলব্ধি কৰোঁ। ৰামেশ্বৰৰ দৰে পূৰ্বপুৰুষৰ দুষ্কৃতিক লৈ গৌৰৱ অনুভৱ কৰা লোক আজিও বিৰল নহয়। আজিও দুই চাৰি অসমীয়াই পুবপুৰুষৰ দুষ্কৃতিপূৰ্ণ কাৰ্য্য—কলাপৰ অনুকৰণ কৰি নিজৰ ধ্বংস নিজেই মাতি ননাকৈ থকা নাই।

লক্ষ্মীনাথ বেজবৰুৱাই জন্মলাভ কৰিছিল প্ৰসিদ্ধ দীননাথ বেজবৰুৱা হেন বৈষ্ণৱ পৰিয়ালত। তেওঁ নিজেও বৈষ্ণৱদৰ্শন আৰু বৈষ্ণৱ লোকৰ জীৱন চৰিত আলোচনা কৰিছে। বেজবৰুৱা এজন প্ৰসিদ্ধ অসমীয়া বৈষ্ণৱ। গতিকে তেওঁৰ লেখাৰ ওপৰত বৈষ্ণৱ-প্ৰভাৱ পৰা তেনেই স্বাভাৱিক। 'স্বৰ্গাৰোহণ', 'মোৰে সৈতে মনাইৰ দ্বন্দ্ব', 'লোভ' আদি কৰি গল্পকেইটাত বৈষ্ণৱ প্ৰভাৱ স্পষ্ট ভাবে অনুভৱ কৰা যায়। ধৰ্মীয় তত্ত্বক সৰস কাহিনীৰ মাজেদি হৃদয়গ্ৰাহী কৰি তুলিব পৰাটোৱেই গল্পকাৰ বেজবৰুৱাৰ এনেবোৰ গল্পৰ বৈশিষ্ট্য।

ভদৰী, জয়ন্তী, বাপিৰাম আদি কৰি দুই-চাৰিটা গল্প সাৰ্বজনীন ভাব-

সম্পন্ন যদিও বেজবৰুৱাৰ সৰহভাগ গল্পই অসম আৰু অসমীয়াক কেন্দ্ৰ কৰি ৰচিত। 'ৰত্নমুণ্ডা', 'কন্যা' আদি কৰি দুটামান গল্পৰ পটভূমি উৰিষ্যাৰ সম্বলপুৰ অঞ্চল। তেনেকৈ 'ডাক্তৰ বাবুৰ সাধু', 'পণ্ডিত মহাশয়', 'লাওখোলা' আদি কৰি গল্প কেইটাৰ পটভূমি বঙ্গীয় সমাজ। 'ডাক্তৰ বাবুৰ সাধু'ত ডাক্তৰ বাবুৰ অন্তৰৰ মহানুভৱতাই পাঠক-পাঠিকাক উদ্বুদ্ধ কৰা স্বাভাৱিক। কিন্তু বাকী দুটা গল্পত মানুহৰ নৃশংসতা আৰু পাশৱিকতাকেই তুলি ধৰা হৈছে—তাকো অতিপ্ৰাকৃত পৰিবেশ আৰু কাহিনীৰ অৱলম্বনত।

বিশ্লেষণ কৰি চালে বেজবৰুৱাৰ গল্পৰ মাজেদি আমি অসমৰ প্ৰায় সকলো শ্ৰেণীৰ মানুহৰ জীৱন প্ৰতিফলিত হোৱা উপলব্ধি কৰোঁ। 'কণকলতা' আৰু 'মালতী'ত আহোম স্বৰ্গদেৱসকলক চিত্ৰিত কৰাৰ দৰে 'ভদৰী' আৰু 'যেনে চোৰ তেনে টাঙোন'ত আমি সাধাৰণ খেতিয়ক শিৱৰাম আৰু ৰূপাইকো পাওঁ। উচ্চবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ জীৱনো বেজবৰুৱাৰ গল্পত ৰূপায়িত হৈছে। মুঠতে সমাজৰ মুধাফুটাসকলৰ পৰা আৰম্ভ কৰি অতি সাধাৰণ নিঃকিনলৈকে সকলো শ্ৰেণীৰ মানুহৰ ছবি বা জীৱন আমি বেজবৰুৱাৰ গল্প সাহিত্যত পাওঁ। কিন্তু বেজবৰুৱাৰ গল্পত জীৱন-সংগ্ৰাম নাই। সাধাৰণতে অন্যান্য গল্প-লেখকে বেজবৰুৱাৰ দৰে সমাজৰ সকলো স্তৰৰ মানুহক সামৰি নলয়। সেই ফালৰপৰা বেজবৰুৱাৰ গল্প সকলোৰে কাৰণে সমানে প্ৰিয় হোৱাৰ উপৰিও ই সকলো স্তৰৰ লোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈও সমৰ্থ হব লাগিছিল; কিন্তু সম্ভৱতঃ সংঘাত আৰু বিশেষকৈ মানসিক দ্বন্দ্বৰ অভাৱত গল্পবোৰৰ আশানুৰূপ প্ৰতিক্ৰিয়া নহল।

ৰবীন্দ্ৰনাথ, প্ৰেমচন্দ আদি সুবিখ্যাত ভাৰতীয় গল্প-লেখক লক্ষ্মীনাথৰ সম-সাময়িক। চেখভ, মোপাঁছা আদি পৃথিবীবিখ্যাত গল্পকাৰ লক্ষ্মীনাথৰ অলপ আগৰ। গতিকে লক্ষ্মীনাথৰ সময়ত বহল জগতখনত গল্পৰ সমাদৰ বাঢ়ি আহিছিল। মনস্তত্ব, অন্তৰ্দ্বন্দ্ব প্ৰভৃতিয়ে গল্পত প্ৰাধান্য লাভ কৰিছিল। জীৱন সংগ্ৰামেও ৰূপ নোপোৱাকৈ থকা নাছিল। বেজবৰুৱাই এওঁলোকে গল্প কোৱা টেকনিক্ বা ভঙ্গীলৈ মন দিয়া নাছিল বুলিব নোৱাৰি। মোপাঁছাই জীৱনৰ গভীৰতালৈ প্ৰৱেশ নকৰি সমাজৰ ভিন ভিন স্তৰৰ জীৱনক যি ভাৱে উপলব্ধি কৰিছিল, ঠিক তেনে ভাৱেই ৰূপায়িত কৰি গৈছিল। মোপাঁছাৰ গল্পতো ভেম-ভণ্ডামিয়ে মুখ্যস্থান অধিকাৰ কৰিছে। সেইফালৰ পৰা লক্ষ্মীনাথৰ গল্পৰ লগত মোপাঁছাৰ সাদৃশ্যই বেছি বুলিব পাৰি। মনস্তত্ব লক্ষ্মী-নাথৰ গল্পত নাই বুলিবই পাৰি। কেৱল 'সেউতী'ত বয়সৰ লগে লগে ক্ৰম-

পৰিবৰ্জিত 'সেউতী'ৰ মনৰ পৰিচয় দিবলৈ চেষ্টা কৰা হৈছে। কিন্তু ই স্থূল, সূক্ষ্মাতিসূক্ষ্ম মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ চিত্ৰ বেজবৰুৱাৰ কোনো গল্পতেই নাই। ৰবীন্দ্ৰনাথ, প্ৰেমচন্দ আদিৰ দৰে বেজবৰুৱাই প্ৰকাশ ভঙ্গীৰ চাৰুতা আৰু সংযমৰ প্ৰতিও বেচি লক্ষ্য কৰা নাই যেন লাগে। বহুবন্ধিতা লক্ষ্মীনাথৰ কৃপাবৰী ৰূপৰ প্ৰধান লক্ষণ, গল্পতো এই কৃপাবৰী ৰূপৰ প্ৰভাবেই স্পষ্ট। ইয়াৰ কাৰণেই তেওঁ সৰহভাগ গল্পত ৰাবে-বঙলুৱা ভাষাৰো প্ৰয়োগ কৰিছে; হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰো আশ্ৰয় লৈছে। এই কৃপাবৰী ৰূপটোই বেজবৰুৱা-সাহিত্যৰ স্বকীয় ৰূপ। এই ৰূপৰ সহায়ত তেওঁ সমাজ-জীৱনৰ ওপৰত তীব্ৰভাৱে বাক্যবাণ নিক্ষেপ কৰি কক্ষচ্যুত আৰু লক্ষ্যভ্ৰষ্ট অসমীয়া লোকৰ সংস্কাৰ সাধিবলৈ বদ্ধপৰিকৰ হৈছিল। সংস্কাৰৰ ভাৱ গল্পসমূহৰ মাজেদি প্ৰবল ভাৱে প্ৰকটিত হোৱা হেতুকে প্ৰায়ভাগেই প্ৰচাৰধৰ্মী সাহিত্যলৈ ৰূপান্তৰিত হৈছে আৰু এনে ভঙ্গীয়ে তেওঁৰ গল্পৰ সৌকুমাৰ্য্যও খৰ্ব নকৰাকৈ থকা নাই। অৱশ্যে 'ভদৰী', 'বাপিৰাম', 'জয়ন্তী' প্ৰমুখ্যে দুই-চাৰিটা গল্পত কেৱল বৈচিত্ৰতাপূৰ্ণ মানৱীয় অনুভূতিকে ৰূপায়িত কৰা হেতুকে এই গল্প কেইটাই যি কোনো পাঠক-পাঠিকাৰে অন্তৰ স্পৰ্শ কৰিবলৈ সমৰ্থ হোৱা স্বাভাৱিক।

বেজবৰুৱাৰ গল্পৰ প্ৰধান আকৰ্ষণ ব্যঙ্গাত্মক প্ৰকাশভঙ্গী। ইয়ে তেওঁৰ গল্পক সকলো শ্ৰেণীৰ পাঠক-পাঠিকাৰ কাৰণে অন্ততঃ সুখপাঠ্য কৰি তুলিছে। 'মিলাৰামৰ আত্মজীৱনী', 'ভোকেন্দ্ৰ বৰুৱা' প্ৰমুখ্যে গল্পবোৰৰ প্ৰধান আকৰ্ষণ সৰস প্ৰকাশভঙ্গী। ঠায়ে ঠায়ে বহুবাগি কৰি কেৱল হঁহুওৱাৰ চেষ্টা কৰিলেও বৰ্ণনাপ্ৰিয়তা আৰু যথাৰ্থযুক্ত শব্দ আৰু বাক্যৰ প্ৰয়োগে বেজবৰুৱাৰ গল্পৰ চাৰুতা অক্ষুণ্ণ ৰাখি থাকিব। তেওঁ অসমীয়া সাহিত্যত কেৱল সৰ্বপ্ৰথম গল্প লেখকেই নহয়, ব্যঙ্গাত্মক গল্পলেখক হিচাবে তেওঁ যথাৰ্থতে সৰ্বশ্ৰেষ্ঠও। এনে ভঙ্গীৰে তেওঁ বিশ্বসাহিত্যতো এক বৈশিষ্ট্যপূৰ্ণ আসন পাব পাৰে।

প্ৰবন্ধকাৰ লক্ষ্মীনাথ বেজবৰুৱা

ষোড়শ শতিকাৰ শেষ ভাগতেই বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্যৰ হাতত কথা-ভাগৱত আৰু কথা-গীতাৰ মাজেদি অসমীয়া গদ্য সাহিত্যই ৰূপ পালেও আৰু ভট্টদেৱৰ পাছত সৰহভাগ বুৰঞ্জী আৰু ধৰ্মীয় গ্ৰন্থ গদ্যত ৰচনা কৰিলেও যথাৰ্থতে অৰুণোদয় যুগৰ আগতে অসমীয়া প্ৰবন্ধ সাহিত্যই ৰূপ লৈছিল বুলিব নোৱাৰি। সেই কাৰণে অসমীয়া প্ৰবন্ধ সাহিত্যও পাশ্চাত্যৰ দান বুলি অনুমান কৰিব পাৰি। বেকন-এডিচনৰ দিনৰ পৰাই ইংৰাজী সাহিত্য প্ৰবন্ধ সাহিত্যত চহকী। 'অৰুণোদয়' যুগৰ আগত আমাৰ সাহিত্যত প্ৰবন্ধ ৰচনাৰ নিদৰ্শন নাই। আনন্দৰাম ঢেকীয়াল ফুকনৰ 'লৰাৰ মিত্ৰ'কেই সৰ্ব প্ৰথম অসমীয়া প্ৰবন্ধ সাহিত্যৰ সংকলন বুলিব পাৰি। ইয়াৰ পিছত হেমচন্দ্ৰ আৰু গুণাভিৰামে ব্যক্তিগত ভাৱে আৰু 'আসাম নিউজ' 'আসাম বন্ধু' সম্পাদনা কৰি সমূহীয়া ভাবেও প্ৰবন্ধ সাহিত্যৰ বিকাশত বৰঙণি যোগায়। কিন্তু কব গলে 'জোনাকী' যুগৰ আগতে অসমীয়া প্ৰবন্ধ সাহিত্যই বিশেষ বিভূতি লাভ কৰিছিল বুলিব নোৱাৰি। 'জোনাকী'য়ে গল্প, কবিতা, উপন্যাস আদিৰে অসমীয়া সাহিত্যৰ আধুনিক যুগৰ সূচনা কৰাৰ লগে লগে প্ৰবন্ধ সাহিত্যকো সুপ্ৰতিষ্ঠিত কৰিলে। ইয়াৰ ফলত আমি পাওঁ অসমীয়া বেকন সত্যনাথ বৰাৰ 'সাৰথি', 'কেন্দ্ৰসভা', লম্বোদৰ বৰা, কমলাকান্ত প্ৰমুখ্যে অন্যান্য লেখকসকলৰ প্ৰবন্ধ আৰু বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱাৰ কাপৰপৰা নিগৰি ওলোৱা অসংখ্য বৈচিত্ৰ্যপূৰ্ণ প্ৰবন্ধ। যথাৰ্থতে লক্ষ্মীনাথেই অসমীয়া প্ৰবন্ধ সাহিত্যকো এটা যথানিৰ্দিষ্ট ৰূপ আৰু স্থান দি গ'ল। লক্ষ্মীনাথেই অসমীয়া শ্ৰেষ্ঠ প্ৰবন্ধকাৰো; তেওঁৰ সমান আৰু তেনে বৈচিত্ৰ্যপূৰ্ণ প্ৰবন্ধ যথাৰ্থতে আজিকোপতি আন কোনো অসমীয়া সাহিত্যিকেই ৰচনা কৰা নাই। তেওঁ অসমীয়া সাহিত্যত অদ্বিতীয় প্ৰবন্ধকাৰ।

প্ৰবন্ধ গদ্যত লেখা কলাকৃতি। ই কবিতা বা কাব্য সাহিত্যতকৈ অলপ সুকীয়া। সাধাৰণতে কল্পনা আৰু বুদ্ধিবৃত্তি উভয়ৰ মাজত সুসামঞ্জস্য স্থাপন কৰি আত্মসচেতন ভাবে ভিন ভিন ভাবৰ ওপৰত প্ৰবন্ধ ৰচনা কৰে সাহিত্যিকে। প্ৰবন্ধৰ ভাষা বৈচিত্ৰ্যপূৰ্ণ হব পাৰে, কিন্তু ই গদ্যত ৰচিত হবই লাগিব।

অন্যান্য সাহিত্যৰ দৰে সৌন্দৰ্য্য আৰু আনন্দদান প্ৰবন্ধ সাহিত্যৰো কেন্দ্ৰীয় লক্ষ্য। বিষয়বস্তু আৰু প্ৰকাশভঙ্গীৰ কোনো নিৰ্দিষ্টতা নাথাকে। বিষয়বস্তু অতি প্ৰাচীন হবও পাৰে, সাধাৰণতে প্ৰকাশভঙ্গীৰ বৈচিত্ৰ্যতা আৰু আধুনিকতাই হে তাক চলিষ্ণু আৰু প্ৰাণবন্ত কৰি তোলে।

কবিতাৰ দৰে প্ৰবন্ধকো মুখ্যতঃ দুটা বহল ভাগত বিভক্ত কৰা যায়—(১) তন্ময় বা বস্তুনিষ্ঠ আৰু (২) মন্ময় বা মনোধৰ্মী। বিষয় বস্তুক প্ৰাধান্য দি যি প্ৰবন্ধ ৰচনা কৰা হয় সি বস্তুনিষ্ঠ বা তন্ময়। বেজবৰুৱাৰ কৃষ্ণকথা', 'তত্বকথা', 'কামত কৃতিত্ব লভিবৰ সংকেত', 'বাখৰ' আদিত সন্নিবিষ্ট প্ৰবন্ধ বস্তুনিষ্ঠ বা তন্ময় শ্ৰেণীভুক্ত হব। ইংৰাজীত এনে ৰচনাক Formal বা Informative Essay বোলা হয়। এনে প্ৰবন্ধ সাধাৰণতে এটা সুনিৰ্দিষ্ট গণ্ডীৰ মাজত সীমাবদ্ধ থাকে। এনে প্ৰবন্ধ সুপৰিকল্পিত, ইয়াৰ আৰম্ভ, বিকাশ আৰু পৰিণতিও যথা পৰিকল্পিত। এনে ৰচনাত লেখক অতিশয় সংযত আৰু নিষ্ঠাবান হোৱা আৱশ্যক। লেখকৰ পাণ্ডিত্য, বুদ্ধি বা জ্ঞান-গভীৰতাৰ মাপকাঠিও এনে ধৰণৰ বস্তুনিষ্ঠ প্ৰবন্ধবোৰেই। সাধাৰণতে এনে ৰচনাৰ মাজেদি লেখকৰ ব্যক্তি-চিত্ত ব ব্যক্তিত্বৰ লগত পাঠকৰ বুদ্ধিৰ সংযোগ প্ৰতিষ্ঠা হয়, কিন্তু মন বা অন্তৰৰ সংযোগ প্ৰতিষ্ঠা নহবও পাৰে। লেখকে তেওঁৰ জ্ঞান গাম্ভীৰ্য্যত, অনন্য সাধাৰণ চিন্তা আৰু বুদ্ধিৰ প্ৰখৰতাৰ দ্বাৰা পাঠক-পাঠিকাক বিস্মিত কৰি তুলিব পাৰে। লেখক ব্যস্ত থাকে নীতি, জ্ঞান, তত্ত্ব আদি পাঠক-পাঠিকাৰ মাজত বিতৰণ কৰাত। এনে ৰচনাত লেখকক সদায় পাঠক-পাঠিকাৰ উৰ্দ্ধত অৱস্থিত বুলি অনুমান কৰা হয়।

বেজবৰুৱাৰ 'তত্বকথা', 'কৃষ্ণকথা', 'ভগৱৎকথা' আদিত সন্নিবিষ্ট প্ৰবন্ধসমূহত উল্লেখিত সকলোবোৰ লক্ষণ স্পষ্টভাবে পৰিস্ফুট। ই তেওঁৰ জ্ঞান গভীৰতা আৰু পাণ্ডিত্যৰ চৰম নিদৰ্শন। এনেবোৰ প্ৰবন্ধৰ মাজেদি গলে পাঠক-পাঠিকা মাত্ৰেই বেজবৰুৱাৰ পাণ্ডিত্য, ব্যাপক অধ্যয়ন, চিন্তাশীলতা আৰু জ্ঞান-গভীৰতাই পাঠক-পাঠিকাক বিস্মিত কৰি তোলা স্বাভাৱিক। 'বাঁহী' আদি কৰি আলোচনীবোৰৰ পাতত আজিও এনে ধৰণৰ বেজবৰুৱাৰ দ্বাৰা ৰচিত অসংখ্য প্ৰবন্ধ সিঁচৰতি হৈয়ে আছে। এনেবোৰ প্ৰবন্ধ আমাক পণ্ডিত বেজবৰুৱাক·

উপলব্ধি কৰাত প্ৰধান ভাবে সহায়ক হয়।

অসমীয়া সাহিত্যত বেজবৰুৱা বিখ্যাত আৰু একক তেওঁৰ মনোধৰ্মী প্ৰবন্ধৰাজিৰ কাৰণেহে। বস্তুনিষ্ঠ আৰু পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ বেজবৰুৱাৰ আগতে ঢেকীয়াল ফুকন প্ৰমুখ্যে দুই-এজনে আৰু পিছত অসংখ্যজনে ৰচনা কৰিছে। কিন্তু মনোধৰ্মী বা মন্ময় প্ৰবন্ধ ৰচক বেজবৰুৱাৰ বাহিৰে আৰু নাই বুলিবই পাৰি। যি দুই-চাৰিজনে এনে মনোধৰ্মী প্ৰবন্ধ ৰচনাত প্ৰবৃত্ত হৈছে তেওঁলোকৰ ৰচনা সংখ্যা আঙুলিমূৰৰ আধা মানতে বয়। কিন্তু বেজবৰুৱাৰ ৰচনা অলেখ। 'কাকতৰ টোপোলা,' 'ওভতনি', 'বুৰবুৰণি' আৰু 'বুলনিত' সন্নিবিষ্ট কৰাবোৰৰ উপৰিও 'জোনাকী', 'উষা', 'বন্তি', বাঁহী' আদি কৰি অসমীয়া আলোচনী কাকত আৰু 'পুণ্য' 'ভাৰতী' প্ৰমুখ্যে বঙালী আলোচনী কাকত আদিৰ বুকুত আজিও বেজবৰুৱাৰ দ্বাৰা ৰচিত অসংখ্য মনোধৰ্মী প্ৰবন্ধ সিচঁৰতি·হৈ আছে। কেৱল অসমীয়া বা ভাৰতীয় সাহিত্যতেই নহয়, বিশ্ব-সাহিত্যতো ইমান সংখ্যক মনোধৰ্মী প্ৰবন্ধলেখক সাহিত্যিকৰ সংখ্যা বিৰল।

এনেবোৰ মন্ময় বা মনোধৰ্মী ৰচনাৰ সম্পৰ্ক ব্যক্তিৰ চিন্তাতকৈ ব্যক্তি-অন্তৰ বা হৃদয়ৰ লগতহে বেচি। ইংৰাজীত এনে ৰচনাক Familiar বা Intimate Essay বোলা হয়। এনে ৰচনা চিন্তাপ্ৰধান নহয়, ভাৱপ্ৰধান হে। জ্ঞান বিতৰণ এনে প্ৰবন্ধৰ লক্ষ্য নহয়, জ্ঞানৰ বিষয়বস্তুক লঘু কল্পনাৰ দ্বাৰা উদ্দীপ্ত কৰি হাঁহি-কৌতুকৰ সহায়ত·পাঠক-পাঠিকাৰ চিত্ত মুগ্ধ কৰা হয়। এনে প্ৰবন্ধত বস্তুনিষ্ঠ প্ৰবন্ধৰ দৰে জগত বা জীৱন বিষয়ক বিভিন্ন জ্ঞানৰ আলোচনা দাঙি ধৰাৰ সুবিধা কম; কেৱল প্ৰবন্ধ লেখকে আত্মগত ভাবৰদ্বাৰা সকলো বিষয়কে স্নিগ্ধ, ৰমণীয় আৰু কমনীয় কৰি তোলে। হাস্য মধুৰ ব্যক্তিগত ভাবৰ প্ৰকাশ এনেবোৰ প্ৰবন্ধৰ কেন্দ্ৰীয় কথা। বস্তুনিষ্ঠ প্ৰবন্ধত লেখক পাঠক-পাঠিকাৰ উৰ্দ্ধত থাকে; কিন্তু এনে মনোধৰ্মী প্ৰবন্ধত লেখক আৰু পাঠক-পাঠিকাৰ মাজত কোনো প্ৰভেদেই নাথাকে। লেখকে যেন পাঠকৰ চিত্তভূমিত প্ৰতিষ্ঠিত হৈহে পাঠকৰ মনৰ কথা কব ধৰিছে। বস্তুনিষ্ঠ প্ৰবন্ধত আত্মপ্ৰকাশ বা আত্ম-প্ৰচাৰৰ ভাব স্পষ্ট, কিন্তু মন্ময় প্ৰবন্ধত আত্ম-নিবেদনৰ ভাবহে অনুভৱ হয়। বস্তুনিষ্ঠ প্ৰবন্ধ লেখক পাঠক-পাঠিকাৰ মানত শ্ৰদ্ধাৰ পাত্ৰ, কিন্তু মন্ময় প্ৰবন্ধকাৰ হয় অন্তৰৰ আপোনতকৈও আপোনজন। বস্তুনিষ্ঠ প্ৰবন্ধ পাঠৰপৰা পাঠক-পাঠিকাৰ মনৰ অজ্ঞান-অন্ধকাৰ দূৰ হয়, কিন্তু মন্ময় প্ৰবন্ধই কৰি দিয়ে আত্ম-পৰিচয়। বস্তুধৰ্মী প্ৰবন্ধৰ বিষয়বস্তু সাধাৰণতে গহীন-গম্ভীৰ, কিন্তু মনোধৰ্মী প্ৰবন্ধৰ বিষয়বস্তু সৰগৰ নক্ষত্ৰৰ পৰা নৰকৰ কীটলৈ সকলো; অৰ্থাৎ যি কোনো বিষয়বস্তুই মনোধৰ্মী

ৰচনাত ঠাই পাব পাৰে। মনোধৰ্মী ৰচনাৰ পৰিসৰ বহল আৰু বিস্তৃত (১৮)।

এনে প্ৰবন্ধত অতি প্ৰাচীন আৰু অপৰিচিত বিষয় বস্তুইও ৰূপ পায় আৰু সাধাৰণতে কল্পনাৰ সহায়ত প্ৰবন্ধকাৰে এনে বিষয়বস্তুক উপযুক্ত ভাব আৰু ভাষা প্ৰদান কৰি জীৱন্ত আৰু চিত্তগ্ৰাহী কৰি তোলে। এনে ধৰণৰ প্ৰবন্ধ হয় একান্ত ভাবে আত্মনিষ্ঠ, অকপট আৰু খেয়ালী বা কল্পনা প্ৰিয়। সুনিৰ্দিষ্টতা বুলিবলৈ এনে প্ৰবন্ধত একোৰেই নাই, বিষয়ৰ পৰা বিষয়ান্তৰলৈ পৰ্য্যটন কৰি ফুৰা আন এটি প্ৰধান লক্ষণ।

লক্ষ্মীনাথ বেজবৰুৱাৰ কাকতৰ টোপোলা, ওভতনি, ভাবৰ বুৰবুৰণি, ভাবৰ বুলনি আদিত সন্নিবিষ্ট· কৰা প্ৰায় আটাইবোৰ প্ৰবন্ধই এনে মন্ময়ধৰ্মী। 'তত্ত্বকথা বা 'কৃষ্ণকথা'ৰ দৰে গহীন-গম্ভীৰ বস্তুনিষ্ঠ ৰচনাবোৰতো মাজে মাজে লক্ষ্মীনাথৰ কৃপাবৰী ৰূপটোৱে ভুমুকি দিয়া কাৰণে সেইবোৰ প্ৰবন্ধইও সময়ে সময়ে মন্ময়ীৰূপ ধাৰণ কৰে। যেনে,—'তত্ত্বকথাত 'সগুণ আৰু নিৰ্গুণ ধৰ্মতত্ত্ব, আলোচনা প্ৰসঙ্গত অজামিলৰ বিষয় কবলৈ গৈ লেখিছে—"মৃত্যুকাল উপস্থিত হলত খালি পুত্ৰেক নাৰায়ণকে অজামিলে ভাবিবলৈ ধৰিলে। যমদূতে তেতিয়া তেওঁৰ জীৱটো দেহৰপৰা আকৰ্ষণ কৰিবলৈ ধৰিলে, তেওঁ 'নাৰায়ণ ঔ নাৰায়ণ! লৰি আহ! মোক নিলে ঔ।' এই বুলি অতি উচ্চস্বৰে মাতিবলৈ ধৰিলে। তেতিয়াই 'আমাৰ প্ৰভুৰ নাম লৈছে', বুলি চাৰিজন বিষ্ণুৰ দূত লৰি আহি, 'খবৰদাৰ! নিনিবি, এৰি দে, বুলি যমদূতক নিষেধ কৰিলে।" এনে ভঙ্গী নিশ্চয়কৈ হাস্যোদ্দীপক। এনে ভঙ্গীৰ প্ৰয়োগ বেজবৰুৱাৰ গহীন প্ৰবন্ধবোৰৰ মাজত প্ৰায়েই পোৱা যায়। বেজবৰুৱা বিখ্যাত এনে ধৰণৰ মনোধৰ্মী হাস্যোদ্দীপক প্ৰবন্ধৰ ৰচক হিচাবেহে। গধুৰ ভাৱসম্পন্ন বস্তুনিষ্ঠ প্ৰবন্ধৰ ৰচক আৰু বহুতো আছে, কিন্তু নাই মনোধৰ্মী এনে হাস্যোদ্দীপক প্ৰবন্ধৰ ৰচকহে। 'তিনি মাহাত্ম্য', 'বৰবৰুৱাৰ

(১৯) "Sometimes it is nearly a sermon, sometimes it is nearly a short story. It may be a fragment of autobiography, or a piece of nonsense. It may be a satirical or Vituperative or sentimental. It may deal with any subject from the day of Judgment to a pair of Scissors"

—Robert Lynd.

"The Essay serves for exposition, for debate, for persuation, for satire as well as for diversion and it can contract itself to the dimensions of a newspaper paragraph or enlarge itself into a volume."

—T. G. Williams.

ফটোগ্ৰাফ', 'চুমা-বিজ্ঞান', 'কঁকালৰ বিষ ভাল কৰিবৰ উপায়', 'বাৰজন বিখ্যাত লোকৰ জীৱন-চৰিত্ৰ' প্ৰমুখ্যে কেতবোৰ প্ৰবন্ধ যথাৰ্থতে অৰ্থশূন্য (Nonsense); হাস্যোদ্দীপক প্ৰকাশভঙ্গীয়েহে এইবোৰ ৰচনাক সৰস কৰি তুলিছে। আনহাতে 'পাৰ্লেমেণ্ট', 'জাতীয় ঐক্য', ঘুৰণীয়া মেজমেল', 'স্ত্ৰীস্বাধীনতা', 'বিহু', 'অৱতাৰ', 'ভাৰতউদ্ধাৰ' আদি ৰচনাৰ বিষয়বস্তু গহীন গম্ভীৰো। কিন্তু এই শ্ৰেণীৰ গহীন ৰচনাৰ উদ্দেশ্য মুখ্যত: জ্ঞান বিতৰণ নহয়, আনন্দ দানহে লক্ষ্য। অৱশ্যে হাঁহি-ধেমালিৰ মাজেদিয়েই জ্ঞান বিতৰণো নকৰাকৈ থকা নাই। এই ৰচনাবোৰৰ লক্ষ্য হ'ল জাতীয় আৰু ব্যক্তি জীৱনৰ সকলো প্ৰকাৰ দুৰৱস্থা বা প্ৰতিকূলতা আঁতৰাই উন্নতিৰ পথত অনুপ্ৰাণিত কৰা। কিন্তু কোনোটো প্ৰবন্ধই সুপৰিকল্পিত নহয় আৰু প্ৰায়ভাগতেই বিষয়ৰপৰা বিষয়ান্তৰলৈ গতি কৰিছে। প্ৰবন্ধকাৰ বেজবৰুৱাৰ মনত যেতিয়াই যিটো ভাব খেলাইছে তেওঁ তেতিয়াই সেইটোক ৰূপ দিছে মাথোন, সিও হাঁহি, কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত। প্ৰসিদ্ধ ইংৰাজ সমালোচক ডঃ জনচনৰ ভাষাৰে বেজবৰুৱাৰ এই ৰচনাবোৰক অসংলগ্ন প্ৰকাশ (loose sally of the mind) বা বেজবৰুৱাৰ চিত্তৰ বিকাশ বুলি অনুভৱ কৰিব পাৰোঁ, তেওঁৰ হাঁহিয়েই হৈছে আমাৰ হাঁহি, তেওঁৰ চিন্তাই আমাৰ চিন্তা, তেওঁৰ দোষেই আমাৰ দোষ আৰু তেওঁৰ গুণেই আমাৰ গুণৰূপে অনুভূত হৈছে (১৯)।

বেজবৰুৱাই বিভিন্ন ভাব আৰু চিন্তাযুক্ত অসংখ্য প্ৰবন্ধ ৰচনা কৰি অসমীয়া প্ৰবন্ধ সাহিত্যৰ স্বৰ্ণসৌধ ৰচনা কৰি গ'ল। তেওঁৰ দৰে বিভিন্ন আৰু বিচ্ছিন্ন বিষয়বস্তুক অৱলম্বন কৰি প্ৰবন্ধ ৰচনা কৰা সাহিত্যিক যে অসমীয়া সাহিত্যতেই আৰু নাই তেনে নহয়,—ভাৰতীয় কিয়—বিশ্বসাহিত্যতো যথাৰ্থতে বিৰল। তেওঁৰ প্ৰবন্ধৰ সংখ্যা যথাৰ্থতে বিপুল। কিন্তু বেজবৰুৱাৰ মনোধৰ্মী হাস্যোদ্দীপক প্ৰবন্ধৰ সংখ্যা গহীন বস্তুধৰ্মী প্ৰবন্ধতকৈ বেচি, গহীন-গম্ভীৰ বিষয়বস্তুযুক্ত প্ৰবন্ধৰ সংখ্যা আপেক্ষিক ভাবে কম। তথাপি বেজবৰুৱাৰ গহীন দাৰ্শনিক আৰু ধৰ্মীয় চিন্তাযুক্ত 'তত্ত্বকথা' 'ভাগৱৎকথা' বা 'শ্ৰীকৃষ্ণকথা'ত সন্নিবিষ্ট প্ৰবন্ধ-

---

(১৯) The mere egotism of the author freely confessed or subtly disembled forms the chief delight of the essay and the thoughts of the author at length become the thoughts of the readers, his passions become our passions, his humours ours, his vices and follies ours."

—Dr. Johnson.

সমূহৰ সমাদৰহে জনসমাজত আজিও বেচি। তেওঁৰ মনোধৰ্মী প্ৰবন্ধসমূহৰ সমাদৰ জন-সমাজত কম। অসমীয়া সমাজে আজিও বেজবৰুৱাৰ এই প্ৰবন্ধ-সমূহৰ প্ৰতি উপযুক্ত সমাদৰ জনাইছে বুলি ভাবিব নোৱাৰি। ইয়াৰ কাৰণ নোহোৱা নহয়।

অন্যান্য প্ৰান্তৰ ভৰতীয়ৰ দৰে অসমীয়া মানুহো ভাবপ্ৰবণ আৰু অধ্যাত্ম-বাদী। জীৱনক সৰল-সহজৰূপত চোৱাৰ বা গ্ৰহণ কৰাৰ মনোবৃত্তি আজিও আমাৰ বহুতৰে নাই। জীৱনৰ আনন্দ বা বেদনাক সহজভাবে গ্ৰহণ কৰাৰ প্ৰবৃত্তিও আমাৰ নাই। কিন্তু পাশ্চাত্য দেশৰ লোকসকল সাধাৰণতে আমাৰ পৰা বিপৰীতমুখী। তেওঁলোকে জীৱনক সহজ-সৰল ভাবেই গ্ৰহণ কৰি আহি আছে, জীৱনৰ আনন্দ আৰু বেদনাকো সহজ ভাবে গ্ৰহণ কৰে। ইংৰাজী সাহিত্যতো ভিক্টোৰিয়া যুগলৈকে এনে মনোভাবৰ প্ৰভাবেই আছিল বেচি। এডিচন-গোল্ডস্মিথৰ দিনৰ পৰা পোপ-ড্ৰাইডেনৰ দিনলৈ লঘু-হাস্যোদ্দীপক প্ৰবন্ধৰ প্ৰভাৱ আৰু সমাদৰ ইংৰাজী সাহিত্যত আছিল ব্যাপক আৰু বিপুল। সত্যনাথ বৰাৰ কেন্দ্ৰসভা আৰু বেজবৰুৱাৰ সৰহভাগ কৃপাবৰা বচনাৰ প্ৰেৰণাও যথাৰ্থতে এই ইংৰাজ লেখকসকলৰ বচনাই। গতিকে বিদেশী প্ৰভাৱপুষ্ট ভাৰতীয় চিন্তাৰ পৰিপন্থী বেজবৰুৱাৰ এনেবোৰ বচনাই যথোপযুক্ত সমাদৰ পাবলৈ অসমৰ্থ হোৱা অস্বাভাবিক নহয়। ব্যক্তিগত দোষ-ক্ৰটি বা দুৰ্বলতাক আশ্ৰয় কৰি বচনা কৰা সাহিত্যৰ প্ৰতি আমাৰ সমাজত আস্থা নথকাহে যেন স্বাভাৱিক কথা। আমাৰ অসমীয়া পাঠক-পাঠিকাই আজিও প্ৰবন্ধৰ মাজেদি আদৰ্শৰ হে সন্ধান কৰে। সাহিত্যিক যে দোষ-গুণযুক্ত এজন মানুহহে আৰু তেওঁৰ ব্যক্তিগত দুৰ্বলতাৰ ওপৰতো যে ৰসোত্তীৰ্ণ সাহিত্য বচনা সম্ভৱপৰ হব পাৰে, এনে কথা গভীৰতাৰে চিন্তা কৰি গ্ৰহণ কৰাৰ মানসিক প্ৰস্তুতি যেন আজিও আমাৰ বহুতৰেই নাই। এনেবোৰ কাৰণ বশতঃ বেজবৰুৱাৰ হাস্যোদ্দীপক মনোধৰ্মী প্ৰবন্ধসমূহ আজিও বহুতে বহুৱালি বুলিহে বিবেচনা কৰে আৰু সেই কাৰণেই তেওঁৰ এই ধৰণৰ প্ৰবন্ধৰ প্ৰভাৱ সমাজ জীৱনৰ ওপৰত কম। কিন্তু বিশ্বসাহিত্যৰ তুলনাৰে চালে বেজবৰুৱাৰ এনেবোৰ মনোধৰ্মী প্ৰবন্ধৰ মানবীয় আবেদন খুব বেচি।

কাৰ্টুনিষ্ট বেজবৰুৱা

অসমীয়া সৰ্বপ্ৰথম কাৰ্টুনিষ্ট লক্ষ্মীনাথ বেজবৰুৱা। তেওঁ কেৰিকেচাৰিষ্টো। যথাৰ্থতে ব্যঙ্গ-বিদ্ৰূপ—প্ৰধান তেওঁৰ আটাইখিনি ৰচনাকেই কেৰিকেচাৰ বুলিব পাৰি। কেৰিকেচাৰ আৰু কাৰ্টুন শব্দ দুটাও সমাৰ্থবাচক। সেই কাৰণে বিশেষ বিভেদ জ্ঞান নকৰাকৈ বেজবৰুৱাক আমি কাৰ্টুনিষ্ট বুলিয়েই অভিহিত কৰিব পাৰোঁ।

কেৰিকেচাৰ এটা ব্যাপক বস্তু; ই সাধাৰণতে ব্যঙ্গ-বিদ্ৰূপাত্মক ৰচনা মাত্ৰকেই বুজায়। ই ইটালীয়ান শব্দ কেৰিকেচাৰা (Caricatura)ৰ পৰা উদ্ভৱ হোৱা। ইটালীৰ চিত্ৰশিল্পী এন্নিবেল কেৰাচ্চিয়ে পোনতে তেওঁৰ দ্বাৰা চিত্ৰিত ধেমেলীয়া ভাব প্ৰকাশক চিত্ৰসমূহক বুজাবলৈ এই 'কেৰিকেচৰা' শব্দ প্ৰয়োগ কৰিছিল। এই চিত্ৰসমূহ শিল্পী এন্নিবেলৰ বন্ধুসকলৰ কাৰণে আছিল অনাবিল সৌন্দৰ্য্যৰ অফুৰন্ত ভাণ্ডাৰ স্বৰূপ। ষোড়শ শতিকাৰ শেষ ভাগত এন্নিবেলৰ (১৫৬০—১৬০৯) হাতত জন্মলাভ কৰা এই শ্ৰেণীৰ ব্যঙ্গাত্মক চিত্ৰৰ সমাদৰ ১৭শ আৰু বিশেষকৈ ১৮শ শতিকাত সমগ্ৰ ইউৰোপতেই বাঢ়ে। সাতবছৰীয়া ৰণৰ সময়ত 'মাৰকুয়েচ্ অব্ টাউনচেদে' তেওঁৰ প্ৰতিপক্ষক বিদ্ৰূপ কৰিবলৈ কেৰিকেচাৰৰ আশ্ৰয় লৈ অভূতপূৰ্ব সাফল্য লাভ কৰে। ইংলণ্ডৰ ৰাজনৈতিক উচ্ছৃংখলতাৰ সময়ত জেমচ্ গিলেৰী আৰু অন্যান্য কেৰিকেচাৰিষ্টসকলে এই কেৰিকেচাৰৰ সহায়ত ব্যঙ্গ-বিদ্ৰূপ কৰি তাত সংস্কাৰ সাধন কৰিবলৈ সমৰ্থ হৈছিল।

১৬শ শতিকাৰ ইউৰোপৰ ধৰ্মসংস্কাৰ আৰু ধৰ্মযুদ্ধৰ সময়তো হিয়েৰো নিমাচ বোচৰ কেৰিকেচাৰ সমূহে আন্দোলনৰ কৃতকাৰ্য্যতাত কম ইন্ধন যোগোৱা নাছিল। নেদাৰলেণ্ডৰ মুক্তি সংগ্ৰামৰ সময়ত কৃষক আৰু নগৰীয়াৰ নঃসহায়

কৰুণ ছবিবোৰ আকি আন্দোলন সফল কৰি তোলাত কেৰিকেচাৰিষ্ট পীট'ৰ ক্ৰবেলৰ অৱদানৰ কথাও আধুনিক জগতে পাহৰিব নোৱাৰে।

অৱশ্যে ছপাশালৰ আবিষ্কাৰ আৰু বাতৰি কাকতৰ আবিৰ্ভাৱৰ আগতে কেৰিকেচাৰ এটা সীমিত পৰিবেশৰ মাজতেই সীমাবদ্ধ আছিল। ছপাশাল আৰু বাতৰি কাকতৰ ব্যাপকতাৰ লগে লগে ইয়াৰ সমাদৰো সমগ্ৰ বিশ্বত বাঢ়িবলৈ ধৰে। কেৰিকেচাৰৰ সমাদৰ সাৰ্বজনীন হোৱাৰ কাৰণে গৌৰৱ অনুভৱ কৰিব পাৰে শিল্পী চাৰ্লচ ফিলিপনে। তেওঁ 'চেৰিৱাৰী' আৰু 'লা-কেৰিকেচাৰ' শীৰ্ষক আলোচনী দুখনৰ মাধ্যমত অতি ব্যাপকভাবে ইয়াক প্ৰচাৰ কৰি মানৱচিত্ত জয় কৰিবলৈ সমৰ্থ হৈছিল।

'কাৰ্টুন' শব্দৰ প্ৰয়োগ হয় আচলতে ইংলণ্ডৰ 'পান্চ' আলোচনী কাকতৰ পৰাহে। এইখন সাপ্তাহিক ইংৰাজী আলোচনীৰ প্ৰতিষ্ঠাপক হেন্‌ৰী মেহু আৰু প্ৰথম সম্পাদক মাৰ্কলেমন। ১৮৪১ চনৰ পৰা এই ছকুৰি ছ বছৰ কাল নিৰৱচ্ছিন্ন ভাবে এই আলোচনীখন প্ৰকাশ হৈয়ে আহি আছে। ব্যঙ্গ বা বিক্ৰপাত্মক 'কেৰিকেচাৰ' বা 'কাৰ্টুন'ৰ সহায়ত সমাজ জীৱনৰ বিভিন্ন সাময়িক সমস্যা তীব্ৰভাবে আলোচনা কৰি আধুনিক জগতৰ আৰু বিশেষকৈ ইংলণ্ডৰ উদ্‌গতিৰ স্বৰ্ণসৌধ ৰচনা কৰাত এই আলোচনীখনৰ অৱদান অপৰিসীম। সমাজৰ তথাকথিত উচ্চশ্ৰেণীয়ে অন্যায় ভাবে লাভ কৰা সুযোগ সুবিধা আৰু অন্যায় অত্যাচাৰৰ কথা ইয়াত ৰূপায়িত হয়। অৱশ্যে নিম্নভাবসম্পন্ন বা হীনমন্যতাপূৰ্ণ কথা বা সমস্যাৰ পৰা আঁতৰি থাকি এটা উন্নত আৰু পৱিত্ৰ পৰিবেশ গঢ়ি তোলাৰ প্ৰতিহে আলোচনীখন সততে প্ৰযত্নবান। এইখন আলোচনীয়ে বহুতো যশস্বী লেখক আৰু ব্যঙ্গ-চিত্ৰশিল্পীবো সৃষ্টি কৰিছে। সেয়ে নহয়, 'কেৰিকেচাৰ' আৰু 'কাৰ্টুন'ক মানৱ সমাজত সুদৃঢ়ভাবে প্ৰতিষ্ঠা কৰাৰ লগে লগে সকলো প্ৰকাৰৰ ব্যঙ্গাত্মক গল্প আৰু 'পেৰোদি'কো ইয়াৰ ভিত্তকৰা বুলি প্ৰতিপন্ন কৰিলে।

পাশ্চাত্যৰ লগত সাহিত্যিক সংযোগ প্ৰতিষ্ঠা হোৱাৰে পৰা ভাৰতবৰ্ষতো 'কেৰিকেচাৰ' আৰু 'কাৰ্টুন'ৰ সমাদৰ বাঢ়িব ধৰে। আজিৰ ভাৰতীয় আলোচনী 'শঙ্কৰচ্‌ উইক্‌লি' ইংলণ্ডৰ 'পান্চ' আলোচনীৰ সদৃশ প্ৰভাৱশালী। আধুনিক জগতৰ বিশেষকৈ, ভাৰতীয় জন-জীৱনৰ বিভিন্ন দুৰ্বলতা, দুৰ্নীতি, কুশাসন বা কুনীতিক ব্যঙ্গ-বিক্ৰপ বা নক্সা-চিত্ৰ আদিৰ সহায়ত তীব্ৰভাবে সমালোচনা কৰি সুস্থ সমাজবোধ গঢ়িবলৈ এই আলোচনীখনে কম অৰিহণা যোগাই থকা নাই।

জোনাকীযুগে অসমীয়া সাহিত্যত পাশ্চাত্যৰ পোহৰ পেলোৱা কথা আমি সকলোৱে জানোঁ। এই যুগৰেই যশস্বী আৰু প্ৰতিভাশালী শ্ৰেষ্ঠ অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱা। সম্ভৱতঃ পাশ্চাত্যৰ আদৰ্শত উদ্বুদ্ধ হৈয়ে তেওঁ অসমীয়া সাহিত্যত 'কেৰিকেচাৰ' আৰু 'কাৰ্টুন'ৰ প্ৰচলন কৰে। বেজবৰুৱাৰ প্ৰায় সকলোবোৰ ৰচনাৰ কেন্দ্ৰীয়ভাব স্বদেশ প্ৰেম। স্বদেশ, স্বজাতি আৰু বিশেষকৈ অসম আৰু অসমীয়াৰ উন্নতি সাধনেই আছিল তেওঁৰ জীৱনৰ ধ্যান। মান-ৰবাণৰ অত্যাচাৰ আৰু ইংৰাজৰ দমন নীতিয়ে পেপুৱা লগাই সাহ-পিত্ত হীনৰূপে পৰিগণিত কৰা বেজবৰুৱাৰ সময়ৰ অসমৰ শোষণ, দুৰ্নীতি, দুৰ্বলতা, এলাহ, পৰশ্ৰীকাতৰতা প্ৰভৃতি মনোবৃত্তি সাহিত্যৰ মাজেদি ৰূপায়িত কৰি এখন শুদ্ধ, সবল আৰু পৱিত্ৰ অসমীয়া সমাজ গঢ়াই আছিল বেজবৰুৱা সাহিত্যৰ চৰম লক্ষ্য। ইয়াকে কৰিবলৈ তেওঁ আশ্ৰয় ললে ব্যঙ্গ আৰু বিদ্ৰূপৰ। অকল সেয়ে নহয়,—ব্যঙ্গাত্মক চিত্ৰ আৰু নক্সাৰ সহায়তো তেওঁ এনেভাৱ প্ৰকাশ আৰু প্ৰচাৰ কৰিবলৈ নেৰিলে। বেজবৰুৱা-সাহিত্যৰ এনে ব্যঙ্গ-বিদ্ৰূপাত্মক ভঙ্গীয়ে 'কেৰিকেচাৰ' বা কাৰ্টুন'।

'পান্চ' আলোচনীয়ে সামৰি লোৱাৰ দৰে বেজবৰুৱাৰ প্ৰায় আটাইবোৰ ৰচনাকেই, বিশেষকৈ কৃপাবৰী ৰচনাবোৰক—'কেৰিকেচাৰ' বা 'কাৰ্টুন' বুলি সহজে অনুভৱ কৰিব পাৰি। ভণ্ডামি, শঠতা, দৰ্প, অহঙ্কাৰ, অভিমান, সোৰোপালি, ঈৰ্ষা, অসূয়া আদিৰে আচ্ছন্ন বেজবৰুৱাৰ সময়ৰ অসমীয়া জাতীয় জীৱনক সঞ্জীৱিত কৰি তুলিবলৈ বেজবৰুৱাই আশ্ৰয় লয় 'কেৰিকেচাৰ' আৰু 'কাৰ্টুন'ৰ। তেওঁ সকৰেপৰা সুন্দৰ চিত্ৰ-শিল্পী আছিল বুলিও তেওঁৰ জীৱন-সোঁৱৰণৰ পৰাই জনা যায়। ১৯০৯ চনত যেতিয়া 'বাঁহী' সম্পাদনা কৰিবলৈ লয়, তেতিয়াৰ পৰা কেইবছৰমানলৈ প্ৰায় প্ৰতি সংখ্যাতে বেজবৰুৱাই 'কাৰ্টুন' দিবলৈ ধৰিলে। জোনাকী যুগে পাশ্চাত্যৰ লগত অসমীয়া সাহিত্যৰ সংযোগ-সেতু বান্ধিলেও আৰু জোনাকীয়েই আধুনিক অসমীয়া সাহিত্যৰ সৃষ্টি আৰু বিকাশৰ প্ৰধান কাৰণ হলেও যথাৰ্থতে কাৰ্টু-নৰ সৃষ্টি কৰে 'বাঁহী' হে। কেইটামান কাৰ্টুনৰ কথা আলোচনা কৰিলে বেজবৰুৱাৰ কাৰ্টুন আৰু কাৰ্টুনিষ্ট বেজবৰুৱাৰো স্বৰূপ বুজিবলৈ আমি সমৰ্থ হ'ম।

লক্ষ্মীনাথ বেজবৰুৱাৰ বিশিষ্ট সৃষ্টি হ'ল কৃপাবৰ বৰবৰুৱা। তেওঁ 'কাকতৰ টোপোলা'ত কৃপাবৰ বৰুৱাৰ কাৰ্টুন ছবি এটা দি তলত এনেদৰে বৰ্ণনা দিছে :—

"কৃপাবৰ বৰবৰুৱা মহাধুৰ্ন্ধৰ।
ৰৰপেট টিকনিৰে মূৰ লৰকৰ॥

সুদর্শনহাতে বিষ্ণু শূলহাতে ভোলা।
মহেন্দ্ৰৰ বজ্ৰ কৃপাৰ কাকতৰ টোপোলা॥
অসম-গৌৰৱ ভানু কৃপা কল্পতৰু।
কলেবৰ শ্যাম যেন ভাতৰন্ধা চৰু।
চৈধ্যফকীয়া কৰি কৃপা ত্ৰয়াময়া বণে।
নিজৰ জীৱন কাব্য নিজে নিজে ভণে॥
এডণীয়া কচুৰ জাল মাকে খাইছিল।
দুষ্টৰ পিঠিত কৃপা নিত্যে থিয়াকিল॥
অন্যায়লৈ নগা-যাঠি ন্যায়লৈ কলচী।
কানি ভাং লাওপানী বহাই দকচি।
বাহুবলী ববৰুৱা চিন্তে পৰৰ ইষ্ট।
নোৱাৰি মিলাব পদ কৰে 'হেষ্টনেষ্ট'॥"

এই কাৰ্টুনটোৰ মাজেদি বেজবৰুৱাৰ ৰচনাৰ অন্তৰ্নিহিত ভাৱৰ সন্তেদ পোৱাৰ উপৰিও তেওঁ কৃপাবৰী ভাও লোৱাৰ কাৰণো অতি স্পষ্টৰূপে প্ৰতীয়মান হৈ পৰে। তেওঁৰ সময়ৰ অসম তথা ভাৰতীয় জীৱনত গোটখোৱা দুৰ্নীতি, দুৰাচাৰ আদি নাশ কৰিবলৈ যেন তেওঁৰ কাৰ্টুন, বা 'কৰিকেচাৰ'বোৰ 'বিষ্ণুৰ সুদৰ্শন, মহেন্দ্ৰৰ বজ্ৰ বা মহাদেৱৰ শূলহে'। এনে ৰচনা বা চিত্ৰৰ প্ৰধান লক্ষ্য যেন জাতীয় জীৱনৰ 'ইষ্টচিন্ত', কিন্তু দুষ্ট বা অন্যায়ৰ প্ৰতি এইবোৰ 'থিয়াকিল' ব 'নগা-যাঠি' হে। সন্ত-সাধুৰ প্ৰতি কিন্তু এইবোৰেই অমৃত বা শান্তি-সুষমাৰ 'কলচী' স্বৰূপ। লক্ষ্মীনাথ বেজবৰুৱাক বুজিবলৈ বা তেওঁৰ ব্যঙ্গ-বিদ্ৰূপাত্মক ৰচনাবোৰৰ কেন্দ্ৰীয় ভাৱ অনুধাবন কৰিবলৈ এইটো ব্যঙ্গচিত্ৰ আৰু ইয়াৰ মাজেদি প্ৰকাশিত ভাবেই যথাৰ্থতে যথেষ্ট।

বেজবৰুৱাৰ সৰহ সংখ্যক 'কাৰ্টুন' আছিল তেওঁৰ মানসিক চিন্তা বা সামাজিক পৰিস্থিতি বা চিন্তাধাৰাৰ পৰিস্ফুৰণ। ১ম বছৰ, ৩য় সংখ্যা বাঁহীৰ এটা কাৰ্টুন : 'ঘূৰীৰ বাঁহ'। সম্ভৱতঃ তেতিয়াৰ দিনত আলোচনী বা বাতৰি কাকত অসমীয়া মানুহৰ মানত কিবা আচহুৱা বস্তুৰ দৰেহে আছিল। বাতৰি কাকত আদিও যে বেচ দি কিনিব লাগে তাক হয়তো কোনো কোনো মহলত কল্পনাই কৰিবপৰা নাছিল। "উকিল, হাকিম, চিৰস্তাদাৰ, পেস্কাৰ, তহচিলদাৰ, মৌজাদাৰ, প্ৰভু ঈশ্বৰ আৰু ডাঙৰীয়াসকলৰ নিমিত্তে" বাতৰিকাকত বিনামূল্যে বিতৰণীয় বুলিহে বিবেচিত হৈছিল। এনে সামাজিক চিন্তাধাৰাক বিদ্ৰূপ কৰিয়েই সম্ভৱতঃ বাতৰি কাকতক "অপভিন্ন" কৰি 'ঘূৰীৰ বাঁহ' কাৰ্টুনৰ সহায়ত ব্যঙ্গ

কৰিলে—এই কাৰ্টুনটোত এটা ডিম্বাৰ খৰাহি কি পাচিৰ ওপৰত চেকুৰিবলৈ উদ্যত হোৱা ঘোৰাৰ ছবি এটা আছে। কাৰ্টুনটোৰ কাষত লেখা আছে—

বৰবৰুৱা ঃ—“মেৰ্চানেষ্ট” অৰ্থাৎ ঘূৰীৰবাঁহ নামে মাহিলি কাকত এখন উলিয়ালোঁ। সেই যে ডিম্বকেইটা দেখিছা, সেই কেইটা ফুটি ঘোঁৰাৰ পোৱালী গজিলেই মোৰ খৰচ বাঢ়িব। সেই দেখি মোক সোনকালে অগ্ৰিম গ্ৰাহক আৰু পইচা লাগে।

“Come Come, hurry up.”

কিন্তু তথাপি যেন বাঁহীৰ প্ৰতি বাইজক ইপ্সিত ধৰণে আকৰ্ষণ কৰিব নোৱাৰিলে, বাঁহীৰ বিৰুদ্ধে অপপ্ৰচাৰ আৰু বক্ৰোক্তি আদি চলিয়েই থাকিল। বাইজৰ এনে ৰক্ষণশীল, স্থবিৰ আৰু সংকীৰ্ণ মনোভাৱক ব্যঙ্গ কৰিয়েই সম্ভৱতঃ ১ম বছৰ, ৪ৰ্থ সংখ্যা বাঁহীত **“বৰবৰুৱাই বাঁহী বাজ কৰে”** নামৰ কাৰ্টুনটোৰ অৱতাৰণা কৰে। চাহাবী সাজ-পাৰ পৰিধান কৰা দৰীয়া বৰবৰুৱাই এটা চিকুং বাঁহীৰ দৰে দীঘল বাঁহী বজাইছে আৰু তাৰ কোমল মধুৰ ধ্বনিৰে যেন আকৰ্ষণ কৰিলে এজনী পুপুৰী নাৰীকহে। কাৰ্টুনটোৰ লগত এনেদৰে ব্যাখ্যা দিয়া হৈছে :—

“ৰ, ৰ, হতচিৰী হোৱা! নবজাবি! টানি-আজুৰি মানুহক মাৰিব খুজিছ নেকি? হামথুৰি খই পৰি যাওঁ যদি?”

বাঁহীৰ পাঠক মাত্ৰেই জানে, বেজবৰুৱাৰ প্ৰকাশভঙ্গী আৰু আখৰ জোটনিৰ কাৰণে কেনে তয়ামৰা ভূমিকা যুদ্ধৰ সৃষ্টি হৈছিল। বাঁহীৰ কেইবাটাও সংখ্যাত প্ৰকাশিত ‘কাৰ্টুন’ ‘লেখিবৰ নিয়ম’, ‘মুষলপৰ্ব বা ঢেকী-খোৱাপৰ্ব, আদিত এনে ভাৱৰ ভেটিত সংঘটিত হোৱা যুদ্ধৰ ভাৱ সুস্পষ্টৰূপে প্ৰকাশিত।

‘লেখিবৰ নিয়ম’ শীৰ্ষক কাৰ্টুনত তেওঁৰ আখৰ জোটনিৰ সমালোচকক কৰিছে ‘দীঘলা’ আৰু নিজে হৈছে ‘গাথলু’। দীঘলাৰ মূৰত জখলা এটা লগাই দি গাথলু উঠি যোৱাৰ উপক্ৰম কৰিছে। কাৰ্টুনটোৰ ব্যাখ্যা দিছে এনেদৰে,—

দীঘলা :—“মইমত্ত! এইখন কি ভুল লেখিছ? তোৰ বিদ্যাবুদ্ধি থাকিলেহে লেখিবৰ নিয়ম বুজি পাবি!

গাথলু :—“বোলোঁ সেই দেখিহে জখলা লগাইছোঁ, উঠি গৈ তোমাৰ ওলমি থকা বিদ্যাৰ টিকনিখন ধৰি লৰাই দিলে কিজানি অলপ বিদ্যাৰ বা পাৰেই।”

'মুষলপৰ্ব বা ঢেঁকীথোৰাপৰ্ব'ত দুজন মানুহ। তাৰে এজন চাহাৰী সাজ-পাৰ পৰিধানকাৰী। তেওঁৰ সোঁখন হাতত এডাল 'ি' আৰু বাওঁখন হাতত এডাল '"'। আনজন মানুহ দাবি-চুলি বখা, পিন্ধনত আঠুমূৰীয়া ধুতি। তেওঁৰ সোঁ হাতত 'ী' আৰু বাওঁ হাতত 'ৃ'। দুয়োজন মানুহৰ মাজত ভালেমান 'ি', 'ী', 'ু', 'ূ', 'ং', 'ঃ', '"' আদি সিচঁৰতি হৈ পৰি আছে। কাৰ্টুনটোৰ কাষত লেখা আছে :—

"কনিষ্টবল! কনিষ্টবল! পুলিচমেন! পুলিচমেন! এই দুটাই চন্দ্ৰবিন্দু, হ্ৰস্বউকাৰ, দীৰ্ঘউকাৰ আদি সাংঘাতিক অস্ত্ৰ লৈ যুদ্ধ কৰিছে। এতিয়াই খুনা-খুনি হব। ইহঁতক ধৰি লৈ যা! পাকোৰ! পাকোৰ! পাকোৰ!"

এই কাৰ্টুনটোৰ ভাৱ অনুধাবন কৰিলে এনে ধাৰণা হয় যেন আখৰ জোটনিৰ কাৰণে উদ্ভৱ হোৱা তৰ্ক-বিতৰ্ক বা ৰক্ বিতণ্ডা কেৱল অপ্ৰয়োজনীয়।

বেজবৰুৱাৰ হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপপূৰ্ণ ৰচনাবলীক তেওঁৰ সমকালীন অসমীয়া সমাজে সমাদৰতো জনোৱাই নাছিল, তেনে ৰচনা আৰু প্ৰকাশ-ভঙ্গীৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদহে চলিছিল,—সেই সময়ত তেওঁ যেন এটা প্ৰকাণ্ড হাতীহে। সামাজিক এনে চিন্তা বা কটাক্ষৰ ওপৰত প্ৰতিষ্ঠিত হৈ তেওঁ ৰচনা কৰিলে 'বৰবৰুৱাৰ হাতী অৱতাৰ।' প্ৰকাণ্ড দঁতাল হাতী এটা শুঁৰ-দাঙি এখন কিতাপ তাৰ আগত লৈ থিয় হৈ আছে। তাৰ মুখৰ পৰা এটা মানুহৰ মূৰ আৰু এখন হাত ওলাই আছে। ছবিৰ কাষত ব্যাখ্যা এনেদৰে তুলি ধৰিছে :—

"'হাতী' অৱতাৰ ভৈলা নবাগৰ মাজে
'ভাষাৰ অস্ফুট ধ্বনি, পেটৰ ভিতৰত গাজে।
(মূৰ উলিয়াই) কৰিলা নিৰ্ভয় পাইলা অসমে উল্লাস
ভক্ত বান্ধৱক প্ৰভু কৰিলা আশ্বাস।
'যদা যদা ভাষায়াং গ্লাণিৰ্ভৱতি ভাৰত
'হাথী' হাথিয়াৰ ধৰি হৈবেক বেকত'
কৰিলেক স্তুতি পৰি সুৰসুৰীয়া জাকে
উদ্ধাৰিলা সাধু ভাষা প্ৰভু শুঁৰৰ আগে।"

কেৱল ভাষাৰ ভেটীতেই বেজবৰুৱাই আৰু ভালেমান কাৰ্টুনৰ সৃষ্টি কৰিছিল ; ৪ৰ্থ বছৰ ৩য় সংখ্যা বাঁহীত প্ৰকাশিত 'সাধুভাষাৰ জাল' ৪ৰ্থ বছৰ ৪ৰ্থ সংখ্যাত প্ৰকাশিত '**Language Problem Solved**' (ভাষাসমস্যাৰ সমাধান), ৪ৰ্থ বছৰ ১১ শ সংখ্যাত প্ৰকাশিত 'উড্ডীয়মান ন অসমীয়া

ভাষা' ৪ৰ্থ বছৰ ৬ষ্ঠ সংখ্যাত প্ৰকাশিত "নতুন অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰম বিকাশ" অ'দিকৰি কাৰ্টুন বিলাকো ভাষা-সমস্যাৰ ওপৰতেই প্ৰতিষ্ঠিত। অৱশ্যে এই ভাষা সমস্যা অসমীয়া-বঙালীৰ টনা-আজোৰা সমস্যা নহয়; এই সমস্যা লক্ষ্মীনাথ বেজবৰুৱাই প্ৰয়োগ কৰা ভাষা আৰু শব্দৰ বিৰোধীসকলেৰে সংঘটিত হোৱা সমস্যাহে। ই বৰ্ণ, শব্দ বা বাক্য-বিন্যাসৰ বিষয়ে হোৱা সমস্যাহে। অৱশ্যে অৰুণোদয় যুগত পুনৰ সংস্থাপিত হোৱা অসমীয়া ভাষাৰ বৰ্ণ, শব্দ বা বাক্য বিন্যাসৰ বিষয়ে উদ্ভৱ হোৱা সমস্যা বহুপৰিমাণে নিৰ্ভৰ কৰিছিল উজনী আৰু নামনি অসমৰ উপভাষাৰ ভেটীত, সময়ত ইয়েই প্ৰবল ৰূপ ধাৰণ কৰিছিল। এনে ভাষ-সমস্যাৰ ওপৰত প্ৰতিষ্ঠিত কাৰ্টুন বিলাকৰ ভাব সুদূৰ প্ৰসাৰি নহয়, বহুপৰিমাণে সংকীৰ্ণ।

অন্যান্য ভাৱৰ ওপৰতো বহুতো কাৰ্টুন সৃষ্টি কৰিছিল। পাশ্চাত্য-শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱত নিজস্বতা বিসৰ্জন দি বান্দৰামি কৰা লোকক 'জগৰা-মণ্ডলৰ প্ৰেমাভিনয়' (জোনাৰবি), 'আমাৰ সংসাৰ' (সাধু কথাৰ কুকি), 'মলক গুইন গুইন' (সুৰভি) আদিত তীব্ৰ ভাবে বক্ৰাঘাত কৰাৰ দৰে বাঁহীৰ বিভিন্ন সংখ্যাত কাৰ্টুনৰ সহায়তো বিদ্ৰূপ কৰিছে। ১ম বছৰৰ ১ম সংখ্যা বাঁহীৰ এটা কাৰ্টুনৰ নাম দিছে 'দিনৰ সপোন'। দৰীয়া কিন্তু চাহাবী সাজ-পাৰ পিন্ধা এজন শকত-আৱত পুৰুষে চেলেউ হুপি হুপি আৰামী চকীত শুই কিতাপ এখন পঢ়ি আছে। চেলেউৰ ধোঁৱাৰ মাজেদি দেখা গৈছে আকাশ মাৰ্গত এগৰাকী অৰ্দ্ধনগ্না নাৰী। এই কাৰ্টুনটোৰ তলত লেখা আছে:

সিদিনা বঙলা শিশু শিক্ষা হাতে লই,
পঢ়িছিলোঁ হেলানি-চকীত গাটো থই।
মুখত চেলেউ এটা গুজি একচিত্তে,
ধোৱা কোৱা কৰিছিলোঁ হোঁপতে হোঁপতে।
"ৰমণী আসিছে তৰুণী ভাসিছে"
যেতিয়া পালোঁ পঢ়োতে।
ভাবে গদ্ গদ্ টানি হোঁপা দিলোঁ
সুন্দৰী ওলাল ধোঁৱাতে।"

ইয়াৰ পিছৰ সংখ্যা বাঁহীৰ কাৰ্টুন এটাও ঠিক সদৃশ ভাবসম্পন্ন। সুন্দৰ-সুশ্ৰী যুৱক এজনৰ হাতত এটি পানীৰ গিলাচ, তাৰ মাজেদি প্ৰতিফলিত হৈছে এটি নাৰী মূৰ্ত্তি। এই কাৰ্টুনটোৰ ব্যাখ্যা এনেদৰে দিয়া হৈছে।

'সম্মোহন কাব্য'

দেখিলোঁ কইনা সুন্দৰী মইনা
নাই গহনা পিন্ধিছে 'গাউন'
কাপোৰ কোছাই 'জেকেট' মেৰাই
হৈছিল যেন 'কলেক্টিভ গাউন'।
বগা মুখত মুগা চুলি, চকু ডহা
'পাউদাৰ' ঘঁহা,
মনোমোহা বিলাতী 'মিচ'।
যি কাম কৰোঁ, যিহতে ধৰোঁ একোতে নাপাওঁ সুখ
চকে ধৰি যায়, ডিগ্রিটো শুকায়, হুমুনিয়াহ কাঢোঁ।
পানী সোহামাৰোঁ, গিলাচটো দেখোঁ সেই মুখ।

এনে কাৰ্টুন আৰু আছে। এনেবোৰ কাৰ্টুনৰ মাজেদি বেজবৰুৱাই সমকালীন এক শ্ৰেণীৰ মানুহৰ জীৱন প্ৰবাহৰ ওপৰতেই পোহৰ পেলাবলৈ যত্নপৰ হৈছিল, অৱশ্যে ব্যঙ্গ-বিদ্ৰূপৰ সহায়তহে।

বিহুগীত আৰু বিহুনৃত্যক আজিও বহুতো অসমীয়াই ভালকৈ গ্ৰহণ কৰিব পৰা নাই। কিন্তু সমজাতীয় বিদেশী 'বলডান্চ' প্ৰভৃতিৰ উচ্চ প্ৰশংসা শুনা যায় এই একে শ্ৰেণীৰ মানুহৰ মুখতেই। এই শ্ৰেণীৰ মানুহৰ প্ৰতি ব্যঙ্গ-বাণ নিক্ষেপ কৰি তেওঁ 'বিহু' (বুৰবুৰণি), 'বৰবৰুৱাৰ গাত চতৰ বিহু' 'বৰবৰুৱাৰ বিহুনাম' (বুলনি) প্ৰভৃতি প্ৰবন্ধও ৰচনা কৰিছে। অৱশ্যে বিহুৰ নামত বলিয়ালী কৰা সকলক 'জানৰৰ পাচি বৰবৰুৱা' (বুলনি) আদিত বিদ্ৰূপ কৰিবলৈও কুণ্ঠাবোধ কৰা নাই। ৩য় বছৰ, ৬ষ্ঠ সংখ্যা বাঁহীৰ এটা কাৰ্টুনৰ নাম দিছে 'বিহুৱা ডাঙৰীয়া'। এজন বিহুবলীয়া যুৱকে চুৰিয়া-চোলা পিন্ধি আৰু মূৰত বিহুৱানৰ পাগমাৰি বিহুমাৰিবলৈ উদ্যত হৈছে। দুগৰাকী ৰক্ষণশীল পল্লী লোক আহি এওঁক বাধা দিছে—এজনৰ হাতত টাঙোন আৰু আন জনৰ মূৰত টিকনি, গাত লগুণ। কাৰ্টুনটোৰ ব্যাখ্যাত দিছে:—

বিদ্যাদিগগজ পণ্ডিত:—বি—বি—বি—বিহু—উৰ নাচ ব—ব—বৰ —নি—নি—নি—লাজ। —ছা—ছাত্ৰবোৰ গু—গু—গুচ্ইল।

নাঙলু:—তুমি বিহুনাম গাই, বিহু নাচ নাচি, নিলাজ কবিতা লেখি কুনীতি প্ৰচাৰ কৰি দেশখন তল নিয়ালা। হাক দিলে হুগুনাত পৰিলা বেজিয়া এই টোকোনেৰে মৰিয়াই তোমাৰ ককালৰ যোৰা ভাঙিম এতিয়া।

(বাঁহী, ৩ বছৰ, ৬ষ্ঠ সংখ্যা)

সাহিত্য আৰু কবিনাম যশঃপ্ৰাৰ্থী লোকসকলৈ বুলিও কেইবাটাও কাৰ্টুনৰ সৃষ্টি কৰিছিল বুলি ভাবিবলৈ অৱকাশ আছে। আজিও এদল তথাকথিত কবিয়ে ছন্দ আৰু আখৰৰ মিল থাকিলেই কবিতা হয় বুলি নভবা নহয়। বেজবৰুৱাইতৰ সময়ত এনে কবি যশঃপ্ৰাৰ্থীৰ সংখ্যা নিশ্চয় তাকৰীয়া নাছিল। এনে লোকলৈ বুলি সৃষ্টি কৰা এটা কাৰ্টুন হ'ল 'ঢেঁকীকবি'। কবিয়ে ঢেঁকী এটাৰ কাষত কাপ মৈলাম লৈ বহিছে, পিন্ধনত চুৰিয়া-চেলেং। কাৰ্টুনটোৰ ব্যাখ্যা এনেদৰে দিছে :—

"তোমাৰ বিৰহে ঢেঁকী জীওঁ কেনেকৰি ?
ঢেঙ্কৰু ঢেঙ্কৰুসুৰ, হায় ! যেনে বাজে
বাঁহী কদমৰ তলে কানুৰ। ধানা ধান
নিত্যে; খুন্দৰা ভাত্ত মোক; খৰাবৰ
মনে পথিককো "বৈ-যা খাই-য" মাতা।
লগতে তোমাৰ মোৰ গল ভাগি হিয়া!
নহবা নিৰ্দয় ঢেঁকী সমিধান দিয়া।"—(কাকতৰ টোপোল)

এনে একে ভাৱৰ ওপৰতে ৰচনা কৰিছিল তেওঁ 'কবি পোৱালিৰ উৎপাত' কাৰ্টুনটিও। আজিও আমাৰ মাজত এনে বহু লেখক আছে যিয়ে নিজৰ লেখাবোৰ প্ৰকাশৰ কাৰণে কোনো কাগজলৈ পঠায় আৰু 'বচা-টুট' বোৰ শুধৰাই দি প্ৰকাশ কৰিবলৈ বুলি সম্পাদকসকললৈ টানি অনুৰোধ জনায়। এনে ন-লেখকসকললৈ বুলিয়ে সম্ভৱতঃ 'কবি পোৱালিৰ উৎপাত' কাৰ্টুনটি নিক্ষেপ কৰিছিল। ইয়াৰদ্বাৰা তেওঁ এনেবোৰ কবিৰ উৎপাতৰ পৰা ৰক্ষা পোৱাৰ কামনাই সম্ভৱতঃ কৰিছিল।

কাৰ্টুনটো এনেদৰে অঁকা হৈছে—এটা হাঁহ, ইয়াৰ মুখখন মানুহৰ, পিঠিত এটা বোজা—তাত লেখা আছে—'পোহৰী—মাহিলি কাকত, আৰু তলত আছে কেইটামান পোৱালিহাঁহ—যিবোৰৰ মাজত লেখা আছে—'কবি পোৱালিবোৰ'। এইপোৱালিবোৰ ডাঙৰৰ পৰা সকলৈ ভিন ভিন অৱয়ৱ যুক্ত। কাৰ্টুনটোৰ তলত লেখা আছে :—

কবি পোৱালিৰ উৎপাত

৬। পোহৰী কাকতঃ টেঁ-টেঁ-টেঁ! টেঁ-টেঁ-টেঁ—টেঁ—ট।

১ম কবি পোৱালি : ঠাই দি ৰাখিবা মোৰ এই কবিতা পোহৰী কাকতখনত

পোহৰী। টেঁ-টেঁ-টেঁ!...টেঁ-ট ৯ম। বঢ়া-টুটাবোৰ, টুটাই-বঢ়াই শৰী, মোৰে মুৰৰ শপত॥ "শ্ৰীকৃপাবৰ।"

তথাকথিত সাহিত্যিক সকলৈ বুলিও বেজবৰুৱাই কাৰ্টুন নিক্ষেপ কৰিছিল। দুই-চাৰি এনে ব্যক্তিও আছে যিয়ে নিজকে সুবিখ্যাত কবি-সাহিত্যিক বুলি বিবেচনা কৰে, লোকৰ আগত সুযোগ পালেই প্ৰচাৰো কৰে, অথচ তেওঁলোকৰ নাই সাহিত্যিক প্ৰতিভা। এনেবোৰ ভণ্ড তথাকথিত সাহিত্যিকৰ প্ৰতি কটাক্ষপাত কৰিয়েই সম্ভৱতঃ 'ববৰুৱা আৰু ঢোকাৰাম শৰ্মা' কাৰ্টুনটোৰ সৃষ্টি কৰিছিল। কাৰ্টুনটোত দুজন মানুহ—এজন ডাঙৰ দীঘল আৰু পেটাল, তেওঁৰ দাড়ি-চুলিও আছে। এওঁৰ সোঁ হাতত এটা কাপ আৰু বাওহাতত এখন কিতাপ কি বহী। পিন্ধনত চুৰিয়া-চোলা। এৱেই স্বয়ং ববৰুৱা। এওঁ আন এজন চুৰিয়া চোলা পিন্ধা যুবকৰ পিঠিত আউজিছে। কাৰ্টুনটোৰ তলত লেখা আছে:—

ববৰুৱা আৰু ঢোকাৰাম শৰ্মা

"সখি আমায় ধৰ ধৰ"

ববৰুৱা:—ধৰাঁ, ধৰ', মোক ধৰা। 'কাইবৰ' ভাবৰ ভৰত মই পিছফালে ইমান হালিযাব লাগিছোঁ যে পৰিম এতিয়া। মোৰ পেটৰ ভৰতকৈও কাইবৰ ভৰ বেচি হৈছেহি।

ঢোকাৰাম শৰ্মা:—নপৰে; মই ঢোকা দি ধৰিছোঁ। আপুনি কাইবৰ ভাবৰ সেইটোত আৰু ফুঁদি ফুলাওক, ফুলাই মোৰ গাতে আউজি থাওক, ভয় নকৰিব।"

বাঁহীৰ ৮ম বছৰতে বেজবৰুৱাই কাৰ্টুন দিছিল। তাৰে এটা কাৰ্টুনৰ নাম দিছে 'জুগুলী কাকতৰ ট্ৰেড্‌মাৰ্ক'। গাধ এটাই এখন ঘোৰাৰ গাড়ী (বাগী) টানিব ধৰিছে। এই গাড়ীখন চলাইছে এটা মানুহৰ দৰে মুখখনৰে বান্দৰে। এই কাৰ্টুনটোৰ তলত ব্যাখ্যা স্বৰূপে একোকেই দিয়া নাই।

এই কাৰ্টুনটোই 'বাঁহী' কাকতৰ অলপীয়া প্ৰচাৰ আৰু ৰাইজৰ উদাসীনতা-কেইসম্ভৱতঃ সূচাইছে। গাধৰ বেগত 'বাঁহী'ৰ প্ৰচাৰ বা বিতৰণ হলেও যেন চতুৰ বেজবৰুৱাই কাগজ চলাইয়ে থাকিব। তেওঁৰ মনৰ অপৰাজেয় মনোভাৱ ইয়াৰ মাজেদি ৰূপায়িত হৈছে বুলি ভাবিব পাৰি।

ঠিক একেটা কাৰ্টুনকে দিছিল ৮ম বছৰৰ ৭ম সংখ্যা বাঁহীটো। এইটোৰ তলত ব্যাখ্যা দিছে এনেদৰে:—

উত্থান কাৰ্যিত্যিক হৰ্ণড্‌বুলৰ গাড়্যাৰোহণ

"হাঁহিছে কিয় ? খুচি দিম বুলি জনা নাই নে ?
আকৌ হাঁহিছে ?—অ' মোৰ শিং ভগা দেখি ? আকৌ গজিব ; আকৌ গজিব, তেতিয়া খুচিম ৰবি !"

"—ৰবৰুৱা কৃপাবৰ"

এইটো কাৰ্টুনৰ মূলভাবো অপৰাজেয় মনোভাৱ বুলি অনুমান কৰিব পাৰি। বিপদৰ সময়ত ভাগি নপৰি সাহসেৰে আকৌ কৰ্তব্যত ৰত হবলৈ ইয়ে উদগাৰ পাৰে।

বেজবৰুৱাই মনোধৰ্মী প্ৰবন্ধ বিলাকৰ মাজেদিও কৃপাবৰী ৰূপত ৰাজনৈতিক সমস্যাৰ ওপৰত ভুমুকি নমৰাকৈ থকা নাছিল। ৰাজনৈতিক সমস্যাৰ ওপৰত কাৰ্টুনো আঁকিছিল। অৱশ্যে ৰাজনৈতিক সমস্যাৰ ওপৰত প্ৰতিষ্ঠিত কাৰ্টুন বা কেৰিকেচাৰো প্ৰায়েই সাংস্কৃতিক জগতলৈহে ঢাল খাইছিল। ৪ৰ্থ বছৰ ৩য় সংখ্যা বাঁহীত প্ৰকাশিত এটা কাৰ্টুন হ'ল, 'ভোটৰ উপদ্ৰৱ' এখন ঠাইত চাৰিজন মানুহ শাৰীপাতি থিয় দি টনা-টনি কৰি আছে। এই সকলৰ ভিতৰত ভোটাৰ সম্ভৱতঃ এজনহে। এওঁ চুৰিয়া চেলেং পৰিহিত, মূৰত পাগ, এওঁক দেখিলেই অসমীয়া মানুহ বুলি জানিব পাৰি। সোঁ কালৰ পৰা এওঁক টানিছে এজন চাহাবী সাজ-পাৰ পৰিহিত যুৱকে আৰু বাওঁ কালৰ পৰা টানিছে চুৰিয়াচোলা পৰিহিত দাড়ি-চুলি আৰু টিকনিযুক্ত এজন মানুহে, এই টিকনিযুক্তৰ টিকনিত ধৰি টানিছে আকৌ আন এজন চুৰিয়া-চোলা পিন্ধা যুৱকে। মানুহকেইজনক সোঁ কালৰ পৰা ক্ৰমে ১, ২, ৩, ৪ সংখ্যাৰে চিহ্নিত কৰা হৈছে। কাৰ্টুনটোৰ তলত লিখা কথাখিনি হ'ল :—

২। (মাক) টনাটনি নকৰিবা ভাল নহয় এনে কথা।
আজোৰ-পিজোৰ কৰি যেন লাগিছে কঠাল-এঠা॥
ভোট গাৰো ডকলা মিৰি যি লাগে মই দিম।
(কিন্তু) এৰি দিয়া, ভাবি চাওঁ কাক দিম নিদিম॥

১। সেইটো হয়, সেইটো হয়, কিন্তু এটি আছে,
অসমীয়াক নেদি বিদেশীৰ কান্দত পৰা পাছে,
সেই ভয়ত বাৰে বাৰে সোঁৱৰাইছোঁ এইটো।
টনাটনা কৰাটোৰ মানে মাথোঁ এইটো।

৩। বিদেশী স্বদেশী ভাব ক্ষুদ্ৰ মনৰ চিন।
সৰ্ব্বগুণ সৰ্ব্বদেৱ পূজাত নাই ভিন।
স্বজাতি বিজাতি ভাব অনুদাৰৰ হয়।
যোগ্যতালৈ চাই ভোট দিব কওঁ মই

১। (৩ লৈ চাই) তলমন, ডাঙৰীয়া, টিকনি ষাই ছিগি,
উদাৰতাৰ বক্তৃতাত থাকিলে আজি লাগি।
উকিল বাবুক (৪ক) কওক, অলপ ঢিলাই দিয়ক মুঠি।
শিকলিডাল ৰূপৰ হলেও, টিকান ষ'ব উঠি।

৪। (৩ক সম্বোধন কৰি) কৈ দিয়ক তেখেতক, নহও "বেহ্মজ্ঞানী গোঁডা।"
ত'ৰদৰে সম্ভৱ আছো ধূলি লব পৰা।
পদৰ ধূলি, মুখৰ ভোট, মাথো ম'গো মই।
'লেজিলেটি' সভাত থান দিয়া উচিত হয়।

৩। মইতো কৈছোঁ, আকৌ কওঁ, হেৰি মহাত্মন শুনিব!
শৰণ মগা তেখেতক নাযাইবাহ এৰি।
যদিও মই অসমীয়া ঠিক কথা কওঁ।
আৰ হয় আপোনাৰ পাৰৰ 'বালাই' লওঁ।
অসমীয়াই অসমীয়াৰ নুবুজে 'দৰদ'।
আমি তিৰী, বিদেশীহে আমাৰ 'মৰদ'।
বিদেশীহে অসমীযাৰ অভাৱবোৰ বুজে।
'লেজিলেটিত' অসমীয়াই অসমীয়াক নুযুজে।
এতেকেহে মহাত্মক পুণ্যৰ নিদান,
মোৰ মুনিবক ভোট দি ৰক্ষ কৰ প্ৰাণ

২। কিনো কথাষাৰ কলা, অসমীয়া ভাই,
অসমীয়াক কি লাগে নাজানে অসমীয়াই?
অসমীয়াক লফা শাক নে মণ্ডৰ আঞ্জা লাগে,
অসমীয়াই ভু নাপায়, বিদেশীয়েহে বুজে?
ষোৰা গুচা, তোমাৰ কথাৰ ভেদ পালোঁ মই,
ভোটৰ বেলিকা বিদেশীজন অসমীয়া হয়।
আন কালত সকলোতে অসমীয়াক হিংসে,
কথায় কথায় অসমীয়াক 'ভূত' বুলি দংশে।
এৰি দিয়া হাত মোৰ, মুৰ্ব্বীৰ ধৰা ভৰি,

তোমাৰ নিচিনা লোকৰ উচিত এৰা অসমীয়াৰ শাৰী।
(১ৰ কাণে চাই) বলক, মই অসমীয়াক ভোট ফেৰা দিওঁ,
(সেই) তেওঁৰ দৰে আত্মসন্মান—অন্ধলা নহওঁ।
বাৰেপাচী মিছা কথাত ভুলিছিলোঁ মই।
সেইদেখি হে তেওঁৰ কথাত কাণ দিয়া হয়।

—শ্ৰীকৃপাবৰ।

এই কাৰ্টুনটো ১৯১২ চনৰ (১৮৩৪ শক) জানুৱাৰী কি ফেব্ৰুৱাৰী মাহত আঁকা। ই সেইসময়ৰ অসমৰ এটা সুস্পষ্ট ছবি দাঙি ধৰে। আজিও অসমত "ভাটিৰ বেলিকা বিদেশীজন অসমীয়া হয়" আজিও এক বৃজন সংখ্যক অসমীয়াই অসমীয়াৰ স্বাৰ্থৰ হকে কোৱা বা ভবা সংকীৰ্ণ-প্ৰাদেশিকতা বুলি বিবেচনা কৰি বাহিৰাগতক সমৰ্থন জনায় আৰু অসমৰ বাহিৰৰ ভাষা-সংস্কৃতিৰ প্ৰতিও সমাদৰ জনায়। বেজবৰুৱাৰ ভাষাত যথাৰ্থতে এই সকলৰ "**নিচিনা লোকৰ উচিত এৰা অসমীয়াৰ শাৰী।**" অসমৰ স্বাৰ্থৰ কাৰণে চিন্তা নকৰালোকৰ অসমত বসবাস কৰাৰ কোনো ন্যায়সঙ্গত হেতু থাকিবও নোৱাৰে। এনে কাৰ্টুনে বেজবৰুৱাৰ গভীৰ দেশাত্মবোধৰ নিদৰ্শনো দাঙি ধৰে।

এনেদৰে নানা ভাব প্ৰকাশৰ কাৰণে লক্ষ্মীনাথে কৃপাবৰী ৰূপলৈ কাৰ্টুনো আঁকিলে। অৱশ্যে ১ম বছৰ বাঁহীৰ প্ৰায় প্ৰতিসংখ্যাতেই কাৰ্টুন সংযোগ কৰাৰ দৰে পিছলৈ প্ৰতি সংখ্যাতেই কৰা নাই। শেষলৈ একেবাৰে কমি যায়। ইয়াৰ কাৰণ জনসমাজ বা পাঠক সমাজৰ অমনোযোগিতাই হব লাগে। বাইজৰ পৰা কোনো সমাদৰ লাভ নকৰাই সম্ভৱতঃ পিছলৈ কাৰ্টুন ছবি আঁকিবলৈ পাতলাই দিলে। কিন্তু কেৰিকেচাৰ ধৰ্মী ৰচনা নকমিল। জাতীয় জীৱন, বিশেষকৈ অসমৰ ভিন ভিন সমস্যাৰ ওপৰত হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ আলমত তেওঁ কেৰিকেচাৰ ধৰ্মী ৰচনা ৰচিয়েই থাকে।

সৰ্বপ্ৰথম কাৰ্টুনিষ্ট হিচাবে লক্ষ্মীনাথ বেজবৰুৱা কিমান সফল হ'ল সেইটোৰ সমীক্ষা তুলি ধৰা সহজ নহয়। এই কাৰ্টুনবিলাকৰ ভিতৰত কৃপাবৰবৰবৰুৱা' আদি কৰি দুই-এটা কাৰ্টুন বেচ ভাবোদ্দীপক। তেওঁ ৰাজনৈতিক সমস্যাৰ ওপৰত বেছি কাৰ্টুন অঁকাই নাছিল যেন লাগে। কাৰণ কাৰ্টুনবিলাকৰ সৰহ ভাগেই সাংস্কৃতিক জীৱন বিষয়ক। 'মুষলপৰ্ব বা ঢেকীথোৰা পৰ্ব'ৰ দৰে দুটা এটা কাৰ্টুন ব্যক্তিগত ভাবৰ ওপৰতো প্ৰতিষ্ঠিত বুলিব পাৰি। তেওঁ 'কাৰ্টুন'ৰ দ্বাৰা খুব বেচি কৃতকাৰ্য্য হৈছিল বুলিবও নোৱাৰি, কাৰণ তেওঁৰ কাৰ্টুনে তেনেদৰে সমাদৰেই লাভ কৰা নাছিল। বেজবৰুৱাই কাৰ্টুন-শিল্পৰ সৃষ্টি কৰাৰ প্ৰায়

তিনিকুৰি বছৰ পিছত আজি কিন্তু কাৰ্টুনৰ সমাদৰ খুব বাঢ়িছে। আজি আন্তৰ্জাতিক খ্যাতি সম্পন্ন শঙ্কৰ, কুট্টী, হোমা প্ৰভৃতি ভালেমান ভাৰতীয় কাৰ্টুনিষ্টৰ সৃষ্টি হৈছে। সেয়ে নহয়, অসমতো ত্ৰৈলোক্য দত্ত, পুলিন গগৈ প্ৰমুখ্যে কেইবাজনো কৃতী কাৰ্টুনিষ্টৰ সৃষ্টি হৈছে।

কিন্তু এওঁলোকক লক্ষ্মীনাথৰ প্ৰভাব-পুষ্ট কাৰ্টুনিষ্ট বোলা টান। লক্ষ্মীনাথে পাশ্চাত্যৰ প্ৰভাৱত কাৰ্টুন আৰু কেৰিকেচাৰৰ সৃষ্টি কৰাৰ দৰে এওঁলোকেও পাশ্চাত্য বা আন্তৰ্জাতিক প্ৰভাৱৰ ফল স্বৰূপেহে কাৰ্টুনত মনোনিবেশ কৰিছে যেন অনুমান হয়। এওঁলোকৰ ওপৰত কাৰ্টুনিষ্ট বেজবৰুৱাৰ প্ৰভাৱ নাই বুলি ভাবিব পাৰি। কাৰণ আজিলৈকে বহুতো অসমীয়াই বেজবৰুৱা কাৰ্টুনিষ্ট আছিল বুলিয়েই নাজানে। বেজবৰুৱাৰ কাৰ্টুনৰেই যে সমাদৰ সমাজ-জীৱনত কম তেনে নহয়, তেওঁৰ কেৰিকেচাৰ ধৰ্মী আটাইখিনি মনোধৰ্মী ৰচনাৰেই প্ৰভাৱ আপেক্ষিক ভাবে কম বুলিব পাৰি। আমাৰ সমাজে ব্যঙ্গ-বিদ্ৰূপ বা বহুৱালিপূৰ্ণ এনে ৰচনাক সমাদৰ জনোৱা নাছিল, আজিও এচামলোকে তেনে ৰচনাক সমাদৃত কৰিবলৈ টান পায়। বেদ-উপনিষদ-দৰ্শনৰ দেশ ভাৰতবৰ্ষত গহীন-গম্ভীৰ সাহিত্যৰহে সমাদৰ বেচি। কিন্তু সমাজ-জীৱনক বিশেষ ধৰণে প্ৰভাৱান্বিত কৰিবলৈ অসমৰ্থ হোৱা কাৰণে নাইবা তেওঁৰ অনুকৰণত অসমৰ কাৰ্টুনৰ প্ৰসাৰতা নঘটা কাৰণে কাৰ্টুনিষ্ট লক্ষ্মীনাথ ব্যৰ্থ হৈছিল বুলি ভবাৰ যুক্তি নাই। জোনাকী যুগীয়া এই চাম অসমীয়া লেখকৰ লক্ষ্য আছিল অসমত জোনাকৰ চল বোওৱা। যতেই যিহকে ভাল বুলি বিবেচনা কৰিছিল, তাৰে শৰা তাক গ্ৰহণ কৰি অসমত প্ৰচলন কৰি অসমীয়া ৰাইজক উদ্দীপ্ত কৰাই আছিল তেওঁলোকৰ লক্ষ্য। যি সময়ত পাশ্চাত্য দেশত কাৰ্টুন ছবি আৰু কাৰ্টুন বোলছবিয়ে সমাজ-জীৱনৰ ওপৰত অপূৰ্ব প্ৰভাৱ বিস্তাৰ কৰিবলৈ সমৰ্থবান হৈছিল আৰু অসম কিয়, সমগ্ৰ ভাৰতবৰ্ষতেই কাৰ্টুনৰ মোল বুজা হোৱা নাছিল সেই সময়ত বেজবৰুৱাই অসমত কাৰ্টুনৰ প্ৰচলন কৰিছিল। লগে লগে কাৰ্টুনৰ মৰ্য্যাদা বা মহত্বৰ প্ৰতি ৰাইজক আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁ কেৱল সৰ্বপ্ৰথম অসমীয়া কাৰ্টুনিষ্টেই নহয়, তেওঁৰ সময়ৰ সমগ্ৰ ভাৰতবৰ্ষতেই সম্ভৱতঃ তেওঁ কাৰ্টুনিষ্ট হিচাবে অগ্ৰণী আছিল। কাৰ্টুনিষ্ট বেজবৰুৱাৰ কৃতিত্ব ইয়াতেই।

বেজবৰুৱাৰ এই ব্যঙ্গচিত্ৰ কাৰ্টুনবোৰেই যে সমকালীন অসমীয়া ৰাইজক আকৰ্ষণ কৰিবলৈ অসমৰ্থ হৈছিল বা তেওঁৰ অন্যান্য মনোধৰ্মী ৰূপাৱৰী ৰচনাৰ প্ৰতিও যে অধিক সংখ্যক ৰাইজৰ অভিমত আছিল প্ৰতিকূল; এই বিষয়ে

তেওঁ সচেতনো আছিল। নতুন ভাৰত নতুন অসম গঢ়িবলৈ দৃঢ়পৰিকৰ হোৱা লক্ষ্মীনাথে কিন্তু এনে প্ৰতিকূলতালৈ সততে আওকাণ কৰিছিল। সম্ভৱতঃ তেওঁৰ গভীৰ বিশ্বাস আছিল যে জ্ঞান-বিজ্ঞানৰ প্ৰসাৰতাৰ লগে লগে তেওঁৰ দ্বাৰা প্ৰচলিত ন-ন ঠাঁচৰ সাহিত্য আৰু চিত্ৰৰো সমাদৰ বাঢ়িব। তেওঁ বিপুল পৃথিবীৰ অনাগত ভৱিষ্যতৰ কাৰণেই এনেবোৰ কাৰ্টুন আৰু কেৰি-কেচাৰৰ সৃষ্টি কৰি থৈ গৈছিল বুলিব পাৰি। ইয়ে বেজবৰুৱাৰ সবল আশা-বাদৰো নিদৰ্শন তুলি ধৰে। অসমীয়া কাৰ্টুন-শিল্পৰ প্ৰতিষ্ঠাপক লক্ষ্মীনাথ বেজবৰুৱাক লৈ অসমীয়া জাতি আজি গৌৰৱান্বিত আৰু সম্ভৱতঃ আজি তেওঁৰ কাৰ্টুন আৰু কেৰিকেচাৰৰ মৰ্মও শিক্ষিত আৰু চিন্তাশীল অসমীয়া মাত্ৰেই গভীৰভাৱে উপলব্ধি কৰিব।

কবি বেজবৰুৱা

লক্ষ্মীনাথ বেজবৰুৱা কবিও,—'কদমকলি' তেওঁৰ কবিতা-কোষ। ইয়াত বিভিন্ন ভাব আৰু ৰসযুক্ত চাৰিকুৰি এটা কবিতা সন্নিবিষ্ট হৈছে। ইয়াৰ উপৰিও তেওঁৰ দ্বাৰা ৰচিত 'অসম সঙ্গীত' প্ৰভৃতি ভালেমান কবিতা অ'ত ত'ত সিচঁৰতি হৈ আছে।

বেজবৰুৱাৰ কবিতা পঢ়িলে সহজে অনুমান কৰিব পাৰি যে তেওঁৰ কবি-প্ৰতিভা আছিল। কিন্তু তেওঁৰ কবি-প্ৰতিভা স্বতঃস্ফূৰ্ত ভাবে বিকশিত হোৱা নাই; পাশ্চাত্য আৰু বঙালী কবিতা পঠনৰ ফলস্বৰূপেহে ই বিকশিত হৈছে। জীৱন সোঁৱৰণত তেওঁ নিজেই কৈছে,—কলেজৰ ৩য় বাৰ্ষিক শ্ৰেণীত পঢ়োঁতে ইংৰাজী কবিতা পাঠ লগে লগে কি ভাবে সেই কবিতাবোৰৰ দ্বাৰা তেওঁ প্ৰভাৱান্বিত হৈছিল :—

"মোৰ মনৰ বহল পথাৰখন বাইৰনৰ কবিতাই কোমলালে, শ্বেলীৰ কবিতাই হালবালে, কীটছৰ কবিতাই মৈয়ালে আৰু ৰবীন্দ্ৰৰ কবিতাই এনে কৰিলে যে তাত লাহী ধানৰ কঠিয়াৰতো কথাই নাই, বিহমনা, কোট কৰা, পথৰুৱা বিহলঙনি আৰু চোৰাতকে আদি কৰি যিহকে গুটি হওক পৰিলেই, সিয়েই ভৰভৰ কৰি গজি 'মোক চা' 'মোক চা' কৈ উঠিব (২০)।"

ইয়ে বেজবৰুৱাৰ ওপৰত ইংৰাজ আৰু বঙালী কবিৰ প্ৰভাৱৰ গভীৰতা সুস্পষ্ট কৰি তোলে। কেৱল বেজবৰুৱায়েহে যে ইংৰাজী কবিতা বা কবিসকলৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল তেনে নহয়, চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে জোনাকী যুগৰ প্ৰায় আটাইকেইজন অসমীয়া কবিৰ ওপৰতেই পাশ্চাত্য আৰু বঙালী প্ৰভাৱ সুস্পষ্ট। অসমীয়া সাহিত্যৰ জোনাকীযুগীয়া আটাইবিলাক

---

(২০) মোৰ জীৱন—সোঁৱৰণ : প্ৰথম ভাগ, অষ্টম অধ্যা, ৮৫ পৃষ্ঠা।

কবি সাহিত্যিকৰ মাজেদি পাশ্চাত্যৰ ৰোমাণ্টিক ভাবধাৰা মূৰ্ত্তমান, কিন্তু ই বিপ্লৱৰ মাজেদি অহা নাই, বিকাশৰ মাজেদিহে বিকশিত হৈছে। আৰু এই বিকাশ ঘটিছে পাশ্চাত্য,—বিশেষকৈ ইংৰাজী সাহিত্য পঠনৰ ফলস্বৰূপে।

অসমীয়া সাহিত্যৰ জোনাকীযুগ অসমীয়া সাহিত্যত পাশ্চাত্যৰ ভাব প্ৰৱাহক। জোনাকীয়েই অসমীয়া সাহিত্যিকসকলক সৰ্বপ্ৰথম পাশ্চাত্যমুখী কৰি তোলে আৰু সাধাৰণতে এই ভাৱক ৰোমাণ্টিক ভাব বুলি কোৱা হয়, কিন্তু যথাৰ্থতে এই কবিসকলক সম্পূৰ্ণৰূপে ৰোমাণ্টিক বোলাও টান। কাৰণ এওঁলোকৰ কবিতাত প্ৰাচীন সনাতন পন্থী ক্লাচিকেল ভাৱে স্পষ্ট।

লক্ষ্মীনাথ বেজবৰুৱাৰো আটাইবোৰ কবিতা ৰোমাণ্টিক ভাৱসম্পন্ন নহয়, তেওঁৰ কেতবোৰ কবিতা প্ৰাচীন ক্লাচিকধৰ্মী, কেতবোৰ ব্যঙ্গাত্মক আৰু 'পেৰোদি'; বাকীবোৰহে ৰোমাণ্টিক ধৰ্মী। বেজবৰুৱাৰ কবিতাৰ ওপৰত ইংৰাজী ৰোমাণ্টিক কবিসকলৰ প্ৰভাব পৰিস্ফুট হৈ উঠাৰ দৰে ইংৰাজী সাহিত্যৰ পোপ-ড্ৰাইডেন আদি কবি ব্যঙ্গাত্মক কবিসকলৰ প্ৰভাবো সুস্পষ্ট। বেজবৰুৱাৰ কবিতা জানিব লাগিলে আমি ক্লাচিকেল আৰু ৰোমাণ্টিক কবিতাৰ স্বৰূপ অনুধাৱন কৰাৰ লগতে ইংৰাজী সাহিত্যৰ এই ব্যঙ্গ-সাহিত্যিক সকলকো অন্ততঃ আংশিক পৰিমাণে হলেও জানিব লাগিব।

আমাৰ বহুতৰেই ধাৰণা যে ক্লাচিকেল আৰু ৰোমাণ্টিক সাহিত্য সম্পূৰ্ণ বিপৰীতমুখী সাহিত্য। ই সত্য নহয়, ভ্ৰান্তহে। অধিক ক্ষেত্ৰতে একেজন কবিৰ কাব্যতে দুয়োটা ভঙ্গী পৰিদৃশ্যমান হয়। কবিয়ে জগত আৰু জীৱনৰ কথা যেতিয়া যথা বিহিত ৰীতি-নীতি আৰু সংযমৰ মাজেদি ধীৰ-স্থিৰ ভঙ্গীৰে প্ৰকাশ কৰে, তেতিয়া ই হয় ক্লাচিক ধৰ্মী আৰু যেতিয়া স্বকীয় কল্পনাৰ সহায়ত জগত আৰু জীৱনৰ মাজত মনোনিবেশ কৰে, তেতিয়া হয় ৰোমাণ্টিক ধৰ্মী। ক্লাচিক কল্পনাই মানুহক সংযত আৰু সমাহিত কৰে; আনহাতে ৰোমাণ্টিক কল্পনাই কৰে আন্দোলিত, উদ্বেলিত আৰু সচল। ৰোমাণ্টিক কল্পনা কোনো ৰীতি বা নিয়মৰ অধীন নহয়,—ই অশান্ত আৰু বিদ্ৰোহী। কিন্তু ক্লাচিক কল্পনা নীতি-নিয়মৰ অধীন, ই শান্ত সমাহিত। বেজবৰুৱাৰ কবিতাত উল্লেখিত দুয়োটা ভাৱৰেই বিকাশ ঘটিছে। 'প্ৰিয়তমাৰ সৌন্দৰ্য্য', 'ভ্ৰম', 'মালতী', 'চুমা', 'প্ৰিয়তমা' 'তোমাকেহে ভাল পাওঁ মৰমৰ সখী' আদি কবিতা ৰোমাণ্টিক ধৰ্মী, ই একান্তভাৱে কবি-চিত্তৰ কল্পনাৰ পোহৰত বিকশিত হৈ উঠিছে। আনহাতে 'ঈশ্বৰ আৰু ভকত', 'মহাপ্ৰয়াণৰ যাত্ৰী' আদি কবি কেইটামান কবিতা প্ৰাচীন ক্লাচিক কাব্যৰ সদৃশ ভাব সম্পন্ন, সংযত আৰু সমাহিত। ৰোমাণ্টিক

আৰু ক্লাচিক সাহিত্যৰ পাৰ্থক্য অতি সূক্ষ্ম। সাধাৰণতে যি কাব্য বা কবিতা কবি মনৰ কল্পনাৰ মাজেদি সূক্ষ্মাতি সূক্ষ্ম ৰূপত প্ৰকাশিত, সি ৰোমাণ্টিক আৰু যি কাব্য বা কবিতাই এক সীমিতৰূপ বা কল্পনাৰ মাজেদি আত্ম-প্ৰকাশ কৰে, সি হয় ক্লাচিকেল। পোনতে ৰোমাণ্টিকৰূপে পৰিগণিত সাহিত্যও হয় শেষলৈ ক্লাচিকৰূপে জনাজাত। ৰবীন্দ্ৰনাথ যথাৰ্থতে ৰোমাণ্টিক হে। কিন্তু তেওঁকে আদৰ্শ হিচাবে লৈ যেতিয়া সমগ্ৰ কবিকুলে সাহিত্য ৰচনা কৰাত প্ৰবৃত্ত হ'ল, তেতিয়া তেওঁৰ কাব্য হ'ল ক্লাচিক। আচলতে ক্লাচিক সাহিত্য অনুকৰণীয় বা অনুশীলনীয় ৰূপেও প্ৰখ্যাত হয়।

অসমীয়া সাহিত্যৰ 'জোনাকী' যুগক ইংৰাজী সাহিত্যৰ 'ৰিষ্টোৰেচন' (Restoration) যুগৰ লগত তুলনা কৰাহে যুগুত। ১ম চাৰ্লচৰ দিনত পাৰ্লামেণ্ট আৰু ৰাজ-শক্তিৰ মাজত সংঘটিত হোৱা সংঘৰ্ষত প্ৰায় সমগ্ৰ ইংলণ্ড সংশ্লিষ্ট থাকিব লগা হোৱাত সাহিত্য-সংস্কৃতিৰ চৰ্চা ইংলণ্ডৰ পৰা প্ৰায়েই বিলোপ হৈ গৈছিল। ২য় চাৰ্লচৰ ৰাজত্ব কালত দেশত শান্তি প্ৰতিষ্ঠা হোৱাতহে কবি-সাহিত্যিকসকলে আকৌ সাহিত্য সাধনাত মনোনিবেশ কৰে। 'ৰিষ্টোৰেচন' যুগৰ কবি-সাহিত্যিকসকলেও ইংৰাজী সাহিত্যত এক নতুন যুগৰ সৃষ্টি কৰিছিল। ব্যঙ্গ-বিদ্ৰূপ আছিল ড্ৰাইডেন প্ৰমুখ্যে কবিসকলৰ কবিতাৰ মুখ্য উপাদান। জোনাকীযুগে অসমীয়া সাহিত্যত প্ৰবন্ধ সাহিত্যক সুপ্ৰতিষ্ঠিত কৰাৰ দৰে ইংলণ্ডতো ড্ৰাইডেনৰ যুগহে গদ্য সাহিত্যক সুপ্ৰতিষ্ঠিত কৰে। সমালোচনা সাহিত্যইও সেই যুগতেই এটা সুস্থ ৰূপ পৰিগ্ৰহ কৰিছিল। অসমীয়া জোনাকী যুগৰ সাহিত্যৰ যথাৰ্থতে ইংৰাজী সাহিত্যৰ এই 'ৰিষ্টোৰেচন, যুগৰ লগত সাদৃশ্য বিচাৰি পোৱা যায়। সেইকালৰ পৰা লক্ষ্মীনাথক অসমীয়া সাহিত্যৰ ড্ৰাইডেন বুলি আখ্যায়িত কৰিবও পাৰি। আচলতে কেৱল লক্ষ্মীনাথৰ মাজেদিহে আমি 'ৰিষ্টোৰেচন' যুগৰ প্ৰভাৱ বিশেষ ভাৱে প্ৰতিফলিত হোৱা উপলব্ধি কৰোঁ।

'অৰুণোদয়' আৰু 'জোনাকী' যুগত অসমীয়া সাহিত্য ইংৰাজী আৰু বঙ্গালী সাহিত্যৰ প্ৰভাৱত গঢ় উঠা বুলি ভবাৰ দৰে সপ্তদশ শতিকাৰ শেষৰ পৰা অষ্টাদশ শতিকাৰ শেষলৈ এই কালছোৱাৰ ইংৰাজী সাহিত্যৰো প্ৰেৰণা আছিল ফৰাচী আৰু লেটিন সাহিত্য। তেতিয়াৰ ইংৰাজী কবিতাৰ প্ৰাণৰ লগত সম্পৰ্ক কমি গৈছিল। মস্তিস্ক বা বিচাৰ-ব্যঙ্গ আৰু বুদ্ধিনিষ্ঠ ভাবৰ কবিতাকেই সেই সময়ত শ্ৰেষ্ঠ কবিতা বুলি বিবেচনা কৰা হৈছিল। এনে কবিতা স্বাভাৱিকতে হৈ পৰিছিল নীৰস শব্দাৰম্বৰ মাত্ৰ।

লক্ষ্মীনাথ বেজবৰুৱাৰ কবিতাতো এনে ৰূপৰ প্ৰকাশ স্পষ্ট। কদমকলিত সন্নিবিষ্ট 'চন্দ্ৰা-ৰাধাৰ দ্বন্দ্ব', 'ধোৱাখোৱা', 'ভাৰতবৰ্ষীয় জাতীয় সঙ্গীত', 'বৃন্দা-চন্দ্ৰাৱলী সংবাদ'' 'ছয়ঋতুৰ ডাক' আদি কবিতা যথাৰ্থতে ইংৰাজী সাহিত্যৰ এই 'ৰিষ্টোৰেচন' যুগৰ ব্যঙ্গাত্মক কবিতাৰ আদৰ্শত ৰচিত বুলি অনুমান কৰাৰ যুক্তি স্পষ্ট। কাৰণ, বেজবৰুৱাৰ পূৰ্বে অসমীয়া সাহিত্যত এনে ব্যঙ্গাত্মক কবিতাৰ সৃষ্টি হোৱা নাছিল। বেজবৰুৱাৰ পিছতহে দণ্ডিনাথ কলিতা, চন্দ্ৰধৰ বৰুৱা প্ৰমুখ্যে দুই-চাৰিয়ে বুদ্ধিনিষ্ঠ ব্যঙ্গাত্মক কবিতা ৰচে। বেজবৰুৱাৰ এই শ্ৰেণীৰ কবিতাৰ বঙালী সাহিত্যৰ ভাৰতচন্দ্ৰ প্ৰমুখ্যে ব্যঙ্গাত্মক ভাবৰ কবিসকলৰ লগতো সাদৃশ্য দেখা যায়। এনে কবিতাত কল্পনাৰ সূক্ষ্মাতিসূক্ষ্ম অনুভূতিৰ বিকাশ নাই বুলিবই পাৰি। ব্যঙ্গ-বিদ্ৰূপেই ইয়াৰ প্ৰাণ। বেজবৰুৱাৰ এই শ্ৰেণীৰ কবিতাৰ বৈশিষ্ট্য এয়ে যে তেওঁ কবিতাবোৰ তেওঁৰ সময়ৰ অসম আৰু অসমীয়াক কেন্দ্ৰ কৰি ৰচনা কৰিছিল। লক্ষ্মীনাথৰ এনেবোৰ কবিতাৰ ভিতৰত কেইবাটাও 'পেৰোডি'ও আছে। অসমীয়া শঙ্কৰ-মাধৱৰ জাগৰণৰ গীতৰ পেৰোদি কৰাৰ উপৰিও ইংৰাজী সাহিত্যৰ শ্বেলী-কীট্‌ছৰ ঋতু-কবিতা আৰু বঙালী কবি দ্বিজেন্দ্ৰ লালৰ দেশাত্মবোধৰ কবিতাৰো লক্ষ্মীনাথে পেৰোডি কৰিছিল। লক্ষ্মীনাথৰ ব্যঙ্গাত্মক আটাইবোৰ কবিতাকেই 'কেৰিকেচাৰ' বুলিও আখ্যায়িত কৰিব পাৰি। উৎকট সংস্কাৰধৰ্মী ভাৱ এই কবিতাবোৰৰ ছন্দে ছন্দে অনুৰণিত হৈ আছে। আৰু যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱা প্ৰকৃত সাহিত্যিক গৰাকীৰ স্বৰূপ এনেবোৰ ব্যঙ্গাত্মক কবিতাৰ মাজেদিহে উপলব্ধি কৰা যায়। আৰু সেই কাৰণে 'অ'মোৰ আপোনাৰ দেশ'ৰ দৰে সুৰদি সুৰীয়া গভীৰ দেশপ্ৰেমৰ কবিতাতো তেওঁ সামৰণি মাৰে—

"অ' মোৰ আপোনাৰ দেশ।
অ' মোৰ সুকীয়া দেশ।
ৰা তা তা, ৰা তা তা
তা তা তা, ৰা তা তা
'অ' মোৰ মৰমৰ দেশ।" বুলিছে।

গ্ৰে, কলিন্‌চ, বাৰ্ণচ প্ৰমুখ্যে কবি সকলে ইংৰাজী সাহিত্যত 'ৰিষ্টোৰেচন' যুগৰ এনে তথাকথিত সংযমী সাহিত্যৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছিল যদিও যথাৰ্থতে কোলৰিজ আৰু ৱাৰ্ডচৱাৰ্থৰ 'লিৰিকেল বেলাডচ্'ৰ প্ৰকাশৰ লগে লগেহে ইংলণ্ডত ৰোমাণ্টিক যুগৰ সূত্ৰপাত হয়। মস্তিস্ক আৰু বুদ্ধিৰ পৰিবৰ্তে হৃদয় আৰু কল্পনাকহে এওঁলোকে কবিতাৰ উৎসভূমি বুলি আখ্যায়িত কৰে।

মহাবিশ্ব জুৰি এওঁলোকে কবিতাৰ সমল বিচাৰি পালে, মূক প্ৰকৃতিও হ'ল এওঁলোকৰ হাতত অনুভূতি প্ৰৱণ আৰু প্ৰাণোচ্ছল, সজীৱ আৰু স্পন্দনপূৰ্ণ। মহাকাশ আৰু নীলিমাৰ মাজত এওঁলোকে উপলব্ধি কৰিলে সুষমাময় সঙ্গীতৰ অনুৰণন; শিশু আৰু প্ৰকৃতিৰ মাজেদি অনুভৱ কৰিলে 'অবাঙ্-মনোগোচৰ' অপূৰ্ব বিস্ময়; অনৈসৰ্গিক জগতকো এওঁলোকে বাস্তৱ ৰূপে কল্পনা কৰিলে। অন্ধকাৰাচ্ছন্ন অতীতৰ মুখতো এওঁলোকে ভাষা দিলে; পতিত, ব্যথিত, শোষিত, নিপীড়িতৰ অন্তৰৰ উম্মাও এওঁলোকে প্ৰাণে প্ৰাণে অনুভৱ কৰিলে; আৰু মহাপ্ৰকৃতিৰ মাজত উপলব্ধি কৰিলে অপূৰ্ব সৌন্দৰ্য্য আৰু সত্যৰ সন্ধান। ৱাৰ্ডচৱাৰ্থে অতি নগণ্য বা সাধাৰণ বুলি বিবেচিত বা অৱ-হেলিত বস্তু বা প্ৰাণীতো অসাধাৰণত্ব আৰোপ কৰি প্ৰকৃতি-পূজাত আত্মনিয়োগ কৰিলে। অতিপ্ৰাকৃত বা অস্বাভাৱিকতাত স্বাভাৱিকত্ব আৰোপ কৰিলে কোলৰিজে; শেলীয়ে প্ৰচলিত সমাজ ব্যৱস্থাৰ বিৰুদ্ধে বিপ্লৱ ঘোষণা কৰি অনগত ভৱিষ্যতৰ কল্পনাত বিভোৰ হ'ল; বায়ৰণে বীৰ বেশে যোগ দিলে আত্ম-মুক্তিৰ কামনাত; কীটছে আত্মনিয়োগ কৰিলে সৌন্দৰ্য্য-সাধনাত আৰু স্কট ব্যস্ত হ'ল ঘন ঘটাচ্ছন্ন অতীতৰ বুকুৰ পৰা মধু আহৰণ কৰাত। এওঁলোক আত্ম-মুক্তিৰ কামনাত অধীৰ। ই কেতিয়াবা দুৰ্নিবাৰ কামনাৰ মাজেদি, অন্তৰৰ অশান্ত আৰ্তনাদৰ মাজেদি, বেদনা বিধুৰ নৈৰাশ্যৰ মাজেদি বা আন কেতিয়াবা সৰ্বজয়ী হৃদয়াবেগৰ মাজেদিও কাব্যত পৰিস্ফুট হৈ উঠিছে। এওঁলোকৰ ওপৰত ৰুচোৰ বৈপ্লৱিক জীৱন-দৰ্শন, জাৰ্মান দাৰ্শনিক কাণ্ট আৰু হেগেলৰ তুৰীয়বাদ আৰু ফৰাচী বিপ্লৱৰ সাম্য-মৈত্ৰী-স্বাধীনতাৰ বাণীৰ প্ৰভাৱ আছিল অতুলনীয়। এনেবোৰ বৈপ্লৱিক ভাবধাৰা উদ্বুদ্ধ হৈ ইংৰাজ কবি-সাহিত্যিক-সকলে সাহিত্যৰ সকলো দিশতে তুলিছিল নতুনৰ অপূৰ্ব আলোড়ন, যাৰ ফলত কবিতা, কাব্য, নাটক, উপন্যাস প্ৰভৃতি বিভিন্ন আৰু বৈচিত্ৰ্যময় সাহিত্যই ইংৰাজী সাহিত্যত তুলিছিল অভূতপূৰ্ব জাগৰণ। এই জাগৰণে সমগ্ৰ বিশ্বৰ কবিকুলকেই বিস্ময়-বিমুগ্ধ কৰি তুলিছিল।

লক্ষ্মীনাথ বেজবৰুৱা প্ৰমুখ্যে জোনাকী যুগৰ অসমীয়া কবিসকলো যথাৰ্থতে এনেবোৰ ভাৱ-ব্যঞ্জনাৰ দ্বাৰা অনুপ্ৰাণিত হৈছিল। সেয়ে আমি এওঁলোকৰ ৰচনাত এনেবোৰ ভাবৰ বিকাশ উপলব্ধি কৰোঁ। কিন্তু ই অসমীয়া সাহিত্যলৈ বিপ্লৱৰ মাজেদি নাহি বিকাশৰ ৰূপতহে আহিছে। কোনো কোনোৱে এই ভাব বঙ্গালী সাহিত্যৰ মাধ্যমত আহি অসমীয়াত প্ৰৱেশ কৰে বুলিও ভাবে। বঙালী সাহিত্যিক মধুসূদন দত্ত, বঙ্কিমচন্দ্ৰ, ৰমেশচন্দ্ৰ, হেমচন্দ্ৰ, নবীনচন্দ্ৰ আদি

লক্ষ্মীনাথইতকৈ অলপ আগৰ ; ৰবীন্দ্ৰনাথ, শৰৎচন্দ্ৰ প্ৰভৃতিসকল লক্ষ্মীনাথ-ইতৰ সমসাময়িক। মধুসূদনৰ 'বিদ্ৰোহী ভাব কল্পনা, বঙ্কিমচন্দ্ৰৰ নিষ্পেষিত আৰু নিৰ্য্যাতিতৰ প্ৰতি প্ৰীতি, ৰমেশচন্দ্ৰ আৰু নবীনচন্দ্ৰৰ অতীত প্ৰীতি, হেম-চন্দ্ৰ আৰু বিহাৰীলালৰ আত্মবিলাপ আৰু আত্ম-বিভোৰ, শৰৎচন্দ্ৰৰ পতিত আৰু নিৰ্য্যাতিতৰ প্ৰতি প্ৰীতি আৰু ৰবীন্দ্ৰনাথৰ বিশ্বআবোধ ৰূপৰ কল্পনাই কম-বেচি পৰিমাণে লক্ষ্মীনাথ প্ৰমুখ্যে আটাইকেইজন জোনাকী যুগৰ অসমীয়া কবিকেই প্ৰভাৱান্বিত কৰিছিল বুলি বিবেচনা কৰাৰ যুক্তি ক্ষীণ নহয়। অৱশ্যে অসমীয়া কবিসকলে নিজস্ব বৈশিষ্ট্য বিসৰ্জন দিয়া নাছিল। দেশৰ মাটিৰ লগত সম্বন্ধ ৰাখিহে এওঁলোক সাহিত্য সাধনাত প্ৰবৃত্ত হৈছিল।

বেজবৰুৱাৰ কবিতাৰ কেন্দ্ৰীয় ভাব প্ৰেম। এই প্ৰেম কেইবাটিও ধাৰাত বিভক্ত হৈছে,— (১) মানব প্ৰেম, (২) স্বদেশ প্ৰেম আৰু (৩) ভগবৎ-প্ৰেম। তেওঁৰ কেতবোৰ কবিতা নীতি-বচন মূলকো। তেওঁ কলেজৰ তৃতীয় বাৰ্ষিক বি, এ, শ্ৰেণীত পঢ়ি থাকোতে ২১ বছৰ বয়সৰ চকল যৌবনত 'চুমা' 'প্ৰিয়তমা', 'ভ্ৰম', 'প্ৰিয়তমাৰ সৌন্দৰ্য্য', প্ৰভৃতি উতলা প্ৰেমৰ কবিতাৰে আৰম্ভ কৰি শেষত 'ঈশ্বৰ আৰু ভকত' নাইবা 'মহাপ্ৰয়াণৰ যাত্ৰীৰে কবি-জীৱনৰ পৰিসমাপ্তি ঘটোৱা কথাটোও বিশেষ ভাবে মন কৰিবলগীয়া—যিয়ে কবি বেজবৰুৱাৰ জীৱনৰ লগত কাব্যিকতাৰ ঘনিষ্ঠ সম্পৰ্কও স্পষ্টকৈ তুলি ধৰে।

বেজবৰুৱা প্ৰেমৰ কবি। তেওঁৰ আদি বয়সত ৰচিত 'চুমা,' 'প্ৰিয়তমা,' 'প্ৰিয়তমাৰ সৌন্দৰ্য্য' প্ৰভৃতি উতলা-প্ৰেমৰ কবিতা। তৰুণ কবিয়ে উপলব্ধি কৰিছে যে জগতৰ সকলো বস্তুৰেই যেন চুমাৰ ৰাগীত বিভোৰ ;—কপৌ-কপৌৱনী, হৰিণা হৰিণী, ভাটৌ-ভাটৌৱনী, ফুল-ভোমৰা, আনকি আকাশে-ৰতাহেও কবিয়ে চুমাৰে ইটিয়ে সিটিক আকোৱালি লোৱা উপলব্ধি কৰিছে। সেয়ে তেওঁ ভাবিছে—

> "সেই দেখি লেখি লেখি এশ চুমা দিয়া।
> অন্তত ই প্ৰাণ মোৰ বুজ-বাজি লোৱা॥" —(চুমা)

কবিতাটোৰ সামৰণি অলপ কৃপাবৰী ভঙ্গীত পেলালেও প্ৰেমৰ কবিতা হিচাবে ই নিশ্চয় তাৎপৰ্য্যপূৰ্ণ।

'প্ৰিয়তমা' আৰু 'প্ৰিয়তমাৰ সৌন্দৰ্য্য' দুয়োটা কবিতা সদৃশ ভাবাপন্ন। দুয়োটাৰ মাজেদি প্ৰিয়াৰ ৰূপ বৰ্ণনাৰ লগতে কবিয়ে প্ৰেমৰ স্বৰূপো তুলি ধৰিবলৈ সমৰ্থ হৈছে। কবিয়ে প্ৰিয়াৰ ইন্দ্ৰিয়গ্ৰাহ্য দৈহিক ৰূপতকৈ আন্তৰিক সৌন্দৰ্য্যৰ ওপৰতহে অধিক গুৰুত্ব দিছে—

"নেলাগে সুন্দৰী মন প্ৰাণহাৰী,
দিয়া মোক এনে হিয়া,
যি হিয়াত মজি মোৰ এই প্ৰাণ
হৈ যায় নাইকিয়া।"

—প্ৰিয়তমাৰ সৌন্দৰ্য্য

'ভ্ৰম' আৰু 'প্ৰৱসুৱাৰ চিঠি' তো উভলা প্ৰেমৰেই স্বৰূপ বিকশিত হৈছে। কবি প্ৰিয়াৰ প্ৰেমত ইমান তন্ময় যে জগতৰ সকলো বস্তুৰ মাজেদি কেৱল প্ৰিয়াকেহে দেখা পায়—জগতৰ ধুনীয়া ধুনীয়া আনন্দদায়ক বস্তু বিলাকৰ সৌন্দৰ্য্যৰ মূলতেও কবিয়ে প্ৰিয়াৰ পৰশহে উপলব্ধি কৰে।

"নহয় পুখুৰী, প্ৰেমিকৰ হিয়া;
পানী নহয়, প্ৰেমৰস।
নৈ নহয়, ঠিক প্ৰেমৰ প্ৰবাহ
বিচাৰি প্ৰেম বিবশ।

× × ×

মলয়া নহয়, বিৰহীসকৰ
গোটখোৱা হুমুনিয়া।
প্ৰিয়তমাৰ গাত ওফন্দি পাৰছে
সেয়েহে জানা সন্ধিয়া। —একৰম।

ইংৰাজ কবি বাইৰণে 'All for Love' ত মানৰী প্ৰিয়াৰ সঙ্গ লাভৰ আশাৰ মাধুৰ্য্য দেখুৱাৰ দৰে বেজবৰুৱাই 'প্ৰৱসুৱাৰ চিঠি'ত তেনে ভাৱকে তুলি ধৰিছে। পূৰ্ণিমাৰ প্ৰাণভোলা নিশাত প্ৰিয়াৰ পৰা আঁতৰি থাকিলে প্ৰিয়ৰ মনত উদ্ভৱ হোৱা প্ৰতিক্ৰিয়াই ইয়াত ৰূপ পৰিগ্ৰহ কৰিছে। কবিয়ে—

পূৰ্ণিমাৰ ৰাতি আউসী আন্ধাৰে
প্ৰভেদ আছেনে কিবা?
জ্বালামুখী গিৰি আৰু মোৰ হৃদি
বিভিন বুজাই দিবা।"

——প্ৰৱসুৱাৰ চিঠি।

বুলি প্ৰিয়াহীন জীৱনৰ অসাৰ্থকতাৰ কথা উল্লেখ কৰিছে। প্ৰেমৰ গভীৰতাও কবিয়ে দাঙি ধৰিছে। 'প্ৰেম'ক প্ৰেমৰেই মূৰ্ত্তিমান প্ৰকাশ বুলিব পাৰি। প্ৰেমৰ গভীৰতা আৰু সৰ্বব্যাপকতাৰ বিষয় প্ৰকাশ কৰি—

(১) "মৰু বুকে, শিল গমে, বিন্দুৰ পৰশে ,
প্ৰেম আখ্যা মহাশক্তি জগৎ প্ৰকাশে।"

—প্ৰেম ।

(২) "প্ৰেমত ঘূৰিছে ভূমণ্ডল ।
প্ৰেমত ফুলিছে শতদল।"

—বেণুকা ।

বুলি কৈ প্ৰেমৰ শ্ৰেষ্ঠত্বই স্বীকাৰ কৰিছে।

বেজবৰুৱাই তেওঁৰ কেইবাটিও কবিতাৰ মাজেদি সঙ্গীত আদি সুকুমাৰ কলাৰ শ্ৰেষ্ঠত্বও ঘোষণা কৰিছে।

(১) "গা বীণ গা,
অমৃত সঙ্গীত,
শুকানে মেলক কুঁহি ।"

—বীণ-ব'ৰাগী ।

(২) "মৰ্ত্যৰ সন্তাপ আৰ্তৰক এখন্তক ,
দিব্যালোক প্ৰকাশক, আতমা জাগক ,
ধৰা মধুময় হক, ক্ষৰোক অমৃত,
উটি যাওক সি সোঁতত মোৰ কাঠচিত।"

—বাঁহী।

সেয়ে নহয়, কবি বেজবৰুৱাই বাঁহীৰ সুৰত আত্মা-পৰমাত্মাৰ অভেদত্ব বা অদ্বৈতবাদৰ ধ্বনিও যেন শুনিব পাইছে—

(৩) "অন্ত অনন্তৰ মাজত আসন,
বাঁহীটিত বাজে আত্মবিলোপন,
শুনাহে শুনাহে অমৃত-সন্তান,
আতমা পৰমাত্মাত ।"

—বাঁহী।

'তিলকা', 'নিমাতী কন্যা', 'ধনবৰ আৰু ৰতনী', 'ৰতনীৰ বেজাৰ' এই আটাই কেউটাকে কৃত্ৰিম মালিতা বুলি আখ্যায়িত কৰিব পাৰি। ইয়াৰ মাজেদি প্ৰাচীন সাধুকথাক কবিতাৰ ৰূপত-ৰূপায়িত কৰা হৈছে ; লগতে অক্লান্ত ৰোমাণ্টিক কবিৰ দৰে নিচলা-হজুৱা সাধাৰণ জন-জীৱনৰ প্ৰতি থকা গভীৰ প্ৰীতিৰ ভাবো সুস্পষ্ট হৈ বিকশিত হৈছে। 'তিলকা' প্ৰাচীন 'কমলাকুঁৱৰী' গীতৰ অনু-

কৰণত বচিত। বাঁৰী খাতমাউৰী তিলকাৰ একমাত্ৰ অৱলম্বন বুঢ়ী-মাক বাওলীও যেতিয়া মৃত্যুবৰণ কৰিলে, তেতিয়া নিঃসহায়া তিলকাৰ অন্তৰ ভেদি ওলোৱা কৰুণ ক্ৰন্দন ধ্বনিক গভীৰ অনুভূতিৰে ৰূপদান কৰিছে কবি বেজ-বৰুৱাই 'তিলকা'ত। বাকী কেওটি মালিতা গভীৰ প্ৰেম-সিক্ত। কেও কিছু নোহোৱা ধনবৰৰ জীৱনৰ একমাত্ৰ অৱলম্বন আছিল যেন প্ৰিয়া ৰতনী। যেতিয়া ৰতনীকো হেৰুৱাবলগা হ'ল তেতিয়া প্ৰেমিক ধনবৰে উপলব্ধি কৰিলে—

"ৰতনী হেৰাল মোৰ সকলো পৰিল ওৰ
আৰু মোৰ একো নাইকিয়া।"

ৰতনীৰ বিৰহত ধনবৰৰ অৱস্থা—

লুইতৰ পাৰতে কাৰে এৰা-বাৰী
চপৰা-চপৰে খহে ;
লুইতৰ পাৰতে কাৰে ধনবৰ
ৰতনীৰ বেজাৰত জহে।"

সঁচাকৈ অনুপম চিত্তাকৰ্ষক। ৰতনী বিহীন জীৱন সি অসাৰ্থক বুলি ভাবিলে আৰু সেয়ে লুইতৰ বিশাল শীতল বুকুত আশ্ৰয় লৈ হিয়াৰ পোৰণি নোহোৱা কৰিলে। 'ৰতনীৰ বেজাৰ'তো কবিয়ে প্ৰেমৰ গভীৰতাকেই চিত্ৰিত কৰি তুলিছে।

মালিতা কেইটাৰ ভিতৰত 'নিমাতী কন্যা' সবাতোকৈ অনুপম। ইয়াত প্ৰেমৰ গভীৰতাৰ লগতে সঙ্গীতৰ বা সুকুমাৰ কলাৰ মাহাত্ম্যও সুন্দৰ ভাবে পৰিস্ফুট কৰি তোলা হৈছে। কমতা কোঁৱৰে স্পষ্টকৈ অনুভৱ কৰিছে—

"জীৱনৰ উদ্দেশ্য, সৃষ্টিৰ সম্ভেদ, বীণত হে যেন গোঠা।" আৰু সেয়ে—
"বাই ফুৰে বীণ, হিয়া তাতে লীন, সকলো গল পাহৰি।"

এই কমতা কোঁৱৰ 'আলসুৱা' সঙ্গীতৰ মাহাত্ম্যৰ বিষয় সজ্ঞাগ কাৰণেই তেওঁ ৰজাক কৈছে :—

"............ এই বীণধ্বনি, লাও-খোলা আৰু কাঠ।
শুকান ছালেৰে সাজি ললোঁ মই, মাতিছে অমিয়া মাত।
আপোনাৰ জীয়ৰী, অতুল সুন্দৰী তেজ মঙহেৰে গঢ়া।
মাত উলিয়াটো টান কাম নহয় ; নাই কোৱা কথা বঢ়া।"

আৰু সঁচাকৈয়ে আজিন নিমাতী হৈ থকা কুঁৱৰীক বীণৰ সুৰত মুগ্ধ কৰি আলসুৱা কোঁৱৰে মাত উলিয়ালে আৰু কুঁৱৰীক লাভ কৰিলে।

ইয়াৰ মাজেদি কবি বেজবৰুৱাই ইয়াকে কব খিচাৰিছে, যে প্ৰেম অন্তৰৰ পবিত্ৰ সম্পদ ; ইয়াক দৈহিক বল-বিক্ৰম বা পাৰ্থিব বৈভৱৰ সহায়ত লাভ কৰা

নাথায়, ইয়াক পাব পাৰি একমাত্ৰ অন্তৰৰ বিনিময়ত। ব্যক্তিৰ অন্তৰে আন এখন অন্তৰৰ মাজত নিজক বিলিন কৰি দিলেহে আনৰ অন্তৰ জয় কৰিব পাৰে। অন্তৰ দি অন্তৰ পোৱা প্ৰেমৰ আনন্দহে প্ৰকৃত আনন্দ, ই পবিত্ৰ আৰু স্বৰ্গীয়ও। কবিয়ে 'নিমাতী কন্যা'ত এনে মহৎ প্ৰেমৰ নিদৰ্শনকেই দাঙি ধৰিছে।

'নিমাতি কন্যা' 'ককাদেউতা-নাতিল'ৰা'ত সন্নিবিষ্ট এটা সাধুও। সাধুটোৰ লগত কিন্তু এই মালিতাটোৰ সম্পৰ্ক নাই বুলিব পাৰি। সাধুটোত এজন কোঁৱৰে নিমাতীক লাভ কৰিলে ছলনাৰে—ৰাক্ষসী এজনীৰ সহায়ত। কিন্তু কবিতাটো তাৰপৰা সম্পূৰ্ণ পৃথক। ইয়াত আছে প্ৰেম আৰু সাধনা শক্তিৰ মহত্বৰ বিকাশ—সাধনাৰ অসাধ্য যেন একোৱেই নাই।

বেজবৰুৱাৰ আটাইকেইটি মালিতাতেই কবিৰ সূক্ষ্মানুভূতিৰ প্ৰকাশ, সুৰলা শব্দ, উপমাদি অলংকাৰ আৰু বিশেষকৈ সংযত ভাবৰ ব্যঞ্জনা স্পষ্ট। জ্যোতিপ্ৰসাদৰ 'নিমাতী কইনা'ৰ প্ৰেৰণা বেজবৰুৱাৰ 'নিমাতী কন্যা'।

'মোৰদেশ', 'অসম সঙ্গীত', 'বীণ-বৰাগী' আদি কবিতা বেজবৰুৱাৰ স্বদেশ প্ৰেমৰ উজ্জ্বলতম নিদৰ্শন। এই কবিতাকেইটি কেৱল বেজবৰুৱাৰ অন্তৰ স্বদেশ প্ৰেমৰেই পৰিস্ফুৰণ নহয়, ই অসমীয়া পাঠক-পাঠিকা মাত্ৰকেই গভীৰ দেশাত্মবোধত উদ্বুদ্ধ কৰিবলৈ সমৰ্থ হয়। 'মোৰ দেশ'ৰ 'অ মোৰ আপোনাৰ দেশ······'ৰ প্ৰাণ উতলোৱা গভীৰ দেশাত্মবোধৰ ভাৱে প্ৰতি গৰাকী অসমীয়াকেই হৰ্ষোল্লাসিত কৰি তোলা স্বাভাৱিক। ডঃ মহেশ্বৰ নেওগে কবৰ দৰে 'বীণ-বৰাগী'ত সঁচাকৈয়ে বেজবৰুৱাৰ স্বদেশ প্ৰীতি যেন গোটমাৰি নিগৰি নিগৰিহে ওলাব ধৰিছে। এই কবিতাটো বেজবৰুৱাৰ আশাবাদী মনৰো সুপ্ৰকাশ। কবিয়ে বৰাগীক অনুৰোধ কৰিছে—

"শুনা ঐ বৰাগী,
আনন্দৰ কাহিনী
আসামৰ যশৰাশি ;
হিয়া মোৰ হেৰ
বলৱন্ত হোক
পৰাণ উঠক উলাসি।"

অসমৰ যশৰাশিৰ পৱিত্ৰ সৌৰবণেৰে এসময়ৰ আত্মবিস্মৃত অসমীয়াক নৱজাগৃত কৰাই হ'ল বেজবৰুৱাৰ 'বীণ-বৰাগী' কবিতাৰ মূলভাব।

'বীণ-বৰাগী'ত—

"সৰগ এৰিছা, আকৌ সৰগ পাবাগৈ" বুলি কবি বেজবৰুৱাই মানুহ জীৱনৰ বৈশিষ্ট্যপূৰ্ণ তাৎপৰ্য্য তুলি ধৰি তেওঁ দেশবাসীক ইয়াৰ দ্বাৰা গভীৰ

ভাৰত উদ্বুদ্ধ কৰিব বিচাৰিছে। কবি বেজবৰুৱাৰ বিশ্বাস যে মানুহতে সবৰ্ণীয় অসীম শক্তি নিহিত হৈ আছে। আমি যদি এটিবাৰ মাত্ৰ এই অসীম শক্তিৰ সম্ভাবনাৰ কথা অন্তৰত উজ্জলাই তুলিব পাৰোঁ, তেতিয়া মানুহে সকলো অসম্ভৱকেই সম্ভৱ কৰি তুলিব পাৰিব। এলাহ-অৱসাদেৰে পৰিপূৰ্ণ অসম যেন আকৌ নৰক-ভগদত্তৰ দিনৰ অসমৰ দৰে উজ্জলি উঠিব। সেয়ে কবিয়ে মানুহক মানুহত নিহিত থকা অনন্ত শক্তিৰ কথা সোঁৱৰাই দিছে। ইয়াৰ দ্বাৰা কবি বেজবৰুৱাৰ মানৱতাবোধৰ নিদৰ্শনো আমি পাওঁ।

'অসম-সঙ্গীত' কবিতাটোও 'বীণ-বৰাগীৰ সদৃশ ভাৱসম্পন্ন। ইয়াতো কবিয়ে অতীত অসমৰ যশ-কীৰ্ত্তি সোঁৱৰিছে আৰু তেওঁ সমকালীন অসমৰ লগত অতীত অসমক তুলনা কৰি কৈছে—

"আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম;
সকলো আছিল, সকলো আছে, নুগুণো নলওঁ গম।"

বেজবৰুৱাৰ দৃঢ়-বিশ্বাস যে অতীতৰ ওপৰত বৰ্তমানৰ ভেটি আৰু ভৱিষ্যতৰ সোণৰ কাৰেং সুজাব নোৱাৰিলে ব্যক্তিৰ দৰে জাতিৰ জীৱনো হৈ পৰে ব্যৰ্থ। সেয়ে তেওঁ গৌৰৱময় অতীতৰ দ্বাৰা জাতিক উদ্বুদ্ধ কৰি তুলিবলৈ 'অসম-সঙ্গীত'তো প্ৰয়াস কৰিলে। বেজবৰুৱাৰ পিছত দেশাত্মবোধ উদ্দীপক ইমান মধুৰ আৰু চিত্তাকৰ্ষী কবিতা অসমীয়াত যথাৰ্থতে আনে ৰচনা কৰিব পৰা নাই। বেজবৰুৱাৰ পিচত যিসকলে দেশাত্মবোধৰ ওপৰত কবিতা ৰচনা কৰিলে, সেই সকলো বেজবৰুৱাৰ দ্বাৰা প্ৰভাৱান্বিত বুলিব পাৰি। 'অসম-সঙ্গীত'তো আমি বেজবৰুৱাৰ সবল-সুঠাম আশাবাদী মনৰেই পৰিচয় পাওঁ। বাস্তৱ জীৱনত যেনেকৈ তেওঁক প্ৰতিকূলতাই আচ্ছন্ন কৰিব পৰা নাছিল, তেনেকৈ কাব্য-জগততো হতাশা বা নিৰাশাৰ ছাঁ বেজবৰুৱাৰ কবিতাত অনুভৱ কৰা ন'যায়। তেওঁৰ কবিতা সবল আশাবাদৰ স্পষ্ট নিদৰ্শন। তেওঁৰ স্পষ্ট ধাৰণা—

"ওখ কৰা আশা।
নিৰাশা কৰ্ম্মনাশা।" —ৰেণুকা।

বেজবৰুৱাক আমি তত্বদৰ্শী ভগৱৎ প্ৰেমৰ কবি ৰূপেও পাওঁ। 'শ্ৰীকৃষ্ণ-কথা', 'ভগৱৎকথা', 'তত্বকথা' প্ৰভৃতি গভীৰ দাৰ্শনিক আৰু ভগৱৎ তত্ববিষয়ক প্ৰবন্ধমালাৰ মাজেদি তত্বদৰ্শী আৰু ভগৱৎপ্ৰেমী বেজবৰুৱা পৰিস্ফুট হৈ উঠাৰ দৰে 'ঈশ্বৰ আৰু ভকত', 'মহাপ্ৰয়াণৰ যাত্ৰী' প্ৰভৃতি কবিতাৰ মাজেদিও আমি ক্লাচিক' ভাৱসম্পন্ন তত্বদৰ্শী আৰু ভগৱৎপ্ৰেমী বেজবৰুৱাকেই উপলব্ধি কৰোঁ। মহাপ্ৰয়াণৰ যাত্ৰী লক্ষ্মীনাথে স্পষ্টকৈ উপলব্ধি কৰিছে যে অনন্ত জ্ঞানৰ তুলনাত

মানৱ জীৱনে লাভ কৰা জ্ঞানৰ পৰিমাণ কিমান তুচ্ছ, কিমান ক্ষুদ্ৰ! সেয়ে তেওঁ মুক্তকণ্ঠে স্বীকাৰ কৰিছে—

"জ্ঞান জ্ঞান কৰি কৰি
গোৰাঁলো জীৱন ঘূৰি ঘূৰি,
জ্ঞানৰ নাপালোঁ উৱাদিহ,
গোটালোঁ খোলাকুটি।" —মহাপ্ৰয়াণৰ যাত্ৰী।

সেয়ে তেওঁ এজন প্ৰকৃত ভক্তিমাৰ্গী বৈষ্ণৱৰ দৰে জ্ঞান-মাৰ্গৰ কথা পৰিহাৰ কৰি ভক্তি-মাৰ্গেৰে আগবাঢ়িব বিচাৰিছে। তেওঁ—

"ভকতৰ পদধূলি
মূৰত লৈ বাট বুলি,
প্ৰভুৰ সিংহাসনৰ তলত
আহা পৰোগৈ লুটি।" —মহাপ্ৰয়াণৰ যাত্ৰী।

বুলি সকলোকে আহ্বান কৰিছে। তেওঁ মুক্তিও নিবিচাৰে,—তেওঁ দৃঢ়—
(১) "মুকুতিৰ নকৰো বেহা।"—ঈশ্বৰ আৰু ভকত। তেওঁৰ আশা—
(২) "ভকতিত পাইঁ লওঁহক বল।"—ঈশ্বৰ আৰু ভকত।

যদিহে তেওঁ প্ৰকৃত ভকতৰূপে নিজক গঢ়ি তুলিব পাৰে তেনেহলে তেওঁ দৃঢ়ভাবে বিশ্বাস কৰে যে—প্ৰিয়তকৈ প্ৰিয়ই তোৰ আদৰি লবহি তুলি।" (বৰ আৰু সৰু) এই দৃঢ়তা আৰু সৰল আশাবাদৰ পৰশ লক্ষ্মীনাথৰ কবিতাৰ ছন্দে ছন্দে বিৰাজিত হৈ আছে। এই আশাবাদেই লক্ষ্মীনাথৰ কবিতাৰ প্ৰাণ।

'কামত কৃতিত্ব লভিবৰ সংকেত' আৰু 'বাখৰ'ত নীতিবচন বা হিতোপদেশ-মূলক কথাৰ সমাবেশ ঘটুওৱাৰ দৰে তেওঁ কবিতা বা ছন্দতো তেনে ধৰণৰ নীতিবচন তুলি ধৰিছে। 'কদমকলি' গোটেই কবিতাকোষখনত চাৰিকুৰি এটা কবিতা সন্নিবিষ্ট কৰাৰ দৰে তেওঁ 'বেণুকা'তো চাৰিকুৰি এটা উপদেশ বা তত্ত্বপূৰ্ণ বচন তুলি ধৰিছে।

(১) পৰিছা যি অৱস্থাত তাতে হোৱা সুখী।
চেষ্টা কৰি ভাল হোৱা ৰং কৰা সখি॥

(২) ওখ কৰা আশা।
নিৰাশা কমনাশা॥

(৩) প্ৰেমত ঘূৰিছে ভূমণ্ডল।
প্ৰেমত ফুলিছে শতদল॥

(৪) জীৱনটো যদিও দুদিনীয়া ;
প্ৰেম কিন্তু ঠিক যুগমীয়া।
(৫) সাহসতকৈ সৎগুণ ভাল।
সুন্দৰতকৈ ধৈৰ্য্য চিৰকাল ॥ —বেণুকা

প্ৰভৃতি যথাৰ্থতে নীতিবচন সদৃশ, কিন্তু ইয়াত সুদূৰ প্ৰসাৰী ভাব নিহিত আছে, অৱশ্যে,— সকলোৰে ভাল হওক সংসাৰত,
দুৰ্মতি সুমতি হওক।
সকলো সুখত থাকক, মোৰ ইচ্ছা,
সকলো দীৰ্ঘায়ু হওক।"

াদিক ঔপনিষদিক বাক্যৰ অনুকৰণত ৰচিত বুলি কবলৈ সুযোগ থাকিলেও কবি লক্ষ্মীনাথৰ জীৱনৰ লক্ষ্য বা দৃষ্টিভঙ্গীও ইয়াৰ মাজেদিয়েই সুন্দৰভাবে পৰিস্ফুট হৈও উঠিছে।

তেওঁৰ নিজৰ ওপৰত সদায় দৃঢ় বিশ্বাস আছিল, এটা শক্তিমন্ত কৰ্মময় জীৱন যাপন কৰাৰো তেওঁৰ গভীৰ ইচ্ছা আছিল। কিন্তু তেওঁৰ জীৱন কেতিয়াও সুগম বা স্বচ্ছ যে নাছিল সিও ধ্ৰুৰূপ—

"সংসাৰৰ ঠেলা, হেচা, টেপা
খাই আছোঁ দিনৌ দুঘোৰ ॥
এশ এটা শোকৰ তাপত,
এশ এটা নিৰাশাত হওক
মোৰ মনুষ্যত্ব বিকশিত।"—মোৰ জীৱন।

মনুষ্যত্ব বিকাশ কৰি এজন প্ৰকৃত মানুহৰ দৰে থাকিব বিচৰা কাৰণেই লক্ষ্মীনাথৰ আত্মবিশ্বাসো আছিল গভীৰ। গভীৰ ভাবে নিজক বিশ্বাস কৰা হেতুকেই ভাবিবলৈ সাহস পাইছে যে তেওঁ মৰাৰ পিছত অন্ততঃ জাতিয়ে সোঁৱৰিব,—

"বপুৰা বেচৰা! কইছিল এজুপি অশোক,
ফুলি যাৰ ফুল, আমোদিছে আসাম সদায়। —মৰণ।

হাস্য-ব্যঙ্গাত্মক প্ৰবন্ধ বা অন্যান্য ৰচনাৰ মাজেদি আমি যেনেকৈ লক্ষ্মীনাথ বেজবৰুৱাৰ স্বৰূপ উপলব্ধি কৰোঁ, কবিতাৰ মাজেদিও তেনেকৈ আমি তেওঁক উপলব্ধি কৰোঁ, তেওঁৰ কবিতাই আমাক গভীৰ ভাবত উদ্বুদ্ধ কৰিবও পাৰে। তেওঁ মানৱতা বা জাতীয়তা উদ্বোধন কৰিব পৰা কবিতা কেইবাটিও ৰচনা কৰিছে ; প্ৰেম-প্ৰণয়ৰো উজ্জ্বল নিদৰ্শন সুৰলা ছন্দৰ মাজেদিয়ে দাঙি ধৰিছে ;

কিন্তু তথাপি প্ৰবন্ধ সাহিত্যৰ মাজেদি লক্ষ্মীনাথৰ যি বিশাল প্ৰতিভাই বিকাশ লাভ কৰিলে, কবিতা বা কাব্যৰ মাজেদি সি সম্ভৱপৰ হৈ নুঠিল। এই কথা যেন তেওঁ নিজেও উপলব্ধি কৰিছিল আৰু সেয়ে তেওঁ 'কদমকলি'ৰ পাতনিত লেখিছে—"কবিতা হয় যদি হওক, নহয় যদি নহওক, বুলি মাজে সময়ে লিখা পদ্যবোৰ গোটাই একে ঠাই কৰি এই কিতাপখন কৰা হ'ল, কবি হবৰ দুৰাশা কৰি নহয়।" নিজৰ অন্যান্য ৰচনাৰ বিষয়ে তেওঁৰ নিজৰ এনে সন্দেহজনক মনোভাৱ আৰু অন্য ক্ষেত্ৰত পাবলৈ নাই। কিন্তু কবি প্ৰতিভা তেওঁৰ আছিল, শব্দাৰ্থ বা ছন্দজ্ঞানো আছিল সুপুষ্টই, যদিও দুই-চাৰিটা কবিতাত প্ৰায়েই ছন্দ বেসুৰা হৈ বাজি উঠে। আনকি বিদেশী কবিতাৰ আদৰ্শত ৰচিত কবিতাবিলাকো তেওঁ ব্যক্তিগত প্ৰতিভাৰ বোলেৰে জাতীয় ভাৱত ৰহণাই তুলিছিল। এই প্ৰসঙ্গত অন্ততঃ এটা নিদৰ্শন তুলি ধৰিলেই কথাটো স্পষ্ট হৈ উঠিব :—

বেজবৰুৱাৰ 'চুমা' কবিতাটো ইংৰাজ কবি শ্বেলিৰ 'Love's Philosophy' শীৰ্ষক কবিতাৰ অনুকৰণত ৰচিত বুলি ভবা হয়। শ্বেলিৰ কবিতাটো হ'ল—

The fountains mingle with the river
And the rivers with the ocean,
The winds of heaven mix for ever
With a sweet emotion ,
Nothing in the world is single,
All things by a law divine
In one another's being mingle
Why not I with thine ?
See the mountains kiss high heaven
And the waves clasp one another ;
No sister flower would be forgiven
If it disdain'd its brother :
And the sun-light clasp the earth,
And the moon beams kiss the sea—
What are all these kissings worth,
If thou not me

অসমীয়া কবি বেজবৰুৱাই 'চুমা'ত একে ভাবকে ৰূপায়িত কৰিছে এনেদৰে—

কপৌ-কপৌৱনী চুমাত বলিয়া
হৰিণা-হৰিণী আৰু,
ভাটৌ-ভাটৌৱনী চুমি চুমি চোৱা
খাইছে প্ৰেমৰ লাৰু।
ফুলে ফুলে চুমি ফুল মতলীয়া,
ভোমোৰা চুমাত পমা।
সবে চুমাময়, হেৰা তেন্তে মই
কিয়নো নাখাম চুমা ?
বতাহে বতাহে চুমাৰ বাতৰি,
পানীয়ে পানীয়ে চুমা।
আকাশ পাতাল চুমাৰ ভঁৰাল,
সেউতী চুমাত ঘমা।
চুমাৰ বাগীত গোকুল গোপিনী
থৰক-বৰক জীয়।
চুমা খাই খাই কাৰো তত নাই,
মই বা নাখাম কিয় ?
সেই দেখি লেখি লেখি এশ চুমা দিয়া।
অন্তত ই প্ৰাণ মোৰ বুজি বাজি লোৱা॥

শ্বেলিৰ কবিতাটোৰ লগত ইয়াৰ ঘনিষ্ঠ সম্পৰ্ক থাকিলেও কবি লক্ষ্মীনাথৰ নিজস্বতাৰ অভাৱ ইয়াত ঘটা নাই; "লেখি লেখি এশ চুমা দে" তেওঁ কৃপাবৰী ৰূপকো ইয়াত ভুমুকাই তুলিছে। তেওঁৰ অন্যান্য ৰচনাৰ দৰে কবিতাৰ মাজেদিও বৈশিষ্ট্যতা উপলব্ধি কৰা যায়। কিন্তু জীৱনৰ আদিম ছোৱাতে কবিতা-সাধনা পৰিহাৰ কৰা হেতুকে লক্ষ্মীনাথৰ কবিতাই পৰিপূৰ্ণতা লাভ কৰিবই নোৱাৰিলে যেন লাগে। কিন্তু তেওঁ যে সকলো ক্ষেত্ৰতে সংস্কাৰবিহীন মুক্তি-কামী শিল্পী সাধক আছিল তাৰ নিদৰ্শন তেওঁৰ অন্যান্য ৰচনাৰ দৰে কবিতাৰ মাজেদিও স্পষ্টভাবে অনুভৱ কৰা যায়। অসম সাহিত্য সভাৰ ১৯২৪ চনত বহা গুৱাহাটী অধিবেশনৰ সভাপতিৰ অভিভাষণৰ পৰা কোৱা—

"......প্ৰকৃত সাহিত্যৰ প্ৰধান লক্ষণ মুক্তি। যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধন-বিহীনতা স্বচ্ছন্দে লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃতবৎ। তাৰ আত্ম-প্ৰতিভা অবিকশিত, অহৃষ্ট, অপুষ্ট, অমহান।" তেওঁৰ

কবিতাৰ মাজেদিও অন্তৰ্ভুক্ত হয়। ই তেওঁৰ প্ৰাণৰ লেখা, ইয়াৰ মাজেদিয়ে সাহিত্যিক বেজবৰুৱা বিকশিত।

তেওঁ আমৰণ অসমীয়া ভাষা-সাহিত্য সংস্কৃতিৰ কাৰণে বঙালীৰ বিৰুদ্ধে সংগ্ৰাম কৰি গ'ল, কিন্তু বঙালীৰ মহৎ আদৰ্শ বা সুন্দৰক আগ্ৰহেৰে গ্ৰহণ কৰিবলৈ তেওঁ কুণ্ঠাবোধ নকৰিলে। ইংৰাজ কবিৰ আদৰ্শত কেইবাটাও কবিতা ৰচনা কৰাৰ দৰে তেওঁ ৰবীন্দ্ৰনাথৰ অনুকৰণতো ৰচিলে :—'সখী কোনে নো বজায়' কবিতাটো ৰবীন্দ্ৰনাথৰ 'ওলো কে বজায়' কবিতাৰ মুকলি অনুবাদ বুলি তেওঁ নিজেই স্বীকাৰ কৰিছে। 'দেৱযানী' শীৰ্ষক নাটকীয় কবিতাটোত ৰবীন্দ্ৰনাথৰ 'বিদায়-অভিশাপ'ৰ প্ৰভাৱ থকা বুলি ভবাৰ যুক্তি থাকিলেও কিন্তু প্ৰকাশভঙ্গী আৰু ভাবো ভিন ভিন। ব্যঙ্গাত্মক কবিতাবোৰ ইংৰাজী সাহিত্যৰ 'ৰিষ্টো-ৰেচন' যুগৰ ব্যঙ্গাত্মক কবিতাবোৰৰ আদৰ্শত ৰচিত বুলি ভবাৰ যুক্তিও স্পষ্ট। কিন্তু সেই বুলি বেজবৰুৱাৰ কবিতা মৌলিকতাহীন নহয়,—ভঙ্গী বা ভাবত সাদৃশ্য থাকিলেও তেওঁ কবিতা ৰচিলে অসমৰ অসমীয়াৰ কাৰণেহে। ইয়েই তেওঁৰ কবিতাৰ বৈশিষ্ট্য।

বেজবৰুৱাৰ শিশুসাহিত্য

প্ৰাচীন কালত সাহিত্য আছিল দেশ-কাল-পাত্ৰভেদে সকলোৰে কাৰণে সমানে উপাদেয়। মহাভাৰত, ৰামায়ণ আৰু পুৰাণ আদিত অসংখ্য উপাখ্যান বা সাধু সন্নিবিষ্ট হৈ থকা কাৰণে ই বয়সীয়াল বা প্ৰাপ্তবয়স্ক লোকৰ দৰে সাধাৰণ শিশুকো সমানে আকৰ্ষণ কৰিব পাৰে। শিশুমন কল্পনা আৰু অনুসন্ধিৎসুপ্ৰৱণ।" য'ত কল্পনা আৰু অনুসন্ধিৎসাৰ সংযোগ ঘটিছে, ত'তেই শিশুমনৰ পৰিপুষ্টি সাধনো কামনা কৰিব পাৰি। প্ৰাচীন কালৰ মানুহ আছিল শিশুৰ সদৃশ সৰল-সহজ মনৰ। সেই কাৰণে ৰামায়ণ-মহাভাৰতৰ দিনৰ সাহিত্যও আছিল শিশুসাহিত্য সদৃশ। শিশুমনেও তেনে সাহিত্যৰ মাজত মানসিক পৰিপুষ্টি সাধন কৰিবলৈ সমৰ্থ হৈছিল। ৰামায়ণ, মহাভাৰত বা পুৰাণ আদিৰ দৰে প্ৰাচীন ভাৰতীয় অন্যান্য কাব্য, মহাকাব্য, পঞ্চতন্ত্ৰ, হিতোপদেশ, জাতকমালা প্ৰভৃতি সাহিত্যও যথাৰ্থতে শিশু আৰু প্ৰাপ্তবয়স্ক সকলো শ্ৰেণীৰ মানুহৰ কাৰণে সমানে উপাদেয়। আজিৰ বৈজ্ঞানিক উৎকৰ্ষতাৰ দিনটো শিশুৰপৰা গভীৰ চিন্তাশীল ব্যক্তিলৈকে সকলো শ্ৰেণীৰ ব্যক্তিকেই এনে সাহিত্যই সমানে আনন্দিত কৰিব পাৰে। এই সাহিত্যৰাজীয়ে শিশুৰ মনত যেনেকৈ সাধুতা বা পৱিত্ৰতাৰ মচিব নোৱাৰা সাঁচ বহুৱাই, গভীৰ চিন্তাশীল ব্যক্তিকো তেনেকৈ তাৰ মাজত নিহিত থকা দাৰ্শনিক আৰু সমাজতাত্ত্বিক ভাৱধাৰাই উদ্বুদ্ধ নকৰাকৈ নাথাকে। প্ৰাচীন ভাৰতীয় সাহিত্যৰ ই এটি প্ৰধান বৈশিষ্ট্য।

এনেবোৰ লিখিত সাহিত্যৰ দৰে অসংখ্য অলিখিত বা মৌখিক আখ্যান বা সাধুকথাও আমাৰ দেশত অতি প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহি আছে। সংস্কৃত ভাষাত 'সাধু' শব্দৰ অৰ্থ সদাগৰ বা সাউদ। গতিকে 'সাধুকথা' ক'লে ত'ত বেহা-বেপাৰ কৰি ফুৰা সাউদ বা সদাগৰৰ কথা বুলি অনুমান

কৰা হয়। এই ধাৰণাটো অতিশয় তাৎপৰ্য্যপূৰ্ণও। সমগ্ৰ বিশ্বত প্ৰচলিত সাধুকথাবোৰৰ মাজত প্ৰায়েই তাৰৰ সাদৃশ্য বিচাৰি পোৱা যায়। আৰু এই সাদৃশ্য প্ৰাচীন কালৰে পৰা পৰিলক্ষিত হৈ আহি আছে। অথচ প্ৰাচীন কালত ছপাশালো নাছিল আৰু ছপা কৰা গ্ৰন্থও নাছিল। গতিকে সাহিত্য-গ্ৰন্থ অধ্যয়নৰ জৰিয়তে এখন দেশৰ মানুহ আন এখন দেশ বা জাতিৰ সাহিত্যৰ দ্বাৰা প্ৰভাৱান্বিত হোৱা সুযোগ-সুবিধা প্ৰাচীন কালত নাছিল। কিন্তু ইটো জাতিৰ লগত সিটো জাতিৰ সাংযোগ সংসাধিত হৈছিল সাধাৰণতে বেহা-বেপাৰৰ মাধ্যমত। দেশে-বিদেশে বেহা-বাণিজ্য কৰি ফুৰা সদাগৰ বা সাউদসকলেই আছিল তাহানিৰ দিনত সাংস্কৃতিক বিনিময়ৰ প্ৰধান কেন্দ্ৰ। তেওঁলোকেই ইখন দেশৰ সাধু কৈছিল গৈ সিখন দেশত আৰু সিখন দেশৰ সাধু আহি কৈছিল ইখন দেশত। ই সত্য তথ্য। সেই কাৰণে লৌকিক আখ্যানসমূহক 'সাধুকথা' নামেৰে অভিহিত কৰাৰ যুক্তি আছে আৰু সাধু-কথাৰ উৎপত্তি সাউদ বা সদাগৰৰ কথা বা কাহিনীৰ পৰা হোৱা বুলি ভবাৰ যুক্তিও সমৰ্থনযোগ্য।

অন্যান্য জাতিৰ দৰে অসমীয়াতো অতি প্ৰাচীন কালৰেপৰা অসংখ্য সাধুকথাৰ প্ৰচলন আছে। এই সাধুবোৰেই অসমীয়া শিশুসাহিত্যৰ থুনপাক। গীত বা ছন্দত কোৱা সাধুৰ প্ৰচলনো আমাৰ ভাষাত আছে। জনাগাভৰুৰ গীত, কমলাকুঁৱৰীৰ গীত, ফুলকোঁৱৰৰ গীত, মণিকোঁৱৰৰ গীত আদি গীতত কোৱা অসমীয়া সাধু। গীতত কোৱা সাধুতকৈ বৰ্তমান আমি গদ্যত কোৱা সাধুহে বেচিকৈ পাওঁ। এই আটাইবোৰ সাধু শিশুৰ কাৰণে বিশেষ ধৰণৰ মনোৰঞ্জক। প্ৰাচীন ৰামায়ণ, মহাভাৰত, পুৰাণ, উপপুৰাণ, হিতোপদেশ, পঞ্চতন্ত্ৰ, জাতকমালা আদিত সন্নিবিষ্ট আখ্যান-উপাখ্যানৰ পিছতেই শিশু-সাহিত্যৰূপে স্থান লাভকৰা সাহিত্য হ'ল এই মুখে মুখে প্ৰচলিত হৈ অহা লৌকিক গীত-পদ আৰু সাধুসমূহ।

মৌখিক সাধুবোৰৰ উৎপত্তি কাল অতি প্ৰাচীন, কাৰণ কোনো কোনো গীত বা সাধুৰ মাজেদি আমি অতি প্ৰাচীন সমাজ-জীৱনৰ ছবি প্ৰতি-ফলিত হোৱা উপলব্ধি কৰোঁ। যেনে—অসমীয়া জনা গাভৰুৰ গীতৰ কাহিনী বৰ প্ৰাচীন, ইয়াৰ মাজেদি আৰ্য্য-অনাৰ্য্যৰ সংঘৰ্ষ আৰু অনাৰ্য্যক আৰ্য্যলৈ ৰূপান্তৰিত কৰাৰ চিত্ৰ আমি উপলব্ধি কৰোঁ। জনা অনাৰ্য্য মাতৃ প্ৰধান ৰাজ্যৰ অধিশ্বৰী আছিল। পিছত আৰ্য্য গোপীচন্দ্ৰ কোঁৱৰে বিয়া কৰায়। জনা গাভৰুৰ কাহিনীৰ ৰামায়ণৰ কাহিনীৰ লগত সাদৃশ্য থকা দেখা যায়। ৰামায়ণতো

আৰ্য্য-অনাৰ্য্যৰ সংঘৰ্ষৰ ৰূপক ধৰ্ম্মী ছবি চিত্ৰিত হৈছে বুলি ভবাৰ যুক্তি আছে।
অনাৰ্য্যবিলাকক বান্দৰ, ভালুক, ৰাক্ষস আদি ৰূপত কল্পনা কৰাৰ দৰে জনা গাভৰুকো গোপীচনে বিয়া কৰাই অনাৰ আগলৈকে আনহে নালাগে গোপীচনৰ মাকেও কদাকাৰ ৰাক্ষসী ৰূপত কল্পনা কৰিছিল।

(১) "এপুৰা চাউলক জনা গাভৰুৱে
কোঁচত লই গলিয়াই খাই।
(২) "জনাৰ দাঁত দুপাৰি শংখা এ ফুলা
হাঁহিলে আপচু দেখি।"
(৩) "জনা গাভৰু এড়াৰ-কলীয়া
দেখিলে লাগিব ঘিণ।"
(৪) "কেকোৰা-চুলীয়া উজলা-দাঁতিনী
তাইৰ মান আগটী নাই।"

এইজনী জনা গাভৰুৰ জলপানৰ সামগ্ৰী—

"এশমোন আনিলে দোৱা ভজা চিৰা
এশ কোন আনিলে দৈ;
এশ মোন আনিলে চেনি বেনাৰচী"

আৰু তাই জনাই—"খালে তিনি গচ়াকৈ।" তেনেস্থলত জনা গাভৰুক ৰাক্ষসীত কৈ অন্যৰূপত কল্পনা কৰা হোৱা নাছিল। কিন্তু গোপীচন কোঁৱৰে বিয়া কৰাই অনাত জনা হ'ল—

"অতিকৈ জিলিকে বালিত বালিচন্দা
অতিকৈ জিলিকে সোণ,
তাতোকৈ জিলিকে জনা গাভৰু
যেনে পূৰ্ণিমাৰে জোন।..."

এনেবোৰ আখ্যানৰ ওপৰত সময়ৰ চাঁপ যুগে যুগে পৰি ভাষা আৰু ভাৱতো ৰূপান্তৰ ঘটি আহিছে সঁচা, কিন্তু মুলভাৱ অতি প্ৰাচীন বুলি কল্পনা কৰাৰ যথেষ্ট সুচল আছে। আৰ্য্য সমাজত স্ত্ৰী-স্বাধীনতা কেতিয়াও সমৰ্থন কৰা হোৱা নাছিল, কিন্তু অনাৰ্য্যসকলৰ মাজত স্ত্ৰী-স্বাধীনতাৰ প্ৰচলন আছিল; আজিও তাৰ নিদৰ্শন অনাৰ্য্যসম্ভূত জন-সমাজত ক্ষীণ ভাবে হলেও দেখিবলৈ পোৱা যায়। ৰামায়ণৰ দিনতো অনাৰ্য্য ৰাক্ষসী শূৰ্পনখাই স্বাধীন ভাবে দণ্ডকাৰণ্যত ৰাজত্ব কৰাৰ নিদৰ্শন পোৱা যায়। জনাগাভৰুৰ গীতৰ মূল কাহিনী ৰামায়ণতকৈ প্ৰাচীন নে ৰামায়ণেই প্ৰাচীন তাক সঠিক কৈ কোৱা টান কিন্তু ৰামায়ণৰ লগত ইয়াৰ সাদৃশ্য বিচাৰি পোৱা যায়।

সাধুকথাবিলাকো অতি প্ৰাচীন কালৰেপৰা প্ৰচলিত হৈ আহি আছে ; মধ্যযুগতো সাধুকথাৰ সৃষ্টি নোহোৱাকৈ থকা নাছিল। এইবিলাক কিন্তু সকলোৰে কাৰণে অতিশয় মনোৰঞ্জক আছিল। এইবোৰ তাৎপৰ্য্যপূৰ্ণও, ইয়াত আমি প্ৰাচীন আৰু মধ্যযুগীয় মানৱসমাজ আৰু বিশেষকৈ নৃ-তত্ত্বৰ আভাসো স্পষ্টৰূপত পাওঁ। সাধুকথা বাস্তধৰ্মী নহয়, ইও বাস্তৱধৰ্মী—যদিও কল্পনাৰ আধিক্যই বেচি। সাধুকথা মাত্ৰেই ৰূপকধৰ্মী, প্ৰতিটো সাধুতেই আমি গভীৰ তাৎপৰ্য্যমূলক জ্ঞান বা নীতি বচনৰ ইঙ্গিতো পাওঁ, যিয়ে মানৱ জীৱন নিৰ্ব্বাহত যথেষ্ট ধৰণে ইন্ধন যোগাব পাৰে। অসমীয়া সাহিত্য এনে ধৰণৰ সাধুকথাৰে অতিশয় চহকী। এই সাধুকথাবোৰ শিশুৰ কাৰণে বিশেষ ধৰণে আনন্দদায়ক হোৱা হেতুকে এইবোৰক শিশুসাহিত্য শ্ৰেণীভুক্ত কৰা হৈছে।

লক্ষ্মীনাথ বেজবৰুৱাই এনে ধৰণৰ মৌলিক সাধুৰ সৃষ্টি কৰা নাই, কিন্তু প্ৰাচীন সাধুবোৰক শিশুৰ উপযোগীকৈ তেওঁ ৰূপ দিলে। এই কাৰ্য্যতো তেৰেঁই অগ্ৰণী। লক্ষ্মীনাথৰ আগতে হেমচন্দ্ৰ বৰুৱাৰ 'আদিপাঠ', গুণাভিৰাম বৰুৱা আৰু লম্বোদৰ বৰাৰ 'ল'ৰা-পুথি' আৰু পানীন্দ্ৰনাথ গগৈৰ 'লেহছোৱা'ই ই আছিল শিশুসাহিত্য বুলিবলৈ আধুনিক যুগৰ অসমীয়া গ্ৰন্থ (২১)। কিন্তু এই কেইখন আছিল পাঠ্য-পুথিও। পাঠ্য-পুথিৰ উপৰিও অৱসৰ বিনোদনত মনোৰঞ্জনৰ কাৰণে পঢ়িব পৰা শিশুসাহিত্য লক্ষ্মীনাথহঁতৰ দিনত অসমীয়া ভাষাত আৰু নাছিলেই। বৈষ্ণৱ যুগত ৰচিত 'কাণখোৱা', 'ভীমচৰিত' আদি পুথিও সেই সময়ত প্ৰকাশিত হোৱা নাছিল। ৰামায়ণ, মহাভাৰত বা অন্যান্য পুৰাণ আদিৰ পৰা কাহিনী উদ্ধাৰ কৰি আজিৰ দিনত ৰচনা কৰি উলিওৱাৰ দৰে শিশু-সাহিত্যও তেতিয়া এখনো পাবলৈ নাছিল। অসমীয়া শিশু-সাহিত্যৰ এনে দুৰৱস্থাৰ কালত 'জুনুকা', 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা নাতিল'ৰা' ৰচনা আৰু প্ৰকাশ কৰি লক্ষ্মীনাথ বেজবৰুৱাই যথাৰ্থতে আধুনিক অসমীয়াত শিশু-সাহিত্য ৰচনাৰ পথ প্ৰদৰ্শন কৰি দিলে। সেয়ে আমি বেজবৰুৱাক আধুনিক অসমীয়া শিশু-সাহিত্যৰো পথ-প্ৰদৰ্শক ৰূপে সন্মানিত কৰিব পাৰোহঁক।

'জুনুকা', 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা-নাতিল'ৰা'ত সৰ্বমুঠ ৭০ টা সাধু সন্নিবিষ্ট কৰা হৈছে,—'জুনুকা'ত ১০ টা 'বুঢ়ী আইৰ সাধু'ত ৩০ টা আৰু 'ককাদেউতা নাতিল'ৰা'ত ৩০ টা। এই সাধুবোৰ কিন্তু মৌলিক নহয়— পূৰ্ব্বাপৰ প্ৰচলিত সাধু। তেওঁ কেৱল লিপিবদ্ধ কৰিছে আৰু ভাষা দিছে। শিশুৰ উপযোগীকৈ ৰচনা কৰি উলিওৱাৰ উপৰিও অসমীয়া সাধুকথা অধ্যয়ন-

(২১) জুনুকা : ছুটিমান আগকথা : বেণুধৰ শৰ্মা।

কৰি গৱেষণা কৰিবলৈও সুগম পথৰ সৃষ্টি কৰি থৈ যায় পৰাভোই লক্ষ্মীনাথ বেজবৰুৱাৰ কৃতিত্ব। সেয়ে নহয়, ২য় খন সাধুকথাৰ পুথি 'বুঢ়ী আইৰ সাধু'ত এখনি সুচিন্তিত পাতনি সন্নিবিষ্ট কৰি তেৰেঁই প্ৰথমে অসমীয়া সাহিত্যত সাধুকথা বিষয়ক গৱেষণামূলক আলোচনাৰো পাতনি মেলে। ইয়ে বেজবৰুৱাৰ শিশু-সাহিত্য ৰচনাৰ প্ৰতিভাৰ উপৰিও গৱেষণা বা ধী-শক্তিৰ পৰিচয়ো দিয়ে।

বেজবৰুৱাই নিজে উল্লেখ কৰাৰ দৰে যথাৰ্থতে সাধুকথাবোৰ বহল দুটা ভাগত ভাগ কৰিব পাৰি (২২) (১) নীতিশিক্ষা প্ৰধান আৰু (২) কল্পনা প্ৰধান। হিতোপদেশ, পঞ্চতন্ত্ৰ আদিত সন্নিবিষ্ট সাধুবোৰৰ প্ৰধান লক্ষ্য নীতি-শিক্ষা বা নীতিজ্ঞান বিতৰণ। বেজবৰুৱাৰ দ্বাৰা ৰচিত আৰু 'জুনুকা'ত সন্নিবিষ্ট সাধু কেইটাক এই শ্ৰেণীত পেলাব পাৰি। ইয়াৰ প্ৰতিটো সাধুতেই একোটা কাল্পনিক কাহিনী বা আখ্যান আছে আৰু অন্তত নীতিবচন বা হিতোপদেশ একোফাকি তুলি ধৰা হৈছে। 'ৰাজহাঁহ আৰু কাউৰী'ৰ সাধু আমাৰ মাজত খুব জনপ্ৰিয়।' এই সাধুটো এনেদৰে সামৰা হৈছে—

> "দুৰ্জ্জনেৰে সৈতে তুমি নকৰিবা স্থিতি ;
> কাউৰীৰ সৈতে থাকি হাঁহৰ চোৱা কেনে গতি।"

'জুনুকা'ৰ আটাইকেইটা গল্পই চুটি চুটি, শিশুসকলৰ মনৰোচক। বাক্যবোৰো চুটি চুটি, কঠিন শব্দৰ প্ৰয়োগো খুব ক'ম। তদুপৰি ইয়াত সন্নিবিষ্ট কৰা প্ৰতিটো সাধুই বেচ আনন্দদায়ক। সেই কাৰণে 'জুনুকা'ৰ সাধুকেইটা খুব তাৎ-পৰ্য্যপূৰ্ণ আৰু কণ কণ শিশুৰ মানসিক বিকাশ বা চৰিত্ৰগঠনৰ কাৰণে প্ৰধান আহিলা স্বৰূপ। বেজবৰুৱাই 'সাধুকথ' মানে 'সজকথা' বা 'মহৎকথা' বুলি অনুমান কৰে (২৩)। 'জুনুকা'ত সন্নিবিষ্ট কৰা সাধুকেইটা যথাৰ্থতে হিতোপদেশ, পঞ্চতন্ত্ৰত সান্নবিষ্ট কাহিনীৰ সদৃশ সৎ আৰু সজ।

কোনো কোনো সাধু কওঁতে সাধাৰণতে কওঁতাজনে "বাঁহৰ আগ চিছা, সকলো কথা মিছা।" বুলি পৰিসমাপ্তি ঘটালেও যথাৰ্থতে সাধুকথা বাষ্পধৰ্মী বা সম্পূৰ্ণকৈ অবাস্তৱ নহয়, কল্পনাপ্ৰৱণ সাধুবোৰেও বাস্তৱ জীৱনৰেই ৰূপকাত্মক ছবি তুলি ধৰে। লোক সাহিত্যবিদ অধ্যাপক থম্পচনৰ অনুকৰণত কল্পনাপ্ৰৱণ এই সাধুবোৰ বিভাগ কৰি ড: প্ৰফুল্লদত্ত গোস্বামীয়ে অসমীয়া সাধুকথাক— (১) জন্তু প্ৰধান, (২) অনৈসৰ্গিকতা প্ৰধান, (৩) ধেমেলীয়া, (৪) দুষ্টালি

(২২) বুঢ়ী আইৰ সাধু : পাতনি।
(২৩) বুঢ় আইৰ সাধু : পাতনি।

বা টেঁঙৰালি প্ৰধান, (৫) সমষ্টি প্ৰধান আদি ভাগত বিভক্ত কৰিছে (২৪)। কিন্তু সাধুকথাবোৰক কোনো পানী নসৰকা শ্ৰেণীত বিভক্ত কৰিব নোৱাৰি। কাৰণ হিতোপদেশ বা পঞ্চতন্ত্ৰৰ সদৃশ নীতিশিক্ষামূলক সাধুতো কল্পনাৰ প্ৰভাৱ স্পষ্ট, আৰু কাল্পনিক সাধুবোৰতো নীতিশিক্ষাৰ প্ৰভাৱ নথকা নহয়। উদাহৰণ স্বৰূপে 'বান্দৰ আৰু শিয়াল'ৰ সাধুটোলৈয়ে আঙুলিয়াব পাৰি। ইয়াৰ কাহিনীভাগ কাল্পনিক, কিন্তু নীতিশিক্ষা বিবৰ্জিত নহয়। 'বান্দৰ আৰু শিয়াল'ৰ সাধুই—

"বিশ্বাসঘাতকৰ জানা এনে ফল হয়।
সম্মুখে লাভ, পিছে কিন্তু নিশ্চয় প্ৰলয়।"

নিশ্চয়কৈ নীতিশিক্ষাৰ ভাৱ পাঠক মাত্ৰৰে মনলৈ আনে। এই সাধুটো দুটা জন্তুক লৈয়েৰচিত হোৱা কাৰণে ই জন্তুপ্ৰধান সাধুহে হব লাগিছিল, কিন্তু ইয়াত টেঁঙৰালি ওসন্নিবিষ্ট হৈ আছে। এনেদৰে বিশ্লেষণ কৰি চালে প্ৰায়েই দেখা যায় যে সাধুবোৰ সাধাৰণতে পানী নসৰকা বিভাগত বিভক্ত কৰা নাযায়। প্ৰায়ভাগ সাধুৰ মাজত সাদৃশ্য পৰিদৃশ্যমান হয়।

(১) অন্যান্য দেশৰ সাধুৰ দৰে অসমীয়া সাধুতো জন্তুই প্ৰাধান্য লাভ কৰে,—বিশেষকৈ শিয়াল আৰু বাঘে। সাধুকথাত সকলোবোৰ জন্তুই কথা কয় আৰু জন্তুবোৰ অনুভূতিপূৰ্ণ, সিহঁতো আশা-আকাঙ্ক্ষা, বিষয়-বাসনা, প্ৰেম-প্ৰীতি, হিংসা-দ্বেষ প্ৰভৃতি অনুভূতিযুক্ত। 'শিয়াল আৰু বান্দৰ', 'বাঘ আৰু কেঁকোৰা', 'দীঘল ঠেঙীয়া', শিয়াল পণ্ডিত', 'শিয়াল তামুলী', 'খুৰী ছাগলী', 'বৰা'গ মেকুৰী', 'এক হাতী আৰু ফেচাৰ কথা', আদি সাধু জন্তুপ্ৰধান। এইবোৰ সাধুৰ কোনো কোনোটোত জন্তুৰ টেঁঙৰালি বা চতুৰালিৰ কথা তুলি ধৰাৰ দৰে মূৰ্খালিৰ কথাও প্ৰকাশ পাইছে। অনাবিল আনন্দদানেই যদিও এনেবোৰ সাধুৰ মূল লক্ষ্য, নীতিশিক্ষা বা নীতিজ্ঞানো সাধুবোৰৰ মাজেদি পৰিস্ফুট হৈ সুঠাকৈ থকা নাই।

(২) 'তেজীমলাৰ সাধু', 'পানেশৈৰ সাধু', 'তুলা আৰু তেজা', 'চম্পাৱতীৰ সাধু', 'চিলনীৰ জীয়েকৰ সাধু', 'সাপ আৰু খেতিয়কৰ জীয়েক', 'নিমাতী কন্যা' 'ৰাক্ষস পণ্ডিত, 'কুকুৰা চৰাই আৰু বামুণৰ সাধু' প্ৰভৃতি অনৈসৰ্গিকতা-মূলক সাধুবোৰৰ মাজেদি একো একোটা সুন্দৰ সুন্দৰ কাহিনী প্ৰকাশ পাইছে সঁচা; কিন্তু ই অপ্ৰাকৃত বা কাল্পনিক। মানৱ জীৱনৰ ৰূপকাত্মক ছবি চিত্ৰিত কৰাৰ চেষ্টা এনেবোৰ সাধুত স্পষ্ট।

(৩) 'কুকুৰীকণাৰ সাধু', 'জোঁৱাইৰ সাধু', 'সৰবজান', 'বামুনৰ বৰুৱা'

(২৪) প্ৰফুল্লদত্ত গোস্বামী: Ballads and tales of Assam, পৃষ্ঠা ৭৭।

আদিকবি গল্পবোৰ কেৱল অমুৰন্ত হাঁহি আৰু আনন্দৰ সমুৰা। 'শিয়াল-তামুলী', 'শিয়াল পণ্ডিত' প্ৰভৃতি সাধুবোৰো এই শ্ৰেণীভুক্ত কৰিব পাৰি,—এইবোৰো হাঁহি আৰু আনন্দৰ উৎস।

(৪) দুষ্টালি বা টেঙৰালি প্ৰধান সাধুও অসমীয়াত কম নহয়। 'খুৰী-ছাগলী', 'বৰাগী মেকুৰী', 'শিয়াল পণ্ডিত', 'শিয়াল তামুলী', টেটন', 'অজলা আৰু টেটন', 'বুধিয়ক শিয়াল', 'দুই বুধিয়ক', দেৱাঙভুষণ' আদি সাধুত দুষ্টালি বা টেঙৰালি মূৰ্ত হৈ উঠিছে। এনেবোৰ সাধুকো মানৱ জীৱনবেই ৰূপকাত্মক ছবি বুলিব পাৰি, ইয়াৰ মাজেদিও মানুহৰ দুষ্টালি বা টেঙৰালিয়েই জীৱন্ত হৈ উঠিছে।

(৫) 'গৰখীয়া আৰু ফুল' 'কাউৰী আৰু টিপ্‌চি' আদিৰদৰে সাধুত একেলগে ভালেমান বস্তু বা প্ৰাণীৰ বিষয় কোৱা হয়, সেইকাৰণে এনেবোৰ সাধুক সমষ্টি প্ৰধান সাধু বুলিব পাৰি। এনেবোৰ সাধুত অনৈসৰ্গিকতাকো প্ৰাধান্য দিয়া হয়। শিশুমনৰ ওপৰত এই শ্ৰেণীৰ সাধুৰ প্ৰভাৱ বেচি।

বেজবৰুৱাই লিপিবদ্ধ কৰা এই সাধুবোৰৰ স্বকীয়া বৈশিষ্ট্য নথকা নহয়। কিন্তু এনে সাধু ভাৰতৰ অন্যান্য প্ৰান্তত থকাৰ দৰে পৃথিৱীৰ অন্যান্য দেশতো আছে। সাধুকথা বিশেষজ্ঞসকলৰ মতে সাধুকথাৰ উৎস ভূমি ভাৰতবৰ্ষ। ভাৰতবৰ্ষৰ পৰাহে পাশ্চাত্য দেশতো সাধুকোৱা ৰীতিৰ প্ৰচলন হয়। সেই-কাৰণে সাধুকথাবোৰৰ মাজত প্ৰায়েই সাদৃশ্য পৰিলক্ষিত হয়। অসমীয়া 'তেজীমলা' আৰু ইংৰাজী 'চিনডেৰেলা'ৰ মাজত সাদৃশ্য সহজে বিচাৰি পোৱা যায়। লক্ষ্মীনাথ বেজবৰুৱাই আৰ্য্যসকলৰ পূৰ্বৰ বাসস্থান 'মধ্য এচিয়া'ক হে সাধুকথাৰ উৎস ভূমি বুলি কব বিচাৰে (২৫)। সেয়েহে তেওঁ আৰ্য্যবসতি হোৱা সকলোবোৰ ঠাইত প্ৰচলিত সাধুবোৰৰ মাজত ভাবৰ সাদৃশ্য সম্ভৱপৰ হৈছে বুলি ভাবে। জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত সাধুৰ লগতো এই সাধুবোৰৰ সাদৃশ্য মন কৰিবলগীয়া। আঙ্গামী নগাসকলৰ মাজত প্ৰচলিত হাঙ্কবিলি (Hunchbili) সাধুৰ লগত থকা 'তেজীমলা' সাধুৰ সাদৃশ্যলৈ মন কৰিলেই এই কথা স্পষ্ট হৈ উঠে (২৬)। সাধুকথাবোৰৰ প্ৰকাশভঙ্গী বা কোৱা ৰীতিৰ মাজতো প্ৰায়েই সাদৃশ্য পৰিলক্ষিত হয়। যেনে,—তেজীমলাৰ সাধুৰ দৰে মাহীমাকৰ ক্ৰূৰতা আৰু বুঢ়া-বুঢ়ী আৰু শিয়ালৰ সাধুত বুঢ়াই মৰাৰ ভাও জুৰাৰ দৰে, ভঙ্গী প্ৰায় সকলো দেশৰে সাধুকথাৰ মাজত পৰিলক্ষিত হয়।

(২৫) লক্ষ্মীনাথ বেজবৰুৱা : বুঢ়ী আইৰ সাধুৰ পাতনি।

(২৬) প্ৰফুল্লদত্ত গোস্বামী : Ballads and Tales of Assam, ১১৮ পৃষ্ঠা।

সাধুকথাত আধুনিক গল্পৰদৰে আকস্মিকতাও নাই, ই অতি স্বাভাৱিক ধৰণে পাতনি মেলি স্বাভাৱিক ধৰণে পৰিণতিও লভে। উদাহৰণ স্বৰূপে 'বৰ চোৰ'ৰ সাধুটোকে চোৱা যাওক। এই সাধুটোৰ আৰম্ভণ—".কোনো এখন দেশত কিছুমান চোৰ আছিল। সিহঁতৰ ভিতৰত এটা সকলোতকৈ অধাইতং চোৰ আছিল ..... ।" প্ৰভৃতি ধৰণৰ আৰম্ভণী অতি স্বাভাৱিক। তেনেকৈ পৰিসমাপ্তি ঘটোৱা হ'ল বৰ চোৰক বজাই ডেকা মন্ত্ৰীৰ আসনত অধিষ্ঠিত কৰোৱাৰে। সেয়ে সাধুকথাত আকস্মিকতা নাই।

সাধুকথাত পুনৰ উক্তিপূৰ্ণ কথাৰেই কাহিনীভাগ গঢ়ি উঠে। আধুনিক গল্পত কিন্তু পুনৰ উক্তিৰো স্থান নাই। উদাহৰণ স্বৰূপে গৰখীয়া আৰু ফুল'ৰ সাধু বা 'কাউৰী আৰু টিপ্‌চি'ৰ সাধুকেই আঙুলিয়াব পাৰি। ইয়াত বাৰে বাৰে একে কথাকে কৈ থকা হৈছে। এনে পুনৰ উক্তিপূৰ্ণ প্ৰকাশ-ভঙ্গীয়ে সাধুকথাৰ কাহিনীভাগ শ্ৰোতা বা পাঠকৰ মনত স্পষ্ট কৰি তোলে।

আটাইবোৰ সাধুকথাই পোণপটীয়া, চৰিত্ৰ চিত্ৰণে সৰল-সহজ, ধন্যাৰ্থ বা ব্যঙ্গোক্তিৰ স্থান সাধুকথাত প্ৰায়েই নাই। সাধুকথাৰ চৰিত্ৰই সাধুটোতেই পূৰ্ণতাও লাভ কৰে, জানিবলৈ একো আৰু বাকী নাথাকে। চৰিত্ৰৰ দৰে কাহিনীভাগো সৰল-সহজ, জটিলতা বা বক্ৰতাৰ স্থান সাধুকথাত নাই

সাধুকথাত বৈচিত্ৰ্যতাও নাই। একোটা সাধুত কেৱল একে ধৰণৰ এটা কথাহে পৰিস্ফুট কৰি তোলা হয়। তেজীমলাৰ সাধুত কেৱল তেজীমলাৰ শোকাবহ জীৱনৰ পৰিণতিহে স্পষ্ট কৰি তোলা হৈছে।

অধ্যাপক থম্পচনে কোৱাৰ দৰে আমাৰ সাধুকথাবোৰৰ ভিন্ ভিন্ দেশৰ সাধুৰ ভাৱৰ লগত সাদৃশ্য আছে, কিন্তু ৰূপ (Form)ৰ কোনো সাদৃশ্য নাই (২৭)। সাধু কওঁতাই স্বকীয় ৰুচি বা ইচ্ছা অনুসৰি হে সাধু কয়। 'জুনুকা', 'বুঢ়ী আইৰ সাধু' বা 'ককাদেউতা নাতিল'ৰা'ত সন্নিবিষ্ট কৰা সাধুবোৰো কোনো বুঢ়ীআই বা ককাদেউতাই নাতিহঁতৰ আগত কোৱা সাধুহে। সাধু কওঁতাৰ লক্ষ্য আছিল নাতিহঁতক আনন্দিত কৰা। যেনেকৈ কলে সিহঁতৰ মন আকৰ্ষিত হয়, ঠিক তেনেকৈ সাধু কৈ হয়তো বুঢ়া-বুঢ়ীয়ে কণ্‌কণ্‌ নাতিহঁতৰ পৰিতৃপ্তি সাধনৰ চেষ্টা কৰিছিল।

'জুনুকা', 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা নাতি ল'ৰা'ত সন্নিবিষ্ট সাধুবোৰত আমি উল্লিখিত সকলোবোৰ আন্তৰ্জাতিক সাধুৰ লক্ষণ পৰিস্ফুট হোৱা উপলব্ধি কৰোঁ। লক্ষ্মীনাথ বেজবৰুৱাই এইবোৰৰ সৰহখিনিয়ে সংগ্ৰহ

(২৭) প্ৰফুল্ল দত্ত গোস্বামী : Ballads and Tales of Assam, ৫২ পৃষ্ঠা।

কৰিছিল—বোধেশ্বৰ শৰ্মা, মহীচন্দ্ৰ বৰা, কন্দ্ৰকান্ত গোস্বামী, যদুনাথ শৰ্মা ৰাধাকান্ত মহন্ত, হলধৰ ভূঞা, হৰিনাৰায়ণ বৰুৱা, লোকনাথ দাস, মেঘনাথ ডেকা, কৃষ্ণানন্দ শৰ্মা, সীতানাথ শৰ্মা, মহীধৰ শৰ্মা, ভোগৰাম দত্ত, উপেন্দ্ৰনাথ বৰুৱা প্ৰমুখ্যে বিভিন্ন জনৰ পৰা। কিন্তু "নানা ৰকমকৈ লিখা একেটা সাধুকে আমি কেইবাজনৰ পৰা পাইছিলোঁ। আৰু সেই আটাইবোৰ পঢ়ি মিলাই বাছি, যোগ-বিয়োগ কৰি আমি নিজৰ ভাষাত সাধুবোৰ সম্পূৰ্ণ নতুনকৈ লিখিছোঁ। ফলপাৰ্শত, তেওঁলোকে যি ভাষাত সাধুবোৰ লেখি পঠিয়াইছিল সেই ভাষা এই সাধুবোৰত নাই বুলিলেই হয়, দৈৱাৎ হে কোনোটোত এশাৰী আদশাৰী আছে। কিছুমান সাধু আমাৰ সমূলি নিজা (২৮)।" গতিকে সাধুবোৰৰ সমল বা কাহিনী আনৰ পৰা সংগৃহীত হলেও ইয়াক ৰূপ দিছে স্বয়ং লক্ষ্মীনাথ বেজবৰুৱাই। সেই কাৰণে সাধুকথাৰ দ্বাৰা সৃষ্ট অসমীয়া শিশু-সাহিত্যৰ প্ৰবৰ্তক ৰূপে আমি সম্মানিত কৰোঁ লক্ষ্মীনাথ বেজবৰুৱাকেই। তেওঁ সম্ভৱতঃ ভিন ভিন জাতিৰ সাধুকথাৰ দ্বাৰা সৃষ্ট শিশু-সাহিত্য আৰু শিশু-সাহিত্য বিষয়ক সমালোচনা আদিও গভীৰ ভাবে অধ্যয়ন কৰিছিল। 'বুঢ়ী-আইৰ সাধু'ৰ পাতনিখনেই ইয়াৰ সাক্ষ্য। এই অধ্যয়নশীলতাই আছিল লক্ষ্মীনাথৰ সাহিত্য-সাধনাৰ অন্যতম প্ৰধান প্ৰেৰণা। তেওঁৰ কৃপাবৰী সাহিত্যৰ মূল প্ৰেৰণাও বিদেশী সাহিত্য অধ্যয়নহে।

১৯১০।১২ চনৰ ভিতৰত তেওঁৰ পোচ বয়সত ৰচিত এই সাধুকথা সংকলনকেইটি যথাৰ্থতে অনুপম শিশু-সাহিত্যৰ নিদৰ্শন, যদিও 'বুঢ়ী আইৰ সাধু' আৰু ককাদেউতা নাতি ল'ৰা'ৰ কোনো কোনো সাধু শিশু-মনৰ কাৰণে যথেষ্ট দীঘলীয়া হোৱা কাৰণে আমনিদায়ক হৈছে। 'জুনুকা'ত সন্নিবিষ্ট প্ৰতিটো সাধুৱে জুনুকাৰ জুনুজুননিয়ে কণ কণ মইনাহঁতৰ মন-প্ৰাণ হৰাৰ দৰে নিশ্চয়কৈ সিহঁতক উৎফুল্লিত কৰিব, শিক্ষা, জ্ঞান-বিজ্ঞান আৰু মানৱতা-বোধৰ ভাৱতো উদ্বুদ্ধ কৰি তুলিব। 'বুঢ়ী আইৰ সাধু' আৰু 'ককাদেউতা নাতিল'ৰা' অলপ ডাঙৰ শিশুৰ কাৰণেহে বেচি উপযোগী হব। 'ককা-দেউতা নাতি ল'ৰা'ত সাধু আৰম্ভ হোৱাৰ আগতে যি ৰীতি বা ভঙ্গী প্ৰয়োগ কৰা হ'ল সি যথাৰ্থতে অতি আমোদজনক, চিত্তাকৰ্ষী আৰু মনস্তত্ত্বপূৰ্ণও হৈছে। ইয়াৰ প্ৰথম সাধুটো আৰম্ভ কৰাৰ ভঙ্গী :—

"জাৰকালি গলিধু ককাকক জুহালৰ ওচৰত বহি জুই পুৱাই থকা দেখি নাতিয়েকে পিছফালৰ পৰা ককাকৰ পিঠিত সাবট মাৰি ধৰি কলে—"ককাদেউতা,

(২৮) লক্ষ্মীনাথ বেজবৰুৱা বুঢ়ী আইৰ সাধুৰ পাতনি।

সাধু এটা কোৱা।” ককাকে মিচিকিয়া হাঁহি এটা মাৰি উত্তৰ দিলে, “নকওঁ, যা, শুচ।”

নাতি—“কিয় নকবা ককাদেউতা? কবই লাগিব। কলেহে মই এৰিম।”

ককা—“কব লাগে যদি তই ভাল ল’ৰা নহ কিয়? উভতি কৰি থাক কিয়? পঢ়া-শুনা নকৰ কিয়?”

নাতি—“আজিৰ পৰা মই ভাল ল’ৰা হ’ম ককাদেউতা। উভতি নকৰোঁ। পঢ়িম-শুনিম। তুমি সাধু কোৱা।”

ককা—“ঠিক কৈছ নে?”

নাতি—“ঠিক কৈছোঁ। তুমি আজি সাধু এটা কৈ মোৰ কথাৰ প্ৰমাণকে চোৱা। তুমি কিন্তু দিনৌ জুহালৰ গুৰিত বহোঁতে মোক একোটাকৈ সাধু কব লাগিব; তেহে।”

ককা—“বাৰু, আমাৰ দুইৰো ভিতৰত এই কথা ব’ল,—মই দিনৌ একোটা সাধু ক’ম, আৰু তই দিনৌ পঢ়া-শুনা কৰিবি, উভতি নকৰিবি সোণামুৱা ল’ৰা হবি।...... ...”

যথাৰ্থতে নাটকীয় ভঙ্গীত তুলি ধৰা এই ৰূপটো নিতৌ বাস্তৱ জীৱনত ঘটি থকা ককা আৰু নাতিৰ বাস্তৱৰ স্বাভাৱিক ৰূপ। ইয়ে সাহিত্যিক বেজবৰুৱাৰ সূক্ষ্ম অনুভূতি, পৰ্য্যবেক্ষণশীলতা, অভিজ্ঞতা আৰু শিশু-মনস্তত্বৰ লগত থকা গভীৰ সম্পৰ্কৰ কথাই সুস্পষ্ট কৰি তোলে।

ককাদেউতা-নাতি ল’ৰাৰ মাজত প্ৰায় প্ৰতিটো সাধু আৰম্ভ কৰাৰ আগতে অলপ অলপ কথোপ কথন তুলি ধৰা হৈছে। ইয়াৰ মাজেদি শিশুক সৎ, সাধু আৰু সাহসী কৰাৰ প্ৰচেষ্টা চলোৱা হৈছে। ‘তিনিজন ডেকা পণ্ডিত’ৰ সাধুটো আৰম্ভ কৰাৰ ভঙ্গী:—

ককা:—“সোণাই, আজি দেখোন তই সাধু শুনিবলৈ অহা নাই?

নাতি:—“পঢ়াশালিৰ পাঠ পঢ়িবলৈ অলপমান বাকী আছে। আৰু দহ মিনিট মানৰ মুৰতে হৈ যাব।”

ককা:—“বাৰু শেষ কৰি আহ, লৰালৰি কৰিব নালাগে, ইয়াৰ ভিতৰতে মই তামোলখন খুন্দনাটোত ভালকৈ খুন্দি লওঁ।”

সঁচাকৈয়ে শিক্ষাপ্ৰদ এনে ভঙ্গীয়ে শিশু-চৰিত্ৰ গঠনত যে প্ৰধান ভাবে সহায়ক হয় তাক কোৱা অনাৱশ্যক। শিশু কেৱল সৎ আৰু সাধু হলেই নহব, সি কৰ্ত্তব্যপ্ৰিয়ও হব লাগিব। শিশু-সাহিত্যিক লক্ষ্মীনাথে ইয়াত তাৰেই ব্যঞ্জনা তুলিছে।

'বামুণ আৰু বামুণী' সাধুটো আৰম্ভ কৰাৰ ভঙ্গীও বিশেষ ভাবে মন কৰিবলগীয়া :—

"আজি নাতিয়েকে ককাকৰ পিঠিত ওলমি পৰি ককাকক মাতিছে হে মাতিছে, ককাকে নামাতে, ককাকৰ খং।

নাতি—"ককাদেউতা, মোক নামাতানো কিয় ? ময়নো কি জগৰ লগালোঁ ?"

ককা—"বৰ জগৰ লগাইছ ; সেই দেখি নামাতো।"

নাতি—"কি জগৰ লগালোঁ কোৱাচোন ? মোৰ দেখোন মনত নপৰে।"

কক—"আজি গধূলি তই দেউতাৰৰ আগত মিছা কথা কৈছিলি কিয় ?"

নাতি—"কি মিছা কথা ?"

ককা—"দেউতাৰে যেতিয়া সুধিছিল, তই আজিৰ দুপৰীয়াৰ বৰষুণ-জাকত বাহৰলৈ ওলাই উমলি তিতিছিলি নে নাই ; তই কলি—'নাই ওলোৱা, নাই তিতা।' তোৰ মাৰে দেখোন মোক কৈছে, বোলে তই তুলাপাতৰ নাও সাজি বৰষুণৰ ডোঙা বন্ধা পানীত উটাই দি, পানীত খেল-খেলাই আছিলি।"

নাতি—"দেউতাই শুনিলে মাৰিব বুলি ভয়ত তেনেকৈ কৈছিলোঁ ; আৰু নকওঁ।"

ককা—"নকবি বুলি মনতে সৈ কাঢ়। ভয়তে হওক বা ধেমালিতে হওক, কোনো কালে কেতিয়াও মিছা কথা কব নাপায়। মিছাৰ সমান পাপ নাই। সঁচাৰ সমান পুণ্য নাই। আজিৰ পৰা মোৰ কুটুম, তই কেতিয়াও মিছা কথা নকবি........।"

ইয়ে শিশুক নিশ্চয়কৈ চৰিত্ৰ গঠনত সহায় কৰিব। এনেদৰে অন্যান্য সাধুতো আৰম্ভৰ আগতে কথোপকথনৰ সহায়ত উদাৰতা, প্ৰেম-প্ৰীতি, সাহসিকতা আদি মহৎ মানৱীয় গুণৰ প্ৰতি আকৰ্ষিত কৰিব বিচৰা হৈছে। গ্ৰন্থত সন্নিবিষ্ট সাধুতকৈ বেজবৰুৱাই স্বপ্ৰণোদিত ভাবে সন্নিবিষ্ট কৰা এই ককাদেউতা-নাতিল'ৰাৰ সম্বাদসমূহ বেচি আকৰ্ষণীয় আৰু উপাদেয় ৰূপে প্ৰতীয়মান হৈছে। নীতিবচনতকৈ এনে ধৰণৰ বাস্তৱ ভঙ্গীৰ প্ৰভাৱেহে চৰিত্ৰ গঠনত শিশুক অধিক ভাবে সহায় কৰে।

নাটক, উপন্যাস বা গল্পত বেজবৰুৱাই শিশুচৰিত্ৰ ৰূপায়িত কৰাৰ চেষ্টা প্ৰায়েই দেখা নাযায়। কেৱল জয়মতীত 'লাই-লেচা' আৰু গল্প 'আমাৰ সংসাৰ'ত (জোনবিবি) 'চেনেহী' চৰিত্ৰ ৰূপায়িত কৰাত বাহিৰে আৰু শিশু-চৰিত্ৰ চিত্ৰিত কৰা নাই বুলিবই পাৰি। অৱশ্যে 'লাই-লেচা' আৰু চেনেহী'ক

সাৰ্থক শিশুৰূপেই তেওঁ চিত্ৰিত কৰিছে। তেওঁ শিশুমনৰ উমান পায়, শিশু-চিত্তৰ অনুভূতি গভীৰ ভাবে উপলব্ধি কৰে। সেয়ে তেওঁ দীঘলীয়া সাধুবোৰো প্ৰায়ে শিশুৰ মনৰোচক হিচাবে তুলি ধৰিবলৈ সমৰ্থ হৈছে। আজি বিজ্ঞানৰ ক্ৰমবিকাশৰ যুগতো বেজবৰুৱাৰ দ্বাৰা সংকলিত, ৰচিত আৰু সম্পাদিত শিশুৰ উপযোগী এই সাধুবোৰৰ সমাদৰ কম। নাই। অৱশ্যে যুগে মানুহৰ ৰুচি-অভিৰুচিৰ পৰিবৰ্তন সাধাৰ লগে লগে এইবোৰ সাধুৰ প্ৰতিও শিশুহঁত কিছু-পৰিমাণে বীতশ্ৰদ্ধ হৈ উঠাটো স্বাভাৱিক।

অসমীয়া সাহিত্যত কিন্তু বেজবৰুৱা প্ৰথম শিশু-সাহিত্যিক নহয়, বৈষ্ণৱ-যুগত ৰাম সৰস্বতী, শ্ৰীধৰ কন্দলি প্ৰমুখ্যে খ্যাতনামা কবিসকলে 'কাণ-খোৱা 'ভীমচৰিত' প্ৰমুখ্যে অনুপম শিশুসাহিত্য ৰচনা কৰি গৈছিল। বেজবৰুৱাই 'ককাদেউতা আৰু নাতি-ল'ৰা'ৰ সাধুবোৰৰ মুখপাতত নিজাকৈ মৌলিক কথা সন্নিবিষ্ট কৰিছে সঁচা, কিন্তু সাধুবোৰ প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ অহা মৌলিক সাধু হে, বেজবৰুৱাৰ মৌলিক সৃষ্টি নহয়। অৱশ্যে বেজ-বৰুৱাৰ মৌলিকতাও নথকা নহয়,—তেওঁ শিশুৰ উপযোগীকৈ গল্পবোৰ ৰচনা কৰিছে, আন্তৰিকতাৰে বিষয় বস্তু উপস্থাপন কৰি শিশুচিত্ত মহৎ আৰু উদাৰ ৰূপত উদ্বুদ্ধ কৰি তুলিব বিচাৰিছে। আৰু সৰ্বতোপৰি অসমীয়া শিশু-সাহিত্যক গৱেষণামূলক দৃষ্টিৰে চাই সমালোচনা আৰু আন্তৰ্জাতিক মান নিৰ্ণয় কৰিবলৈ পথৰ নিৰ্দেশ দিছে। লগতে অসমীয়া সাহিত্যিকসকলক 'শিশু-সাহিত্য ৰচনাৰ প্ৰতিও আগ্ৰহান্বিত কৰি তুলিছে। ইয়াতেই তেওঁৰ কৃতিত্ব আৰু বৈশিষ্ট্য। আটাইবোৰ সাধুকথাৰ পাতে পাতে ৰসৰাজ বেজবৰুৱাৰ বৈশিষ্ট্য পৰিস্ফুট হৈ উঠিছে। এই শ্ৰেণীৰ সাহিত্যৰ মাজেদি বেজবৰুৱাৰ পুৰণি পৃথিৱীক নকৈ চাই লোৱাৰ বাসনাও পূৰ্ণৰূপে পৰিস্ফুট হৈ উঠিছে।

চৰিতকাৰ বেজবৰুৱা

প্ৰবীণ বৈষ্ণৱ ৰামচৰণ ঠাকুৰক প্ৰথম চৰিতকাৰ ৰূপে অভিহিত কৰিলে লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰায় ৩০০ তিনিশ বছৰ আগৰে পৰা অসমীয়া চৰিত পুথি ৰচিত হৈ আহি আছে। শঙ্কৰ-মাধৱ প্ৰমুখ্যে সন্ত-মহন্তসকলৰ উপৰত তেওঁলোকৰ প্ৰিয় শিষ্যসকলে ৰচনা কৰা চৰিত পুথি যথাৰ্থতে অলেখ। চৰিত পুথিৰ কাৰণে অসমীয়াই গৌৰৱ অনুভৱ কৰিব পাৰে। কিন্তু এই শ্ৰেণীৰ সন্ত-মহন্তৰ দ্বাৰা ৰচিত চৰিত পুথিসমূহ আছিল একপ্ৰকাৰ মন্ময় বা মনোধৰ্মী ৰচনা; এইবোৰ সাধাৰণতে ৰচকৰ ব্যক্তি-হৃদয় সিক্ত হৈ বৈ অহা ধৰ্মগুৰুসকলৰ প্ৰতি ভক্তি পুষ্পাঞ্জলিহে। ব্যক্তি নিৰপেক্ষভাৱে বৈজ্ঞানিক পদ্ধতিত ৰচনা কৰা চৰিত পুথি মধ্যযুগীয় অসমীয়া সাহিত্যত নাই। অৱশ্যে তেনে-বোৰ চৰিত পুথিত ৰচকৰ সমালোচনাত্মক দৃষ্টিৰ বিকাশ ঘটা নাছিল বুলিব নোৱাৰি। কিন্তু এই সমালোচনা আছিল ভক্তি-ধৰ্মৰ মাজতেই সীমিত; ব্যক্তি জীৱনৰ প্ৰতি সাধাৰণতে দৃষ্টিপাত কৰা হোৱা নাছিল। ব্যক্তি নিৰপেক্ষ চৰিত পুথি প্ৰাচীন অসমীয়া সাহিত্যত নাই। সন্ত-মহন্ত ভক্ত-শিষ্যৰ দৃষ্টিত প্ৰতিভাত হোৱা গুৰুসকলৰ মহিমা আৰু জয়গান হে আমি প্ৰাচীন অসমীয়া চৰিত পুথিত পাওঁ। অৱশ্যে প্ৰচাৰধৰ্মী এনেবোৰ মনোধৰ্মী চৰিত পুথিয়ে পাঠক-পাঠিকাৰ মনত গুৰুসকলৰ প্ৰতি গভীৰ অনুৰাগ বঢ়াবলৈ সমৰ্থ হৈছিল আৰু জনসাধাৰণে এনে চৰিত পুথিক অতি পবিত্ৰ জ্ঞান কৰিছিল।

গুণাভিৰাম বৰুৱাই আনন্দৰাম ঢেকীয়ালফুকনৰ জীৱনী ৰচনা কাৰ সৰ্বপ্ৰথম আধুনিক পদ্ধতিৰ ব্যক্তি নিৰপেক্ষ চৰিত পুথি ৰচনাৰ পথ মুকলি কৰিলেও যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱাইহে আধুনিক যুগত চৰিত পুথি ৰচনা কৰা ৰীতি সুপ্ৰতিষ্ঠিত কৰিলে। তেওঁৰ দ্বাৰা ৰচিত চৰিত পুথি (১) তাঁৱৰীয়া

দীননাথ বেজবৰুৱাৰ জীৱনী, (২) শ্ৰীশ্ৰীশঙ্কৰদেৱ (৩) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ আৰু (৪) মোৰ জীৱন-সোঁৱৰণ অসমীয়া জীৱনী সাহিত্যৰ ভঁৰাললৈ অনুপম বিশিষ্ট অৱদান।

ডাঙৰীয়া দীননাথ বেজবৰুৱা আছিল লক্ষ্মীনাথ বেজবৰুৱাৰ পিতৃদেৱতা। এওঁ আহোম স্বৰ্গদেৱ পুৰন্দৰ সিংহৰ প্ৰধান বেজবৰুৱা আৰু ফৌজদাৰী চিৰস্তাদাৰৰ পদত অধিষ্ঠিত হৈছিল। পুৰন্দৰ সিংহ সিংহাসনাচ্যুত হ'ল যদিও ইংৰাজ চৰকাৰে এওঁক মুন্সেফ পদবীত অধিষ্ঠিত কৰিলে। এই গৰাকী পুৰুষ আছিল জীৱনৰ সকলো ক্ষেত্ৰতে আদৰ্শ নাগৰিক, সাহসী, আৰু পৰোপকাৰী। প্ৰাচীন ৰীতি-নীতি আৰু সংস্কৃতিৰ প্ৰতি গভীৰ আস্থাভাজন দীননাথ বেজবৰুৱাই কেনে উদাৰ মনেৰে নতুনক সাদৰি লৈছিল তাৰ নিদৰ্শনো জীৱনীত আছে। গভীৰ আন্তৰিকতা আৰু নিষ্ঠাৰে ৰচিত এই জীৱনী বা চৰিত গ্ৰন্থখনে যথাৰ্থতে প্ৰগতিকামী যি কোনো ব্যক্তিকেই মানৱতা বোধত উদ্বুদ্ধ কৰি তুলিব।

১৯১১ চনত প্ৰকাশিত 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থখনৰ কলেৱৰ যথেষ্ট সৰু আৰু শঙ্কৰদেৱ বিষয়ক কেতবোৰ টুকুৰা খবৰ হে ইয়াত পোৱা যায়। সেই সময়ত বঙালীসকলে শ্ৰীশঙ্কৰদেৱক আৰু বিশেষকৈ শ্ৰীদামোদৰদেৱক শ্ৰীচৈতন্যৰ শিষ্য বুলি দাবী কৰিছিল। ইয়ে সদৌ অসম জুৰি এটা প্ৰবল আলোড়নৰ সৃষ্টি কৰিছিল। অসমীয়া মানুহৰ মনতো এই বিষয়ে সন্দেহৰ ভাব উপস্থিত হৈছিল হি। সেই সময়তে সন্দেহ ভঞ্জনৰ কাৰণে আৰু বিশেষকৈ প্ৰতিপক্ষৰ আক্ৰমণ প্ৰতিৰোধ কৰি নিবৃত্ত কৰিবলৈ বেজবৰুৱাই ৰচনা কৰিলে শ্ৰীশঙ্কৰদেৱ বিষয়ক এই গ্ৰন্থখনি। ইয়ে শঙ্কৰদেৱৰ জন্ম, কৰ্ম আৰু ধৰ্মমতৰ সঠিক পৰিচয় দিলে। বেজবৰুৱাই নিজে স্বীকাৰ কৰা মতে "—'শঙ্কৰদেৱ' কিতাপ লৰা-লৰিকৈ লিখা হৈছিল আৰু বাস্তৱিকতে গুৱাহাটীৰ 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ প্ৰশ্ন কিছুমানৰ উত্তৰ স্বৰূপে তাক লেখা হৈছিল। শঙ্কৰদেৱ কিতাপৰ ঘাই উদ্দেশ্য আছিল মহাপুৰুষ শঙ্কৰদেৱৰ ফালে মানুহৰ মনযোগ আকৰ্ষণ কৰা।" সম্ভৱতঃ অধঃপতিত আৰু বিপৰ্যস্ত সেই সময়ৰ বঙালী-মুখাপেক্ষী অসমীয়াক এই 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থৰ পোহৰে প্ৰকৃত সত্য-তথ্যৰ সন্ধান দিবলৈ সমৰ্থ হৈছিল আৰু সম্ভৱতঃ মহাপুৰুষ গৰাকীৰ অলৌকিক জীৱনী আৰু জীৱন-দৰ্শনে জাতীয়তা আৰু মানৱতাৰ ভাৱত উদ্বুদ্ধ হবলৈ সেই সময়ৰ অসমীয়া সকলক অনুপ্ৰাণিত কৰিছিল। 'শ্ৰীশ্ৰীশঙ্কৰদেৱ' জাতীয়তাবাদী লেখক বেজবৰুৱাৰ প্ৰাণৰ লেখা আৰু এইখন গ্ৰন্থই মহাপুৰুষজনাৰ

বিষয় বচিত চৰিত বা আলোচনা গ্ৰন্থৰ ভিতৰত বৈজ্ঞানিক আলোচনাৰ ভেটিত প্ৰতিষ্ঠিত সৰ্ব্বপ্ৰথম গ্ৰন্থ। অৱশ্যে এইখনো সম্পূৰ্ণৰূপে ব্যক্তিনিৰপেক্ষ জীৱনী-গ্ৰন্থ বুলি কোৱা টান ; বেজবৰুৱাই একান্ত ভক্তৰ দৃষ্টিৰেহে এই গ্ৰন্থ ৰচনাত প্ৰবৃত্ত হৈছিল।

'শ্ৰীশ্ৰীশঙ্কৰদেৱ' গ্ৰন্থখনৰ কলেৱৰো সৰু হ'ল আৰু তাত মহাপুৰুষ গৰাকীৰ জীৱনী, কৰ্ম আৰু ধৰ্মতত্বৰো সম্পূৰ্ণ পৰিচয় পৰিস্ফুট হৈ নুঠিল,—ইয়াকে ভাবিয়েই বেজবৰুৱাই শঙ্কৰদেৱৰ বিষয়ক গভীৰ আলোচনাত মনোনিবেশ কৰিলে, হাতে ঢুকি পোৱা সকলোবোৰ চৰিত পুথি পঢ়ি উপান্ত কৰিলে ; বুৰঞ্জী, আখ্যান, আলোচনা আদিও পঢ়িলে ; লগতে ভাগৱত, গীতা আদি বৈষ্ণৱধৰ্ম বিষয়ক আতিগুৰি থকা গ্ৰন্থবোৰো পঢ়ি উপান্ত কৰিলে। তাৰ ফল স্বৰূপে অসমীয়া জাতিয়ে ১৯১৫ চনত লাভ কৰিলে বেজবৰুৱাৰ শক্তিশালী তুলিকাৰপৰা ওলোৱা সুবৃহৎ কলেৱৰৰ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থখন। ইয়াত মহাপুৰুষ শঙ্কৰদেৱ প্ৰমুখ্যে প্ৰায় আঠাইশ কেইগৰাকী প্ৰধান প্ৰধান অসমীয়া বৈষ্ণৱধৰ্ম প্ৰচাৰক, তেওঁলোকৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ মূলমত আৰু তত্বৰ বহল আলোচনা পোৱা যায়। তদুপৰি মধ্যযুগীয় অসমৰ সাংস্কৃতিক জীৱনৰ সুপৰিচয়ো এই গ্ৰন্থতে সুবিন্যস্ত হোৱা অনুভৱ কৰা যায়। বিশেষকৈ মহাপুৰুষ শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ লগে লগে সমগ্ৰ অসম ব্যাপি জাগ্ৰত হোৱা ধৰ্ম, সাহিত্য আৰু সাংস্কৃতিক আলোড়নৰ ছবি ইয়াত অতি সুন্দৰকৈ পৰিস্ফুট কৰি তোলা হ'ল।

এই গ্ৰন্থখন প্ৰধানকৈ জীৱনীমূলক। মহাপুৰুষ শ্ৰীশঙ্কৰদেৱৰ পূৰ্ণপৰিচয় দিয়াৰ উপৰিও তেওঁৰ প্ৰধান শিষ্য শ্ৰীমাধৱদেৱ আৰু সমসাময়িক আৰু অলপ পিচৰ দামোদৰদেৱ, হৰিদেৱ, ঠাকুৰ আতা, অনন্তকন্দলি, গোপাল আতা, মথুৰা আতা, বদুলা আতা প্ৰমুখ্যে বিখ্যাত বিখ্যাত সন্ত-মহন্ত আৰু ধৰ্মাচাৰ্য্যসকলৰ জীৱন বৃত্তও ইয়াত সন্নিবিষ্ট হৈছে। শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষসকলৰ পৰিচয়, অসমলৈ আগমন আৰু শেষত সেই ভূঞা বংশৰ বিস্তৃতিৰ কথাও ইয়াত তুলি ধৰা হৈছে। মুঠতে সন্ত-মহন্তসকলৰ দ্বাৰা ৰচিত, চৰিতপুথিৰ আধাৰত ৰচিত এই 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থখনে মধ্যযুগীয় অসমত শঙ্কৰদেৱ প্ৰমুখ্যে বিশিষ্ট ধৰ্মগুৰুসকলে প্ৰচাৰ কৰা বৈষ্ণৱধৰ্ম আৰু ধৰ্মানুষ্ঠানৰ সাধাৰণ পৰিচয় এটা নিশ্চয়কৈ তুলি ধৰিছে। গ্ৰন্থৰ অন্তত 'মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত' শীৰ্ষক আলোচনাত অসমীয়া মহাপুৰুষীয়া বা বৈষ্ণৱমতৰ ওপৰত এটা স্পষ্ট আভাসো দাঙি ধৰিছে। মুঠতে এই গ্ৰন্থখনে অসমৰ বৈষ্ণৱধৰ্ম, ধৰ্মানুষ্ঠান আৰু ধৰ্মপ্ৰচাৰক-সকলৰ বিষয় এটা সাধাৰণ ধাৰণা পাঠক-পাঠিকা মাত্ৰকেই দিব পাৰে।

কিন্তু এই গ্ৰন্থখনক বৈজ্ঞানিক পদ্ধতিত ৰচিত প্ৰামাণিক গ্ৰন্থ বুলি অভিহিত কৰা টান। এই গ্ৰন্থখনত তুলি ধৰা ভালেমান যুক্তিৰ আধাৰ-গ্ৰন্থৰ উল্লেখ নাই আৰু আন কিছুমান যুক্তিৰ নিদৰ্শন বিবদমান। গ্ৰন্থখনৰ চতুৰ্বিংশ অধ্যায়ত শ্ৰীশঙ্কৰদেৱৰ বৈকুণ্ঠ প্ৰয়াণৰ বৰ্ণনা দিয়া হৈছে। কিন্তু কাহিনী ভাগৰ আধাৰ-গ্ৰন্থৰ কোনো উল্লেখ নাই, অৱশ্যে সেই অধ্যায়ৰ শেষৰ ফালে মাধৱদেৱ আৰু দামোদৰদেৱৰ বিবাদৰ কথাৰ আধাৰ গ্ৰন্থৰ মত উল্লেখ কৰা হৈছে। শঙ্কৰদেৱৰ প্ৰয়াণৰ বিষয় কাহিনী ক'ৰপৰা লোৱা হৈছে তাৰ আধাৰ-গ্ৰন্থৰ উল্লেখ নথকাত অনুসন্ধিৎসু পাঠক-পাঠিকাই মূলগ্ৰন্থ অনুধাৱন কৰিবলৈ আগ্ৰহান্বিত হলেও তাৰ মাজত প্ৰৱেশ কৰি মূলতত্ব জানিবলৈ সহজে সমৰ্থবান হব নোৱাৰে। তেনেদৰে শঙ্কৰদেৱ আৰু তেওঁৰ শিষ্য-প্ৰশিষ্যবৰ্গই ভিন ভিন গ্ৰন্থ ৰচনা কৰা বা সত্ৰ আদি প্ৰতিষ্ঠা কৰাৰ বিৱৰণ কোন আধাৰ-গ্ৰন্থৰপৰা লোৱা হ'ল তাৰো নিদৰ্শন প্ৰায়েই তুলি ধৰা হোৱা নাই। দামোদৰ-দেৱৰ বিষয় থকা পঞ্চদশ অধ্যায়ৰ পৰিচয়ো যথেষ্ট বিবদমান। বেজবৰুৱাই দামোদৰদেৱ বিষয়ক এই পৰিচয়মূলক বিৱৰণ ৰামচৰণ ঠাকুৰ বিৰচিত 'আদি গুৰু চৰিত'ৰ পৰা লোৱা বুলি উল্লেখ কৰিছে। দত্তবৰুৱা কোম্পানীৰ দ্বাৰা প্ৰকাশিত আৰু ৰামচৰণ ঠাকুৰ বিৰচিত গুৰুচৰিতত কিন্তু দামোদৰ দেৱ বিষয়ক এই পৰিচয় পাবলৈ নাই। দামোদৰদেৱৰ চৰিতকাৰ ৰামৰায় আৰু নীলকণ্ঠই এনে কথা ক'তো উল্লেখ কৰা নাই। এনে কাৰণতে এশ্ৰেণীৰ দামোদৰপন্থী লোকৰ মনত অসন্তুষ্টি আৰু তথাকথিত অসমীয়া 'মহাপুৰুষীয়া' আৰু দামোদৰীয়া' পন্থাৰ উৎপত্তিৰ কাৰণে এনে ধৰণৰ ভ্ৰান্তিমূলক আলোচনা আৰু জনবিশ্বাসেই।

লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত এই জীৱনী গ্ৰন্থখন প্ৰকাশিত হৈছে ১৯১৫ চনত। সেই সময়ৰ অসমত বৈজ্ঞানিক পদ্ধতিত প্ৰতিষ্ঠিত ব্যক্তি নিৰপেক্ষ জীৱনী সাহিত্য কিয় অন্যান্য দেশতো সাহিত্যৰ সংখ্যা আছিল তেনেই তাকৰীয়া। সেই কাৰণে বেজবৰুৱাই থাউকতে পোৱাকৈ অসমীয়া বৈষ্ণৱ ধৰ্মৰ প্ৰাণ স্বৰূপ মহাপুৰুষসকলৰ জীৱনবৃত্ত ৰচনা কৰা নিশ্চয়কৈ প্ৰশংসনীয় আৰু গুৰুত্বপূৰ্ণ কাম হৈছে। ইয়াৰ কাৰণে মহাপুৰুষসকলৰ বৰ্তমান জীৱন বৃত্তকাৰ সকলেই নহয় সমগ্ৰ অসমীয়া জাতিয়েই বেজবৰুৱাৰ ওপৰত কৃতজ্ঞ। কিন্তু সেই সময়ত অসমতে নালাগে লক্ষ্মীনাথ বেজবৰুৱাৰ কৰ্মক্ষেত্ৰ বঙ্গদেশত বৈজ্ঞানিক পদ্ধতিত ৰচিত জীৱনবৃত্তৰ অভাৱ তেনেকৈ নাছিল। আনকি বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়ে ভগবান শ্ৰীকৃষ্ণকো বাস্তৱ দৃষ্টিৰে বিশ্লেষণ কৰি তেওঁৰ মহৎ গ্ৰন্থ 'শ্ৰীকৃষ্ণ' প্ৰণয়ন

কৰিছিল, যাৰ অনুকৰণত শেষত প্ৰবীণ অসমীয়া সাহিত্যিক পদ্মনাথ গোহাঁঞি বৰুৱাই শ্ৰীকৃষ্ণ গ্ৰন্থমালা ৰচনা কৰিবলৈ প্ৰেৰণা আৰু সমল পাইছিল।

বেজবৰুৱাৰ বৃহৎ জীৱনীগ্ৰন্থ 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' যথাৰ্থতে ভক্তহিয়া বিদাৰি ওলোৱা ভক্তি-তৰ্পণ বা ভক্তি-পুষ্পাঞ্জলিহে। জনসাধাৰণক ধৰ্ম আৰু বিশেষকৈ মহাপুৰুষসকলৰ প্ৰতি আকৰ্ষিত কৰাত এনে গ্ৰন্থৰ প্ৰভাৱ নিশ্চয়কৈ প্ৰশংসনীয় হ'ব, কিন্তু নিৰপেক্ষ ভাৱে ধৰ্মগুৰুসকলক জনাৰ বা তেওঁলোকৰ দ্বাৰা সৃষ্ট অসমীয়া ভক্তি আন্দোলনৰ বিষয় বিশ্লেষণ কৰি চোৱাৰ স্পষ্ট আভাস এই গ্ৰন্থখনত নাই। এই গ্ৰন্থ অধ্যয়নে অসমীয়া বৈষ্ণৱধৰ্মাবলম্বী ভিন ভিন শাখা-প্ৰশাখাৰ লোকৰ মাজত সম্প্ৰীতিৰ পৰিবৰ্তে অপ্ৰীতি আৰু অসূয়া ভাৱৰ সৃষ্টি কৰাৰ আশংকাহে আছে। এইখন ব্যক্তিনিৰপেক্ষ জীৱন-বৃত্ত নহ'ল।

কিন্তু এই গ্ৰন্থখনে মধ্যযুগত বৈষ্ণৱ আলোড়নে ৰজাঘৰ-প্ৰজাঘৰ সকলোকে কিদৰে গভীৰভাৱে উদ্বুদ্ধ কৰি তুলিছিল তাৰ স্পষ্ট আভাস দিয়ে। চামে চামে বিভিন্ন ঠাইৰ লোক আহি গুৰুসকলৰ ওচৰত যে ভক্তি ধৰ্ম লৈছিলহিয়েই, চিলাৰায় দেৱানৰ উপৰিও মহাৰাজ নৰনাৰায়ণো যে গভীৰভাৱে বৈষ্ণৱধৰ্ম আৰু ধৰ্মগুৰু শঙ্কৰদেৱৰ প্ৰতি আকৰ্ষিত হৈছিল, তাৰ স্পষ্ট নিদৰ্শনো ইয়াত আছে।

ওপৰঞ্চিত সন্নিবিষ্ট কৰা 'মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত' অধ্যায়তো তত্ত্বান্বেষী বেজবৰুৱাৰ ধ্যান-ধাৰণাৰেই পৰিচায়ক। ইয়াত সাকাৰ-নিৰাকাৰ তত্ত্ব; অসমীয়া বৈষ্ণৱ মতৰ খৃষ্টান-মুছলমান আদিৰ ধৰ্মতত্ত্বৰ লগত সাদৃশ্য; ভক্তিধৰ্মৰ মূলকথা, বুদ্ধ-মহাবীৰ, কবিৰ, নানক আদিৰ লগত শঙ্কৰীধৰ্ম আৰু শঙ্কৰদেৱৰ সাদৃশ্য; জ্ঞানযোগ, ভক্তিযোগ আৰু কৰ্মযোগৰ তাৎপৰ্য্য; অৱতাৰবাদ; ভগৱানৰ লীলা; সগুণ-নিৰ্গুণ ভক্তি, নৱবিধা ভক্তিৰ তাৎপৰ্য্য; প্ৰকৃত বৈষ্ণৱৰ লক্ষণ আৰু মুক্তি বা মোক্ষ আদিৰ কথা সৰল-সহজ ভাৱে বৰ্ণাৰ পৰাটো নিশ্চয়কৈ তত্ত্বান্বেষী বেজবৰুৱাৰ জ্ঞান-গভীৰতাৰেই পৰিস্ফুৰণ। তত্ত্বমূলক আলোচনাৰ মাজেদি বেজবৰুৱাৰ বহল মানসিক দিগ্‌বলয়ৰ পৰিচয়ো স্পষ্ট, কোনো ক্ষেত্ৰতেই সংকীৰ্ণতাৰ পৰিচয় দিয়া নাই আৰু যিমানদূৰ সম্ভৱ ব্যক্তিনিৰপেক্ষ ভাৱেই তত্ত্বমূলক আলোচনাসমূহ দাঙি ধৰিবলৈ যত্ন কৰিছে। অৱশ্যে পিছলৈ এই আলোচনাই 'বাঁহী'ৰ পাতে পাতে বিশৃঙ্খলপৰা বিশালতত্ত্বৰূপ পৰিগ্ৰহ কৰাৰ কথাও 'বাঁহী'ৰ পাঠক-পাঠিকা মাত্ৰেই নজনা নহয়।

এই জীৱনী-গ্ৰন্থখনৰ আন এটা প্ৰধান বৈশিষ্ট্য এয়ে যে বেজবৰুৱাই সম্ভৱতঃ সৰ্বপ্ৰথম শঙ্কৰদেৱক সৰ্বভাৰতীয় তথা আন্তৰ্জাতিক খ্যাতিসম্পন্ন বুদ্ধ,

জৈন আদিৰ লগত তুলনা কৰি শঙ্কৰদেৱৰো এটা আন্তৰ্জাতিক খ্যাতি আৰোপণ কৰিব বিচাৰিছে। বেজবৰুৱাৰ আগতে কোনো অসমীয়াই "বুদ্ধৰ সৈতে আমাৰ শঙ্কৰদেৱৰ তুলনা হয়।" কথাষাৰ কোৱা নাছিল। বেজবৰুৱাই ভাৱপ্ৰৱণতা-বশতঃ কিন্তু এই আষাৰ কথা কোৱা নাই। বুদ্ধদেৱৰ জীৱনৰ ত্যাগ আৰু কীৰ্ত্তিৰ লগত শঙ্কৰদেৱৰ জীৱনৰ ত্যাগ আৰু কীৰ্ত্তিৰ সাদৃশ্য বিচাৰি পাইহে তেওঁ এনে গুৰুত্বপূৰ্ণ আৰু অতিশয় তাৎপৰ্য্যপূৰ্ণ উক্তি কৰি গৈছিল। এনে উক্তিয়ে ভাবুক মাত্ৰকে দুয়োজন মহাপুৰুষৰ জীৱন-বৃত্ত তুলনা কৰি চাবলৈ নিশ্চয় বাধ্য কৰিব। ইয়ে বেজবৰুৱাৰ স্বাধীন আৰু মুক্ত চিন্তা শক্তিৰো পৰিচয় দিয়ে। এনে চিন্তাই তাহানিৰ আত্মবিস্মৃত অসমীয়াৰ মনত সঞ্জীৱনী শক্তি দান কৰিছিল আৰু অতীতৰ ওপৰত প্ৰতিষ্ঠিত হৈ বৰ্তমান আৰু ভৱিষ্যৎ ৰচিবলৈও নিশ্চয় অনুপ্ৰেৰণা যোগাইছিল। সেইকালৰপৰা এসময়ত বেজবৰুৱাৰ দ্বাৰা ৰচিত এই 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থখনক অসমীয়া জাতিয়ে বৈশিষ্ট্যপূৰ্ণ দৃষ্টিৰেই সম্ভৱতঃ গ্ৰহণ কৰিছিল।

কিন্তু তথাপি আমি স্বীকাৰ কৰিবই লাগিব যে এই গ্ৰন্থখন মনোধৰ্মীহে, বস্তুধৰ্মী বা বস্তুনিষ্ঠ নহয়। গ্ৰন্থখনৰ পাতনিত বেজবৰুৱাই নিজে উল্লেখ কৰা "যি যাৰ জীৱন চৰিত্ৰ লিখে, লেখকজন সেইজনৰ প্ৰতি শ্ৰদ্ধাবান নহলে তেওঁ লেখা কথাত প্ৰাণ নাথাকে। যি বিষয়ৰে যিজনে পট আঁকিবলৈ যায়, সেই বিষয়ত তেওঁ মনপ্ৰাণ সমৰ্পণ কৰি নালাগিলে সেই পট প্ৰকৃত নহৈ বিকৃতহে হব।" উক্তিয়েও প্ৰমাণ কৰে যে ই এখন মনোধৰ্মী জীৱন-চৰিত্ৰ। বেজবৰুৱাৰ এই 'উক্তিৰ সত্যতা আছে সঁচা', কিন্তু কোনো এটা বিষয়ে প্ৰকৃত সত্য-তথ্য উদ্‌ঘাটন কৰিবলৈ হলে আৱশ্যক ব্যক্তি-নিৰপেক্ষ আলোচনা। নহলে সাধাৰণতে প্ৰকৃত সত্যবস্তু উদ্‌ঘাটিত নহয়। শ্ৰীমদ্ভাগৱতৰ বিষয়ে ব্যাসদেৱে কৰা উক্তি,—"ভক্ত্যা ভাগৱতং বেত্তি ন বুধ্যা ন চ টীকয়া।" এটা প্ৰচাৰধৰ্মী উক্তিহে। প্ৰকৃত সত্য-তথ্য উদ্‌ঘাটনৰ কাৰণে নিৰপেক্ষ সমালোচনাৰ আৱশ্যকতা সকলো ক্ষেত্ৰতে প্ৰযোজ্য।

'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থ ৰচনা কাৰ্য্যৰ মাজেদি চৰিতকাৰ বেজবৰুৱাৰ বৰ্ণনাপ্ৰিয়তা, অধ্যয়নশীলতা, তথ্যানুসন্ধিৎসা আৰু সৰ্বতোপৰি ধৰ্মগুৰুসকলৰ প্ৰতি তেওঁৰ অন্তৰত প্ৰৱাহিত হৈ থকা নিৰ্ম্মল ভক্তিৰ পৰাকাষ্ঠাৰ কথা সহজে উপলব্ধি কৰা যায় সঁচা, কিন্তু নৈৰ্ব্যক্তিক বা বস্তুনিষ্ঠ আলোচনাৰ অভাৱৰ কাৰণে (বিশেষকৈ জীৱনী ছোৱাত) যথাৰ্থবাদী পাঠক-পাঠিকা মাত্ৰেই ইয়াক নিৰ্বিবাদে গ্ৰহণ কৰিব বুলি ধাৰণা কৰা টান। কিন্তু এইটো স্পষ্ট

আৰু সত্য যে এনে ধৰণৰ জীৱনীগ্ৰন্থ ৰচনাৰ ক্ষেত্ৰতো যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱাই বাটকটীয়া। তেওঁ সৰহ ক্ষেত্ৰতে মধ্যযুগীয় সন্ত-বৈষ্ণৱ মহাজন-সকলৰ অতীৱে শ্ৰদ্ধা আৰু ভক্তিৰ সহায়ত গ্ৰন্থখন উজ্জ্বলাই তুলিছে। ই মহাপুৰুষ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ প্ৰতি ভক্ত লক্ষ্মীনাথ বেজবৰুৱাৰ অন্তৰ নিগৰি ওলোৱা ভক্তিঅৰ্ঘ্যহে। সত্য অন্বেষণৰ ক্ষেত্ৰত এনে ৰচনাই তাৎপৰ্য্যপূৰ্ণ অৰিহণা যোগাব নোৱাৰিলেও কোনো নীতি বা ধৰ্মপ্ৰচাৰৰ ক্ষেত্ৰত এনে ৰচনাৰ প্ৰভাৱ অতুলনীয়।

অসমীয়া সাহিত্যত চৰিত বা জীৱনী গ্ৰন্থৰ ৰচনাৰীতি অতি প্ৰাচীন হলেও আত্মজীৱনী ৰচনাৰীতি কিন্তু অভিনৱ। আমাৰ দেশৰ প্ৰাচীন আৰু মধ্যযুগীয় লেখকসকলৰ ভিতৰত বহুতে গ্ৰন্থত আত্মপৰিচয় দিবলৈও ইচ্ছা নকৰিছিল। সম্ভৱতঃ বৈষ্ণৱ প্ৰভাৱৰ ফলত সৃষ্ট হোৱা আত্ম-লঘিমাৰ ভাৱেই ইয়াৰ মূল কাৰণ। অন্যান্য সাহিত্যতো আত্মজীৱনী এসময়ত নাছিল বুলিবই পাৰি আত্মজীৱনী আধুনিক যুগৰ সৃষ্টি। 'মোৰ জীৱন-সোঁৱৰণ' লক্ষ্মীনাথ বেজবৰুৱাৰ আত্ম-জীৱনী।

অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱা সৰ্ব্বপ্ৰথম আত্ম-জীৱনী লেখক হয়নে নহয় ঠাৱৰোৱা টান; কিন্তু তেওঁ একক নহয়। পদ্মনাথ গোহাঞি বৰুৱাৰ 'মোৰ-সোঁৱৰণী', জ্ঞানদাভিৰাম বৰুৱাৰ 'মোৰ-কথা', বেণুধৰ ৰাজখোৱাৰ 'মোৰ জীৱন-দাপোন' প্ৰভৃতিও আত্ম-জীৱনী। কিন্তু এইবোৰ এতিয়াও গ্ৰন্থৰ আকাৰত প্ৰকাশ হৈ নোলোৱাত তাৰ তাৎপৰ্য্য আৰু সৌন্দৰ্য্য অনুধাৱন কৰা টান।

বেজবৰুৱাই জীৱন-সোঁৱৰণ ছোৱা ছোৱাকৈ লেখিবলৈ আৰম্ভ কৰিছিল 'বাঁহী'ৰ পাতত। ১৮৪৪ শকৰ (১৯২২ চন) আহিনৰ সংখ্যা বাঁহীত তেওঁ সৰ্বপ্ৰথম আত্মজীৱনী লেখিবলৈ প্ৰবৃত্ত হয়। 'জীৱন-সোঁৱৰণ' গ্ৰন্থখনত পোৱা মতে তিনিবছৰ কাল নিৰবচ্ছিন্ন ভাবে ছোৱা ছোৱাকৈ লেখাৰ পিছত ১১ এঘাৰ বছৰকাল বিৰতিৰ অন্তত ১৯৩৫ চনৰ পুহত অমিয়কুমাৰ দাসৰ দ্বাৰা সম্পাদিত 'বাঁহীত বন্ধু-বান্ধৱৰ অনুৰোধ ক্ৰমে তেওঁ আকৌ আত্মজীৱনী ৰচনাত প্ৰবৃত্ত হয়। কিন্তু জীৱনৰ শেষ সময়লৈকে নিৰবচ্ছিন্ন ভাবে লেখা নাথাকিল, আকৌ লেখিবলৈ এৰি দিলে। সেই কাৰণে বেজবৰুৱাৰ জীৱন সোঁৱৰণত আমি তেওঁৰ পূৰ্ণ-জীৱনৰ পৰিচয় নাপাওঁ;—১৮৬৮ চনত জন্মাৰেপৰা ১৯০৩ চনত ভোলানাথ বৰুৱাৰে সৈতে কাঠৰ ব্যৱসায় কৰি থকা কাললৈ তেওঁৰ ৭০ সত্তৰ বছৰীয়া জীৱনৰ মাথোন ৩৫ বছৰৰ পৰিচয়হে আমি তাত পাওঁ। তেওঁৰ জীৱনৰ গুৰুত্বপূৰ্ণ কালছোৱাৰ পৰিচয়েই আমি তেওঁৰ জীৱন-সোঁৱৰণত নাপাওঁ।

'জোনাকী'ৰ বুকুত সাহিত্যিক জীৱনৰ পাতনি মেলি তাৰ বুকুতেই সুসাহিত্যিক ৰূপে প্ৰতিষ্ঠা লাভ কৰিলেও যথাৰ্থতে বেজবৰুৱা সাহিত্যৰথী ৰসৰাজ হ'ল 'বাঁহী'ৰ বুকুত হে। পিছৰ কালছোৱাতেই তেওঁ ৰচনা কৰে—মৌলিক হাস্য-ৰসাত্মক প্ৰবন্ধ আৰু কেৰিকেচাৰসমূহ, গধুৰ নাট, জীৱনী আৰু ধৰ্মীয় গ্ৰন্থ, তত্ত্বমূলক আলোচনা অ রু সমালোচনা প্ৰভৃতি। সাহিত্যৰথী বেজবৰুৱাৰ প্ৰতিভাৰ পূৰ্ণ পৰিস্ফুৰণ ঘটে যথাৰ্থতে 'বঁহী' প্ৰকাশৰ লগে লগেহে। 'মোৰ জীৱন-সোঁৱৰণ'ত আমি বেজবৰুৱাৰ আংশিক জীৱনৰ হে পৰিচয় পাওঁ। সেই কাৰণে ইয়াক আমি পূৰ্ণাঙ্গ আত্ম-জীৱনী বুলিব নোৱাৰোঁ, ই অপূৰ্ণ; কিন্তু যিখিনি পাওঁ, সেইখিনিয়ে লক্ষ্মীনাথক এগৰাকী প্ৰতিভাশালী সুব্যক্তিৰূপে পাঠক-পাঠিকাৰ মনঃচক্ষুৰ আগত উজ্জ্বলাই তোলে আৰু তেনেদৰে উপলব্ধি কৰ যায় সুসাহিত্যিক লক্ষ্মীনাথৰ জন্মৰপৰা ৩৫ বছৰলৈ এই কালছোৱাৰ অসমৰ সামাজিক আৰু বিশেষকৈ সাংস্কৃতিক জীৱনৰ এখনি অনুপম ছবি। আৰু ইয়ে নিৰ্ণয় কৰে তেওঁৰ জীৱন-সোঁৱৰণৰ সাৰ্থকতা।

আত্ম-জীৱনী কেৱল ৰচকৰ জীৱন-বৃত্তই নহয়, ইয়াৰ মাজেদি সাধাৰণতে লেখকৰ সমসাময়িক সমাজৰ সাহিত্য, সংস্কৃতি, ৰাজনীতি, অৰ্থনীতি আদি কাৰ সামাজিক পৰিবেশৰ চিত্ৰও ৰূপায়িত হয়। কাৰণ লেখকজন এজন সামাজিক ব্যক্তিহে। তেওঁ সমাজৰ মাজত জন্মলাভ কৰি সমাজৰ মাজতেই জ্ঞান-গৰিমা লাভ কৰি সৰ্বাঙ্গসুন্দৰ বা পৰিপুষ্টও হয়। তেওঁ সমাজৰ মাজতেই জ্ঞান-বিজ্ঞানৰ অনুশীলনো কৰে আৰু সাহিত্য-শিল্প আদিৰ সাধনাও কৰে। সামাজিক প্ৰভাৱৰপৰা ব্যক্তি কোনোপধ্যেও মুক্ত নহয়। আনকি বৈপ্লবিক প্ৰতিভাৰ-দ্বাৰা সমাজ সংস্কাৰ কৰা সুমহান ব্যক্তিসকলৰ ওপৰতো সমাজৰ প্ৰভাৱ অতুলনীয়, সামাজিক পৰিবেশেই তেওঁক বৈপ্লবিক হোৱাত ইন্ধন যোগায়। কুসংস্কাৰাচ্ছন্ন সমাজেও ব্যক্তিক সৎ আৰু মহৎ হবলৈ অনুপ্ৰাণিত কৰিব পাৰে। ব্যক্তিৰ বিকাশৰ লগত সমাজৰ অতি ঘনিষ্ঠ সম্পৰ্ক। সেই কাৰণে ব্যক্তি জীৱনৰ পৰ্য্যালোচনা কৰিব লাগিলে সমাজ-জীৱনৰ সাংস্কৃতিক, ৰাজনৈতিক জীৱনৰ ছবি তুলি ধৰাৰ আৱশ্যকতা তেনেই বাঞ্ছনীয়।

বেজবৰুৱাৰ জন্মৰ সময়ৰ অসম সকলোক্ষেত্ৰতে দুৰ্দশাগ্ৰস্ত। ৰাজনীতিত দেশ পৰাধীন,—বিদেশী ইংৰাজ চৰকাৰৰ অধীন। বিদেশীৰ অধীনত সমগ্ৰ ভাৰতীয়ৰ লগতে অসমীয়াইও সকলো প্ৰকাৰৰ স্বাধীনতা হেৰুৱালে, আনকি বাক্‌স্বাধীনতাও। নিজৰ দেশত নিজেই হ'ল তেওঁয়া বিদেশী আলহী স্বৰূপ। বিদেশী শাসনৰ লগে লগে অসমলৈ আহিল বঙালী ভাষা-সাহিত্যৰ সাম্ৰাজ্যও।

অসমীয়াই নিজৰ মাতৃভাষাৰে মাত মাতিব নোৱাৰাও হ'ল, বিদ্যালয়ত বঙালী, অফিচ-আদালতত বঙালী, সকলোতে কেৱল বঙালীৰ অবাধ আধিপত্য। আনকি ভাবনা-সবাহ আৰু সত্ৰীয়া-জীৱনৰ ওপৰতো অভাৱনীয়ৰূপে বঙালীৰ প্ৰভাৱ বাঢ়ি গৈছিল। সৰহভাগ অসমীয়াই অতীতৰ শৌৰ্য্য-বীৰ্য্য আৰু সংস্কৃতিপূৰ্ণ জাতীয় জীৱনৰ প্ৰতি পিঠি দি সম্পূৰ্ণৰূপে আত্মবিস্মৃত হৈ বিদেশ আৰু বিদেশীমুখী জীৱন নিৰ্বাহ কৰিবলৈ হে যেন হৈছিল বদ্ধপৰিকৰ। ভেম আৰু ভণ্ডামিয়ে তেতিয়াৰ অসমৰ সমাজ-জীৱন ছাটি পেলাইছিল। আত্মমৰ্য্যাদাহীন পৰমুখাপেক্ষী কেলেহুৱা ভেম-ভণ্ডামিপূৰ্ণ জীৱন নিৰ্বাহ কৰাই আছিল তেতিয়াৰ সৰহভাগ অসমীয়াৰেই জীৱনৰ লক্ষ্য।

ৰাজনৈতিক পৰিস্থিতি বাদে অসমৰ অন্যান্য প্ৰায় সকলো দিশৰ ছবি আমি বেজবৰুৱাৰ দ্বাৰা ৰচিত 'মোৰ জীৱন-সোঁৱৰণ'ত চিত্ৰিত হোৱা উপলব্ধি কৰোঁ। কিন্তু সেই সময়ৰ অসমত ৰাজনৈতিক সজাগতা নাছিল বুলিব নোৱাৰি। উনবিংশ শতিকাৰ শেষভাগত ইংৰাজ শাসনত বিতুষ্ট নামনি অসমৰ কৃষক ৰাইজে প্ৰত্যক্ষভাবে ইংৰাজৰ বিৰুদ্ধে প্ৰবল বিদ্ৰোহ ঘোষণা কৰিছিল। নলবাৰী, ৰঙিয়া, পাথৰিঘাট, বৰপেটা, সৰ্থেবাৰী আদি ঠাইত অস্ত্ৰ-শস্ত্ৰেৰে সুসজ্জিত ইংৰাজ চৰকাৰৰ সেনাবাহিনীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি শ শ হৃষ্ট-পুষ্ট-বলিষ্ঠ অসমীয়া খেতিয়কে সুশাসন প্ৰতিষ্ঠাৰ কাৰণে প্ৰাণ-পণ কৰি দেহ-ত্যাগ কৰিলে। এই কৃষক বিদ্ৰোহৰ আভাস বেজবৰুৱাৰ জীৱন-সোঁৱৰণত অলপো নাই। ১৮৮৫ চনতে সংগঠিত হোৱা ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ নেতৃত্বত বালগঙ্গাধৰ তিলক প্ৰভৃতিয়ে "স্বৰাজ মানুহৰ জন্মস্বত্ব" ধ্বনিৰে ইংৰাজৰ বিৰুদ্ধে যি স্বাধীনতা আন্দোলন গঢ়ি তুলিছিল, তাৰ ছবিও বেজবৰুৱাৰ জীৱন চৰিত্ৰত পাবলৈ নাই। অৱশ্যে দাদাভাই নৌৰজী, সুৰেন্দ্ৰ নাথ ব্যানাৰ্জী প্ৰমুখ্যে সেই সময়ৰ ভাৰত বিখ্যাত ৰাজনৈতিক নেতাসকলৰ নাম উল্লেখ কৰাৰ পৰা আৰু ঠায়ে ঠায়ে ৰাজনৈতিক আন্দোলনৰ আভাস থকাৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ৰ ভাৰতত এটা প্ৰবল ৰাজনৈতিক আন্দোলন সম্ভৱতঃ গঢ়ি উঠিব ধৰিছিল। স্পষ্ট আভাস কিন্তু সমূলি নাই। 'মোৰ জীৱন-সোঁৱৰণ'ত আন্তৰ্জাতিক সমস্যাৰ কথাও পাবলৈ নাই। অথচ সেই সময়ৰ ভাৰতবৰ্ষৰ ইউৰোপৰ লগত ঘনিষ্ঠ সম্পৰ্ক, ভাৰত ইংৰাজৰ অধীনত। সেয়ে নহয়, কলিকতীয়া জীৱনৰো সুস্পষ্ট ছবি ইয়াত চিত্ৰিত হোৱা নাই ; যদিও বেজবৰুৱাই জ্ঞানচক্ষু লাভ কৰে কলিকতা মহানগৰীৰ বুকুত আৰু তেওঁৰ কৰ্ম-জীৱনৰ প্ৰধান কৰ্মক্ষেত্ৰও আছিল কলিকতাই।

কিন্তু ৰাজনৈতিক পৰিস্থিতিৰ বাহিৰে অসমৰ সাংস্কৃতিক জীৱনৰ প্ৰায় সকলো দিশৰে আভাস ইয়াত পোৱা যায়। অসমৰ বেহা-বাণিজ্য, যান-বাহন, জীৱিকা পৰিবৰ্তিত পটভূমিত বাইজৰ অৱস্থা, দীননাথ বেজবৰুৱা প্ৰমুখ্যে একশ্ৰেণীৰ নাগৰিকৰ অতীত প্ৰীতি, অসমৰ ভাষা-সাহিত্য-সংস্কৃতি, সত্ৰ-সচ', শিক্ষক-ছাত্ৰ-শিক্ষানুষ্ঠান প্ৰমুখ্যে সকলোবিলাক দিশৰ স্পষ্ট আভাস আছে 'মোৰ জীৱন-সোঁৱৰণত'। কোনো কোনো ক্ষেত্ৰত ই 'জীৱন-সোঁৱৰণ'ৰ পৰা জীৱনৰ স্বীকাৰোক্তিলৈ ৰূপান্তৰিত হোৱা যেন হে লাগে। তেওঁ কোনো লুক-ঢাক নোহোৱাকৈ জীৱনৰ সূক্ষ্মাতিসূক্ষ্ম ঘটনাবোৰো ইয়াত বৰ্ণনা কৰি গৈছে,—যিয়ে ইয়াক মনোধৰ্মী আৰু ৰসোত্তীৰ্ণ সাহিত্য ৰূপে প্ৰতীয়মান কৰি তুলিছে। উদাহৰণ স্বৰূপে বেজবৰুৱাৰ কবিতা ৰচনাৰ প্ৰয়াস (২৯) আৰু 'সপ্তপদী গমনৰ পিছত' (৩০) প্ৰসঙ্গলৈয়ে উনুকিয়াব পাৰি। "বেজবৰুৱা ডাঙৰীয়াৰ 'মোৰ জীৱন-সোঁৱৰণ' 'যি ক'ম সঁচা ক'ম' বুলি হলফ লোৱা জবানবন্দীৰ দৰে লুক-ঢাক নোহোৱা সত্য কথাই নহয়, তাত আন্তৰিকতা ছত্ৰে ছত্ৰে বিৰিঙি উঠিছে (৩১)।"

ই এখন উপন্যাসোপম জীৱন-সোঁৱৰণ, কাব্যিকতা প্ৰায় সকলো ঠাইতেই পৰিস্ফুট হৈ উঠিছে, কাব্যৰ প্ৰাণ ধ্বন্যাৰ্থও ব্যঞ্জিত নোহোৱাকৈ থকা নাই। তেওঁ লক্ষীমপুৰৰ সোঁৱৰণ প্ৰসঙ্গত সিদ্ধেশ্বৰ সোণাৰি আৰু দুৰ্গেশ্বৰ ধনিকৰৰ প্ৰসঙ্গ দুটা ইয়াত তুলি ধৰিছে। সিদ্ধেশ্বৰ সোণাৰিৰ প্ৰসঙ্গত— "আমাৰ ঘৰৰ ওচৰত সিদ্ধেশ্বৰ নামৰ সোণাৰি এজন আছিল। .... যেতিয়াই সুবিধা পাইছিলোঁ, আমি সিধাই (সিদ্ধেশ্বৰ) সোণাৰিৰ সোণাৰি-শাললৈ শুভাগমন কৰি তাত বহি একান্ত মনে, তেওঁ কেনেকৈ সোণ-ৰূপ মহীত দি ছাগলী ছালৰ ভাতীৰে ফোচ্-ফোচ্‌কৈ বতাহ দি গলাই নৈ নমাই চেঁচা পানীৰ চকত জুবুৰিয়াই অলপ টান কৰি নিয়াৰিৰ ওপৰত হাতুৰিৰে কোবাই কোনো এবিধ অলংকাৰ বা আন বস্তু গঢ়িছিল, সেইবোৰ অতি মনোযোগেৰে চাই কৌতূহল চৰিতাৰ্থ কৰিছিলোঁ..... (৩২)।" প্ৰভৃতিৰে যথাৰ্থতে সোণাৰি-শালৰ এটা সুস্পষ্ট ছবি চিত্ৰিত কৰিব পাৰিছে। যিয়ে পাঠক-পাঠিকাৰ মনত সোণাৰি-শালৰ সজীৱ ছবি দৰ্শকৰ মনত দান কৰিব পাৰে।

(২৯) মোৰ জীৱন-সোঁৱৰণ : প্ৰথম ভাগ, অষ্টম আধ্যা, ৮৭।৮৮।৮৯।৯০ পৃষ্ঠা।
(৩০) মোৰ জীৱন-সোঁৱৰণ : ২য় ভাগ, ৪ৰ্থ আধ্যা, ১২২ পৃষ্ঠা।
(৩১) মোৰ জীৱন-সোঁৱৰণ : প্ৰধান সম্পাদকৰ নিবেদন (ডঃ মহেশ্বৰ নেওগ)।
(৩২) মোৰ জীৱন-সোঁৱৰণ : ১ম ভাগ, ২য় আধ্যা, ৯ পৃষ্ঠা।

দুৰ্গেশ্বৰ খনিকৰ বিষয়ক প্ৰসঙ্গটো অধিক তাৎপৰ্য্যপূৰ্ণ আৰু সাহিত্যিক সৌন্দৰ্য্যৰ আধাৰ স্বৰূপ। খনিকৰ দুৰ্গেশ্বৰ শৰ্মাৰ বিষয় বেজবৰুৱাদেৱে এনেদৰে কৈছে—"প্ৰতিমা সাজিবলৈ আৰম্ভ কৰা দিনৰে পৰা তেওঁৰ কাষত আমাৰ সমাগম। কি উৎসাহেৰে মই প্ৰতিমাৰ নিমিত্তে বোকাখচা, জুমুখি বন্ধা আদি কাৰ্য্যত শৰ্মাৰ সহায়ক হৈ'ছলোঁ আৰু লগে লগে নিজৰ কল্পনাৰ সহায়েৰে মোৰ মনোবৃত্তিকো খচি-বান্ধি মনতে কি অপৰূপ মায়াপুৰী সাজিছিলোঁ, ভাবিলে শৰীৰত ৰোমাঞ্চ হয়। মই ভাবিছিলোঁ, দুৰ্গেশ্বৰ খনিকৰে যেনেকৈ এই প্ৰতিমাৰ প্ৰত্যেক অংশ নিজৰ সুনিপুণ হাতেৰে গঢ়ি তুলিব লাগিছে, আমাকো আমাৰ বৰ খনিকৰ ঈশ্বৰে সেইদৰে পৰিশ্ৰম কৰি গঢ়ি এই পৃথিবীত উমলিবলৈ পঠিয়াই দিছে।" সেই একে প্ৰসঙ্গতে বেজবৰুৱাই উল্লেখ কৰিছে,—"শৰ্মাদেৱে প্ৰতিমা গঢ়ি তোলাৰ প্ৰত্যেক কাৰ্য্যৰ অংশতে মোৰ কৌতূহলৰ চকু পৰিছিল। শল, হেঙুল, হাইতালৰ বৰণ পিহা-সনা কাৰ্য্যই প্ৰতিমাৰ গা, হাত, ভৰি, মুখ উজ্জল কৰাৰ লগে লগে মোৰে মন উজ্জল কৰি তুলিছিল। মনত আছে, এদিন দুৰ্গেশ্বৰ শৰ্মাদেৱক সুধিছিলোঁ—"দুৰ্গেশ্বৰ ককাইদেউ, এই হেঙুল, হাইতালবোৰ ক'ত পোৱা যায়?" তেতিয়া বেলি পৰিছে; পশ্চিম আকাশ বিচিত্ৰ বৰণেৰে চিত্ৰিত হৈ উঠিছে। তেওঁ ততালিকে সেই ফালে আঙুলিয়াই দেখুৱাই কলে,—এইবোৰ মই সৌ তাৰ পৰা আনিছোঁ।" মই সুধিলো,—"আমিও আনিব নোৱাৰোনে?" তেওঁ উত্তৰ দিলে,—"তইঁতে নোৱাৰ। গোসানী পূজাৰ সময়ত মই আকাশী দেৱতাক খুজি আনোঁ। মোকহে দিয়ে (৩৩)।" প্ৰভৃতি বৰ্ণনা যথাৰ্থতে চিত্তাকৰ্ষী, তাৎপৰ্য্যপূৰ্ণ আৰু ধ্বন্যাত্মকো। এনে সাহিত্যিক সৌন্দৰ্য্যৰ সমাবেশ 'মোৰ জীৱন-সোঁৱৰণ'ত প্ৰায়েই ঘটিছে। বেজবৰুৱাৰ কৃপাবৰী ৰূপেও ইয়াক অধিক ৰসাল কৰি তুলিছে।

অৱশ্যে দু-এঠাইত যে অমাৰ্জিত আৰু অসাহিত্যিক ভাষা বা ৰীতিৰ প্ৰয়োগ হোৱা নাই, সিও নহয়। যেনে,—শিৱসাগৰৰ বঙ্গীয় আদৰ্শ বিদ্যালয়ৰ হেডপণ্ডিতে কিশোৰ লক্ষ্মীনাথৰ পেটকামোৰণি হোৱাৰ কাৰণ ঘৰত কোমল-চাউলখোৱাৰ অভ্যাস বুলি কোৱা কাৰণে কৰা পৌঢ় লক্ষ্মীনাথৰ, "আমাৰ আদৰ্শ বঙ্গ বিদ্যালয়ৰ আদৰ্শ বঙালী হেডপণ্ডিত সৰ্ববিদ্যা-বিশাৰদ তাৰক বাবুৱে কোমল-চাউলক এনেকৈ কুকুৰে কাঁইট নোখোৱাকৈ বেতিয়া ককৰ্থনা কৰিছে, আৰু সেই ককৰ্থনা যেতিয়া তেওঁৰ বিদ্যাৰস্ত মুখ-নিঃসৃত. কোমল-চাউল খোৱাটো নিশ্চয়

(৩৩) 'মোৰ জীৱন-সোঁৱৰণ' : প্ৰথম ভাগ, দ্বিতীয় অধ্যা : ১০ পৃষ্ঠা।

আমাৰ অসভ্যতাৰ চিন (৩৪)।" আদি উক্তি নিশ্চয়কৈ অমাৰ্জিত। কাৰণ বঙালী হলেও বা অসমীয়া বিদ্বেষী হলেও তাৰকবাবু লক্ষ্মীনাথৰ শিক্ষক আৰু এই কথা প্ৰকাশ কৰিছে পৌঢ় বয়সৰ সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাই।

গ্ৰন্থখনৰ শেষৰ ফালে দিনপঞ্জী (ডায়েৰী) সংযুক্ত কৰা হৈছে। ইয়ে লক্ষ্মীনাথৰ দৈনন্দিন জীৱনৰ ব্যস্ততা উপলব্ধি কৰাত সহায় কৰিছে যদিও যথাৰ্থতে দিনপঞ্জী সাহিত্য নহয়। 'দিনপঞ্জী' কোৱা প্ৰসঙ্গতে লক্ষ্মীনাথে তেওঁৰ কাঠৰ ব্যৱসায়ৰ প্ৰধান গুৱিয়াল ভোলানাথ বৰুৱাৰ চৰিত্ৰ বিষয়েও সন্দেহৰ জাল তৰি দিছে, অথচ সেই কথাৰ কোনো স্পষ্ট সম্ভেদো দিয়া নাই, কেৱল ভোলানাথ বৰুৱাৰ চৰিত্ৰ পাঠক-পাঠিকাৰ মানত এটা ৰহস্য ৰূপে প্ৰতীয়মান হৈছে। এনে ৰীতি কিন্তু অবাঞ্ছনীয়।

এনে ধৰণৰ দুই এটা আসোঁৱাহ আৰু ত্ৰুটী থাকিলেও লক্ষ্মীনাথ বেজবৰুৱাৰ 'মোৰ জীৱন-সোঁৱৰণ' এখন সাৰ্থক আত্ম-জীৱনী। ইয়ে (অসম্পূৰ্ণ হলেও) লক্ষ্মীনাথৰ জীৱনৰ সকলো দিশতে পোহৰ পেলাবলৈ সমৰ্থ হৈছে, লগতে উনবিংশ শতিকাৰ দুৰ্দশাগ্ৰস্ত, ভাষা-সংস্কৃতি লুপ্ত আৰু আত্মবিস্মৃত অসম আৰু অসমীয়াক জনাতো সহায় কৰিছে। "বেজবৰুৱাৰ এই জীৱন-চিত্ৰত ক'তো ব্যক্তি জীৱনৰ খেদ নাই। পাঠকে ইয়াক সাহিত্যায়নৰ মাজত আনন্দমনে বিহাৰ কৰিব পাৰে। তেওঁৰ 'অতীত জীৱনৰ প্ৰতি স্বাভাৱিক মমত্বজনিত' ক্ষুদ্ৰ কথাবোৰেও ইয়াত চিত্ৰকলাৰ ৰূপ পৰিগ্ৰহ কৰি আছে। তেওঁৰ স্মৃতিফলকে কলাকাৰৰ চিত্ৰফলকৰ কাম কৰিছে (৩৫)।"

---

(৩৪) 'মোৰ জীৱন-সোঁৱৰণ: প্ৰথম ভাগ, ৪ৰ্থ অধ্যায়, ৩৮।৩৯ পৃষ্ঠা।

(৩৫) মোৰ জীৱন-সোঁৱৰণ: প্ৰধান সম্পাদকৰ নিবেদন, (ডঃ মহেশ্বৰ নেওগ)

বেজবৰুৱাৰ উপদেশমূলক ৰচনা

ভাৰতীয় জীৱন আধ্যাত্মিকতাৰ জীৱন ; ই ঋষি-মুনি, তপস্বী-সাধকৰ দেশ। এই দেশ বেদ-ব্ৰাহ্মণ, দৰ্শন-উপনিষদৰ দেশ। এই দেশত ৰজা সিদ্ধাৰ্থও হয় মহামুনি বুদ্ধ ; বা ৰজা হৈও জনক প্ৰভৃতি ৰজাসকলে যাপন কৰে ধ্যানী ঋষিৰ জীৱন। বিংশশতিকাৰ বৈজ্ঞানিক সভ্যতাৰ অৱদান স্বৰূপ জড়বাদৰ যুগতো ভাৰতীয়ৰ মনৰ পৰা এই ধ্যানী জীৱনৰ প্ৰভাৱ পূৰ্ণৰূপে তিৰোহিত হৈছে বুলিব নোৱাৰি। আজিও অসংখ্য ভাৰতবাসীয়ে তৰল চঞ্চল জীৱনক অৱহেলা কৰে, চঞ্চল চেলেপ্‌ মানুহক মনে-প্ৰাণে অৱজ্ঞা কৰে। এক বুজন সংখ্যক ভাৰতীয়ই গহীন-গম্ভীৰ বাতাবৰণৰ মাজত আজিও বিচাৰে এক পবিত্ৰ ধ্যানী-জীৱন অতিবাহিত কৰিবলৈ। একাকি নীতিবচনে আজিও এক বুজন সংখ্যক ভাৰতবাসীক বেদ-উপনিষদৰ বাণীৰ দৰে প্ৰভাৱান্বিত কৰিব পাৰে। আধুনিক গল্প, উপন্যাস, নাটক বা ৰস ৰচনাতকৈ এনে ধৰণৰ নীতি বচনৰ প্ৰভাৱ আজিও ভাৰতীয় জনসাধাৰণৰ ওপৰত বেছি।

বেজবৰুৱাহঁতৰ সময়ত সম্ভৱতঃ ৰাইজৰ ওপৰত আজিতকৈও আধ্যাত্মিকতাৰ প্ৰভাৱ আছিল বেছি। বেজবৰুৱাৰ কথা, কাৰ্য্য আৰু ৰচনাৱলীয়েও স্পষ্ট ৰূপে সূচাই যে তেওঁ নিজেও আধ্যাত্মিকতাৰ দ্বাৰা পৰিচালিত হৈছিল। তেওঁ আধ্যাত্মিক বলত বলী নোহোৱাহেঁতেন এক বিৰাট প্ৰতিকূল পৰিবেশৰ মাজত সমাজত নিজক প্ৰতিষ্ঠা কৰি যাব নোৱাৰিলেহেঁতেন। তেওঁৰ জীৱনে তেওঁক অভিজ্ঞ কৰি তুলিছিল। নিজৰ দৰে আনেও যাতে এক সাৰ্থক মানৱ জীৱন গঢ়ি তুলিব পাৰে তাৰ কাৰণেই সম্ভৱতঃ তেওঁ বেদৰ দিনৰ পৰা প্ৰচলিত হৈ অহা আৰু বিবোধৰ দ্বাৰা তেওঁ নিজে নিজৰ জীৱন গঢ়িবলৈ প্ৰেৰণা

পাইছিল, তেনেবোৰ বাণী লিপিবদ্ধ কৰি থৈ গ'ল। তাৰ ফলস্বৰূপে আমি পাওঁ 'কামত কৃতিত্ব লভিবৰ সঙ্কেত' আৰু 'বাখৰ' এই দুখন বহুমূলীয়া উপদেশমূলক গ্ৰন্থ। প্ৰথমখন প্ৰকাশ হৈছিল ১৯০৩ চনত আৰু দ্বিতীয় খন ১৯১৫ চনত। দুয়োখনৰে লক্ষ্য,—"চোলাৰ মোনাত 'নোটবুক' বা 'পকেটবুক' লৈ ফুৰুৱাদি লৈ ফুৰাব পৰাকৈ, মানুহৰ জীৱনত অতি লাগতীয়াল গোটাচেৰেক সঙ্কেত একে ঠাই কৰি সঙ্ক্ষেপকৈ" (৩৬) থুপাই ৰখা।

পুথিদুখনৰ উপদেশমূলক বাণীসমূহৰ মাজত সাদৃশ্য আছে যদিও প্ৰকাশ ভঙ্গীত অলপ বৈশিষ্ট্য দেখা যায়। 'কামত কৃতিত্ব লভিবৰ সঙ্কেত' খনত একোটা নীতি-বচন ব্যাখ্যা বা বিশ্লেষণ কৰি দেখুৱা হৈছে আৰু 'বাখৰ'ত একোটা বিষয়ৰ চমু আলোচনা দাঙি ধৰা হৈছে। গ্ৰন্থ দুখনৰপৰা দুই-এটা নিদৰ্শন তুলি ধৰিলে ই স্পষ্ট হৈ পৰিব।

'কামত কৃতিত্ব লভিবৰ সঙ্কেত'ত পঞ্চাশটা সঙ্কেতৰ বিশ্লেষণ আছে। প্ৰথম সঙ্কেতটো হ'ল—'সদায় সঁচা কথা কবা।' বহল দৃষ্টিভঙ্গীৰে ইয়াৰ ওপৰত এটা আলোচনা দাঙি ধৰি শেষত মোখনি মাৰিছে—"আজি-কালি প্ৰায় দেখা যায় যে মূদৈ সদাগৰৰ 'অফিচৰ' অনেক কাৰ্য্যকাৰকে মিছা কথা কৈ বা মিছা হিচাপ দি গ্ৰাহকক প্ৰবঞ্চনা কৰি মালিকক ন্যায্য প্ৰাপ্যতকৈ অধিক ধন আনি দি লাভ কৰি নিজৰ কাৰ্য্যদক্ষতা দেখুৱাই তেওঁৰ প্ৰিয়পাত্ৰ হয় বা হবলৈ যতন কৰে। কিন্তু এই কাৰ্য্যদক্ষ বেপাৰীয়ে এই ফেৰা কথা পাহৰে যে, সম্প্ৰতি তেওঁৰ মালিক তেওঁৰ ওপৰত যিমানেই সন্তুষ্ট নহওক, সদায় সেই মালিকৰ এনে এটা চোভাৰ ভাব তেওঁৰ প্ৰতি নেথাকি নোৱাৰে যে, এই অতি চতুৰ কৰ্মচাৰীজনে গ্ৰাহকক যেনেকৈ ফাঁকি দি তেওঁক টকা আনি দিছে, তেওঁকো তেনেকৈ কেতিয়াবা ফাঁকি দিব পাৰে; গ্ৰাহকক যেনেকৈ মিছা কথা কৈ লুটিছে, তেওঁকো তেনেকৈ লোটা অসম্ভৱ নহয়। ব্যৱসায় শিকিব খোজা ডেকাসকলে সদায় এই কথাটি মনত ৰাখি চলিব লাগে।" এনে মন্তব্য নিশ্চয়কৈ বাস্তৱমুখী, বৰ্তমানৰ দুৰ্নীতিগ্ৰস্ত আমি মানুহবোৰে,—বিশেষকৈ ব্যৱসায়ী সদাগৰসকলে, এই কথাটোলৈ মন কৰিলেও সমাজত সুখ-শান্তি প্ৰবৰ্তিব পাৰে।

'বিশ্বাসৰ পাত্ৰ হবলৈ সদায় লক্ষ্য ৰাখিবা', 'কেতিয়াও কৰ্তব্য কৰিবলৈ নিপিছুৱাবা', 'কথা জুখি ঠিককৈ কবা' প্ৰভৃতি বিভিন্ন উপদেশমূলক বাণী ইয়াত ৰূপায়িত কৰা হৈছে। এইবোৰৰ মাজেদি বেজবৰুৱাৰ জ্ঞান-গভীৰতা, পৰ্য্যবেক্ষণ-

(৩৬) পাতনি: কামত কৃতিত্ব লভিবৰ সঙ্কেত।

শীলতা আৰু মননশীলতাৰ স্পষ্ট নিদৰ্শন পোৱা যায়। 'কথা জুখি ঠিককৈ কবা' ত "মিছলীয়া মানুহৰ মিছা কথাৰ আৱৰণ কথা বঢ়াই কোৱাত।" একমাত্ৰ এই কথাষাৰেই তেওঁৰ সূক্ষ্মদৃষ্টি আৰু পৰ্য্যবেক্ষণশীলতাৰ স্পষ্ট নিদৰ্শন দাঙি ধৰে।

'কেতিয়াও নিজৰ বা পৰৰ ওপৰত লৰা-লৰিকৈ এটা মত গঠন নকৰিবা' বাণী আষাৰ ব্যাখ্যা প্ৰসঙ্গত তেওঁ কৈছে : "বহুত ডেকাই বিশ্ববিদ্যালয়ৰ মহলাত উঠিব নোৱাৰি, নিজক অকামিলা মূৰ্খ বা ভাবি, নিৰাশাৰ নাদৰ পাৰত ভৰি দি আত্মহত্যা পৰ্য্যন্ত কৰিবলৈ আগবঢ়া দেখা যায়। সি হঠাৎ নিজৰ বিষয়ে এটা ভুলমত সাজি লোৱাৰ ফল মাথোন। চাৰ ওৱাল্টাৰ স্কট আৰু ডাৰউইন প্ৰভৃতিৰ ছাত্ৰ-জীৱন আলোচনা কৰিলে এই হঠকাৰিতাৰ অসাৰত্ব বুজিব পাৰি। জগৎবিখ্যাত অদ্বিতীয় নেপোলিয়ান বোনাপাৰ্ট আৰু ওৱাটাৰ্লুত গৌৰৱ ধ্বজা নমাওঁতা ওৱেলিংটনৰ ভিতৰৰ কোনেও তেওঁলোকৰ লৰা-কালৰ জীৱনত ভবিষ্যৎ মহত্বৰ চিনাকী দিব পৰা নাছিল। ইংৰাজ ৰাজ-লক্ষ্মীৰ বিজয়-মুকুটত ভাৰতৰ কোহিনুৰ আৰোঁতা ক্লাইবে স্কুলত পঢ়োতে তেওঁৰ লগৰীয়া ছাত্ৰৰ মাজত মহামূৰ্খ নাম পাইছিল। জেনেৰেল গ্ৰাণ্টৰ বুদ্ধিৰ চোক লাহে লাহে শেষ বয়সতহে ওলাইছিল। স্কটলেণ্ডৰ বিখ্যাত কবি আৰু গান ৰচোঁতা বৰ্ণচই স্কুলত ভোটা-বুধীয়া বুলি বিদিত আছিল। তেওঁৰ অধ্যাপকে গীৰ্জাঘৰত গোৱা ধৰ্মসঙ্গীত, তেওঁক শিকাব নোৱাৰি দুখিছিল। চেৰিডনৰ অধ্যাপক ডাক্তৰ পেৰিয়ে চেৰিডনক ইস্কুলত অকামিলা ল'ৰাৰ শাৰীত পেলাই থৈছিল। গল্ডস্মিথৰ লগৰীয়া ছাত্ৰ-বিলাকে তেওঁৰ নাম 'মূৰ্খ অলগৰ্দ্ধ' থৈছিল।"ৰ দৰে এই পুথিত সন্নিবিষ্ট আলোচনাই জীৱন আৰু যুঁজত প্ৰবৃত্ত হবলৈ নিশ্চয় অনুপ্ৰাণিত কৰিব পাৰে। এনে আলোচনাই লেখক বেজবৰুৱাৰ অধ্যয়নৰ বিস্তৃতিৰো স্পষ্ট আভাস আমাক দিয়ে আৰু তেওঁৰ অধ্যয়নশীলতাও আমাৰ কাৰণে উৎসাহ-উদ্দীপনাৰ কাৰণ হৈ দেখা দিয়ে।

বেজবৰুৱাই আমাৰ মনৰ ওপৰত থকা সংস্কৃতৰ প্ৰভাৱৰ কথাও স্পষ্টকৈ অনুভৱ কৰিছিল। সেই কাৰণে তেওঁ উপদেশমূলক বাণী সমূহ ব্যাখ্যা প্ৰসঙ্গত পাঠক-পাঠিকাৰ মনত অধিক প্ৰভাৱ বিস্তাৰৰ কামনাৰেই সম্ভৱতঃ যথাৰ্থ-যুক্ত সংস্কৃত শ্লোক বা বচনৰ উদ্ধৃতিও দিছে। 'ধনৰ সদ্ব্যয় কৰিবা'ৰ স্পষ্টতা আৰু প্ৰভাৱশালীতাৰ কাৰণে—"পৰোপকাৰায় সতাং হি জীৱনম্" বা,—

"বিদ্যা বিবাদায় ধনং মদায়
শক্তিঃ পৰেষাং পৰিপীড়নায়

খলস্ত, সাধোর্বিপৰীতমেতৎ
দানায় ধৰ্মায় চ ৰক্ষণায়।”

‘কোনো কাৰ্য্য সিদ্ধি নোহোৱা পৰ্য্যন্ত তাত নেথানেপেৰাকৈ লাগিবা’ শীৰ্ষক বাণী আষাৰৰ ব্যাখ্যা ৰ তেওঁ সাঙুৰণি লগাইছে—“যত্নে কৃতে যদি ন সিদ্ধতি কোহত্ৰ দোষঃ” এই শাস্ত্ৰীয় যুক্তিৰে। ‘তোমাৰ যি ক্ষমতা আছে, অদৃষ্টক দুষি, তাকে কামত সম্পূৰ্ণৰূপে প্ৰয়োগ কৰিবা’ শীৰ্ষক বাণীৰ আলোচনা সামৰিছে আন এটি শাস্ত্ৰীয় যুক্তি,—

‘উদ্যোগিনং পুৰুষসিংহমুপৈতি লক্ষ্মী।
কাপুৰুষা এব দৈৱমবলম্বতে ॥”

যথাৰ্থতে মানৱ-জীৱনৰ কাৰণে অত্যন্ত তাৎপৰ্য্যপূৰ্ণ। ‘বিপদ আহিলে সাহিয়াল পুৰুষৰ দৰে তাৰ সমুখ হৈ তাক জয় কৰিবলৈ যতন কৰিবা’ৰ ব্যাখ্যা :— “জয় হলে আনন্দত উত্ৰৱল নহবা আৰু হাৰিলেও বীৰ পুৰুষৰ নিচিনাকৈ সেই হাৰ কান্ধপাতি লবা অৰ্থাৎ বিপদত ক্ষত্ৰিয় হবা।

‘হয় বয়া জিনয় কেহো জিনিয়া হাৰয়।
কোনো কালে ক্ষত্ৰিয়ৰ নাহি পৰাজয় ॥”

আদিও মানৱতাৰ কাৰণে অমূল্য জ্ঞান ভাণ্ডাৰ। এনে আলোচনা ‘গীতা’ আদি কৰি ধৰ্মশাস্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত হৈ ৰচনা কৰিলেও লেখক বেজবৰুৱাৰ অন্তৰ-দৃষ্টিৰ সুস্পষ্ট আভাস ইয়ে আমাক দিয়ে। যথাৰ্থতে ‘কামত কৃতিত্ব লভিবৰ সঙ্কেতে’ আমাক জীৱন-যুদ্ধত জয়যুক্ত হৈ কৃতিত্ব লভাত সহায় কৰিব পাৰে। এই গ্ৰন্থখনে লক্ষ্মীনাথ বেজবৰুৱাৰ স্বভাৱ, চৰিত্ৰ, ধৰ্ম বিশ্বাস, কৰ্ম বিশ্বাস, জীৱনৰ দিগ্‌বলয় আৰু আনকি অধ্যয়নৰ প্ৰসাৰতাৰ পৰিচয়ো দিয়ে।

বেজবৰুৱাৰ সৃষ্টি ‘বাখৰ’ যথাৰ্থতে নামে-কামে বাখৰ। হীৰা, পান্না, ডালিমা আদি বাখৰবোৰৰ পৱিত্ৰ স্নিগ্ধ মনোমুগ্ধকৰ উজ্জ্বলতাই মানৱ-মনৰ জেউতি চৰোৱাৰ দৰে বেজবৰুৱাৰ ‘বাখৰে’ও যথাৰ্থতে মানৱ-মন দীপ্তিময় কৰি তুলিব পাৰে। কণমান বাখৰটিয়েই যেনেকৈ বিচিত্ৰ প্ৰভাৱ বা কান্তি বিতৰণ কৰিব পাৰে, তেনেকৈ এই গ্ৰন্থখনত সন্নিবিষ্ট এখানি এখানি আলোচনাবোৰেও মানৱ-জীৱনৰ জেউতি চৰায় বৈচিত্ৰ্যময় কৰি তুলিব পাৰে। ভাৱৰ প্ৰগাঢ়তা, প্ৰকাশৰ সৰলতা আৰু ভাষাৰ সংযমতাই ‘বাখৰ’ৰ সোণত সুৱগা চৰাইছে। দুই এটা নিদৰ্শন তুলি ধৰা হওক :—

চৰিত্ৰৰ বিষয় কৈছে—

“চৰিত্ৰ মানুহৰ জীৱনৰ ভেটি। এই ভেটিটো দৃঢ় হব লাগে। নতুবা

জীৱনৰ বৃহৎ অট্টালিকাটো সংসাৰৰ হেঁচাত পৰি চুৰ-মাৰ হৈ যাব। জীৱন মানে মানুহৰ মনুষ্যত্ব বিকাশত হোৱা জীৱন; মাথোন খোৱা, শোৱা আৰু ধন-ঘটি ইন্দ্ৰিয়ৰ বৃত্তি চৰিতাৰ্থ কৰা জীৱন নহয়,—কাৰণ এনে জীৱন পশুৰ জীৱনতকৈ এখাপৰ হে ওপৰৰ। চৰিত্ৰ-মন্দিৰত ঈশ্বৰৰ সন্তান মনুষ্যৰ ঐশ্বৰিক গুণবোৰৰ মূৰ্ত্তি প্ৰতিষ্ঠিত থাকে, এতেকে সেই মন্দিৰ টান, শকত, নকটা, নভগা, আৰু সুকথা হব লাগে। বাহিৰৰ শত্ৰুৰ আক্ৰমণ ব্যৰ্থ কৰি চিৰকাল আত্মৰক্ষা কৰি, মূৰৰ ওপৰৰ সোণৰ কলচীটি জগৎ-কৰ্ত্তাৰ কাষে পোন কৰি থৈ আত্মপ্ৰসাদ লাভ কৰিব পৰা হব লাগে এই চৰিত্ৰ মন্দিৰটি।"

চৰিত্ৰ ৰক্ষাৰ কাৰণে প্ৰতিৰোধ-শক্তিৰ আৱশ্যকতাৰ বিষয় কৈছে— "প্ৰতিৰোধ শক্তি (Resistance) চৰিত্ৰ মন্দিৰৰ ভেটি হব লাগে। জীৱন এটা ধাৰাবাহিক প্ৰতিৰোধৰ ফল। নৰীয়াৰ প্ৰতিৰোধ, নৈসৰ্গিক আক্ৰমণৰ প্ৰতিৰোধ, হিংসাকুৰীয়া জন্তুৰ আক্ৰমণৰ প্ৰতিৰোধ, স্বাৰ্থপৰ, বিদ্বেষী, আৰু খলৰ আক্ৰমণৰ প্ৰতিৰোধ, নীহ, কূট, নিন্দক, আদি নিষ্কাৰণ বৈৰীৰ আঘাতৰ প্ৰতিঘাত, জীৱন ৰক্ষাৰ নিমিত্তে আৱশ্যক। প্ৰতিঘাতৰ শক্তি বা বলে মানুহক সকলো অৱস্থাতে পোন হৈ থাকিবলৈ, কৰ্ত্তব্য পালন কৰিবলৈ বল দি যোগ্য কৰে। এই শক্তিৰে অনুপ্ৰাণিত হৈ মানুহে স্বচ্ছন্দে জীৱিকা উপাৰ্জ্জন কৰিব পৰা ক্ষমতা লাভ কৰে, আৰু নিজক সততে বিপদৰ পৰা মুক্ত আৰু ৰক্ষা কৰি তেওঁ কাৰ্য্যসম্পাদন কৰিব পৰা হয়। ব্যায়াম, বিশুদ্ধ বায়ু, বিশুদ্ধ আহাৰে শৰীৰলৈ এই ক্ষমতা আনে, আৰু শুধ চিন্তা পৰোপকাৰ চিন্তা, জীৱৰ প্ৰতি দয়া-প্ৰেম আৰু ঈশ্বৰৰ প্ৰতি একান্ত ভক্তিয়ে মনলৈ এই ক্ষমতা আনে।"

চৰিত্ৰ গঠনৰ কাৰণে আৱশ্যকীয় গুণ পৰ্য্যবেক্ষণশীলতাৰ বিষয় আলোচনা কৰি তেওঁ বাস্তৱমুখিতাৰ বিষয় এনেদৰে আলোচনা কৰিছে,—

"পৰ্য্যবেক্ষণতে শেষ নকৰি তাৰ ফল কামত লগাব লাগে। অনেকে অনেক কথা দেখে, জানে আৰু ভাবে, কিন্তু কামত সেইবোৰ লগাব নোৱাৰে, বা লগাবলৈ যত্ন নকৰে। এনে মানুহ জানি-শুনি শিকি-বুজিও অকৰ্ম্মণ্য হয়। তোমাক নিজকে তুমি ভালকৈ চলাবলৈ শিকা, তেহে লোকক চলাব পাৰিবা; নিজক শাসনৰ তললৈ আনিলেহে লোকক তোমাৰ শাসনৰ তললৈ আনিব পাৰিবা। নিজৰ ওপৰত তুমি গৰাকী হব পাৰিলে, অৰ্থাৎ তোমাৰ স্বভাৱ চৰিত্ৰক তোমাৰ সম্পূৰ্ণ তলতীয়া কৰি লব পাৰিলে, তুমি পৰিবেষ্টিত থকা বাহিৰৰ [মনুষ্যসমাজ আৰু অৱস্থাকো লাহে লাহে তোমাৰ তলতীয়া কৰিব পাৰিবা।"

এনেবোৰ ৰচনা ৰচক লক্ষ্মীনাথ বেজবৰুৱাৰ বিভিন্ন শাস্ত্ৰ অধ্যয়ন, শাস্ত্ৰোপদেশৰ অনুকৰণ আৰু জীৱন-যুঁজৰ অভিজ্ঞতালব্ধ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত। প্ৰকৃত মানুহৰূপে নিজক গঢ়াত যথাৰ্থতে এনেবোৰ ৰচনাই আমাক বিশেষভাবে অনুপ্ৰাণিত কৰিব পাৰে।

মানুহৰ মানৱীয় মহৎ শক্তিৰ ওপৰত লক্ষ্মীনাথৰ আছিল গভীৰ বিশ্বাস। তেওঁৰ আত্মবলো আছিল অনুকৰণীয়। মহৎ চৰিত্ৰ গঠনৰ কাৰণে আৱশ্যকীয় মহৎ গুণ হ'ল উচ্চ-আদৰ্শ। এই বিষয়ে তেওঁ কৈছে :—"ওখ আদৰ্শ মনত লৈ সংসাৰত বাট বুলিলে তুমিও ওখ হবা। ক্ষুদ্ৰ আদৰ্শ বা আদৰ্শ বিহীন হৈ চলিলে তোমাৰ উন্নতি মৰুভূমিত পানী বিচৰাৰ নিচিনা। উন্নত হব নোৱাৰিলে নিশ্চয় অধঃপাত, কাৰণ সংসাৰত একে ঠাইতে থাকিব কোনেও কেতিয়াও নোৱাৰে।...ডাঙৰ ভাৱ, ওখ চিন্তা, ওখ আহি লৈ বাট বুলা, ভয় নকৰিবা, তুমি দিনকে দিনে উন্নতিৰ বাটত নিশ্চয় আগুৱাবা...সুন্দৰক আৰাধনা কৰাঁ, তুমিও সুন্দৰ হবৰ কালে যাবা। ঈশ্বৰ সত্য, শিৱ, সুন্দৰ। এই বাটে আগবাঢ়াঁ, তুমিও সৌন্দৰ্য্য, সুমঙ্গল আৰু সত্যৰ অধিকাৰী হবা, তুমি ঈশ্বৰৰ অংশ জীৱ, ভয় কি? তুমি দিনৌ এই কেইটা মন্ত্ৰ মাতিবা :—

(১) মই অসৎ আৰু অমঙ্গলৰ প্ৰতিৰোধ ক'ৰিম।
(২) মই মঙ্গলকাৰ্য্য কৰি নিজক মঙ্গলময় কৰি গঢ়িম
(৩) মই সকলো তন্ন-তন্নকৈ পৰ্য্যবেক্ষণ কৰিম।
(৪) মই সকলো কাৰ্য্য ফঁহিয়াই তাৰ ভাল-বেয়া উলিয়াম।
(৫) মই কৰ্ত্তব্য কাৰ্য্য যথাসাধ্য ভালকৈ কৰিম।
(৬) মই মিতব্যয় কৰিম।
(৭) মোৰ মনক আনন্দময় কৰি ৰাখিম।
(৮) মই বন্ধুৰ সমাদৰ কৰি বন্ধুতা বৃদ্ধি কৰিম।
(৯) মই পৰোপকাৰ মোৰ ব্ৰত কৰি ল'ম।
(১০) মই মোৰ আগত ওখ আদৰ্শ ৰাখিম।

এনেবোৰ আদৰ্শ যথাৰ্থতে বেদাদি শাস্ত্ৰ নিঃসৃত। লক্ষ্মীনাথে জানে যে পৰম্পৰা অনুসৰি এইবোৰে আমাৰ জাতীয় জীৱনৰ ওপৰত গভীৰভাবে প্ৰভাৱ বিস্তাৰ কৰি আহি আছে। সেয়ে তেওঁ তেওঁৰ সমকালীন দুৰ্দশাগ্ৰস্ত, পৰমুখাপেক্ষী আৰু আত্মবিস্মৃত অসমীয়াসকলক নতুন ভাৱ আৰু নতুন প্ৰেৰণাৰে উদ্বুদ্ধ কৰি তুলিবলৈ আলম্বন হিচাবে ললে এই গভীৰ তাৎপৰ্য্যপূৰ্ণ বেদাদি শাস্ত্ৰ নিঃসৃত উপদেশমূলক বাণীসমূহ। 'কামত কৃতিত্ব লভিবৰ সঙ্কেত' গ্ৰন্থক

পাওঁনিত "ইয়াৰ ভিতৰত লেখা ভালেমান উপদেশ মোৰ ক্ষুদ্ৰ জীৱনৰ অগ্নি-পৰীক্ষাত উঠা।" স্বীকাৰোক্তিয়ে আমাক স্পষ্ট কৰি দিয়ে যে লেখক লক্ষ্মীনাথ নিজেও এনেবোৰ উপদেশৰ দ্বাৰা অনুপ্ৰাণিত হৈ উপকৃত হৈছিল,—ইবোৰ তেওঁৰ কৰ্মবহুল জীৱনৰ অভিজ্ঞতালব্ধ জীৱন-বাণবহে। আমাৰ অধঃপতিত জাতীয়-জীৱন পৰিশুদ্ধ আৰু স্পন্দনপূৰ্ণ কৰি তোলাৰ কাৰণে ইবোৰ আমাৰ কাৰণে মহামন্ত্ৰ স্বৰূপ।

এই খিনিতে এটা কথা মনলৈ আহে। সাধাৰণতে বেজবৰুৱাই সমাজ সংস্কাৰৰ কাৰণে সহায় লৈছিল হাঁহি, কৌতুক আৰু ব্যঙ্গ বিদ্ৰূপাত্মক ৰচনাৰ। তেনেস্থলত তেওঁ এনে ধৰণৰ গভীৰ ভাবযুক্ত ধীৰ-স্থিৰ ৰচনাৰ আশ্ৰয়েই বা ললে কিয়? ইয়াৰ কাৰণ এয়ে হব লাগে যে, তেওঁ পাশ্চাত্যৰ অনুকৰণত ৰচা হাঁহি, কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপাত্মক ৰচনাৱলীৰ প্ৰতি সাধাৰণতে ৰাইজে সিমান আগ্ৰহ দেখুৱা নাছিল। বৰং বহুৱালি বুলি বিদ্ৰূপহে কৰিছিল। এই কথা তেওঁ নিজেও উপলব্ধি কৰিছিল আৰু কেইবা ঠাইতো উল্লেখো কৰিছে। সম্ভৱতঃ তেওঁ তেওঁৰ ব্যঙ্গ-বিদ্ৰূপাত্মক ৰচনাসমূহ ব্যৰ্থ হোৱা বুলিয়েই বিবেচনা কৰিছিল। কিন্তু তেওঁৰ লক্ষ্য আছিল অসমীয়া সমাজৰ উন্নতি সাধা,—"অসমত জোনাকৰ ঢল নমোৱা।" সেইকাৰণেই সম্ভৱতঃ জন-মনৰ লগত খাপখোৱাকৈ আৰু লগতে নিজেও লক্ষ্যাত উপনীত হব পৰাকৈ ৰচনা কৰিলে এনেবোৰ উপদেশমূলক গভীৰ তাৎপৰ্য্যপূৰ্ণ ৰচনাসমূহ। এই ক্ষেত্ৰত তেওঁ অকৃতকাৰ্য্য হোৱাৰ কোনো কাৰণ বা যুক্তিও নাই। ব্যঙ্গাত্মক ৰচনাবোৰৰ ভাষাও ভাৱৰ সদৃশ ৰবে-ৰঙ্গুৱা; আৰু এই গ্ৰন্থখনৰ ভাষাও তেনেকৈ ভাৱৰ সদৃশ গহীন-গম্ভীৰ, অথচ সৰল-সহজ, স্বভাৱ সুন্দৰীৰ লেখীয়া।

বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটকেইখন

১৮৮৯ চনত কলেজীয়া ছাত্ৰাবস্থাতে 'জোনাকী'ৰ পাতত প্ৰহসন 'লিতিকাই'ৰে সাহিত্য-জীৱনৰ পাতনি মেলা লক্ষ্মীনাথ বেজবৰুৱাই তাৰ প্ৰায় ডেৰকুৰি বছৰ পিছত ১৯১৫ চনতহে 'বেলিমাৰ', 'চক্ৰধ্বজসিংহ' আৰু 'জয়মতী কুঁৱৰী' এই তিনিখন গহীন বুৰঞ্জীমূলক নাটক ৰচনা কৰে। বেজবৰুৱাই জীৱন-সোঁৱৰণত নিজে উল্লেখ কৰামতে সেই ছাত্ৰ কালতেই মহাকবি শ্বেক্সপীয়েৰৰ নাটকৰ দ্বাৰা তেওঁ আকৰ্ষিত হৈছিল। "শ্বেক্সপীয়েৰৰ 'হেমলেট', 'কিংজন', 'হেন্‌ৰী' আৰু 'মিড্‌চামাৰ নাইট্‌ছ ড্ৰীম' কলেজত মোৰ পাঠ্য আছিল। ভাবিলোঁ, ময়ো তেনে অপূৰ্ব নাটখনচেৰেক অসমীয়াত ৰচনা কৰি অসমীয়া সাহিত্য-ভঁৰালত যুগমীয়া কীৰ্তি থৈ যাম। ইয়াকে ভাবি, প্ৰথমতে 'হেমলেট'ৰ আৰ্হিত 'হেমচন্দ্ৰ' নাম দি নাট এখন লেখিবলৈ মনস্থ কৰি, ভাৱৰীয়া-ভাৱৰীয়নীৰ নাম থিৰ কৰি ১ম অংকৰ দুটা কি তিনিটা দৰ্শন লেখি পেলালোঁ। আকৌ ভাৱ-সাগৰত আন ঢৌ উঠিল, 'হেমচন্দ্ৰ'ক সেইখিনিতে 'দম' লবলৈ এৰি থৈ মিড্‌চামাৰ নাইট্‌ছ ড্ৰীম'ৰ নিচিনা আন এখন নাট ৰচনাত হস্তক্ষেপ কৰিলোঁ। এইখনৰ নামকৰণ কৰা হ'ল 'দিনৰ সপোন'। ইয়াৰো এখুটুৰা বাছি থৈ এৰি আন কিবা এটা ঢৌত খৰ মাৰি দিলোঁ (৩৭)।" ইয়ে স্পষ্টকৈ সূচায়,—নাটক ৰচনাকাৰ্য্যত বেজবৰুৱাৰ ওপৰত শ্বেক্সপীয়েৰৰ প্ৰভাৱ কিমান গভীৰ। তেওঁৰ দ্বাৰা ৰচিত বুৰঞ্জীমূলক নাট কেইখন শ্বেক্সপীয়েৰৰ নাটকৰ লগত তুলনা কৰি পঢ়িলে এই কথা অ'ৰু সুস্পষ্টৰূপে অনুভৱ কৰা যায়। এই কথা বেজবৰুৱাই নিজেও প্ৰতিখন নাটকৰ পাতনিত স্বীকাৰ কৰি গৈছে।

প্ৰথম শ্বেক্সপীয়েৰৰ অনুকৰণত নাট ৰচনা কৰিবলৈ কৰা ব্যৰ্থ প্ৰয়াসে আমাক ভাবিবলৈ বাধ্য কৰে যে বেজবৰুৱাৰ অন্তৰত সম্ভৱতঃ নাট্যপ্ৰতিভা

---

(৩৭) মোৰ জীৱন-সোঁৱৰণ : প্ৰথম ভাগ, অষ্টম আধ্যা, ৯০ পৃষ্ঠা

নাছিল আৰু তাৰ প্ৰায় একুৰি পাঁচ বছৰ বিৰতিৰ পিছত আকৌ শ্বেক্সপীয়েৰৰ প্ৰভাৱতেই নাট ৰচনা কৰা কাৰ্য্যই বেজবৰুৱাৰ অধ্যৱসায়িতাকেই প্ৰমাণ কৰি দেখুৱায়। 'জয়মতী কুঁৱৰী'ৰ পাতনিত তেওঁ উল্লেখ কৰা মতে এই নাটখনি ৰচনা কৰাৰ "গুৰি বাস্তৱিক পক্ষত লেখকৰ দুজন আদৰৰ বন্ধু শ্ৰীযুক্ত দেৱেশ্বৰ চলিহা উকিল আৰু শ্ৰীমান ৰতীন্দ্ৰনাথ দুৱৰা বি, এ।" যুৰঞ্জীমূলক নাট কেইখন ৰচনাৰ "মোৰ ঘাই উদ্দেশ্য আসামৰ অতীত গৌৰৱ-কাহিনী নাটৰ আকাৰেৰে আজি-কালিৰ অসমীয়াৰ আগত প্ৰচাৰ কৰাটোহে, নাট লেখি বহু আৰ্জিবলৈ গোৱাটো নহয়। কিন্তু লগতে যদি বহু উপাৰ্জন হয় হওক, নহয় নাই (৩৮)।" এনেবোৰ উক্তিয়েও স্পষ্ট কৰি দেখুৱাই দিয়ে যে বেজবৰুৱাৰ নাট্য-প্ৰতিভা স্বতঃস্ফূৰ্ত নহয়, সময়ৰ চাহিদা পূৰাবলৈ বা বন্ধু-বান্ধৱৰ অনুৰোধ ৰক্ষা কৰিবলৈহে তেওঁ নাট ৰচনাত প্ৰবৃত্ত হৈছিল, যদিও তেওঁ এজন সুদক্ষ ৰঙ্গ-শিল্পী আছিল।

বেজবৰুৱাই নিজে উল্লেখ কৰামতে 'জয়মতী' তেওঁৰ প্ৰথম গধুৰ নাট। নাটকৰ কাহিনী ক'ৰপৰা গ্ৰহণ কৰিছিল তাক নাট্যকাৰে উল্লেখ নকৰিলেও "বেজবৰুৱাই সম্ভৱতঃ মহন্তৰ (ৰত্নেশ্বৰ মহন্ত) প্ৰবন্ধ আৰু গোহাঁঞি বৰুৱাৰ নাটকৰপৰাই (জয়মতী) ঐতিহাসিক উপাদান সংগ্ৰহ কৰিছে। গোহাঁঞি বৰুৱাৰ নাটকত যি সামান্য ঐতিহাসিক ভুল দৃষ্টিগোচৰ হয়, বেজবৰুৱাৰ নাটতো সেই একেটা ভুলৰে পুনৰুক্তি ঘটিছে। লৰা ৰজাৰ দিনত আতন বুঢ়া-গোহাঁঞি প্ৰধান মন্ত্ৰী নাছিল, ৰাজ্যৰ সৰ্বেসৰ্বা আছিল লালুক বৰফুকন। তেওঁৰ হুকুম মতেই জয়মতীক শাস্তি দিয়া হৈছিল। বেজবৰুৱাৰ নাটত বৰফুকনৰ উল্লেখ নাই, বুঢ়া গোহাঁঞিকহে এই নাৰী নিৰ্য্যাতনৰ কাৰণে দায়ী কৰা হৈছে (৩৯)।" বেজবৰুৱাৰ 'জয়মতী কুঁৱৰী'ৰ কাহিনী ভাগ যে ৰত্নেশ্বৰ মহন্তৰ 'জয়মতী প্ৰবন্ধ' আৰু গোহাঁঞি বৰুৱাৰ 'জয়মতী' নাটৰ কাহিনীৰ ওপৰত প্ৰতিষ্ঠিত কৰা হৈছিল ই স্পষ্ট, তাৰ উপৰি চৰিত্ৰ চিত্ৰণতো গোহাঁঞি বৰুৱা, ৰজনী বৰদলৈ আৰু দ্বিজেন্দ্ৰলালৰ প্ৰভাৱ স্পষ্ট হৈ উঠিছে। বেজবৰুৱাৰ জয়মতী গোহাঁঞি বৰুৱাৰ জয়মতীৰ সদৃশ সতী আৰু স্বামী পৰায়ণা সাহসী দৃঢ় চৰিত্ৰসম্পন্না মহীয়সী নাৰী আৰু স্বামী গদাপাণিৰ সঙ্গত তেওঁ দ্বিজেন্দ্ৰ-লালৰ 'সাজাহান' নাটৰ চুজাৰ পত্নী পিয়াৰাৰ সদৃশ ৰঙ্গিনী। 'জয়মতী কুঁৱৰী'ৰ পাতনিত বেজবৰুৱাই স্বীকাৰ কৰিছে—"এই নাটখনৰ জয়মতীৰ চৰিত্ৰৰ আগ

(৩৮) চক্ৰধ্বজ সিংহ নাটকৰ পাতনি : বেজবৰুৱা।

(৩৯) ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা : অসমীয়া নাট্য-সাহিত্য, ২০৬,২০৭ পৃষ্ঠা।

ডোখৰত দ্বিজেন্দ্ৰলাল ৰায়ৰ 'সাজাহান' নাটকৰ 'পিয়াৰা'ৰ অলপ ছাঁ পৰাটো দেখা যায়।" যথাৰ্থতে জয়মতী চৰিত্ৰৰ আগ ডোখৰত অলপ নহয়, পূৰ্ণৰূপেই পিয়াৰা'ৰ প্ৰতিৰূপত জয়মতীক ৰূপায়িত কৰা হৈছে। 'সাজাহান' নাটত ১ম অংকৰ ৩য় দৃশ্য আৰু ২য় অংকৰ ৪ৰ্থ দৃশ্যত 'পিয়াৰা'ক দ্বিজেন্দ্ৰলালে যি ৰূপত চিত্ৰিত কৰিলে, অসমীয়া নাট্যকাৰ লক্ষ্মীনাথ বেজবৰুৱাইও জয়মতীক ঠিক সেই একে ৰূপতে গঢ়ি তুলিলে। 'সাজাহান'ৰ ১ম অংকৰ ৩য় দৃশ্যত চুজাই দাৰাৰ পুত্ৰেক চুলেমান তেওঁৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহা গভীৰ উদ্বিগ্নতাৰ বাতৰি দিব আহিছে অথচ পিয়াৰাই পৰিবেশ পাতল কৰি দিছে। পিয়াৰাই চুজাক সকলো প্ৰকাৰৰ উদ্বিগ্নতাৰপৰা মুক্ত কৰি সঙ্গীতৰ মধুৰ মূৰ্চ্ছনাৰ মাজত বুৰাই ৰাখিবলৈ হেঁপাহ কৰাৰ দৰে জয়মতীও গদাপাণিক দেশৰ আৰু নিজৰ সংকটৰ কথা পাহৰাই সঙ্গীতৰ মাজত বুৰাই ৰাখিব বিচাৰে।

'সাজাহান'ৰ ২য় অংকৰ ৪ৰ্থ দৃশ্যত চুজাই ঔৰংজীৱৰ লগত হোৱা দাৰাৰ যুদ্ধৰ বাতৰি দিব আহিছে পিয়াৰাক, কিন্তু পিয়াৰাই শুনিবই নোখোজে :—

চুজা—তুমি কথাটো শুনাছোন।

পিয়াৰ—বাৰু শুনিম।

চুজা—মোৰ বিশ্বাস হৈছে যে আব্বাজান মৰিছে।

পিয়াৰা—নিশ্চয়।

চুজা—২য় যুদ্ধতো দাৰা পৰাজিত হৈছে শুনিছা ?

পিয়াৰা—শুনিছোঁ।

চুজা—ক'ৰপৰা শুনিছা ?

পিয়াৰা—আপোনাৰ পৰা।

চুজা—কেতিয়া ?

পিয়াৰা—এতিয়াই।

চুজা—দাৰা আগ্ৰাৰ পৰা পলাইছে আৰু ঔৰংজীৱে বিজয় গৰ্বে আগ্ৰাত প্ৰৱেশ কৰি আব্বাজান আৰু মোৰাদক বন্দী কৰিছে। ঔৰংজীৱে মোৰ লগতো যুদ্ধ কৰিব।

পিয়াৰা খুব সম্ভৱ।

চুজা—ঔৰংজীৱৰ লগত যদি মোৰ যুদ্ধ হয় তেনেহলে ই তুমুল যুদ্ধ হব।

পিয়াৰা—নিশ্চয়।

চুজা—কিন্তু!

পিয়াৰা—মোৰো ঠিক এনে মত। কিন্তু!

চুজা—তুমি কি কৈছা মই বুজিব পৰা নাই।

পিয়াৰা—সেইটো মযো অৱশ্যে বুজিব পৰা নাই।

চুজা—তোমাৰ ওচৰত পৰামৰ্শ বিচৰা মিছা।......"উল্লেখিত দৃশ্য দুটাত পিয়াৰা চৰিত্ৰ যিভাবে ৰূপায়িত হৈছে, বেজবৰুৱাই জয়মতীৰ মাজেদি অকল ১ম অংকৰ ২য় দৃশ্যতে সেই ৰূপ প্ৰকাশ কৰিছে। গদাপাণিয়ে আহি জয়মতীক কৈছে :—

গদাপাণি—শুনিছানে জয়া, তোমাক ইমান দিন এটা কথা কোৱা নাছিলো, আজি কওঁ। লৰা ৰজাই হেনো তলে তলে মোক ধৰাই মৰাবলৈ খিৰ কৰি মানুহ পঠিয়াইছে।

জয়া—শুনিছোঁ।

গদা—কেতিয়া শুনিলা?

জয়া—এতিয়া।

গদা—ইয়াৰ আগেয়ে জানো শুনা নাছিলা?

জয়া—শুনিছিলোঁ।

গদা—তেন্তে এতিয়া শুনিলো বুলি ক'লা কেলৈ?

জয়া—এতিয়া জানো শুনিলোঁ?

গদা—কি কৰোঁ এতিয়া কোঁৱাচোন?

জয়া—কি কৰিব কওকচোন?

গদা—তুমি কি কৰিবলৈ কোৱা কোঁৱাচোন?

জয়া—কি কৰিবলৈ কব লাগে কওকচোন?

গদা—তুমি দেখোন আকৌ মোকহে সোধা?

জয়া—আকৌ কাক সুধিম কওকচোন?

গদা—মই তোমাকহে সুধিছোঁ, তুমি কি বোলা কোৱা?

জয়া—মই আপোনাকহে সুধিছোঁ, কি বুলিব লাগে আপুনি কওকচোন?

গদা—তোমাক পৰামৰ্শ সোধা মিছা।.......... প্ৰভৃতিৰে যথাৰ্থতে জয়মতীক বেজবৰুৱাই পিয়াৰাৰ অনুকৰণত গঢ়িছে। লক্ষ্মীনাথৰ জয়মতীৰ ওপৰত দ্বিজেন্দ্ৰলালৰ পিয়াৰাৰ প্ৰভাৱ স্পষ্ট। জয়মতীৰ দৰে পিয়াৰাও চুজাৰ সুবাগৰ পাত্ৰী আছিল আৰু যথাৰ্থতে পিয়াৰাইও চুজাৰ মঙ্গলৰ কাৰণেই অহোপুৰুষাৰ্থও কৰিছিল। কেৱল জয়মতীয়ে স্বামী গদাপাণিক ৰজাৰ অত্যাচাৰৰ পৰা ৰক্ষা কৰাৰ কাৰণে যি নিৰ্য্যাতন ভুগিলে তাৰ নিদৰ্শনহে পিয়াৰাত পোৱা নাযায়। পিয়াৰা কিন্তু স্বামীপ্ৰাণা আছিল। আৰু স্বামীক সকলো সময়তে সুখ-শান্তিৰে

ৰাখিবলৈও সচেষ্টা আছিল।

বেজবৰুৱাৰ জয়মতীৰ শেষাংশ গোহাঁঞিবৰুৱাৰ জয়মতীৰ সদৃশ শোকাবহ। বেজবৰুৱাৰ জয়মতীৰ দৰে গোহাঁঞি বৰুৱাৰ জয়মতীও ল'ৰা ৰজাৰ চাউদাঙৰ হাতত নিৰ্য্যাতন সহি সহি শেষত এনে ধৰণে মৃত্যু বৰণো কৰে। গোহাঁঞি বৰুৱাই বেজবৰুৱাতকৈ পোন্ধৰ বছৰ আগতে (১৯০০ চন) 'জয়মতী' ৰচনা কৰিছিল, ৰত্নেশ্বৰ মহন্তই 'জোনাকী'ত প্ৰকাশ কৰা 'জয়মতী কুঁৱৰী' প্ৰবন্ধৰ ওপৰত নিৰ্ভৰ কৰি। বেজবৰুৱাইও একে ৰূপতে নাটকখন ৰচনা কৰিলে।

নাটকখনৰ কাহিনী ভাগ দুৰ্বল। ল'ৰা ৰজাৰ অত্যাচাৰৰ পৰা ৰক্ষাপৰি দেশত সুশাসন প্ৰতিষ্ঠা কৰ'ৰ মানসে গদাপাণি বিভাবে নগা পাহাৰলৈ পলাই গৈ ডালিমীহঁতৰ লগত থাকিল আৰু শেষত নগাৰ বেশেৰে আহি জয়মতীৰ আগত দেখা দিলে আৰু জয়মতীৰেই চকুৰ মিনতিপূৰ্ণ ভাষা উপলব্ধি কৰি ল'ৰাৰজাৰ চাউদাঙৰ হাতত ধৰা নি'দি আঁতৰি গ'ল আৰু জয়মতীয়ে দেহ-ত্যাগ কৰিলে ই কোনো কোনো ক্ষেত্ৰত অবিশ্বাস্য আৰু অবাস্তৱ ৰূপেও প্ৰতীয়মান হৈছে। বুৰঞ্জীয়ে কয় যে গদাপাণি মহাশক্তিশালী আছিল আৰু পিছত তেওঁ নগ'ও—গুৱাহাটীৰ ফালে অ'হি শক্তিশালী দল গঠন কৰি উজনীলৈ সদলবলে যাত্ৰা কৰি ল'ৰাৰজা আৰু তেওঁৰ অত্যাচাৰী মন্ত্ৰীক সবংশে ধ্বংস কৰি আহোমৰ ৰাজপাটত আৰোহণ কৰে। গদাপাণি নগা পৰ্বতলৈ পলাই যোৱাত তেওঁৰ ৰাজনৈতিক বিচক্ষণতা সমূলি প্ৰকাশ নাপালে। গদাপাণি পলাই যোৱাৰপৰা জয়মতীক শাস্তি দি বধ কৰালৈ বেচি দিন হোৱা নাই, সম্ভৱতঃ (নাটকত দেখুৱা ধৰণে) এমাহো হোৱা নাই। গতিকে এই কাল-ছোৱাৰ ব্যৱধানত জয়মতীয়ে নগাৰ বেশত অহা কাৰণে গদাপাণিক প্ৰথম ভুৱাবো চিনি নোপোৱা আৰু ল'ৰাৰজাৰ অনুচৰবৃন্দৰ চকুত নপৰা নিশ্চয়কৈ আচৰিত কথা। এনে সত্য সাধুকথাৰ জগতত হে বিশ্বাস যোগ্য। ল'ৰা ৰজাৰ মানুহে গদাপাণিক নগাচাঙত ডালিমীহঁতৰ মাজত লগ পায়ো আছিল, এই বাতৰি ৰজা-মন্ত্ৰীয়ে জানিলেও, অথচ তথাপি গদাপাণিক ধৰিবলৈ বিহিত আয়োজন কৰা নহ'ল। কিন্তু জয়মতী-নিৰ্য্যাতনৰ মূলকথা হ'ল গদাপাণিৰ অৱস্থিতিৰ কথা জনা। বুঢ়া গোহাঁঞি আৰু ল'ৰাৰজাই তেওঁলোকৰ প্ৰাণৰ বৈৰী গদাপাণিৰ অৱস্থিতিৰ কথা জনাৰ পিছতো তেওঁক ধৰি আনিবলৈ বা বধ কৰাবলৈ বিহিত ব্যৱস্থা বা আয়োজন নকৰাহে আচৰিত কথা। গদাপাণিৰ দৰে প্ৰবল-প্ৰতাপী বীৰক ধৰিবলৈ নেনাই চমুৱা বা লিটিক চিপাদাৰৰ সদৃশ লোকক নিয়োগ কৰা কাৰ্য্যই স্বাভাৱিকতে সেই সময়ৰ দুৰ্ব্বল আহোম নেতৃত্বৰ কথাই সুস্পষ্ট কৰি

তোলে। কিন্তু বিমানেই লাগে শক্তিশালী নহওক কিয়, এজন মানুহৰ পিছত এটা ৰাজশক্তি বিপৰ্য্যস্ত হৈ পৰ'টো যথাৰ্থতে অবিশ্বাস্য কথা।

আন এটা অবিশ্বাস্য আৰু অস্বাভাৱিক কথা নাটখনত সন্নিবিষ্ট কৰা হৈছে। জয়মতীৰ সখী সেউতীৰ ভাবি স্বামী আছিল দিলিহাৰাল ফুকন। ফুকনৰ গদাপাণিৰ লগত সম্পৰ্ক থকা আপাহত আৰু বিশেষকৈ গদাপাণিৰ কলীয়া হৈ কিবা কোৱাত বুঢ়া গোহাঁঞে তেওঁকো মৰালে। এই কাৰ্য্যত অস্বাভাৱিকতা বা অবিশ্বাস্য বুলিবলৈ একো নাই। প্ৰধান শত্ৰু গদাপাণিক নাশ কৰিব নোৱাৰি বুঢ়াগোহাঁঞি আৰু ল'ৰাৰজা তীব্ৰভাবে আতংকিত হৈ উঠিছিল আৰু চিন্তা বিবেচনা নকৰাকৈ যি কোনো কামকেই কৰিবলৈ লৈছিল। কিন্তু দিলিহীয়াল ফুকনৰ মৃত্যুৰ পিছতেই সেউতী সন্ন্যাসিনী হৈ ওলাই গৈ পশ্চিমীয়া হিন্দুস্থানী সুৰত 'মীৰাভজন' আদি গাই ফুৰাটোহে অবিশ্বাস্য কথা। শোকবিধুৰা হৈ সন্ন্যাসিনীৰ ৰূপত সেউতী ওলাই যোৱাত অবিশ্বাস কৰিব লগা একো নাই, কিন্তু হিন্দুস্থানী সঙ্গীত গাই ফুৰাত আৰু দুদিনৰ ব্যৱধানতেই তেওঁক ওচৰ-চুবুৰীয়া ডাঙৰীয়ানীহঁতে নিচিনি প্ৰকৃত সন্ন্যাসিনী বুলি বিবেচনা কৰাত হে আচৰিত হব লগা কথা আছে। এই কাৰ্য্যও প্ৰায় সাধুকথাৰ জগতৰ সদৃশ ৰূপত নাটৰ পঠাক-পাঠিকা বা দৰ্শক মণ্ডলীৰ মানত প্ৰতিভাত হৈ উঠা স্বাভাৱিক।

তেনেকৈ ৩য় অংকৰ ৫ম দৃশ্যত ৰাজমাৰে বৰ গোহাঁঞিৰ আগত বুঢ়া গোহাঁঞিক সতাই নাৰকীৰ লগত তুলনা দিয়াও অপ্ৰাসঙ্গিক কথা; কাৰণ সংবাম এই কাহিনীৰ প্ৰায় ছকুৰি বছৰ পিছৰ মানুহ।

ল'ৰাৰজাৰ অত্যাচাৰ কিন্তু মূৰ্ত্ত হৈ উঠিছে। সাধাৰণ প্ৰজাইও এই অত্যাচাৰৰ কথা তীব্ৰ ভাবে উপলব্ধি কৰিছে, সকলোৰে জীৱনলৈ যেন নামি আহিছিল সন্দেহৰ ভাব। মনাই আৰু জলহৰ কথোপকথন; ১ম, ২য় আৰু ৩য় বাটকৰাৰ মাজত হোৱা কথা-বতৰা আদিয়েও স্পষ্টকৈ সূচাই যে সেই সময়ত প্ৰজাসাধাৰণে এনে ৰাজকীয় উৎপীড়ন আৰু অত্যাচাৰৰ কথা কি গভীৰ ভাবে উপলব্ধি কৰিছিল আৰু তেওঁলোকৰ ঘৰুৱা জীৱনত এই অত্যাচাৰে কি ভাবে প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰজাঘৰ-প্ৰজাঘৰৰ উপৰিও ল'ৰাৰজাৰ অত্যাচাৰৰ কাহিনীয়ে ধৰ্ম চৰ্চাৰ পবিত্ৰস্থান সত্ৰৰ অধিকাৰকো বিচলিত কৰি তুলিছিল, মুক্তিয়াৰৰ জৰিয়তে জয়মতী নিৰ্য্যাতনৰ অৱসান ঘটুৱাবলৈ বুলি লৰাৰজালৈ অনুৰোধ জনাইছিল। গদাপাণিৰ পলায়নৰ প্ৰতিক্ৰিয়াও নাটত স্পষ্ট হৈ উঠিছে। ল'ৰাৰজা আৰু বুঢ়াগোহাঁঞিয়ে সপোনে-দিঠকে কেৱল গদাপাণিকেই দেখিবলৈ

খৰা অৱস্থাই ইয়াক সুস্পষ্ট কৰি তুলিছে। কিন্তু জয়মতীৰ নির্য্যাতন যিমান স্পষ্ট হোৱা উচিত আছিল, সিমান স্পষ্টকৈ নাটত চিত্রিত কৰিব পৰা হোৱা নাই। কথাতকৈ কার্য্যৰ ওপৰতহে নাটত গুৰুত্ব দিয়া হয় অধিক। কিন্তু এই নাটখনত জয়মতীৰ নির্য্যাতন কার্য্যতকৈ কথাৰেহে ৰূপায়িত কৰা হৈছে। সেয়ে জয়মতী-নির্য্যাতনৰ নির্মমতাই সহৃদয় দর্শকমণ্ডলীৰ মনত বিশেষ ভাবে প্ৰভাৱ বিস্তাৰ কৰা টান।

কাব্যিক সৌন্দর্য্যৰে পৰিপূর্ণ হোৱা হেতুকে ডালিমী আৰু গদাপাণি বিষয়ক দৃশ্য কেইটা নাটখনৰ এটা বিশেষ আকর্ষণ হৈ পৰিছে। গোহাঞি বৰুৱাৰ 'জিমু' আৰু বৰদলৈৰ 'ডালিমী'ৰ অনুকৰণত বেজবৰুৱাই ডালিমীক গঢ়ি তোলা বুলি ভাবিবলৈ যুক্তি থাকিলেও যথার্থতে নাট্যকাৰ বেজবৰুৱাই প্ৰাণৰ পৰশ ঢালি দি গঢ়ি তুলিলে নাগিনী ছোৱালী ডালিমীক। ডালিমী যেন সৰলতা, পৱিত্ৰতা আৰু প্ৰেমৰ এখনি প্ৰতিমাহে! তাই তেনেই ফুলকুমলীয়া নাগিনী ছোৱালী, অথচ তাইৰ বুকুত অসীম সাহ। তায়েই ল'ৰা বজাৰ চৰক কাঁড় মাৰি বধ কৰে, তাইৰ মৰমৰ কেঁচাসোণ গদাপাণিক গায়ে দামুৰিক ৰখি ফুৰাৰ দৰে সকলো সময়তে ৰক্ষা কৰিও থাকে, যেন ডালিমী গদাপাণিৰ অভেদ্য ৰক্ষাকবচ হে। গদাপাণি তাইৰ প্ৰাণৰো প্ৰাণ। সিহঁতৰ কথা-বতৰাই দূৰৰ পর্ব্বতত ঠেকা খাই প্ৰতিধ্বনি তোলাৰ দৰে তাই ভাবে যে তাইৰ হাঁহি-ধেমালিও সম্ভৱতঃ গদাপাণিৰ অন্তৰত ঠেকা খাই তেনেদৰে ধ্বনি-প্ৰতিধ্বনিৰ সৃষ্টি কৰে। সেয়ে তাই গদাক সোধে—"কেঁচা-সোণ, তোমাৰ বুকুতো সেইদৰে মোৰ হাঁহি লাগি ঠেকা খায় নে?" নাট্যকাৰে ডালিমীৰ বাপেক বুঢ়া মানামা আৰু মাক গামনীকো সুন্দৰ সৰল অন্তঃকৰণযুক্ত কৰি ৰূপায়িত কৰিছে। সিহঁত আটাইৰে অন্তৰত পৱিত্ৰ প্ৰেমৰ প্ৰবাহ বর্ত্তমান।

কিন্তু ইহঁতৰ মাজেদি নাট্যকাৰে নগা-জীৱনৰ প্ৰকৃত ছবি চিত্রিত কৰিব পাৰিছে বুলি বিবেচনা কৰা টান। ইহঁতক দূৰৰ পর্বতৰ গুৱনি দৃশ্য বুলি ভাবিবলৈহে মন যায়, অৱশ্যে ই অতিশয় আকর্ষণীয় আৰু আনন্দদায়ক। পদুমকুঁৱৰীত ভুটীয়া চর্দাৰহঁতৰ ছবি চিত্রিত কৰাৰ দৰে ইয়াতো সম্ভৱতঃ নগা-জনজীৱনৰ ওপৰত স্পষ্ট বাস্তৱ জ্ঞান নথকা কাৰণেহে ডালিমীহঁতকো কল্পনাৰ গাঢ় আলেপনৰ সহায়তেই চিত্রিত কৰি তুলিছে।

ডালিমীৰ মাজেদি মানুহ আৰু প্ৰকৃতিৰ নিবিড় সম্পর্কৰ কথাও নাট্যকাৰে ৰোমাণ্টিক ভঙ্গীৰে প্ৰকাশ কৰিছে। ই আকর্ষণীয় আৰু প্ৰাণস্পর্শী।

প্ৰকৃতিজীয়ৰী ডালিমীয়ে আনৰ· জীৱনো তাইৰেই দৰে স্বচ্ছ আৰু পৱিত্ৰ হোৱাকেহে কামনা কৰে। তাই গদাক অন্তৰেৰে ইমান আপোন বুলি ভাবিলে যে—"তুমি শুচি গলে ডালিমী আৰু ইয়াত নাথাকে, এই জুৰিৰ পানীকে লৈতে ডালিমী কৰবালৈ গুচি যাব।" আৰু সঁচাকৈয়ে জয়মতীৰ নিৰ্য্যাতনৰ বাতৰি শুনি ৰাতি গদাপাণি মনে মনে শুচি যোৱাৰ পিছত তাই পাত্-পাত্কৈ পৰ্বতটোত গদাপাণিক বিচাৰিও বেতিয়া নাপালে, তেতিয়া তেনেকৈয়ে আঁতৰি গ'ল ইহ সংসাৰৰ পৰা। কল্পনাৰ গাঢ় আলেপনৰ সহায়ত গঢ়ি তুলিলেও ডালিমী আৰু তাইৰ বাপেক-মাকে তেওঁলোকৰ সৰলতা আৰু অন্তৰৰ পবিত্ৰ মাধুৰিমাৰে দৰ্শকৰ মন বিমোহিত নকৰাকৈ নাথাকে। অৱশ্যে ডালিমী-ইতক লৈ ৰচিত দৃশ্যাৱলীৰ মাজেদি নাট্যকাৰতকৈ কবি বেজবৰুৱাকহে অধিক স্পষ্ট ভাবে উপলব্ধি কৰা যায়।

পিথু চাংমাই আৰু লিগিৰী তৰবৰীক বাস্তৱৰ স্বাভাৱিক ৰূপত ৰূপায়িত কৰিব পৰা হৈছে। তেনেকৈ লাই-লেচাকো বাস্তৱৰ স্বাভাৱিক শিশু ৰূপতেই তুলি ধৰা হৈছে। ৰাজমাও, পাটমাদৈ আৰু বুঢ়া গোহাঁঞিৰ পত্নীৰ মাজে-দিও নাৰীৰ মাতৃ হৃদয়ৰ কোমলতা আৰু পবিত্ৰতা স্বাভাৱিক ৰূপত বিকাশ কৰা হৈছে। স্বাৰ্থপৰ হিংস্ৰক বুঢ়া গোহাঁঞি, বৰপাত্ৰ গোহাঞি আৰু এওঁলোকৰ হাতৰ পুতলা ল'ৰাৰজাকো সাৰ্থক ভাবেই চিত্ৰিত কৰিব পৰা হৈছে,—যদিও বুঢ়া-গোহাঁঞিৰ ৰাজনৈতিক বিচক্ষণতা প্ৰকাশ পোৱা নাই। খুহুটীয়া পণ্ডিতৰ চৰিত্ৰটো সঁচাকৈয়ে বেচ আমোদজনক আৰু আকৰ্ষণীয় হৈ উঠিছে। বেলিমাৰৰ 'ভুচুক বৰুৱা' আৰু চক্ৰধ্বজ সিংহৰ গজপুৰীয়াৰ লগত খুহুটীয়া বহু পৰিমাণে তুলনীয়। এইটো সম্ভৱতঃ শেক্সপীয়েৰৰ 'ফুল' (Fool) চৰিত্ৰৰ অনুকৰণত চিত্ৰিত হৈছে। খুহুটীয়াই কোৱা "লোকৰ কথা শুনি যি আকাশত উৰি ফুৰা চৰাইকো শাস্তি দিব খোজে, তেনেকুৱাবোৰকো ঈশ্বৰৰ সভাত তিকতাৰ লেখত ধৰা হৈছিল।" আদি কৰি তাৎপৰ্য্যপূৰ্ণ উক্তিৰ মৰ্মকথা ৰজা বা বুঢ়াগোহাঁ-ঞিয়ে উপলব্ধি কৰিব নোৱাৰাটোহে আচৰিত কথা। খুহুটীয়াৰ লগত দ্বিজেন্দ্ৰলালৰ 'সাজাহান'ৰ দিলিৰখাঁ চৰিত্ৰটোৰ সাদৃশ্যও মন কৰিবলগীয়া।

'জয়মতী কুঁৱৰী'ত কেতবোৰ সাধাৰণ আসোঁৱাহ থাকিলেও বা অবাস্তৱ পৰিবেশ বা পৰিস্থিতি চিত্ৰণ কৰিলেও নাইবা নায়িকা চৰিত্ৰ জয়মতীক সিমান স্পষ্ট ৰূপত ৰূপায়িত কৰিব নোৱাৰিলেও 'জয়মতী'য়েই বেজবৰুৱাৰ শ্ৰেষ্ঠ নাটক হব। কাৰণ বাকী কেইখনত আমি আৰু বেচি আসোঁৱাহ হে উপলব্ধি কৰিম।

সম্ভৱতঃ 'চক্ৰধ্বজ সিংহ' বেজবৰুৱাৰ ২য় গধুৰ নাটক। তেওঁৰ "আদৰৰ বন্ধু শ্ৰীযুক্ত হেমচন্দ্ৰ গোসাঞিৰ 'শৰাইঘাটৰ যুদ্ধ' (উষা নামে মাহেকীয়া কাকতত ওলোৱা) প্ৰবন্ধৰ পৰা ইয়াৰ ঘাই সজুলি লোৱা হৈছে। অনেক ঠাইত সেই প্ৰবন্ধৰ পৰা শাৰীয়ে শাৰীয়ে কথা এই কিতাপত ব্যৱহাৰ কৰা হৈছে। ......মোমাই তামুলী বৰবৰুৱাৰ জীৱনৰ কথা যি ইয়াত আছে তাক মই মোৰ শ্ৰদ্ধাস্পদ বন্ধু বিজ্ঞবৰ শ্ৰীযুত উপেন্দ্ৰনাথ বৰুৱাদেওৰ কিতাপৰ পৰা লৈছোঁ। .... মহাকবি শেক্সপীয়েৰৰ প্ৰিন্সহেনৰি (Hal), ফলষ্টাফ্ আৰু তেওঁ-লোকৰ লগৰীয়াসকলৰ চৰিত্ৰৰ চানেকীৰ কিছুদূৰ অনুসৰণ কৰি এই নাটৰ প্ৰিয়ৰাম অ'ক গজপুৰীয়া প্ৰভৃতিৰ চৰিত্ৰ গঠন কৰা হৈছে।"

বুৰঞ্জীৰ মতে চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালত মোগলৰ বিৰুদ্ধে চৈয়দ চানা আৰু চৈয়দ ফিৰোজৰ লগত বাঁহবাৰী আৰু কাজলীমুখত হোৱা যুদ্ধত আহোমে মোগলক পৰাস্ত কৰি গুৱাহাটী অধিকাৰ ক'ৰ লয়। ইয়াৰ প্ৰতিফল স্বৰূপে দিল্লীৰ বাদশাহ ঔৰংজীবে ৰামসিংহৰ তলত এটা শক্তিশালী ফৌজ দি অসম জয় ক'ৰিবলৈ পঠায়। ৰামসিংহ আৰু আহোমৰ মাজত হোৱা এই যুদ্ধক শৰাইঘাটৰ ৰণ বোলা হয়। 'চক্ৰধ্বজ সিংহ'ত এই দুয়োখন ৰণৰ কথা চিত্ৰিত কৰা হৈছে আৰু তাৰ মাজেদি অসমীয়া বস্ত, ৰাজবিষয়া আৰু প্ৰজাসাধাৰণৰ স্বৰূপো ফুটাই তোলা হৈছে। বুৰঞ্জীৰ মতে চক্ৰধ্বজ সিংহৰ দিনত আৰম্ভ হোৱা এই ৰণৰ পৰিসমাপ্তি ঘটে উদয়াদিত্যৰ দিনত হে। কিন্তু ইয়াত চক্ৰধ্বজ সিংহৰ দিনতে শৰাইঘাটৰ ৰণৰ পৰিসমাপ্তি ঘটোৱা হৈছে। অন্য ক্ষেত্ৰত বুৰঞ্জীৰ অপলাপ হোৱা নাই যেন লাগে। কিন্তু সৰহ ক্ষেত্ৰ-তেই বুৰঞ্জী—বুৰঞ্জী হৈয়েই ৰ'ল; ৰসোত্তীৰ্ণ সাহিত্য ৰচনা কৰিব পৰা নহ'ল। যথাৰ্থতে গজপুৰীয়াক কেন্দ্ৰ কৰি ৰচিত দৃশ্য কেইটাত আৰু বৰ-ফুকনৰ জীয়েক চেনেহী-ৰূপহী আৰু সদিয়া খোৱা গোহাঁইক কেন্দ্ৰ কৰি ৰচিত কাল্পনিক দৃশ্য কেইটাত বাহিৰে আনবোৰ দৃশ্যত বুৰঞ্জীৰ ওপৰত ৰসোত্তীৰ্ণ সাহিত্য সৃষ্টি কৰিব পৰা নহ'ল বুলিবই পাৰি।

নাটকত চক্ৰধ্বজ সিংহক আমি কেৱল ৰজা হিচাবেই পাওঁ, তেওঁৰ ব্যক্তিগত জীৱনৰ আশা-আকাঙ্ক্ষা আদিৰ অভিব্যক্তি ইয়াত নঘটিল। অন্যান্য চৰিত্ৰ বুঢ়া-গোহাঁঞি, বৰগোঁহাঞি আদিও তথৈবচ। কেৱল লাচিত বৰফুকনক হে তেওঁৰ প্ৰিয়-পৰিজনৰ মাজত তুলি ধৰা হেতুকে এটা সামগ্ৰিক ৰূপত দেখা পোৱা যায় যদিও ই বহুপৰিমাণে অস্পষ্ট হৈয়ে ৰ'ল। মোগল পক্ষক কৰ লাগিলে কেৱল বুৰঞ্জীৰ সত্য কৰিয়েই ৰখা হৈছে; ৰচিতৰ্থাৰ চিৰাজী আৰু নটী-

নৃত্যলৈ ব্যস্ত থকা দৃশ্যও যথাৰ্থতে বুৰঞ্জীৰেই সত্য। যুদ্ধত পৰাজয় হৈ মানাহৰ সিপাৰে মোগল বীৰসকলৰ মাজত হোৱা আলাপ-আলোচনাও বুৰঞ্জীৰেই সত্য। 'বেলিমাৰ'ৰ পাতনিত ঐতিহাসিক নাটকৰ বিষয় বেজবৰুৱাই নিজে কৰা উক্তি—"ঐতিহাসিক প্ৰকৃত ঘটনাৰ লৰচৰ নকৰি আৰু ইতিহাসৰ প্ৰকৃত ব্যক্তি সকলৰ চৰিত্ৰ যেনে আছিল যিমানদূৰ পৰা যায় তেনে ৰাখি চিত্ৰিত কৰি, গত আৰু মৃত ঘটনা আৰু ব্যক্তিসকলৰ শৰীৰত পুনৰ প্ৰাণ দি সেইবোৰ সজীৱ কৰি লৈ বৰ্ত্তমান কালত দেখুৱাটো ঐতিহাসিক নাটকৰ কৰ্তব্য বুলি মোৰ ধাৰণা", 'চক্ৰধ্বজ সিংহ' নাটকৰ ক্ষেত্ৰত বিশেষ ভাবে প্ৰণিধানযোগ্য।

এই নাটখনৰ সৰ্বপ্ৰধান চৰিত্ৰ হ'ল চক্ৰধ্বজ সিংহ আৰু লাচিত বৰফুকন। চক্ৰধ্বজ সিংহৰ নামেৰেই নাটকখনি নামাংকিত কৰালৈ লক্ষ্য কৰিলে যথাৰ্থতে চক্ৰধ্বজ সিংহই নাটকৰ নায়কো; লাচিত বৰফুকন প্ৰতিনায়ক হে। কিন্তু চক্ৰধ্বজ সিংহ হৰ ধীৰোদ্ধত শ্ৰেণীৰ নায়ক হে,—কাৰণ তেওঁ মোগলক প্ৰতাৰণা কৰিব বিচাৰে, মোগল শত্ৰু আৰু অন্যান্য বিৰোধী বা দুৰ্নীতিসম্পন্ন লোকৰ প্ৰতি তেওঁ উগ্ৰ, আত্মশ্লাঘা চক্ৰধ্বজ সিংহত পৰিস্ফুট হৈ উঠিছে, তেওঁত আমি স্থিৰতাবো কিছু অভাব দেখোঁ, যদিও মোগলৰ হাতৰ পৰা দেশ ৰক্ষা কৰাৰ কল্পনা বাস্তৱত ৰূপায়িত কৰাত তেওঁৰ মাজেদি দৃঢ়তাও স্পষ্টভাবে অনুভৱ কৰা যায়। যুদ্ধক্ষেত্ৰত ৰজা চক্ৰধ্বজ সিংহ অৱতীৰ্ণ হোৱা নাই যদিও দুয়োখন যুদ্ধ কিন্তু তেওঁৰেই নিৰ্দেশত সংঘটিত হৈছিল, আৰু দলিবাৰীৰ যুদ্ধত চক্ৰধ্বজ সিংহৰ নিদেশেৰে যুঁজা কাৰণে দহ হাজাৰ অসমীয়া সৈন্যই প্ৰাণ দিব লগাত পৰিছিল। দলিবাৰীৰ যুদ্ধ সংঘটিত কৰাত নাট্যকাৰে নাটকীয় কৌশলো তালৈকে অৱলম্বন কৰিব পৰা নাই। কাৰণ যুদ্ধ পৰিচালনা কৰে সেনাপতিহে। গড়গাঁওত থকা ৰজা চক্ৰধ্বজ সিংহৰ আজ্ঞাৰে দলিবাৰীৰ যুদ্ধ সংঘটিত কৰাটো কেৱল অনাটকীয়েই নহয়, অবাস্তৱো হৈ পৰিছে। বুৰঞ্জীৰ সত্য হলেও নাটকীয় সৌন্দৰ্য্য ৰক্ষাৰ কাৰণে অন্ততঃ এনে আদেশ-নিৰ্দেশ নাটকত তুলি ধৰিব নালাগিছিল। অৱশ্যে চক্ৰধ্বজ সিংহৰ কথা-বতৰাৰ মাজত আমি তেওঁৰ দেশপ্ৰেমৰ উজ্জ্বল নিদৰ্শনেই দেখা পাওঁ। বৰগোহাঁঞি প্ৰমুখ্যে দুই এক ডাঙৰীয়াই মোগলৰ লগত যুদ্ধ সংঘটিত কৰা উচিত নহব বুলি পৰামৰ্শ আগ বঢ়োৱাত চক্ৰধ্বজ সিংহৰ উক্তি—"আমি আমাৰ দেশৰক্ষাৰ নিমিত্তেহে, নিজৰ প্ৰাণ, মান, ধন, সম্পত্তি, ল'ৰা-তিৰোতা ৰক্ষাৰ নিমিত্তে হে যুদ্ধ কৰিছোঁ, আৰু কৰিমো। সেই কাৰ্য্যত মৰিলেও মৰাতো গৌৰৱ আৰু সুখৰ মৃত্যু;

জীলেও গৌৰৱ আৰু সুখৰ জীৱন। দিল্লীৰ পাটসাৰ গোলাম হৈ আসামৰ ৰজাই ৰাজত্ব কৰি থাকিবলৈ আকাঙ্ক্ষা নকৰে।" তেওঁৰ দেশাত্মবোধৰেই উজ্জ্বল নিদৰ্শন। কিন্তু নাট্যকাৰে চক্ৰধ্বজ সিংহক কেৱল ৰজা কৰিহে ৰাখিলে, তেওঁৰ ব্যক্তিগত জীৱনৰ অনুভূতিৰ বিকাশ নঘটালে।

লাচিত বৰফুকনক ৰজাতকৈ অধিক জীৱন্ত আৰু স্বাভাৱিক ৰূপত ৰূপায়িত কৰা হৈছে, লাচিত ধীৰোদাত্ত শ্ৰেণীৰ নায়কেই হয়। তেওঁ সকলো সময়তে ধীৰ-স্থিৰ, উদাৰ-মহান, অসংযত বা উদ্ধত কথা তেওঁৰ মুখেদি প্ৰায়েই ফুটি ওলোৱা নাই। তেওঁৰ ঘৰুৱা জীৱনবো ইয়াত অভিব্যক্তি ঘটিছে।

বাকীবিলাক বুৰঞ্জীপ্ৰসিদ্ধ চৰিত্ৰৰ বিকাশ নাটখনত ঘটাই নাই বুলিব পাৰি। কাল্পনিক চৰিত্ৰ গজপুৰীয়া, তেওঁৰ সঙ্গীবৃন্দ, প্ৰিয়ৰাম, প্ৰিয়ৰামৰ মাক ৰৰফুকননী আৰু ভনীয়েক চেনেহী আৰু ৰূপহীৰ চৰিত্ৰও নাটত বাস্তৱৰূপত সজীৱ হৈ উঠিছে। ৰৰফুকননী এগৰাকী আদৰ্শ মাতৃ আৰু পত্নী, সেয়ে নহয় তেওঁ এগৰাকী স্বাধীন দেশৰ আদৰ্শ স্থানীয়া নাৰীও। স্বামী আৰু সন্তানৰ উপৰিও দেশৰ মঙ্গল কামনা কৰাও যেন তেওঁৰ প্ৰধান কৰ্তব্য। চেনেহী আৰু ৰূপহীক যৌৱন চঞ্চলা বাস্তৱৰ দুগৰাকী বাই-ভনী হিচাবে ৰূপায়িত কৰা হৈছে। অৱশ্যে চেনেহীয়ে উপলব্ধি কৰাৰ দৰে ৰূপহী ঠায়ে ঠায়ে অলপ বেচিকৈ আগ বাঢ়িছে যেনো লাগে, যিয়ে ভদ্ৰতাৰ সীমা পাৰ হোৱা বুলিও অনুভৱ কৰায়। তথাপি ইহঁত বাস্তৱৰ।

নাটকখনৰ আটাইতকৈ আকৰ্ষণীয় প্ৰসঙ্গ কেইটা হ'ল গজপুৰীয়াহঁতৰ প্ৰসঙ্গ কেইটা। নাট্যকাৰে নিজে স্বীকাৰ কৰাৰ দৰে যথাৰ্থতে প্ৰিয়ৰাম আৰু গজপুৰীয়া 'প্ৰিন্সহল' আৰু 'ফলষ্টাফ'ৰ "কিছু কিছু অনুকৰণ" আৰু এওঁলোকৰ লগৰীয়া সিদ্ধিৰাম, জপৰা, টকৌ আৰু টকোৰাও প্ৰিন্সহল আৰু ফলষ্টাফৰ লগৰীয়া পইন্‌চ, বৰড'ল্ফ, পেটো, গেডশ্বিল প্ৰভৃতিৰ অনুকৰণত সৃষ্ট। গজপুৰীয়ানীও শ্বেক্সপীয়েৰৰ মিষ্ট্ৰেচ কুইকলিৰ সদৃশ। বেজবৰুৱাই অসমীয়া নাটক চক্ৰধ্বজ সিংহত সন্নিবিষ্ট কৰা প্ৰিয়ৰাম, গজপুৰীয়া, গজপুৰীয়ানী, সিদ্ধিৰাম, জপৰা, টকৌ টকোৰা প্ৰভৃতি আটাই কেইটা চৰিত্ৰই বেচ আকৰ্ষণীয় আৰু আনন্দদায়ক। কিন্তু এই চৰিত্ৰযুক্ত দৃশ্য কেইটি নাটকৰ উপকৰা দৃশ্যৰ দৰে ;—নাটকৰ যেন অবিচ্ছেদ্য অঙ্গ নহয়, তেনেহে অনুভৱ হয়। এইখন এখন বুৰঞ্জীমূলক নাট, কিন্তু প্ৰিয়ৰামহঁতৰ কোনোটোই বুৰঞ্জীৰ চৰিত্ৰ নহয়, উপকৰা কাল্পনিক সৃষ্টিহে।

কিন্তু মহাকবি শ্বেক্সপীয়েৰৰ নাটক (১) ৪ৰ্থ হেন্‌ৰি ১ম খণ্ড, (২) চতুৰ্থ

হেন্‌ৰি ২য় খণ্ড আৰু (৩) পঞ্চম হেন্‌ৰিত সন্নিবিষ্ট কৰা প্ৰিন্সহলতো এগৰাকী বুৰঞ্জীপ্ৰসিদ্ধ পুৰুষেই, ফলষ্টাফো বুৰঞ্জীমূলক চৰিত্ৰ বুলিহে বিবেচিত। সেয়ে নহয়, নাট তিনিখনৰ মাজেদি ফলষ্টাফে এক নতুন বুৰঞ্জীৰো সূচনা কৰি গ'ল। শ্বেক্সপীয়েৰৰ ফলষ্টাফ ইমান আকৰ্ষণীয় চৰিত্ৰ যে আজি ৪০০ চাৰিশ বছৰেও সাহিত্য আৰু বিশেষকৈ নাট্যামোদীসকলে ফলষ্টাফক পাহৰিব পৰা নাই, ফলষ্টাফ আবিস্মৰণীয়ৰূপে পৰিগণিত হৈছে।

অতিশয় বিৰাট কলেৱৰৰ ফলষ্টাফক মিছলীয়া, চোৰ প্ৰৱঞ্চক, মদাহী আদি বিশেষণেৰে বাৰে বাৰে অভিহিত কৰা হৈছে,—ফলষ্টাফৰ নিজা কাৰ্য্য আৰু কথায়ো ইয়াক সমৰ্থন কৰে। এইজন ফলষ্টাফ ৰজা ৪ৰ্থ হেন্‌ৰিৰ পুত্ৰ যুৱৰাজ হেন্‌ৰিৰ (প্ৰিন্সহল আৰু পিছলৈ পঞ্চম হেন্‌ৰি) প্ৰাণৰ বান্ধৱ। প্ৰিন্সহলৰ মনোনয়ন সাধনেই যেন ফলষ্টাফৰ জীৱনৰ লক্ষ্য। প্ৰিন্সহলৰ মনোনয়ন আৰু তৃপ্তি সাধনৰ কাৰণে ফলষ্টাফে অসাধ্যকো সাধন কৰিবলৈ প্ৰস্তুত, আনকি নিন্দনীয় আৰু গৰ্হিত কামো। উল্লেখিত নাট তিনিখনৰ ভিতৰত ১ম খনত প্ৰিন্সহল আৰু ফলষ্টাফ অভেদ্য,—প্ৰিন্সহল য'ত ফলষ্টাফো ত'ত। শয়নে-ভোজনে, চোৰ-ডকাইতিয়ে বা ঠগ-প্ৰবঞ্চনাতো দুয়ো অবিচ্ছেদ্য। ফলষ্টাফৰ ভাষাত প্ৰিন্সহল তেওঁৰ হিয়া। ২য়খন নাটত এই পট পৰিবৰ্ত্তিত হ'ল। প্ৰিন্সহল যেতিয়া ৫ম হেন্‌ৰি নাম লৈ ইংলণ্ডৰ সিংহাসনত অভিষিক্ত হ'ল, তেতিয়া তেওঁ এটা দুঃস্বপ্নৰ দৰে ফলষ্টাফ আৰু তেওঁৰ সগৰ্বীয় পইন্‌চ, বৰড'লফ, পেটো, গেডশ্বিল আদিক পাহৰিবলৈ চেষ্টা কৰিলে। কিন্তু প্ৰিন্সহল সিংহাসনত অভিষিক্ত হোৱা বাতৰি শুনি লণ্ডন নগৰৰপৰা বহুত দূৰত আঁতৰি থকা ফলষ্টাফে আনন্দৰ আতিশয্যত উৎফুল্ল হৈ তেওঁৰ অতি চেনেহৰ আৰু প্ৰাণৰ আপোন প্ৰিন্সহলক এবাৰ নিজ চকুৰে চাই অভিনন্দিত কৰাৰ মানসেৰে শাৰীৰিক অসমৰ্থতা, দুৰৱস্থা আৰু অন্যান্য সকলোবোৰ প্ৰতিকূলতাকে নেওচি কোনোবা এজনৰপৰা ঘোৰা এটা ধাৰলৈ লৈ ভাগৰি-জুগৰি আহি উপস্থিত হ'ল লণ্ডন নগৰীৰ ৱেষ্টমিনিষ্টাৰ এব্বিৰ দুৱাৰত, য'ত তেওঁৰ প্ৰিয়তম বন্ধু প্ৰিন্সহল অভিষিক্ত হৈছিল আৰু য'ৰপৰা তেওঁ ৰাজোচিত পয়োভৱেৰে সমদল পৰিবেষ্টিত হৈ প্ৰজাসকলৰ মাজলৈ ওলাই আহিবলৈ যাত্ৰা আৰম্ভ কৰিছিল ইয়াত নাছিল ফলষ্টাফৰ ব্যক্তিগত লাভালাভ বা স্বাৰ্থৰ প্ৰশ্ন, বিৰাজিত আছিল কেৱল আন্তৰিকতাপূৰ্ণ পবিত্ৰ-প্ৰীতি। ইয়াৰ বহুপূৰ্বে যেতিয়া প্ৰিন্সহলে ফলষ্টাফক সুধিছিল—"তোমাৰ ওচৰত মই এহাজাৰ পাউণ্ডৰ ঋণী নহওঁনে ?" তেতিয়া ফলষ্টাফে কৈছিল—"এহাজাৰ পাউণ্ডৰ কথা কৈছা হল ? এক নিযুত আৰু তোমাৰ প্ৰীতিয়েই এক নিযুত

পাউণ্ড মূল্যৰ, তুমি মোৰ ওচৰত প্ৰেম-প্ৰীতিৰেহে ঋণী। (Sirrah, do I owe you a thousand pound?" "A thousand pound, Hal? a million, thy love is worth a million : thou owest me thy love.") এনে পবিত্ৰ প্ৰীতিয়েই ফলষ্টাফক আনি উপস্থিত কৰাইছিল লণ্ডনৰ ৰেষ্টমিনিষ্টাৰ এব্বিৰ দুৱাৰমুখত।

কিন্তু আগৰ যুৱৰাজ হেন্ৰি আৰু এতিয়াৰ ৰজা হেন্ৰিয়ে ফলষ্টাফ আৰু তেওঁৰ লগৰীয়াসকলৰ হৰ্ষোল্লাসৰ ওপৰত ঢালিলে সাতচক চেঁচা পানী। সিহঁতক দুঃস্বপ্নৰ দৰে অৱজ্ঞা আৰু অৱহেলা কৰিলে,—অকল সেয়ে নহয়, লণ্ডনৰ পৰা নিৰ্বাসিত কৰাই সিহঁতক দোষী সাব্যস্ত কৰি মুখ্য ন্যায়াধীশৰ দ্বাৰা বিচাৰো কৰালে। ফলষ্টাফে নিৰ্বিকাৰ চিত্তে ৰাজআজ্ঞা মানি ললে। কিন্তু অপমান আৰু বিশেষকৈ প্ৰিন্সহলৰ (এতিয়াৰ ৰজা ৫ম হেন্ৰি) অৱমাননা সহিব নোৱাৰি তেওঁ জীয়াই থকাৰ সাৰ্থকতা আৰু অনুভৱ নকৰিলে। পঞ্চম হেন্ৰি নাটত আমি ফলষ্টাফৰ মৃত্যুৰ বাতৰি পাওঁ। মিষ্ট্ৰেচ কুইকলিৰ ভাষাত "The king has killed his heart." এসময়ত এই ফলষ্টাফ আছিল অফুৰন্ত হাঁহি, কৌতুক আৰু ৰং-ধেমালিৰ আঁকৰ স্বৰূপ। ফলষ্টাফৰ সঙ্গই কেৱল প্ৰিন্সহল আৰু পইন্চ, পেটোইঁতকেই আনন্দ দিয়া নাছিল, শ্বেক্সপীয়েৰৰ এই নাটক কেইখনৰ দৰ্শক বা পাঠক-পাঠিকা মাত্ৰকেই নিৰ্মল আনন্দত বুৰাই ৰাখিবলৈও সমৰ্থ হৈছিল ফলষ্টাফে। সেই একেজন ফলষ্টাফে যেতিয়া অপমান আৰু অৱমাননা সহিব নোৱাৰি দেহত্যাগ কৰে তেতিয়া পাঠক বা দৰ্শক মাত্ৰেই চকুলো টোকা বা কৰুণ ভাৱত আপ্লুত হোৱা তেনেই স্বাভাৱিক। ফলষ্টাফ যেন হাঁহি আৰু অশ্ৰুৰ কৰুণ মিলন। সেয়ে ফলষ্টাফ অবিস্মৰণীয়, শ্বেক্স-পীয়েৰৰ নাটকৰ দৰ্শক আৰু পাঠকৰ মানত ফলষ্টাফ চিৰকাল আনন্দৰ আঁকৰ স্বৰূপে প্ৰতীয়মান হৈয়ে ৰব।

বেজবৰুৱাৰ গজপুৰীয়াও বহিঃসজ্জাত ফলষ্টাফৰ অনুৰূপ। আহাৰ, বিহাৰ আৰু আকৃতিত গজপুৰীয়া অসমীয়া ফলষ্টাফ; কিন্তু প্ৰকৃতিত নহয়। ফলষ্টাফৰ দৰে গজপুৰীয়া বুৰঞ্জীৰ চৰিত্ৰও নহয়,—গজপুৰীয়াক নাটকৰ অবিচ্ছেদ্য অঙ্গৰূপেও ৰূপায়িত কৰিব পৰা নহ'ল। গজপুৰীয়া 'চক্ৰধ্বজসিংহ' নাটৰ এটি উপকৰা ধেমেলীয়া চৰিত্ৰহে। ফলষ্টাফক বুজিবলৈ বা তেওঁৰ অন্তৰৰ উষ্মা উপলব্ধি কৰিবলৈ যি সাধ্য-সাধনাৰ প্ৰয়োজন, গজপুৰীয়াক উপলব্ধি কৰিবলৈ তেনে সাধ্য-সাধনাৰো আৱশ্যক নাই। গজপুৰীয়াক উপলব্ধি কৰা সহজ সাধ্য; কিন্তু গজপুৰীয়া সম্পূৰ্ণকৈ অসমীয়া।

কলটাফৰ লগত গজপুৰীয়াৰ যে কেৱল আকৃতিত হে সাদৃশ্য আছে তেনে নহয়,—প্ৰকৃতিতো সাদৃশ্য বিচাৰি পোৱা যায়। গজপুৰীয়াও হাঁহি-ধেমালিৰ আকৰ; লাওপানী, ফটিকা, তামোল, ধঁপাত আদিৰে প্ৰিয়ৰাম আৰু টকৌ, টকোৱা প্ৰমুখ্যে বন্ধুবৰ্গৰ মনোনয় সাধনত গজপুৰীয়া তৎপৰ। কিন্তু কলটাফৰ দৰে গজপুৰীয়াৰ আতিথ্য যেন নিঃস্বাৰ্থ নহয়। লাচিত হেন বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক সন্তুষ্ট কৰি ৰাখিব পাৰিলে যে সি ৰাজকীয় বৰ খিতাপ, উচ্চপদপী, সন্মান আৰু ধন-দৌলত লাভ কৰিব পাৰিব, সেই চিন্তা গজপুৰীয়াৰ চিত্তত যেন নিত্য প্ৰবাহমান। শৰাইঘাটৰ যুদ্ধৰ সময়তো মদৰ টেকেলিটো লগত লৈ ফুৰাবলৈ গজপুৰীয়াই পাহৰা নাই আৰু তাৰ নিজৰ কথাৰেই মদৰ টেকেলিটো লৈ ফুৰাবলৈয়ে যেন যুঁজৰ থলিলৈ লৈ আহিছিল বৈণীয়েক গজপুৰীয়ানীকো। অৱশ্যে প্ৰিয়ৰামৰ মতে "চুৰকৰা ধনৰ টোপোলা" কঢ়িয়াবলৈহে যেন তাইক লগত লৈ আহিছিল আৰু সি নিজেও আহিছিল যেন কেৱল "মৰা সৈনিকৰ গাৰ কাপোৰ-কানি আৰু ৰূপবান চুৰ কৰি গোটাই আনিব পাৰে দেখিহে।" ৰসিকতাৰ কাৰণে উক্ত হলেও প্ৰিয়ৰামৰ এনে উক্তিৰ মাজেদিয়ে পৰিস্ফুট হৈ উঠে গজপুৰীয়াৰ চৰিত্ৰও।

প্ৰিয়ৰামৰ অনুগ্ৰহতেই সি হাজৰিকা পদত অধিষ্ঠিত হৈ আছিল শৰাইঘাটৰ যুদ্ধলৈ। যুদ্ধত সি সৈন্য-সামন্তকৈ সাতো আগে পলাই ফাট মাৰে। অথচ যুদ্ধৰ শেষত সি গৌৰৱ কৰে যে ফিৰোজ খাঁ, চৈয়দ চানা প্ৰমুখ্যে মোগল সেনাপতিক বন্দী কৰিলে সি নিজহাতেৰে। কিন্তু যেতিয়া প্ৰমাণিত হ'ল যে লাচিত বৰফুকন আৰু প্ৰিয়ৰামেহে সিহঁতক বন্দী কৰিলে, তেতিয়া সি ৰসিকতাৰ কাৰণেই বাগী মাৰে—"তাৰ আগতে তাৰ আগতে" বুলি। যেনিবা সি আগতে সিহঁতক বন্দী কৰিছিল আৰু পিছত পলাই যোৱাতহে লাচিত আৰু প্ৰিয়ৰামৰ হাতত বন্দী হ'ল। শলঠেকত পৰিলেও সি ৰসিকতাৰ মাজেদিয়ে প্ৰিয়ৰামৰ কৃপাভিক্ষা কৰে। এইক্ষেত্ৰত গজপুৰীয়া অসমীয়া কলটাফ। কলটাফৰ দৰেই গজপুৰীয়াইও মৃতসৈনিকৰ মাজত মৰাৰ ভাও জুৰি পৰি থাকিও ৰসিকতা কৰে।

কিন্তু এইখিনি সাদৃশ্যৰ কাৰণে গজপুৰীয়াক কলটাফৰ হুবহু অনুকৃতি বোলা টান। কলটাফৰ ভীৰুতা, চোৰ, প্ৰবঞ্চনা, ভণ্ডামি, প্ৰভৃতি সকলো বদ্‌গুণৰ মূলতে আছিল ৰসিকতা, আৰু বিশেষকৈ তেওঁৰ প্ৰাণৰ প্ৰিন্সহলৰ মনোনয়ন সাধন। কলটাফৰ স্বকীয়া সত্তা যেন প্ৰিন্সহলত বিলোপ হৈ গৈছিল। কিন্তু গজপুৰীয়াৰ ক্ষেত্ৰত দৰ্শক বা পাঠক-পাঠিকাৰ মনলৈ এনে ধাৰণা নাহে। চতুৰ্থ হেন্‌ৰি প্ৰথমখণ্ডত প্ৰিন্সহল আৰু কলটাফক সকলো ক্ষেত্ৰতে প্ৰায় একেলগে দেখাৰ দৰে

চক্ৰধ্বজ সিংহতো প্ৰিয়ৰাম আৰু গজপুৰীয়াক প্ৰায় একেলগেই দেখা যায়। কিন্তু কলষ্টাফ আৰু প্ৰিলহলৰ মাজত গঢ়ি উঠা আন্তৰিকতাৰ অভাৱ প্ৰিয়-ৰাম আৰু গজপুৰীয়াৰ মাজত স্পষ্ট। অৱশ্যে প্ৰিয়ৰামো প্ৰিলহলৰ সদৃশ ব্যক্তিত্ব আৰু বৈচিত্ৰ্যসম্পন্ন চৰিত্ৰ নহয়। প্ৰিলহল খুব জটিল, কিন্তু প্ৰিয়ৰাম সৰল-সহজ। পিছলৈ প্ৰিলহল কলষ্টাফইতৰ পৰা আঁতৰি আহিল আৰু মুখ্য ন্যায়াধীশৰ দ্বাৰা বিচাৰ কৰাই সিহঁতক শাস্তিও বিহালে। প্ৰিয়ৰাম কিন্তু তেনে কাৰ্য্যত লিপ্ত হোৱা নাই। সুৰাসক্ত আৰু কুসঙ্গপ্ৰিয় প্ৰিয়ৰামক বাপেক লাচিত বৰফুকনে ভৎ'সনাৰ মাজেদি বংশ মৰ্য্যাদাৰ কথা সোঁৱৰাই দি আত্মসচেতন কৰি তুলিবলৈ সমৰ্থ হোৱা বুলি ভাবিলেও তাৰ সুৰাসক্ততা আৰু কুসঙ্গপ্ৰিয়তা কিন্তু আঁতৰাব পৰা নহ'ল। প্ৰিয়ৰামৰ আকৰ্ষণৰ গুৰিকথাও যেন গজপুৰীয়া নহয়, সুৰা আৰু গজপুৰীয়ানীহে। গজপুৰীয়া টেঙৰ। সি এই কথাৰ উমান নোপোৱা নহয়। সেয়ে মদৰ টেকেলিৰে প্ৰিয়ৰামক প্ৰলুব্ধ কৰি ৰাখি পদপী আৰু ধন-দৌলত লাভৰ পথ সি সততে সুগম কৰিও ৰাখে। কলষ্টাফো আত্মসচেতন আছিল, মান-মৰ্য্যাদাৰ কথাও উপলব্ধি কৰিছিল। কিন্তু প্ৰিল-হলৰ ওচৰত সকলোকে দিছিল হেলাৰঙে বিসৰ্জন। স্বাৰ্থসিদ্ধিতকৈ ত্যাগৰ আদৰ্শহে কলষ্টাফৰ মাজেদি অধিক স্পষ্ট ভাৱে পৰিস্ফুট।

গজপুৰীয়াৰ কথা কিন্তু সুকীয়া। মূৰ্খামি বা অকৰামি যেন কেৱল তাৰ ভাওহে, ইয়াৰ আঁৰত থাকি সি যেন স্বাৰ্থ পূৰণতহে ব্যস্ত। গজপুৰীয়াকো কিন্তু ভীৰু বোলা টান,—অৱশ্যে সি মহা টেঙৰ। প্ৰিয়ৰামে তাক "গজমূৰ্খ, গাধ, মাহৰ ডুলি, সৰিয়হৰ ভগা ডুলি" প্ৰভৃতি বিভিন্ন নামেৰে একে উশাহতে নামাংকিত কৰাৰ পিছত সি প্ৰতিবাদ কৰি কয়—"বোলো ডেকা ফুকন, মই মূৰ্খ নে কোন মূৰ্খ? মই যে একেবাৰেই ইমানবোৰ বস্তু হব নোৱাৰোঁ, সেইটো বুজিব নোৱাৰাবোৰ নহয় নে?" সি আৰু অলপ আগবাঢ়ি গৈ কৈছে—"মই যদি গজমূৰ্খৰ ভাও লব লাগিল, তেন্তে বোজা বোৱা দীঘল কাণেৰে সেই চাই-ঠেঙীয়া জন্তুটোৰ ভাও তুমি লব লাগিব।" লাচিত হেন বৰফুকনৰ পুত্ৰ প্ৰিয়ৰামক বোজা কঢ়িওৱা গাধ বুলি মুখৰ আগতে অভিহিত কৰাৰ সাহস যিজন মানুহৰ আছে, তাক মূৰ্খ, অকৰা বা ভীৰু বুলিও নিশ্চয় ধাৰণা কৰিব নোৱাৰি।

গজপুৰীয়া নিজৰ দোষ-ত্ৰুটী আৰু বঢ়া-টুটাৰ প্ৰতিও সততে সচেতন। প্ৰিয়ৰামক বোজা কঢ়িওৱা গাধ বুলি কলে হয়, কিন্তু পিছ মুহূৰ্ততে সি তাৰ শক্তি, ক্ষমতা আৰু সামৰ্থ্যৰ কথাও উপলব্ধি নকৰাকৈ নাথাকিল। পৰিবেশৰ

গুৰুত্ব লাঘব কৰিবলৈ নাইবা কথাই যাতে তাৰ প্ৰতিকূলে ঢাল নলয় তাৰ প্ৰতি দৃষ্টিপাত কৰিয়েই সি লাওপানীৰ কথা উলিয়াই পৰিবেশ পাতল আৰু আমোদজনক কৰি তুলিলে।

গজপুৰীয়ানী প্ৰিয়ৰামৰ ৰূপ-যৌৱনৰ প্ৰতি আকৰ্ষিতা হোৱাৰ উমানো সি পায় আৰু সি ইয়াকো উপলব্ধি নকৰা নহয় যে প্ৰিয়ৰামো গজপুৰীয়ানীৰ প্ৰতি কিছুদূৰ আগবাঢ়ি গৈছে। সি ৰসিক, বাক্‌চতুৰ আৰু ৰবকথীয়া। ৰসিকতাৰ ছলেৰে সি গজপুৰীয়ানী আৰু প্ৰিয়ৰামৰ মাজত উদ্ভৱ হোৱা পৰিস্থিতিটো "কোমল তামোল দেখি বুঢ়া তামোল দলিয়াই পেলালি" বুলি বক্ৰোক্তিৰ সহায়ত সদৰী কৰি দি পৰোক্ষে আৰু আগ নাবাঢ়িবলৈ সি প্ৰিয়ৰামকো সাৱধান কৰি নিদিয়া নহয়।

ফলষ্টাফৰ লগত গজপুৰীয়াৰ ভালেমান কথাতেই সাদৃশ্য আছে সঁচা, কিন্তু গজপুৰীয়া ফলষ্টাফ নহয়। গজপুৰীয়াই ফলষ্টাফৰ পূৰ্ণৰূপক প্ৰতিনিধিত্ব কৰিব পৰা নাই, গজপুৰীয়াৰ মাজেদি পূৰ্ণ ফলষ্টাফজনক উপলব্ধি কৰাও নাযায়। ফলষ্টাফ হাঁহি আৰু কাৰুণ্যৰ মিলনভূমি; কিন্তু গজপুৰীয়াত করুণতাৰ লেশমাত্ৰও নাই। গজপুৰীয়া খ্যাত কেৱল হাঁহিৰ কাৰণেহে। সময়ে সময়ে গজপুৰীয়াই বহুবালি কৰি আৰু অমাৰ্জিত কথা বা ভাৱ প্ৰকাশ কৰিও হঁহুৱাইছে, যি হাঁহিয়ে মাৰ্জিত ৰুচিসম্পন্নলোকৰ মুখত হাঁহি বিৰিঙাবলৈ অসমৰ্থ হবও পাৰে। ফলষ্টাফৰ প্ৰেম প্ৰীতি, সৌহাদ্যতা বা মানবীয়তা যেন অননুকৰণীয়, গজপুৰীয়াৰ মাজত তাক বিচাৰি পোৱাও যেন দুঃসাধ্য। আহাৰ-বিহাৰ, চলন-ফুৰণ আৰু আকাৰ-আকৃতিত গজপুৰীয়া কিন্তু ফলষ্টাফ। প্ৰকৃতিত বিশেষকৈ মানৱতাবোধত গজপুৰীয়া ফলষ্টফ নহয়। অৱশ্যে গজপুৰীয়াৰ মাজেদি যে ফলষ্টাফৰ অন্তৰৰ উষ্মা সমূলি অনুভৱ কৰা নাযায়, সিও নহয়, গজপুৰীয়াক আমি ৪ৰ্থ হেন্‌ৰি প্ৰথমখণ্ড নাটৰ ফলষ্টাফৰ প্ৰায় সমকৰ্মী ৰূপতেই পাওঁ। গজপুৰীয়া কিন্তু সম্পূৰ্ণকৈ অসমীয়া, যেনেকৈ ফলষ্টফ এজন পূৰ্ণ ইংৰাজ। অসমীয়া নাট্যকাৰ বেজবৰুৱাই ফলষ্টাফৰ অনুকৰণত হলেও গজপুৰীয়াক নিভাঁজ অসমীয়া ৰূপত গঢ় দি তুলিব পৰাতো তেওঁৰ কৃতিত্ব।

গজপুৰীয়াৰ অৱলম্বনত 'চক্ৰধ্বজসিংহ' নাটক বহুপৰিমাণে আমোদজনক কৰিবলৈ নাট্যকাৰ বেজবৰুৱা সমৰ্থ হৈছে যদিও যথাৰ্থতে গজপুৰীয়া প্ৰসঙ্গ উপকৰা। নাটকখনত চেনেহী-ৰূপহী প্ৰসঙ্গও অপ্ৰাসঙ্গিক ৰূপেহে প্ৰতীয়মান হয়। ২য় অংকৰ তৃতীয় দৃশ্য মাথোন প্ৰিয়ৰামলৈ লাচিতৰ এটা সুদীৰ্ঘ উপদেশেৰে সমাপ্ত। চক্ৰধ্বজ সিংহৰ প্ৰায় আটাইকেইটা উক্তিয়েই অনাটকীয় ভাৱে

দীঘলীয়া, আকৰ্ষণো নাই বুলিবই পাৰি। কেবাটাও দৃশ্য চিঠি-পত্ৰৰে সামৰা হৈছে। এইবোৰ বুৰঞ্জীৰ কথা, ইয়াক নাট্যৰূপ দিবপৰাহেঁতেন হে ৰসোত্তীৰ্ণ সাহিত্যলৈ উত্তীৰ্ণ হ'লহেঁতেন। বুৰঞ্জীৰ প্ৰধান প্ৰধান চৰিত্ৰ চক্ৰধ্বজসিংহ, লাচিত বৰফুকন, ৰামসিংহ আদি চৰিত্ৰ সজীৱ আৰু সৰস কৰি ৰূপায়িত কৰাৰ প্ৰতি গুৰুত্ব দি নাটকীয় গুণবোৰ মনৰ আগত উজ্জ্বলাই ৰাখি, আৰু গজপুৰীয়া প্ৰমুখ্যে কাল্পনিক আৰু প্ৰাসঙ্গিক চৰিত্ৰসমূহকে নাটক আৰু কাহিনীৰ অবিচ্ছেদ্য অঙ্গ-প্ৰত্যঙ্গ হিচাবে গঢ়ি তুলিব পৰাহেঁতেন 'চক্ৰধ্বজসিংহ' নিশ্চয়কৈ এখন বীৰ ৰসাত্মক প্ৰথম শ্ৰেণীৰ নাটকেই হ'লহেঁতেন।

'বেলিমাৰ' বেজবৰুৱাৰ তৃতীয় গধুৰ বুৰঞ্জীমূলক নাটক। ছশ বছৰীয়া প্ৰবল পৰাক্ৰমী আহোম ৰাজত্বৰ বেলিমাৰ যোৱাৰ ইতিহাস এই নাটকৰ মাজেদি তুলি ধৰা হৈছে। মানৰ আক্ৰমণৰ পটভূমিত ৰচনা কৰা এই নাটখনৰ নায়ক নায়িকা নাই যেন লাগে। এই নাটক খনৰ অভিনয় চালে বা পঢ়িলে প্ৰধান নায়ক বা নায়িকা নিৰ্ণয় কৰা টান হয়। পিছৰ কালত (সম্ভৱতঃ বেলিমাৰৰ অনুকৰণতেই ৰচিত) দণ্ডিনাথ কলিতাৰ 'অসম সন্ধ্যা'ত নায়ক-নায়িকা বিচাৰি পাবলৈ টান হোৱাৰদৰে বেলিমাৰ'তো নায়ক-নায়িকা নাই, কেৱল মানৰ আক্ৰমণৰ সময়ৰ অসমৰ ৰাজনৈতিক আৰু সামাজিক পৰিস্থিতি আৰু তাৰপৰা উদ্ভৱ হোৱা হিংসা-দ্বেষ-বিদ্বেষ আদিৰ কাৰণে কনেকৈ ৬০০ বছৰীয়া প্ৰবল প্ৰতাপী আহোম ৰাজত্বৰ বেলি মাৰ গ'ল তাৰ চিত্ৰহে নাটখনত তুলি ধৰা হৈছে। পণ্ডিতৰ্ভতও নিজে উল্লেখ কৰাৰ দৰে 'ঐতিহাসিক প্ৰকৃত ঘটনাৰ লৰচৰ নকৰি আৰু ইতিহাসৰ প্ৰকৃত ব্যক্তিসকলৰ চৰিত্ৰ যেনে আছিল যিমান দূৰ" সম্ভৱ তেনেকৈয়ে ৰাখি বজবৰুৱাই ৰচনা কৰিছে 'বেলিমাৰ' নাটক।

সেয়ে 'বেলিমাৰ'তো নাট্যকাৰ বেজবৰুৱাৰ মৌলিকত্ব কম। বুৰঞ্জীৰ মূল ঘটনাৰ ওপৰত সাহিত্যিক বা নাটকীয় সৌন্দৰ্য্য সাৰ্থক ভাবে আৰোপিত কৰি ৰসোত্তীৰ্ণ কৰাৰ সাৰ্থক চেষ্টা ইয়াতো পৰলৈ নাই। অৱশ্যে চৰিত্ৰ চিত্ৰণত আন দুখনতকৈ 'বেলিমাৰ'ত বেজবৰুৱাই অধিক কৃতকাৰ্য্যতা লাভ কৰিছে বুলি অনুমান কৰাৰ যুক্তি আছে।

নাটখনৰ প্ৰথম তিনিটা অংকত মানৰ প্ৰথম আক্ৰমণৰ পটভূমি আৰু আক্ৰমণ, ৪ৰ্থ অংকত মানৰ ২য় আক্ৰমণৰ কাৰণ আৰু আক্ৰমণ আৰু শেষৰ পঞ্চম অংকত মানৰ ৩য় আক্ৰমণ, মানৰ অত্যাচাৰ আৰু ইংৰাজৰ আগমনো চিঠি আৰু ঘোষণাৰ দ্বাৰা দেখুৱা হৈছে।

নাটখনৰ প্ৰধান কাহিনী সম্পূৰ্ণকৈ বুৰঞ্জীৰ ওপৰত প্ৰতিষ্ঠিত, চন্দ্ৰকান্তসিংহ,

পূৰ্ণানন্দ বুঢ়াগোহাঞি, বদনচন্দ্ৰ বৰফুকন, সংবাম, হুমলী বাজমাও আদি কৰি প্ৰধান প্ৰধান চৰিত্ৰবোৰো বুৰঞ্জীৰ চৰিত্ৰ। কিন্তু চৰিত্ৰবোৰ সজীৱ আৰু স্পষ্টকৈ ৰূপায়িত কৰিব পাৰিছে। ল'ৰামতীয়া দুৰ্বল চন্দ্ৰকান্তসিংহক সংবামৰ হাতৰ পুতলা, পূৰ্ণানন্দ বুঢ়াগোহাঞিক ক্ষমতাপ্ৰিয়, আত্মম্ভৰী কিন্তু স্বদেশ-প্ৰিয়, বদনচন্দ্ৰক স্বাৰ্থপৰ, অত্যাচাৰী আৰু দেশদ্ৰোহী, সংবামক ছল-চাতুৰীৰে বজাৰ মনোনয়ন সাধন কৰি উদ্দেশ্য সাধন কৰিবলৈ সমৰ্থ আৰু হুমলী বাজমাওক বাজনীতি বিশাৰদা দূৰদৰ্শিতা সম্পন্না অথচ সন্তানবৎসলা মৰমী মাতৃ হিচাবে ৰূপায়িত কৰাত নাট্যকাৰ বেজবৰুৱাই দক্ষতাৰ পৰিচয় দিছে। বজনীকান্ত বৰদলৈৰ উপন্যাসৰ সংবামতকৈ বেজবৰুৱাৰ সংবাম অধিক আকৰ্ষণীয় আৰু ব্যক্তিত্বসম্পন্ন চৰিত্ৰ। দুষ্ট প্ৰবৃত্তিসম্পন্ন হলেও সি মানুহ। মহাভাৰতৰ শকুনি বা শ্বেক্সপীয়েৰৰ ইয়েগোৰ লগত বেজবৰুৱাৰ সংবাম তুলনীয় নহলেও খৃষ্টোফাৰ মাৰ্লোৰ বুৰঞ্জীমূলক 'দ্বিতীয় এডৱাৰ্ড' নাটৰ 'গ্যাভেষ্টোন' চৰিত্ৰৰ লগত সংবামৰ সাদৃশ্য বিচাৰি পোৱা যায়। সংবামৰ চৰিত্ৰ 'গ্যাভেষ্টোন'ৰ সমান কৰ্ম আৰু ঘটনাবহুল কৰি ৰূপায়িত কৰিব পৰা নাই যদিও সংবামৰ বুদ্ধিমত্তা, চন্দ্ৰকান্ত সিংহক হাতৰ পুতলাৰ দৰে নচুৱাই সকলো সময়তে আত্মস্বাধীন কৰি ৰাখিবলৈ সমৰ্থ হোৱা, শেষত ডা-ডাঙৰীয়া-সকলৰ হাতৰ পৰা সংবামক ৰক্ষা কৰিবলৈ চন্দ্ৰকান্ত সিংহ অসমৰ্থ হোৱা আদি চিত্ৰ আৰু কাৰ্য্য ঠিক 'দ্বিতীয় এডৱৰ্ড' নাটৰ গ্যাভেষ্টোনৰ সদৃশ। আনকি সংবামক নিৰ্বাসিত কৰি শেষত গুপ্তহত্যা কৰা কথাও গ্যাভেষ্টোনক গুপ্তহত্যা কৰোৱাৰ সদৃশ। সংবাম চৰিত্ৰ ৰূপায়ণৰ সময়ত নাট্যকাৰ বেজ-বৰুৱাৰ মনত মাৰ্লোৰ গ্যাভেষ্টোন চৰিত্ৰ আদৰ্শ স্বৰূপে থাকিবও পাৰে।

দণ্ডিনাথ কলিতাৰ 'অসম সন্ধ্যা'ৰ সংবাম আৰু নকুলচন্দ্ৰ ভূঞাৰ 'বদন বৰফুকন' নাইবা 'চন্দ্ৰকান্ত সিংহ'ৰ সংবামো বেজবৰুৱাৰ অনুকৰণতেই ৰূপায়িত বুলি ভবাৰ যুক্তি আছে। কাৰণ পিছৰ দুয়োজনবেই সংবামৰ ভাৱ-ভঙ্গী কাৰ্য্য-কলাপ বেজবৰুৱাৰ সংবামৰ সদৃশ। সংবাম এই নাটকখনৰ এটা সাৰ্থক চৰিত্ৰ।

বুৰঞ্জীৰ অপ্ৰধান আৰু অপৰিস্ফুট চৰিত্ৰ ওৰেষানাথ, পিজৌ আৰু মাজু আইদেউক বেজবৰুৱাই নাটখনত বাস্তৱ দৃষ্টিৰে অধিক স্পষ্ট আৰু আকৰ্ষণীয় ৰূপে ৰূপায়িত কৰি তুলিছে। ওৰেষনাথ পূৰ্ণানন্দ বুঢ়াগোহাঞিৰ পুত্ৰ, বাজভক্ত বিষয়া, বদন চন্দ্ৰৰ জোঁৱাই আৰু পিজৌ আৰু মাজু আইদেউৰ স্বামী। বাজভক্ত বিষয়া হিচাবে বদনক ধৰিবলৈ মানুহ পঠিওৱা বাতৰিৰ সম্ভেদ তেওঁ

বদনৰ জীয়েক তেওঁৰ পত্নীৰ ওচৰত সদৰী দিয়া অনুচিত হৈছে ; সম্ভৱতঃ ইয়াৰ দ্বাৰা বেজবৰুৱাই ইয়াকে দেখুৱাব বিচাৰিছে যে সেই সময়ৰ বিষয়া-সকলৰ মানত ৰাজকাৰ্য্যতকৈ প্ৰিয়-পৰিজনৰ কাৰ্য্যই হে প্ৰধান ভাবে স্থান লাভ কৰিছিল। ধ্বংসোন্মুখীন অধঃপতিত জাতিৰ কাৰণে ই অতি স্বাভাৱিক আৰু সম্ভৱপৰ। সেয়েহে ওবেৰানাথে ৰাজকাৰ্য্যক অৱহেলা কৰি, দেশ বা জাতিৰ স্বাৰ্থক বিসৰ্জন দি পত্নীৰ আগত ব্যক্ত কৰিলে ৰাজনৈতিক ষড়যন্ত্ৰ। 'বেলি-মাৰ'ত ওবেৰানাথৰ ভূমিকা কিছু তাৎপৰ্য্যপূৰ্ণ, কিন্তু যুৱৰাজীত এই চৰিত্ৰটো অস্পষ্ট হৈয়ে আছে।

পিজৌ আৰু মাজু আইদেউ বেজবৰুৱাৰ আন দুটি সাৰ্থক সৃষ্টি, দুয়ো-টাকে যুৱৰাজীৰপৰা বুটলি আনি তেওঁ জীৱ-দান কৰিছে বুলিব পাৰি। পিজৌ যথাৰ্থতে এজনী আদৰ্শস্থানীয়া নাৰী। পত্নী হিচাবে ওবেৰানাথৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধা আৰু ভক্তি, দুহিতা হিচাবে বাপেক বদনৰ প্ৰতি প্ৰেম-প্ৰীতি থকাটোও স্বাভাৱিক। পিতৃ-মাতৃক বিপদৰ পৰা ৰক্ষা কৰা সন্তান মাত্ৰৰে কৰ্তব্য। সেই কাৰণে পিজৌৱে ৰজাৰ চৰৰ হাতৰ পৰা বাপেক বদনক ৰক্ষা কৰিবলৈ চলোৱা প্ৰচেষ্টা তেনেই স্বাভাৱিক। মান সৈন্যৰে আহি বদন অসম প্ৰৱেশ কৰাত পিজৌৰ মানসিক সংঘাত আৰু ৰূপসিঙৰ হাতত বদনৰ আকস্মিক মৃত্যুৰ বেদনা সহিব নোৱাৰি পাগলী প্ৰায় হৈ মৃত্যু বৰণ কৰা আদি কাৰ্য্যও একো অস্বাভাৱিক নহয়। যি কোনো নাৰীৰ জীৱনতেই এনে কাৰ্য্য ঘটিব পাৰে—যদিহে এনেবোৰ পৰিবেশৰ মাজেদি অতিক্ৰম কৰিব লগাত পৰে। পিজৌ আদৰ্শ স্থানীয়া এজনী অসমীয়া শিক্ষিতা নাৰী। তেওঁ কিন্তু অসাধাৰণা নহয়, সুমলী ৰাজমাওৰ দৰে দূৰদৰ্শিতা শক্তি বা স্থিৰতাৰো অভাৱ পিজৌত দেখা যায়। মাজু আইদেউ আৰু সাধাৰণা। তেওঁৰ চৰিত্ৰ বাস্তৱৰ এগৰাকী সপত্নী-বিদ্বেষী সাধাৰণ গাঁৱলীয়া নাৰীৰ আহিত ৰচিত। বাস্তৱৰ আন এজনী নাৰীও মাজু আইদেউৰ দৰেই যোজনা ফকৰা মাতি ঈৰ্ষা-দ্বেষ প্ৰকাশ কৰি শান্তি লভে। পিজৌত উদাৰতা আছে, কিন্তু মাজু-আইদেউ হ'ল সংকীৰ্ণা। বদনৰ জীয়েক পিজৌ স্বামী ওবেৰনাথৰ সুহাগী আৰু ৰাজমাওৰ জীয়েক মাজু আইদেউ আপেক্ষিক ভাবে এলাগী হোৱা হেতুকেও বদনচন্দ্ৰ ৰাজমাও সুমলীৰ মানত ইমান বিদ্বেষী ৰূপত প্ৰতিভাত হৈ উঠাৰ কাৰণ হব পাৰে। নাটখনত অস্পষ্ট হৈ থাকিলেও ৰাজমাওৰ বদন-বিদ্বেষী মনোভাৱৰ কাৰণেও পিজৌ-মাজু আইদেউৰ বিদ্বেষী ঘৰুৱা জীৱন চিত্ৰিত কৰিব পাৰে। অৱশ্যে মাজু আইদেউৰ মুখত যোজনা-ফকৰা অলপ বেছিকৈ দিয়া হৈছে।

ধেমেলীয়া চৰিত্ৰ চিত্ৰণত বেজবৰুৱা সদায় সিদ্ধহস্ত। ইয়াতো তেওঁ ভুমুক বহুৱা আৰু শোৱনশিৰীক সাৰ্থক ভাবেই চিত্ৰিত কৰিছে। ডঃ সত্যেন্দ্ৰ নাথ শৰ্মাই কোৱাৰ দৰে (৪০) ভুমুক বহুৱা শ্বেক্সপীয়েৰৰ মূৰ্খ (fool) বা বহুৱা (clown) চৰিত্ৰৰ অনুকৰণত চিত্ৰিত যেনেই লাগে। শ্বেক্সপীয়েৰৰ 'মূৰ্খ' বা 'বহুৱা' বোৰো টেঙৰ, সিহঁতে গৰাকীৰ কথা আৰু কাৰ্য্যৰ উমান পায়, দেশ-কাল-পাত্ৰৰ সম্বন্ধে সিহঁতৰ থাকে, ঠিক সংস্কৃত নাটৰ বিদূষকৰ দৰে। ইয়াতো বদনৰ লগুৱা ভুমুক বহুৱাই তাৰ কাৰ্য্য-কলাপ আৰু উক্তি-প্ৰত্যুক্তিৰ মাজেদি ভাবেই সাক্ষ্য দান কৰিছে, সি দেশৰ ভবিষ্যতৰ কথাও তাৰ উক্তি—

> "বৈকুণ্ঠৰ কৃষ্ণ আৰু কৈলাশৰ শিৱ
> লাহে লাহে দেশখন মৰিবলৈ থিয়,
> নিজৰ ভিতৰত হিংসা-হিংসি আনক অত্যাচাৰ,
> ৰাইজে ৰজাৰ ফালৈ আহি নাপায় সুবিচাৰ,
> দুখীয়াক দুখ দি ৰং পায় প্ৰজাক কৰে ঘিণ
> সেইঘৰ ৰজা সইখন দেশৰ আয়ুস কেইদিন?"—

ইয়াৰ মাজেদি স্পষ্টকৈ তুলি ধৰে। তেনেকৈ সোৱণশিৰীৰ গীত-পদবিলাকেও দৰ্শক বা পাঠকৰ মানত সমসাময়িক সামাজিক সমালোচনাৰ ভাৱ আনি দিয়ে। এই দুয়োটা বেজবৰুৱাৰ সফল সৃষ্টি।

ধনশিৰি, বৰ্কভিয়াল ফুকন, মাজুমেলীয়া বৰুৱা আদি কৰি কেইটামান অপ্ৰধান চৰিত্ৰও বেজবৰুৱাই সৃষ্টি কৰিছে। এনেবোৰ চৰিত্ৰ অপ্ৰধান যদিও তেতিয়াৰ সামাজিক পৰিবেশ সৃজনত ইহঁতে সহায় কৰিছে।

কব গলে, চৰিত্ৰ চিত্ৰণত 'বেলিমাৰ'ত বেজবৰুৱা কৃতকাৰ্য্যই হৈছে। কিন্তু নাট্যকাৰ হিচাবে কৃতকাৰ্য্য হোৱা বুলিব নোৱাৰি। তেওঁ এই নাটখনত বহু ঘটনা আৰু বহু চৰিত্ৰ সুমুৱাই লোৱা হেতুকে সকলো ঘটনাতে নাট্যৰূপ দান কৰিবই নোৱাৰিলে। নাটক কাৰ্য্যৰে প্ৰদৰ্শন কৰা কাহিনীহে। ইয়াতো কিন্তু কাৰ্য্যৰ ঠাই গ্ৰহণ কৰিছে চিঠি-পত্ৰ, ইস্তাহাৰ, ঘোষণা আদিয়েহে। শেষৰ ফালে বুৰঞ্জী সমুলে বুৰঞ্জী কৰিও ৰখা হ'ল, নাট্যৰূপ দিয়াৰ চেষ্টা নচলিল বুলিব পাৰি। সেই কাৰণে 'চক্ৰধ্বজ সিংহ'ৰ দৰে 'বেলিমাৰ'তো দৰ্শকে ধৈৰ্য্য ধৰি অভিনয় চাই তৃপ্তি লভিব বুলি আশা কৰা নাযায়। সেয়ে

---

(৪০) অসমীয়া নাট্য-সাহিত্য : পৃষ্ঠা ২০১

নহয়, চিঠি-পত্ৰ, ইস্তাহাৰ-ঘোষণাবোৰ আনকি পঢ়িবলৈও পাঠকৰ ধৈৰ্য্য থাকে যে নাই তাৰো সন্দেহ হে হয়। বুৰঞ্জীক নাট্যৰূপ দিয়াৰ চেষ্টা কৰাহৈছেন হে নাট্যকাৰ বেজবৰুৱাৰ বুৰঞ্জীমূলক নাটক ৰচনা কৰাৰ চেষ্টা সফল হ'ল-হৈছেন। শক্তি-সামৰ্থ্যহীন কানীয়া ৰজা চন্দ্ৰকান্ত সিংহক মাজতে সাহসী বীৰ বুলি কৈও শেষত স্বাৰ্থান্ধ আৰু কাপুৰুষ ৰূপে প্ৰতীয়মান কৰি তুলিলে। ৰুচিনাথ আৰু পুৰন্দৰ সিংহ কেৱল চিঠি-পত্ৰত উল্লেখিত চৰিত্ৰ হৈ ৰোৱা যেনো লাগে; তেওঁলোকৰ কাৰ্য্য নায়েই।

প্ৰহসন ৰচক হিচাবে লক্ষ্মীনাথ বেজবৰুৱাই সাহিত্য জগতত যি স্থান লাভ কৰিবলৈ সমৰ্থ হৈছে, গধুৰ নাটক ৰচক হিচাবে কিন্তু সেই স্থান অক্ষুণ্ণ ৰাখিব নোৱাৰিলে। বুৰঞ্জীমূলক নাট কেইখনত কোনো ধৰণৰ মঞ্চ নিৰ্দেশো তেওঁ সংযোগ কৰা নাই। সেই কাৰণে নাট কেইখনে বুৰঞ্জীৰ পৰিবেশো সৃষ্টি কৰিবলৈ অক্ষম হয়। তৰুণ বয়সত ৰচিত বুৰঞ্জীমূলক উপন্যাস 'পদুম-কুঁৱৰী' ৰচনা কৰোঁতে তেওঁ বুৰঞ্জীৰ পটভূমি সৃষ্টি কৰাত যি পৰিমাণে যত্ন কৰিলে, প্ৰৌঢ় বয়সত ৰচনা কৰা সত্বেও নাট কেইখনত দেখোন সেইখিনি যত্নও নকৰা বুলিবই পাৰি। বুৰঞ্জীমূলক সাহিত্য ৰচনা কৰাত বেজবৰুৱাই দক্ষতাৰ পৰিচয় দিব নোৱাৰিলেই বু'লব পাৰি। কাল্পনিক সাহিত্য ৰচনাত তেওঁ যি সৃজনী শক্তিৰ পৰিচয় দিলে,--আনকি বুৰঞ্জীমূলক নাটকেইখনতো কাল্পনিক চৰিত্ৰ আৰু পৰিবেশ ৰচনা কৰাত তেওঁ যি দক্ষতাৰ পৰিচয় দিলে, বুৰঞ্জীমূলক চৰিত্ৰ আৰু পৰিবেশত তাক বিচাৰি হতাশ হবই লাগে বুলিব পাৰি। 'বেলিমাৰ'ত বুৰঞ্জীমূলক চৰিত্ৰকো সাৰ্থক ভাবে চিত্ৰিত কৰিবলৈ সমৰ্থ হৈছে যদিও পৰিবেশ সৃষ্টি আৰু সংযোজনাত কৃতকাৰ্য্য নহ'ল। গহীন নাটক ৰচকৰ যি সংযম আৰু মননশীলতাৰ প্ৰয়োজন তাক বেজবৰুৱাৰ এই নাট কেইখনত সকলো সময়তে উপলব্ধি কৰা নাযায়। কিন্তু ডালিমী, গজ-পুৰীয়া, ভুমুক আদি কাল্পনিক চৰিত্ৰকহে পাঠক বা দৰ্শকে সততাই পাহৰা টান। নাট্যকাৰ বেজবৰুৱাৰ আন এটি বিশেষত্ব এয়ে যে (গজপুৰীয়াৰ দৰে চৰিত্ৰ ফলষ্টাফৰ) আনৰ অনুকৰণত চিত্ৰিত হলেও বেজবৰুৱাৰ আটাইবোৰ চৰিত্ৰ অসমীয়া; খাৱন-শোৱন, পিন্ধন-উৰণ সকলোতে বেজবৰুৱাৰ চৰিত্ৰ অসমীয়া। ইয়েই তেওঁৰ কৃতিত্ব আৰু ইয়াৰ কাৰণেই তেওঁৰ নাটৰ সমাদৰো চিৰ অটুট থাকিব—অভিনয়ৰ ক্ষেত্ৰত নহলেও পঠনৰ ক্ষেত্ৰত।

সমালোচক বেজবৰুৱা

লক্ষ্মীনাথ বেজবৰুৱা এগৰাকী কৃতী সমালোচকো। তেওঁ সমাজ সমালোচক, ভাষা-সমালোচক, সাহিত্য-সমালোচক, আৰু ধৰ্ম্মীয় তত্ত্ব সমালোচক। কব লাগিলে, সমাজ জীৱনৰ প্ৰায় সকলো দিশতেই তেওঁ সমালোচকৰ দৃষ্টিৰে কাপ-মৈলাম লৈ অৱতীৰ্ণ হৈছিল আৰু কৃতকাৰ্য্যতাও লাভ কৰিছিল। তেওঁৰ বৈশিষ্ট্যও এইখিনতেই।

লক্ষ্মীনাথ বেজবৰুৱা কিন্তু আজি আমি স্বাধীন ভাৰতৰ বাক্-স্বাধীনতা লাভ কৰা বিষয়জ্ঞানৰহিত তথাকথিত সমালোচক সকলৰ সদৃশ সমালোচক নাছিল, কোনো কোনো ক্ষেত্ৰত আকোৰগোজালি মনোভাৱৰ পৰিচয় দিলেও, আচলতে তেওঁ আছিল ভূয়োদৰ্শী, ধীৰ-স্থিৰ, আৰু বিশাল জ্ঞানৰ অধিকাৰী। বহুমুখী জ্ঞান বেজবৰুৱাৰ আছিল, সমাজ-জীৱনৰ ওপৰতো আছিল তেওঁৰ বিপুল অভিজ্ঞতা, তদুপৰি তেওঁ আছিল এখন সবল, সুস্থ, সাহসী অন্তৰৰ অধিকাৰী। এই সাহসিকতাই তেওঁক নিৰ্ভীক ভাবে সকলো কথাকে সমালোচনা কৰিবলৈ দিছিল উৎসাহ-উদ্দীপনা।

সমাজ সমালোচনা

সমাজ-জীৱনৰ ওপৰত সমালোচনা কৰা সহজ সাধ্য নহয়। ইয়াৰ কাৰণে আৱশ্যক সমালোচকৰ বহুমুখী জ্ঞান আৰু সমাজ জীৱনৰ ওপৰত বিপুল অভিজ্ঞতা। অভিজ্ঞতা বা জ্ঞানৰ অধিকাৰী হলেও সাধাৰণতে সমাজ-জীৱনৰ দোষ-ত্ৰুটী আদি নিৰ্ভীক ভাবে সমালোচনা কৰি ৰাইজৰ আগত দাঙি ধৰা নিশ্চয়কৈ কষ্টসাধ্য। বেজবৰুৱা কিন্তু প্ৰধান ভাবে সমাজ-সমালোচকহে। তেওঁৰ কৃপাবৰী আটাইকেইৰ ৰচনাৰ উপৰিও, 'জোনাকী' আৰু 'বাঁহী'ৰ সম্পাদকীয়বোৰ, তদুপৰি কাৰ্টুন চিত্ৰ-সমূহো সমাজ সমালোচনাৰ উত্তম নিদৰ্শন। সমাজ সমালোচনা এক প্ৰকাৰ আত্মসমালোচনাই। বহুলোক আছে যিয়ে আত্ম-সমালোচনাৰ পৰিবৰ্ত্তে

আত্মশ্লাঘা যে কৰে। বৰ্তমান ভাৰতবৰ্ষত কেতবোৰ উপ জাতি আছে যিয়ে আত্ম-শ্লাঘা কৰিহে পৰিতৃপ্ত হয়। ইয়াৰ মূল কাৰণ এয়ে হব পাৰে যে এইবিলাক জাতিৰ (বৰ্তমান ভাৰতৰ ৰাজ্য অৰ্থত কোৱা হৈছে) অতীত বুৰঞ্জী ঘন-ঘটাচ্ছন্ন। সেই কাৰণে তেওঁলোকে আত্মশ্লাঘাৰ দ্বাৰা অতীত বুৰঞ্জী ঢাকিব বিচাৰে। কিন্তু অসম আছিল চিৰকাল নামে-কামে অসম। সঁচাকথা, অসম চহা-সাধাৰণ গাঁৱলীয়া মাইজৰ দেশ। জমিদাৰ বা তেনে ধৰণৰ আঢ্যৱন্ত ধনীলোক এই দেশত নাছিলেই। কিন্তু অসম প্ৰাকৃতিক সম্পদেৰে উটৈনদী; তদুপৰি অতি প্ৰাচীন কালৰ নৰক-ভগদত্ত, ভীষ্ম-বাণাসুৰৰ দিনৰে পৰা অসমে ৰাজনৈতিক স্বাধীনতাও উপভোগ কৰি আহি আছিল। সমগ্ৰ ভাৰত মোগল বিজেতাৰ অধীনস্থ হোৱাতো অসমেই একমাত্ৰ নিজস্ব বৈশিষ্ট্য ৰক্ষা কৰি আহি আছিল। ধৰ্ম আৰু সাহিত্যৰ ক্ষেত্ৰতো অসম ভাৰতৰ অন্যান্য প্ৰান্ততকৈ মধ্যযুগত যথেষ্ট অগ্ৰণী আছিল। মধ্য যুগীয় বৈষ্ণৱ জাগৰণৰ সময়ত অসমত যতবোৰ সাহিত্য সৃষ্টি হ'ল, সিমান সাহিত্য বঙ্গদেশ কিয়, ভাৰতৰ অন্যান্য প্ৰান্ততো হোৱা নাছিল। বৃটিছৰ আগমন আৰু তাৰ আগতে মৰাণ আৰু মানৰ আক্ৰমণ আৰু অন্তৰ্বিপ্লৱে অসমৰ উচ্চ নৈতিকতা আৰু স্বাধীনতাৰ পৰাণি পেলালে। শক্তিশালী ইংৰাজ-প্ৰশাসকৰ উৎপীড়নে অসমীয়াৰ অৱশিষ্ট নৈতিকতা আৰু স্বাধীন মনোভাৱো বিলোপ কৰি দিলে। অসমৰ কেউ-দিশে কেৱল উদাস আৰু শূন্যতা। এনে অৱস্থাত উদ্ভৱ হয় লক্ষ্মীনাথ বেজবৰুৱাৰ।

লক্ষ্মীনাথৰ জীৱনৰ প্ৰধান কৰ্মস্থান আৰু আবাসভূমিও কলিকতা হোৱা হেতুকে তেওঁ সেই সময়ৰ পাশ্চাত্য শিক্ষাৰ পোহৰত আগ বঢ়া বঙ্গদেশৰ সকলো কথা স্পষ্ট ভাবে উপলব্ধি কৰিবলৈ সমৰ্থ হ'ল; লগতে অসমৰ সম-কালীন দুৰ্দশাগ্ৰস্ত ছবিও তেওঁৰ মনত স্পষ্ট ভাৱে পৰিস্ফুট হৈ উঠিল। কব লাগিলে তেওঁৰ সকলোবোৰ ৰচনাৰ মাজেদিয়েই সেই সময়ৰ অসমৰ ৰাজনৈতিক, সামাজিক, ধৰ্মনৈতিক, ভাষা-সংস্কৃতি প্ৰভৃতি কেউদিশতে উদ্ভৱ হোৱা দুৰ্নীতি ভণ্ডামি, ব্যভিচাৰ আদিক ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত তীব্ৰভাৱে সমালোচনা কৰিলে। অসমৰ জাতীয়তা উদ্বোধন তেওঁৰ এনেবোৰ সমালোচনাৰ মুখ্য আদৰ্শ। তেওঁৰ মনত অতীত আৰু প্ৰাকবৃটিছ যুগৰ শক্তি-সামৰ্থ্য আৰু বল-বীৰ্য্যৰে মহিমান্বিত অসমৰ ছবি জিলিকি আছিল আৰু সেয়ে তেওঁ স্পষ্ট ভাৱে ঘোষণা কৰিছিল, যে অসম দুখীয়া নহয়,—অসমৰ দুখৰ কাৰণ আছিল কেৱল অসমীয়া লোকৰ অলসতা অনুসন্ধিৎসাহীনতা। তেওঁৰ নিজৰ ভাষাত—

"আমি অসমীয়া নহওঁ দুখীয়া কিহৰ দুখীয়া হ'ম।
সকলো আছিল সকলো আছে নুগুণো নলওঁ গম॥"

—অসম সঙ্গীত।

তেতিয়াৰ আত্মবিস্মৃত এচাম অসমীয়াৰ মনত ধাৰণা হৈছিল যে অসমৰ একোৱেই নাই—"বুৰঞ্জী নাই, ইতিহাস নাই, একোৱেই নাই।" এই শ্ৰেণীৰ মানুহলৈ বুলি কাকতৰ টোপোলাৰ অন্তৰ্গত 'প্ৰত্নতত্ব' শীৰ্ষক আলোচনাত কৈছে—"চকুমুদা মানুহৰ পক্ষে একো নাই। বজাও নাই, সত্ৰও নাই, সভাও নাই……। আমাৰ হলে এই জাতি মানুহলৈ অলপো কৃপা নাই, ক'বে মানুহ ড'ত্তে চিঞৰি বাখৰি মৰক, আমি চকু মেলিয়েই নেচাওঁ।" এনে ধৰণৰ আত্মবিস্মৃত লোকৰ প্ৰতি কটাক্ষপাত লক্ষ্মীনাথ বেজবৰুৱাৰ কৃপাবৰী ব্যঙ্গ-বিদ্ৰূপাত্মক বচনাৱলী।

তেওঁ 'সামাজিক' বোলা প্ৰবন্ধত কৈছে : "আসামত এবিধ মানুহ আছে, যাক আসামত ভাল মানুহ বোলে, যি আপোনা-আপুনি ওকন্দি গজাটোপ, যি স্বজাতীয় আৰু স্বদেশীয় মানুহৰ উন্নতি দেখিলে ববপুত্ৰেকৰ মুৰ খোৱা যেন শোক পায়," আৰু যাৰ লোকৰ দোষ বিচাৰি ফুৰাই কাম।" 'বাতৰি কাকতৰ জাননী' শীৰ্ষক প্ৰবন্ধত অসমীয়া মানুহৰ বাতৰি কাকতৰ প্ৰতি থকা বিৰূপ মনোভাবলৈ লক্ষ্য কৰিয়ে তেওঁ কৈছে—"গ্ৰাহকসকলে এই কাকত বিনামূল্যে আৰু বিনা মাছুলে পাব। কাৰণ, বৰবৰুৱাই বেছ জানে যে গ্ৰাহকসকলে পঢ়িবও আকৌ পইচাও দিব, ই কেতিয়াও হবই নোৱাৰে…… অসমৰ ডাঙৰীয়া সকলে এই কাগজ এনেই পাব ; কাৰণ, ডাঙৰীয়াসকলক বেখা কৰিবলৈ গলে ভাব-তেটী নৈ যোৱা দস্তৰ। ধনীসকলেও এনেই পাব, কিয়নো, তেওঁবিলাকক কাকতৰ মূল্য ক্ষুদ্ৰ এটকা বা পাঁচমহা খুজি ডাঙৰীয়াই অপমান নকৰে, মানীৰ মান ডাঙৰীয়াই বুজে। উকিল মহোদয় সকলবো কাকত ভৰাই পাবৰ পূৰা অধিকাৰ, কাৰণে, তেওঁলোকে হাড়-মূৰ ভাঙি ধন খৰচ কৰি পৰীক্ষাত পাছ কৰিব, আকৌ অকন্দইবো (বাতৰি কাকতক সেই সময়ৰ অসমত অকন্দই বুলিয়ে জানিছিল, ই অৰুণোদয়ৰ অপভ্ৰংশ) বেচ দিব, এনে অন্যায় কেতিয়াও হব নোৱাৰে।" অসমীয়া বাতৰি কাকতৰ বিষয়ে কৰা বাজহুৱা মনোভাৱৰ ইয়াতকৈ কিবা বিশেষ পৰিবৰ্তন আজিও ঘটা নাই বুলিবও পাৰি।

নিজৰ গুণ নাথাকিলেও প্ৰাচীন বজাৰ ঘৰত, গোহাঁই-বুঢ়াগোহাঁইৰ ঘৰত, বৰুৱা-ফুকন-চৌধুৰীৰ ঘৰত, বা গোসাঁই-ব্ৰাহ্মণৰ ঘৰত জন্ম লাভ কৰা কাৰণেই

নিজৰ ৰবলোক বুলি ভাবি সন্মান বিচৰা লোকৰ সংখ্যা আজিৰ গণতান্ত্ৰিক অসমতো কম নোহাব। সম্ভৱতঃ বেজবৰুৱাইতৰ সমকালীন অসমত মিছা ভেমত ৰ'বাছালি দিয়া এনে ৰবলোকৰ সংখ্যাই আছিল বেচি। তেনে লোকৰ প্ৰতি ব্যঙ্গ-বিদ্ৰূপ নিক্ষেপ কৰিছে—"অসমীয়া জাতি ডাঙৰ জাতি" শীৰ্ষক প্ৰবন্ধত।

সত্ৰ-সচং বিলাকৰ অধঃপতনতো বেজবৰুৱা বিক্ষুব্ধ হৈ উঠিছে। তাৰ নিদৰ্শন প্ৰহসন 'নোমল'ত চিত্ৰিত আঠীয়াবাৰীৰ সত্ৰাধিকাৰ আৰু 'বুলনি'ত সন্নিবিষ্ট 'খহটা ভিমৰু সত্ৰাধিকাৰ'। 'সমাজিক'ত সত্ৰ-সচঙৰ অধঃপতনৰ কথাই তেওঁ বেচিকৈ আলোচনা কৰিছে।

'স্ত্ৰী স্বাধীনতা' আৰু 'বিহু'ৰ বিষয়েও তেওঁ কেইবাটাও প্ৰবন্ধ লেখিছে। নাৰীৰ প্ৰতি তেওঁ সদায় সহানুভূতিশীল। "হিন্দু ঘৈণীয়েকৰ গিৰিয়েকৰ মৰিলে ঘৈণীয়েক এই পৃথিবীত এটি শূণ্যত পৰিণত হব লগাত পৰে, গিৰিয়েকৰ লগতে তেওঁৰ সুখ-সন্তোষ, ভোগ-ভোজন, খাৱন-পিন্ধন উটি যায়।" এনে ৰীতি তেওঁ সমৰ্থন কৰা নাই। তেওঁ নাৰীয়ে স্বাধীনভাবে জীবিকা অৰ্জন কৰাও সমৰ্থন কৰে, কিন্তু হাটে-বজাৰে পুৰুষৰ লগত গাতে-গা ঘেহাই অসম্ভ্ৰমেৰে বিচৰণ কৰি ফুৰা সহিব নোৱাৰে,—'লজ্জা নাৰীৰ ভূষণ' কথাষাৰ তেওঁ স্বীকাৰ কৰে। 'বিহু' বুলিলেই অশ্লীলতা বুলি নাক কোচোৱা মানুহ আজিও আছে। অথচ বিহু-গীতৰ ভিতৰত সুন্দৰ সৌন্দৰ্য্য সম্পন্ন গীত-পদ অসংখ্য আছে। কিন্তু তথাকথিত এই নগৰীয়া জীৱন যাপন কৰা সভ্যসকলে "বগা চাহাবক দেখি মতাই-মাইকীয়ে সাবটা-সাবটি কৰি নচা সেই বিলাতী নাচ খনক" হলে সমাদৰ জনায়। "বছৰেকৰ মূৰত গাঁৱৰ ইমানখন মানুহে মন মুকলি কৰি দি, নাচি-বাগি ৰং-ধেমালি কৰি দুখীয়া জীৱনটো শঁতাই লোৱা আনন্দৰ বিহুৰ প্ৰতি বেজবৰুৱাৰ শ্ৰদ্ধা আছে। বিহু বিদ্বেষী এনেবোৰ আত্মবিস্মৃতৰ প্ৰতি কটাক্ষপাত কৰিয়েই তেওঁ কৈছে—"বিহুনাম বুলি তাৰ গাত ছাব মাৰি দি আঁতৰি সইভ হোৱা। ......তোমালোক গোটেইখন বৰ সইভ হলা।......ৰবৰুৱাই কিন্তু বিহুৰ গীত গাই অসইভ হৈয়েই চলি থাকিব খুজিছে।" সেই বুলি তেওঁ বিহুৰ নামত কৰা উদ্ভণ্ডালি সহা নাই, তীব্ৰভাবে তাকো তেওঁ সমালোচনা কৰিছে। কৃপাবৰ বৰবৰুৱাৰূপী তেওঁৰ বেচিভাগ ৰচনাই সামাজিক আৰু বিশেষকৈ সংস্কৃতি বিষয়ক সমালোচনা।

তেওঁ যে ৰাজনীতিৰ প্ৰতি উদাসীন আছিল সিও নহয়। তেওঁৰ 'বাঁহী'ৰ লক্ষ্য আছিল ৰাজনীতি, সমাজনীতি, ভাষা-সংস্কৃতি আদিৰ প্ৰভৃতি জীৱনৰ সকলো দিশতে জাতিক শক্তিশালী কৰা। 'ৰবৰুৱাৰ বৰ আশীৰ্বাদ' প্ৰবন্ধত তেওঁ

হাঁহিৰ ছলেৰে কৈছে—"ৰ'ঙালী ৰাজকাৰ্য্যত, দেশৰ কাৰ্য্যত আৰু মাতৃভাষাৰ কাৰ্য্যত জয়যুক্ত হওক।" দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি সজাগ আছিল কাৰণেই তেওঁ বঙ্গ-ভঙ্গৰ ফলস্বৰূপে উদ্ভৱ হোৱা স্বদেশী আন্দোলনৰ নেতৃবৰ্গৰ অন্তঃসাৰশূন্যতাৰ প্ৰতি লক্ষ্য কৰি কৈছিল—"চিঞৰি ভাৰত উদ্ধাৰ, বাখৰি ভাৰত উদ্ধাৰ, কেপ্‌কেপাই ভাৰত উদ্ধাৰ, লেব্‌লেবাই ভাৰত উদ্ধাৰ, ফুচফুচাই ভাৰত উদ্ধাৰ, নহয়, নহয়, নহয়।" কেৱল কথাৰে ভাৰত উদ্ধাৰ কৰাৰ মনোবৃত্তিক তেওঁ নিন্দা কৰিছে আৰু তাৰ ঠাইত পৰামৰ্শ দিছিল—"হাতে-কলমে কাম কৰা—দেখিবা—ভাৰত উদ্ধৃত হৈ ৰব চাঙৰ ওপৰত উঠি বহি হাঁহি আছে।" (ভাৰত উদ্ধাৰ : বুৰবুৰণি)। 'মৃত্যুফল'ত তেওঁ বালগঙ্গাধৰ তিলক, লালা লাজপৎ ৰায়, চিত্তৰঞ্জন দাস, মতিলাল নেহৰু প্ৰমুখ্যে বিখ্যাত নেতৃবৰ্গই দেশৰ স্বাধীনতাৰ কাৰণে নিৰ্য্যাতন ভুগী কিদৰে অকাল মৃত্যু বৰণ কৰিলে তাৰ নিদৰ্শন দাঙি ধৰি জাতটোক তেনে দেশাত্মবোধত উদ্বুদ্ধ কৰিব বিচাৰিছে। তেওঁ মহাত্মা গান্ধীৰ নেতৃত্বত গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ সমৰ্থক। প্ৰথম ঘূৰণীয়া মেজ মেলৰ তেওঁ সমৰ্থন কৰা নাই। সেইখন মেজ-মেলৰ বিষয়ে তেওঁ সমালোচনা দিছে—"তেওঁলোকৰ কথা ভাৰতৰ সৰ্বসাধাৰণে শুনিব বুলি মোৰ মনে নধৰে। তেওঁলোকক ভাৰতৰ সৰ্বসাধাৰণে নিজৰ প্ৰতিনিধি পাতি পঠিওৱা নাই। ভাৰতৰ প্ৰতিনিধিসকল বৰ কাটিকৰ ভিতৰত, আৰু সেইসকলৰ এজনো এই মেলত নাই। এতেকে বিলাতৰ মেলত মেলুৱৈসকলে গোৱা-বোৱাবোৰ খোলাকুটিৰ তাল হব।"

ৰাজনীতি সমালোচনা

দ্বিতীয় ঘূৰণীয়া মেজ-মেলৰ ফলস্বৰূপে (য'ত মহাত্মাই অংশ গ্ৰহণ কৰিছিল) ভাৰতে (১) কেন্দ্ৰীয় শাসনত অধিকাৰ, ২) প্ৰাদেশিক শাসনত অধিকাৰ, আদি কৰি ভালেমান সুবিধা লাভৰ প্ৰতিশ্ৰুতি পাইছিল। কিন্তু বৃটিছ চৰকাৰে হিন্দু-মুছলমান, শিখ-খৃষ্টান আদি সম্প্ৰদায়ৰ ভেটিত শাসন-সংস্কাৰ কৰা হেতুকে আকৌ মহাত্মা গান্ধীৰ নেতৃত্বত প্ৰবল আন্দোলনৰ সৃষ্টি হ'ল। বহুতো ভাৰতীয়ই এই আন্দোলনৰ বিৰোধিতা কৰিছিল। লক্ষ্মীনাথে এই আন্দোলনবো সমৰ্থন কৰিছে। তেওঁ চৰকাৰৰ এনে সিদ্ধান্তৰ বিৰোধিতা আৰু মহাত্মা গান্ধীৰ আন্দোলনৰ সমৰ্থন কৰি 'ৰবৰকন্না-লৰাইসংবাদ' শীৰ্ষক কেইবাটাও ব্যঙ্গাত্মক প্ৰবন্ধ লেখিছিল। এই আটাইবোৰতে তেওঁৰ নিৰ্ভীক সাহসী আৰু যুক্তিবাদী মনৰ পৰিস্ফুৰণ ঘটা দেখা যায়। ধৰ্মৰ নামত সাম্প্ৰদায়িক স্বাৰ্থ সিদ্ধিৰ ধ্বনি তোলা ৰীতিকো তেওঁ তীব্ৰভাৱে সমালোচনা কৰিছে। ইও তেওঁৰ সবল-সাহসী মনৰেই পৰিচায়ক।

বেজবৰুৱাহঁতৰ সময়ৰ অসমতো সাম্প্ৰদায়িক ভেদ-ভাৱৰ প্ৰচলন আছিল। তেওঁ দেখি আচৰিত হৈছিল যে উচ্চ শিক্ষাৰ্থী কলিকতীয়া অসমীয়া ছাত্ৰ-সকলৰ মাজতো এই ভেদভাৱে দেখা দিছিল আৰু অসমীয়া বামুণ-শূদিৰৰ ল'ৰাহঁতে কলেজ আৰু কলেজ-হোষ্টেলত সোণোৱাল-কছাৰী ছাত্ৰহঁতক ঘিণ কৰি অপমানসূচক ব্যৱহাৰ কৰিছিল। এনে আচৰণৰ প্ৰতি তীব্ৰ কটাক্ষপাত কৰি তেওঁ ৫ম বছৰ ৪ৰ্থ সংখ্যা (১৯১৪ চনৰ ফাগুন) বাঁহীত তীব্ৰ ভাবে নিন্দা কৰি কৈছিল—"এনে ব্যৱহাৰে 'পুনৰ্মূষিকো ভব'ৰ কালে মানুহক লৈ বোৱাটোৱহে চিনাকী দিয়ে।" এনে অসঙ্গত সাম্প্ৰদায়িক বা জাত-কুলৰ বিভেদৰ নিন্দা কৰি এটা বহল আলোচনা দাঙি ধৰি তেওঁ কৈছে যে অসমীয়া মাত্ৰেই পবিত্ৰ আৰ্য্য বংশধৰ বুলি দাবী কৰাৰ কোনো হেতু নাই, সকলো অসমীয়াকেই তেওঁ আৰ্য্য- অনাৰ্য্য সংমিশ্ৰণৰ সৃষ্টি বুলি কৈছে।

শিক্ষাৰ সমালোচনা

'সোণোৱাল' আৰু 'কছাৰী' জাতিৰ উৎপত্তিৰ কথা তেওঁ তথ্য-পাতি আৰু বৈজ্ঞানিক পদ্ধতিৰে আলোচনা কৰি তেওঁলোক যে উচ্চবংশজ, তেওঁলোক যে পূৰ্বতে সুসভ্য আৰু সুসংস্কৃত আছিল, তাকো স্পষ্টভাৱে দেখুৱাইছে। আৰু শেষত তেওঁ কৈছে—"আমি শিক্ষিত অসমীয়াৰ পৰা, বিশেষকৈ কলেজত পঢ়া অসমীয়াৰ পৰা এনেকুৱাতকৈ ভাল আশা কৰোঁ; তেওঁলোকেই আসামৰ ভবিষ্যৎ আশা-ভাৰসাৰ স্থল, সেইটো তেওঁলোকে ভাবি চলাটো যুগুত। সংকীৰ্ণতাই অসমীয়া জাতি গঠনত সহায় নকৰে; বৰং জাতিক আৰু অধঃপতনলৈ হে নিব।......

...এনেই 'মই শিক্ষিত হৈছোঁ', এল-এ, বি-এ পাচ কৰি দেশৰ ধৰণী হৈছোঁ' বুলি গপ মাৰি ফুৰি, একতা সভাত দীঘল দীঘল 'ফ্ৰেজ আৰু ইডিয়ম' লগাই বক্তৃতা কৰি ফুৰিলে কি হব?" এনে আলোচনাই যে কেৱল সেই সময়ৰ অসমীয়া সমাজৰেই এটা সুস্পষ্ট ছবি আমাৰ আগত দাঙি ধৰে, তেনে নহয়, সমালোচক লক্ষ্মীনাথৰ উদাৰ মনোভাৱৰো সুপৰিচয় দিয়ে।

লক্ষ্মীনাথ বেজবৰুৱা ভাষা-তাত্বিক নাছিল; কিন্তু ভাষা বিষয়ক গধুৰ আলোচনাত তেওঁ প্ৰবৃত্ত হৈছিল। তেওঁ যে কেৱল বঙালীৰ কবলৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰাৰ কাৰণেহে ভাষা বিষয়ক আলোচনাত প্ৰবৃত্ত হৈছিল সিও নহয়; ভাষাৰ বিস্তৃতি কামনা কৰি আৰু ভাষাৰ যথাৰ্থতা প্ৰতীয়মান কৰিবলৈও তেওঁ ভাষা-বিষয়ক আলোচনাত প্ৰবৃত্ত হৈছিল। দুই-এটা নিদৰ্শন তুলি ধৰিলে তেওঁৰ ভাষা-বিষয়ক চিন্তা-চৰ্চা আৰু গবেষণামূলক দৃষ্টিভঙ্গী সুস্পষ্ট হৈ উঠিব।

ভাষাৰ সমালোচনা

৪র্থ বছৰ, ১ম সংখ্যা (১৯১২ চন) বাঁহীত দেৱানন্দ ভঁৰালিৰ 'অসমীয়া ভাষাৰ মৌলিক বিচাৰ' প্ৰবন্ধৰ ওপৰত বেজবৰুৱাই মন্তব্য দিছে। ভঁৰালিয়ে পুথিখনত এটা যুক্তি দাঙি ধৰিছে যে অসমৰ কছাৰিসকলৰ প্ৰভাৱতহে শ, ষ, সই নিজৰ উচ্চাৰণ হেৰুৱাই 'খ' বা 'হ'ৰ দৰে উচ্চাৰিত হয়। বেজবৰুৱাই এই যুক্তি মানি নলৈ সংস্কৃত, আৰবিক, পাৰসীক, গ্ৰীক, জাৰ্মাণ, ইংৰাজী আৰু অসমীয়া ভাষাত প্ৰয়োগ হোৱা কেতবোৰ শব্দৰ উচ্চাৰণ দাঙি ধৰিছে : যেনে,—

অসমীয়া—ছয়, সংস্কৃত—ষষ্, আৰবিক—খচ্‌বচ, গ্ৰীক—হেখচ্, জাৰ্মান—চেক্‌চ্, ইংৰাজী—চিক্‌চ্। তেনেকৈ, অসমীয়া—সাত, সংস্কৃত—সপ্তম্, আৰবিক—হপ্তন্, পাৰসীক—হফ্‌ত্, গ্ৰীক—হেপ্‌টা, জাৰ্মাণ—চেপ্‌ত্, ইংৰাজী—চেবেন। এনেদৰে তেওঁ প্ৰায় পোন্ধৰ-যোল্লটামান শব্দৰ তুলনামূলক উচ্চাৰণ দাঙি ধৰি কব বিচাৰিছে যে ভঁৰালিৰ যুক্তি ক্ষীণ, আৰ্য্য গোষ্ঠীৰপৰা উদ্ভূত সকলো ভাষাতে উচ্চাৰণৰ সাদৃশ্য আছে আৰু শ, ষ, সৰ ঠাইত খ বা হ হয়।

ভঁৰালিয়ে 'সব', 'সকল', 'মান', 'হঁত' আদিক বহুবচন সূচোৱা প্ৰত্যয় নহয় বুলি কৈছে। বেজবৰুৱাই ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰি এইবোৰৰ উপযুক্ত প্ৰয়োগ দেখুৱাই আলোচনা দাঙি ধৰিছে। প্ৰসঙ্গক্ৰমে তেওঁ নামনি অসমত প্ৰয়োগ হোৱা 'গিলাক' আৰু বঙালী 'গুলা', গুলি 'গুলান' আদি অসমীয়া সাধু-ভাষাত প্ৰয়োগ হোৱা বহুবচন 'বিলাক'ৰ পৰিবৰ্ত্তিত ৰূপ বুলিও কৈছে।

কিন্তু যুক্তি সাক্ষেপ বুলি প্ৰমাণিত হলে বা বিবেচনা কৰিলে তেওঁ কেতিয়াও নিজৰ মতৰপৰা অলপো আঁতৰি নগৈছিল। যেনে,—৬ষ্ঠ বছৰ, ৮ম সংখ্যা বাঁহীত (১৯১৫ চনৰ আহাৰ) তেওঁ 'আলোচনী কাকতে তেওঁৰ (লক্ষ্মীনাথৰ) ভাষা-ৰীতিৰ বিবোধিতা কৰাত প্ৰত্যুত্তৰ দিছে। 'হেমকোষ' আজিও অসমীয়া ভাষাৰ প্ৰধান পৃষ্ঠভূমি, আমি প্ৰায় আটায়ে আখৰ জোঁটনীত হেমকোষক মানোঁ। বেজবৰুৱাইও মানিছিল; কিন্তু কেতিয়াবা কেতিয়াবা তেওঁ অলপ আঁতৰি গৈ স্বকীয়া ভাবেও আখৰ জোঁটনী কৰিছিল। যেনে,—হেমকোষত 'বেচি' (more আৰু to sell) দুই অৰ্থত ব্যৱহাৰ হয়। বেজবৰুৱাই to sell অৰ্থত 'বেচি' আৰু বহুত বা more এই অৰ্থত 'বেছি' লেখিছিল। তাৰ কাৰণে তেওঁক সমালোচনা কৰাত তেওঁ যুক্তি দেখুৱাই কৈছিল যে বহুত বা more অৰ্থত 'বেছি' ব্যৱহাৰ কৰা যুগুত, ইয়ে হেমকোষক অৱমাননা কৰাও নুবুজায়। বেজবৰুৱাই 'লেখা' 'লিখা' দুয়োটা শব্দ একে অৰ্থতে ব্যৱহাৰ কৰা কাৰণেও তেওঁক সমালোচনা কৰা হৈছিল। তেওঁ হেমকোষৰ পৰা অৰ্থ উলিয়াই দেখুৱালে যে দুয়োটা শব্দ একে অৰ্থত ব্যৱহাৰ হয়। তেওঁ 'পাচ'ৰ সলনি

‘পাছ’ লেখিছিল। যুক্তি দেখুৱাইছিল যে ‘পাচ’ ‘পঞ্চ’ শব্দৰপৰা ওলোৱা। হেমকোষত এক বুজাবলৈ ‘পাঁচ’ শব্দৰ ব্যৱহাৰ কৰিলেও তেওঁ কৈছিল যে অসমীয়াই ‘পাঁচ’ উচ্চাৰণ নকৰে, ‘পাচ’ হে উচ্চাৰণ কৰে। সেয়ে তেওঁ ‘পাচৰ’ সলনি ‘পাছ’ (after) ব্যৱহাৰ কৰিছিল। এনে ধৰণে যুক্তিৰে সকলো কথা সৰ্ববাদী সম্মত কৰি তুলিব পৰাটো তেওঁৰ এটা মহৎ গুণ আছিল। অৱশ্যে ভাষাৰ আলোচনা প্ৰসঙ্গত সকলো ক্ষেত্ৰতে তেওঁ পাণ্ডিত্য আৰু উদাৰতাৰ পৰিচয় দিছিল বুলিও কোৱা নাযায়। ৫ম বছৰ, ৬ষ্ঠ সংখ্যা বাঁহীৰ সম্পাদকৰ চ'ৰাত তেওঁ ভাষা-বিষয়ক যিখিনি আলোচনা দাঙি ধৰিছে তাতেকেয়ে এই প্ৰসঙ্গত আঙুলিয়াব পাৰি। ‘হেমকোষ’ বা হেমচন্দ্ৰৰ ‘অসমীয়া ব্যাকৰণ’ত নাথাকিলেও ‘নেখাওঁ’ৰ ঠাইত ‘নাখাওঁ’ ‘সোমোৱা’ৰ ঠাইত “সুমুৱা’, ‘তোলা’ৰ ঠাইত ‘তুলা’ আদিৰ ব্যৱহাৰ ভাষাতত্ত্বৰ স্বৰসঙ্গতিৰ (Vowel Harmony)ৰ নিয়ম অনুসৰি ভুল নহয়। এই কথালৈ মন নকৰি সম্ভৱতঃ তেওঁৰ নিজস্বতা ৰক্ষাৰ কাৰণেই তেওঁ এই উল্লেখিত সংখ্যা ‘বাঁহী’ৰ সম্পাদকীয়ত তেওঁৰ আকোৰগোজালিপূৰ্ণ মনোভাৱৰ পৰিচয় নিদিয়া নহয়। ৪ৰ্থ বছৰ, ১০ম সংখ্যা বাঁহীৰ ‘দন্দপাতি লৰৰ ফোপোলা বুদ্ধি’ শীৰ্ষক আলোচনাত তেওঁ উল্লেখ কৰা ভবিষ্যতবাণী—“অসমীয়া ভাষা যেনে আছে তেনেকুৱাই থাকিব, তেনে বাটেই যাব আৰু তেনে বাটেদি গৈ থাকি তাৰ আৰু উন্নতি হব। এই ক্ষেত্ৰত বিশেষ ভাবে উল্লেখযোগ্য। কাৰণ এটা জীৱন্ত ভাষা, এটা জীৱন্ত বোৱঁতি নদীৰ দৰে, ই কেতিয়া কোন পথেদি গতি পৰিবৰ্তন কৰি নতুন সোঁতৰ সৃষ্টি কৰে তাক আগধৰি কোৱা টান। মাধৱ কন্দলিৰ দিনৰপৰা লক্ষ্মীনাথ বেজবৰুৱাৰ দিনলৈ লক্ষ্য কৰিলেও অসমীয়া ভাষাৰ যি বিৰাট পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন ঘটি আহি আছে সিও নিশ্চয় মন কৰিবলগীয়া। ৪ৰ্থ বছৰ ৩য় সংখ্যা বাঁহীত প্ৰমথ চৌধুৰীৰ ‘বঙ্গভাষা বনাম বাবু-বাঙ্গলা ওৰফে সাধুভাষা’ প্ৰবন্ধৰ আলোচনা প্ৰসঙ্গত বেজবৰুৱাই তুলি ধৰা আলোচনাই বঙালীৰ দৰে তেওঁকো ‘ভাষাতঙ্ক’ ৰোগগ্ৰস্ত কৰিছিল যেনহে অনুমান হয়। হয়তো পৰিবেশেই তেওঁক তেনে হবলৈ বাধ্য কৰি তুলিছিল।

অৱশ্যে অসমীয়া বিদ্বেষী বঙালীসকলে কৰা অসমীয়া বিৰোধী আলোচনা-বিলোচনা বা উক্তি-প্ৰত্যুক্তিৰ ক্ষেত্ৰত হলে তেওঁ প্ৰায়েই যুক্তিসঙ্গত শক্তিশালী বিৰোধিতাই তুলি ধৰিছিল। উদাহৰণ স্বৰূপে ৪ৰ্থ বছৰ, ১১শ সংখ্যা বাঁহীৰ ‘সম্পাদকৰ চৰা’ আৰু ৪ৰ্থ বছৰ ২য় সংখ্যাত পদ্মনাথ বিদ্যাবিনোদে অসমীয়া কবি পুৰুষোত্তম গজপতিৰ ‘দীপিকাছন্দ’ৰ ওপৰত কৰা অসঙ্গত আলোচনাৰ বিৰো-

খিতাৰ কথাকে উদ্ধৃত কৰিবলৈ পাৰি। এসময়ৰ বাঁহীত ধাৰাবাহিক ৰূপে প্ৰকাশিত 'অসমীয়া গৌৰীপুৰত বঙালী সাহিত্য-পৰিষদ' শীৰ্ষক আলোচনাৰৰীও এই প্ৰসঙ্গত প্ৰণিধানযোগ্য। এনেবোৰ আলোচনাই বেজবৰুৱাৰ ভাষা-বিষয়ক পাণ্ডিত্য, দূৰদৰ্শিতা আৰু গৱেষণামূলক দৃষ্টিভঙ্গীৰ স্পষ্ট পৰিচয়ো দিয়ে। তেওঁ যে এগৰাকী অস্বীকৃত বিদগ্ধ ভাষাবিদ্ তাকো অৱজ্ঞা কৰাৰ যুক্তি নাই।

পৰিবেশ আৰু পৰিস্থিতিয়ে বেজবৰুৱাক ধৰ্ম-তত্ত্বৰ সমালোচক ৰূপেও সুপ্ৰতিষ্ঠিত কৰিলে। "অসমীয়া ভাষা বঙলা ভাষাৰেই গ্ৰাম্যৰূপ" বা ৰূপান্তৰ বুলি দাবী কৰি পৰিশেষত যুক্তি দেখুৱাব নোৱাৰি নিৰস্ত হৈ বঙালীসকল উদ্যত হ'ল অসমীয়া বৈষ্ণৱধৰ্ম বঙালী শ্ৰীচৈতন্যপন্থী বৈষ্ণৱধৰ্মৰ ৰূপান্তৰ বুলি দাবী সাব্যস্ত কৰিবলৈ (৪০)। তেওঁলোকৰমতে শঙ্কৰদেৱ চৈতন্যদেৱৰ শিষ্য নহলেও অদ্বৈতাচাৰ্য্যৰ শিষ্য; শঙ্কৰদেৱ নহলেও দামোদৰদেৱ চৈতন্যদেৱৰ শিষ্য হবই লাগিব। বঙালীসকলৰ এনে ধৰণৰ আক্ৰোশমূলক দাবী ব্যৰ্থ কৰাৰ কাৰণে লক্ষ্মীনাথ বেজবৰুৱা কাপ-মৈলাম লৈ অৱতীৰ্ণ হ'ল ধৰ্মতত্ত্বৰ সমালোচক ৰূপে। তেতিয়াৰ দিনত একশ্ৰেণীৰ অসমীয়াইও দামোদৰদেৱক চৈতন্যদেৱৰ শিষ্য বুলিহে বিবেচনা কৰিছিল। সকলো ধৰণৰ ভ্ৰান্তি আৰু আক্ৰোশ আঁতৰোৱাৰ কাৰণে তেওঁ

ধৰ্মীয় আলোচনা

প্ৰতিসংখ্যা বাঁহীত একাধিক ধৰ্মীয় আলোচনা লেখিবলৈ লগে। তাৰ মাজেদি অসমীয়া শঙ্কৰদেৱ, মাধৱদেৱ, দামোদৰদেৱ আৰু বঙালী চৈতন্যদেৱৰ ধৰ্মৰ মূলমত, ধৰ্মৰ তত্ত্ব আদি যথাসম্ভৱ বহলাই আৰু স্পষ্টকৈ কহিয়াই দেখুৱাই বিভ্ৰান্ত আৰু আক্ৰমণকাৰীৰ দলৰ অজ্ঞানতাজনিত আক্ৰোশ আৰু ভ্ৰান্তি আঁতৰাবলৈ তেওঁ সমৰ্থ হয়। এই আলোচনাবোৰে তেওঁৰ বিপুল অধ্যয়নশীলতা, মননশীলতা আৰু যুক্তিবাদিতাৰ সুন্দৰ নিদৰ্শনো দিয়ে।

হেমচন্দ্ৰ গোস্বামীৰ দৰে পণ্ডিত গৰাকীও কালকতাৰ 'সাহিত্য-পৰিষৎ পত্ৰিকা'ত (দ্বাবিংশ ভাগ ৪ৰ্থ সখ্যা) 'আসামে শ্ৰীচৈতন্য' শীৰ্ষক প্ৰবন্ধ লেখি দামোদৰদেৱক চৈতন্যদেৱৰ শিষ্য বুলি মানি লোৱাত অভিন্ন হৃদয় বেজবৰুৱা আতংকিত হৈ উঠা স্বাভাৱিক। সেয়ে তেওঁ ৭ম বছৰ, ৭ম সংখ্যা বাঁহীৰ 'সম্পাদকৰ চ'ৰাৰ বাটচ'ৰা' শীৰ্ষক আলোচনাত দৃঢ়ভাৱে প্ৰতিবাদ কৰিলে। বেজবৰুৱাই ন..। গ্ৰন্থৰপৰা যুক্তি প্ৰতিপাদন কৰি হেম গোস্বামীৰ অভিমত যে কেৱল ভ্ৰান্তিৰ ওপৰত প্ৰতিষ্ঠিত তাক প্ৰতীয়মান কৰিবহে এৰিলে। প্ৰবন্ধটোৰ সাৰমৰ্ম তেওঁ—"বঙ্গৰ সাহিত্য-পৰিষৎ-পত্ৰিকাহে নেলাগে, ইংৰাজী 'এচিয়েটিক

(৪০) ড: বাণীকান্ত কাকতি : বেজবৰুৱা (বেজবৰুৱাৰ সাহিত্য-প্ৰতিভা সমিতি সভাৰ দ্বাৰা প্ৰকাশিত), পৃষ্ঠা ৫।

আৰ্নেলডো' এনে প্ৰবন্ধ ইংৰাজী আকাৰ ধৰি ওলাল জানিবা, তথাপি সি অসভ্যবৰক সত্যৰ কৰিব নিশ্চয় নোৱাৰে। সত্যৰ ওপৰৰ পৰা সেই মকৰাজালৰ এলাহুৰোৰ আঁতৰি পেলাবলৈ আমাৰ অলপ পৰিশ্ৰম লাগিব, এই মাথোন।" এনে আলোচনাই তেওঁৰ ব্যাপক জ্ঞানৰ পৰিধি উজ্জ্বলাই তোলাৰ লগে সমালোচক বেজবৰুৱাৰ মনৰ দৃঢ়তাও স্পষ্ট কৰি তোলে। মনৰ এনে দৃঢ়তাৰ মূল ভেটি আছিল তেওঁৰ জ্ঞান-গাম্ভীৰ্য্যতা।

তেওঁৰ ধৰ্মীয় আলোচনাবোৰ কেৱল আলোচনাৰ কাৰণে তুলি ধৰা ব্যক্তি নিৰপেক্ষ বা বস্তুনিষ্ঠ আলোচনা কিন্তু নাছিল; প্ৰতিটো আলোচনাৰ মাজেদি লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰগাঢ় ভক্তিপূৰ্ণ অন্তৰৰ স্পন্দন অনুভৱ কৰা যায়। ধৰ্মকেই তেওঁ মানৱ জীৱনৰ প্ৰধান ভেটি বুলি গভীৰ ভাবে বিশ্বাস কৰিছিল, ছাত্ৰ-ছাত্ৰীকো সৰুৰেপৰা ধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিবলৈ তেওঁ যথেষ্ট চেষ্টা কৰিছিল। তেওঁৰ দ্বাৰা ৰচিত 'ভগৱৎকথা' ইয়াৰ উজ্জ্বল নিদৰ্শন। 'ভগৱৎকথা'ৰ পাতনিত তেওঁ লেখিছে—"মানুহে ল'ৰা কালৰেপৰা ঈশ্বৰৰ বিষয়ে জনা উচিত। ল'ৰাকালত এই বিষয়ে আওহেলা কৰাৰ ফলত পিছত বিষময় হয়। ভালেমান স্কুলীয়া ছাত্ৰৰে ঈশ্বৰৰ বিষয়ে ভালকৈ জানিব নোৱাৰাৰ নিমিত্তে আৰু তেওঁ-লোকৰ ঘৰত মাক-বাপেকে কৰা পূজা-সেৱা, নাম-গুণবোৰ তেওঁলোকে অল্প বিদ্যা আৰু কুসঙ্গদোষৰ নিমিত্তে আগৰকলীয়া 'অসভ্য-প্ৰথা' বুলি ভাবি তেওঁলোক ঈশ্বৰ অবিশ্বাসী আৰু একপ্ৰকাৰ নাস্তিক হৈ পৰে।......এই কিতাপ সাম্প্ৰ-দায়িকতাদোষশূন্য। এনে কিতাপ যে প্ৰত্যেক স্কুলীয়া ছাত্ৰৰ হাতত থকা উচিত তাত আমাৰ অলপো সন্দেহ নাই।" গভীৰভাবে ধৰ্ম-বিশ্বাসী লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত এই 'ভগৱৎকথা' গ্ৰন্থখনি সঁচাকৈয়ে এখনি পবিত্ৰ ধৰ্ম-গ্ৰন্থ। সম্প্ৰতি অতুলচন্দ্ৰ হাজৰিকাৰ দ্বাৰা সংকলিত আৰু সম্পাদিত 'তত্ত্বকথা' গ্ৰন্থখনিও ধৰ্মতত্ত্বৰ সমালোচক লক্ষ্মীনাথ বেজবৰুৱাৰ তত্ত্বজিজ্ঞাসু মনৰ অনুপম বিকাশ স্বৰূপ। ইয়াত সন্নিবিষ্ট আলোচনা এঘাৰটিৰ মাজেদি গলে বেজবৰুৱাৰ বিশ্লেষণশীল মন, তত্ত্বজিজ্ঞাসুপ্ৰৱণতা আৰু সৰ্বাতোপৰি একান্ত ভক্তৰ চিত্তৰ স্পন্দন অনুভৱ কৰা যায়। যুক্তিৰ ওপৰত ভিত্তি কৰি ধৰ্মীয় তত্ত্বৰোৰ বিশ্লেষণ কৰাৰ নিদৰ্শন প্ৰায় সকলো ক্ষেত্ৰতে দেখা গলেও যথাৰ্থতে ধৰ্মীয় একান্ত ভক্তৰ বিশ্বাসৰ ওপৰতহে তেওঁ অধিক গুৰুত্ব আৰোপ কৰিছিল যেন লাগে। 'ধৰ্ম আৰু ঈশ্বৰতত্ত্ব' আলোচনাটোৰ প্ৰথমশাৰী—"ঈশ্বৰৰ বাহিৰে, ধৰ্মৰ বাহিৰে মানুহৰ জীৱনত কি পাঠ্য আছে নাজানো।" কথাষাৰেই এনে ধাৰণা স্পষ্ট কৰি তোলে। এই গ্ৰন্থখনত সন্নিবিষ্ট 'বস্ত্ৰহৰণ তত্ত্ব' 'ৰাসলীলা-তত্ত্ব',

বেদাদি তত্ত্ব', 'শ্ৰীকৃষ্ণ-তত্ত্ব' প্ৰভৃতি আটাইকেইটি প্ৰবন্ধৰ মাজেদি লেখকৰ জ্ঞানগভীৰতা আৰু বিশ্লেষণ প্ৰিয়তাৰ নিদৰ্শন সুস্পষ্ট। বৈষ্ণৱধৰ্ম বিষয়ক প্ৰায় সকলোবোৰ মূলগ্ৰন্থ গভীৰভাবে অধ্যয়ন কৰি অৰ্থ আৰু তাৎপৰ্য্য বুকিয়াই লৈ আলোচনাত প্ৰবৃত্ত হব পৰা নিশ্চয় সাধাৰণ কথা নহয়, এনে বিদগ্ধ পাণ্ডিত্যৰ পৰিচয় অসমীয়া লোকৰ মাজত যথাৰ্থতে বিৰল। শাস্ত্ৰ সম্মত যুক্তি দাঙি নধৰাকৈ তেওঁ কোনো কথাকে তুলি ধৰাৰ চেষ্টা কৰা নাই। তেওঁৰ সকলোবোৰ ধৰ্মীয় আলোচনাৰ লগত আমি সকলো একমত নহব পাৰোঁ; কিন্তু তেওঁ হলে তথ্য-পাণ্ডিপূৰ্ণ বৈজ্ঞানিক পদ্ধতিৰ আলোচনাৰে প্ৰতীতি জন্মাবলৈ চেষ্টাৰ ক্ৰুটী কৰা নাই। অৱশ্যে তেওঁৰ দৃষ্টি 'একান্ত ভক্তৰ দৃষ্টি'; নিৰপেক্ষ সমালোচকৰ দৃষ্টি নহয়। মাজে মাজে গধুৰ তত্ত্বমূলক আলোচনাৰ মাজতেই কৃপাবৰী ৰুপটোই ভুমুকি মাৰিও পৰিবেশ বা মানসিক অৱস্থাৰ গুৰুত্ব লাঘৱ নকৰাকৈ নাথাকে।

বেজবৰুৱাৰ আগতে বিজ্ঞান-সন্মতভাৱে ধৰ্মীয়-তত্ত্বৰ আলোচনা অসমীয়া সাহিত্যত আন কোনেও কৰা নাছিল, তেওঁৱেই বৈজ্ঞানিক পদ্ধতিত ধৰ্মীয় আলোচনা কৰিবলৈও অসমীয়া জাতিক শিকালে। কব গলে, তেওঁৰে অনুকৰণত আলোচনাত প্ৰবৃত্ত হৈ ড: বাণীকান্ত কাকতিয়ে ধৰ্মীয়-তত্ত্বৰ আলোচনাক এটা পৰিপূৰ্ণৰূপ দি থৈ গ'ল।

বেজবৰুৱা সাহিত্য-সমালোচকে'। অৰুণোদয়'ৰ পাতত মিছনেৰীসকলে আৰম্ভ কৰা পুথি সমালোচনা আছিল একপ্ৰকাৰ পুথি-পৰিচয়হে। "আসাম-নিউছ'ৰ বুকুত পুথি-সমালোচনাই অলপ পৰিপুষ্টি লাভ কৰিছিল সঁচা, কিন্তু ই হ'ল খুব খণ্ডেকীয়া। তাৰ পিছত 'জোনাকী' আৰু 'বাহী'ৰ বুকুত হে পুথি-সমালোচনাই পৰিপূৰ্ণতা লাভ কৰে বুলিব পাৰি। অৱশ্যে সমকালীন 'ঊষা', 'বন্তি', 'আলোচনী' আদিও পুথি-সমালোচনাত মনোনিবেশ নকৰাকৈ থকা নাছিল। এই সময়ৰ আলোচনী কাকতৰ পুথি-সমালোচনা আছিল—পুথিত থকা গুণাগুণ বিচাৰ কৰা, অৰ্থ আছিল এয়ে যে লেখকসকলে তেনেবোৰ ভুল আৰু নকৰক—নতুন নতুন গ্ৰন্থ ৰচনাৰ ক্ষেত্ৰত আগ্ৰহেৰে ব্ৰতী হওক। মৌলবী মফিজুদ্দিন আহমদ হাজৰীয়াই যেতিয়া 'জ্ঞানমালিনী'খন ৰচনা কৰি ছপোৱাৰ কাৰণে প্ৰস্তুত কৰি উলিয়ালে আৰু সেই সময়ৰ অসমীয়া বিদ্বদ্ মণ্ডলীৰ আগত তুলি ধৰিছে—আটায়ে গ্ৰন্থখনৰ ভুৰি ভুৰি প্ৰশংসা কৰিলে, লেখকক আকৌ তেনে ধৰণৰ গ্ৰন্থ ৰচনাত ব্ৰতী হবলৈ উৎসাহিত কৰিলে। লক্ষ্মীনাথ বেজবৰুৱাইও লেখিলে (১৮৯৬) "......আপোনাৰ পুথিখনি বৰ বিত্তোপন হৈছে; পঢ়ি বৰ সুখী হলোঁ। এই পুথিয়ে অসমীয়া সাহিত্যক ভাব আৰু ভাষাৰে ভালেখান

চহকী কৰিলে। আপোনাৰ ভাব ওখ, ভাষা ললিত, আৰু তাক প্ৰকাশ কৰিবৰ গঢ় অতি সুন্দৰ। কবিতা লেখিবলৈ আপুনি কাপ ধৰা সাৰ্থক হৈছে। আপোনাৰ ওচৰত মোৰ খাটনি এইকেবা, যেন আপুনি এই কাপ হাতৰপৰা নেৰি, অসমীয়া সাহিত্যৰ ভিত্তিত মাজে-সময়ে এনেকুৱা একোখাৰ শলপতা পিন্ধাই থাকে।" লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰথম পৰ্য্যায়ৰ সমালোচনা-সাহিত্যৰ নিদৰ্শন এনে ৰূপতেই আছিল। অৱশ্যে ই ক্ৰমবিকাশ লাভ কৰে। ১৯২৪ চনত অনুষ্ঠিত হোৱা অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ সভাপতিৰ অভিভাষণখনি বেজবৰুৱাৰ সাহিত্য সমালোচনাৰ চৰম নিদৰ্শন বুলিব পাৰি ; ইয়াৰে তেওঁ যথাৰ্থতে অসমীয়া সাহিত্যৰ ভবিষ্যৎ নিৰ্ণয় কৰিবলৈও সমৰ্থ হৈছিল। কবলৈ গলে তেওঁৰ এই অভিভাষণখনি অসমীয়া সাহিত্যৰ দিগ্‌মান যন্ত্ৰ স্বৰূপ।

৪ৰ্থ বছৰ, ৬ষ্ঠ সংখ্যা বাঁহীত হিতেশ্বৰ বৰবৰুৱাৰ 'কমতাপুৰ ধ্বংস' আৰু 'বিৰহিনী-বিলাপ' কাব্যৰ চমু পৰিচয় দিয়া হৈছিল। ই কিন্তু কেৱল চমু পৰিচয়হে হ'ল। কিন্তু ইয়াৰ প্ৰায় এবছৰ পিছত ৫ম বছৰ, ৬ষ্ঠ সংখ্যা বাঁহীত বেজবৰুৱাই একেজন কবি বৰবৰুৱাৰ 'তিৰুতাৰ আত্মদান' কাব্যৰ আলোচনা সম্পূৰ্ণ বেলেগ ভঙ্গীত তুলি ধৰিলে,—যিটো পৰিচয় কাব্যখনৰ এটা সামগ্ৰিক আলোচনা হিচাবে আজি ছকুৰি ৩ৰ বছৰ পিছতো স্বীকৃতি লভিবৰ যোগ্য। কাব্যখনিৰ ভাব-ভাষা আৰু কবিৰ বৰ্ণনাপ্ৰিয়তাক তেওঁ শলাগিছে ; কিন্তু বৰ্ণাশুদ্ধি, অকাব্যিক শব্দৰ প্ৰয়োগ, পুনঃ পুনঃ ইংৰাজী উদ্ধৃতি, আৰু অন্যান্য অসামঞ্জস্যপূৰ্ণ কথা আৰু ৰীতিবোৰ উদ্ধকিয়াই দি কাব্যখনি সৰ্বাঙ্গসুন্দৰ কৰি তোলাৰ উপায়ো সমালোচক বেজবৰুৱাই নিৰ্দ্দেশ নকৰাকৈ থকা নাই। এনেদৰে তেওঁ বাঁহীৰ বুকুত সুস্থ পুথি-সমালোচনাৰ প্ৰবৰ্তন কৰি থৈ যায়। প্ৰায় প্ৰতি সংখ্যা বাঁহীতেই পুথি-সমালোচনা বা পৰিচয় দিয়া হৈছিল। নতুন বাতৰি কাকত ওলালেও তাৰ গুণাগুণ আৰু আদৰ্শ বৰ্ণাই তেওঁ সমালোচনা দাঙি ধৰিছিল। উদাহৰণ স্বৰূপে ২য় বছৰ, ১২শ সংখ্যা বাঁহীত সন্নিবিষ্ট কৰা 'বিশ্ববাৰ্তা' শীৰ্ষক ঢাকাৰপৰা ওলোৱা সাদিনীয়া অসমীয়া বাতৰি কাকতখনৰ আলোচনাকে আঙুলিয়াব পাৰি। তেওঁৰ এনেধৰণৰ পৰিচয়মূলক আলোচনাবোৰৰ প্ৰধান লক্ষ্য আছিল—অসমীয়া লোকক সাহিত্য-গ্ৰন্থ; ভিন ভিন্ন জ্ঞানৰ গ্ৰন্থ, আলোচনী, বাতৰিকাকত আদি ৰচনা আৰু প্ৰকাশ কৰিবলৈ সম্ভ্ৰমপূৰ্ণ পৰিবেশ সৃষ্টি কৰা, অসমীয়া ভাষা-সাহিত্যৰ দুৰৱস্থা আঁতৰাই ভাষা-জননীক শ্ৰীময়ী আৰু শক্তিমতী কৰি গঢ়ি তোলা। সেই কাৰণেই সম্ভৱতঃ প্ৰায়ভাগ পুথি সমালোচনাই আছিল প্ৰশংসা বা অনুপ্ৰেৰণামূলক।

তেওঁ ভালকৈ উপলব্ধি কৰিছিল যে পুথি লেখিলেই বা প্ৰকাশ কৰিলেই নহয়, সেই পুথি ৰাইজক পঢ়ুৱাবও লাগিব। সেয়ে তেওঁ অতি আকৰ্ষণীয়কৈ পুথিৰ বিজ্ঞাপন দিয়াৰ ব্যৱস্থাও কৰিছিল। তেওঁৰ কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা'ৰ বিজ্ঞাপন—"আপুনি এখন কিনি থওক ; আপুনি স্বৰ্গলৈ বাটকুৰি বাই যাওঁতে বাটত ৰূপৰ পাত আৰু সোণৰ গুটিৰে সেই ৰবগছবোৰৰ তলত বহি জিৰাওঁতে এই কিতাপৰ একো আধ্যা পঢ়ি গলে অচিনাকী স্বৰ্গ চিনাকী হব—থিৰাং কথা।" তেনেদৰে 'ওভতনি'ৰ বিজ্ঞাপন—"যি ওভতনি পঢ়া নাই, তেওঁ নিশ্চয় সেই কিতাপখন পঢ়িবলৈ পৃথিৱীলৈ উভতি আহিব লাগিব। সেই দেখি এতিয়াই পঢ়ি থওক।" অন্যান্য কিতাপবোৰৰ বিষয়েও তেওঁ এনে ধৰণে চিত্তাকৰ্ষী বিজ্ঞাপন দি পঢ়ুৱৈ সমাজ সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল বুলি ভবাৰ যুক্তি আছে।

সাহিত্যসভাৰ সভাপতিৰ অভিভাষণত প্ৰাক্-বৈষ্ণৱ যুগৰপৰা তেওঁৰ সময়লৈকে অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ চমু আভাস দি কোনো নতুনত্বৰ সৃষ্টি কৰা নাই সঁচা, কাৰণ দেবেন্দ্ৰনাথ বেজবৰুৱাৰ 'সাহিত্যৰ বুৰঞ্জী' তেতিয়া অসমীয়াৰ কাৰণে সহজলভ্য হৈ পৰিছিল ; কিন্তু ইউৰোপীয় সাহিত্য ধাৰাৰ লগত অসমীয়া সাহিত্য ধাৰাৰ তুলনামূলক আলোচনাই নিশ্চয়কৈ আত্মবিস্মৃত অসমীয়া জাতিক দেশাত্মবোধত অনুপ্ৰাণিত হবলৈ উদ্বুদ্ধ কৰি তুলিছিল, তৰুণ-তৰুণী-সকলে অসমীয়া সাহিত্য চৰ্চা কৰিবলৈও সম্ভৱতঃ আগ্ৰহান্বিত হৈ উঠিছিল। এই অভিভাষণখনিতেই তেওঁৰ উদাৰ মনোভাৱৰো সুস্পষ্ট পৰিচয় পোৱা যায়। তেওঁ স্পষ্টভাবে ঘোষণা কৰিছে,—"যি সাহিত্যৰ ভিতৰত স্বাধীনতাৰ প্ৰেৰণা, মুক্তিৰ বন্ধন-বিহীনতা স্বচ্ছন্দে লিখিবৰ শক্তি নাই, সেই সাহিত্য মৃতবৎ।" প্ৰাচীন কালত সবাতোকৈ শক্তিশালী ভাষা-সাহিত্য সংস্কৃত, গ্ৰীক, লেটিন আদি বৰ্তমান স্থবিৰ অৱস্থা প্ৰাপ্তৰ মূল কাৰণ তেওঁ "কঠোৰ নিয়মৰ নিগড়" বুলি অভিহিত কৰিছে। অৱশ্যে তেওঁ উচ্ছৃঙ্খলতা বা যথেচ্ছাবাদিতাও সমৰ্থন কৰা নাই, কিন্তু এটা মুক্ত স্পন্দনপূৰ্ণ পৰিবেশ—(ঠিক ইংৰাজ জাতিৰ দৰে বা প্ৰাচীন আৰ্য্যসকলৰ দৰে) তেওঁ জীৱন্ত সাহিত্য সৃষ্টিৰ কাৰণে আৱশ্যকীয় বুলি বিবেচনা কৰে।

এই অভিভাষণসমূহৰ মাধ্যমে সাধাৰণ অসমীয়া সাহিত্যানুৰাগী ৰাইজক বিশ্ব-সাহিত্যৰ লগত সম্পৰ্ক স্থাপন কৰিবলৈও সমৰ্থ হয় ;—ইয়াৰ মাজেদি যেন বেজবৰুৱাই অসমীয়া সাহিত্য জগতলৈ বিশ্বসাহিত্যৰ সোঁহৰ আনিহে দিয়াপাই দিলে। যথাৰ্থতে অভিভাষণখনি তেওঁৰ জ্ঞান-গৰিমা, জীৱনৰ লক্ষ্য, আদৰ্শ,

উদাৰতা, মহত্বতা আদি সকলো গুণৰে সুপৰিচায়ক ; এইখনে অসমীয়া জাতিক সাহিত্য জগতত এটা নতুন দিশৰ সন্ধান দিবলৈ সমৰ্থ হয়।

তেওঁ প্ৰাচীন আলংকাৰিকসকলৰ দ্বাৰা বৰ্ণিত প্ৰকৃত 'সহৃদয় সামাজিক'। সেয়ে তেওঁ "প্ৰতিমাখনি সক কিন্তু নিভাঁজ সোণৰ" বুলি অভিমত প্ৰকাশ কৰি প্ৰতিমাৰ খনিকৰ চন্দ্ৰকুমাৰ আগৰৱালাৰ কাব্য-প্ৰতিভাৰ সমুচিত স্বীকৃতি দিবলৈ সমৰ্থ হৈছিল। এনে উক্তিক আবেগিক উক্তি বুলি ধৰাৰ যুক্তি নাই, ই এগৰাকী ৰসজ্ঞ সহৃদয় সামাজিকৰ চিত্ত বিদাৰি ওলোৱা প্ৰকৃত সাহিত্য-তত্ত্বহে। একে সহৃদয় ৰসজ্ঞ সমালোচকৰ দৃষ্টিৰে নিজৰ 'কদমকলি' আৰু অন্যান্য ৰচনাৰ ওপৰতো তেওঁ অভিমত প্ৰকাশ কৰি গৈছে। তেওঁ প্ৰকৃত ৰসজ্ঞ সমালোচক আছিল গুণেহে নিজৰ সাহিত্যৰ বিষয়েও যথাৰ্থ অভিমত দিবলৈ সমৰ্থ হৈছিল। নিজৰ সৃষ্টিক নিজে সমালোচনা কৰিব পৰাটোহে প্ৰকৃত সমালোচকৰ কাম। তেওঁ জানিছিল যে কবি আৰু গধুৰ নাটকৰ নাট্যকাৰ হিচাবে তেওঁ কৃতকাৰ্য্য হব পৰা নাই আৰু হাস্যৰসিক হিচাবে কৃতিত্ব লভিছে,—ইয়াকো তেওঁ স্পষ্টভাৱে ব্যক্ত কৰিবলৈ কুণ্ঠাবোধ কৰা নাই। তেওঁৰ আত্ম-সমালোচনাৰ প্ৰবৃত্তি থকা হেতুকে আৰু বিশেষকৈ সমালোচক ৰূপে প্ৰবৃত্ত হবলৈ থাকিবলগীয়া অৰ্হতা,—ব্যাপক অধ্যয়ন আৰু জ্ঞান, সংস্কাৰহীন মন, দাৰ্শনিক, ৰাজনৈতিক, সমাজ-নৈতিক আৰু সাহিত্য-তত্ত্ব আদি সকলো বিষয়তে বিপুল অভিজ্ঞতা থকা হেতুকে, বেজবৰুৱা আঁতৰি যোৱাৰ ডেৰকুৰি বছৰ পিছত সাহিত্যানুৰাগী আৰু তত্ত্বান্বেষী বাইজে সম্ভৱত: আগতকৈ বহু বেচি গুৰুত্বৰে বেজবৰুৱাৰ সাহিত্য অধ্যয়নত আত্মনিয়োগ কৰিছে। অসমীয়া জাতীয় জীৱনৰ সকলো দিশতে নিৰ্ভীক সমালোচনাৰে অৱতীৰ্ণ হোৱা ব্যক্তি বুৰঞ্জীয়ে ঢুকি পোৱা কালৰেপৰা আজিলৈ বেজবৰুৱা অদ্বিতীয়। সঁচাকথা, তেওঁ সাহিত্য-সমালোচনাৰ তেনে কোনো প্ৰামাণিক গ্ৰন্থ লেখি থৈ যোৱা নাছিল, কিন্তু 'বাঁহী'ৰ বুকুত জিলিকি থকা আৰু অসম-সাহিত্য সভাৰ সভাপতিৰ আসনৰপৰা দাঙি ধৰা অভিভাষণখনি গ্ৰন্থতকৈ কম প্ৰামাণিক হোৱা নাই। তাতে আকৌ, বেজবৰুৱা আছিল বহুমুখী। বৈচিত্ৰ্যতাই তেওঁৰ সৰ্বপ্ৰধান বৈশিষ্ট্য।

হাস্যৰাসক বেজবৰুৱা

হঁহা আৰু হাঁহিৰ জন্য কম টান কাম নহয়, তাতোকৈ টান কাম—আনক হঁহুওৱা। আমি আনক হঁহুৱাম দূৰতে থাওক, নিজেই হাঁহিব নাজানোঁ। বেজবৰুৱাই নিজেও হাঁহিলে, আনকে হঁহুৱালে আৰু হাঁহি হাঁহি মৃত্যুবৰণ কৰাৰ পিছত আজিও আমি তেওঁৰ সাহিত্য পঢ়ি প্ৰাণভৰি হাহোঁ, যি হাঁহিয়ে ক্ষন্তেকৰ কাৰণে হলেও আমাক বাস্তৱজগত আৰু ব্যক্তিগত সত্তাৰ কথা পাহৰাই অলৌকিক আনন্দ প্ৰদান কৰে। হাঁহি অৰ্থাৎ হাস্যৰস বেজবৰুৱা-সাহিত্যৰ কেন্দ্ৰীয় আকৰ্ষণ। ড: কাকতিৰ ভাষাত—"যি ৰসৰ গুণত গধুৰ ভাবেও আমনি নলগোৱাকৈ মনত সোমাব পাৰে, যি ৰসৰ গুণে পঢ়াৰ ভাগৰকো তৃপ্তিত পৰিণত কৰে, যি ৰসে সাহিত্যৰ প্ৰত্যেক ৰসকেই সীমা পাৰ হৈ আধিক্য দোষত আমনি লগোৱা হব নিদিয়ে, সেই হাস্যৰসে বেজবৰুৱা-সাহিত্যৰ প্ৰত্যেক শাৰীকেই সজীৱ কৰি ৰাখিছে (৪৩)।"

বেজবৰুৱা কিন্তু প্ৰথম হাস্য-ৰসিক নহয়। ভাৰতীয় হাস্যৰসাত্মক সাহিত্যৰ পৰম্পৰা অতি প্ৰাচীন। বিখ্যাত আলংকাৰিক পণ্ডিত ভৰত ঋষিৰ নাট্যশাস্ত্ৰৰ দিনৰে পৰা স্থায়ীভাৱ 'হাস'ৰ পৰা কেনেকৈ বিভাৱ, অনুভাৱ আদিৰ সংযোগত হাস্যৰস সৃষ্টি হয় তাৰ সূক্ষ্মাতিসূক্ষ্ম আলোচনা হৈ আহি আছে। সাহিত্য-দৰ্পণকাৰ কবিৰাজ বিশ্বনাথৰ মতে চেহেৰা, কথা-বাৰ্তা, অঙ্গী-ভঙ্গী, সাজ-পাৰ আদিৰ বিকৃতিৰ পৰা জন্মা কৌতুকৰ পৰা হাস্যৰসৰ সৃষ্টি হয়। যাৰ চেহেৰা, কথা-বাৰ্তা আৰু অঙ্গী-ভঙ্গী দেখি ব শুনি মানুহে হাঁহে, সেয়ে আলম্বন বিভাৱ আৰু তেওঁৰ আচৰণ বা কাৰ্য্য হ'ল উদ্দীপন বিভাৱ। চকু মুদখাই যোৱা, হাঁহো

(৪৩) ড: বাণীকান্ত কাকতি : বেজবৰুৱা,—বেজবৰুৱাৰ সাহিত্য-প্ৰতিভা (সবিতাসভা প্ৰকাশিত) পৃষ্ঠা—৬।

হাঁহো কৰি থকা মুখৰ ভাব আদিয়ে হ'ল অনুভাব। নিদ্ৰা, আলস্য, অৱহিথা আদি হাস্যৰসত ব্যভিচাৰী ভাব। এই সকলোবোৰৰ সমবায়ত অন্তৰত নিহিত থকা স্থায়ী ভাব 'হাস' হাস্যৰসলৈ ৰূপান্তৰিত হয়। কবিৰাজ বিশ্বনাথে উত্তম, মধ্যম আৰু অধমৰ ভেটিত বিভক্ত কৰি ছয় প্ৰকাৰ হাস্যৰসৰ কথা উল্লেখ কৰিছে। তেওঁ উত্তম শ্ৰেণীৰ লোকৰ হাঁহিক 'স্মিত' আৰু 'হসিত', মধ্যম শ্ৰেণীৰ লোকৰ হাঁহিক 'বিহসিত' আৰু 'অৱহসিত' আৰু অধম বা তলথাপৰ লোকৰ হাঁহিক 'অপহসিত' আৰু 'অতিহসিত' নামেৰে আখ্যায়িত কৰি প্ৰতি-বিধৰে আলোচনাৰ নিদৰ্শনো তুলি ধৰিছে। কবিৰাজ বিশ্বনাথৰ মতে যি হাঁহিত চকুদুটা অলপ বিকশিত আৰু ওঠ দুটা স্পন্দিত হয়, তাক 'স্মিত,' হাঁহোতে দাঁত অলপ দেখা দিলে তাক কয় 'হসিত'। মধুৰ স্বৰযুক্ত হাঁহি 'বিহসিত' আৰু হাঁহোতে কান্ধ আৰু মূৰ কঁপিলে তাক 'অবহসিত' বোলা হয়। হাঁহোতে হাঁহোতে সঞ্চালিত হলে সি হয় 'অতিহসিত (৪৪)। সাধাৰণতে সংস্কৃত ৰূপকৰ বিদূষক চৰিত্ৰক কেন্দ্ৰ কৰি সাহিত্য-দৰ্পণত নিৰ্দেশিত হাস্যৰসৰ অৱতাৰণা কৰা হৈছিল প্ৰাচীন ভাৰতীয় নাট্য-সাহিত্যত। বিদূষকে বিকৃত বচন, অঙ্গ বা ভূষণ আদিৰ সহায়ত হঁহুৱাই যদিও কুৰুচি বা গ্ৰাম্যতাৰ খোৰাক কিন্তু ক'তো নাই বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱা' মানস চৰিত্ৰটি কোনো কোনো সময়ত বিদূষকৰ দৰে হৈ পৰে, বিদূষকৰ দৰে সাজ-পাৰ পিন্ধে, তেনেকৈ কথা কয়, হঁহুৱায়, বক্ৰোক্তিৰ সহায়ত ৰসিকতাও কৰে। তেনেকৈ বেজবৰুৱাৰ প্ৰহসন কেইখনৰ লগত সাদৃশ্য আছে সংস্কৃত প্ৰহসনৰ। ঘটনাৰ আমোদজনক পৰিৱেশৰ দ্বাৰা চৰিত্ৰৰ মৰ্য্যাদা লঘু কৰাকৈয়ে উচ্চ পৰ্য্যায়ৰ হাস্যৰসৰ অৱতাৰণা কৰা হৈছিল প্ৰথম পৰ্য্যায়ৰ সংস্কৃত প্ৰহসনত। অৱশ্যে শেষলৈ সংস্কৃত প্ৰহসনত কুৰুচিপূৰ্ণ অশ্লীলতাই প্ৰাধান্য লাভ কৰি স্থুল হাস্যৰসহে সৃষ্টি কৰিবলৈ সমৰ্থ হৈছিল। বেজবৰুৱাৰ প্ৰহসন 'লিতিকাই' আৰু 'চিকৰ্ পতি-নিকৰ্ পতি'ৰ হাস্যৰস আন দুখন প্ৰহসন 'নোমল' আৰু 'পাঁচনি'তকৈ অধিক সূক্ষ্ম। 'নোমল' আৰু 'পাঁচনি'ৰ হাস্যৰস বহুপৰিমাণে স্থুল। আটাইকেইখন প্ৰহসনেই পাঠক-পাঠিকা বা দৰ্শকমণ্ডলীক প্ৰাণভৰি হঁহুৱাব যে নিশ্চিত, এই হাঁহিয়ে সকলোকে সজীৱ আৰু সুস্থও কৰি তুলিব। বেজবৰুৱাৰ হাঁহি কিন্তু হাঁহিৰ কাৰণেই নহয়; তেওঁৰ সৰহক্ষেত্ৰতে হাঁহি তাৎ-পৰ্য্যপূৰ্ণ। বেজবৰুৱাৰ হাঁহিয়ে কেৱল জীৱন-ৰসেই দান কৰে, তেনে নহয়, তেওঁৰ হাঁহি সংস্কাৰধৰ্মীও। সংস্কাৰধৰ্ম্মিতা বেজবৰুৱা-সাহিত্যৰ প্ৰাণ।

বেজবৰুৱাৰ কৰ্মময় জীৱন কলিকতাতেই অতিবাহিত হৈছিল সঁচা, কিন্তু

---

(৪৪) সাহিত্য-দৰ্পণ : কবিৰাজ বিশ্বনাথ, ৩।২১৬—২১৮।

তেওঁৰ মনঃচকুৰ আগত ভাঁহি আছিল—অসম আৰু অসমীয়া জাতিটো। এই জাতিটোৰ, এইখন দেশৰ তেওঁ য'তেই ক্ৰটী-বিচ্যুতি অনুভৱ কৰিছিল, তেতিয়াই ত'তে কিবা এটা ৰূপত আহি উপস্থিত হৈছিল আৰু সেই ক্ৰটী-বিচ্যুতি আঁতৰাবলৈ আশ্ৰয় লৈছিল —ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত হাস্যৰসৰ। কলেজীয়া ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱাই ১৮৮৯ চনৰ জানুৱাৰী মাহত প্ৰকাশিত প্ৰথম সংখ্যা 'জোনাকী'ৰ কাৰণে ৰচিবলৈ আৰম্ভ কৰে প্ৰহসন 'লিতিকাই'। 'লিতিকাই'ৰ প্ৰধান লক্ষ্য হাঁহি হলেও তাত সমাজ জীৱনৰ সমালোচনা নাই বুলিব নোৱাৰি। সুভদ্ৰা বুঢ়ীৰ সৰলতা, সাঁজতোলানীৰ চালাকি, চণ্ডীৰ ৰূঢ়তা আদি বাস্তৱৰেই প্ৰতিলিপি। ব্যঙ্গ-বাণৰ সহায়ত তেওঁ পৱিশুদ্ধতা কামনা কৰিছে। 'নোমল'ত ব্যঙ্গ অধিক প্ৰকট। আঠিয়াবাৰী সত্ৰবিষয়ক চিত্ৰ, বৰবৰুৱা চকলা গোহাঁইৰ কাৰ্য্য, গোধা গৰলীয়াৰ কাৰ্য্য আদিক চিত্ৰিত কৰি তথাকথিত বাহিৰ ভুৱনি ভিতৰ ফোঁপোলা বৰলোকালিক বিদ্ৰূপ কৰি যথাৰ্থতে তাৰ সংস্কাৰ কামনা কৰিছে। বেজবৰুৱাই 'মোৰ জীৱন-সোঁৱৰণ'তো একাধিকবাৰ তেওঁৰ সময়ৰ সত্ৰাধিকাৰ কেইবাজনৰে কাৰ্য্য-কলাপ উল্লেখ কৰিছে। 'নোমল'ৰ উপৰিও ৰূপান্তৰী ৰচনা 'সামাজিক'— (কাকতৰ টোপোলা) আৰু 'ধৰ্ম্মটা ডিমৰু সত্ৰাধিকাৰ' বুলনি তো তেওঁ সত্ৰাধিকাৰ প্ৰভুসকলৰ অজ্ঞানতা, অন্ধগোড়ামি, আত্মম্ভৰিতা আৰু অন্তঃসাৰশূন্যতাক নিৰ্মম ভাবে ব্যঙ্গ-বিদ্ৰূপ আৰু বক্ৰোক্তিৰ সহায়ত সমালোচনা কৰিছে। বেজবৰুৱাৰ দৃঢ় বিশ্বাস আছিল যে সমাজৰ শীৰ্ষস্থানীয় ব্যক্তি সত্ৰাধিকাৰ সকল যদি আদৰ্শচ্যুত আৰু ভ্ৰষ্টাচাৰী হয়, তেনেহলে সমাজ-জীৱন চলি থাকিবলৈ বেচি সময়ৰ আৱশ্যক নহব। এসময়ৰ অসমীয়া সমাজ যথাৰ্থতে এই সত্ৰীয়াসকলক কেন্দ্ৰ কৰিয়েই বৰ্তিছিল। সেয়ে তেওঁ সত্ৰীয়া জীৱনৰ পৱিশুদ্ধতা কামনা কৰিছিল—ব্যঙ্গ-বিদ্ৰূপাদি বাণ নিক্ষেপ কৰি। 'লিতিকাই'ত সাতভায়েকে চপৰাদলিক পানী বুলি ধৰি সাতোৰা দৃশ্যই পাঠকক হুকৰাব, কিন্তু ই স্থূল, 'নোমল'ত নাহৰফুটুকা বুঢ়াক মৰিওৱা দৃশ্যকেইটা স্থূল, পাঁচনিত মেকুৰী পোৱালি খুৱাব লোৱা বা ঢেকি-থোৱা হাতত লৈ আলহীৰ পিছে পিছে দৌৰা দৃশ্য স্থূল। চিকৰ্ পতি-নিকৰ্ পতিত সূক্ষ্ম ব্যঙ্গাত্মক হাস্যৰসৰ আধিক্যই স্পষ্টভাবে অনুভৱ কৰা যায়। ইয়াৰ আইন আদালতৰ দৃশ্যকেইটাৰ, বিশেষকৈ বেথাইক লৈ ৰচিত কেইটাত, বংকিমচন্দ্ৰৰ 'কমলাকান্তৰ দপ্তৰ'ৰ লগত সাদৃশ্য থকা বুলি ভাৱিলেও সম্ভৱতঃ ঊনবিংশ শতিকাৰ শেষ আৰু বিংশ শতিকাৰ আদি ভাগৰ অসমীয়া আদালত এখন স্পষ্ট ৰূপত ৰূপায়িত হৈ উঠিছে। গঙ্গাৰাম প্ৰমুখ্যে উকীল আৰু সুতুলি গোহাঁই প্ৰমুখ্যে

তা-তাওবীয়াসকলৰ বাহিৰ গুৰুনি আৰু তেল-তওামি সৰ্বৰ তথাকথিত বৰলোকৰ জীৱনৰ ওপৰত তীব্ৰভাবে ব্যঙ্গ-বাণ নিক্ষেপ কৰা হৈছে। যেখাইৰ সৰল-সহজ গ্ৰাম্য জীৱনৰ কাৰ্য্য-কলাপে দৰ্শক বা পাঠক-পাঠিকাক যেনেকৈ নিৰ্মল হাঁহিৰ যোগান ধৰিব—গঙ্গাৰাম, মুতুলি গোঁহাই, আনকি চিকণপুৰৰ বজা আৰু যুৱৰাজৰ কাৰ্য্য-কলাপক লৈ ভ্ৰূকুটিপূৰ্ণ হাঁহি হাঁহিবলৈও তেনেকৈ ইয়াত সুকলা বিচাৰি পোৱা যাব। এই কেইখন প্ৰহসন আচলতে ইংৰাজী ‘ফাৰ্চ’ (Farce) ৰ সদৃশ ; কিন্তু ‘গদাধৰ বজা’ হলে ‘কমেডি’ সদৃশ। ইয়াত বিদ্ৰূপৰ স্থান নাই। গাভৰু ছোৱালী কমলা আৰু বিমলাই সাধাৰণ গাঁৱলীয়া লোক গেজেলাকেই গদাধৰ বজা বুলি ধৰি লৈ মান্য কৰি খুৱাই-খুৱাই লুকাই ৰাখি যিখন কাণ্ড কৰিলে সি দেশ, কাল, পাত্ৰ আৰু ৰুচিভেদে সকলোকে হঁহুৱাব যে নিশ্চিত। এই হাঁহি নিৰ্দোষ পবিত্ৰ হাঁহি, ব্যঙ্গ-বিদ্ৰূপৰ ছিটিকনি ইয়াত নাই। কৰ গলে সংস্কাৰৰ ভ বো ইয়াত নাই বুলিবই পাৰি। ‘গদাধৰ বজা’ কেৱল হাঁহিৰ কাৰণে ৰচিত এখন প্ৰহসন।

সংস্কৃত সাহিত্যৰ দৰে অসমীয়া লিখিত সাহিত্যতো উত্তৰ কালৰে পৰা হাস্যৰস উদ্ৰেক কৰা দেখা যায়। অসমীয়া আদি কবি মাধৱকন্দলিয়ে ৰামৰ বন-গমনৰ পিছত ভৰত মোমায়েকৰ ঘৰৰ পৰা অহাত কুঁজী মন্থৰাৰ বিকৃত ৰুচিৰ পৰিচয়—

বিষবিষ কৰে কুঁজী আউৰ কিবা চাও।
ভৰতৰ সমীপক কিসক নযাও ॥
*   *   *   *
বয়সত বৰ মই ভৰতত কৰি।
কামবশ ভৈলে সিটো দোষক নধৰি ॥
বিদিতে কুমাৰে যেবে লাজ কিছু কৰি।
গুপ্ত ৰূপে তথাপিতো হৈবো পটেশ্বৰী ॥

—অযোধ্যাকাণ্ড : ২২৮৫।৮৬।

দি হাস্যৰসৰ হে অৱতাৰণা কৰিব বিচাৰিছে। কবি মনকৰ আৰু পীতাম্বৰৰ ৰচনাতো বিকৃত ৰুচিৰ বিকাশেৰেই হাস্যৰস উদ্ৰেক কৰা দেখা যায়। বিকৃত ৰুচিৰ সহায়ত শঙ্কৰদেৱেও একাধিক প্ৰসঙ্গত হাস্যৰসৰ উদ্ৰেক কৰাৰ নিদৰ্শন আছে। ৰামসৰস্বতীৰ ‘ভীমচৰিত’ আৰু শ্ৰীধৰকন্দলিৰ ‘কাণখোৱা’ৰ হাস্যৰস কিন্তু নিৰ্দোষ আৰু পবিত্ৰ। মধ্যযুগীয় অসমীয়া সাহিত্যত হাস্যৰস উদ্দীপ্ত হোৱা নিদৰ্শন অলেখ। আধুনিক যুগতো বেজবৰুৱা’ৰ সমসাময়িক আৰু

অন্যান্য অগ্ৰবৰ্তী সকল,—হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, লম্বোদৰ বৰা, সত্যনাথ বৰা প্ৰমুখ্যে আটাই কেইজন খ্যাতনামা সাহিত্যিক হাস্যৰসাত্মক সাহিত্য-ৰচনাত ব্ৰতী হৈছিল। হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্তন' আৰু 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী'ৰ সদৃশ সংস্কাৰধৰ্মী ব্যঙ্গাত্মক ৰচনা লক্ষ্মীনাথৰ প্ৰায় সৰহভাগেই। তেওঁ হেমচন্দ্ৰ বৰুৱাৰ দৰে—কাকতৰ টোপোলাত সন্নিবিষ্ট প্ৰায় আটাইবোৰ ৰচনাতে ৰূঢ়ভাবে ব্যঙ্গ-বিদ্ৰূপৰ আশ্ৰয় লৈছে। গুণাভিৰামে কঠিন শব্দৰ ৰহস্য ব্যাখ্যা কৰাৰ দৰে লক্ষ্মীনাথেও নকৰা নহয়। তেনেকৈ লম্বোদৰ বৰাৰ সদানন্দৰ লগতো লক্ষ্মীনাথৰ কৃপাবৰ বৰুৱাৰ সাদৃশ্য বিচাৰি পোৱা যায়। মধ্যযুগীয় কবিসকলৰ দৰে বিকৃত ৰুচিৰ পৰিবেশনেৰে হাঁহিৰ উদ্ৰেক কৰিব বিচৰা ৰচনা-ভঙ্গীও লক্ষ্মীনাথৰ আছে।

এনেবোৰ নিদৰ্শনৰ ওপৰত ভিত্তি কৰি লক্ষ্মীনাথৰ ৰচনাৱলীৰ মাজেদি কেৱল অসমীয়া হাস্যৰসাত্মক সাহিত্যৰ পৰম্পৰা গঢ়ি উঠা বুলিবও পাৰি। যেনিবা, লক্ষ্মীনাথৰ ৰচনাত অন্যান্য সকলোবিলাক হাস্যৰসিকৰেই সম্মিলন ঘটিছে,—কেৱল লক্ষ্মীনাথৰ ৰচনাতেই সকলোবিলাক অসমীয়া হাস্যৰসিকৰ ৰচনাকেই একত্ৰে পোৱা যায়। ইও সত্য। কিন্তু লক্ষ্মীনাথৰ ৰচনা ইয়াতোকৈ অধিক পৰিসৰ যুক্ত, তেওঁ প্ৰাচ্য আৰু পাশ্চাত্য উভয় দেশৰ ভঙ্গীকেই তেওঁৰ ৰচনাৱলীৰ মাজেদি বিকশিত কৰি তুলিছে। তেওঁত আমি ভৰত ঋষিৰ দিনৰ পৰা শ্ৰীধৰকন্দলিলৈকে প্ৰাচ্য হাস্যৰসিকসকলৰ বিকাশ ঘটা উপলব্ধি কৰাৰ দৰে এৰিষ্টোফেনিচৰ পৰা ভল্টেয়াৰ, ড্ৰাইডেন, চুইফ্‌ট্, এডিচন, ডিকেন্স তথা বাৰ্ণাৰ্ডশ'লৈকে প্ৰায় সকলো যুগৰ সকলো শ্ৰেণীৰ হাস্যৰসিকৰেই সমন্বয় বা বিকাশ ঘটাও উপলব্ধি কৰোঁহক। অসমীয়া সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱা হাস্যৰসিক হিচাবে অপূৰ্ব আৰু অদ্বিতীয়ও।

বেজবৰুৱাৰ সাহিত্য প্ৰাচ্য-পাশ্চাত্যৰ মিলন-ভূমি। তেওঁলোকৰ জন্মৰ সময়ৰ অসমত অসমীয়া ভাষা-সাহিত্যৰ চৰ্চা বিলোপ হৈ গৈছিল আৰু তাৰ ঠাই অধিকাৰ কৰিছিল বঙালী আৰু কিছুপৰিমাণে ইংৰাজীও। এদল অসমীয়া, বিশেষকৈ বিষয়া বা আমোলাসকল হৈ পৰিছিল সম্পূৰ্ণ ৰূপে বিদেশমুখী,— 'আনৰ ভাল অসমীয়াৰ বেয়া' এই ভাবে জাতীয় জীৱন আচ্ছন্ন কৰি তুলিছিল; নিজস্বতা বিসৰ্জন দি বিদেশী চৰকাৰ আৰু উৰ্দ্ধতন বিষয়াসকলৰ চৰণ-তলত নিজক বিলীন কৰি দি হলেও ব্যক্তিস্বাৰ্থ সিদ্ধিৰ কাৰণে দৃঢ়পৰিকৰ হৈছিল প্ৰধানতঃ এই আমোলা শ্ৰেণীৰ লোকসকল। এই সময়ৰ অসমৰ অৱস্থাৰ পাৰ্লামেণ্ট আৰু ৰজা ১ম চাৰ্লচৰ সংঘৰ্ষৰ পিছৰ ইংলণ্ডৰ অৱস্থাৰ লগত কিছু

সাদৃশ্য দেখা যায়। তেতিয়াৰ ইংলণ্ডতো ইংৰাজী সাহিত্যৰ ধাৰা কিছু কালৰ কাৰণে যেন বিচ্ছিন্ন হৈ পৰিছিল। ড্ৰাইডেনৰ যুগত ফৰাচী আৰু লেটিন সাহিত্যৰ অনুকৰণত, প্ৰধানকৈ ব্যঙ্গ-বিদ্ৰূপাত্মক সাহিত্য ৰচনা কৰি, ইংৰাজী সাহিত্যৰ ধাৰা পুনঃ প্ৰতিষ্ঠা কৰা হৈছিল কাৰণে ইংৰাজী সাহিত্যৰ সেই যুগটোক পুনঃ প্ৰতিষ্ঠাৰ যুগ (ৰিষ্টোৰেচন) বোলা হয়। লক্ষ্মীনাথ বেজবৰুৱা-হঁতেও নিৰ্বাপিত হৈ যোৱা অসমীয়া সাহিত্যৰ ধাৰা প্ৰতিষ্ঠা কৰিলে বঙালী আৰু প্ৰধানকৈ ইংৰাজী সাহিত্যৰ অনুকৰণত সাহিত্য ৰচনা কৰি। অসমীয়া সাহিত্যৰ পুনঃ প্ৰতিষ্ঠা যুগৰ সৰ্বশ্ৰেষ্ঠ সাহিত্যিক হ'ল লক্ষ্মীনাথ বেজবৰুৱা। তেওঁৰ ৰচনাত ইংৰাজী ৰিষ্টোৰেচন আৰু তাৰ পিছৰ যুগৰ ড্ৰাইডেন, চুইফ্ট, ষ্টিভেনচন, পোপ আদিৰ ব্যঙ্গ-বিদ্ৰূপাত্মক ৰচনাৰ সুৰ স্পষ্ট। বেজবৰুৱাৰ হাস্যৰসাত্মক ৰচনা কেৱল বিকৃত বাক্-ভঙ্গী বা সাজ-সজ্জাৰ ওপৰতে প্ৰতিষ্ঠিত হোৱা নাই; ব্যঙ্গ, বিদ্ৰূপ আৰু কৌতুকৰ প্ৰাধান্য হে বেজবৰুৱাৰ সাহিত্যত বেচি। ভৰত ঋষিৰ দিনৰ পৰা সংস্কৃত ৰূপক বা কাব্য-মহাকাব্য আদিত উদ্দীপ্ত হাস্যৰসৰ প্ৰধান লক্ষ্য আছিল হাঁহিৰ মাজেদি আনন্দ দান কৰা। কিন্তু পাশ্চাত্যৰ এৰিষ্টোফেনিচ—প্লোটাচৰ দিনৰ পৰা হাস্যৰসৰ অন্যতম প্ৰধান লক্ষ্য সমাজ-সংস্কাৰ। বেজবৰুৱাৰ হাস্যৰসাত্মক অসংখ্য ৰচনাৰ ভিতৰত একমাত্ৰ হাঁহিৰ কাৰণে ৰচিত সাহিত্য আৰু চৰিত্ৰ তেনেই নগণ্য। 'তিনি-মাহাত্ম্য' (বুৰবুৰণি), 'বাৰজন বিখ্যাত লোকৰ জীৱন-চৰিত', 'অশ্বাৰোহণ পৰ্ব' (ওভতনি) আদি কৰি মাথোন দুই-এটা মনোধৰ্মী প্ৰবন্ধ আৰু 'গজপুৰীয়া' (চক্ৰধ্বজ সিংহ) আৰু তেওঁৰ সহযোগী টকো, টকোৰা আদি কৰি চৰিত্ৰ-কেইটাকহে কেৱল হাঁহিৰ কাৰণে সৃষ্ট বুলিব পাৰি। এইখিনিতো কেতিয়াবা কৰবাত ব্যঙ্গৰ ছিটিকনি পৰা যেন হে অনুমান হয়। যেনে,—'অশ্বাৰোহণ পৰ্ব'ত ব্যঙ্গ মিশ্ৰিত আছে।

আগতে উল্লেখ কৰি অহা ধেমেলীয়া নাট বা প্ৰহসন কেইখনত বাহিৰে গধুৰ নাট কেইখনত,—বিশেষকৈ 'জয়মতী কুঁৱৰী' আৰু 'বেলিমাৰ'ত সৰল হাঁহিৰ উপৰিও ব্যঙ্গ আৰু কোনো কোনো প্ৰসঙ্গত কৌতুকৰো (wit) বিকাশ ঘটা বুলিব পাৰি। 'জয়মতী কুঁৱৰী'ত খুহটীয়া শৰ্মাৰ প্ৰতিটো উক্তিয়েই ব্যঙ্গাত্মক। ৰাজচ'ৰাত ৰজা আৰু ডা-ডাঙৰীয়া সকলৰ আগত মইনা চৰাইৰ সাধু কোৱাৰ ছলেৰে "লোকৰ কথা শুনি যি আকাশত উৰি ফুৰা চৰাইকো শাস্তি দিব খোজে, তেনেকুৱাবোৰকো ঈশ্বৰৰ সভাত তিকতাৰ লেখত ধৰা হৈছিল; সেই দেখিহে তিকতাৰ লেখ বেছি হল।" কথাষাৰ ৰথাৰ্থতে কৌতুকোদ্দীপক; ইয়াত

তাৎপৰ্য্যপূৰ্ণ অৰ্থ নিহিত আছে, আৰু সাহিত্য দৰ্পণকাৰে কোৱাৰ দৰে ইয়াত এক অস্ফুট স্মিত হাঁহিহে অনুভৱ কৰা যায়। এনে হাঁহি উচ্চ স্তৰৰ।

টমাচ্ হবচ্ (Thomas Hobbes) প্ৰমুখ্যে এদল পাশ্চাত্যৰ হাস্যৰসিকে কোৱাৰ দৰে আনৰ হীনতা বা দীনতাক নিজৰ লগত তুলনা কৰি বা নিজৰ বৰ্তমানৰ হীন বা দীন পৰিবেশৰ লগত গৌৰৱময় অতীতক তুলনা কৰি অনুভৱ কৰা গৌৰৱৰ পৰাও হাস্যৰসৰ সৃষ্টি হয়। এনে ভাৱৰ ওপৰত ৰচিত ৰচনা বেজবৰুৱাৰ বহুতো। ইয়াৰ মূল ভেম আৰু ভণ্ডামি। তেওঁৰ সৰহভাগ ৰচনাৰ মূল বস্তুই ভেম আৰু ভণ্ডামি। 'অসমীয়া জাতি ডাঙৰ জাতি' (কাকতৰ টোপলা) কাৰণ ডাঙৰীয়াৰ জাতি। "আগেয়ে ৰজাৰ দিনত অসমত দমাই ডাঙৰীয়া নাছিল বীকাৰ কৰোঁ, কিন্তু আজিকালি ইমান ডাঙৰীয়া বাঢ়িছে যে অসম-বৰপুখুৰী ডাঙৰীয়া-লালুকীৰে কলা পৰি আছিছে।" বুলি তেওঁ তথাকথিত ডাঙৰীয়া নামধাৰী-লোকসকলক ব্যঙ্গ-বিদ্ৰূপ কৰি আমাক হঁহুৱাইছে। গোস্বাই শুৱালৰ পুতেক 'তোকেশ্ৰ বৰুৱা' এই কাৰণেই 'বৰুৱা' যে তাৰ কোনো এজনী পেহীয়েকক কোনো এজন বৰুৱালৈ বিয়া দিয়া কথা আছিল। মিলাৰামে গৌৰৱ অনুভৱ কৰিছে, তাৰ সাত-পুৰুষৰ ছুষ্কৃতি আৰু কলংকৰ কাহিনী কৈ। তোলন সাজ তোলাৰ পুতেক এসময়ৰ 'মলধু'ই পঢ়ি-শুনি আহি উচ্চবিষয় বাব পাই সি পূৰ্ব্বৰ পিতৃ-পিতামহৰ ব্যৱসায়, জীৱন-নিৰ্বাহ পদ্ধতি আদিক তাৰ বৰ্তমানৰ উন্নত অৱস্থাৰ লগত তুলনা কৰি আনন্দ লভিছে আৰু আনক তাতকৈ নীচ বুলি ভাবি ঘিণ কৰিছে।

ব্যঙ্গ আৰু বিদ্ৰূপৰ সহায়ত বেজবৰুৱা কেতিয়াবা কেতিয়াবা সমাজ-জীৱনৰ ভেম-ভণ্ডামিৰ অতল তলীত প্ৰৱেশ কৰে গৈ। এনেদৰে সমাজ জীৱনৰ মাজত প্ৰৱেশ কৰোঁতে কেতিয়াবা কেতিয়াবা তেওঁ নিৰ্মম ভাবে ৰূঢ় হোৱা যেন অনুমান হয় আৰু আন কেতিয়াবা তেওঁৰ সহানুভূতিশীল মনটোইও বিকাশ লাভ কৰে। 'জগ্ৰা মণ্ডলৰ প্ৰেমাভিনয়'ত বেজবৰুৱাই ইচ্ছা কৰিয়েই জগ্ৰাৰ দৰে আত্মবিস্মৃত আৰু অপোকৰলোকৰ ওপৰত তীব্ৰভাবে বিদ্ৰূপ কৰিছে। ঘৈণীয়েকে "একাবাৰ ডাঙৰকৈ মাত মাতিলেই বাওমুঁই গৰুৱাগালী বুলি গালি নপৰাকৈ নথকা মানুহটোই" যেতিয়া চহৰত হাকিম চাহাবৰ মুখে উপন্যাসৰ প্ৰেম-কাহিনী শুনি আহি সেই একেজনী ঘৈণীয়েকক "নাবাবা পিয়া নাবাবা! বিৰহৰ অগ্নিয়ে মোক পুৰি মাৰিব, মই সহিব নোৱাৰিম, মোৰ প্ৰাণ যাব। নিচলীৰ মাক চন্দ্ৰ-বদনী! মই তোমাৰ শ্ৰীচৰণৰ নিকিনা গোলাম! মোক তোমাৰ বঙা চৰণত ঠাই দিয়া!" প্ৰভৃতি উক্তিৰে প্ৰেম নিবেদন কৰে, তেতিয়া সংস্কাৰকামী বেজবৰুৱাৰ মানত এইবোৰ বলিয়ালিত বাহিৰে আন একো বুলি

অনুভৱ নহ'ল। সেয়ে তেওঁ জগবাপীৰ হতুৱাই "লবালবিলৈ গৈ একলহ পানী. আনি, শোধ-পোছ নাই জগবাৰ মুৰত হৰ্-হৰ্ কৰে ঢালি দিলে। ....আৰু বৈণীয়েকে লবালবিকৈ এখুৰি তেল-পানী আনি জগবাৰ মুৰত থপিয়াই দি বিছনিৰে বিছিবলৈ ধৰিলে।" বেজবৰুৱাই ইয়াৰ দ্বাৰা কেৱল জগবা মণ্ডলৰ প্ৰেমাভিনয়ৰ ওপৰতেই তেল-পানী ঢালা নাই, তাহানিৰ দিনত বিদেশী সভ্যতাৰ প্ৰভাৱত ভেমত ওভন্দি থকা তথাকথিত বৰলোক মাত্ৰকেই ইয়াৰ দ্বাৰা বিদ্ৰূপ কৰি বৰলোকালিৰ ওপৰত তেল আৰু চেঁচাপানী ঢালিলে। 'ভেমপুৰীয়া মৌজাদাৰ', 'ধৰ্মধ্বজ ফয়চল নবীচ' আদিৰ মাজেদিও সমাজ-জীৱনৰ ভেম-ভণ্ডামি আদিৰ মাজত গভীৰ ভাবে প্ৰবেশ কৰি ব্যঙ্গ আৰু বিদ্ৰূপৰ সহায়ত তাৰ সংস্কাৰ কামনা কৰিছে। কাৰণৰ টোপোলাৰ 'সমাজিক'ত এসময়ৰ সমগ্ৰ অসমীয়া সমাজখনেই ৰূপায়িত হৈছে। ই এখন দিঠকৰ স্বপ্ন সদৃশ ৰূপকধৰ্মী ৰচনা।

ইাঁহিৰ থুনুপাক স্বৰূপ প্ৰহসন 'লিতিকাই'ৰে সাহিত্যিক জীৱনৰ পাতনি মেলা বেজবৰুৱাই গভীৰ ধৰ্মীয়-তত্ত্বমূলক আলোচনাৰে সাহিত্যিক জীৱনৰ লগে লগে নৱ-জীৱনৰো সামৰণি মাৰিলেও তেওঁৰ সকলো শ্ৰেণীৰ ৰচনাই কিন্তু হাস্যৰস সিক্ত হৈ থাকিল। 'লিতিকাই'ত নিতাই সতাই প্ৰভৃতি মহামূৰ্খ সাত ভায়েকৰ সৃষ্টি কৰি সিহঁতৰ বিসঙ্গতিপূৰ্ণ কাৰ্য্য-কলাপৰ মাজেদি বেজ-বৰুৱাই সকলোকে হঁহুৱাইছে—আগলৈও হঁহুৱাব ;—তেনেকৈ তত্ত্বকথাত সন্নিবিষ্ট ৰচনাত 'ধৰ্ম আৰু ঈশ্বৰতত্ত্ব'ৰ সদৃশ গুৰু-গম্ভীৰ আলোচনাৰ মাজত—"কেঁচা, পকা, সিজা, নিসিজা, এধাসিজা, ভকত অভকতসকলক তেওঁৰ বৈকুণ্ঠধামত ঈশ্বৰ কৃষ্ণই ঠাইৰ দিহা কৰি accomodate কৰিব পাৰিব, চিন্তা নাই।" আদি পাতল anti climax (এন্টি ক্লাইমেক্স) যুক্ত ভঙ্গী প্ৰয়োগ কৰিও তেওঁ হঁহুৱায়। 'পদুমকুঁৱৰী'ত কলীয়া ভোমোৰা বৰফুকনে প্ৰতাড়না কৰি বন্ধু, হৰদত্ত আৰু বীৰদত্তক বধ কৰাৰ পিছত পৰিবেশ অত্যন্ত শোকাবহ হৈ পৰে। ঠিক সেই সময়ত, যেতিয়া কুমেদান সেনাপতি 'পদুমকুঁৱৰী'ক লাভ কৰাৰ আশাৰে পদুমৰ ওপৰত জপিয়াই পৰিবলৈ উদ্যত হৈছিল, তেতিয়া তাত উপস্থিত হ'ল হি সূৰ্য্যকুমাৰ। সূৰ্য্যই হাতৰ তৰোৱালেৰে নিমিষতে কুমেদানক বধ কৰাত পৰিবেশ আৰু বিস্ময়জনক হৈ উঠে। কিন্তু তেনেতে ঔপন্যাসিক বেজবৰুৱাই—"পদুমে.....থপ্ কৰে আচলৰ গাঁঠিৰ পৰা বিহডোখৰ উলিয়াই টপ্ কৰে খাই, 'সূৰ্য্য, মই যাওঁ!' বুলি শুলে।" প্ৰভৃতি সামঞ্জস্যহীন ভাষা প্ৰয়োগ কৰি পৰিবেশৰ গুৰুত্ব হঠাৎ পাতল কৰি লঘু হাস্যৰসৰ সৃষ্টি

কৰিলে। বেজবৰুৱা-সাহিত্যত এনে ভঙ্গী আৰু অনেক ঠাইতে আছে। কিন্তু ইংৰাৰবৈ সমৰ্থ হলেও এনে ভঙ্গীয়ে প্ৰায়েই সাহিত্যিক সৌন্দৰ্য্য হ্ৰাস কৰিছে। তেওঁ হাঁহিছিল আৰু আনকো হঁহুৱাইছিল, সময়ে সময়ে স্থান-কাল-পাত্ৰৰ ভেদ পাহৰিও হাঁহিছিল আৰু হঁহুৱাইছিল। এই কাৰণে বেজবৰুৱাক বহুতেই বহুৱালি কৰা বুলিও কৈছিল। 'বাতৰি কাকতৰ জাননী'ত যেতিয়া "খাই ঐ! খাই ঐ!! খালে ঐ!!! চাওক! চাওক!! চালে ঐ!!! অসমত নতুন! ভাৰতবৰ্ষত নতুন!! পৃথিবীত নতুন ঐ!!! বৃহৎ কাণ্ড! অদ্ভুত কাণ্ড!! অৰণ্যক'ণ্ড ঐ!!! বিৰাট ব্যাপাৰ! উদ্যোগ ব্যাপাৰ!! এদাৰ ব্যাপাৰ ঐ!!!" বুলি চিঞৰে, তেতিয়া স্বাভাৱিকতে এক শ্ৰেণীৰ পাঠকে কৃপাবৰ বৰুৱাৰূপী বেজবৰুৱাক বহুৱা পাতিবই। তেনেকৈ 'বৰবৰুৱাৰ ফটো-গ্ৰাফ'ত যেতিয়া—"হেম্ অণ্ড মেন্, হাঁসতা হ্যায় কেউ? বৰবৰুৱা বৰা চাহাবকু দেখকে? ডেম্! ব্লোডি!. নন্চন্! হাম জানতা তোমলোক বাবু, বেবু, বেবুন! ঔফুল (aweful)! ব্লোডি! লাগাই দিমনে ক্যা একথু পিলাই কাটা কিস্?" বুলি অসমীয়া জাতিটোক ভৎসনা কৰে, তেতিয়া স্বাভাৱিকতে এনে ভঙ্গী অসঙ্গত আৰু অক্ষমনীয় বুলিও পাঠক-পাঠিকাই অভিমত প্ৰকাশ কৰিব। কিন্তু এনে ভঙ্গী তেওঁ সাহিত্যিক জীৱনৰ প্ৰথম ভাগত হে প্ৰয়োগ কৰিছিল, শেষলৈ তেওঁ এনে ভঙ্গী পৰিহাৰ কৰে। 'এন্টি ক্লাইমেক্স' কৰিলেও বেজবৰুৱাই পৌঢ় আৰু বাৰ্দ্ধক্যত ৰচিত কোনো ৰচনাতেই এনে অসঙ্গত বা টুলুঙা ভঙ্গী প্ৰয়োগ কৰা দেখা নাযায়। কিন্তু এইটো নিশ্চিত যে অসঙ্গত ভঙ্গীযুক্ত ৰচনাতো তেওঁৰ জাতীয়তাবাদী সংস্কাৰধৰ্মী মনটোই প্ৰকাশ নোপোৱাকৈ থকা নাই।

বেজবৰুৱাৰ 'কৃপাবৰ বৰুৱা' ৰূপী ৰচনা অসংখ্য, বিচ্ছিন্ন আৰু বিচিত্ৰ-ধৰ্মী। কেতিয়াবা তেওঁ 'পেৰোডি' ৰচিছে, কেতিয়াবা 'কেৰিকেচাৰ' কৰিছে আৰু কেতিয়াবা আঁকিছে 'কাৰ্টুন'। বিচ্ছিন্ন বিষয় বস্তু সম্পন্ন এই বিচিত্ৰ ৰচনাৱলীক সাধাৰণতে কেৰিকেচাৰ ধৰ্মী বুলিয়েই সামৰি লোৱা যায়। এই আটাইবোৰৰ মাজত ঐক্যসূত্ৰ হ'ল লেখকৰ উগ্ৰ জাতীয়তা বোধ আৰু হাঁহি,—তেওঁৰ সংস্কাৰবাদী মনটোও প্ৰায় সকলো ক্ষেত্ৰতে স্পষ্ট হৈ জিলিকি উঠিছে। 'কৃপাবৰ বৰুৱা' ৰূপটো অতিশয় তাৎপৰ্য্যপূৰ্ণ, কাকতৰ টোপোলাত সন্নিবিষ্ট 'কৃপাবৰ বৰুৱা চনেট'ত তুলি ধৰা কৃপাবৰ বৰুৱাৰ পৰিচয়ো অতিশয় তাৎপৰ্য্যপূৰ্ণ—

"কৃপাবৰ বৰুৱা মহাধুৰ্দ্ধৰ।
ৰবপেট টিকনিবে মূৰ লৰফৰ॥

সুদৰ্শন হাতে বিষ্ণু শূল হাতে ভোলা।
মহেন্দ্ৰৰ বজ্ৰ কৃপাৰ কাকতৰ টোপোলা॥
অজায়লৈ লগা যাঠী ভায়লৈ কলটী।
কানি ভাং লাওপানী বহাই দকচি॥

একালে ই যেনেকৈ হাঁহিৰ কাৰণ, তেনেকৈ ই আমাক 'কৃপাবৰ বৰুৱা' সৃষ্টিৰ ইঙ্গিতো সুস্পষ্ট কৰি দিয়ে। ই যেন কৃপাবৰৰ প্ৰতিজ্ঞাপত্ৰহে আৰু সঁচাকৈ কৃপাবৰৰ মাজেদি ই কাৰ্য্যত পৰিণতও হৈছে।

'ওভতনি'ৰ প্ৰথম ৰচনা হ'ল 'উদ্বোধন'—যথাৰ্থতে ই নামে-কামে উদ্বোধন। তেতিয়াৰ অসমত কানি, ভাং, কটিকাৰ আছিল অবাধ প্ৰচলন। বৰ বৰ ডা-ডাঙৰীয়াৰ পৰা সৰ্বসাধাৰণলৈকে প্ৰায় সকলোলোকৰ মাজতে এই ৰবিহ কেইটাৰ আছিল অবাধ প্ৰচলন, যিয়ে অসমক ক্ৰমে ক্ৰমে ধ্বংসৰ পথলৈ টানি নিব ধৰিছিল। এনেধৰ ধ্বংসোন্মুখীন অসমক ৰক্ষা কৰাই আছিল বেজবৰুৱাৰ কৃপাবৰী ৰচনাৰ মুখ্য আদৰ্শ। 'উদ্বোধন'ত তেওঁ—

"উঠ অসমীয়া, শুণ্ডৱি আৰু
কানীয়া বুলিব লোকে।
কানীয়া সোৰোপা বুলিব লাগিলে
মই মৰি যাম শোকে॥"

বুলি অসমীয়া লোকক মানৱতাৰ ভাবত উদ্বুদ্ধ হবলৈ সকিয়াই দি শেষত কৈছে—

"চকুৰ ফেচ্কুৰি ধুই অসমীয়া,
উন্নতিৰ বাটত লৰ।
নহলে পিছত পৰি পচি যাবি,
বিদেশীৰ খাবি চৰ।"

এনে প্ৰকাশভঙ্গী কটু হলেও কিন্তু ই বাস্তৱৰ সত্য আৰু ইয়াৰ মাজেদি কৃপাবৰী লক্ষ্য সাধনৰ চেষ্টাও সাৰ্থক হৈছে। যেতিয়া অসমক পূৰ্ববঙ্গৰ লগত লগ লগাই এজন গৱৰ্ণৰৰ অধীন কৰিলে, তেতিয়া সেইবেলা অসমৰ অৱস্থা যে অত্যন্ত শোচনীয় হব তাক তেওঁ অনুমান কৰি পুনৰ গঠনৰ প্ৰতিবাদ কৰিলে 'অৱতাৰ' প্ৰবন্ধৰ মাধ্যমত। অসম অকলে থকাত দুৰ্বল হলেও অসমীয়াসকল আছিল অসমীয়া হৈয়েই; কিন্তু পূৰ্ববঙ্গৰ লগত লগলগোৱাত অসমীয়া যেন মৰতে আলহী হব লগা হ'ল। তেওঁৰ কৃপাবৰী ভাষাত—"অসম আগেয়ে আছিল ভাল। তেতিয়া ছালছিগা অসমে শাকে-কচুৱে বা ওটেঙা এৰখলা তাতত দি পৰলীয়া

চাউলৰ ভাত এগাল খাই আছিল, ভাত কোনো বিদেশীয়ে "হো কটা" একেবাৰে বুলিবলৈ নাছিল, বা তেওঁৰ পৰলীয়া চাউলৰ ভাতগালত চকু দি "হাউ অ! মামৰা গৰুই ছাবাব নোৱাৰা এই পাত কাৰ হা?" বোলে'তা নাছিল; আৰু সেই বলী বিদেশীৰ গচ্‌-গতি দেখি তেওঁ ভয়ত "সেই পাত তোৰেই নে" বুলি নিজৰ বঢ়া ভাতপাত তাক এৰি দি আঁতৰি থিয় হৈ চকুৰ পানী টুকিব লগাগিছিল; আৰু ততালিকে সেই বিদেশীয়ে সন্তোষৰ হাঁহিৰে "হেঃ হেঃ বাপা, সেই চাবটি মোৰেই ন" বুলি ভাত বহি খোৱা দৃশ্য দেখিব নালাগিছিল।" জাতীয় জীৱনৰ দুৰৱস্থাৰ এনে মৰ্মস্পৰ্শী ছবি যথাৰ্থতে অত্যন্ত তাৎপৰ্য্যপূৰ্ণ। ইয়াৰ মাজেদিও ৰচকৰ জাতীয়তাবাদী মনৰ বিকাশ স্পষ্ট। এনে ৰচনাই আমাক হঁহুৱায় সঁচা, কিন্তু গভীৰভাবে মনোনিৱেশ কৰিলে জাতীয়-জীৱনৰ যি কৰুণ ছবি আমাৰ মনঃচকুৰ আগত উদ্দীপ্ত কৰি তোলে সি প্ৰত্যিগৰাকী অসমীয়াকেই কন্দুৱাব। বেজবৰুৱাৰ ভালেমান ৰূপাৱৰী হাস্যৰসাত্মক ৰচনাৰ আঁৰত লুকাই আছে কৰুণতাৰ এক ফল্গুধাৰা। তেওঁৰ ৰচনাৰ আকৰ্ষণ আৰু স্থায়িত্বৰ ইও এটা প্ৰধান কাৰণ।

বেজবৰুৱাই ৰূপাৱৰী বিচ্ছিন্ন আৰু বিক্ষিপ্ত ভাৱসম্পন্ন ৰচনাবোৰত ভাষা-সাহিত্যৰ পৰা ৰাজনীতি, অৰ্থনীতি, দৰ্শন, ধৰ্ম, আদি কৰি সমাজ-জীৱনৰ প্ৰায় সকলো দিশৰ ওপৰতে কাপ-মৈলাম লৈ অৱতীৰ্ণ হৈছে। 'মুষলপৰ্ব বা ঢেঁকীখোৱাপৰ্ব', 'উড্‌ডীয়মান অসমীয়া ভাষা', 'সাধুভাষাৰ জাল', 'নতুন অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ' প্ৰভৃতি কাৰ্টুনবোৰেৰে হাঁহি-কৌতুকৰ সহায়ত 'বাঁহী' যুগত উদ্ভৱ হোৱা ভাষা-বিষয়ক বাক্‌বিতণ্ডা আৰু 'ঢেঁকী কবি', 'কবিতা দেৱী', 'ববৰুৱা আৰু ঢোকাৰাম শৰ্মা', 'কবি পোৱালিৰ উৎপাত' প্ৰভৃতি কাৰ্টুন আৰু কেৰিকেচাৰেৰে তথাকথিত কবি সাহিত্যিকসকলক ব্যঙ্গ কৰি তৰল হাস্য-ৰসৰ সৃষ্টি কৰিলেও যথাৰ্থতে এনেবোৰ ৰচনাই লক্ষ্মীনাথ বেজবৰুৱাৰ স্বৰূপ প্ৰকাশ কৰিব পৰা নাই যেন লাগে। অৱশ্যে এইবোৰৰ মাজেদিও তেওঁৰ চিৰ নবীন সংগ্ৰামী মনোভাৱ ৰূপায়িত নোহোৱাকৈ থকা নাই। কিন্তু 'সম্মোহন কাব্য', 'দিনৰ সপোন' প্ৰভৃতি কাৰ্টুনবোৰে তেওঁৰ প্ৰকৃত সংস্কাৰকামী মনকেই পৰিস্ফুট কৰি তুলিব পাৰিছে। 'ভোটৰ উপদ্ৰৱ' শীৰ্ষক কাৰ্টুনৰ তলত বেতিয়া

"ভোটৰ বেলিকা বিদেশীজন অসমীয়া হয়।
আন কালত সকলোতে অসমীয়াক হিংসে,
কথায় কথায় অসমীয়াক 'ভূত' বুলি দংশে।"

বুলি বিদেশী বা বহিৰাগতৰ অসম আৰু অসমীয়া প্ৰীতিৰ স্বৰূপ দাঙি ধৰে,

ভেতিয়া অসম বিদ্বেষী বিদেশীৰ মনোভাব সুস্পষ্ট হৈ উঠে, অসমীয়ালোক আত্মসচেতন হৰলৈও সম্ভৱতঃ তেতিয়া দূৰপৰিকৰ হয়।

লক্ষ্মীনাথ বেজবৰুৱাইতৰ দিনত স্বাধীনতা আন্দোলনৰ বিৰাট পয়োভৰ। বেজবৰুৱাই কৃপাবৰী ৰূপত এই আন্দোলনৰ বিষয় মতামত দি আছিছিল। 'ভাৰত উদ্ধাৰ' (ওভতনি)ত তেওঁ গভীৰ বিশ্বাসেৰে অথচ হাঁহি উঠা ভঙ্গীৰে কৈছে—"চিঞৰি ভাৰত উদ্ধাৰ, বাখৰি ভাৰত উদ্ধাৰ, কেপ্‌কেপাই ভাৰত উদ্ধাৰ, কুচ্‌কুচাই ভাৰত উদ্ধাৰ, উচ্‌পিচাই ভাৰত উদ্ধাৰ নহয় নহয় নহয়।" তেওঁ একে প্ৰসঙ্গতে কৈছে—"হাতে কলমে কাম কৰা, দেখিবা ভাৰত উদ্ধৃত হৈ ৰৰচাঙৰ ওপৰত উঠি বহি হাঁহি আছে।" 'বন্দেমাতৰম্'ত এই তাৎপৰ্য্যপূৰ্ণ ধ্বনিটোৰ বিকৃত উচ্চাৰণক তেওঁ ব্যঙ্গ-বিদ্ৰূপ কৰিছে, যাৰ যি ইচ্ছা তেনেকৈ উচ্চাৰণ কৰাত যে এই জাতীয় ধ্বনিটোক অসম্মান কৰা হৈছিল তালৈ লক্ষ্য কৰিয়েই তেওঁ কৈছে—"পোন বাটেদি কথাটো কৰলৈ গলে, দেখোন "বন্দেমাতৰং গাওঁতে এটাই ডেঙ্কাউৰিয়াইছে, এটাই বেৰাইছে, এটাই কিৰিকিয়াইছে, এটাই গুজৰিছে, এটাই সেঁহাইছে, এটাই ফোঁপাইছে আৰু এটাই পঞ্চমত, এটাই খাদত, এটাই নিখাদত টানিব লাগিছে।..." জাতীয়-ধ্বনিৰ প্ৰতি এনে অসম্মান কৰা হেতুকে তেওঁ অসমীয়াৰ কাৰণে ধ্বনি উলিয়ালে—"ক্ৰাইট্‌-ক্ৰোট্‌-ক্ৰেট" ই অৰ্থশূন্য, যাৰ যেনেকৈ ইচ্ছা তেনেকৈ উচ্চাৰণ কৰিলেও একো হানি নাই। এনেবোৰ কথাই ইহঁতৰাই যদিও আচলতে ই কৌতুকোদ্দীপক। সমাজ সচেতন বেজবৰুৱাই স্পষ্টকৈ বুজিছিল যে ঃম ঘূৰণীয়া মেজমেল ব্যৰ্থ হব, কাৰণ তাত বাইজৰ প্ৰতিনিধি কংগ্ৰেছী নেতৃবৃন্দই সহযোগিতা কৰা নাছিল। তালৈ লক্ষ্য কৰি তেওঁ 'ঘূৰণীয়া মেজমেল' (বুৰবুৰণি) প্ৰবন্ধত মন্তব্য দিছে—"সেই বিলাতপ্ৰবাসী ভাৰতীয় মেলুৱৈসকলে যিহকে কথন-মথন কৰক, তেওঁলোকৰ কথা ভাৰতৰ সৰ্বসাধাৰণে শুনিব বুলি মোৰ মনে নধৰে। তেওঁলোকক ভাৰতৰ সৰ্বসাধাৰণে নিজৰ প্ৰতিনিধি পঠিওৱা নাই। ভাৰতৰ প্ৰতিনিধিসকল বৰ ফাটকৰ ভিতৰত...এতেকে বিলাতৰ মেলত মেলুৱৈসকলে গোৰা-বোৱাবোৰ খোলাকুটিৰ ভাল হব।" (বৰবৰুৱা লগাই সংবাদ বুৰবুৰণি)। তেওঁ স্বাধীনতা আন্দোলন সমৰ্থন কৰিছে, গান্ধী আৰু স্বেচ্ছাসেৱকসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰি সহানুভূতিও জ্ঞাপন কৰিছে। তেওঁ ইংৰাজ চৰকাৰক দৈত্য হিৰণ্যকশিপু, গান্ধীক প্ৰহ্লাদ আৰু স্বেচ্ছাসেৱকসকলক দৈত্যশিশুৰ লগত তুলনা কৰি কীৰ্ত্তনৰ প্ৰহ্লাদ চৰিত্ৰৰ পৰা পদ মাতি মাতি ইহঁতৰাল যদিও আচলতে অদমনীয় স্বাধীনতা আন্দোলনৰ শক্তিৰ কথাহে শেষত পাঠক-পাঠিকাৰ মনত স্পষ্ট কৰি তোলে।

সবাইৰ প্ৰশ্নৰ উত্তৰৰ ছলেৰে স্বেচ্ছাসেৱকসকলৰ দুৰৱস্থাৰ কথা যেতিয়া—"মই শুনিছোঁ সিহঁতৰ হাতত পাঁচ অনা নালাগে, দিনৌ দুসাজৰ নিমিত্তে পাঁচ পইচাও নাই। সিহঁতে এসাজ আদ্‌পেটাকৈ খায় আৰু এসাজ লঘোণে থাকে।" তেতিয়া সম্ভৱতঃ পাঠক-পাঠিকাৰ অন্তৰ স্বেচ্ছাসেৱকসকলৰ প্ৰতি শ্ৰদ্ধা আৰু সহানুভূতিত আপোনা-আপুনি-আকৰ্ষিত হয়। ইংৰাজ লেখক গোল্ডস্মিথৰ দৰে বেজবৰুৱাও যুদ্ধ-বিৰোধী আছিল। 'মৃত্যুফল' (বুৰবুৰণি) শীৰ্ষক প্ৰবন্ধত তেওঁ স্পষ্টকৈ কৈছে—"যুঁজ কৰি মৰে নিৰ্দোষী (Wrong persons) অৰ্থাৎ মৰিব নলগীয়া সাধাৰণ খেতিয়ক গাঁৱলীয়া আৰু নগৰীয়া কেৰাণী-মহৰীবোৰ, ধোবা, নাপিত, কমাৰ, চমাৰ, কুমাৰ, হজুৰাবোৰ। আৰু যাৰ দোষত যুঁজ সংঘটিত হয়, সেইবোৰে যুদ্ধ ক্ষেত্ৰৰ পৰা তিনিদিন বাটতে আঁৰ হৈ থাকি সাবে।" তেওঁ মুখেৰে "ভাইহঁত মৰি যোৱা, জল্‌দি মৰাঁ, ঝট্‌পট্‌ মৰাঁ, দ্ৰুতবেগে মৰাঁ, মৰি দেশধন উদ্ধাৰ কৰাঁ।" বুলি খেমালি কৰিলেও কিন্তু অনাহক মৃত্যুক সমৰ্থন কৰা নাই। তেওঁৰ কৃপাবৰী ৰচনাৰ ভিতৰত এনে তাৎ-পৰ্য্যপূৰ্ণ কৌতুক আৰু ভাবোদ্দীপক আলোচনা বহুতো আছে—যিবোৰৰ তাৎ-পৰ্য্য সুদূৰ প্ৰসাৰী।

এই কৃপাবৰী ৰচনাবোৰৰ ভিতৰত 'তিনিমাহাত্ম্য,' 'ভুল', 'বাৰজন বিখ্যাত লোকৰ জীৱন-চৰিত্ৰ', 'অশ্বাৰোহণ পৰ্ব' আদি কৰি কেতবোৰ প্ৰবন্ধ কেৱল হাঁহিৰ কাৰণে ৰচিত বুলি ধৰিলেও কিন্তু সেইবিলাকৰ মাজেদিও লক্ষ্মীনাথ বেজবৰুৱাৰ আবিষ্কাৰধৰ্মী মন আৰু তেওঁৰ প্ৰকাশভঙ্গীৰ সুকৌশলৰ লগত সুপৰিচিত হোৱা যায়। এইবোৰত শব্দ আৰু বাক্য প্ৰয়োগৰ চাতুৰ্য্যেৰে হাস্যৰসৰ অৱতাৰণা কৰা হৈছে। 'বুঢ়া মেঠা সংৰক্ষণী সভা'ৰ দৰে প্ৰবন্ধ অৰ্থহীন বুলি ভবা যায় সঁচা, কিন্তু ইয়াত তেওঁ চেষ্টাৰটনৰ দৰে বয়সীয়ালসকলৰ যুৱকসকলৰ প্ৰতি থকা সন্দেহ আৰু সন্দিগ্ধতাৰ ভাৱকেই পৰিস্ফুট কৰি তুলিছে।

নিৰৰ্থক কথা লক্ষ্মীনাথ বেজবৰুৱাই প্ৰায়েই কোৱা নাই। সমাজ-জীৱনত বিভিন্ন সময়ত দেখা দিয়া ভিন ভিন সমস্যাবোৰৰ কথাই তেওঁ কৈছে। তাকে কৈছে, কেতিয়াবা সৰল হাস্যোদ্দীপক ভঙ্গীৰে, কেতিয়াবা ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত আৰু আন কেতিয়াবা কৌতুকৰ সহায়ত। তেওঁ কেতিয়াবা কৈছে—ভাষা-সাহিত্যৰ কথা, কেতিয়াবা বিহু উৎসৱৰ কথা, কেতিয়াবা স্ত্ৰী স্বাধীনতাৰ কথা, কেতিয়াবা দেশৰ ৰাজনৈতিক অৱস্থা'ৰ কথা আৰু আন কেতিয়াবা 'সত্য আৰু অসত্য', 'যুগধৰ্ম' আদিত কোৱাৰ দৰে ধৰ্মীয় বা দাৰ্শনিক তত্ত্বপূৰ্ণ কথা। "বৰবৰুৱাৰ হাঁহ-চুৰি মোকৰ্দমা'ত তেওঁ হাস্যোদ্দীপক ভঙ্গীৰে সঁচাক মিছা আৰু

থিয়াক-সঁচা কৰিব পৰা উকিল শ্ৰেণীৰ মানুহকো ৰূপায়িত কৰিবলৈ পাহৰা নাই। সমাজ-জীৱনত যেতিয়াই যিটো সমস্যা উদ্ভব হৈছে, তেতিয়াই তেওঁ সেইটো সমস্যাৰ ওপৰত হাঁহি, ব্যঙ্গ-বিদ্ৰূপ বা কৌতুকৰ সহায়ত কিবা এটা সৃষ্টি কৰিছে,—হয়তো ই হৈছে পেৰোডি, কেৰিকেচাৰ বা কাৰ্টুন,—নতুবা 'তত্ত্বকথা', 'ভগৱৎ কথা' বা 'শ্ৰীকৃষ্ণকথা'ত সন্নিবিষ্ট গধুৰ তত্ত্বপূৰ্ণ তাত্ত্বিক আলোচনা। তেওঁ যেনেকৈ কোনো বিষয়কেই এৰা নাই, তেনেকৈ এৰা নাই কোনো শ্ৰেণীৰ মানুহকো। সমাজ-জীৱনৰ দৰে তেওঁ ব্যক্তি জীৱনৰ ওপৰতো ব্যঙ্গ-বিদ্ৰূপৰ তীক্ষ্ণবাণ নিক্ষেপ কৰিছে। তেওঁৰ সময়ৰ অসমীয়া ভাষাৰ 'আখৰ জোঁটনি' সমস্যাক লৈও তেওঁ ব্যক্তি বিশেষৰ বিৰুদ্ধে তত্বময়া যুদ্ধত প্ৰবৃত্ত হৈছে— ঢোকাৰাম শৰ্মা কাব্যবিশাৰদ, টিকিধৰ শৰ্মা, নাঙলুচন্দ্ৰ আদি নামেৰে বিশেষ কবি ক্ষত-বিক্ষত কৰি তুলিছে। জাত-কুল, ধৰ্ম-সম্প্ৰদায়, দেশী-বিদেশী, স্ত্ৰী-পুৰুষ নিৰ্বিশেষে তেওঁ সকলো শ্ৰেণীৰ ব্যক্তিকেই তেওঁৰ কৃপাৱৰী ৰচনাত ৰূপায়িত কৰি তুলিছে—সৰহ ক্ষেত্ৰতে ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত। সেই কাৰণে টেইন (Taine) আদি কৰি সমালোচকসকলৰ ভাষাৰে কবলৈ হলে যিজন লোকে গোটেই জীৱন জুৰি আনৰ দোষ-ক্ৰটী বিচাৰি কটালে আৰু আনক লৈ ব্যঙ্গ-বিদ্ৰূপ কৰিলে, তেওঁ নিশ্চয় হৃদয়হীন হব। সঁচা কথা, বেজবৰুৱাই কোনোকো নিষ্কৃতি দিয়া নাই, তেওঁ কবি, সাহিত্যিক, সমালোচক, ৰাজনীতি-বিদ, শিক্ষক, পুৰাতাত্ত্বিক প্ৰত্নতাত্ত্বিক, দেশপ্ৰেমিক কোনোকো নিষ্কৃতি দিয়া নাই; সকলোকে তেওঁ ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত তীব্ৰভাবে সমালোচনাৰ বাণেৰে ক্ষত-বিক্ষত কৰি তুলিছে। আনকি 'টকৰ দোৰাত্ম্য,' 'বুঢ়াৰ জীয়েকৰ বাণ,' 'এদ্ধাৰীৰ অসম্পূৰ্ণ প্ৰেমপত্ৰ' আদি কৰি কোনো কোনো ৰচনাত যি লোকে ব্যঙ্গ-বিদ্ৰূপ নুবুজে বা বুজাৰ মানসিক প্ৰস্তুতি নাই, তেনে লোকতো তেওঁ তীব্ৰ-ভাবে কটাক্ষ পাত কৰিবলৈ এৰা নাই। এনেবোৰে তেওঁৰ সাহিত্যৰ অনৌচিত্য দোষ নিৰ্দেশ কৰে, সাহিত্যিক সৌন্দৰ্য্যও লাঘৱ কৰে।

কিন্তু বেজবৰুৱা হৃদয়হীন বা নিমৰমীয়াল নাছিল। তেওঁ আছিল যথাৰ্থ জাতীয়তাবাদী আৰু বিশেষকৈ অসম আৰু অসমীয়া প্ৰেমী। জীৱনৰ আদিম ছোৱাত তেওঁ তৰল হাস্যৰসাত্মক বা অনৌচিত্য দোষ দুষ্ট সাহিত্য ৰচনা কৰিলে যদিও শেষৰ ফালে তেনে দোষ দেখা নাযায়। শেষৰ ফালে ৰচিত ৰচনাবোৰৰ মাজেদি প্ৰায়েই গধুৰ আৰু হৃদয়সংবাদী ভাবহে হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ সহায়ত ৰূপায়িত কৰি তুলিছে। জাতীয় জীৱনত যেতিয়াই যিটো সমস্যাৰ উদ্ভব হৈছে তেওঁ তেতিয়াই তাৰ সমাধান কল্পে কাপ-কৈলাম

লৈ অৱতীৰ্ণ হৈছে। অসঙ্গত দোষ, ব্যক্তিগত আক্ৰমণ আদি বহুতেই আছে; কিন্তু সকলো ৰচনাৰে কেন্দ্ৰীয় ভাব জাতীয়তাবাদ বা দেশাত্মবোধ হোৱা হেতুকে আনসকলো দোষ ক্ষমনীয় হৈ পৰে। কাকতৰ টোপোলাত সন্নিবিষ্ট 'কৃপাবৰ বৰুৱাৰ চনেট'ত "বাহৰণী বৰবৰুৱা চিন্তে পৰব ইষ্ট।" বুলি তেওঁ নিজে দাবী কৰাৰ দৰে যথাৰ্থতে তেওঁ কৃপাবৰী ৰূপেৰে "পৰব ইষ্ট" সাধন কৰিয়ে গ'ল। তেওঁৰ ৰচনাবোৰ সঁচ'কৈয়ে "দুইৰ পিঠিত থিয় কিল" আৰু 'সান্তৰ প্ৰতি কলচী' স্বৰূপ। লোকে অসম আৰু অসমীয়াক নিন্দা কৰা কথা তেওঁ সহিব নোৱাৰে—"কানীয়া সোবোপা বুলিব লাগিলে মই মৰি যাম শোকে" (উদ্বোধন)। সেয়ে তেওঁ শব্দ আৰু ভাবৰ ব্যঙ্গ-বিদ্ৰূপাত্মক অস্ত্ৰ নিক্ষেপ কৰি জাতীয় জীৱন সংশোধন কৰি পবিত্ৰ আৰু নিৰ্মল কৰিব বিচাৰে। ভাষা আৰু শব্দ প্ৰয়োগ কৌশল আৰু চাতুৰ্য্যৰ ওপৰতে তেওঁৰ কৃপাবৰী ৰচনা-সমূহৰ আকৰ্ষণ নিৰ্ভৰ কৰিছে। বিখ্যাত নাট্য-সমালোচক এ, নিকলে (A. Nicoll) কোৱাৰ দৰে—"তেওঁ শব্দৰ খেলা খেলে, তেওঁৰ কল্পনা তীব্ৰগামী হয় আৰু কল্পনাৰ গতি অনুসৰি ভাব আৰু ভাষাই এনে গচ লয় যে তেওঁৰ লগতে আনকো হুঁহুৱায়।"

মানুহে হাঁহে আৰু হাঁহিব জানেও; কিন্তু অন্যান্য পশু-পক্ষীয়ে নাহাঁহে, আৰু হাঁহিব নাজানেও। হাঁহিয়ে মানুহক অন্যান্য পশু-পক্ষীৰ পৰাও পৃথক কৰে আৰু এই কাৰণেও মানুহক জীৱশ্ৰেষ্ঠ বুলিব পাৰি। মানব সভ্যতাৰ আৰু মানুহৰ মহানুভৱ প্ৰেম-প্ৰীতিৰ এটি প্ৰধান উপাদান হাঁহি। হাঁহিয়ে মানুহক সুস্থ, সতেজ আৰু সবলো কৰে। আমি অজ্ঞতাবশতঃ বেজবৰুৱাৰ হাস্য-ৰসাত্মক সাহিত্যৰাজীক বহুৱালি বুলি উপহাস কৰিব পাৰোঁ সঁচ, কিন্তু যিজন মানুহে সততে প্ৰতিকূল পৰিবেশৰ মাজত থাকি তেওঁৰ অসংখ্য ৰচনাৰ মাজেদি আমাক হুঁহুৱালে আৰু চিৰদিন হাঁহি থাকিবলৈ ব্যৱস্থা কৰি দিলে, তাৰোপৰি যিজন ব্যক্তিয়ে হাঁহিৰ মাজেদি আমাক ব্যক্তিগত আৰু জাতিগত ভাবেও মানুহ হোৱাৰ সন্ধান দি গ'ল, তেওঁৰ ওচৰত আমি অসমীয়া জাতিটো কিমান গভীৰ-ভাবে ঋণী, তাক স্থিৰতাৰে বিবেচনা কৰা যুগুত। সঁচা কথা, বেজবৰুৱাও সমাজৰেই সৃষ্টি, কিন্তু তেওঁ অন্যান্য সাধাৰণলোকৰ দৰে সমাজ বা পৰিবেশৰ দাস নাছিল সকলো সময়তে পৰিবেশৰ ওপৰত আধিপত্য কৰিব পৰাই আছিল তেওঁৰ বৈশিষ্ট্য। সেই কাৰণেই তেওঁৰ হাস্যৰসাত্মক ৰচনাৱলীও আমাৰ কাৰণে বিশেষ ধৰণে তাৎপৰ্য্যপূৰ্ণ আৰু শিক্ষাপ্ৰদ।

বেজবৰুৱাৰ ৰচনাশৈলী

ৰচনাশৈলীৰ অৰ্থ ব্যাপক ; ৰচনাশৈলীৰ দ্বাৰাই সাহিত্যৰ সম্যক আভাস পোৱা যায়, ৰচনাশৈলীৰ সহায়ত সাহিত্যিক ব্যক্তি গৰাকীকো জনা যায়। ৰচনাশৈলীৰ বৈশিষ্ট্যই কোনো এগৰাকী বিশিষ্ট সাহিত্যিকৰ সাহিত্যিক বৈশিষ্ট্যও নিৰ্ণয় কৰে। মৌলিকতা ৰচনাশৈলীৰ প্ৰাণ। সাহিত্য ৰচনাত যিমানেই মৌলিকতাৰ পৰিচয় দিব পৰা হয় ৰচনাশৈলীৰ সৌন্দৰ্য্য আৰু আকৰ্ষণো সিমানেই বাঢ়ে।

সাধাৰণতে বিষয়বস্তু, সাহিত্যিকৰ ব্যক্তিত্ব আৰু প্ৰকাশভঙ্গী এই তিনিটা উপাদানৰ ওপৰত ৰচনাশৈলী নিৰ্ভৰ কৰে। বিষয়বস্তু যদি মৌলিক আৰু মহত্বপূৰ্ণ হয়, তেনেহলে তেনে বিষয়বস্তুযুক্ত সাহিত্যই পাঠক-পাঠিকাৰ মন গভীৰ ভাবে আকৰ্ষণ কৰা স্বাভাৱিক। মহাকাব্য ৰামায়ণৰ কাহিনীভাগ মহত্ব-পূৰ্ণ হোৱা কাৰণে 'যে সি মহাকাব্য ৰূপে সম্মানিত হৈ আহি আছে ই ধ্ৰুৱ। হৰণকাৰ্য্য হয়তো দিনে-ৰাতিয়ে সংঘটিত হৈয়ে আছে, কিন্তু সীতা-হৰণৰ দৰে হৰণকাৰ্য্য আৰু হোৱা নাই। সেই কাৰণে সীতাহৰণৰ ওপৰত ৰচিত ৰামায়ণৰ সদৃশ মহাকাব্য আজিও দ্বিতীয়খন আৰু জগতত সৃষ্টি হোৱা নাই। ৰামায়ণ ৰচনা কাৰ্য্যত মহাকবি ৰাল্মীকিয়ে কলাকুশলতা আৰু জ্ঞান-গভীৰতাৰো কম সুন্দৰ পৰিচয় দিয়া নাই। ৰচনা ৰীতিৰ অপূৰ্বতা, বিষয়বস্তুৰ গভীৰতা আৰু মহাকবি ৰাল্মীকিৰ অভ্ৰভেদী ব্যক্তিত্বই ৰামায়ণ মহাকাব্যক আবহমান কাললৈ মহাকাব্যৰ আসনতেই অধিষ্ঠিত কৰি ৰাখিব ; ইয়াৰ মহত্ব নকমে, হয়তো বাঢ়িবহে। ৰাণ্টাৰ পেটাৰৰ ভাষাৰে কবলৈ হলে—"যি সাহি-ত্যই বিষয়বস্তুৰ গাম্ভীৰ্য্য, ব্যাপকতা, বৈচিত্ৰ্য আৰু শিল্পনৈপুণ্যভাৱে জীৱনত মহত্ব আৰোপ কৰে, য'ত বিপ্লৱৰ গভীৰ ব্যঞ্জনা বা জীৱনৰ প্ৰতি গভীৰ

আশা আৰু আশ্বাসেৰে জীৱন উদ্বেলিত কৰি তোলে, তেনে সাহিত্যই হব মহান সাহিত্য (৪৪)।

সুসাহিত্য ৰচনা কৰিবলৈ আৱশ্যক সুশিল্পীৰ দৃষ্টিৰ। সুসাহিত্য মন, চকু, কাণ সকলোৰে কাৰণে তৃপ্তি বা আনন্দদায়ক হব লাগিব। মনেৰে ভাল বুলি বিবেচিত হোৱা কথা চকুই ভাল দেখিব লাগিব আৰু তাৰ প্ৰতি কাণো আকৰ্ষিত হব লাগিব। ইয়াৰ কাৰণে আৱশ্যক সংযত সাহিত্যিক সাধনাৰ। সুসাহিত্য ৰচনাৰ কাৰণে সাহিত্যিকে সাহিত্য কলাৰ ওপৰত আধিপত্য লাভ কৰিবলৈ সাধনাৰ আদৰ্শৰে আগবঢ়াৰ লগে লগে তেওঁ আয়ত্ত কৰিব লাগিব সামাজিক জ্ঞান,—তেওঁ সামাজিক ৰুচি-অভিৰুচিৰ বিষয় সজাগ হবই লাগিব; তেতিয়াহে সাহিত্য-সৃষ্টি হব সাৰ্থক। অৱশ্যে এইটোও সত্য যে অসীম প্ৰতিভাশালী সাহিত্যিক সকলে সামাজিক ৰুচি-অভিৰুচিৰো পৰিবৰ্তন নসধা নহয়। আমি বেজবৰুৱা-সাহিত্যৰ ৰচনাশৈলী আলোচনা প্ৰসঙ্গত এনে ভালে-মান কথা মনঃচক্ষুৰ আগত উজ্জলাই ৰাখিহে আলোচনাত প্ৰবৃত্ত হব লাগিব।

বেজবৰুৱাই কবিতা, নাটক, গল্প, উপন্যাস, শিশু-সাহিত্য, কেৰিকেচাৰ, কাৰ্টুন, সমালোচনা প্ৰভৃতি সাহিত্যৰ প্ৰায় সকলো বিভাগতেই অৰিহণা যোগাইছে। ভিন ভিন ভাবৰ ওপৰত তেওঁৰ এই বিপুল পৰিমাণৰ সাহিত্যৰাজী গঢ়ি উঠিছে। কিন্তু তেওঁৰ ৰচনাৱলীৰ সৰহভাগেই অসমকেন্দ্ৰী। অসমৰ ভাষা, সাহিত্য, ধৰ্ম্ম, সংস্কৃতি, ৰাজনীতি, বুৰঞ্জী আৰু অসমৰ সমাজ ব্যৱস্থাক কেন্দ্ৰ কৰিয়েই তেওঁ প্ৰায় সকলোবোৰ সাহিত্য ৰচনা কৰিছে। 'প্ৰেম', 'প্ৰিয়তমা', 'ঈশ্বৰ আৰু ভকত', 'মহাপ্ৰয়াণৰ যাত্ৰী', 'ধনবৰ আৰু ৰতনী', 'নিমাতী কইনা' আদি কেইটামান কবিতা, 'ৰাপিৰাম', 'ভদৰী', 'জয়ন্তী', প্ৰভৃতি কেইটামান গল্প, ধৰ্মীয় আলোচনাসমূহ আৰু তেনে কিছু সৃষ্টি নিশ্চয়কৈ বিশ্ব-সাহিত্যৰ সম্পদ স্বৰূপ। অন্যান্য সৰহভাগ সাহিত্য কিন্তু অসম আৰু অসমীয়াৰ কাৰণেহে ৰচিত। বহল মানৱতাৰ ওপৰত প্ৰতিষ্ঠিত হৈ তেওঁ মানৱতাৰ কাৰণে সাহিত্য ৰচনা কৰিবলৈ প্ৰবৃত্ত হোৱাই নাছিল যেন লাগে। তেওঁৰ বীণেও অসমৰহে যশ-গুণ গায়,—মানৱতাৰ জয়গান বেজবৰুৱাৰ বীণৰ তাঁৰত ঝংকাৰিত হোৱা শুনা নাযায়; অসমৰ জয়গান শুনি তেওঁ নিজৰ লগতে সদৌ অসমবাসীকে হিয়া বলৱন্ত কৰি গঢ়ি লব বিচাৰে। তেওঁৰ নাটক আৰু উপন্যাসৰ বিষয়-বস্তুও অসম-বুৰঞ্জীৰ পৰা গ্ৰহণ কৰা। শিশু-সাহিত্য ৰূপে সৃষ্ট সাধুকথাখিনি মৌলিক নহয় যদিও বেজবৰুৱাই তাৰ ভাষা দিছে, আৰু কোনো কোনো গল্পৰ

(৪৪) Walter Horatio Pater : Appreciations, Page 34.

বিষয়বস্তুৰ বিশ্বসাহিত্যত প্রচলিত সাধুকথাৰ বিষয়বস্তুৰ লগত সাদৃশ্য আছে। তেওঁৰ কেৰিকেচাৰ আৰু কাৰ্টুনধৰ্মী ৰচনাখিনিও অসম আৰু অসমীয়াক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে বুলিব পাৰি। কেৰিকেচাৰ আৰু কাৰ্টুনবোৰত একে ভাবো প্ৰায়েই ব্যঞ্জিত হোৱা উপলব্ধি কৰা যায়। সেই কালৰ পৰা বেজবৰুৱা সাহিত্যৰ বিষয়বস্তুৰ পৰিধি কিছু সংকীৰ্ণ। কিন্তু তেওঁ সকলো দিশতেই সাহিত্য ৰচিছে, তেওঁৰ সাহিত্যই সমাজ-জীৱনৰ কোনো এটা দিশকেই নাসামৰাকৈ থকা নাই। তেওঁ ভাষা, সাহিত্য, ধৰ্ম, কেৰিকেচাৰ, কাৰ্টুন, সমালোচনা আদি কৰি সকলো দিশতেই ব্যাপক ভাবে সাহিত্য সৃষ্টি কৰিছে। তেওঁৰ সৃষ্টি ব্যাপক হোৱা কাৰণে বিষয়বস্তুও। হ'ল ব্যাপক, ধৰ্মীয় আলোচনা-বোৰ বিশ্বসাহিত্যৰ সমধৰ্মী আলোচনাৰ সমকক্ষ, কেৰিকেচাৰ ধৰ্মী ৰচনাসমূহো বিশ্বৰ অন্যান্য শ্ৰেষ্ঠ কেৰিকেচাৰিষ্টসকলৰ ৰচনাৰ সদৃশ। সেয়ে বেজবৰুৱা সাহিত্যৰ বিষয়বস্তুৰ বৈচিত্ৰ্যতাই অন্ততঃ পাঠক-পাঠিকাৰ মনত চমৎকাৰিত্বৰ সৃষ্টি কৰে আৰু ই অজানিতে মন-প্ৰাণো হৰণ কৰে। বহল মানৱতাৰ কাৰণে বেজবৰুৱাৰ সকলোবোৰ সাহিত্যৰ সমাদৰ নাথাকিব পাৰে, কিন্তু অসম আৰু অসমীয়া প্ৰেমৰ ওপৰত তেওঁৰ সাহিত্যৰাজী গঢ়ি উঠা কাৰণে বেজবৰুৱা-সাহিত্যৰ বিষয়বস্তু প্ৰতিগৰাকী অসমীয়াৰ কাৰণে অতিশয় আকৰ্ষণীয় আৰু আনন্দদায়ক।

ব্যক্তিত্বহীন সোপাসেবেলুৱাৰ সাহিত্যই কিন্তু সমাজৰ ওপৰত স্থায়ী প্ৰভাৱ বিস্তাৰ কৰা টান। সেয়ে সাহিত্য ৰচনা ক্ষেত্ৰত প্ৰতিভাৰ উপৰিও আৱশ্যক সাহিত্যিকৰ ব্যক্তিত্বৰ। সাহিত্যিকৰ অভ্ৰভেদী ব্যক্তিত্বৰ ওপৰতহে সাহিত্যিক সৌন্দৰ্য্যও নিৰ্ভৰ কৰে। ব্যক্তিত্বশীল নহলে সাহিত্য সাধাৰণতে হয় গতানুগতিক, আৰু সাধাৰণতে তাৰ মাজেদি ইপ্সিত সত্য-তথ্যও প্ৰকাশ নহয়। মিল্টনৰ মহাকাব্য 'পেৰাডাইজলষ্ট'ৰ সমাদৰ বৰ্দ্ধিত হৈ থকাৰ মূলতে নিহিত আছে কবি মিল্টনৰ অভ্ৰভেদী ব্যক্তিত্ব। 'পেৰাডাইজলষ্ট'ৰ মাজেদি প্ৰকাশিত কবি মিল্টনৰ ব্যক্তিত্বই তেতিয়াৰ ইংলণ্ডৰ ৰাজশক্তিক বিস্মিত কৰি তুলিছিল। তেওঁৰ মহাকাব্যৰ লক্ষ্য আছিল—"To show the way of God to men" আৰু প্ৰতিষ্ঠা কৰিছিল—"It is better to reign in hell than to serve in heaven." অৰ্থাৎ মুক্তি, জীৱন্মুক্তি আৰু সমাজমুক্তি আছিল তেওঁৰ পৰমকাম্য। ইয়াক কাব্যৰ মাজেদি প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে তেওঁ কম প্ৰতিকূলতাৰ সন্মুখীন হোৱা নাছিল। মিল্টনেই ইংৰাজী সাহিত্যত তেওঁৰ মহাকাব্যৰ জৰিয়তে অমিত্ৰাক্ষৰ ছন্দ (Blank Verse) প্ৰতিষ্ঠা কৰিলে, সেৰাম্বক শব্দ-

প্ৰয়োগ তেওঁৰ ৰচনাৰ অন্যতম প্ৰধান বৈশিষ্ট্য, তেওঁৰ মহাকাব্য আছিল গ্লাচিক-ধৰ্মী, পুনৰাবৃত্তি কতো নাই, সম্পূৰ্ণকৈ নতুনৰ পৰা নতুন জগতলৈ পাঠকৰ মন আকৰ্ষণ কৰিয়ে থাকে। গেব্ৰাইল, বেলিয়েল আৰু চেতনাৰ সদৃশ সাহসী চৰিত্ৰও ইংৰাজী সাহিত্যত সৰ্ব্বপ্ৰথম মিল্টনেহে ৰূপায়িত কৰিলে। মিল্টনক তেওঁৰ সমকালীন সমালোচকসকলে তীব্ৰভাবে সমালোচনা কৰিলে, আনকি ড্ৰাইডেনৰ সদৃশ বিজ্ঞ সমালোচক গৰাকীও মিল্টনক কটু সমালোচনা কৰিবলৈ নেৰিলে। এনে প্ৰতিভাশালী আৰু বিশেষকৈ ব্যক্তিত্ব সম্পন্ন সাহিত্যিক বিশ্ব-সাহিত্যত আৰু ভালেমান আছে। কবি ভৱভূতি ব্যক্তিত্ব বা সাহসিকতাৰ কাৰণে ভাৰতীয় সাহিত্য জগতত সুবিখ্যাত।

অসমীয়া সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য পঢ়িলেও আমি তেওঁক অসীম সাহসী আৰু ব্যক্তিত্ব সম্পন্ন বুলি অনুভৱ কৰোঁ। প্ৰতিকূলতাৰ বিৰুদ্ধে আৰু প্ৰতিকূলতাৰ মাজত আত্মপ্ৰতিষ্ঠাই আছিল তেওঁৰ সাহিত্যিক জীৱনৰ সৰ্ব্বপ্ৰধান বৈশিষ্ট্য। বেজবৰুৱা আৰু তেওঁৰ সতীৰ্থ জোনাকী যুগীয়া চন্দ্ৰকুমাৰ আগৰৱালা, হেমচন্দ্ৰ গোস্বামী প্ৰমুখ্যে সাহিত্যিকসকলে অসমীয়া সাহিত্যত এটা নতুন যুগৰ পাতনি মেলিলে,—যিটো যুগক কোৱা হয় অসমীয়া নৱন্যাস বা ৰোমাণ্টিক যুগ বুলি। তাতে আকৌ সেই যুগৰ কেন্দ্ৰীয় শক্তি আছিল লক্ষ্মীনাথ বেজবৰুৱাহে। তেওঁ ইংৰাজী সাহিত্যৰ ড্ৰাইডেন যুগৰ হাঁহি-কৌতুক আৰু ব্যঙ্গ-বিদ্ৰূপৰ ওপৰত যিবোৰ সাহিত্য ৰচনা কৰি গ'ল সি অসমীয়া সাহিত্যত আৰু অভিনৱ। এই ব্যঙ্গাত্মক সাহিত্য ৰচনা কৰা হেতুকে তেওঁক তেওঁৰ সমসাময়িক সকলে বহুৱা পাতি লৈছিল আৰু তেওঁৰ সাহিত্যক অভিহিত কৰিছিল বহুৱালি বুলিহে। কিন্তু বেজবৰুৱাই আত্ম-বিশ্বাস নেহেৰুৱালে, বৰং হাস্যৰসিক হিচাবে নিজক তেওঁ বিশ্ববিশ্ৰুত হাস্যৰসিক সকলৰ লগত সমানে স্থান দিলে। বুৰবুৰণিত সন্নিবিষ্ট 'নোবেল প্ৰাইজ' শীৰ্ষক প্ৰবন্ধত তেওঁ উল্লেখ কৰিছে—"এই পৃথিৱীত তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰণি-কলীয়া গ্ৰীচ দেশত আছিল তেওঁৰ নাম এৰিষ্টফেনচ (Aristophanes)। দ্বিতীয়জন স্পেইনত আছিল, তেওঁৰ নাম চাৰ্ভেণ্টিছ (Cervantes)। তৃতীয়জন বুল দেশত আছিল, তেওঁৰ নাম জনাথান চুইফ্‌ট (Jonathan Swift)। চতুৰ্থজনৰ কথা নকলেও হব, (কাৰণ তেওঁ স্বয়ং বৰবৰুৱা)। তেওঁৰ নিজৰ সাহিত্যৰ ওপৰত থকা আত্ম-বিশ্বাস অন্যান্য ঠাইতো প্ৰকাশ পাইছে। কাকতৰ টোপোলাৰ পাতনিত তেওঁ দৃঢ়ভাবে কৈছে যে ইয়াক পঢ়ি "যাবজ্জীৱনলৈকে ৰাগ।হবিৰও পাৰি।"

'বাঁহী' বেজবৰুৱাৰ সাহিত্যিক জীৱনৰ শ্ৰেষ্ঠ অৱদান। 'বাঁহী' আৰু লক্ষ্মীনাথ বেজবৰুৱা অভিন্ন ; বেজবৰুৱাক বাদ দি 'বাঁহী'ৰ গৌৰৱৰ কথা ভাবিবই নোৱাৰি। আজিও বেজবৰুৱা প্ৰকৃত বৈশিষ্ট্যপূৰ্ণ সাহিত্যিকজন 'বাঁহী'ৰ বুকুতেই জিলিকি আছে। এই 'বাঁহী'কো কিন্তু অসমীয়া বাইজে সকলো সময়তে আদৰ-চেনেহ কৰা নাছিল। ইয়াক তেওঁ স্পষ্টকৈ জানিছিলো। বাইজে সাদৰি নললেও কিন্তু 'বাঁহী'ৰ ওপৰত বেজবৰুৱাৰ গভীৰ আস্থা আছিল। সেয়ে বৰ-বৰুৱাৰ বৰ আশীৰ্ব্বাদ' শীৰ্ষক প্ৰবন্ধত (বুলনি) তেওঁ আশা প্ৰকাশ কৰিছে—"বাঁহী ৰাজকাৰ্য্যত, দেশৰ কাৰ্য্যত, আৰু মাতৃ ভাষাৰ কাৰ্য্যত জয় যুক্ত হওক।" একেটা প্ৰবন্ধতে তেওঁ ভাষা-সাহিত্য আৰু স্বদেশ প্ৰেমহীন অসমীয়াসকলক পুৰুষৰ সলনি তিৰোতা বুলিও তিৰস্কাৰ কৰিবলৈ তেওঁ কুণ্ঠাবোধ কৰা নাই। তেওঁৰ ভাষাত—"কঁকালত চুৰিয়া আৰু ওঁঠত গোফ দেখিয়েই তুমি স্বভাৱ, চৰিত্ৰ আৰু গঢ়-গতিলৈ মন নকৰি, সিইঁতক (অসমীয়াক) মতা বুলি ধৰি বিপক্ষপাতি লৈ থুম মাৰিবলৈ সদায় মুৰ পাতা। বাস্তৱিকতে সেইবোৰ পুং বাচক নহয়, তিৰোতাৰ শাৰীৰ হে।" এনে ধৰণৰ সাহসী প্ৰকাশভঙ্গী যথাৰ্থতে সাহিত্যিক বেজবৰুৱাৰ সাহসী-ব্যক্তিত্বৰেই পৰিচায়ক।

বেজবৰুৱাই তেওঁৰ ৰচনাৰ বিষয় বস্তু, প্ৰকাশভঙ্গী বা আখৰ জোঁটনীৰ কাৰণেও প্ৰায়েই তুমুল বাক-বিতণ্ডাৰ সন্মুখীন হব লগাত পৰিছিল। তেওঁৰ সাহিত্য আৰু ভাষাক এক বুজন সংখ্যকলোকে স্বীকৃতিকে দিব খোজা নাছিল। 'বাঁহী'ৰ সমসাময়িক প্ৰায় আটাইকেইখন আলোচনীৰ পাততে এবাৰ নহয় এবাৰ বেজবৰুৱাৰ বিৰুদ্ধে তীব্ৰ সমালোচনা হৈছিল যে ধ্ৰুপ। অথচ তেওঁ তাৰ কাৰণে বিচলিত হোৱা নাছিল। তেওঁ নিৰ্বিকাৰ চিত্তে তেওঁৰ বিৰুদ্ধে উত্থাপন কৰা সমালোচনাসমূহ কিন্তু মানি লোৱা নাছিল, ভিন ভিন সমালোচনাৰ তেওঁ ভিন ভিন প্ৰত্যুত্তৰ দি সমালোচকসকলকহে অন্ধ কৰি পেলাইছিল। বেজ-বৰুৱাৰ সকলো ৰচনা আছিল তথ্য-পাণ্ডিপূৰ্ণ আৰু যুক্তি-যুক্ত। সেয়ে তেওঁ প্ৰতিবাদীসকলৰ মাজত সহজে আধিপত্য লাভ কৰি, সকলোকে প্ৰভাৱান্বিত কৰিবলৈও হৈছিল সমৰ্থ। এনেবোৰ কাৰণত বেজবৰুৱাৰ ৰচনা বা সাহিত্যৰ আকৰ্ষণ আৰু সমাদৰো বাঢ়িছিল।

আন এক শ্ৰেণীৰ সাহিত্য-সমালোচকে প্ৰকাশ ভঙ্গীৰ ওপৰতহে বিশেষ ভাবে গুৰুত্ব আৰোপ কৰে। আলংকাৰিক পণ্ডিত বামনৰ দিনৰ পৰা আমাৰ দেশত "বিশিষ্টা পদ ৰচনা ৰীতিঃ" বুলিয়েই কাব্যক জ্ঞান কৰা হৈ আছে। সুন্দৰ কলাযুক্ত প্ৰকাশভঙ্গীৰ সুপ্ৰয়োগ নহলে যে মহৎ বিষয়বস্তু যুক্ত সাহিত্যও

ব্যৰ্থ হয় তাৰ নিদৰ্শন সাহিত্য জগতত বিৰল নহয়। যথা স্থানত যথাৰ্থ শব্দ বা বাক্যচয়নৰ ক্ষমতা সুসাহিত্যিকৰ থাকে। শব্দাৰ্থৰ এনে সুসামঞ্জস্যপূৰ্ণ প্ৰয়োগলৈ লক্ষ্য কৰিয়ে সম্ভৱতঃ প্ৰাচীন আলংকাৰিক সকলে—"শব্দাৰ্থৌ সাহিত্যৌ কাব্যম্" বুলিও অভিমত প্ৰকাশ কৰি গৈছিল। দাৰ্শনিক সাহিত্য সমালোচক মহামতি ক্ৰোচেও প্ৰকাশভঙ্গীৰ মাধুৰ্য্যৰ ওপৰত সাহিত্যিক সৌন্দৰ্য্য নিৰ্ভৰ কৰে বুলি কৈ গৈছে। আন এগৰাকী ইংৰাজ সমালোচক এ, বেনেটেও প্ৰকাশভঙ্গীৰ দ্বাৰাই ৰচনা-শৈলীৰ মাধুৰ্য্য নিৰূপিত হয় বুলি কৈ গৈছে (Style is a form of words)।

সাহিত্যত সুন্দৰ সুন্দৰ শব্দ প্ৰয়োগ কৰিলেই নহব, কাব্যত এটা বিশেষ শব্দ প্ৰয়োগ কৰিলে তাৰ অভিপ্ৰেত অৰ্থত বাহিৰেও অন্যান্য আনন্দদায়ক বস্তুৰ কথাও পাঠক-পাঠিকাৰ চিত্তলৈ আহিব লাগিব। মুঠতে সাহিত্যৰ মাজেদি লেখকৰ সাহিত্যকৰ মননশীলতা আৰু আন্তৰিকতাই পূৰ্ণ ৰূপ পৰিগ্ৰহ কৰিব লাগিব,—যাৰ কাৰণে আজি ৰচনা-শৈলীকেই সাহিত্যিক মানুহজন বুলি অভিহিত কৰা হয় (Style is the man)। লঞ্জিনিয়াচৰ দিনৰ পৰা ব্যক্তিত্বৰ ধ্বনি-প্ৰতিধ্বনিকেই ৰচনা-শৈলী (Height. of style is the echo of a great personality.—Langinus) বুলি সকলোৱে স্বীকাৰ কৰি আহিলেও সুন্দৰ ৰচনা-শৈলী হবলৈ হলে একান্ত ব্যক্তিগত কথাও একান্তভাৱে নৈৰ্ব্যক্তিক হোৱা বাঞ্ছনীয়। সেই কাৰণে বিষয়বস্তু, লেখকৰ ব্যক্তিত্ব আৰু প্ৰকাশভঙ্গীৰ মাজত সুসমন্বয় সাধন হলেহে সাধাৰণতে সাহিত্যই পাঠক-পাঠিকাৰ চিত্তত অনিৰ্বচনীয় আনন্দদান কৰা সম্ভৱপৰ হব পাৰে।

বেজবৰুৱাৰ প্ৰকাশভঙ্গীৰ মুখ্য আকৰ্ষণ হ'ল বহুভঙ্গিতা। এই বহুভঙ্গিতা বা বৈচিত্ৰ্যপূৰ্ণ প্ৰকাশভঙ্গীয়েই বেজবৰুৱা সাহিত্যৰ প্ৰধান আকৰ্ষণ। তেওঁৰ প্ৰকাশভঙ্গীৰ এটা স্বকীয়া বৈশিষ্ট্য আছে, যাক ইংৰাজীত Personal idiosyncracy of expression বোলা হয়। ই অননুকৰণীয়; আন লেখকে হাজাৰ চেষ্টা কৰিলেও বেজবৰুৱাৰ প্ৰকাশভঙ্গীৰ এই বৈশিষ্ট্য অনুকৰণ কৰা টান। তেওঁৰ নিজৰ ভাষাত—"বৰুৱা ডাঙৰীয়াৰ লেখাৰ অনুকৰণ কৰিবলৈ গৈ লেখাৰ গোবৰ্দ্ধনসকলে সহজে ভুচুংপহুটো হৈ ওলাই আহি সভাসদসকলৰ আনন্দবৰ্দ্ধন কৰিব পাৰিব।" তেওঁ কৃপাবৰী ভঙ্গীত কলেও এই উক্তি নিশ্চয়কৈ তাৎপৰ্য্যপূৰ্ণ। যথাৰ্থতে তেওঁৰ কৃপাবৰী ৰচনাৰ ভঙ্গী অননুকৰণীয়।

শিশুই জন্মলাভ কৰিয়েই কান্দোনেৰে তাৰ আগমনৰ বাতৰি দিয়ে। এই প্ৰসঙ্গটো বেজবৰুৱাই কাকতৰ টোপোলাত সন্নিবিষ্ট 'মোৰ জন্ম-ৰহস্য'

শীৰ্ষক প্ৰবন্ধত এনেদৰে তুলি ধৰিছে—"কলাপাতত পৰিয়েই যে মোৰ থং এটা উঠিল, তাক কথাৰে প্ৰকাশ কৰিব নোৱাৰি, অনুভৱ কৰিলে হে বুজিব পাৰি। ......মই মানুহটো গোটেইটো ৰঙা পৰি সেন্দুৰ যেন হলোঁ; মোৰ শিৰৰ ভিতৰৰ তেজবোৰ, জুইৰ ওপৰৰ চৰুত আখৈ চাউলৰ ভাত উতলাদি বক্‌বকৈ উতলিবলৈ ধৰিলে, হাত-ভৰিবোৰ বেঙে-মুতা গৰু কঁপাদি কঁপিছিল।" ইয়াক হাঁহি উঠাৰ কাৰণে ব্যৱহাৰ কৰা হৈছে সঁচা, কিন্তু ইয়াৰ মাজেদি শিশু-জন্মৰ সময়ৰ আমাৰ সমাজৰ ছবি এটা ফুটাই তোলাৰ লগতে লেখক বেজবৰুৱাৰ পৰ্য্যবেক্ষণশীল মনৰ পৰিচয়ো দিয়ে। তেওঁৰ প্ৰায়ভাগ ৰচনাই এনে ধৰণৰ চিত্ৰ-ধৰ্ম্মী,—চিত্ৰধৰ্ম্মিতাই পাঠক-পাঠিকাৰ মন সহজে আকৰ্ষণ কৰে।

তেওঁ অতি সাধাৰণ কথাবোৰতো অসাধাৰণত্ব আৰোপ কৰি পাঠক-পাঠিকাক কেনেকৈ পেটু-নাৰী ছিঙাকৈ হঁহুৱাইছিল তাৰ এটা নিদৰ্শন তুলি ধৰা হওক। কাকতৰ টোপোলাৰ 'প্ৰশ্ন তত্ত্ব'ত দাড়ি, চুলি আৰু গোফৰ উৎপত্তি বৰ্ণনা কৰিছে: "সৃষ্টিকৰ্ত্তা হিৰণ্যগৰ্ভ প্ৰজাপতিয়ে একদিনা প্ৰতি পোষ মাসৰ প্ৰভাত কালত শীতৰ দ্বাৰাই প্ৰপীড়িত হৈ কাৰ্য্যালয়ক প্ৰতি গতি নকৰি স্বশয্যাতে উপবেশন কৰি এটা মনুষ্যৰ মস্তক আনি ললাটলিখন কাৰ্য্য সম্পন্ন কৰিছিল। হস্তস্থিত কাপ-মৈলামস্থিত মহীত স্নান কৰোৱা মাত্ৰকতে বাত্যাহত কদলিপত্ৰবৎ অকস্মাৎ হস্তকম্প উপস্থিত হৈ অধোমুখ হোৱা মস্যাধাৰৰ পৰা কল কল নিনাদে মহী বিনিৰ্গত হৈ সমস্ত গাৰু আৰু মনুষ্য মস্তক সিক্ত কৰি পেলালে। তদীয় গাৰু শ্ৰেষ্ঠত স্থান বিশেষে শীৰ্ণতাদি দোষ আছিল; তৎ তৎ ছিদ্ৰ দ্বাৰাই তুলা নিৰ্গত হৈ থকা হেতু সেই মনুষ্য-মুণ্ডৰ স্থানে স্থানে সংযোজিত হ'ল। মস্তক সংযোজিত সমূহ চুলি, গালত আৰু ওঠত সংযুক্ত হোৱা সমূহ দাড়ি আৰু গোফ নামে খ্যাত হ'ল।" ইয়াৰ পিছত ইহঁতৰ দাড়ি, চুলি, গোফ নামকৰণৰ যুক্তি দেখুৱাইছে—"কোকিল মৎস-দণ্ডস্য লক্ষণং বিদ্যতে ইতি দাড়ি। চলতি বায়ুভৰেণ ইতি চুলি। গো ফলত্যত্ৰ গোফ: ইতি মুগ্ধবোধ:। অৰ্থাৎ ককিলা মৎস্যৰ দাঁৰৰ লক্ষণ ইয়াত বিদ্যমান দেখি দাড়ি, বায়ুৰ কোবত লৰে দেখি চুলি আৰু বেদৰ ফল ইয়াত ফলে দেখি গোফ বুলি মুগ্ধবোধ ব্যাকৰণে উক্তি কৰিছে।" এনে ভঙ্গী আনন্দদায়ক, কিন্তু অৰ্থ বা তাৎপৰ্য্যহীন,—অথচ ইমান চিত্তগ্ৰাহীকৈ কোৱা হৈছে যে পাঠক-পাঠিকাই নিৰ্ম্মল আনন্দও লাভ কৰে।

বেজবৰুৱাৰ ভাষা প্ৰায়েই উপমাদি অলংকাৰেৰে নিৰুপমা। উপযুক্ত যোজনা-ফকৰা আৰু জতুৱা ঠাঁচৰ প্ৰয়োগতো তেওঁ সিদ্ধহস্ত। 'কবিতা'ৰ দৰে তেওঁৰ গদ্যৰ ভাষাও হৈ পৰে কাব্যগন্ধী। পদুম-কুঁৱৰীৰ যৌৱনোদ্দীপ্ত

দেহ-মনৰ পৰিচয়—"মলয় বতাহ বোৱা, গোলাপ, কেতেকী, সেউতী, মালতীৰ ন-গোন্ধেৰে আমোদিত, কুলিৰ পঞ্চম সুৰীয়া মাত আৰু ভোমোৰাৰ গুণ গুণ ধ্বনিৰে প্ৰতিধ্বনিত, আম গছৰ কোমল নতুন কুঁহি পাতেৰে পৰিপূৰ্ণ, কুঞ্জ-লতাদিৰে ঢকা ৰম্য যৌৱন-উপবনত লাহে লাহে ৰাজহংস গতিৰে তেওঁ প্ৰথম প্ৰৱেশ কৰাত হে তেওঁৰ তাৱৰ এই পৰিবৰ্ত্তন। এই পৰিবৰ্ত্তনে তেওঁৰ আগৰ গাখীৰ বৰণীয়া গালত সেন্দুৰ ঢালিলে, নিৰ্মল চকুত প্ৰেমৰ জেউতি দিলে, লৰবুৰে ভৰা কোমল হিয়াত ভাল পোৱা জুইৰ অলপ উত্তাপ দিলে, শৰীৰৰ অঙ্গ-প্ৰত্যঙ্গবিলাকত লাৱণ্য, স্বাস্থ্য আৰু সৌন্দৰ্য্য ঢালিলে।" যথাৰ্থতে চিত্তাকৰ্ষী এনে বৰ্ণনাৰ মাজেদি প্ৰকৃতি আৰু মানুহৰ মাজত প্ৰকৃত ৰোমাণ্টিক সাহিত্যিকৰ দৰে অভেদত্বও কল্পনা কৰা হৈছে। এনে চিত্তাকৰ্ষী কাব্যোপম বৰ্ণনা বেজবৰুৱাৰ ৰচনাত আৰু বহুত আছে।

ভাৱপ্ৰৱণ আবেগময়ী ভঙ্গী সাহিত্যৰ অন্যতম প্ৰধান আকৰ্ষণ। এনে আবেগময়ী প্ৰকাশভঙ্গীয়ে অজানিতে পাঠক-পাঠিকাৰ চিত্ত ৰসাপ্লুত কৰি তুলিব পাৰে। গভীৰ তত্বপূৰ্ণই হওক বা কোনো প্ৰচাৰধৰ্মী ৰচনাই হওক, যদি তাত আবেগময়ী-ভঙ্গী সংযোগ কৰিব পৰা হয় তেনেহলে এনে ৰচনা ভাৱ-গধুৰ হলেও পাঠক-পাঠিকাৰ আনন্দৰ কাৰণ হব পাৰে। বেজবৰুৱাৰ সাহিত্যত এনে আবেগময়ী ভঙ্গীৰ নিদৰ্শনো বহুত। এনে আবেগময়ী সৰস ভঙ্গীয়েই তেওঁৰ 'জয়মতী কুঁৱৰী' নাটকক উপন্যাসোপম আকৰ্ষণীয় কৰি তুলিছে। 'জয়মতী কুঁৱৰী'ৰ অভিনয় দৰ্শনৰ দৰে পঢ়িলেও সমানেই আনন্দ লাভ কৰিব পাৰি। 'পদুম কুঁৱৰী'ত সূৰ্য্য আৰু পদুমৰ বিৰহ বেদনা বৰ্ণাব গৈ লেখকে আবেগত অভিভূত হৈ কৈছে—"দুটি বস্তু একেটি হৈ এই সংসাৰৰ এচুকত জীয়াই থাকিব বিচাৰে, তাত তুমি কিয় প্ৰতিবন্ধক হোৱা? দুটি প্ৰাণীয়ে এই সংসাৰত ভাল পোৱা-পুই কৰি প্ৰাণত প্ৰাণ সপি জীয়াই থাকিব খোজে, কাৰো অপকাৰ নকৰে, কাৰো অন্যায় নকৰে, কাকো একো নোখোজে, কাকো একো নিদিয়ে, তাতে তুমি বিধি-পথালি কৰা কিয়?"

—(পদুম কুঁৱৰী : ২১।২২ পৃষ্ঠা)

কোনো কোনো ক্ষেত্ৰত, বিশেষকৈ বস্তুনিষ্ঠ ৰচনাৰ ক্ষেত্ৰত, যুক্তিবাদী (Logical) প্ৰকাশভঙ্গীৰ সহায়ত পাঠক-পাঠিকাৰ মনত, প্ৰতীতি জন্মাবলৈ চেষ্টা কৰা হয়। বেজবৰুৱাৰ ধৰ্মীয় আলোচনাৰ প্ৰবন্ধসমূহ প্ৰায়েই বৈজ্ঞানিক দৃষ্টিভঙ্গী সম্পন্ন আৰু যুক্তিবাদী ভঙ্গীৰে প্ৰতীতি জন্মোৱাৰ চেষ্টা কৰিছে। উদাহৰণ স্বৰূপে, ঈশ্বৰৰ বিষয় প্ৰত্যয় মনাবলৈ তেওঁ কৈছে—"তেন্তে আৰি

দেখিলোঁ যে আমাৰ জ্ঞান-ইন্দ্ৰিয় যি আছে, তাৰে ঈশ্বৰক জানিব নোৱাৰি, ঈশ্বৰ তাৰ অগোচৰ। তেওঁক জানিবলৈ Transandental logic লাগে, যি logic আমাৰ উদ্ভাবিত logic শাস্ত্ৰৰ ওপৰত। ......ঈশ্বৰক জানিবলৈ Super sense অতীন্দ্ৰিয় লাগে। এই sense হৈছে আত্মপ্ৰত্যয়, আত্মানুভূতি, সাধকসকলে তাৰেহে তেওঁক জানিছিল, আমিও সকলোৱে তাৰেহে তেওঁক যি অলপ জানিব পাৰিছোঁ আৰু পাৰোঁ...... ।" —(তত্ত্বকথা: বেদান্তিতত্ত্ব।)

—"সূৰ্য্য অবিশ্বাসী আৰু শত্ৰুপক্ষীয়লোক। মই এই সাপক গাখীৰ খুৱাই অতি গৰুৰ কাম কৰিছিলোঁ। আৰু বা ই মোক আগলৈ কি অপকাৰ কৰিলেহেঁতেন তাক কোনে জানিছে? ঈশ্বৰৰ অনুগ্ৰহত পাপিষ্ঠ আপুনি নষ্ট হ'ল।

—(পদুমকুঁৱৰী : ৭৬।৭৭ পৃষ্ঠা।)

বক্ৰোক্তি বেজবৰুৱাৰ ৰচনাৰ আন এটি প্ৰধান আকৰ্ষণ। আলংকাৰিক-সকলে যি বক্ৰোক্তিক কাব্যৰ আত্মা বুলি অভিহিত কৰি গৈছে সেই বক্ৰোক্তিৰ দ্বাৰা বেজবৰুৱাৰ সাহিত্য সু-সমৃদ্ধ। দুটা এটা নিদৰ্শন তুলি ধৰিলেও তেওঁৰ বক্ৰোক্তিৰ সৌন্দৰ্য্য উপলব্ধি কৰিব পৰা হব।—

"ডাঙৰীয়া জ্ঞানী লোক, জানি শুনিয়েই তেওঁ চাকৰহঁতক দৰমহা নিদিয়ে।

× × × ×

সিদিনা ৰাতি দুপৰত ডাঙৰীয়ানীয়ে আমুকী বেটীৰ ওপৰত খং কৰি আৰু স্বামীৰ ঘিণ লগা ব্যৱহাৰত, নিজৰ জীৱনকে ধিক্কাৰ দি, চিয়ঁৰ-বাখৰ কৰি লৰ মাৰি নৈত পৰি মৰিবলৈ গৈছিল কিয়? কি কলা। ওঁ গৈছিল কিয়? উৰহিগছৰ ওৰটো নাপালে তুমি নেৰা? তোমাৰ মুখৰ লগতে তুমি কটা যাবা মই দেখিছোঁ।" (সাধুকথাৰ কুকি : ভেমপুৰীয়া মৌজাদাৰ)।

সঁচাকথা, বেজবৰুৱাৰ মনোধৰ্মী হাস্যোদ্দীপক প্ৰবন্ধসমূহ প্ৰায়েই বিষয়ৰ পৰা বিষয়ান্তৰলৈ যোৱা, একোটা প্ৰবন্ধতেই তেওঁ সাতো ব্ৰহ্মাণ্ড ঘূৰি ফুৰিছে, কিন্তু কৰ খোজা কথা ওলায়ে নপৰে। এনে ভঙ্গী দোষ নহয়, গুণহে। এনে ভঙ্গীয়ে. তেওঁৰ হাস্যোদ্দীপক মনোধৰ্মী প্ৰবন্ধসমূহৰ হ্লাদিনী গুণ বঢ়াইছেহে। অৱশ্যে ইঁহিৰ কাৰণে বহুৱালি কৰা বা গ্ৰাম্যতাপূৰ্ণ অসংযত ভঙ্গী প্ৰয়োগ কৰা দোষৰ কথা। 'ৰাতৰি কাকতৰ জাননী'ত "খাই ঔ। খাই ঔ!! খালে ঔ!!! ......" প্ৰভৃতি যি ভঙ্গীৰ প্ৰয়োগ কৰিছে, এনে ভঙ্গী যথাৰ্থতে বহুৱালিহে। তেনেকৈ 'বৰবৰুৱাৰ ফটোগ্ৰাফ'ত সমগ্ৰ অসমীয়া জাতিক—"......ভেম! ৰৌদি!

নৰচন।...লগাই দিয়নে ক্যা একথু পিলাই কাটা কিক্...” নাইবা মোৰ জীৱন সোঁৱৰণত আদৰ্শ বঙ্গ-বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিষয় কৰা উক্তি—“আদৰ্শ বঙ্গ-বিদ্যালয়ৰ আদৰ্শ বঙ্গালী হেড্পণ্ডিত সৰ্ববিদ্যাবিশাৰদ তাৰক বাবুৱে কোমল চাউলক এনেকৈ কুকুৰে কাঁইট নোখোৱাকৈ যেতিয়া কদৰ্থনা কৰিছে, আৰু সেই কদৰ্থনা যেতিয়া তেওঁৰ বিদ্যাৰত্ন মুখ নিঃসৃত, কোমল চাউল খোৱাটো নিশ্চয় আমাৰ অসভ্যতাৰ চিন।” নিশ্চয় অসংযত। এনে উক্তি শিশু বা কিশোৰ লক্ষ্মীনাথৰ উক্তি নহয়, এই উক্তি কৰিছে সাহিত্যৰথী লক্ষ্মীনাথ-বেজবৰুৱাই। এনে আসোঁৱাহপূৰ্ণ অসংযত উক্তি বেজবৰুৱাৰ ৰচনাত আৰু আছে। এনে ভঙ্গীয়ে নিশ্চয়কৈ তেওঁৰ ৰচনাৰ সাহিত্যিক সৌন্দৰ্য্য লাঘৱ কৰে আৰু তেওঁৰ ব্যক্তিত্বতো আঘাত পৰে।

‘পদুমকুঁৱৰী’ত পেনপেনীয়া আমনিলগা বৰ্ণনামূলক প্ৰকাশভঙ্গীৰ নিদৰ্শন কম নহয়। ইয়ে তেওঁৰ ‘পদুমকুঁৱৰী’ৰ সৌন্দৰ্য্য বহুপৰিমাণে লাঘৱ কৰিছে। দীঘলীয়া বুৰঞ্জী বা বাতৰিকাকতৰ লেখীয়া প্ৰকাশভঙ্গী সাহিত্য ক্ষেত্ৰত কদাপিও প্ৰযোজ্য নহয়। যথাসম্ভৱ এনে ভঙ্গী পৰিহাৰ কৰিব লাগে, তাৰ ঠাইত ব্যৱহাৰ হব লাগে চিত্তাকৰ্ষী আবেগময়ী বা ভাব-যুক্তিপূৰ্ণ সংযত বাক্ভঙ্গী। ‘পদুমকুঁৱৰী’ৰ উপৰিও গধুৰ বুৰঞ্জীমূলক নাটকেইখনতো এনে দীঘলীয়া আমনিদায়ক উক্তি-প্ৰত্যুক্তিৰ প্ৰয়োগ বেজবৰুৱাৰ সাহিত্যত আছে। তেওঁ য’ত য’ত এনে ভঙ্গী ব্যৱহাৰ কৰিছে, ত’তেই অকৃতকাৰ্যও হৈছে। কিন্তু এনে আমনিদায়ক অনাকৰ্ষী ৰচনাভঙ্গীৰ প্ৰয়োগ বেজবৰুৱা-সাহিত্যত কম। সৰহ ঠাইতে চুটি চুটি বাক্য-যুক্ত হাস্যোদ্দীপক ৰচনাৰ প্ৰয়োগেই বেচি। আনকি গহীন-গম্ভীৰ ৰচনাৱলীৰ মাজতো তেওঁৰ কৃপাবৰীৰূপে ভুমুকি নমৰাকৈ নাথাকে। অৱশ্যে ইয়ে সত্য যে, তেওঁৰ কৃপাবৰী ৰূপে য’তে য’তে, আনকি অনধিকাৰ চৰ্চা কৰিও ইহঁতৰ বিচৰাত বহুক্ষেত্ৰত পৰিবেশ বা ঘটনাৰ উৎকণ্ঠা হ্ৰাস হৈছে, যাৰ ফলত তেওঁৰ কোনো কোনো ৰচনাই ইপ্সিত ফল লাভ কৰিব পৰা নাই। উদাহৰণ স্বৰূপে ‘পদুমকুঁৱৰী’ উপন্যাসত হৰদত্তহঁতৰ মৃত্যুৰ পিছত পদুমে সূৰ্য্যকুমাৰৰ সান্নিধ্য লাভ কৰিও যি দৰে থপ্ কৰে আচলৰ গাঁঠিৰপৰা বিহডোখৰ টপ্ কৰে খাই সূৰ্য্য, মই যাওঁ।” বুলি বিহখাই দেহ ত্যাগ কৰাৰ নিদৰ্শন তুলি ধৰিছে, ই পাঠক-পাঠিকাৰ চিত্তত গভীৰ বেদনা উদ্ৰেক কৰাৰ সলনি হাঁহিৰ হে উদ্ৰেক কৰে আৰু পৰিবেশ পাতল কৰি তোলে। ‘ধোৱাঁ-খোৱা’ৰ পৰিণতিও কৰুণ, ধোঁৱা-খোৱাটোৰ কাৰণে নদীৰ বুকুত বামেশ্বৰে দেহত্যাগ কৰাৰ পিছত স্বাভাৱিকতে পাঠক-পাঠিকাৰ চিত্ত বেদনাসিক্ত হৈ উঠে; কিন্তু

শেষত সংযোগ কৰা—"দেখোন ৺ৰামেশ্বৰ ডাঙৰীয়াৰ সেই সাংঘাতিক খোৰাঁ-খোৰাটো।" কথাবাৰে পৰিৱেশ তৰল কৰি তোলে, আৰু আচলতে ইঙ্গিত কল লাভো নহয়।

কিন্তু সবহ ক্ষেত্ৰতেই বেজবৰুৱাৰ প্ৰকাশভঙ্গী আকৰ্ষণীয়, আৰু বিশেষকৈ জ'তুৰা ঠাঁচ আদিবে 'সুসমৃদ্ধ—। "শিগুৰামে···বৈণীয়েক ভদৰীয়ে ভাতবাঢ়া খোটালি পাই দেখিলে, ভাতে ফুটহে কাঢ়িছে। অৰ্থাৎ ঢেকীয়াশাক মুঠি মেলাহি বাটিটোত বাছি থোৱা হৈছে, ধোৱাও হোৱা নাই; কলাপাত এডোখৰৰ ওপৰত ওচৰতে মৈদাখন ৰবা ম'ৰা চৰাইটো যেন কাতি হৈ পৰি আছে; আৰু ঠেঙেলা মুৰীয়া মাটিসনা কাৰৈ মাছ কেইটাই, তাং খাই টঙনাটঙনি কৰি মুৰ ফলা-ফলি কৰা ছাইসনা ফকিৰৰ দৰে, পৰি ছটফট কৰিব লাগিছে। সিফালে তাতৰ চকৰ তলত গেৰেহা খৰি লৰালৰিকৈ সুমাই দি, ভদৰীয়ে কমাৰৰ তাতীৰ নিচিনাকৈ ফোচ্‌ফোচ্‌ কৰি ফুৱাইছে হে ফুৱাইছে, কিন্তু খৰিৰ জাবেই মৰা নাই, সোঁ সোঁ সোঁ কৰি খৰিয়ে কেঁকনি-গেথনিহে ধৰিছে।"—(ভদৰী) প্ৰভৃতি ভঙ্গীৰ মাজেদি এটা জীৱন্ত চিত্ৰ তুলি ধৰা হৈছে। এনে ভঙ্গী অন্যান্য অসমীয়া লেখকত পাবলৈ নাই, ই অননুকৰণীয়ও। বৰ্ণনাৰ উপৰিও নাটকীয় প্ৰকাশভঙ্গীৰ প্ৰয়োগেও বেজবৰুৱাৰ সাহিত্যৰ সৌন্দৰ্য্য সোণত-সুৱগা চৰোৱা যেন কৰিছে; কৃপাবৰী প্ৰায়ভাগ ৰচনাই নাটকীয় ভঙ্গীযুক্ত, গল্প উপন্যাসতো এনে নাটকীয় ভঙ্গী সংযুক্ত কৰি তেওঁৰ সাহিত্য প্ৰভাৱশালী কৰি তুলিছে। তেওঁৰ সাধুকথাবিলাকতো নাটকীয় ভঙ্গী সংযোগ কৰা দেখা যায়।

বেজবৰুৱাৰ প্ৰথম পৰ্য্যায়ৰ ৰচনা 'কাকতৰ টোপোলা' 'পদুমকুঁৱৰী' প্ৰমুখ্যে কেতবোৰত আসোঁৱাহপূৰ্ণ প্ৰকাশভঙ্গী সংযুক্ত হৈছিল সঁচা, কিন্তু শেষলৈ তেওঁ প্ৰায়েই সংযত হৈ পৰে। হাঁহিয়ে বিশেষকৈ অতি হাঁহিয়ে মানুহক কিছু-পৰিমাণে অসংযত কৰি তোলেই। বেজবৰুৱাই নিজেই অনুমান কৰিছিল যে তেওঁৰ সাহিত্য পঢ়ি পাঠক-পাঠিকাই হাঁহিবই। কাকতৰ টোপোলাৰ পাতনিত তেওঁ নিজেই কৈছে—"কাকতৰ টোপোলা পঢ়ি কোনেও ৰং পাই হাঁহিব নোৱাৰে। হাঁহিলে জগৰ। অসমৰ্থপক্ষে হাঁহি মুঠাকৈ বাখিব নোৱাৰিলেও কোনেও পেটুনাড়ী ছিগাকৈ হাস্য কৰি বাগৰি পৰিব নোৱাৰিব।" তেওঁৰ অনুমান সঁচা, কাকতৰ টোপোলা পঢ়ি হাঁহি বাগৰি পৰিবই লগা হয়। এনেকৈ হঁহুৱাৰ বিচৰা হেতুকেই প্ৰথম পৰ্য্যায়ৰ ৰচনাত অনেক ৰঢ়া-টুটা হৈছে,—অসংযত ভঙ্গীও প্ৰকাশ পাইছে। কিন্তু শেষলৈ এনে ভঙ্গী আৰু পাবলৈ নাই। আনকি 'ওভতনি'ৰ প্ৰকাশভঙ্গীও টোপোলাত কৈ বহু সংযত।

'কামত কৃতিত্ব লভিবৰ সংকেত' আৰু 'বাখৰ' পঢ়িলে বেজবৰুৱাক কৃপাবৰী সাহিত্যৰ জনক বুলি অনুভৱ কৰিবই নোৱাৰি। এই দুখনি এখানি এখানি গ্ৰন্থত লক্ষ্মীনাথৰ প্ৰাঞ্জল গদ্যৰ উজ্জ্বল নিদৰ্শন পোৱা যায়। এই গ্ৰন্থ দুখন উপদেশমূলক। জীৱনৰ অভিজ্ঞতাৰ দ্বাৰা দুয়োখন গ্ৰন্থৰ আলোচনাসমূহ উজ্জ্বলি আছে। 'বাখৰ' নামে-কামেই বাখৰ। এৰিষ্টোটলে কোৱাৰ দৰে বিষয়বস্তুৰ মাধুৰ্য্য, প্ৰকাশভঙ্গীৰ চাকতা আৰু প্ৰভাৱশালীতাৰ কাৰণে বেজবৰুৱাৰ এনেবোৰ ৰচনা বিশেষভাৱে আকৰ্ষণীয়।

লজ্জিনিয়াচে কোৱা ব্যক্তিত্বৰ পৰিস্ফুৰণ বেজবৰুৱাৰ সাহিত্যত পূৰ্ণৰূপেই ঘটিছে; তেওঁৰ ৰচনামাত্ৰেই তেওঁৰ শক্তিশালী সমাজসচেতন ব্যক্তিসত্তাক উপলব্ধি কৰাত আমাক সহায় কৰে। ৰচনাৱলীত "তেওঁ শব্দৰ খেলা-খেলে, তেওঁৰ কল্পনা তীব্ৰগামী হয়, আৰু কল্পনাৰ গতি অনুসৰি ভাব আৰু ভাষাই এনে গঢ় লয় যে তেওঁৰ লগতে আমাকো ইঁহুৱায়।" সৰল, পোনপটীয়া, বাহুল্যবৰ্জিত কথ্যভাষাৰ প্ৰয়োগত যথাৰ্থতে তেওঁৰ ৰচনাৰ বিষয় বস্তুৱে পাঠক-পাঠিকা মাত্ৰকে চিত্তস্পৰ্শ কৰিবলৈ সমৰ্থ হয়,—লাগে সেই ৰচনা তীব্ৰভাৱে ব্যঙ্গ-বিদ্ৰূপপূৰ্ণই হওক। তেওঁৰ ৰচনাৰ আন এটি বৈশিষ্ট্য এয়ে যে তেওঁ পুৰণি সাহিত্যৰ পৰা ৰজিতা খুৱাই উদ্ধৃত কৰ ৰচনাৱলীক সমৃদ্ধ কৰি তুলিছে। কথাই কথাই তেওঁ পুৰণিৰ লগত ৰজিতা খুৱাইছে কৰ। এনে ভঙ্গীয়েও তেওঁৰ ৰচনাৰ সৰসতা বঢ়াইছে, সাধাৰণ গাৱঁলীয়া জনতাইও এই গুণৰ কাৰণে তেওঁৰ ৰচনা পঢ়ি বা শুনি ভাল পায়। তেওঁৰ ৰচনা বিপুল, বিচ্ছিন্ন আৰু বিভিন্ন। কিন্তু সকলোবোৰকে যোগসূত্ৰ হ'ল হাস্যৰস, যি ৰসে আমনি নলগোৱাকৈ সকলোকে হৰ্ষোল্লসিত কৰিব পাৰে, আৰু স্বদেশপ্ৰীতি। চিন্তা-ভাৱনা, ৰচনা-ৰীতি আৰু উপমাদি অলংকাৰ প্ৰয়োগতো তেওঁ সম্পূৰ্ণৰূপে অসমীয়া। যিহকেই লাগে লেখক বা নকওক, তাত অসমীয়া ৰহণ বা ৰূপ চৰাইছে তেওঁ এৰিব। এই গুণে বেজবৰুৱাৰ সাহিত্য বুজিবলৈ অসমীয়া ভাষা-সাহিত্য, সমাজ-সংস্কৃতি বিষয়ক বিপুল জ্ঞানৰ আৱশ্যক হয় আৰু তেনেকৈ বেজবৰুৱাৰ সাহিত্য বুজিলে বা তাৰ সৰ্বাঙ্গীন মৰ্ম উপলব্ধি কৰিব পাৰিলেও যেন অসমীয়া সমাজ-সংস্কৃতিকেই উপলব্ধি কৰা হয়। অসমীয়া জাতীয়তাৰ মৰ্মকথা বেজবৰুৱা-সাহিত্যতেই নিহিত হৈ আছে। সেয়ে বেজবৰুৱা আৰু তেওঁৰ ৰচনাৱলী অসমীয়াৰ কাৰণে চিৰ অবিস্মৰণীয়। সমালোচক ব্ৰাণ্টাৰপেটাৰৰ ভাষাৰেও বেজবৰুৱাৰ সাহিত্য হৰ উচ্চপৰ্য্যায়ৰ মহান সাহিত্য। ডক্টৰ বাণীকান্ত কাকতিৰ ভাষাত—"অসমত নিজক বাদ নিদিয়াকৈ সকলে উৎসাহী অসমীয়া লিখকক কৰ খোজোঁ, বেজবৰুৱাৰ ৰচনা পদ্ধতিৰ প্ৰতি সবিশেষ মন নিদিয়াকৈ অসমীয়া লিখিবলৈ যোৱাটো ভাষাৰ প্ৰতি অবিচাৰ কৰা হয়।"

অসমীয়া সাহিত্য আৰু বেজবৰুৱা

সঁচাকথা, যিমানেই লাগে প্ৰতিভাশালী নহওক, ব্যক্তি সমাজৰেই সৃষ্টি। কিন্তু ইও সত্য যে ব্যক্তি প্ৰতিভাইও সমাজ জীৱনৰ গতি পৰিবৰ্তন নকৰা নহয়; মানৱ সভ্যতাৰ ইতিহাসত ব্যক্তিৰ প্ৰতিভা আৰু ব্যক্তিত্বই সমাজ-জীৱনৰ গতি পৰিবৰ্তন কৰা, প্ৰায়েই পৰিলক্ষিত হয়। কিন্তু সমাজৰ গতি পৰিবৰ্তন কৰিবলৈ হলে ব্যক্তিৰ অসীম প্ৰতিভাৰ আৱশ্যক। ব্যক্তি সমাজৰেই সৃষ্টি হলেও যথাৰ্থতে প্ৰতিভাশালী ব্যক্তিসকলে সামাজিক দৃষ্টি বা ভাব-ভঙ্গীৰ পৰিবৰ্তন বা পৰিবৰ্দ্ধনত সাধাৰণতে সহায় কৰে। ব্যক্তিয়ে সমাজত নতুন নতুন ভাব আৰু চিন্তাৰ ঢল বোৱাই দি সমাজক নতুন পথৰ সন্ধানত আগবঢ়াই নিব পাৰে। খৃষ্টপূৰ্ব্ব ছয়শ বছৰ আগৰ ভাৰতবৰ্ষই সৃষ্টি কৰিছিল গৌতম বুদ্ধক, তেওঁক ধ্যানী দৃষ্টিও দিছিল, সেই সময়ৰ ভাৰতবৰ্ষয়েই। কিন্তু গৌতম বুদ্ধই সাধনালব্ধ জ্ঞানৰ পোহৰেৰে ভাৰতবৰ্ষ কিয়, সমগ্ৰ মানৱতাৰ চকুতেই পোহৰৰ আলেপন সানি দি গ'ল। জগত আৰু জীৱন বিষয়ে মানুহে নতুন ৰূপত চিন্তা কৰিবলৈ শিকিলে। মহাত্মাগান্ধী বৃটিছৰ দিনৰ শোষিত আৰু নিষ্পেষিত ভাৰতৰেই সৃষ্টি, স্বামী বিবেকানন্দ আৰু ঋষি অৰবিন্দও। কিন্তু তেওঁলোকে ভাৰতৰ বুকুত এটা নৱজাগৰণ সম্ভৱপৰ কৰি তুলিলে, যিয়ে ভাৰতবাসীক বিদেশী শাসন ওফৰাই স্বাধীনতা মহাধন লাভ কৰাৰ পথত উদ্বুদ্ধ কৰি তুলিলে। এনেকৈ দেখা যায় যে একো একোজন প্ৰতিভাশালী ব্যক্তিৰ প্ৰভাৱত একো একোটা জাতি প্ৰগতিৰ মোহন মন্দিৰলৈ আগ বাঢ়িবলৈ প্ৰেৰণা বা উৎসাহ-উদ্দীপনা পাব পাৰে।

শঙ্কৰদেৱ তেওঁৰ উত্তৰকালৰ অসমৰেই সৃষ্টি। তেওঁক জ্ঞান চকু দিছিল অধ্যাপক মহেন্দ্ৰ কন্দলিয়েই। কিন্তু তেওঁ স্বকীয় প্ৰতিভাৰ বলত সমগ্ৰ অসমকে পবিত্ৰ বৈষ্ণৱ ধৰ্মৰ নামত উদ্বুদ্ধ কৰি সাহিত্য-সংস্কৃতিৰ পথতো নৱজাগৰণৰ

সৃষ্টি কৰিলে। যাৰ ফলত শঙ্কৰদেৱৰ পিছৰ অসম সম্পূৰ্ণৰূপে তেওঁৰেই আদৰ্শত গঢ়ি উঠিব ধৰিলে। শঙ্কৰদেৱৰ উদ্ভৱৰ পাঁচশ বছৰ পিচতো আজিৰ অসম তেওঁৰ প্ৰভাৱৰ পৰা মুক্ত নহয়, আজি বিংশ শতিকাৰ সপ্তম দশকৰ অসমীয়া-সকল যথাৰ্থতে শঙ্কৰদেৱৰ তাৰ-মণ্ডলৰ মাজতেই বুৰ গৈ আছোঁহক।

কিন্তু মান-মৰাণৰ আক্ৰমণ-অত্যাচাৰ উৎপীড়িত আৰু ইংৰাজৰ দ্বাৰা নিস্পেষিত অসম আজিৰ দৰে বা শঙ্কৰদেৱৰ দিনৰ দৰে অসম নাছিল। মান-মৰাণৰ অত্যাচাৰত অসমীয়া মানুহৰ ধন আৰু জীৱনৰেই নিৰাপত্তা নোহোৱা হৈছিল। আক্ৰমণকাৰীৰ অমানুষিক অত্যাচাৰত অসম নগৰ শুচি হাবি হৈছিল, ফুলনিবাৰী শুচি অটব্য অৰণ্য হৈছিল। অসংখ্যলোকে আক্ৰমণকাৰীৰ বিৰুদ্ধে যুঁজি প্ৰাণ হেৰুৱালে। তেনে এক বৃজন সংখ্যকে দুৰ্ভিক্ষৰ লগত যুঁজিও প্ৰাণ হেৰুৱালে। আৰু বহুতো লোক অসম এৰি শান্তিপূৰ্ণ আশ্ৰয়স্থান বিচাৰিও পলাল। এনে হেন অসমলৈ আগমন হ'ল সুসভ্য ইংৰাজ জাতিৰ আৰু তেওঁলোকক শাসন যন্ত্ৰত সহায় কৰিবলৈ অহা অসংখ্য বঙালী কাকতি বা আমোলাৰ। এই বঙালীসকলৰ প্ৰৰোচনাত কেনেকৈ অসমত বঙলা ভাষাৰ প্ৰচলন হ'ল তাকো আমি জানোঁ আৰু আমি জানোঁ যে অসমৰ সাংস্কৃতিক জগত সেই সময়ত কেনে ধৰণে উচ্ছন্ন হৈ গৈছিল আৰু তাৰ ফলত অসমীয়াৰ জাতীয়তাবোধো কেনেদৰে নিৰ্বাপিত হৈ পৰিছিল। অৰুণোদয় যুগত বেপ্টিষ্ট মিচনেৰীসকলৰ প্ৰেৰণাত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা প্ৰমুখ্যে লোকসকলে 'অৰুণোদয়', 'আসাম নিউজ', 'আসামবন্ধু' আদিৰ উপৰিও 'লৰাৰ মিত্ৰ', 'কানীয়াৰ কীৰ্ত্তন', 'বাহিৰে ৰং চং ভিতৰে কোৱা ভাতুৰী', 'ৰামনৱমী' আদি কৰি গ্ৰন্থবোৰ ৰচনা কৰি অসমীয়াৰ মাজত পুনঃ জাতীয়তা আৰু মানবীয়বোধ প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। এওঁলোকৰ আশানুধীয়া শ্ৰমৰ ফলতেই শেষত সম্ভৱপৰ হ'ল অসমীয়া সাহিত্যৰ জোনাকীযুগৰ। 'জোনাকী' মৰিল, কিন্তু নিৰৱচ্ছিন্ন ভাবে সাহিত্য সাধনা কৰিবলৈ অসমীয়া জাতিক অভ্যস্ত কৰি থৈ গ'ল এই জোনাকীযুগেই। আজিৰ অসমীয়া সাহিত্য কবলৈ গলে জোনাকী যুগৰেই সৃষ্টি। অসমীয়া জাতীয়তাৰ প্ৰতি জোনাকীযুগৰ সৰ্ব্বশ্ৰেষ্ঠ অৱদান হ'ল—(১) অসমীয়া-ভাষা সাহিত্যক হেৰুৱা সন্মান দি পুনঃ প্ৰতিষ্ঠা কৰা আৰু (২) অসমীয়া সাহিত্যৰ লগত পাশ্চাত্যৰ সংযোগ স্থাপন কৰা।

ঊনবিংশ শতিকাৰ ৩য় দশকত ইংৰাজৰ অসমলৈ আগমন আৰু ৪ৰ্থ দশকত বঙালীসকলৰ প্ৰৰোচনাত অসমৰ স্কুল-আদালতত বঙালী ভাষাৰ প্ৰচলনৰ ফলত অসমৰ সাংস্কৃতিক জগতত এটা বিৰাট শূন্যতাই বিৰাজ কৰিছিল। তাতে

আকৌ বিদেশী চৰকাৰে কানি-ভাং, কটিকাৰো ব্যাপক প্ৰচলনৰ সূচনা কৰি দিয়াত সৰহভাগ অসমীয়া মানুহ হৈ পৰিছিল আত্মবিস্মৃত। অতীতৰ শৌর্য্য-বীর্য্য আৰু জ্ঞান-গৰিমাৰে পৰিপূৰ্ণ অসমৰ ছবি তেতিয়াৰ সৰহ সংখ্যক অসমীয়াৰ অন্তৰৰ পৰা হৈছিল তিৰোহিত। বঙলুৱা ভাষা কৈ আৰু লেখি অসমীয়া লোক হৈছিল তেতিয়া কৃত-কৃত্য। সতি-সন্ততিৰ শিক্ষা-দীক্ষাৰ প্ৰতি সেই সময়ৰ সাধাৰণ অসমীয়া বাইজে যেন চিন্তা কৰিবলৈ অৱসৰে পোৱা নাছিল। যিসকলে ল'ৰা-ছোৱালীক শিকাইছিল (তেতিয়া স্ত্ৰীশিক্ষা নাছিল বুলিলেই হয়) তেওঁলোকেও বঙালী-মাধ্যমত বঙালী বিদ্যালয়বিলাকতে শিক্ষা দি কৃতাৰ্থ মানিছিল। অসমীয়া ভাষা-সাহিত্যক ধোঁৱা চাঙৰ ওপৰত তুলি থৈ যেন গাৰ লাগি থাকিবলৈহে এৰি দিয়া হৈছিল। মুঠতে এটা অৱসাদপূৰ্ণ পৰিবেশে অসমীয়া জাতীয় জীৱন গ্ৰাস কৰি পেলাইছিল। অৰুণোদয়ৰ হিৰণ কিৰণত প্ৰতিষ্ঠা কৰিবলৈ সচেষ্ট হোৱা জাতীয় চৈতন্য তেতিয়াও লোক চিত্তত উদয় হোৱাই আছিল।

এইখন অসমক জাতীয় চৈতন্য আৰু জাতীয় ভাষা-সাহিত্যৰে সুৰভিত কৰি নৱজাগ্ৰত কৰি তুলিলে জোনাকীযুগীয়া কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ-সকলৰ সাহিত্য-সংস্কৃতি বিষয়ক শ্ৰদ্ধা, যত্ন আৰু প্ৰেৰণাই। 'জোনাকী'ৰ প্ৰবৰ্তক চন্দ্ৰকুমাৰ আগৰৱালা আছিল সঁচা, কিন্তু শেষলৈ জোনাকীযুগৰ নেতৃত্ব বহন কৰিলে লক্ষ্মীনাথ বেজবৰুৱাইহে। অৱশ্যে এইটো স্বীকাৰ কৰা উচিত হব যে 'জোনাকী'ৰ সৃষ্টি নোহোৱাহেঁতেন কিজানি সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা আৰু পিচত 'বাঁহী' 'আৱাহন' আদিৰো সৃষ্টি নহলহেঁতেন। হেমচন্দ্ৰ গোস্বামী, সত্যনাথ বৰা, ৰজনীকান্ত বৰদলৈ, পদ্মনাথ গোহাঞি বৰুৱা প্ৰমুখ্যে আধুনিক অসমীয়া সাহিত্যৰ প্ৰাতঃস্মৰণীয় সুসাহিত্যিক সকলো জোনাকী যুগৰেই সৃষ্টি আৰু তেওঁলোক প্ৰতিগৰাকীয়ে জোনাকীযুগত অসমীয়া ভাষা-সাহিত্যক সু-প্ৰতিষ্ঠিত কৰাৰ মহত্বপূৰ্ণ অৱদানো আগ বঢ়াইছে। 'জোনাকী'ৰ প্ৰতিষ্ঠাপক চন্দ্ৰকুমাৰ আগৰৱালাই আত্মবিস্মৃত অসমীয়া জাতিক 'কৰ্মদেৱ', 'সত্যভূমি, শিৱভূমি, অসীম সুন্দৰ', মানৱবন্দনা, 'সেৱালহৰী', 'অজেয়', 'বীণ-বৰাগী' আদি কৰি কবিতাৰে মানৱতাবোধত উদ্বুদ্ধ কৰি ব্যক্তি চেতনা জাগ্ৰত কৰি তুলি, জাতীয়তাবাদী সাপ্তাহিক 'অসমীয়া' আৰু 'তিনিদিনীয়া অসমীয়া' সম্পাদনা আৰু পৰিচালনা কৰি আধুনিক অসমীয়া সাংবাদিকতাৰ প্ৰতিষ্ঠা কৰিলে। সত্যনাথ বৰাই গীত, পদ, গদ্য, প্ৰবন্ধ, ব্যাকৰণেৰে অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় কৰি তুলি এক গভীৰ আলোড়নৰ সৃষ্টি কৰিলে, ৰজনী বৰদলৈয়ে

প্ৰধানকৈ পাশ্চাত্যৰ আদৰ্শত অসমীয়া উপন্যাস সাহিত্য সুপ্ৰতিষ্ঠিত কৰি তুলি জাতিক দেশাত্মবোধত উদ্বুদ্ধ কৰি তুলিলে। পদ্মনাথ গোহাঞি বৰুৱাই গদ্যত বাহিৰে আন সকলো দিশতে বিৰাট অৱদান যোগাই ভাষাজননীক ষোড়শোপচাৰে সেৱা কৰিলে। তেওঁৰ 'উষা' আৰু 'বন্তি'য়ে সদৌ অসম জুৰি এদল নবীন-প্ৰবীণ সাহিত্যিককো সৃষ্টি কৰিলে। শেষত (বঙ্কিমচন্দ্ৰৰ অনুকৰণত বুলি ধৰিলেও) বাস্তৱৰ ভেটিত শ্ৰীকৃষ্ণতত্ত্ব আলোচনা কৰি বৃহৎ শ্ৰীকৃষ্ণ গ্ৰন্থাৱলীও প্ৰণয়ন কৰি উলিয়ালে। এনেদৰে আৰু ভিন্নজনে ভিন ভিন অৱদান যোগালে, অসমীয়া ভাষা-সাহিত্যৰ ভেটি সুদৃঢ় কৰি তুলিবলৈ আৰু অসমীয়া ভাষা-সাহিত্যক বিশ্বৰ বুকুত প্ৰতিষ্ঠা কৰিবলৈ।

এইসকল জোনাকী যুগীয়া নবীন-প্ৰবীণসকলৰ মাজত সবাতোকৈ শ্ৰেষ্ঠস্থান লাভ কৰিলে কিন্তু লক্ষ্মীনাথ বেজবৰুৱাইহে। কাৰণ তেওঁৰ কৃতি বিপুল, মহান আৰু তেওঁৰ সাহিত্য সাধনা নিৰবচ্ছিন্ন। জোনাকীযুগৰ সৰ্বপ্ৰধান লক্ষ্য দুটাও যথাৰ্থতে লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনাৱলীৰ মাজেদিহে পূৰ্ণৰূপে সংসাধিত হৈ উঠে; তেওঁ গদ্য-পদ্য, নাটক, গল্প, উপন্যাস, কেৰিকেচাৰ, কাৰ্টুন প্ৰভৃতি সকলো বিভাগতে কাপ-মৈলাম লৈ অৱতীৰ্ণ হৈ আত্মবিস্মৃত অসমীয়াক আত্মসচেনত কৰিবলৈ অহোপুৰুষাৰ্থ কৰাৰ দৰে অসমীয়া সাহিত্যৰ লগত পাশ্চাত্যৰ সংযোগ-সেতুও সুদৃঢ় কৰি তুলিলে। তেওঁ ধৰ্মীয় আলোচনা প্ৰসঙ্গত উল্লেখ কৰা "আত্মানং বিদ্ধি" কথাষাৰৰ ওপৰত বিশেষভাবে গুৰুত্ব আৰোপ কৰিছিল। স্বদেশ-স্বজাতিৰ আত্মাক নাজানিলে যে বিদেশ-বিদেশীকো জনা অসম্ভৱ আৰু জানিলেও হয় সি অসাৰ্থক, এই কথাটোও তেওঁ গভীৰ ভাবে উপলব্ধি কৰিছিল। তত্ত্বদৃষ্টিৰে আত্মাক উপলব্ধি কৰিবলৈ যত্নপৰ হোৱাৰ দৰে তেওঁ জাতিৰ আত্মা উপলব্ধি কৰিবলৈও অহোপুৰুষাৰ্থ কৰিলে। জাতিৰ আত্মাক জনাৰ প্ৰচেষ্টাৰ ফল স্বৰূপে আমি তেওঁৰ পৰা পাওঁ—'বুঢ়ী আইৰ সাধু', 'জুনুকা' 'ককাদেউতা নাতি ল'ৰা, 'শ্ৰীশ্ৰীশঙ্কৰদেৱ', 'মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' আদি গ্ৰন্থ 'অসম সঙ্গীত', 'বীণ-বৰাগী' প্ৰমুখ্যে দেশাত্মবোধৰ ওপৰত প্ৰতিষ্ঠিত কবিতা কেইটা আৰু 'ভগৱৎ কথা', 'তত্ত্বকথা' 'শ্ৰীকৃষ্ণকথা'ৰ সদৃশ গধুৰ ধৰ্মীয় তত্ত্বৰ আলোচনা সমূহ। তেওঁৰ দ্বাৰা ৰচিত গধুৰ বুৰঞ্জীমূলক নাটকেইখনৰ উপৰিও উপন্যাস 'পদুম কুঁৱৰী'ও বুৰঞ্জীৰ কাহিনীৰ ওপৰতে প্ৰতিষ্ঠিত। সেয়ে নহয়, তেওঁৰ গল্প, কবিতা আৰু হাস্যোদ্দীপক মনোধৰ্মী প্ৰবন্ধসমূহৰ কেন্দ্ৰীয় বিষয়বস্তুও যথাৰ্থতে স্বদেশ, স্বজাতি আৰু স্বদেশপ্ৰেমেই। তেওঁ 'অসম সঙ্গীত' কবিতাত উল্লেখ কৰা—

"আমি অসমীয়া নহওঁ দুখীয়া, কিহৰ দুখীয়া হ'ম।
অকলো আছিল, সকলো আছে, নুগুণো নলওঁ গম॥"

কথাষাৰ তেওঁ মৰ্মে মৰ্মে বিশ্বাস কৰিছিল। সেয়ে তেওঁ গৌৰৱময় অসম আৰু অসমীয়াৰ অতীতৰ কীৰ্তি-কাহিনী আৰু জীৱনী ৰূপায়িত কৰি তুলি ধৰিলে অসমীয়া নৰ-নাৰীৰ আগত। যিখন অসমৰ বুকুত শঙ্কৰদেৱ, মাধৱদেৱ দামোদৰদেৱ, হৰিদেৱ প্ৰমুখ্যে প্ৰবীণ বৈষ্ণৱসকলৰ জন্ম হব পাৰে আৰু এই মহাপুৰুষ সকলে অশেষ শ্ৰম কৰি অকলো শাস্ত্ৰৰ সাৰ উদ্ধাৰ কৰি সুৰলা পদত ৰচনা কৰি থৈ যাব পাৰে, সেই জাতি কেতিয়াও সৰু জাতি হব নোৱাৰে। যি দেশত মহাবীৰ লাচিতৰ দৰে বীৰৰ জন্ম সম্ভৱপৰ হব পাৰে, যি দেশত চক্ৰধ্বজ সিংহৰ সদৃশ স্বদেশ-স্বজাতি প্ৰেমী ৰজা থাকিব পাৰে আৰু যি দেশত জয়মতীৰ সদৃশ সাধ্বী-সতীৰ জন্ম সম্ভৱপৰ হব পাৰে, সেই জাতি কেতিয়াও শক্তিহীন হব নোৱাৰে। তেওঁ 'জুনুকা' 'বুঢ়ী আইৰ সাধু', 'ককাদেউতা নাতি ল'ৰা' আদি গ্ৰন্থত অসমীয়া সাধুকথা আদি সন্নিবিষ্ট কৰি জাতিক জনাই দিলে যে যি জাতিৰ মাজত অতি প্ৰাচীন কালৰেপৰা নৃতত্ব, সমাজতত্ব বা মনস্তত্ব আদিৰে পৰিপূৰ্ণ অতবোৰ উচ্চমানবিশিষ্ট সাধু থাকিব পাৰে, সেই জাতি কেতিয়াও সাধাৰণ জাতি নাছিল। তেওঁ এনেবোৰ সাহিত্য ৰচনা কৰি আত্ম-সচেতন কৰি তুলিবলৈ অহোপুৰুষাৰ্থ কৰিলে। আৰু যথাৰ্থতে কৃতকাৰ্য্যতাও লাভ কৰিলে। যাৰ ফলত অসমীয়া সাহিত্য-জগতত এক বিৰাট জাগৰণৰ সৃষ্টি হ'ল। শ শই ডেকা-গাভৰু ব্ৰতী হ'ল সাহিত্য-সাধনাৰ জৰিয়তে ভাষা-জননীৰ বয়ান উজ্জ্বল কৰি তুলিবলৈ। লক্ষ্মীনাথৰ জীৱন সাৰ্থক হৈ পৰিল।

লক্ষ্মীনাথ বেজবৰুৱাৰ সাহিত্য-সাধনাৰ মূল লক্ষ্য যে অসমীয়া জাতিক আত্মসচেতন কৰি তোলাই আছিল, ই সত্য। কিন্তু তেওঁ তাতেই ক্ষান্ত নাথাকিল। এসময়ৰ শঙ্কৰ-মাধৱ, চক্ৰধ্বজ-লাচিত-জয়মতীৰ দিনৰ গীত-পদ নাট; ধৰ্ম-সাহিত্য-সংস্কৃতিৰে সুৰভিত স্পন্দনপূৰ্ণ অসমীয়া জাতিৰ জীৱন্তচিত্ৰ তেওঁৰ সমকালীন আত্মবিস্মৃত অসমীয়াসকলৰ আগত উজলাই তুলি ধৰাৰ লগতে তেওঁ এই অসমীয়া জাতিটোৰ লগত পাশ্চাত্যৰ সুসম্পৰ্ক প্ৰতিষ্ঠা কৰি ইয়াকো জনাই দিলে যে প্ৰগতিবাদী মানৱ সমাজ সভ্যতা আৰু সংস্কৃতিৰ পথত কিমান আগ বাঢ়ি গৈছে। তেওঁ অসমীয়া সাহিত্যত পাশ্চাত্যৰ পোহৰ পেলাই অসমীয়া-সকলকো তেনে আদৰ্শত অনুপ্ৰাণিত কৰি তুলিবলৈ চেষ্টা কৰিলে। তাৰ ফলত সৃষ্টি হ'ল তেওঁৰ দ্বাৰা অসংখ্য গল্প, প্ৰবন্ধ আৰু কেৰিকেচাৰ-কাৰ্টুনৰ। লক্ষ্মীনাথ বেজবৰুৱা সৰ্ব্বপ্ৰথম আধুনিক অসমীয়া চুটি গল্প লেখক। তেওঁ

প্ৰধানকৈ অসমীয়া সমাজৰ ভিন ভিন স্তৰৰ স্ত্ৰী-পুৰুষৰ জীৱন আৰু ভিন ভিন সামাজিক সমস্যাৰ ওপৰত ভালেমান গল্প ৰচনা কৰি থৈ গ'ল, 'সাধুকথাৰ কুঁকি', 'সুৰভি' আৰু 'জোনবিৰি' এই তিনিখন তেওঁৰ গল্প সংকলন। কৰ গলে তেওঁকে অনুকৰণ আৰু অনুশীলনৰ ফলস্বৰূপে আজি অসমীয়া সাহিত্যত অসংখ্যজনে গল্প সাহিত্য ৰচনা কৰি অসমীয়া গল্প সাহিত্য কেৱল বিশ্বমুখীয়েই কৰি তোলা নাই, অসমীয়া গল্পই বিশ্বৰ গল্পৰ লগত প্ৰতিযোগিতা কৰিব পৰাও হ'ল। ইয়াৰ কাৰণে প্ৰধানকৈ গৌৰৱ অনুভৱ কৰিব পাৰে লক্ষ্মীনাথ বেজবৰুৱাইয়ে।

তেওঁ সৰ্বপ্ৰথম নহলেও সৰ্বশ্ৰেষ্ঠ অসমীয়া প্ৰবন্ধ লেখক। 'তত্ত্বকথা', 'কৃষ্ণকথা' 'ভগৱৎ কথা', 'কামত কৃতিত্ব লভিবৰ সংকেত', 'বাখৰ' আদিত সন্নিবিষ্ট আৰু 'বাঁহী'ৰ বুকুত আজিও অযত্নে পালিতা হৈ পৰি থকা তত্ত্ব গধুৰ প্ৰবন্ধসমূহৰ উপৰিও তেওঁৰ অসংখ্য হাস্যোদ্দীপক মনোধৰ্মী প্ৰবন্ধ আছে। কৃপাবৰী ৰূপ লৈ 'কাকতৰ টোপোলা' 'ওভতনি' আৰু বৰ্তমান প্ৰকাশিত 'বুৰবুৰণি' আৰু 'বুলনি'ত সন্নিবিষ্ট প্ৰবন্ধবিলাকৰ উপৰিও 'জোনাকী', 'বাঁহী', 'ঊষা', 'বন্তি', 'আবাহন', 'পুণ্য', 'ভাৰতী', প্ৰভৃতি অসমীয়া আৰু বঙালী আলোচনীৰ বুকুত আজিও লক্ষ্মীনাথ বেজবৰুৱাৰ দ্বাৰা ৰচিত অসংখ্য প্ৰবন্ধ সিচৰতি হৈ পৰি আছে। কেৱল গ্ৰন্থৰ বুকুত সংৰক্ষিত প্ৰবন্ধই বেজবৰুৱাৰ সাহিত্যৰ লেখা নিৰ্ণয় কৰিব নোৱাৰে, মানো নিৰ্দ্ধাৰণ কৰিব নোৱাৰে। তেওঁ 'লক্ষ্মীনাথ বেজবৰুৱা', 'কৃপাবৰ বৰুৱা' 'কেৰপাই শৰ্ম্মা', 'শ্ৰীযশস্পতি শৰ্ম্মা', 'মৰাশ', 'শ্ৰীস' আৰু কেতিয়াবা কেতিয়াবা একো নাম নোহোৱাকৈও 'বাঁহী'ৰ, বুকুত প্ৰবন্ধ প্ৰকাশ কৰিছে। ১ম বছৰৰ ১ম সংখ্যা আঢ়ৈশ পিঠীয়া 'বাঁহী' একমাত্ৰ লক্ষ্মীনাথ বেজবৰুৱাৰ ৰচনা সম্ভাৰেৰেই সমৃদ্ধ আছিল। পিছতো তেওঁৰেই ভিন ভিন নামত প্ৰচাৰিত ৰচনাই আছিল সৰহ। মুঠতে তেওঁ অসংখ্য প্ৰবন্ধ ৰচনা কৰিলে,—এইবোৰৰ বিষয়বস্তুও বিভিন্ন আৰু বিচ্ছিন্ন,—সাধাৰণ ছুৰবি ৰনৰপৰা ভগৱৎ তত্ত্বলৈ সকলো। তেওঁ এখন সমাজত দেখা দিয়া সকলো ধৰণৰ সামাজিক ৰাজনৈতিক, অৰ্থনৈতিক, আধ্যাত্মিক, ভাষা, সাহিত্য বা সংস্কৃতি বিষয়ক সকলো বিষয়তে প্ৰবন্ধ লেখিছে আৰু প্ৰায় সকলোবোৰ প্ৰবন্ধৰ মাজেদি তেওঁৰ সুবিশাল ব্যক্তিত্ব, জ্ঞান-গাম্ভীৰ্য্য, পৰ্য্যবেক্ষণশীলতা আৰু বিশাল সৃজনী শক্তিৰ আভাস পোৱা যায়। তেওঁ অসমীয়া প্ৰবন্ধ সাহিত্যক কেৱল সুপ্ৰতিষ্ঠিত কৰিয়েই এৰা নাই, ইয়াক বিশ্বমুখীও কৰিলে। তেওঁৰ এই প্ৰবন্ধৰাজীৰ, বিশেষকৈ হাস্যোদ্দীপক মনোধৰ্মী প্ৰবন্ধসমূহৰ, পাশ্চাত্যৰ ইংৰাজী আদি কৰি সাহিত্যৰ লগত অতীব ঘনিষ্ঠ সম্বন্ধ, অন্ততঃ প্ৰকাশ ভঙ্গীত। এই প্ৰবন্ধ সাহিত্যৰ মাজেদি লক্ষ্মীনাথ

বেজবৰুৱাৰ জীৱন-জিজ্ঞাসাৰো সুস্পষ্ট পৰিচয় পাব পাৰি। আজিকোপতি অসমীয়া সাহিত্যত বেজবৰুৱাৰ সমকক্ষ বা বেজবৰুৱাতকৈ উৎকৃষ্ট প্ৰবন্ধ লেখক অসমীয়া সাহিত্যত আৰু দ্বিতীয়জন ওলোৱা বুলিব নোৱাৰি। ডাক্তৰ বাণীকান্ত কাকতিৰ প্ৰবন্ধসমূহ আছিল বস্তুধৰ্মী জ্ঞান-গভীৰতাপূৰ্ণ প্ৰবন্ধহে। লক্ষ্মীনাথৰ সদৃশ ব্যাপক আৰু বিস্তৃত ভাবে প্ৰবন্ধ ৰচিবলৈ তেওঁ সমৰ্থবান হব নোৱাৰিলে। লক্ষ্মীনাথে যে কেৱল অসমীয়া প্ৰবন্ধ-সাহিত্য সুপ্ৰতিষ্ঠিতহে কৰিলে, তেনে নহয়, তেৱেঁই সৰ্ব্বশ্ৰেষ্ঠ প্ৰবন্ধ-লেখকো। জাতীয় জীৱনৰ বিভিন্ন দিশৰ ওপৰত চিন্তাকৰ্ষীকৈ ইমান বিপুল পৰিমানৰ দ্বিতীয় এজন প্ৰবন্ধ লেখক অসমীয়া সাহিত্যত আজিও ওলোৱা নাই। তেওঁৰ এই বিপুল পৰিমাণৰ প্ৰবন্ধৰাজিৰ অন্যতম প্ৰধান বৈশিষ্ট্য এয়ে যে এইবোৰ বিশ্বমুখীও অৰ্থাৎ বিশ্ববৰেণ্য প্ৰবন্ধ-লেখকসকলৰ ৰচনাৰ সমকক্ষ। ইংৰাজী সাহিত্যৰ বিখ্যাত প্ৰবন্ধ-লেখক বেকন, এডিচন, গোল্ডস্মিথ, চেষ্টাৰটন, ড্ৰাইডেন আদিৰ ৰচনাৰ লগত বেজবৰুৱাৰ দ্বাৰা ৰচিত প্ৰবন্ধ সমূহৰ সাদৃশ্য বিশেষভাবে মন কৰিবলগীয়া।

বেজবৰুৱা সৰ্ব্বপ্ৰথম অসমীয়া কেৰিকেচাৰিষ্ট বা কাৰ্টুনিষ্টেই যে আছিল, তেনে নহয়, তেওঁ সাহিত্য-সাধনা কৰাৰ সময়ত ভাৰতৰ ভিতৰতেই তেওঁ এগৰাকী প্ৰথম শ্ৰেণীৰ কেৰিকেচাৰিষ্ট আৰু কাৰ্টুনিষ্ট আছিল। কিন্তু তেওঁ সম্ভৱতঃ সৰ্ব্বভাৰতীয় খ্যাতি অৰ্জন কৰিবলৈ সমৰ্থ হোৱা নাছিল। ইয়াৰ কাৰণো এয়ে হব লাগে, যে তেওঁৰ কেৰিকেচাৰ আৰু কাৰ্টুনবিলাক ৰচিত হৈছিল বিশেষ অসম আৰু অসমীয়াক কেন্দ্ৰ কৰিহে, সৰ্ব্বভাৰতীয় সমস্যাই প্ৰায়েই তেওঁৰ ৰচনাত ঠাই পোৱা নাছিল। তেওঁ কেৰিকেচাৰ আৰু কাৰ্টুনৰ মৰ্য্যাদা কিন্তু মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। নতুন জাগ্ৰত ইউৰোপৰ প্ৰগতিত কেৰিকেচাৰ আৰু কাৰ্টুনে কি অপূৰ্ব প্ৰভাব বিস্তাৰ কৰিছিল তাকো তেওঁ গভীৰ ভাবে উপলব্ধি কৰিছিল। সেয়ে তেওঁ আত্মবিস্মৃত অসমীয়াকো সজাগ আৰু সচেতন কৰি স্পন্দনপূৰ্ণ কৰাৰ মানসে, সংস্কাৰ ধৰ্মী জাতীয়তাবাদী মনোভাব প্ৰকাশৰ কাৰণে মাধ্যম স্বৰূপে গ্ৰহণ কৰিলে কেৰিকেচাৰ আৰু কাৰ্টুনৰ। কিন্তু সম্ভৱতঃ তেওঁৰ সময়ৰ অসমীয়াই তেওঁৰ এনে কেৰিকেচাৰ আৰু কাৰ্টুন-ধৰ্মী ৰচনাৰ মৰ্ম উপলব্ধি কৰিবলৈ সমৰ্থই হোৱা নাছিল। কিন্তু আজিৰ অসমে মৰ্মে মৰ্মে উপলব্ধি কৰিছে, তেওঁৰ এনেবোৰ ৰচনাৰ মৰ্ম কথা। সময়ৰ লগে লগে প্ৰতিগৰাকী অসমীয়াই তেওঁৰ ৰচনাৰ মৰ্মকথা আৰু অধিক গুৰুত্বপূৰ্ণ ভাৱেহে উপলব্ধি কৰিব। আজিৰ অনুসন্ধিৎসু অসমীয়াই উপলব্ধি কৰিছে, ভবিষ্যৎ বংশধৰসকলে আৰু গভীৰভাবে উপলব্ধি কৰিব বেজবৰুৱাৰ কেৰিকেচাৰ

আৰু কাৰ্টুনত নিহিত থকা প্ৰাণস্পৰ্শী তাৎপৰ্য্য। এনে ৰচনাতো লক্ষ্মীনাথেই অসমীয়া সাহিত্যত অদ্বিতীয়।

সমালোচক,—সুসমালোচকো আজি আমাৰ মাজত আছে। অসমীয়া সাহিত্যৰ কাব্য, নাটক, গল্প, উপন্যাস আদিৰ বিষয়ে ধাৰাবাহিক আলোচনাও আজি আমাৰ সাহিত্যত দুই এগৰাকী ব্যক্তিৰ চেষ্টাৰেই সম্ভৱপৰ হৈ উঠিছে। কিন্তু সমাজ জীৱনৰ সকলো দিশতে সমালোচকৰ দৃষ্টিৰে কাপ-মৈলাম দৈ অৱতীৰ্ণ হব পৰা শক্তিশালী সমালোচক আমাৰ সাহিত্যত লক্ষ্মীনাথ বেজবৰুৱাত বাহিৰে আন দ্বিতীয়জন দেখোন আৰু নাই! তেওঁ সাহিত্য সমালোচক, ভাষা-সমালোচক, ধৰ্মীয় তত্বৰ সমালোচক, ৰাজনীতি, সমাজনীতি সকলো দিশৰে কৃতবিদ্য সমালোচক। তেওঁৰ সমালোচনাসমূহ কেৱল ভাৱপ্ৰৱণতাপূৰ্ণ উক্তিয়েই নাছিল, সকলোবোৰ সমালোচনাই আছিল যথাসম্ভৱ সত্য তথ্য-পাতিৰ ওপৰত প্ৰতিষ্ঠিত বৈজ্ঞানিক পদ্ধতিৰ সমালোচনা। এনে বিশাল আৰু বিপুলজ্ঞানৰ অধিকাৰী সুসমালোচক যথাৰ্থতে অসমীয়া সাহিত্যত আৰু দ্বিতীয় আন এজন নাই। সমালোচক আছে, সুপণ্ডিতো আছে, কিন্তু সকলো দিশতে সমানে কৃতকাৰ্য্যতা লাভ কৰা সমালোচক লক্ষ্মীনাথ বেজবৰুৱাত বাহিৰে দ্বিতীয়জন অসমত তেওঁৰ আগেও নাছিল, তেওঁৰ পিছতো আজিকোপতি উদ্ভৱ হোৱা নাই। আনকি 'বাঁহী'ৰ সম্পাদক হিচাবে তেওঁ যি বিচক্ষণতাৰ পৰিচয় দি গ'ল তেনে এজন বিদগ্ধ সাংবাদিকো অসমত আজিকোপতি অ ক সৃষ্টি নহ'ল।

১৯৩৮ চনৰ ২৬ মাৰ্চ তাৰিখতেই বেজবৰুৱাৰ ভৌতিক দেহ পঞ্চমহাভূতৰ লগত বিলীন হৈ গ'ল। কিন্তু এই ডেৰকুৰি বছৰে আমি অসমীয়াই বেজবৰুৱাক পাহৰিব পৰা নাই, কাৰণ তেওঁ খালী কৰি থৈ যোৱা আসন আজিও খালী হৈয়ে পৰি ৰ'ল, আনে সেই আসন পূৰাব পৰা নাই। অসমীয়া জাতীয় বা সাংস্কৃতিক অনুষ্ঠান এটিৰ সামৰণি মাৰিব লাগিলেও আমি বেজবৰুৱাৰ দ্বাৰা ৰচিত "অ' মোৰ আপোনাৰ দেশ……" গীতটোৰেহে সামৰোঁ, অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰিব লাগিলেও আমি গাওঁ—বেজবৰুৱাৰ "বাজক দবা, বাজক শংখ, বাজক মৃদং খোল…" গীতটিহে আৰু লগে লগে আমি বেজবৰুৱাৰ ভাষাৰেই গভীৰ ভাৱে অনুভৱ কৰোঁ—"সকলো আছিল, সকলো আছে, হুগুণো এলওঁ গম।"

সঁচা কথা, ঔপন্যাসিক আৰু গধুৰ নাটৰ ৰচক হিচাবে বেজবৰুৱা কৃতকাৰ্য্য হব নোৱাৰিলে; কিন্তু জাতীয় ভাষা-সাহিত্যৰ মুমূৰ্ষু অৱস্থাত তেওঁ গল্প,

কবিতা, সাধুকথা, জীৱনী, দাৰ্শনিক তত্ব, ঈশ্বৰ তত্বা সমালোচনা, সঙ্গীত, কেৰিকেচাৰ, কাৰ্টুন আদি কৰি অন্যান্য সকলো দিশতে সাহিত্য ৰচনা কৰি জাতীয় জীৱন স্পন্দনপূৰ্ণ কৰি তুলিব বিচৰাৰ দৰে উপন্যাস আৰু গধুৰ নাটকো ৰচনা কৰিছিল। অভাব দূৰ কৰি জাতীয় ভাষ-সাহিত্যক পুনঃ প্ৰতিষ্ঠা কৰি হেৰুৱা সম্মান দিয়াই আছিল লক্ষ্মীনাথৰ্ইতৰ সাহিত্যিক জীৱনৰ সৰ্বপ্ৰধান লক্ষ্য। সেই কালৰপৰা তেওঁৰ অন্যান্য ৰচনাৰ দৰে উপন্যাস আৰু গধুৰ বুৰঞ্জীমূলক নাট কেইখনৰো এটি বিশিষ্টস্থান অসমীয়া সাহিত্যত সদায় অটুট থাকিব। অসমীয়াৰ মৰ্মকথা মৰ্মে মৰ্মে উপলব্ধি কৰি এসময়ৰ আত্মবিস্মৃত অসমীয়া জাতিক আত্মসচেতন কৰি জগাই তুলিবলৈ 'জোনাকী'ৰ দিনৰপৰা আমৰণ যি সাধনা আৰু সংগ্ৰাম চলালে তাৰ পৱিত্ৰ স্মৃতিয়ে অসমীয়া মাত্ৰকে চিৰকাল হৰ্ষোল্লসিত কৰি থাকিব, তেওঁ অসমীয়াৰ কাৰণে এটা চিৰস্থায়ী আনন্দ আৰু প্ৰেৰণাৰ উৎস। তেওঁৰ মাজেদিহে অসমীয়া জাতীয়-জীৱনে পূৰ্ণৰূপে বিকাশ লাভ কৰিছে। শঙ্কৰদেৱো আছিল অসীম প্ৰতিভাৰ আধাৰ। তেৱেঁই সম্ভৱতঃ সৰ্ব্বপ্ৰথম অসমীয়া জাতিক জ্ঞান, ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতিৰ ঐক্য দোলেৰে বান্ধি অসমীয়া জাতীয়তাক পৰিপুষ্ট কৰি তুলিলে। শঙ্কৰদেৱ আছিল কিন্তু সৰ্বমানৱৰ কাৰণে তেওঁৰ ৰচনাত বা গীত-পদত ক'তো অসম-অসমীয়া বা কামৰূপ-কামৰূপীয়াৰ উল্লেখ নাই। তেওঁ আছিল বিশাল মানৱগোষ্ঠীৰ এজন উদাৰ আদৰ্শ ভাৰতীয়। তেওঁ যথাৰ্থতে সৰ্ব্বমানৱৰ আনন্দ আৰু হৰ্ষৰ কাৰণ। শঙ্কৰদেৱৰ প্ৰায় চাৰিশ বছৰ পিছত জন্মলাভ কৰা লক্ষ্মীনাথ বেজবৰুৱাৰ সময়ৰ ভাৰতবৰ্ষৰ ছবি আছিল সুকীয়া। প্ৰান্তীয় ভাষা আৰু প্ৰান্তীয় স্বাৰ্থই তেতিয়া সকলোৰে মন আচ্ছন্ন কৰি তুলিছিল। অসম আছিল তেতিয়া সবাতোকৈ নিঃকিন। বেজবৰুৱাই বিশ্বাস কৰিছিল যে অসমৰ উন্নতিয়েই ভাৰতৰো উন্নতি। অসম যদি অনুন্নত আৰু নিঃকিন হৈ পিছত পৰি থাকে, তেতিয়াহলে ভাৰতৰো পূৰ্ণাঙ্গীন উন্নতি হোৱা বুলিব নোৱাৰি। তেওঁ সৰ্বভাৰতীয় কিম্বা আন্তৰ্জাতিক সমস্যা আদিলৈও আলোচনা-বিলোচনাত অৱতীৰ্ণ নোহোৱা নহয়। কিন্তু তেওঁ প্ৰধানকৈ দৃষ্টি নিবদ্ধ ৰাখিলে অসম আৰু অসমীয়াৰ মাজতহে। সেয়ে তেওঁ অসমৰ বাহিৰত সিমান জনাজাত নহয়। তেওঁ অসমৰ মৰ্মকথা অসমীয়াৰ প্ৰাণে প্ৰাণে সঞ্জীৱিত কৰি তুলিলে। তেওঁ অসমৰ জাতীয় সাহিত্যিক।

সাংবাদিক লক্ষ্মীনাথ বেজবৰুৱা

যিয়ে কোনো সংবাদপত্ৰ বা ৰাজহুৱা সাময়িক পত্ৰিকা-আলোচনী আদি সম্পাদনা কৰে বা সম্পাদনা সম্পৰ্কীয় কামত ব্ৰতী হয় যথাৰ্থতে সিয়েই সাংবাদিক। সাংবাদিকে সংবাদ সেৱাৰ জৰিয়তে সমাজ সংস্থাপন আৰু পৰিচালনাও কৰিব পাৰে। বৰ্তমান যুগত সাংবাদিকতাৰ বৰ সমাদৰ। কব গলে ৰাষ্ট্ৰনায়ক-সকলতকৈও সাংবাদিকসকলেহে আজিৰ দিনত সমাজ বা ৰাষ্ট্ৰপৰিচালনাত বেছি গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰিছে। যুগনায়ক মহাত্মা গান্ধী প্ৰমুখ্যে নেতৃবৰ্গৰ স্বাধীনতা আন্দোলন বিষয়ক বাণীসমূহ বনপোৰা জুইৰ দৰে সমগ্ৰ দেশত বিয়পাই দিছিল কেইখনমান জাতীয়তাবাদী সংবাদপত্ৰৰ সাংবাদিকসকলেহে। দেশ স্বাধীন হোৱাৰ পিছতো আমাৰ ৰাষ্ট্ৰীয় জীৱনত উদ্ভৱ হোৱা যি কোনো সমস্যাৰে সমাধানৰ প্ৰকৃত পন্থাৰ নিৰ্দেশ দি আছে সংবাদপত্ৰৰ জৰিয়তে কেই-গৰাকীমান বিজ্ঞসাংবাদিকেহে। তেনেকৈ ভাৰতৰ বুকুত দেখা দিয়া সাম্প্ৰদায়িক বিদ্বেষ, আঞ্চলিক বা প্ৰাদেশিক মনোভাৱ আদি কৰি জাতীয়তাৰ পৰিপন্থী ভাৱধাৰাসমূহো যথাৰ্থতে কেতবোৰ স্বাৰ্থন্বেষী বা সংকীৰ্ণমনা সাংবাদিকৰ দ্বাৰাই বিয়পি পৰিছে। ১৯৬২ চনৰ চীনৰ আৰু ১৯৬৫ চনৰ পাকিস্থানৰ আক্ৰমণৰ সময়তো দেশাত্মবোধ বা জাতীয়তাৰ ভাব এক বুজন সংখ্যক সাংবাদিকে জনতাৰ মনত জগাই তুলিবলৈ যেনেকৈ চেষ্টা কৰিছিল, তেনেকৈ দেশে-বিদেশে আন এদল সাংবাদিকে ভাৰতৰ বীভৎস ছবি বাহিৰৰ আগত তুলি ধৰিবলৈও চেষ্টাৰ ত্ৰুটী কৰা নাছিল। দেশ গঢ়াত, জনমত গঢ়ি তোলাত, সাংস্কৃতিক বা ৰাজনৈতিক আলোড়ন আদি গঢ়ি তোলাতো সাংবাদিক তথা সংবাদপত্ৰৰ প্ৰভাৱেই সবাতোকৈ বেছি। সাধাৰণ ৰাইজৰ মাজত ঈশ্বৰতকৈও সংবাদপত্ৰৰ প্ৰভাৱ অধিক বুলিহে অনুভৱ কৰা যায়।

ভাৰতৰ অন্যান্য প্ৰান্তৰদৰে আজি অসমতো সুস্থ সাংবাদিকতাৰ সৃষ্টি হোৱা বুলিব পাৰি আৰু অসমতো আজি সংবাদপত্ৰৰ সমাদৰ যথেষ্ট পৰিমাণে বাঢ়িছে—যদিও অন্যান্য ৰাষ্ট্ৰ আনকি ভাৰতৰো অন্যান্য প্ৰান্তৰ তুলনাত অসমত সাংবাদিকতা আৰু সংবাদপত্ৰৰ সমাদৰ যথোচিত ধৰণে বঢ়া নাই। আজিৰ পৰা এশ বা চাৰিকুৰি বছৰ আগতে অসমত সাংবাদিকতা আৰু সংবাদপত্ৰৰ অৱস্থা কেনে শোচনীয় আছিল তাক কল্পনা কৰিলে নিশ্চয়কৈ ক্ষীণভাৱে হলেও স্বৰূপ উপলব্ধি কৰিব পাৰি। আজিও অসমৰ অসমীয়া মানুহে সংবাদপত্ৰ বা সাময়িক পত্ৰিকা আদি প্ৰায়েই নপঢ়ে, পঢ়িলেও হাতৰ মুঠিৰ ধন ভগন কৰি কাকতকিনি পঢ়িবলৈ বৰকৈ ইচ্ছা নকৰে। সাম্প্ৰতিক অসমীয়া সাহিত্যত যুগ প্ৰবৰ্ত্তনকাৰী 'ৰামধেনু' আলোচনী ৰাইজৰ মাজৰপৰা চিৰদিনলৈ তিৰোহিত হব লগাত পৰিল, ৰাজনৈতিক আৰু সমাজ-ব্যৱস্থাত চাঞ্চল্যৰ সৃষ্টি কৰি জনমত গ'ঢ়ি তুলিবলৈ সক্ষম হোৱা 'নৱযুগ' আলোচনীখনিও চিৰদিনৰ কাৰণে তিৰোহিত হবলগাত পৰিল, অসমীয়া পাঠক-পাঠিকাৰ অৱহেলা, আওকণীয়া মনোবৃত্তি আৰু সমাদৰৰ অভাৱত। অথচ আজি অসমীয়া ভাষা সংবিধান স্বীকৃত অন্যতম ভাৰতীয় আঞ্চলিক ভাষা, আজি অসমত অসংখ্য প্ৰাথমিক শিক্ষানুষ্ঠানৰ কথা এৰিলেও হাজাৰৰো অধিক সংখ্যক উচ্চ আৰু উচ্চতৰ মাধ্যমিক স্কুল, শতাধিক কলেজ আৰু দুখনো বিশ্ববিদ্যালয়ো প্ৰতিষ্ঠিত হৈছে।

আজিৰ পৰা ছকুৰি এবছৰ আগতে প্ৰকাশিত 'অৰুণোদয়' আমেৰিকান ব্যাপ্টিষ্ট মিচনেৰীসকলৰ মুখপত্ৰ আছিল সঁচা; কিন্তু অৰুণোদয়েই যথাৰ্থতে বৃটিছৰ আগমনৰ লগে লগে বঙালীসকলৰ প্ৰৰোচনাত প্ৰচলিত বঙালী ভাষাৰ ঠাইত অসমত অসমীয়া প্ৰতিষ্ঠা কৰিবলৈ সৰ্বপ্ৰথম আন্দোলন চলাইছিল, ১৮৭৩ চনত অসমীয়াক হেৰুৱা স্থানত চৰকাৰী ঘোষণাৰ দ্বাৰা পুনঃ প্ৰতিষ্ঠা কৰিবলৈও হৈছিল সমৰ্থ। কিন্তু এই 'অৰুণোদয়'ৰ প্ৰতিও অসমীয়া ৰাইজে যথোচিত সমাদৰ নেদেখুৱালে। 'অৰুণোদয়'ৰ পিছত প্ৰবৰ্তিত 'আসাম নিউজ', 'আসাম বান্ধৱ' আদি কৰি অসমীয়া আলোচনী সমূহো যথাৰ্থতে ৰাইজৰ অনাদৰৰ কাৰণেই অকালতে মৰহি গ'ল। সেইখন অসমত কি দক্ষতা আৰু সাহসিকতাৰে বেজবৰুৱাই 'জোনাকী' আৰু 'বাঁহী' সম্পাদনা কৰি এখন সুস্থ-সবল অসম গঢ়ি তোলা সম্ভৱপৰ কৰি তুলিলে তাৰ কথা সোঁৱৰিলে সঁচাকৈয়ে বিস্মিত হবলৈ লাগে।

চন্দ্ৰকুমাৰ আগৰৱালাৰ পিছত লক্ষ্মীনাথ বেজবৰুৱাই 'জোনাকী' সম্পাদনা কৰিছিল যদিও, জোনাকীৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱা কৃতকাৰ্য্য হব নোৱাৰিলে,

যদিও ইয়ে তেওঁক ১৯০৯ চনৰপৰা প্ৰায় একুৰি বছৰ দক্ষতাৰে 'বাঁহী' সম্পাদনা কৰিবলৈ দিছিল বিপুল অভিজ্ঞতা। ইংৰাজীত Failure is the pillar of Success বুলি কোৱাৰ দৰে লক্ষ্মীনাথকো অকৃতকাৰ্য্যতাইহে কৃতকাৰ্য্য হবলৈ অনুপ্ৰাণিত কৰি তুলিছিল বুলিব পাৰি। 'জোনাকী' পৰিচালনাত অকৃতকাৰ্য্য হৈ পিছত 'বাঁহী' পৰিচালনা আৰু সম্পাদনাত তেওঁ অভূতপূৰ্বৰূপে সাফল্য লাভ কৰে। "সাংবাদিকতা' যদিও তেওঁৰ উপকৰা 'ব্যৱসায় আছিল, তথাপি তেওঁ ইয়াক অবসৰ বিনোদৰ সামগ্ৰী বুলি নধৰি 'ব্যৱসায়' হিচাবেই গ্ৰহণ কৰিছিল,—অৱশ্যে জীৱিকাৰ কাৰণে নহলেও ·আলোচনীখনৰ অপ্ৰতিহত প্ৰকাশ আৰু প্ৰচাৰৰ কাৰণেই। তেওঁ ইয়াকো গভীৰভাৱে উপলব্ধি কৰিছিল যে অসমীয়া সংবাদপত্ৰ কেৱল অসমীয়ালোকৰ মাজতেই সীমাবদ্ধ থাকে আৰু ইয়াকো তেওঁ গভীৰভাৱে উপলব্ধি কৰিছিল যে অসমীয়া গ্ৰাহকে প্ৰায়েই কাগজ পঢ়ি পইচা নিদিয়ে,—'বাতৰি কাকতৰ জাননী', 'জুগুলিৰ বিজ্ঞাপন', 'মুকলি চিঠি—উষা আইটীলৈ' আদি প্ৰবন্ধত তেওঁ এনেভাব স্পষ্টভাৱে প্ৰকাশো কৰিছে। এনে প্ৰতিকূলতাৰ মাজতো তেওঁ সাংবাদিকতালৈ আগবাঢ়িছিল এই কাৰণে যে সুস্থ সাংবাদিকতাৰ অবিহনে অসমৰ কল্যাণ বা উদ্‌গতি অসম্ভৱ; আৰু তেওঁ ইয়াকো দৃঢ়ভাৱে সৈতে বিশ্বাস কৰিছিল যে যি কোনো প্ৰকাৰে হলেও অসমীয়া মানুহক সংবাদপত্ৰৰ প্ৰতি আকৰ্ষিত কৰিবই লাগিব। সংবাদপত্ৰ নপঢ়ো বুলি আকোৰ গোজালিকৈ বহি থকা অসমীয়াকো তেওঁ সংবাদপত্ৰৰ প্ৰতি আকৰ্ষণ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল। সুস্থ জাতীয়তাৰ ভেটিত অসম আৰু অসমীয়াক উদ্দীপ্ত কৰি তোলাই যিহেতু লক্ষ্মীনাথৰ জীৱনৰ প্ৰধান লক্ষ্য আছিল আৰু সুস্থ সাংবাদিকতাৰ দ্বাৰাহে ই সম্ভৱপৰ হৈ উঠিব পাৰে, সেই কাৰণে সাংবাদিক বেজবৰুৱাই সত্য আৰু তথ্যৰ ভেটিত সকলো কথা প্ৰতিষ্ঠা কৰিবলৈ অহো-পুৰুষাৰ্থ কৰাৰ দৰে জন-মন আকৰ্ষণ কৰিবলৈও হৈছিল তৎপৰ।

বেজবৰুৱাৰ 'বাঁহী' সদায় বিবদমান আছিল। কিবা নহয়, কিবা এটা বিষয়ে এখন বিবাদৰ সৃষ্টি কৰি চাঞ্চল্যৰ সৃষ্টি কৰা 'বাঁহী'ৰ এটা প্ৰধান বৈশিষ্ট্য আছিল। এই বিবাদৰ মূল আদৰ্শ যে সত্য-তথ্য প্ৰতিষ্ঠা কৰাই আছিল, তাক দোহৰাৰ আৱশ্যক নাই; কিন্তু তদুপৰি তাৰ গৌণ আদৰ্শ আছিল চাঞ্চল্যকৰ পৰিবেশৰ সহায়ত জন-চিত্ত আকৰ্ষণ কৰা। এইটো 'বাঁহী'ৰ ব্যৱ-সায়িক দিশ। 'বাঁহী'ত ১ম বছৰৰ ১ম সংখ্যাৰ পৰাই বেজবৰুৱাই 'কাৰ্টুন' চিত্ৰ সন্নিবিষ্ট কৰে। 'কাৰ্টুন' অসমতেই নহয়, ভাৰততেই নতুন। কাৰ্টুন' বো

মুখ্য আদর্শ সমাজ সংস্কাৰ বা সাংস্কৃতিক উন্নয়ন হলেও ইয়াক জনচিত্ত আকর্ষণৰ কাৰণেও প্ৰয়োগ কৰা হৈছিল। কিন্তু জন-চিত্ত আকর্ষণ কৰা মানে ধনো-পার্জন কৰাকে বুজোৱা নাছিল। সঁচা কথা, ব্যৱসায় এটাৰ শ্ৰীবৃদ্ধি বা সচ্ছলতাৰ কাৰণে ধনোপার্জনৰো বিশেষ আৱশ্যকতা আছে, কিন্তু তাহানি কালত লক্ষ্মীনাথ বেজবৰুৱাইতে সাংবাদিকতা কৰিছিল সমাজসেৱাৰ কাৰণেহে। কাঠৰ ব্যৱসায়ী (সদাগৰ) লক্ষ্মীনাথে জীৱন নির্বাহ কৰিছিল কাঠৰ ব্যৱসায়ৰ ওপৰত নির্ভৰ কৰি আৰু 'বাঁহী'ৰ যাৱতীয় খৰচো প্ৰধানকৈ নিজৰ হাতনি পেৰাৰ পৰায়েই ভগন কৰিছিল। 'বাঁহী'য়ে ধন আর্জনতকৈ মানুহৰ মন আকর্ষণতহে অধিক গুৰুত্ব আৰোপ কৰিছিল, লক্ষ্য আছিল 'বাঁহী'ৰ জৰিয়তে আত্মবিস্মৃত অসমক জাগ্ৰত কৰি তোলা। সেয়েহে তেওঁ জন-চিত্ত আকর্ষণৰ কাৰণে অভিনৱ পন্থা গ্ৰহণ কৰিবলগীয়া হৈছিল। এনে অভিনৱ পন্থা গ্ৰহণ কৰা কাৰণেহে যথার্থতে লক্ষ্মীনাথে প্ৰায় একুৰিতকৈও অধিক বছৰ (শেষৰ কালে চন্দ্ৰকুমাৰ আগৰৱালাৰ সহযোগিতা আৰু অমিয়কুমাৰ দাসৰ সম্পাদনাত) কাল 'বাঁহী' প্ৰকাশ আৰু প্ৰচাৰ থাকিবলৈ সমর্থবান হৈছিল। অথচ আজিৰ সাংবাদসেৱী সকলৰদৰে বিহিত প্ৰশিক্ষণ আদিও লক্ষ্মীনাথৰ একোৱেই নাছিল। তেওঁ সুস্থ সাংবাদিকতা গঢ়ি তুলিছিল অভিজ্ঞতা আৰু পর্য্যবেক্ষণ শক্তিৰ ওপৰত প্ৰতিষ্ঠিত হৈ। তেওঁৰ দ্বাৰা প্ৰবর্ত্তিত সাংবাদিক-ৰীতিয়ে তেওঁৰ সমকালীন আৰু পৰৱর্ত্তীকালৰ সাংবাদিকসকলকো সুস্থ সাংবাদিকতা গঢ়ি তুলিবলৈ অনুপ্ৰাণিত কৰিছে আৰু তেওঁৰ ৰীতি আদর্শৰূপেও সমাদৃত হৈছে।

জোনাকীযুগীয়া লক্ষ্মীনাথৰো জীৱনৰ সর্বপ্ৰধান লক্ষ্য আছিল যিহেতু অজ্ঞান-আন্ধাৰাচ্ছন্ন অসমত জোনাকৰ ঢল বোওৱা, গতিকে 'বাঁহী'ৰ যোগেদিও দেশ-বিদেশৰ জ্ঞান-বিজ্ঞানৰ আলোকত অসম উজ্জ্বলাই তুলিবলৈয়ে লক্ষ্মীনাথে চেষ্টা কৰি গ'ল। যথার্থতে 'বাঁহী' যদিও 'জোনাকী'ৰেই পৰিপূৰক স্বৰূপ আছিল, আৰু 'জোনাকী'ৰ অপূর্ণ কাম 'বাঁহী'য়েই পৰিপূর্ণ কৰি তুলিছিল, তথাপি 'বাঁহী'ৰ স্বকীয়া বৈশিষ্ট্য নথকা নহয়। 'বাঁহী'য়ে অসমীয়া সাহিত্যত গল্প আৰু উপন্যাস সুপ্ৰতিষ্ঠিত কৰিলে, কেৰিকেচাৰ আৰু বিশেষকৈ কার্টুনক অসমীয়া সাহিত্য জগতৰ লগত সুপৰিচিত কৰি দিলে, পুথি সমালোচনাই পৰিপুষ্টি লাভ কৰিলে, অনুবাদ সাহিত্যই প্ৰসাৰতা লভিলে, ন ন বৈজ্ঞানিক আবিষ্কাৰৰ লগত ৰাইজক পৰিচিত কৰি দিলে আৰু সর্বতোপৰি বৈষ্ণৱধর্ম আৰু অসমীয়া শ্ৰীশঙ্কৰদেৱ প্ৰমুখ্যে বৈষ্ণৱধর্ম প্ৰৱৰ্ত্তক আৰু গুৰুসকলক ৰাইজৰ মনত পুনঃ প্ৰতিষ্ঠা কৰিলে। শ্ৰীবেণুধৰ শর্মাৰ ভাষাত—"বাঁহীয়ে আটাইতকৈ

তাৰে কাম দুটা কৰিলে :—এটা শ্ৰীমন্তশঙ্কৰক পুনৰ সঞ্জীৱিত কৰিলে আৰু আনটো কৰিলে 'জোনাকী' যুগৰ আধকৰা কামখিনিৰ সম্পূৰ্ণতা ৪৫।"

সাহিত্যিক লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ চৰম লক্ষ্য আছিল,—অসমীয়াৰ জাতীয়তাৰ ভেটি সুদৃঢ় কৰা; সাংবাদিক লক্ষ্মীনাথৰো প্ৰধান লক্ষ্য আছিল একেটাই। আচলতে বঙালীসকলৰ প্ৰৰোচনা আৰু কু-অভিসন্ধি নাশ কৰি অসম আৰু অসমীয়াৰ স্বকীয়া বৈশিষ্ট্য প্ৰমাণ কৰিবৰ কাৰণেই তেওঁ সম্পাদনা কৰিবলৈ লৈছিল 'বাঁহী'। অসমীয়া ভাষাৰ বিৰুদ্ধে কৰা বঙালীৰ আক্ৰমণ বেজবৰুৱাই দৃঢ়ভাৱে আৰু সত্য-তথ্য-পাতিৰে প্ৰত্যাখ্যান কৰাৰ পিছত বঙালী-সকলে আক্ৰমণ চলায়,—অসমৰ বৈষ্ণৱ ধৰ্মৰ ওপৰত ৪৬। এই আক্ৰমণকাৰী-সকলে নানা কপচৰা যুক্তি তৰ্ক কৰি দেখুৱাব বিচাৰিলে যে শঙ্কৰদেৱ চৈতন্য-দেৱৰ শিষ্য আছিল, আৰু শঙ্কৰদেৱ নাথাকিলেও দামোদৰদেৱ নিশ্চয়কৈ চৈতন্যদেৱৰ শিষ্য আছিলেই। এই কথাত তাহানিৰ আত্মবিস্মৃত এক বুজন সংখ্যক অসমীয়াও ভোল গৈছিল আৰু সেইসকলে বঙালী আক্ৰমণকাৰীসকলৰ পক্ষ সমৰ্থন কৰিছিল। এই আক্ৰমণ ব্যৰ্থ কৰিবলৈ আৰু আত্মবিস্মৃত অসমীয়া-সকলৰ মনত উদয় হোৱা ভ্ৰান্তিৰ ভাৱ আঁতৰাবলৈ বেজবৰুৱা অৱতীৰ্ণ হ'ল—অসমীয়া বৈষ্ণৱ ধৰ্মৰ স্বকীয়া বৈশিষ্ট্যৰ বিশ্লেষণ তুলি ধৰিবলৈ। বেজবৰুৱাই শাস্ত্ৰীয় আৰু প্ৰামাণিক তথ্য-পাতিৰ ওপৰত প্ৰতিষ্ঠিত হৈ প্ৰতি সংখ্যা 'বাঁহী'ৰ সম্পাদকীয় স্তম্ভত চৈতন্যদেৱ আৰু শঙ্কৰদেৱ প্ৰবৰ্তিত বৈষ্ণৱধৰ্মৰ স্বৰূপ তুলি ধৰিলে, শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ অভিন্নতাও স্পষ্ট কৰি দেখুৱালে। বেজবৰুৱাই শেষত চৈতন্যপন্থী আৰু শঙ্কৰীসকলৰ মূল পাৰ্থক্য 'বীজ-মন্ত্ৰ'ৰ ওপৰত প্ৰতিষ্ঠিত হৈও দেখুৱাইছে। তেওঁ ইয়াকো কৈছে যে দামোদৰীসকলৰ বীজমন্ত্ৰও চৈতন্যপন্থীসকলৰ পৰা পৃথক; কিন্তু শঙ্কৰদেৱৰ অনুগামীসকলৰ সদৃশ। গতিকে শঙ্কৰদেৱ আৰু দামোদৰদেৱৰ মাজত পাৰ্থক্য নাই, পাৰ্থক্য আছে চৈতন্যদেৱৰ লগতহে। এই তথ্যবোৰ বিচাৰ কৰোঁতে বেজবৰুৱা সদায় সত্য-তথ্য-পাতিৰ ওপৰত প্ৰতিষ্ঠিত হৈছে। এইবোৰে তেওঁৰ বিশাল অধ্যয়ন আৰু বিপুল জ্ঞানৰ পৰিচয় স্পষ্ট কৰি তোলে।

কেইখনমান বৈষ্ণৱ-গ্ৰন্থ (অসমীয়া) লৈও সেই সময়ত বাক্-বিতণ্ডাৰ সৃষ্টি হৈছিল। গোপাল মিশ্ৰৰ 'ঘোষাৰত্ন', ভট্টদেৱৰ নামত প্ৰচলিত 'সৎসম্প্ৰদায়ৰ কথা' আৰু কবিচন্দ্ৰৰ নামত প্ৰচলিত 'ভৱিষ্যৎ কথা বা সন্তচৰিত্ৰ' এই কিতাপ

৪৫ তুনৰি : বাঁহী-যুগ, পৃষ্ঠা—১৫।

৪৬ ডঃ বাণীকান্ত কাকতি : বেজবৰুৱাৰ সাহিত্য প্ৰতিভা (সৰিতাসতা, পৃষ্ঠা—৪।৫)

“তিনিখনক লৈ বেজবৰুৱাই তেওঁৰ ‘বাঁহী’ৰ সম্পাদকীয়ত দীঘলীয়া আলোচনাৰে অৱতীৰ্ণ হৈছে। ‘ঘোষাৰত্ন’ৰ প্ৰকাশক আনন্দৰাম ভট্টাচাৰ্য্য আৰু পাততনি লেখিছে বেজবৰুৱাৰ অভিন্ন হৃদয় সদৃশ বন্ধু হেমচন্দ্ৰ গোস্বামীয়ে। দীঘলীয়া পাততনিত পণ্ডিত গোস্বামীয়ে যুক্তিৰে কৰ বিচাৰিছে যে ‘ঘোষাৰত্ন’ ‘নামঘোষা’ৰ পূৰ্বে ৰচিত গ্ৰন্থ। ইয়াৰ অসত্যতা প্ৰমাণ কৰিছে লক্ষ্মীনাথ বেজবৰুৱাই ৭ম বছৰৰ ৩য় সংখ্যা ‘বাঁহী’ৰ সম্পাদকীয় স্তম্ভত। নানা পুথিৰ পৰা পদ আৰু কথা উদ্ধৃত কৰি বেজবৰুৱাই যুক্তিৰে প্ৰতিপাদন কৰিছে যে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ যুক্তি অসত্য, মাধৱদেৱৰ বিৰচিত ‘নামঘোষা’ ৰচনাৰ পিছতহে ‘ঘোষাৰত্ন’ ৰচিত হৈছে। হেমচন্দ্ৰ গোস্বামীৰ মতে শঙ্কৰদেৱৰ প্ৰয়াণৰ পিছত দামোদৰদেৱ আৰু মাধৱদেৱৰ মাজত মত দ্বৈধ ভাৱ কাৰণে অসমৰ বৈষ্ণৱ-সকলৰ মাজত দামোদৰী আৰু মহাপুৰুষীয়া দুটা পন্থাৰ সৃষ্টি হয়। আৰু ইটো পন্থাৰ লোকে সিটো পন্থাৰ লোকক নিন্দা কৰিবলৈ আৰম্ভ কৰে। ঘোষাৰত্নৰ ৰচক গোপাল মিশ্ৰ দামোদৰদেৱৰ এগৰাকী প্ৰধান শিষ্য আৰু ধৰ্ম প্ৰচাৰক। গতিকে বিবাদৰ পিছত ৰচনাকৰা হ'লহেঁতেন নিশ্চয়কৈ ঘোষাৰত্নত অন্ততঃ মাধৱদেৱৰ প্ৰশংসা নাথাকিলহেঁতেন। ঘোষাৰত্নৰ এঠাইত আছে—

“শ্ৰীমন্ত শঙ্কৰ শুভাশয় দামোদৰ যশ প্ৰকাশয়
ভাগৱত ক্ষীৰ পয়োধিত গৈল তল।

* * *

শ্ৰীমন্ত মাধৱ নাম ধৰি বিষয় সুখক পৰিহৰি
কৃষ্ণযশ ৰস কৰিলা বিটো বিস্তাৰ।
দামোদৰ মত অনুসৰি মুখে গোবিন্দৰ নাম ধৰি
সন্ত হৰিনাম ৰখানিলা সাৰে সাৰ॥”

এই নিদৰ্শনৰ ওপৰত ভিত্তি কৰি ‘ঘোষাৰত্ন’ ‘নামঘোষা’ৰ আগতে ৰচিত বুলি কলেও বেজবৰুৱাই মানি লোৱা নাই। তেওঁৰ মতে এই উক্তিৰ মাজেদি বিভেদ সৃষ্টি হোৱাৰ কথাহে স্পষ্ট হৈ উঠিছে, কাৰণ ইয়াত দামোদৰদেৱৰ শ্ৰেষ্ঠতাহে দেখুৱা হৈছে—যেনিবা শঙ্কৰ-মাধৱে দামোদৰৰ মতহে প্ৰচাৰ কৰিছিল। বেজবৰুৱাই আৰু কৈছে যে বিবাদৰ আগত ‘ঘোষাৰত্ন’ ৰচা হৈছিল দামোদৰী সত্ৰসমূহত ‘নামঘোষা’ৰ প্ৰচলন নাথাকি ‘ঘোষাৰত্ন’ৰ প্ৰচলনহে থাকিব লাগিছিল। হেম গোস্বামীয়ে ‘নামঘোষা’ত থকা “হৰি ভকতিৰ পাতিলন্ত হাট শঙ্কৰে জগত-জুৰি। ৰাম নাম ৰত্ন বিকায়া জগতে চলয় বৈকুণ্ঠপুৰী”ৰ পৰা শঙ্কৰদেৱ বৈকুণ্ঠী হোৱাৰ পিছত ‘নামঘোষা’ সম্পূৰ্ণ হোৱা বুলি দাবী কৰিছে। বেজবৰুৱাই এই

"চলায় বৈকুণ্ঠপুৰী"ৰ ভিন্ন অৰ্থ কৰিছে ; তেওঁৰ মতে "শঙ্কৰে পাতি দিয়া সেই নামক হাটত মানুহে কিনা-বেচা কৰি বৈকুণ্ঠলৈ যায়।" এনেদৰে নানা যুক্তিৰে বেজ-ৰুৱাই দেখুৱাব বিচাৰিছে যে 'ঘোষাৰত্ন' হে 'নামঘোষা'ৰ পিছত ৰচিত। তেনেকৈ ৬ষ্ঠ বছৰ ১২ শ সংখ্যা বাঁহীত 'ভৱিষ্যৎ কথা বা সন্তচৰিত্ৰ' আৰু 'সৎ সম্প্ৰদায়ৰ কথা' গ্ৰন্থ দুখনৰ বহল আলোচনা দাঙি ধৰি তেওঁ কব বিচাৰিছে যে 'সৎ সম্প্ৰদায়ৰ কথা' গ্ৰন্থখন ভট্টদেৱৰ সদৃশ পৰম বৈষ্ণৱজনাৰ ৰচনা নহয়, আৰু 'ভৱিষ্যৎ কথা বা সন্তচৰিত্ৰ' গ্ৰন্থখনো প্ৰক্ষিপ্ত—আনকি ৰচকৰেই কোনো নিৰ্দিষ্টতা নাই। কাৰণ কবিচন্দ্ৰ এটা উপাধিহে মাথোন। তেওঁৰ মতে দুয়োখন গ্ৰন্থ বিক্ষিপ্ত আৰু ভ্ৰান্ত; দুয়োখন পিছৰ যুগত কোনোবা অজ্ঞাতনামা ব্যক্তিয়ে ৰচনা কৰি কেৱল সাম্প্ৰদায়িক বিদ্বেষ বঢ়োৱাৰ চেষ্টা কৰিছে, নতুবা মূল লেখকৰ ৰচনাত পিছৰ যুগত কথা যোগ দিছে। বেজবৰুৱাই সম্পাদকীয় স্তম্ভত এনে আৰু ভালেমান আলোচনা কৰিছে। এইবিলাকৰ দ্বাৰা তেওঁ পাণ্ডিত্য প্ৰচাৰ কৰিব বিচৰা নাছিল,—ৰাইজৰ মনৰ পৰা ভ্ৰান্তি দূৰ কৰি সত্য তথ্য প্ৰতিষ্ঠা কৰিবলৈহে তেওঁ এনে কাৰ্য্যত ব্ৰতী হৈছিল। তাতেই সাংবাদিক বেজবৰুৱাৰ কৃতিত্ব আৰু বিশেষত্ব।

পুৰুষোত্তম গজপতি ৰচিত 'দীপিকাছন্দ' এখন বহুমূলীয়া অসমীয়া গ্ৰন্থ। তৃতীয় বছৰ, প্ৰথম সংখ্যা বাঁহীত বেজবৰুৱাই 'পুৰুষোত্তম গজপতি' আৰু তেওঁৰ গ্ৰন্থৰ ওপৰত এটি সুচিন্তিত আৰু পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ লেখে। ইয়াৰ প্ৰতিবাদ কৰে 'আসাম-বান্ধৱ'ত। বেজবৰুৱাই প্ৰতিবাদৰ প্ৰত্যুত্তৰ দিয়ে চতুৰ্থ-বছৰ, প্ৰথম সংখ্যা বাঁহীত। এবেখন গ্ৰন্থ 'দীপিকা-ছন্দ'ৰ বিষয় এটা বিৰূপ আলোচনা কৰে বঙালী 'সাহিত্য পৰিষৎ পত্ৰিকা'ৰ ১৯শ বছৰৰ ১ম সংখ্যাত পদ্মনাথ বিদ্যাবিনোদে। বেজবৰুৱাই অগাধ পাণ্ডিত্যপূৰ্ণ আলোচনাৰে বিদ্যা-বিনোদৰো ভ্ৰান্তি ভঞ্জন কৰে (বঙালী ভাষাত ৰচিত)। এই বোৰেও সত্যা-ন্বেষী আৰু জ্ঞানপিপাসু লক্ষ্মীনাথ বেজবৰুৱাৰ সুপৰিচয় দিয়ে।

সাংবাদিক লক্ষ্মীনাথ বেজবৰুৱা সাময়িক প্ৰসঙ্গবোৰৰ প্ৰতিও আছিল সমানেই সজাগ। যেতিয়াই যিটো সমস্যা উদ্ভৱ হৈছিল, তেতিয়াই সেই সমস্যাৰ বিষয় আলোচনাত প্ৰবৃত্ত হৈছিল। প্ৰতিষ্ঠাৰ কালৰে পৰা কলিকতা, বোম্বাই আৰু মাদ্ৰাজ বিশ্ববিদ্যালয় কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা পৰিচালিত হৈ আহিছিল। ১৯১৬ চনত সুৰেন্দ্ৰ নাথ ব্যানাৰ্জীৰ প্ৰস্তাৱ অনুসৰি দিল্লীৰ বৰ-লাটৰ আইন সভাত বিশ্ববিদ্যালয়ৰ পৰিচালনাৰ দায়িত্ব প্ৰাদেশিক চৰকাৰৰ হাতলৈ হস্তান্তৰিত হ'ল। এই কথাত সেই সময়ৰ অসমৰ প্ৰতিনিধি ঘনশ্যাম

বৰুৱা আৰু কৰ্ণেল গৰ্ডন চাহাবে তীব্ৰ বিৰোধিতা কৰিছিল। কাৰণ অসন্তোষ আছিল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত আৰু বঙালীসকলৰ আক্ৰোশ আছিল অসমৰ ওপৰত বেছি। বেজবৰুৱাই ৭ম আৰু ৮ম বছৰৰ বাঁহীৰ বিভিন্ন সংখ্যাত ভাৰত চৰকাৰৰ এই সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ ভাবে আলোচনা কৰে আৰু অসমত সুকীয়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে আন্দোলন আৰম্ভ কৰে। অষ্টম বছৰৰ অষ্টম সংখ্যা বাঁহীৰ সম্পাদকীয় পঢ়িলে এইটোও স্পষ্ট হৈ পৰে যে এচাম অসমীয়ালোকেও বেজবৰুৱাৰ 'অসমত সুকীয়া বিশ্ববিদ্যালয় প্ৰতিষ্ঠা' আন্দোলনৰ বিৰোধিতাহে কৰিছিল। কিন্তু বেজবৰুৱা শেষত ফলৱতী হ'ল। তেওঁৰ মৃত্যুৰ পিছত মাধৱচন্দ্ৰ বেজবৰুৱাৰ দ্বাৰা সম্পাদিত বাঁহীত কৰা তীব্ৰ আলোচনাৰ ফলত অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ কাৰণে এদল স্বাৰ্থত্যাগী দেশপ্ৰেমী লোক আগবাঢ়ি আহিল আৰু মাধৱ বেজবৰুৱাৰো মৃত্যুৰ পিছত হে ১৯৪৮ চনত গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হ'ল। বাঁহীৰ বুকুত সৌ তাহানিয়েই লক্ষ্মীনাথে অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠাৰ বিষয় আন্দোলনৰ সূত্ৰপাত নকৰিলে যে গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠাত আৰু পলম হ'লহেঁতেন তাক সহজে অনুভৱ কৰিব পাৰি।

৭ম বছৰ ৭ম সংখ্যা বাঁহীৰ সম্পাদকীয়ত বেজবৰুৱাই কেইবাটাও উল্লেখ-যোগ্য সাময়িক প্ৰসঙ্গৰ ওপৰত আলোচনা তুলি ধৰিছে। তাৰ ভিতৰত সৰ্ব-প্ৰথম হ'ল কলিকতা বিশ্ববিদ্যালয় আৰু অসম, ২য় অসমীয়া সৈন্য দ'ল, ৩য় কামৰূপ অনুসন্ধান সমিতি আৰু ৪ৰ্থ বিশিষ্ট বঙালী পণ্ডিতলোকৰ অসম আৰু অসমীয়াৰ প্ৰতি দৃষ্টিভঙ্গী। অসম নৰক, ভগদত্ত, ভাস্কৰবৰ্ম্মা, মূলাগাভৰু, বীৰ লাচিত, গদাধৰ, ৰুদ্ৰসিংহৰ অসম হলেও মান-মৰাণৰ আক্ৰমণ আৰু কানি, ভাং ফটিকাৰ অবাধ প্ৰচলনে ইংৰাজৰ অসম আগমনৰ সময়ত অসমীয়াৰ শৌৰ্য্য-বীৰ্য্য সমূলি লোপ পোৱাইছিল; অসমীয়াক কানীয়া আৰু অসমক কানীয়াৰ দেশ বুলিহে বিদ্ৰূপ আৰু অৱমাননা কৰা হৈছিল। ইংৰাজ চৰকাৰে অসমীয়া মানুহক সৈন্য বাহিনীত ভুক্ত কৰিবলৈয়ে হেনো দ্বিধাবোধ কৰিছিল। স্বেচ্ছাই আগবাঢ়ি যোৱাসকলৰ দুই-চাৰিক সৈন্যবাহিনীত ভুক্ত কৰিছিল সঁচা, কিন্তু নাম দিছিল অসম্মানজনক 'ঝাকৰা'। সৰ্বপ্ৰথম ১৯১৬ চনত তেতিয়াৰ অসমৰ চীফকমিচনাৰে অসমীয়া সৈন্যসকলৰ দক্ষতা দেখি আনন্দিত হৈ এটা সুকীয়া অসমীয়া সৈন্য বাহিনী গঠনৰ কথা ঘোষণা কৰে। এই কথাত বাঁহীৰ সম্পাদক বেজবৰুৱাই গৌৰৱ অনুভৱ কৰি এক তেজোদ্দীপ্ত আলোচনাৰে অসমীয়ালৈ আহ্বান জনায়—"......অসমীয়া ডেকা, তুমি নাপাহৰিবা, যে তোমালোকৰ পূৰ্বপুৰুষেই আসামত মোগল সম্ৰাটৰ প্ৰবল সৈন্যৰ আক্ৰমণৰ

প্ৰতিবোধ কৰি, সিইতক হকবাই শেদি নি কবতোৱা পাব কৰাই এবিছিল। তোমালোকৰ পূৰ্ব্বপুৰুষৰ বীৰত্বৰ তেজ তোমাৰ শৰীৰত এতিয়াও আছে, আৰু ইংৰাজ গৱৰ্ণমেণ্ট সহায়, ভয় নাই, আগবাঢ়া, যশস্যা গৌৰবৰ পুণ্য-কীৰিতি তোমাৰ সমুখত——।" ইয়াৰ পিছৰ বছৰত সচাঁকৈয়ে যেতিয়া 'আসাম-ৰাইফলচ্', বাহিনী গঠন হ'ল, তেতিয়া বেজবৰুৱাই 'বাঁহী'ৰ জৰিয়তে আকৌ জাতিলৈ আহ্বান জনায়—সৈন্য বাহিনীত যোগ দি বীৰত্বৰ নিদৰ্শন দেখুৱাবলৈ। অষ্টম বছৰ ৫ম সংখ্যা বাঁহীত 'আহ্বান' শীৰ্ষক কবিতাটিৰেও অসমীয়াক অতীতৰ যশস্যা আৰু কীৰ্ত্তিৰ কথা সোঁৱৰাই দি উজনী-নামনিৰ প্ৰভেদ পাহৰি

"সিংহনাদ কৰি সিংহৰ বিক্ৰমে
আগুৱাই যাবা আপোন সম্ভ্ৰম।"

বুলি বীৰত্বৰ ভাবত উদ্বুদ্ধ কৰি তুলিবলৈ চেষ্টা কৰিছিল। এই কবিতাটিৰ অন্তত—

"জয় জয় অৰ্জ্জ, জয় জন্মভূমি!
বুলি পণ কৰাঁ ধন প্ৰাণ তুমি।"

বুলি ঘোষণা কৰি তেতিয়াৰ পঞ্চম জৰ্জৰ ইংৰাজ চৰকাৰৰ জয়কেই কামনা কৰাত আৰু সম্পাদকীয়ৰ মাজেদিও ইংৰাজ চৰকাৰৰ প্ৰশংসা কৰি প্ৰথম মহাযুদ্ধত জয়যুক্ত হোৱাৰ আশা পোষণ কৰাত বেজবৰুৱা ইংৰাজ চৰকাৰৰ সমৰ্থক আছিল বুলি সন্দেহ কৰাৰ থল নোহোৱা নহয়। কিন্তু আমি পাহৰি যাব নালাগিব যে সেই সময়ত ভাৰতৰ জাতীয় কংগ্ৰেছৰ নীতি আছিল ইংৰাজক ধনে-প্ৰাণে সহায় কৰি যুদ্ধত জয়যুক্ত কৰা, আৰু মহাত্মা গান্ধীয়েই এই কাৰ্য্যত সৰাতোকৈ আগ ভাগ লৈছিল। বেজবৰুৱাই মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ অনুকৰণতেই ইংৰাজৰ জয় কামনা কৰিছিল বুলি ভবাৰ যুক্তি স্পষ্ট। তেওঁৰ মূল উদ্দেশ্য—ইংৰাজৰ জয় কামনাতকৈ অসমীয়াক বীৰ আৰু সাহসী জাতি হিচাবে গঢ়ি তোলাহে।

ঠিক সেই সময়তে প্ৰতিষ্ঠিত হৈছিল কামৰূপ অনুসন্ধান সমিতি। এই সমিতিয়ে নিয়মাৱলী আদি প্ৰস্তুত কৰি অসমৰ সাংস্কৃতিক জীৱনৰ উন্নয়নমূলক ভালেমান কামৰ আঁচনি লয়, চৰকাৰে এহেজাৰ টকাকৈ অনুদান মঞ্জুৰি দিয়ে আৰু বঙালী লেখক নগেন্দ্ৰনাথ বসু আৰু উমেশ চন্দ্ৰ দেৱ ওপৰত যথাক্ৰমে অসমৰ 'সামাজিক বুৰঞ্জী' আৰু 'ধৰ্ম্মীয় বুৰঞ্জী' ৰচনাৰ দায়িত্ব অৰ্পণ কৰে। তদুপৰি এই গ্ৰন্থ দুখনৰ ভাষাৰ মাধ্যমো হ'ব বঙালীহে। এই কথাত বেজবৰুৱা জ্বলি উঠিল আৰু ইয়াৰ তীব্ৰ বিৰোধিতা কৰিলে। তেওঁ সৰ্ব্বপ্ৰথম 'কামৰূপ

অনুসন্ধান সমিতি'ৰ সলনি 'আসাম অনুসন্ধান সমিতি' বুলি নামকৰণ কৰিবলৈ পৰামৰ্শ আগ বঢ়ায়, দ্বিতীয়তে সমিতিখনত অসমৰ খ্যাতনামা বিজ্ঞ পুৰুষসকলক সদস্য কৰিবলৈও পৰামৰ্শ আগবঢ়ায় আৰু তৃতীয়তে বঙালীলোকক অসমৰ সামাজিক, ধৰ্মীয় বা যি কোনো বিষয়তে গ্ৰন্থ ৰচনা কৰিবলৈ দায়িত্ব নিদিবলৈ পৰামৰ্শ দিয়ে আৰু চতুৰ্থতে তেওঁ যেনে গ্ৰন্থৰ মাধ্যম বঙালী নকৰিবলৈও টানি অনুৰোধ কৰে আৰু শেষত এই পৰামৰ্শসমূহ কাৰ্য্যকৰী নকৰিলে চৰকাৰক মঞ্জুৰি নিদিবলৈও অনুৰোধ জনায়। পিছৰ সংখ্যাবোৰৰ বাঁহীৰ আলোচনাৰ পৰা জনা যায় যে বেজবৰুৱাৰ পৰামৰ্শসমূহ প্ৰায়েই মানি লোৱা হৈছিল। বিজন নগেন্দ্ৰনাথ বসুৱে বিশ্বকোষত অসমৰ কথা অতি জঘন্যভাবে লেখিছিল, সেইজন নগেন্দ্ৰনাথ বসুৱে পিছত বঙালী 'সাহিত্য পৰিষৎ পত্ৰিকা'ত নিজৰ ভুল স্বীকাৰ কৰি অসম আৰু অসমীয়াৰ প্ৰশংসা কৰি প্ৰবন্ধ লেখিছিল। কিন্তু তথাপি বঙালীলোকক বিশ্বাস নকৰিবলৈ বেজবৰুৱাই দঢ়াই দঢ়াই অসমীয়াক সকিয়াই দিবলৈ পাহৰা নাছিল।

কিন্তু এইজন লক্ষ্মীনাথ বেজবৰুৱায়েই সেই একে সংখ্যা বাঁহীৰ সম্পাদকীয়তেই বঙালীলোকৰ মহত্বৰ নিদৰ্শনো অসমীয়া বাইজৰ আগত দাঙি ধৰিবলৈ দ্বিধাবোধ কৰা নাই। ১৩১৯ সালত 'উত্তৰ বঙ্গ সাহিত্য সম্মিলন' বহিছিল অসমত। তাত সভাপতিত্ব কৰিছিল শশধৰ ৰায় নামৰ জনৈক বিদ্বান্ লোকে আৰু বিশিষ্ট আলহীৰ আসন পূৰাইছিল অসম। প্ৰসিদ্ধ উকিল কালীচৰণ সেনে। এই দুয়োগৰাকীয়ে গভীৰ আন্তৰিকতাৰে অসম বিষয়ক সুস্থ সবল ছবি সভাত দাঙি ধৰিছিল—বিয়ে অসমীয়া আৰু বঙালীৰ মাজত ঐক্য আৰু সম্প্ৰীতি স্থাপনত সহায়ক হব পাৰে। বেজবৰুৱাই সপ্তম বছৰ, সপ্তম সংখ্যা বাঁহীৰ সম্পাদকীয়ত অন্যান্য বিশিষ্ট আলোচনাৰ লগতে এই বিশিষ্ট ব্যক্তি দুগৰাকীৰ বক্তৃতাৰ মুখ্য মুখ্য অংশ বিশেষো উদ্ধৃত কৰি তুলি ধৰিছিল।

১৯১৭ চনত প্ৰাদেশিক চৰকাৰসমূহক কেন্দ্ৰীয় ইংৰাজ চৰকাৰে আঞ্চলিক উন্নয়নৰ কাৰণে টকা ধাৰলৈ দিয়ে। এই ভাগ-বাতোৱাৰাত অসমৰ অংশ হ'ল সকলোতকৈ কম। বেজবৰুৱাই অষ্টম বছৰ, অষ্টম সংখ্যা বাঁহীৰ সম্পাদকৰ চ'ৰাত ইয়াৰ সমালোচনা কৰি অসমৰ প্ৰতি ন্যায় বিচাৰ কৰিবলৈ চৰকাৰক টানি অনুৰোধ কৰিলে,—লগতে অসমৰ প্ৰতি দেখুৱা অন্যায় আৰু অবিচাৰবিলাকো ফঁহিয়াই দেখুৱালে। ইয়াৰ পিছৰ বছৰবোৰৰ বাঁহীত ইংৰাজ চৰকাৰে প্ৰথম মহাসমৰৰ পিছত যুদ্ধত জয়ী হৈও ভাৰতক স্বাধীনতা নিদিয়াত ভাৰতবাসীয়ে মহাত্মাগান্ধীৰ নেতৃত্বত চলোৱা অসহযোগ আন্দোলনক বেজবৰুৱাই সমৰ্থন কৰা নিদৰ্শনো আছে। তেওঁৰ মনোধৰ্মী হাস্যোদ্দীপক কৃপাবৰ বৰ-

ৰুৱাৰ ভাও লৈ লেখা প্ৰবন্ধবোৰতো তেওঁ স্বাধীনতা আন্দোলনক সমৰ্থন কৰাৰ নিদৰ্শন আছে। বেজবৰুৱাই হেনো জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনত যোগদিয়া প্ৰথম অসমীয়াও আছিল।

সেই সময়তো ভাৰতৰ কোনো কোনো ঠাইত 'সতীযোৰা' প্ৰথাৰ প্ৰচলন আছিল আৰু নাৰী নিৰ্য্যাতন,—বিশেষকৈ বিধবা নিৰ্য্যাতন প্ৰচলিত স্বাভাৱিক ৰীতি আছিল। বেজবৰুৱাই বাঁহীৰ ভিন ভিন সংখ্যাত নাৰী নিৰ্য্যাতনৰ বিৰোধিতা কৰে আৰু তেওঁ বৈদিক বচন-প্ৰমাণৰ দ্বাৰা বিধবা বিবাহ সমৰ্থন কৰি প্ৰচলন কৰাৰ কাৰণেও আহ্বান জনায়। সাম্প্ৰদায়িক বিদ্বেষ, অস্পৃশ্যতা আদিৰ বিৰুদ্ধেও তেওঁ বাঁহীৰ ভিন ভিন সংখ্যাত তীব্ৰ ভাবে আলোচনা কৰি এনে সংকীৰ্ণতাক নিন্দা কৰে। অসমীয়া সপোৰাল ছাত্ৰসকলক কলিকতাৰ ছাত্ৰনিবাসত নীহকুলীয়া বুলি বিবেচনা কৰি হিন্দু ছাত্ৰসকলে অবাঞ্ছিত আচৰণ দেখুৱাতো বেজবৰুৱাই তেনে ছাত্ৰক তীব্ৰভাবে গৰিহণা দিয়ে। চতুৰ্থ বছৰৰ অষ্টম সংখ্যা বাঁহীৰ সম্পাদকৰ চ'ৰাত তেওঁ অসমীয়া ডেকা-গাভৰুৰ বঙলুৱা অনুকৰণৰ তীব্ৰ নিন্দা কৰিছে। বঙলুৱা অনুকৰণত খাৱন-শোৱন, পিন্ধন-উৰণ আৰু বৰপণ প্ৰথাৰো অসমত তেতিয়া প্ৰচলন হ'ল, তেতিয়া বেজবৰুৱাই— অসমীয়া শিক্ষিতসকলক "ঘিণৰ কথা, লাজৰ বিষয়" বুলি তীব্ৰভাবে নিন্দা কৰি এনে নিন্দনীয় মনোবৃত্তি পৰিহাৰ কৰি নিজক পূৰ্ণ মানুহ হিচাবে সমাজত প্ৰতিষ্ঠা কৰিবলৈ আহ্বান জনায়। এনেদৰে ভিন ভিন সাময়িক প্ৰসঙ্গৰ ওপৰত নিঃশঙ্ক ভাবে আৰু সাহসিকতাৰে তেওঁ সম্পাদকীয় স্তম্ভত আলোচনা দাঙি ধৰি হয় জনমত গঠন কৰাৰ চেষ্টা কৰিছিল, নহয় জনসাধাৰণৰ ভ্ৰান্ত ধাৰণা খণ্ডন কৰিছিল। সেই সময়ৰ গুৱাহাটীৰ 'একতাসভা' আৰু 'অসম এচোচিয়েচনৰ' কাৰ্য্য-অকাৰ্য্যৰ নিৰ্দেশো বাঁহীৰ জৰিয়তে দিয়া হৈছিল। আৰু এই সভা দুখনৰ আদৰ্শ স্থানীয় আলোচনা বা সভাপতি-সম্পাদকৰ ভাষণ আদিও বাঁহীত বাইজৰ মাজত বহুল ভাবে প্ৰচাৰৰ কাৰণে প্ৰকাশ কৰা হৈছিল। সেয়ে নহয়, ধৰ্ম্মসভা আদিৰ সভাপতিৰ অভিভাষণো বাঁহীত প্ৰকাশ কৰাৰ নিদৰ্শন আছে। যি কথাই জাতিক প্ৰগতিৰ পথত আগবঢ়াই নিব পাৰে বুলি সম্পাদক বেজবৰুৱাই উপলব্ধি কৰিছিল, তেনে সকলোবোৰ কথাকেই বাঁহীৰ বুকুত ঠাই দিয়া আছিল বাঁহীৰ প্ৰচলিত দস্তুৰ।

সাহিত্যিক বেজবৰুৱাৰ দৰে সম্পাদক বেজবৰুৱাৰো প্ৰধান কথা আছিল এয়ে যে অসমীয়া জাতীয়তা বা অসমীয়া ভাষা-সংস্কৃতিৰ ওপৰত কৰা আঘাত তেওঁ সমূলি সহিব নোৱাৰিছিল। উনবিংশ বছৰৰ ৩য় সংখ্যা বঙালী 'সাহিত্য

'পবিবৎ পত্রিকা'ত অনেক বঙালী লোকে অসমীয়া ভাষা আৰু বিশেষকৈ শব্দৰ ব্যুৎপত্তিৰ ভ্ৰান্ত নিদৰ্শন কেতবোৰ দাঙি ধৰে। বেজবৰুৱাই চতুৰ্থ বছৰৰ একাদশ সংখ্যা বাঁহীত তেওঁৰ আলোচনাৰ অংশ বিশেষ তুলি ধৰি বঙালী ব্যক্তিগৰাকীক তীব্ৰভাবে ব্যঙ্গ-বিদ্ৰূপ কৰে। বঙালীজনে 'ব্ৰহ্মপুত্ৰোপত্যকাৰ লেখ্য ও কথ্য শব্দ' এই শিতানৰ আলোচনাটোত 'বঙ্গীয় গ্রাম্য-শব্দকোষ' গ্রন্থখনত ব্ৰহ্মপুত্ৰ উপত্যকাৰ ভাষাৰ শব্দৰাজি সন্নিবিষ্ট নকৰাত অসন্তোষ প্ৰকাশ কৰি কৈছে—যে অসমীয়া এটা স্বতন্ত্ৰ ভাষা নহয়, অসমীয়া ভাষা মূলতঃ বঙালী ভাষাৰ শোণিতোদ্ভৱ, যিবোৰ শব্দ অসমীয়া দেশীয় শব্দ বুলি কোৱা হয় সেইবোৰ কছাৰি, মিৰি, মিছিমি আদিকৰি পৰ্বতীয়া জনজাতীয় লোকৰ ভাষাৰ পৰা গ্ৰহণ কৰা বাকী সকলোবোৰ বঙালীৰ পৰা উদ্ভৱ হোৱা বা বঙালী শব্দৰ বিকৃত ৰূপ। এই আলোচকজনে অসমীয়াত প্ৰয়োগ কৰা বিকৃত বঙলুৱা শব্দৰ এখন তালিকা তুলি ধৰি,—অথনি, আউজি, আঞ্জা, আমনি, ইতিকিং, ওচৰত, ওপজা, ওপঙা, ওলাইছে, খং, চৰা, চক, টাঙোন, জুহাল, টেটোন, টেঙৰ ইত্যাদিবোৰ শব্দ বঙালীৰ পৰা উদ্ভৱ বুলি কৰলৈ কুণ্ঠাবোধ কৰা নাই। এই ঘোষ উপাধিধাৰী ব্যক্তিগৰাকী অসমীয়া আনুনাসিক্য উচ্চাৰণৰ আধিক্যৰ কাৰণ এনেদৰে দিছে—"এই উপত্যকা স্থিত অনাৰ্য্যগণেৰ মধ্যে কাছাৰী, মিৰি, লালুঙগণ বড়ই আফিং ও গুলিখোৰ। ইহাৰা গুলি খাইতে খাইতে ক্ষীণ কণ্ঠ হইয়া নিম্ন লিখিত শব্দ গুলিৰ উচ্চাৰণ অনুনাসিক কৰিয়া ফেলিয়াছে, এখন আসামী ভাষাৰ সম্পৰ্ক বাঙ্গালা ভাষা হইতে পৃথক কৰিতে, ঐ শব্দ গুলিৰ লিখিত ও কথিত ব্যৱহাৰ হইতেছে,—উদাহৰণ—আছোঁ, আছিলোঁ, ওলাওঁ, কৰোঁ, কোৱাচোন, চাওঁগে, খেছোঁ, পাওঁ" ইত্যাদি।

বেজবৰুৱাই এই ঘোষ উপাধিধাৰী ভদ্ৰলোকজনৰ ভ্ৰান্ত আলোচনাৰ সমুচিত প্ৰত্যুত্তৰ দি কৈছে যে বৈদিক ভাষাত আনুনাসিক্য বেচি—সম্ভৱতঃ তেওঁলোকো আফিং আৰু গুলিখোৰ আছিল, ফৰাচী ভাষাতো আনুনাসিক্য বেচি আৰু সম্ভৱতঃ ফৰাচীসকলো ঘোষ বাবুৰ ব্যাখ্যাৰে আফিং আৰু গুলিখোৰ। তেওঁ বঙালী ভাষাৰ আনুনাসিক্য শব্দৰ তালিকা,—যেনে—বোঁটা, ভাঁড়াৰ, ভাঁড়, ভুঁই, ফাঁক, ফাঁড়া, ফাঁদ, পাঁক, বাঁক, দাঁড়, আঁব, তাঁবা, ঠোঁট, ডাঁটা, ডাঁড়া, ঠাঁই, টেঁক, ঝাঁক, ঝাঁকা, ঝাঁজ, জাঁতা প্ৰভৃতি দাঙি ধৰি কৈছে যে বঙালীসকলৰ আনুনাসিক্য উচ্চাৰণৰ মূল কাৰণ ঘোষ বাবুৰ যুক্তিমতে বঙালী সকলো আফিং আৰু গুলিখোৰ। এনে ধৰণৰ উদ্‌ভ্ৰান্ত আলোচ

সকলোৰ ব্যঙ্গ আৰু বিদ্ৰূপ কৰি বেজবৰুৱাই কেইবাটাও কৃপাবৰী প্ৰবন্ধও লেখিছে, এই সম্পাদকীয়তো কৈছে—"এই ঘোষ বাবুক আগেয়ে আমি প্ৰত্নতত্বৰ পৰ্বতত লগ পাইছিলোঁ যেন লাগে ; মাজে মাজে ধৰ্মতত্বৰ হাবিতো পাওঁ হবলা ; এইবাৰ ভাষাতত্বৰ মৈদামৰ ওপৰতে কিজানি দেখিলোঁ। পাৰিলে সৰ্বঘটতে থকাটো বেয়া নহয়।"

বেজবৰুৱাই বঙালীৰ অন্যায় আক্ৰোশমূলক কথাৰ তীব্ৰ প্ৰতিবাদ কৰি নিন্দা কৰিছিল সঁচা, কিন্তু বঙালীৰ সত্য কথা, সত্য-আদৰ্শ তেওঁ নিজেও শ্ৰদ্ধাৰে গ্ৰহণ কৰিছিল আৰু অসমীয়া ৰাইজৰ মাজত প্ৰচাৰৰো চেষ্টা কৰিছিল। উল্লেখ কৰি অহা শশধৰ ৰয় আৰু কালীচৰণ সেনৰ ভাষণৰ বাঁহীত উদ্ধৃতি দিয়া নিদৰ্শনে এই কথা স্পষ্ট কৰি তোলে। বঙালী মাহেকীয়া আলোচনী 'সবুজপত্ৰ'ত ৰবীন্দ্ৰনাথে কথ্য ভাষা আৰু লিখিত ভাষাৰ বিষয় 'ভাষাৰ কথা' শীৰ্ষক প্ৰবন্ধ এটা লেখিছিল। তেতিয়াৰ বঙ্গদেশতো স্থানীয় কথ্য-ভাষাৰ ভেটিত সাহিত্য ৰচনা কৰা লৈ প্ৰবল উদ্বেগৰ সৃষ্টি হৈছিল। পূৰ্ববঙ্গৰ লোকসকলে পশ্চিম বঙ্গৰ ভাষা লিখিত ভাষাৰূপে স্বীকাৰ কৰিবলৈ টান পাইছিল। ৰবীন্দ্ৰনাথে জাতীয় ঐক্য ৰক্ষাৰ খাটিৰত কথ্যভাষা ভিন ভিন হলেও লিখিত ভাষা একেটা লবলৈ অনুৰোধ কৰিছিল। বেজবৰুৱাই অষ্টম বছৰৰ অষ্টম সংখ্যা বাঁহীৰ সম্পাদকীয়ত ৰবীন্দ্ৰনাথৰ প্ৰবন্ধটো প্ৰায়েই উদ্ধৃত কৰি দিয়ে,—তেওঁৰ আশা সেই সময়ৰ অসমত উজনি আৰু নামনিৰ ভাষাৰ ভেটিত প্ৰচলিত কন্দলৰ পৰিসমাপ্তি ঘটিব আৰু এক শক্তিশালী অসমীয়া জাতীয় সাহিত্যৰ ভেটি গঢ়িবলৈ অসমীয়াসকল অনুপ্ৰাণিত হব।

ভুল বা মিছা বুলি উপলব্ধি কৰিলে লক্ষ্মীনাথ বেজবৰুৱাই কোনোকো ক্ষান্ত নিদিছিল, তেহেলৈ প্ৰাণৰ বন্ধু হেম গোস্বামীয়েই হওক বা ৰবীন্দ্ৰ-নাথেই হওক বা কোনোবা সন্ত-মহন্ত বা সাধাৰণ লোকেই হওক। 'ঘোষা-বন্ধ'ৰ পাততনিৰ বিৰোধিতা 'সন্ত সম্প্ৰদায়ৰ কথা' আৰু 'ভবিষ্যত কথা বা সন্তচৰিত'ৰ বিৰোধিতাৰ মূল কাৰণ এয়েই। তেওঁৰ ধৰ্মীয় আলোচনাসমূহৰ মূলো কোনো কোনো লোকৰ বিভ্ৰান্ত আৰু আক্ৰোশমূলক আলোচনাহে। এবাৰ 'তীৰ্থনাথ গোস্বামী' চহীৰে কোনো এজন মহন্তই 'হিন্দুধৰ্ম ও জাতি' শীৰ্ষক প্ৰবন্ধ এটা লেখি বাঁহীত প্ৰকাশ কৰিবলৈ অনুৰোধ কৰি পঠিয়াই দিলে। বেজবৰুৱাই প্ৰবন্ধটো প্ৰকাশ নকৰি তাৰ ওপৰত পঞ্চম বছৰ নৱম সংখ্যা বাঁহীৰ সম্পাদকৰ চ'ৰাত লেখিলে—"আমি তেওঁৰ লেখাখন পঢ়ি চাই দেখিলোঁ যে তাক ভৰাবলৈ গলে, তাৰ শিপা পৰ্য্যন্ত উঘালিব লাগিব, কি

এনে ভাবে বচিত। মহন্তজনে প্ৰায় প্ৰত্যেক কথাতে একোটা ভুল ইংৰাজী প্ৰতিশব্দ লগাই কিয় লেখিছে তাৰ মানে আমি একো বিচাৰি নেপাই ভাবিবলৈ বাধ্য হৈছোঁ যে তেওঁৰ কি অলপ ইংৰাজী ভাষাৰ জ্ঞান আছে সেইটো লোকৰ আগত 'জাহিৰ' কৰিবৰ বৰ মন গৈছে কিজানি। মুঠতে কওঁ, গালিক শুধৰালেও সি গালি হৈয়ে থাকিব ; কিয়নো, কাউৰীক শুধৰাই কোনেও ৰাজহাঁহ কৰিব নোৱাৰে...... ।" এনেদৰে কৈ মহন্তজনৰ প্ৰবন্ধটোৰ অংশবিশেষৰ ওপৰত আলোচনা তুলি ধৰি তাৰ ভ্ৰান্ত কথাবোৰ দাঙৰী দিলে। এনে পোন-পটীয়া ব্যক্তিগত আক্ৰমণেৰে সম্ভবতঃ বেজবৰুৱাই সেই ব্যক্তিজনকেই কেৱল আক্ৰমণ কৰা নাছিল, ভবিষ্যতেও যাতে ভুল তথ্যৰ ওপৰত কোনেও আলোচনা কৰিবলৈ সাহ নকৰে আৰু যাতে ভুল ভাষা আদিও প্ৰয়োগ নকৰে তাৰ কামনা কৰিহে তেওঁ এনেদৰে আক্ৰমণ কৰিছিল যেন অনুমান হয়। কাৰণ এনে ভুল আৰু মিছা কথা প্ৰকাশিত নহলেও ৰাইজৰ মাজত আলোচনা-বিলোচনা কৰিলেও ৰাইজ বিভ্ৰান্ত হোৱাৰ আশঙ্কা বেচি। এনে ধৰণৰ তথাকথিত সাহিত্যিক আৰু সমালোচকলৈ তেওঁ 'কাৰ্টুন' আৰু 'কেৰিকেচাৰো' নিক্ষেপ কৰিছিল। তেওঁৰ এনে ব্যঙ্গাত্মক ৰচনাৰ নিগূঢ় ভাব উপলব্ধি কৰিব নোৱাৰি বহুতো লোকে তেওঁৰো বিৰোধিতা কৰিছিল। অৱশ্যে তেওঁৰ বিৰোধিতা কৰা ৰচনাবোৰো তেওঁ বাঁহীত ঠাই দিছিল আৰু লগে লগে তাৎকালীক মন্তব্য সন্নিবিষ্ট কৰি বিৰোধীসকলৰ ভ্ৰান্ত ধাৰণা দূৰ কৰিবলৈ তৎপৰ হৈছিল। চতুৰ্থ বছৰ, ৭ম সংখ্যা বাঁহীত তেওঁৰ বিৰোধিতা কৰা দুখন চিঠি প্ৰকাশ কৰি অন্যান্য মন্তব্যৰে সৈতে এঠাইত তেওঁ কৈছে—"সকলো দেশৰ সাহিত্যতে, এৰিষ্টফেনিচৰ দিনৰ পৰা আজিলৈকে Satire আৰু বিদ্ৰূপাত্মক ৰচনাৰ (অৱশ্যে গালিৰ নহয়) এটা ওখ ঠাই আছে। অসমীয়া সাহিত্যত তেনে ঠাই নাথাকিবৰ কাৰণ কি কব নোৱাৰোঁ। অৱশ্যে অসমীয়া কৃপাবৰৰ উৰাও গৰুগুৰ উৰাওৰ টিপচী—ভাঙৰণ হব পাৰে ; কিন্তু এনে দিন অসমীয়া সাহিত্য-ৰাজ্যলৈ আহিব বুলি আশা নকৰিম নে যে তেতিয়া কৃপাবৰ-ৰূপী টেকেলাৰ পিছত অসমীয়া এডিচন-চুইফ্‌ট্ বজাও ওলাব? সাহিত্য আৰু সমাজৰ দোষ গুচাবৰ নিমিত্তে, ভুল শুধৰাবৰ নিমিত্তে সঁচা তৰ্ক আৰু সঁচা সমালোচনা নিশ্চয় ডাঙৰ অস্ত্ৰ ; কিন্তু মিছা তৰ্ক, ইংৰাজীত কয় নিচিনা, hydra-headed monster, অৰ্থাৎ জানিবা দহমূৰীয়া ৰাৱণ ; তাৰ মূৰ যিমান কাটিবা সিমান গজি উঠিব ; আৰু তৰ্ক কৰোঁতাজনে "Though vanquished will argue still", অৰ্থাৎ সেই তৰ্কবাগীশজন মৰিও

নসৰে, হাৰিও নাহাবে। এনে স্থূলত বিদ্ৰূপ ব্যঙ্গ Satire য়ে বৰ গুণ দিয়ে। সেই দেখি বিদ্ৰূপ-ব্যঙ্গই সকলো দেশৰ সাহিত্যই আসন পাতি থৈছে।"

সঁচাকথা, কেতিয়াবা কেতিয়াবা বেজবৰুৱাই অসমীয়া ব্যক্তি আৰু সমাজকো ৰূঢ় ভাবে সমালোচনা বা ব্যঙ্গ বিদ্ৰূপ কৰিছিল। কিন্তু তেওঁৰ লক্ষ্য আছিল,—মহান জাতীয়তাৰ ভেটিত শক্তিশালী অসমীয়া সাহিত্য-সংস্কৃতি গঢ়ি তোলাহে। তেওঁৰ ব্যঙ্গ-বিদ্ৰূপৰ তাৎপৰ্য্য কিন্তু এক বুজন সংখ্যক অসমীয়াই উপলব্ধি কৰিব নোৱাৰিলে, তেওঁক অসমত ধূমকেতু' বা 'বগা-হাতী' বুলিহে অভিহিত কৰিলে। বেজবৰুৱাই ধৰ্মীয় আলোচনাত প্ৰবৃত্ত হোৱা কথাও নৈষ্ঠিক অসমীয়াসকলে সহিব নোৱাৰিলে। সেয়ে তেওঁ 'হস্তী অৱতাৰ'ৰ কাৰ্টুন আঁকে আৰু পঞ্চম বছৰৰ দ্বাদশ সংখ্যাৰ উপৰিও কেইবাটাও সংখ্যাৰ সম্পাদকীয়ত তেওঁ স্পষ্ট ঘোষণা কৰে যে তেওঁ অসমৰ নেতৃত্ব লবলৈ বা অসমত বৰলোক হবলৈ তেনেবোৰ কাৰ্য্যত মনোনিবেশ কৰা নাই, এজন অসমীয়া হিচাবে নিজৰ কৰ্ত্তব্য সমাপন কৰিছে মাত্ৰ। 'উষা', 'বন্তি', 'আসাম বান্ধৱ', 'আলোচনী', 'আসাম প্ৰদীপিকা' আদি কৰি প্ৰায় আটাইকেইখন আলোচনীয়ে বেজবৰুৱাৰ বিৰোধিতা কৰিছিল। সৰহ ক্ষেত্ৰতে বেজবৰুৱাৰ বিৰুদ্ধে অন্যায় ভাৱে আক্ৰমণ কৰা হেতুকে বেজবৰুৱাই গভীৰ বেদনাও অনুভৱ কৰিছিল সঁচা, কিন্তু তেওঁ অক্লান্ত, অক্লান্ত আৰু নিৰবচ্ছিন্ন ভাবে বাঁহী সম্পাদনা কৰিয়ে থাকিল, সত্য আৰু ইক কথা প্ৰতিষ্ঠা কৰাৰ কাৰণেও তেওঁ আপ্ৰাণ চেষ্টা কৰিয়ে থাকিল, আৰু সঁচাকৈয়ে বেজবৰুৱাৰ দৃঢ়তা, অধ্যৱসায়িতা, দূৰদৰ্শিতা, পাণ্ডিত্য আৰু বিশেষকৈ বহুমুখী প্ৰতিভাৰ আগত তেওঁৰ বিৰোধীসকল সময়ত আপোনা-আপুনি ম্লান হৈ পৰিছিল। নিৰ্ভীক মন আৰু সবল আশাৰে দেশ-সেৱাৰ,—ভাষা জননীৰ সেৱাৰ আদৰ্শ মনত উজ্জলাই ৰাখি সকলো ক্ষেত্ৰতে অগ্ৰসৰ হোৱা হেতুকে আৰু প্ৰতিটো কথাই সত্য তথ্য আৰু যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত কৰি তুলিবলৈ যত্নপৰ হোৱা হেতুকে লক্ষ্মীনাথ বেজবৰুৱা সকলো ক্ষেত্ৰতে জয়যুক্ত হবলৈ সমৰ্থ হৈছিল আৰু প্ৰায়েই তেওঁ ইপ্সিত ফলো লাভ কৰিছিল। আৰু এনে কাৰ্য্য সম্ভৱপৰ হৈছিল চন্দ্ৰকুমাৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য্য, কৃষ্ণকান্ত সন্দিকৈ, শৰৎচন্দ্ৰ গোস্বামী, ৰজনীকুমাৰ পদ্মাপতি, প্ৰেমধৰ চলিহা, দেৱেশ্বৰ শৰ্মা আনন্দচন্দ্ৰ আগৰৱালা, জ্ঞানদাভিৰাম বৰুৱা, সোণাৰাম চৌধুৰী, সৰ্বেশ্বৰ শৰ্মা কটকী, যতীন্দ্ৰনাথ দুৱৰা, পদ্মধৰ চলিহা, কনকলাল বৰুৱা, হেমচন্দ্ৰ গোস্বামী, মোচলেম উদ্দিন আহমদ, হৰিনাৰায়ণ দত্ত বৰুৱা প্ৰভৃতি নবীন-প্ৰবীণ

লেখকসকলৰ সহযোগিতাত। যথাৰ্থতে বাঁহীয়েই অসমীয়া সাহিত্যক বিশ্বমুখী কৰি তোলে আৰু এক অপূৰ্ব জন-জাগৰণৰো সৃষ্টি কৰিলে।

আজি তেওঁৰ মৃত্যুৰ একুৰি ন বছৰ পিছতো আমি মৰ্মে মৰ্মে উপলব্ধি কৰিছোঁ যে নানা বৈজ্ঞানিক সা-সুবিধা পোৱা সত্বেও আৰু স্বাধীন অসমত শিক্ষিত, আনকি উচ্চ শিক্ষিত লোকৰ সংখ্যাও আশাতীত ৰূপে বঢ়া সত্বেও লক্ষ্মীনাথৰ সদৃশ প্ৰতিভাশালী সাংবাদিক অসমত এজনো সৃষ্টি হোৱা নাই আৰু তেওঁৰ দৰে সাহসিকতাৰে সুস্থ সাংবাদিকতাও প্ৰৱৰ্ত্তাবলৈ সমৰ্থ হোৱা নাই। জাগ্ৰত জাতীয়তাবোধ আৰু সমাজ-সচেতনতাৰ ওপৰত প্ৰতিষ্ঠিত হৈ আজিৰ পৰা তিনিকুৰি বছৰ আগতে পৰাধীনতাৰ পিঞ্জৰাত আবদ্ধ থাকিও লক্ষ্মীনাথে যি নিষ্ঠাৰে সুস্থ সাংবাদিকতা প্ৰতিষ্ঠা কৰি গ'ল, সি সঁচকৈয়ে উন্নতিকামী ব্যক্তি মাত্ৰৰে শ্ৰদ্ধা আৰু অনুকৰণৰ বিষয়। লক্ষ্মীনাথ বেজবৰুৱা সকলো দিশৰ পৰা যথাৰ্থ সাংবাদিক নামৰ অধিকাৰী আছিল।

বেজবৰুৱা মানুহজন

আকৃতিত আমি সকলোৱে মানুহ, কিন্তু প্ৰকৃতিত মানুহৰ সংখ্যা হব নিচেই কম। প্ৰকৃতিত মানুহ হোৱা কিন্তু টান নহয়, যদিহে মানুহৰ চিত্তত মানুহ হোৱাৰ প্ৰবৃত্তি প্ৰবল হৈ সততে উদ্দীপ্ত হৈ থাকে। চন্দ্ৰকুমাৰ আগৰৱালাৰ ভাষাত—

"ইচ্ছাৰ বিৰোধে ঘোৰ ভীম শত্ৰুশত
সৰ্ব্বথা জিকিব সিটো ইচ্ছা যাৰ বলী
জীৱন যুদ্ধত ইচ্ছা প্ৰধান সাৰথি
কি ভয় মৰণে ৰণে ইচ্ছা সৰ্ব্বদলী।"—ইচ্ছা।

এনে প্ৰবল ইচ্ছা শক্তিৰ দ্বাৰা পৰিচালিত হৈ উচ্চ আৰু পবিত্ৰ আশা অন্তৰত উজ্জ্বলাই তুলি, অলেখ প্ৰতিকূলতাকো নেউচি, তাক জীৱনত ৰূপায়িত কৰিবলৈ সততে যত্নবান হয়, সেই জীৱনেই প্ৰকৃত মানৱ জীৱন। জগৎ বিখ্যাত সকলোবিলাক চিন্তাশীল মনীষাই বিশ্বাস কৰে যে লক্ষ্য স্থিৰ থাকিলে আৰু তাত উপনীত হোৱাৰ নিয়ত সকল প্ৰচেষ্টা থাকিলে, তেনে জীৱন অকৃতকাৰ্য্য হলেও কৃতকাৰ্য্য বা সফল জীৱন। লক্ষ্মীনাথৰ নিজৰ ভাষাৰেই—

"উচ্চ কৰা আশা। নিৰাশা কৰ্ম্মনাশা॥

তেতিয়াহে জীৱনৰ সাৰ্থকতা আছে, তেনে জীৱনহে প্ৰকৃত মানৱ জীৱন। বিপ্লৱী কবি অম্বিকাগিৰীৰ ভাষাত—

"পূৰ্ণ জীৱন, নিটোল জীৱন, নিখুঁট জীৱন, সফল জীৱন,
তাকেই জীৱন কয়,—
সেই জীৱনে কৰে কেৱল দুৰ্নীতিময় উপদ্ৰৱৰ দম্ভ ছেদি
জগত নিৰাময়।"—জীৱনৰ ৰূপ।

লক্ষ্মীনাথ বেজবৰুৱাই "জগত নিৰাময়" কৰিবলৈ হয়তো দৃঢ়তা প্ৰকাশ কৰা নাছিল, মনত আশাও বান্ধা নাছিল। তেওঁৰ লক্ষ্য আছিল, প্ৰধান কৈ অসম আৰু অসমীয়াক নিৰাময় কৰা। ঊনবিংশ শতিকাৰ আত্মচেতনাহীন, জাতীয়তাবোধবিহীন আৰু ভাষা-সংস্কৃতি বিলুপ্ত আত্মবিস্মৃত সুষুপ্ত অসমক জাগ্ৰত কৰি তুলি জাতীয়তাৰ মহান মন্ত্ৰেৰে দীক্ষিত কৰাই আছিল সাহিত্যিক-

সমালোচক, ধৰ্মবীৰ আৰু সাংবাদিক লক্ষ্মীনাথ বেজবৰুৱাৰ জীৱনৰ প্ৰধান আদৰ্শ। তেওঁ গভীৰ ভাবে উপলব্ধি কৰিছিল যে অসমৰ "সকলো আছিল, সকলো আছে" কিন্তু আমি "সুগুণো নলওঁ গম।" অসমীয়াক অসমৰ ঐতিহ্যৰ প্ৰতি আকৰ্ষিত তথা আগ্ৰহান্বিত কৰি তুলি "নতুন প্ৰাণৰ ন চকুযুৰি" প্ৰদান কৰাই আছিল লক্ষ্মীনাথৰ জীৱনৰ সাধনা।

'মোৰ জীৱন-সোঁৱৰণ'ত উল্লেখ কৰামতে শৈশৱৰ পৰাই লক্ষ্মীনাথ আছিল দৃঢ়-প্ৰতিজ্ঞ। ৰবিনাথ ককাকে দুৰ্গেশ্বৰ খনিকৰে গঢ়ি দিয়া মাটিৰ পুতলিটো বাৰে বাৰে ভাঙি পেলোৱা সত্বেও লক্ষ্মীনাথ হতাশ হোৱা নাছিল; এটা ভাঙিলে শিশু লক্ষ্মীনাথে আন এটা নিজেই গঢ়ি লৈ মাত উলিয়াই আনন্দত উকলিকৃত হৈছিল। তেওঁলোকৰ শিৱসাগৰৰ ঘৰখনত থকা ভতিজাক দুজনে তেওঁতকৈ বেচি কবিতা বা বচন মুখস্থ মাতিৰপৰা তেওঁ নীৰৱে সহ্য কৰিব নোৱাৰিলে নিজেই অলপ দিনৰ ভিতৰতে তেওঁ সিহঁতৰ নেতৃত্ব বহন কৰি সকলো দিশতে শ্ৰেষ্ঠত্ব দেখুৱাবলৈ সমৰ্থ হ'ল (৪৭)। তেনেকৈ সিদ্ধেশ্বৰ সোণাৰিৰ সোণাৰি-শালৰ বৰ্ণনা আৰু দুৰ্গেশ্বৰ খনিকৰৰ প্ৰতিমা গঢ়াৰ সময়ত শিশু লক্ষ্মীনাথৰ মনত উদয় হোৱা ভাৱ-কল্পনাই ইঙ্গিত দিয়ে যে সময়ত লক্ষ্মীনাথ এগৰাকী প্ৰতিভাশালী সুশিল্পী আৰু সাহিত্যিকৰূপে পৰিগণিত হবলৈ হব সমৰ্থ (৪৮)। শৈশৱ আৰু কৈশোৰৰ কালছোৱা দীননাথ বেজবৰুৱাৰ সদৃশ ধৰ্মপ্ৰাণ ব্যক্তিত্ব-শালী পিতৃগৰাকীৰ লগত এক পবিত্ৰ ধৰ্মীয় পৰিবেশৰ মাজত ডাঙৰ-দীঘল হোৱা লক্ষ্মীনাথ যে বয়সত এগৰাকী প্ৰবীণ ধৰ্মজ্ঞলোক হিচাবে প্ৰতিষ্ঠিত হব তাকো কল্পনা কৰা সুকঠিন নহয় (৪৯)। আৰু যথাৰ্থতে শৈশৱ আৰু কৈশোৰত লক্ষ্মীনাথৰ চিত্তত অঙ্কুৰিত হোৱা প্ৰতিভাৰ বীজ বয়সত বিশাল বটবৃক্ষলৈ পৰিবৰ্দ্ধিত হৈ, তাৰ ছাঁই অসমৰ জাতীয়-জীৱন সুশান্ত, সুশীতল আৰু স্নিগ্ধ মধুৰ কৰি তুলিবলৈও হ'ল সমৰ্থ। ইয়াতেই লক্ষ্মীনাথৰ কৃতিত্ব আৰু বৈশিষ্ট্য। কাৰণ এই প্ৰতিভা বিকশিত কৰি তুলিবলৈ অনুকূল পৰিবেশ কেতিয়াও লাভ কৰিব পৰা নাছিল বুলিবই পাৰি। কিন্তু শৈশৱৰ পৰাই আছিল তেওঁ প্ৰতিকূলতাৰ বিৰুদ্ধে সংগ্ৰামৰত, পৰিবেশৰ দাসত্ব নামানি পৰিবেশক দাসত্ব মানিবলৈ বাধ্য কৰা বা পৰিবেশক আয়ত্বৰ অধীনলৈ অনাই আছিল তেওঁৰ জীৱনৰ মৰ্ম কথা।

(৪৭) মোৰ জীৱন সোঁৱৰণ : প্ৰথমভাগ, পৃষ্ঠা—১০।১১।৩২।৩৩।

(৪৮) মোৰ জীৱন-সোঁৱৰণ : প্ৰথম ভাগ, পৃষ্ঠা—৯।১০।

(৪৯) মোৰ জীৱন-সোঁৱৰণ : প্ৰথম ভাগ, পৃষ্ঠা—

ইংৰাজসকলে শ শ বছৰজুৰি আইৰিচসকলক নিৰ্য্যাতন কৰি অহাৰ দৰে বঙালীসকলেও অসমক নিৰ্য্যাতন কৰি আহিছে; যথাৰ্থতে আজিও অসমৰ বুকুত বঙালী নিৰ্য্যাতনৰ অৱসান ঘটা নাই। মাথোঁ সিদিনাখন প্ৰখ্যাত বঙালী লেখক নিৰোদ চৌধুৰীয়ে অসম বিষয়ক কৰা মন্তব্যও অসমৰ ওপৰত বঙালী নিৰ্য্যাতনৰেই স্পষ্ট নিদৰ্শন। কিন্তু চুইফ্‌ট, ইয়েট্‌চ্‌, বাৰ্ণাৰ্ড শ্ব' প্ৰভৃতি লেখকে আইৰিচ হৈয়ো বিশাল প্ৰতিভাশালীৰূপে ইংলণ্ডৰ বুকুত প্ৰতিষ্ঠা লাভ কৰাৰ দৰে লক্ষ্মীনাথ বেজবৰুৱাইও নিজক মানুহৰূপে গঢ়ি তুলিলে অসম-বিদ্বেষী বঙালীসকলৰ মাজত তেওঁলোকৰ হৃৎপিণ্ড স্বৰূপ কলিকতা মহানগৰীৰ বুকুতহে। বাৰ্ণাৰ্ড শ্ব' লণ্ডনলৈ আহিছিল এজন পথৰ ভিখাৰীৰ বেশত; কিন্তু সেই ভিখাৰী শ্ব'ই লণ্ডন নগৰৰ বুকুত নিজক প্ৰতিষ্ঠা কৰিলে সাহিত্যিক সম্ৰাট স্বৰূপে: ধন-দৌলতেৰেও নিজক গঢ়ি তুলিলে অতুলনীয় ৰূপে। লক্ষ্মীনাথৰ ক্ষেত্ৰতো এই কথা প্ৰযোজ্য। কলিকতালৈ গৈছিল লক্ষ্মীনাথ জ্ঞানাম্বেষণত—বিশ্ববিদ্যালয়ৰ শিক্ষা আহৰণৰ আশাত। অসমৰ বৰলুইতৰ বুকুত লক্ষ্মীপূৰ্ণিমাৰ দিনা নিশা জন্মলাভ কৰা লক্ষ্মীনাথ জীৱনৰ শেষ সন্ধিয়াত আকৌ অসমলৈ আহিল,—মাথোঁ অসমীয়াৰ মাজত থাকি বৰলুইতৰ বালিত শেষ নিশ্বাস এৰিবলৈহে। লক্ষ্মীনাথৰ কৰ্ম জীৱন কলিকতা,—তেওঁৰ প্ৰতিভা বিকশিত হোৱাৰ মূল প্ৰেৰণা সেই সময়ৰ কলিকতা তথা বঙ্গদেশৰ নৱজাগৰণ। আইৰিচ চুইফট্‌, ইয়েট্‌চ, শ্ব'ক ইংলণ্ডই মহান প্ৰতিভাশালীৰূপে গঢ়ি তোলাৰ দৰে অসমীয়া লক্ষ্মীনাথকো সাহিত্যৰথী ৰসৰাজ লক্ষ্মীনাথ স্বৰূপে গঢ় তুলিলে কলিকতাইহে। উল্লেখিত মহান আইৰিচ্‌সকল ইংলণ্ডৰ বুকুতো আইৰিচ্‌ হৈয়ে থকাৰ দৰে লক্ষ্মীনাথো কলিকতাত হৈ থাকিল অসমীয়াহে। অথচ অসমৰ বুকুত ডাঙৰ-দীঘল হোৱা, অসমত কৰ্ম-জীৱনৰ পাতনি মেলি অসমৰ বুকুতেই জীৱনৰ পৰিসমাপ্তি ঘটোৱা অন্যান্য বহুতো অসমীয়া লোক মনে-প্ৰাণে বঙালী হৈয়ে ৰ'ল। শ্ব'হঁতে সাহিত্য ৰচনা কৰিছিল ইংৰাজী ভাষাত, কিন্তু লক্ষ্মীনাথে ৰচনা কৰিছিল অসমীয়াতহে,—বঙালীত নহয়। তেওঁ যিখিনি ৰচনা বঙালীত ৰচিছিল, সেইখিনি আছিল কেৱল অসম আৰু অসমীয়াৰ বিৰুদ্ধে কৰা বঙালীসকলৰ অন্যায়-আক্ৰোশৰ প্ৰতিবাদ স্বৰূপেহে। বঙালীৰ বিৰুদ্ধে তেওঁ অসমীয়াতো প্ৰতিবাদ কৰিছিল সঁচা, কিন্তু প্ৰধান ভাৱে প্ৰতিবাদ জনাইছিল বঙালী মাধ্যমতেই, যাতে প্ৰতি গৰাকী বঙালীয়ে বেজবৰুৱাৰ প্ৰতিবাদৰ মাজেদি অসম আৰু অসমীয়া বিষয়ক শুদ্ধ-তথ্য জানিব পাৰে, তেনে আশা পোষণ কৰিহে। আনকি পদ্মনাথ কাব্যবিনোদে বঙালী 'সাহিত্য পৰিষৎ পত্ৰিকা'ত পুৰুষোত্তম গজপতি আৰু

তেওঁৰ 'দীপিকা ছন্দ'ৰ বিষয় অযুক্তি সঙ্গত আলোচনা কৰা হেতুকে তাৰ প্ৰতিবাদ স্বৰূপে লেখা আলোচনাটিৰ ভাষাও আছিল বঙালীহে। ৰবীন্দ্ৰনাথ লক্ষ্মীনাথৰ খুৰ-শহুৰ, ৰবীন্দ্ৰনাথৰ কবিতাৰ দ্বাৰা লক্ষ্মীনাথ প্ৰভাবান্বিতও হৈছিল, আৰু ৰবীন্দ্ৰনাথৰ প্ৰতি তেওঁৰ গভীৰ শ্ৰদ্ধাও আছিল। তথাপি, ৰবীন্দ্ৰনাথে বঙালী 'ভাৰতী' পত্ৰিকাত (ঠাকুৰপৰিয়ালৰ পৰা প্ৰকাশিত) ৰবীন্দ্ৰনাথে অসমীয়া ভাষাৰ বিষয় বিৰূপ আলোচনা কৰাত লক্ষ্মীনাথে 'ভাৰতী' আৰু 'পুণ্য' দুয়োখন পত্ৰিকাতে তাৰ প্ৰতিবাদ কৰিহে এৰিলে। বঙালী সমাজত থকা কাৰণে, বঙালীৰ মাজত থাকি ব্যৱসায় কৰা কাৰণে বা বিখ্যাত বঙালী ঠাকুৰ পৰিয়ালৰ জীয়াৰী প্ৰজ্ঞাসুন্দৰীক বিয়া কৰোৱা কাৰণে তেওঁ কেতিয়াও কোনো মুহূৰ্ত্ততে অসমীয়া ভাষা-সংস্কৃতি আৰু অসমীয়া জাতিৰ প্ৰতি বঙালীসকলে দেখুৱা অন্যায় আচৰণ, আক্ৰোশ বা প্ৰতিবাদ সহা নাছিল অথচ এইজন প্ৰবীণ অসমীয়া লক্ষ্মীনাথ বেজবৰুৱা বঙালীসকলৰ মাজত আছিল জনপ্ৰিয়, তেৱেঁই আছিল হাওৰাত অবৈতনিক মেজিষ্ট্ৰেটো আৰু তেওঁৰ প্ৰতিভাক অসমীয়াতকৈয়ো বঙালীসকলেই বেছিকৈ শলাগি ছিলো। কৰ গলে জ্ঞানৰ ভিখাৰী হৈ কলিকতাত প্ৰবেশ কৰা লক্ষ্মীনাথে শেষত স্বকীয় প্ৰতিভাৰ দ্বাৰা বঙালীসকলৰ (অন্তত: জ্ঞানী-গুণীসকলৰ) মনোৰাজ্য জয় কৰিহে এৰিলে। লক্ষ্মীনাথৰ যশস্যা আনন্দৰাম বৰুৱাৰ দৰে ভাৰতৰ কেউদিশে বিয়পি পৰিল। তাৰ ফলস্বৰূপে বৰোদাৰ মহাৰাজাই 'ভাৰতীয় বৈষ্ণৱ ধৰ্ম' আৰু 'মহাপুৰুষ শঙ্কৰদেৱ' বিষয়ক এলানি বক্তৃতা দিবলৈ তেওঁক বৰোদালৈ আদৰি নিলে ১৯৩৪ চনত। আনন্দৰাম বৰুৱাৰ পিছত এনেদৰে সৰ্বভাৰতীয় স্বীকৃতি পোৱা অসমীয়া লক্ষ্মীনাথ বেজবৰুৱাহে।

কিন্তু লক্ষ্মীনাথ ভাৰত বিখ্যাত যশস্বী পুৰুষৰূপে পৰিগণিত আৰু সন্মানিত হব পাৰিলে নিজৰ অদমনীয় মনোভাৱৰ কাৰণেহে। য'তেই তেওঁ বাধা পাইছিল, ত'তেই দৃঢ়ভাবে কৃতকাৰ্য্য হবলৈ চেষ্টা কৰিছিল। শৈশৱ আৰু কৈশোৰৰ লক্ষ্মীনাথৰ চৰিত্ৰতো আমি এই অদমনীয় মনোভাৱৰ পৰিচয় পাওঁ। প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত বাপেক দীননাথ বেজবৰুৱাই উচ্চ শিক্ষাৰ্থে লক্ষ্মীনাথক কলিকতালৈ পঠিয়াবলৈ ইচ্ছাই কৰা নাছিল। লক্ষ্মীনাথৰ দৃঢ়তাৰ কাৰণেই তেওঁক পঠিয়াবলৈ বাধ্য হ'ল। শৈশৱৰ পৰা জীৱনৰ প্ৰায় সকলো ক্ষেত্ৰতে স্বকীয় প্ৰতিভাৰ দ্বাৰা তেওঁ আনৰ মাজত নেতৃত্ব পাবলৈ সমৰ্থ হোৱাৰ দৰে, কম সময়ৰ ভিতৰতে কলিকতীয়া অসমীয়া ছাত্ৰসকলৰ মাজতো নেতৃত্ব লাভ কৰিলে। তাৰ ফলস্বৰূপে অ. ভা. উ. সা. সভাৰ সম্পাদক হ'ল আৰু 'জোনাকী' সম্পাদনা কৰাৰ দায়িত্বও চন্দ্ৰকুমাৰৰ পিছত তেওঁৰ

ওপৰতেই অৰ্পণ কৰা হ'ল। 'জোনাকী' লক্ষ্মীনাথৰ সাহিত্য-প্ৰতিভা বিকাশৰ সৰ্ব্বপ্ৰথম আহিলা। ছাত্ৰাৱস্থাতে 'আইন' পৰীক্ষাৰ ফলৰ কাৰণে, কলিকতা বিশ্ববিদ্যালয়ৰ বিৰুদ্ধে যি মোকৰ্দমা তৰিলে, সিও ন্যায়ৰ কাৰণে, সত্য প্ৰতিষ্ঠাৰ কাৰণে অদমনীয় ভাবে সংগ্ৰামৰত হোৱা লক্ষ্মীনাথৰ স্পষ্ট পৰিচায়ক। জীৱন-সোঁৱৰণত লক্ষ্মীনাথে এই প্ৰসঙ্গতো এনেদৰে বৰ্ণাইছে : "আমি পৰীক্ষা দিয়াৰ পিছত 'ছিণ্ডিকেটে' মিটিং কৰি বি-এল পৰীক্ষাৰ 'পাছমাৰ্ক'ৰ খোপটো আৰু ওখ কৰি দিলে। আমি পৰীক্ষাত পোৱা নম্বৰে সেই খোপটো চুকি নোপোৱা হ'ল। অৱশ্যে পূৰণি নিয়মমতে আমি যি 'মাৰ্ক' পাইছিলোঁ সি আগৰ খোপটোত উঠিছিল গৈ আৰু সেই দেখি পৰীক্ষাত উঠিছিলোঁও। মোক লৈ প্ৰায় ৩০ জন ছাত্ৰ সেই দেখি ন নিয়মমতে 'ফেলৰ' গাঁতত পৰিছিল। এই ৩০ জনৰ ভিতৰত কেইবাজনো ভাল ছাত্ৰ আছিল আৰু তেওঁলোক কলিকতাৰ অতি সম্ভ্ৰান্ত ধনী মানুহৰ ঘৰৰ সন্তান। ......আমি কলিকতা হাইকোৰ্টত কলিকতা য়ুনিভাৰ্ছিটিৰ ওপৰত মোকৰ্দ্দমা কৰিবলৈ থিৰ কৰিলোঁ, যাতে য়ুনিভাৰ্ছিটিয়ে আমাক 'পাছ কৰা' ছাত্ৰৰ তালিকাৰ ভিতৰত সুমাই লবলৈ বাধ্য হয়। ......আৰ্জিপত্ৰ (Plaint) প্ৰস্তুত হল। ......আৰ্জিপত্ৰত চহী কৰিবলৈ আমাৰ ভিতৰৰপৰা এধাৰজন ছাত্ৰক ঠিক কৰা হল। কিন্তু চহী কৰিবৰ সময়ত ল' হবি। কোনেও চহী কৰিব নোখোজে। এজন এজনকৈ আটাইকেইজনেই পলুকা মাৰিলে। ......মই আগবাঢ়ি ওলাই কলোঁ, 'আনে চহী দিয়ক নিদিয়ক, মই দিম' (৫০)। ই লক্ষ্মীনাথৰ সত্য আৰু ন্যায়নিষ্ঠ অদমনীয় সংগ্ৰামশীল মনৰ উজ্জ্বল নিদৰ্শন। জীৱনৰ শেষলৈকে কেতিয়াও তেওঁ এনে অদমনীয় মনোভাৱ পৰিহাৰ কৰা দেখা নাযায়। তেওঁ ব্যঙ্গাত্মক সাহিত্য আৰু কাৰ্টুন আদি ৰচনা কৰোঁতে, 'বাঁহী' সম্পাদনা কৰোঁতে, নিজে স্বকীয় ৰীতিত আখৰ জোঁটনি কৰোঁতে, আৰু বিশেষকৈ ধৰ্মীয় সমালোচনাৰ প্ৰবৃত্ত হওঁতে অসমৰ কেউদিশৰ পৰা তীব্ৰ সমালোচনাৰ সন্মুখীন হবলগীয়াত পৰিছিল ; কিন্তু কেতিয়াও নিৰস্ত হোৱা নাছিল,—লক্ষ্য অবিচল কৰি ৰাখিবলৈয়ে সমৰ্থ হৈছিল।

"স্বাধীনতা-হীনতাতকৈ মোৰ মৃত্যু শ্ৰেষ্ঠতৰ বুলি মই সদায় ভাবি আহিছোঁ।" এই মনোভাৱেৰে লক্ষ্মীনাথ চিৰ অনুপ্ৰাণিত আছিল গুণেই জীৱনৰ প্ৰতি পদক্ষেপতে স্বাধীন-চিন্তা, স্বাধীন মনোভাৱৰ পৰিচয় দিবলৈও হৈছিল তেওঁ সক্ষম। ইয়াৰ কাৰণেই তেওঁ তেতিয়াৰ অসম চৰকাৰে যাচি দিয়া ই-এ-চি

(৫০) মোৰ জীৱন সোঁৱৰণ : দ্বিতীয়ভাগ, চতুৰ্থ অধ্যায়, পৃষ্ঠা—১২২।২৩।

পদৱী এবাৰ নহয়, দুবাৰো, অকাতৰে প্ৰত্যাখ্যান কৰিবলৈও কুণ্ঠাবোধ নকৰিলে। আৰু এই স্বাধীন মনোবৃত্তিৰ কাৰণেই তেওঁ কলিকতা মহানগৰীৰ বুকুত আৰু শেষত সম্বলপুৰত কাঠৰ ব্যৱসায় কৰিহে জীৱিকা অৰ্জন কৰি গ'ল। তেওঁ কেতিয়াও আনৰ ওপৰত নিৰ্ভৰ নকৰিলে, সকলো সময়তে স্বাৱলম্বিভাবে জীৱিকা অৰ্জন কৰি গ'ল। জীৱনৰ শেষ ছোৱাত যেতিয়া তেওঁ কগ্ন হ'ল, স্বাস্থ্য ভাগি পৰিল, শ্ৰম কৰিবলৈ অসমৰ্থ হ'ল, তেতিয়া তেওঁৰ বৰ জোঁৱায়েক সত্যব্ৰত মুখাৰ্জীয়ে হেনো অসম চৰকাৰৰ দ্বাৰা এটা সাহিত্যিক পেঞ্চন লক্ষ্মীনাথৰ জীৱিকাৰ কাৰণে মঞ্জুৰ কৰাবলৈ যত্ন কৰিছিল, অসম সাহিত্য সভাকো হেনো এই কাৰ্য্যত সহায় কৰিবলৈ অনুৰোধ জনাইছিল; কিন্তু তেওঁ এই কথা জানিব পাৰি হেনো জোঁৱায়েকক ধমকি দিলে। তেওঁ সাহিত্যিক পেঞ্চন গ্ৰহণ নকৰে, পেঞ্চন পোৱাৰ আশাত তেওঁ সাহিত্য চৰ্চা কৰা নাই,—বিশেষকৈ অসমৰ দৰে দুখীয়া দেশখনৰ চৰকাৰৰ ভৰালৰ পৰা পেঞ্চন তেওঁ কদাপিও গ্ৰহণ কৰিব নোৱাৰে (৫১)।

ইয়ে তেওঁৰ মনৰ কেইবাটাও দিশৰ নিদৰ্শন দিয়ে,—(১) তেওঁ সকলো ক্ষেত্ৰতে স্বাধীন ভাবেই জীৱিকা অৰ্জন কৰিব বিচাৰিছিল, (২) তেওঁ চৰকাৰী পেঞ্চন লাভ কৰি ৰাজহুৱা স্বীকৃতি বা খিতাপ লাভ কৰাৰো সম্ভৱতঃ ইচ্ছা নকৰিছিল আৰু (৩) তেওঁ অসমীয়া প্ৰীতি। তেওঁ অসম চৰকাৰৰ পেঞ্চন গ্ৰহণ কৰা মানে অসমৰ ৰাজভঁৰালৰ ধন ভোগ কৰি ৰাইজৰ উন্নয়নমূলক কামত ব্যাঘাত ঘটোৱা। যিখন অসমৰ উদ্‌গতিৰ কাৰণে তেওঁ আমৰণ সংগ্ৰাম চলালে, মৃত্যুৰ সময়ত সেইখন দেশৰ অকল্যাণ তেওঁ কোনোপধ্যেও কল্পনাই কৰিব নোৱাৰে।

লক্ষ্মীনাথহঁতৰ সময়ৰ অসমীয়াই অসমৰ বাহিৰত অসমীয়া বুলি পৰিচয় দিবলৈ লাজ আৰু শঙ্কা অনুভৱ কৰিছিল; আনকি অসমৰ বুকুতো শ শ অসমীয়াই অনা-অসমীয়াৰ মাজত নিজক অসমীয়া বুলি পৰিচয় নিদিছিল। লক্ষ্মীনাথ আছিল ইয়াৰ সম্পূৰ্ণ পৰিপন্থী। তেওঁ হাওৰাৰ বোজমেৰিলেনৰ বাস-ভৱনতেই থাকক বা সম্বলপুৰতেই থাকক, সকলো সময়তে নিজক অসমীয়া বুলি পৰিচয় দিহে পাইছিল পৰম আনন্দ। শঙ্কৰদেৱ, মাধৱদেৱ প্ৰভৃতি অসমৰ মহাপুৰুষসকলৰ তিথি-উৎসৱ উপলক্ষে, অকলে হলেও ববতাল বজাই বজাই নাম-কীৰ্ত্তন কৰি সেই পুণ্য-স্মৃতি অন্তৰত উজ্জলাই ৰাখিছিল, আত্মবিস্মৃত কলিকতাবাসী অসমীয়াসকলকো সচেতন কৰি তুলিছিল আৰু বেজবৰুৱাৰ কাৰ্য্য

(৫১) বিশ্বৰসিক বেজবৰুৱা : সত্যব্ৰত মুখাৰ্জীৰ চিঠি, পৃষ্ঠা—৮২।৮৩।

দেখি বঙালীসকলেও তবধ মানিছিল। ই তেওঁৰ স্বাধীন মনোভাৱ আৰু দেশাত্মবোধৰ উজ্জ্বল নিদৰ্শন। কিন্তু ইয়ে সূচায়ই যে তেওঁ ৰক্ষণশীল কিম্বা গোড়া আছিল। তেওঁ আছিল উদাৰপন্থীয়েই। উদাৰপন্থী হোৱা হেতুকেহে তেওঁ বঙালী ব্ৰাহ্ম পৰিয়ালৰ জীয়াৰী প্ৰজ্ঞাসুন্দৰীক পত্নীৰূপে গ্ৰহণ কৰিলে। আৰু উদাৰপন্থী হোৱা হেতুকেহে তেওঁ হিন্দু, খৃষ্টান, মুছলমান আদি সকলো জাতৰ বা সম্প্ৰদায়ৰ মানুহৰ লগতেই ঘনিষ্ঠ সম্পৰ্কে স্থাপন কৰিছিল, অসমীয়া বৈষ্ণৱ ধৰ্মকো উদাৰ দৃষ্টিৰে বিশ্লেষণ কৰি চাবলৈ সমৰ্থ হৈছিল। তেওঁ গোড়া বৈষ্ণৱ দীননাথ বেজবৰুৱাৰ ঔৰসজাত সন্তান হৈও উদাৰপন্থী হোৱা হেতুকেহে পাশ্চাত্য শিক্ষা-সভ্যতাৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহ প্ৰদৰ্শন কৰিব পাৰিছিল। লক্ষ্মীনাথৰ সাহিত্য প্ৰাচ্য-পাশ্চাত্যৰ সংযোগ-সেতু। ড্ৰাইডেন যুগীয় ইংৰাজী-সাহিত্যৰ ৰূপত অসমীয়া সাহিত্য ৰচনা কৰা হেতুকে তেওঁ অসমত অপ্ৰিয় হব লগাত পৰিছিল, কটু সমালোচনাৰ সন্মুখীন হব লগাত পৰিছিল। তথাপি তেওঁ লক্ষ্য স্থিৰ ৰাখিছিল। কিন্তু এইজন লক্ষ্মীনাথেই আঁছিল প্ৰাচীন ৰীতি-নীতিৰ প্ৰতিও আগ্ৰহশীল। তেওঁ গভীৰ ভাৱে উপলব্ধি কৰিছিল যে অতীতৰ ভেটিত বৰ্তমানক প্ৰতিষ্ঠা কৰিব নোৱাৰিলে আৰু অতীতৰ প্ৰতি আগ্ৰহশীল হব নোৱাৰিলে বা গৌৰৱময় অতীতৰ দ্বাৰা অনুপ্ৰাণিত হব নোৱাৰিলে ব্যক্তিৰ দৰে জাতিৰো ভবিষ্যৎ বুলিবলৈ একোৱেই নাথাকে। সেয়ে তেওঁ নাম-গুণ গাইছিল, ভোৰ তাল বজাইছিল, অসমীয়া সকলো ৰীতি-নীতি পালন কৰিছিল—অথচ মনটো আছিল সদায় মুক্ত-স্বাধীন। তেওঁৰ মনৰ দুৱাৰ আছিল সদায় মুক্ত—সকলো সময়তে নতুন কথা জানিবলৈ বা নতুন ভাৱৰ দ্বাৰা উদ্বুদ্ধ হবলৈও আছিল তেওঁ নিত্য সচেতন।

"প্ৰথম বছৰৰ বাঁহীৰ বেটুপাতত আৰু আৱৰণত বুকুত মেঠনি মৰা মাইকী মানুহ এগৰাকীয়ে বাঁহী বজাই থকা ছবি এটা দিয়া হৈছিল।...... বেজবৰুৱা কদোক কোনে জোকাই লয়? এই ভয়তে কোনেও ভুলটো দেখুৱা নাছিল। কিন্তু, আউনিআটী সত্ৰৰ চলাওন অধিকাৰ ৺কমলচন্দ্ৰ গোস্বামী প্ৰভুৱে তেখেতৰ আগৰ কবিতা মুলিবাৰ পোতক তোলা স্বৰূপে এইফাকি পদ্য লেখি বাঁহীলৈ পঠিয়াই দিয়ে—

আজি কালি কলিকতাত বাধাই বজায়
বুকুত মেঠনি মাৰি ম'ৰা নচুৱায়
বাধাই বজাই বাঁহী ক'তো শুনা নাই
উত্তৰ পঠাব মোলৈ বেজবৰুৱাই।"

বেজবৰুৱাই একো উত্তৰ নিদিলে, বৰং কবিত'ৰ লগৰ কবিতা নহয় যদিও সত্ৰাধিকাৰ গোস্বামী প্ৰভুৰ কবিতাটো 'বাঁহী'ত সন্মানেৰে ঠাই দি, যি মৌন কৃতজ্ঞতা জনালে তাৰ চিন স্বৰূপে সেই বছৰৰ পৰা 'বাঁহী'ৰ বেটুপাতত আৰু সেই ছবি নাইকিয়া হ'ল (১২)।" লক্ষ্মীনাথৰ উদাৰতাৰ অ ক অনেক নিদৰ্শন আছে। এই উদাৰতাই গতিশীলতাৰ মূল ভেটি। গতিশীল উদাৰ মানৱতাৰ অধিকাৰী হোৱা হেতুকেহে লক্ষ্মীনাথ সাহিত্যৰথী লক্ষ্মীনাথ ৰূপে সন্মানিত হবলৈও হৈছিল সমৰ্থ।

বুদ্ধিজীৱী মাত্ৰেই উদাৰ, সাহসী আৰু গতিশীল। বুদ্ধিজীৱী সত্যাশ্ৰয়ী, নিষ্ঠাৰে জীৱন সংগ্ৰামত ৰত থাকি লক্ষ্যত উপনীত হোৱা তেওঁলোকৰ জীৱনৰ আদৰ্শ। গোড়ামি বা ৰক্ষণশীলতা বুদ্ধিজীৱীৰ জীৱনত কেতিয়াও অনুভৱ কৰা নাযায়। বুদ্ধিজীৱীয়ে সত্যক হে ভয় কৰে—অন্য অসত্যৰ ওচৰত, লাগে যিমানেই কিয় শক্তিশালী নহওক, কেতিয়াও আত্মসমৰ্পণ নকৰে। প্ৰকৃত বুদ্ধিজীৱীৰ মানত সকলোৰে যুক্তিযুক্ত কথাও উপাদেয়, কিন্তু স্বয়ং পদ্মজন্মা ব্ৰহ্মা'ৰ দ্বাৰা কথিত হলেও অযুক্তিকৰ কথা তৃণৰ দৰে অগ্ৰাহ্য। এই কথা লক্ষ্মীনাথৰ জীৱনত আমি প্ৰতি পদে পদে দেখিবলৈ আৰু অনুভৱ কৰিবলৈ পাওঁ। এনে যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত হৈয়ে তেওঁ যিহক সত্য আৰু ন্যায় বুলি বিবেচনা কৰিছিল, তাক সমাজত প্ৰতিষ্ঠিত কৰিবলৈ আমৰণ সংগ্ৰাম চলালে, অথচ তেওঁৰ বিৰুদ্ধে তীব্ৰ সমালোচনা কাহানিও শুনা নাছিল। প্ৰকৃত বুদ্ধিজীৱীৰ দৰেই তেওঁ অনৰ প্ৰশংসালৈও কেতিয়াও কৰ্ণপাত নকৰিলে, অবিচলিত ভাৱে আৰু প্ৰবল আশাবাদেৰে উদ্বুদ্ধ হৈ আমৰণ অসম আৰু অসমীয়াৰ কল্যাণৰ কাৰণে সংগ্ৰাম চলাই গ'ল। ইংৰাজ কবি ক'লৰিজে 'Youth and Age' কবিতাত কোৱাৰ দৰে লক্ষ্মীনাথেও ভাবিছিল যে বয়সৰ বাৰ্দ্ধক্য বা পকা চুলি তেওঁৰ কৰ্ম বা জীৱন-প্ৰেৰণাৰ বাধা হব নোৱাৰে। সেয়ে তেওঁ 'পকাচুলি' কবিতাক ৰূপাৰৰী ভঙ্গী সংযোগ কৰ হলেও কৈছিল—

"বাহিৰত মোৰ পকে চুলি,
ভিতৰত বাজে মৌ সুহুলি,
ল'ৰৰ কীৰল খলকত
মোৰ বঙৰ নাই ওৰ।"

বুদ্ধিজীৱীলোক আত্মসচেতন, তেওঁলোকে নিজকে নিজে নিজৰ মূল্যায়ন কৰিবলৈও সমৰ্থ হয়। তেওঁ নিজৰ কবিতা' আৰু 'গধুৰ নাটক'ৰ বিষয় কেতিয়াও উচ্চ মনোভাৱ পোষণ কৰা নাই। কিন্তু ব্যংগাত্মক ৰচনাৱলী

(১২) ছুপৰি : বেণুধৰ শৰ্মা, পৃষ্ঠা—১৬।

আৰু তেওঁৰ অনুকৰণীয় ৰচনাশৈলীৰ প্ৰতি গভীৰ আস্থা আছিল। সেয়ে, কাকতৰ টোপোলাৰ পাতনিত কৈছে—"কাকতৰ টোপোলা পঢ়িব পাৰি, নপঢ়িবও পাৰি, যাৱজ্জীৱনলৈকে নাপাহৰিবও পাৰি।" আৰু যোগ দি কৈছে—"বৰুৱা তাঙবীয়াৰ লেখাৰ অনুকৰণ কৰিবলৈ গৈ লেখাক গোবৰ্দ্ধনসকলে সহজে ভুচুংপহুটো হৈ ওলাই আহি সভাসদসকলৰ আনন্দ বৰ্দ্ধন কৰিব পাৰি।" বৰ্ত্তমান 'বৰবৰুৱাৰ ভাবৰ বুৰ-বুৰণি' নামৰ গ্ৰন্থত সন্নিবিষ্ট প্ৰবন্ধ 'নোবেল প্ৰাইজ'ত তেওঁ কৈছে—"এই পৃথিৱীত তিনিজন মানুহে হাঁহিব জানিছিল। প্ৰথমজন পুৰণিকলীয়া গ্ৰীচদেশত আছিল, তেওঁৰ নাম এৰিষ্টোফেনছ। দ্বিতীয়জন স্পেইনত আছিল, তেওঁৰ নাম চাৰ্ভেন্টিছ। তৃতীয়জন জন বুল দেশত আছিল, তেওঁৰ নাম জনাথান ছুইফ্‌ট্‌। চতুৰ্থজনৰ কথা নকলেও হব; কাৰণ তেওঁ তোমালোকে হাতে চুকি পোৱাতে, অৰ্থাৎ তেওঁৰ নিবাস জকাইচুকতে। মুঠ কথা, লোকে হাঁহকে বা কান্দকে, বৰবৰুৱা কৃপাবৰে নোবেল প্ৰাইজ পোৱা সম্ভাৱনাৰ যিটো জক তেওঁৰ গাত উঠিছে, সি সহজে নমৰে।" কৃপাবৰী ভঙ্গীৰে কলেও ই নিশ্চয় তাৎপৰ্য্যপূৰ্ণ আৰু আত্মবিশ্বাসৰ চূড়ান্ত নিদৰ্শন। এনে সবল আশাবাদ আৰু আত্মবিশ্বাসৰ ভেটিত প্ৰতিষ্ঠিত হৈয়ে লক্ষ্মীনাথে মুক্তকণ্ঠে কব পাৰিছিল—

"আহক মৰণ, ভয় নকৰোঁ সমূলি
কিন্তু হওক তেওঁ, যি জানে এই নিঃকিনক—
"বপুৰা বেচেৰা! কইছিল এজুপি অশোক,
ফুলি যাৰ ফুল, আমোদিছে আসাম সদায়।"

এনে সবল আশাবাদ, কৰ্মপ্ৰেৰণা, আত্মবিশ্বাস আৰু আত্মপ্ৰত্যয়ৰ ভাব আমি আনন্দৰাম বৰুৱাৰ পিছত একমাত্ৰ লক্ষ্মীনাথতেই দেখিবলৈ পাইছিলোঁ। লক্ষ্মীনাথৰ পিছত এনে সাহসী আৰু বহুমুখী প্ৰতিভাশালী বুদ্ধিজীৱীৰ সৃষ্টি অসমত আৰু হোৱাই নাই। কবি, নাট্যকাৰ, ঔপন্যাসিক, গল্পকাৰ, শিশু-সাহিত্যিক, হাস্যৰসিক, কেৰিকেচাৰিষ্ট, কাৰ্টুনিষ্ট, চিত্ৰকৰ, খনিকৰ, মঞ্চশিল্পী, সাংবাদিক, সমালোচক, ধৰ্ম-বীৰ, সাহসী, দেশপ্ৰাণ, বুদ্ধিজীৱী লক্ষ্মীনাথক অসমীয়া জাতিয়ে কোনো দিনে পাহৰিব নোৱাৰে। তেওঁ জাতীয়তাবাদী প্ৰতি গৰাকী ব্যক্তিৰে জাতীয়তাবোধৰ উজ্জ্বল নিদৰ্শন।

সমাপ্ত

গ্ৰন্থপঞ্জী

(১) কদমকলি— লক্ষ্মীনাথ বেজবৰুৱা

(২) কামত কৃতিত্ব লভিবৰ সঙ্কেত— "

(৩) ককাদেউতা আৰু নাতিল'ৰা— "

(৪) কৃপাবৰ বৰুৱাৰ কাকতৰ টোপোলা— "

(৫) কৃপাবৰ বৰুৱাৰ ওভতনি— "

(৬) কৃপাবৰ বৰুৱাৰ বুৰবুৰণি— "

(৭) কৃপাবৰ বৰুৱাৰ বুলনি— "

(৮) গদাধৰ ৰজা— "

(৯) চিকৰপতি-নিকৰপতি— "

(১০) চক্ৰধ্বজ সিংহ— "

(১১) জয়মতীকুঁৱৰী— "

(১২) জুনুকা— "

(১৩) জোনবিৰি— "

(১৪) ডাঙৰীয়া দীননাথ বেজবৰুৱাৰ জীৱনী— "

(১৫) তত্ত্বকথা— "

(১৬) নোমল— "

(১৭) পদুমকুঁৱৰী— "

(১৮) পাঁচনি— "

(১৯) বাখৰ— "

(২০) বুঢ়ীআইৰ সাধু— "

(২১) বেলিমাৰ— "

(২২) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ— "

(২৩) মোৰ জীৱন সোঁৱৰণ— "

(২৪) লিতিকাই— "

(২৫) শ্ৰীশ্ৰীশঙ্কৰদেৱ— "

(২৬) শ্ৰীভগৱৎকথা— "

(২৭) সাহিত্যসভাৰ সভাপতিৰ অভিভাষণ— "

(২৮) সাধুকথাৰ কুঁকি— „

(২৯) সুৰভি— „

(৩০) বাঁহী—প্ৰথমৰ পৰা ৮ম বছৰলৈ— „

(৩১) অসমীয়া সাহিত্যৰ বুৰঞ্জী— ডিম্বেশ্বৰ নেওগ

(৩২) অসমীয়া সাহিত্যৰ ইতিবৃত্ত— ডঃ সত্যেন্দ্ৰনাথ শৰ্ম্মা

(৩৩) অসমীয়া নাট্য সাহিত্য— „

(৩৪) অসমীয়া উপন্যাস সাহিত্যৰ পটভূমি— „

(৩৫) অসমীয়া সাহিত্যৰ ৰূপৰেখা— ডঃ মহেশ্বৰ নেওগ

(৩৬) অৰ্ঘ্যাৱলী— শ্ৰীবেণুধৰ শৰ্ম্মা

(৩৭) আহোম বুৰঞ্জী (টাই-ইংৰাজী)— গোলাপচন্দ্ৰ বৰুৱা

(৩৮) আধুনিক গল্প সাহিত্য— শ্ৰীত্ৰৈলোক্যনাথ গোস্বামী

(৩৯) জ্ঞানমালিনী (অভিমত)— মফিজুদ্দিন আহমদ হাজৰিকা

(৪০) ছনৰি— শ্ৰীবেণুধৰ শৰ্ম্মা

(৪১) দৃষ্টিপাত— শ্ৰীশশী শৰ্ম্মা

(৪২) বিশ্বৰসিক বেজবৰুৱা— শ্ৰীকমলেশ্বৰ চলিহা

(৪৩) বেজবৰুৱাৰ সাহিত্য প্ৰতিভা— সবিত সভা

(৪৪) সাহিত্য দৰ্পণ— কবিৰাজ বিশ্বনাথ

(৪৫) হেমচন্দ্ৰ বৰুৱাৰ জীৱনী— সৰ্ব্বেশ্বৰ শৰ্ম্মা কটকী

(৪৬) সঞ্চয়িতা— ৰবীন্দ্ৰনাথ ঠাকুৰ

(৪৭) সাজাহান— দ্বিজেন্দ্ৰলাল ৰয়

(৪৮) সাহিত্য-সন্দৰ্শন শ্ৰীশচন্দ্ৰ দাস

(৪৯) Age of Driden— Richard Garnet

(৫০) Appreciations— W. H. Pater.

(৫১) Ballads and tales of Assam— Dr. P. D. Goswami

(৫২) Complete works of Shakespeare— Modern Library

(৫৩) Complete works of Shelley— Modern Library

(৫৪) Modern prose style— B. Dobree

(৫৫) Oxford lectures on poetry— A. C. Bradley

(৫৬) Style— F. L. Lucas

(৫৭) World Drama— A. Nicoll